Campus Tour through Satellite image

Geographical Psition of Sivasagar Girls' College Campus No.1

Three Main Campuses of Sibsagar Girls' College spotted in red circles



SIBSAGAR GIRLS' COLLEGE

শিৱসাগৰ ছোৱালী কলেজ

1964 50 2014

সোণালী জয়ন্তী

প্ৰৱাহিনী

শিৱসাগৰ ছোৱালী কলেজ আলোচনী

২০১২-১৩ বৰ্ষ

সম্পাদিকা

কংকনা বৰগোহাঁই

সোণালী জয়ন্তী বৰ্ষৰ প্ৰস্তাৱনা সংখ্যা

পুৰণি অসম আৰ্হিৰ কলা ভৱন

বিজ্ঞান ভৱন

গ্ৰন্থাগাৰ



ছাত্ৰী নিবাস

প্ৰৱাহিনী

(ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত তৃতীয় পুৰস্কাৰ প্ৰাপ্ত আলোচনী)

তমসো মা জ্যোতির্গময়

শিৱসাগৰ ছোৱালী কলেজ

শিৱসাগৰ ছোৱালী কলেজ আলোচনী

২০১২-১৩ বৰ্ষ

(সোণালী জয়ন্তী বৰ্ষৰ প্ৰস্তাৱনা সংখ্যা)

Sibsagar Girls' College Annual Magazine, edited by Kankona Borgohain published by Sibsagar Girls' College on behalf of College Students Union.

প্ৰৱাহিনী

শিৱসাগৰ ছোৱালী কলেজ আলোচনী

২০১২-১৩

সম্পাদনা সমিতি

সভাপতি
ড° হেমন্ত ফুকন

উপ সভাপতি
ড° লীলা মহন্ত বৰচেতিয়া

শিক্ষক উপদেষ্টা মণ্ডলী
মাৰ্জিয়ানা বেগম
কিশোৰ দেউৰী
মৌচুমী দত্ত
ড° ৰাজশ্ৰী ফুকন

সম্পাদিকা
কংকনা বৰগোহাঁই

অংগ সজ্জা
পলাশ বুঢ়াগোহাঁই

অক্ষৰ বিন্যাস
পলাশ বুঢ়াগোহাঁই
পংকজ গগৈ

মুদ্ৰণ
বিনায়ক অফচেট
শংকৰ মন্দিৰ পথ, শিৱসাগৰ
ফোন ঃ ৯৮৫৪০ ৩২৮১৪

উচৰ্গা

মাটি, মানুহ আৰু বাস্তৱক যি বুজি পায়
সেইসকললৈ......

শ্ৰদ্ধাঞ্জলি

যোৱা বছৰটোত যিসকল সুসন্তানক আমি হেৰুৱালো
সেইসকললৈ অশ্ৰুঅঞ্জলি ....

কৃতজ্ঞতা জনাইছো

- অধ্যক্ষ, শিৱসাগৰ ছোৱালী কলেজ।
- আলোচনীত প্ৰকাশিত লেখাসমূহৰ লিখকসকলক।
- প্ৰবীন শৰ্মা, প্ৰদীপ গগৈ (গুৱাহাটী), প্ৰণৱজ্যোতি ভৰালী, অভিজিৎ বৰপূজাৰী, ৰাজকুমাৰ কনচেং, অভিজিৎ গগৈদেৱক (ডিমৌ)।
- বিনায়ক অফছেটৰ সমূহ কৰ্মকৰ্তালৈ।

সত্যমেৱ জয়তে

তৰুণ গগৈ

মুখ্যমন্ত্ৰী, অসম
গুৱাহাটী

দিছপুৰ
১৬-১২-২০১৩

শুভেচ্ছাবাণী

শিৱসাগৰ ছোৱালী কলেজৰ বাৰ্ষিক আলোচনী 'প্ৰৱাহিনী' প্ৰকাশ কৰিবলৈ লোৱা বুলি জানিবলৈ পাই মই সুখী হৈছো।

মহাবিদ্যালয়ৰ এনে আলোচনীয়ে শিক্ষাৰ্থীসকলৰ বিভিন্ন সৃজনীশীল প্ৰতিভা প্ৰতিফলিত কৰাৰ লগতে তেওঁলোকৰ মানসিক দিগন্ত প্ৰসাৰৰ বাবে উপযুক্ত পৰিবেশ সৃষ্টিত অৰিহণা যোগায়। এনে আলোচনীত শিক্ষক, শিক্ষাবিদ আৰু বিদ্যানুৰাগী ব্যক্তিসকলে বিদ্যায়তনিক ক্ষেত্ৰৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰে। তেওঁলোকৰ মতামত আৰু দিহা-পৰামৰ্শই গুণগত শিক্ষাৰ উন্নয়ন আৰু প্ৰসাৰত সহায় কৰে। শিৱসাগৰ ছোৱালী কলেজৰ আলোচনী 'প্ৰৱাহিনী' এ শিক্ষানুষ্ঠানখনিৰ লগতে অঞ্চলটোৰ শৈক্ষিক ক্ষেত্ৰৰ উন্নয়নলৈ অৰদান আগবঢ়াব আৰু ছাত্ৰীসকলৰ প্ৰতিভা বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰিলো।

শিক্ষানুষ্ঠানখনৰ উত্তৰোত্তৰ উন্নতি আন্তৰিকতাৰে কামনা কৰাৰ লগতে প্ৰকাশ পাবলগীয়া 'প্ৰৱাহিনী' নামৰ আলোচনীখনে সকলোৰে পৰা সমাদৰ লাভ কৰিব বুলি আশা কৰিলো।

(তৰুণ গগৈ)

ড° হিমন্ত বিশ্ব শৰ্মা, এম এ, এল এল বি, পি এইচ ডি
মন্ত্ৰী
শিক্ষা, স্বাস্থ্য ও পৰিয়াল কল্যাণ
আৰু অসম চুক্তি ৰূপায়ণ বিভাগ

অসম সচিবালয়, দিশপুৰ, গুৱাহাটী - ৬
দূৰভাষ : (০৩৬১) ২২৩৭৩০১ (কাঃ)
২২৩৭০১২ (ফেক্স)
২২৬৮৪১৯ (ঘঃ)

প্ৰসঙ্গ :..................

দিনাংক : ১১-১২-২০১৩

শুভেচ্ছা বাণী

শিৱসাগৰ জিলাৰ মাজমজিয়াত অৱস্থিত স্ত্ৰী শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ তথা সোণালী জয়ন্তী বৰ্ষত ভৰি দিয়া শিৱসাগৰ ছোৱালী কলেজৰ বাৰ্ষিক আলোচনী "প্ৰৱাহিনী" ২০১২-২০১৩ বৰ্ষৰ সংখ্যাটি প্ৰকাশৰ প্ৰয়াস কৰা বুলি জানিবলৈ পাই সুখী হৈছো।

আমি আশা ৰাখিছো, উচ্চ শিক্ষানুষ্ঠান খনৰ শিক্ষাগুৰুসকল শিক্ষাৰ্থীৰ মৌলিক গুণাৱলী আৰু বৌদ্ধিকতা বিকশিত কৰাৰ প্ৰচেষ্টাত তেওঁলোকৰ পবিত্ৰ সেৱা পূৰ্বৰ দৰে অনাবিল আনন্দৰে ব্ৰতী থাকিব।

আধুনিক শিক্ষা ব্যৱস্থাত গোলকীয়ৰূপত শিক্ষাৰ সংস্কাৰৰ ওপৰত গুৰুত্ব দি আমাৰ দেশতো "শিক্ষাৰ অধিকাৰ আইন" প্ৰৱৰ্তন কৰা হৈছে। গোলকীয় পৰিৱৰ্তনে সৃষ্টি কৰা প্ৰত্যাহ্বানক দৃষ্টিগোচৰ কৰি অসমতো যুগান্তকাৰী পৰিৱৰ্তন আনিবলৈ অসম চৰকাৰৰ শিক্ষা বিভাগে ইতিমধ্যে শিক্ষা খণ্ডৰ ক্ৰমাগত উন্নতিৰ বাবে কিছু আঁচনি গ্ৰহণ কৰিছে।

আশা কৰিছো, শিৱসাগৰ ছোৱালী কলেজৰ বাৰ্ষিক আলোচনী খনৰ প্ৰকাশে বিশেষকৈ উচ্চ শিক্ষানুষ্ঠানখনৰ সংশ্লিষ্ট ছাত্ৰীবৃন্দৰ, তেওঁলোকৰ সৃষ্টিশীল গুণগত বিকাশ সাধনৰ প্ৰচেষ্টাত ব্ৰতী হ'বলৈ সমল যোগাব আৰু অনাগত দিনবোৰত জ্ঞানৰ জ্যোতিৰে আলোকিত কৰিব।

সদৌ শেষত শিৱসাগৰ ছোৱালী কলেজৰ উত্তৰোত্তৰ উন্নতি আন্তৰিকতাৰে কামনা কৰিলো।

(ড০ হিমন্ত বিশ্ব শৰ্মা)

Prof. A.K. Buragohain, Ph.D. (London), DIC
Vice-Chancellor

DIBRUGARH UNIVERSITY
DIBRUGARH-786 004
ASSAM, INDIA
Phone: 0373-2370239(O)
Fax : 0373-2370323
e.Mail: alakkrburagohain@gmail.com

Ref. No.DU/VC/M/073/13/167 Date: 12.12.2013

Message

To,

Ms. Konkona Borgohain,
Editor ***'Prabahini'***
Sibsagar Girl's College
Sivasagar.

Dear Ms. Konkona,

With immense pleasure and admiration I note the progression of Sibsagar Girl's College towards the celebration of its ***'Golden Jubilee'***, and delighted at the publication of a souvenir ***'Prabahini'*** being published for the occasion.

Throughout this *long Fifty years of its journey*, Sibsagar Girl's College in my opinion must have given a good positive influence upon many youths. It is a great achievement indeed. I believe that the college fraternity will continue its journey with tireless efforts to shape the future of our nation.

I heartily convey my best wishes for the grand success of the ***Golden Jubilee Celebration*** and congratulate the organizing Committee on the successful publication of the ***'Prabahini'***.

With best regards.

A.K. Buragohain

অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট - ৭৮৫০০১ ☎ (০৩৭৬) ২৩২০৩৭৬
ফেক্স ঃ (০৩৭৬) ২৩২০৩৭৬, ই-মেইল ঃ assjrt@gmail.com
গুৱাহাটী কাৰ্যালয় ঃ ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী- ৭৮১০০১ ☎ (০৩৬১) ২৫১৫৮৩০
ফেক্স ঃ (০৩৬১) ২৭৩১৬৯৫
ডিফু কাৰ্যালয় ঃ বাংহ্লা ভৱন, ডিফু - ৭৮২৪৬০ ☎ (০৩৬৭১) ২৭২৫৯০
ধুবুৰী আঞ্চলিক কাৰ্যালয় ঃ ধুবুৰী - ৭৮৩৩০১ ☎ (০৩৬৬২) ২৩২৫২৮
ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয় ঃ ৰায়বাহাদুৰ ৰামেশ্বৰলাল চহৰীয়া সংহতি ভৱন, ডিব্ৰুগড় - ৭৮৬০০৩ ☎ (০৩৭৩) ২৩১৫১২৮
শিলচৰ আঞ্চলিক কাৰ্যালয় ঃ অসম সাহিত্য সভা ভৱন, শিলচৰ - ৭৮৮০০১ ☎ (০৩৮৪) ২২৬৩৭৯৭
লখিমপুৰ আঞ্চলিক কাৰ্যালয় ঃ উত্তৰ লখিমপুৰ - ৭৮৭০০১ ☎ (০৩৭৫২) ২৪২৪১০
নগাঁও আঞ্চলিক কাৰ্যালয় ঃ কমলাদেৱী টোডী স্মৃতি ভৱন, নগাঁও - ৭৮২০০১

ইমৰান শ্বাহ
সভাপতি

শুভেচ্ছাৰে

শিৱসাগৰ ছোৱালী কলেজৰ সোণালী জয়ন্তী বৰ্ষত ~~কৰে~~ বাৰ্ষিক আলোচনী "প্ৰবাহিনী" প্ৰকাশৰ বতৰাই মোক খুব ভাল লাগিল,

অসম ঐতিহ্য ইতিহাসৰ এক সন্ধিক্ষণত থিয় দি আছোঁ, যাইহে নাৰী সমাজ এক নতুন ভৱিষ্যত গঢ় দিয়াৰ মুহূৰ্তত থকা বুলি ধৰি আছোঁ, মোৰ বিশ্বাস ন-ভাৱনা আৰু চিন্তাৰ বাহক 'প্ৰবাহিনী' নিশ্চয় সমৃদ্ধ হ'ব,

মোৰ আন্তৰিক শুভেচ্ছা জনালোঁ।

ইমৰান শ্বাহ

৪/১২/১৩

মহিম বৰা,
পদ্মশ্ৰী,সাহিত্যাচাৰ্য্য, প্ৰাক্তন সভাপতি, অসম সাহিত্য সভা
প্ৰতাপ শৰ্মা পথ, আমোলাপট্টি, নগাঁও,অসম
পিন-৭৮২০০১, ফোন-০৩৬৭২-২৩৫৬৭৯

Mahim Bora,
Padmasree,Sahityacharya, Ex-President, Assam Sahitya Sabha
Amolapatty, Pratap Sarmah Road
Nagaon (Assam), Pin. 782001,Ph. 03672-235679
e-mail : *bora1924@rediffmail.com*

Ref. No .... *Date . . . .*

শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰলৈ মোৰ আন্তৰিক শুভেচ্ছা জনালো। আলোচনীখনত আমাৰ ঐতিহ্য বিষয়ে আলোচনা থকা প্ৰবন্ধ পাতি যাতে প্ৰকাশ হয়। সেইফালে সম্পাদকে দৃষ্টি দিব লাগে বুলি মই ভাবো। শিৱসাগৰ আৰু যোৰহাট আদি ঠাইবোৰত আমাৰ ৬০০ বছৰৰ আহোম শাসনৰ বুৰঞ্জী প্ৰতিটো ধূলি-বালি, প্ৰতিডাল গছ-লতাত মিহলি হৈ আছে। সেয়ে আমাৰ গৌৰৱময় কালছোৱাত প্ৰেৰণা দি আহিছে আৰু ভৱিষ্যতে নতুন পুৰুষসকলৰ কাৰণে প্ৰেৰণাৰ উৎস হৈ আছে। সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰতো শিৱসাগৰৰো বহুখিনি বৰঙণি আছে, বিশেষকৈ বুৰঞ্জী সাহিত্যই আমাক ভাৰতীয় সাহিত্যৰ বুৰঞ্জীত এক বিশিষ্ট স্থান দি আহিছে। শিৱসাগৰৰ প্ৰতিখন গাঁও, চুবুৰী আদিতহে আমাৰ বুৰঞ্জীৰ সমল সোমাই আছে। নতুন পুৰুষসকলৰ শিক্ষিত আগ্ৰহীসকলে এই বুৰঞ্জী উদ্ধাৰ কৰিব। আমাৰ তেল সমৃদ্ধ [illegible] শিৱসাগৰত বহুতো শিল্পৰ জন্ম হোৱাৰ সম্ভাৱনা আছে। সেই কামো আগ্ৰহীসকলে ভৱিষ্যতে হাতত লব লাগিব। মই ছাত্ৰীসকললৈ আশীৰ্বাদ জনালো আৰু শিক্ষক-শিক্ষয়িত্ৰীসকললৈ শ্ৰদ্ধা জনালো। উদ্যোগটো আমাৰ সৰ্বাংগীন সফল হওক। ইতি

১১/১১/২০১৩

Bio-Data: Date of birth :6th July, 1924. Father: Late Gajendra Nath Bora, Mother : Late Chandrakanti Bora. ***Birth Place*** : Ghope Sadharu T.E., Dist: Sonitpur (Assam). ***Home Village:*** Ramtamuli Chuk, Hatbar. P.O. Jakhalabandha , Dist. Nagaon (Assam) ***Permanent Address*** : Pratap Sarma Road, Amolapatty, Nagaon. (Assam) ***Education*** : **Primary** Hatbar L.P. School, Hatbar **M.E.** Kuwarital Combined M.V. School.**Matriculation** Kaliabar Govt. Aided High School. **Intermediate** Nagaon College, Nagaon (Assam) in 1946 **B.A.** Cotton College, Guwahati (Assam) **M.A.** Gauhati University,Guwahati (Assam) ***Service*** : as a teacher (a) Kaliabar H.E.School, Nagaon (b) Kamrup Academy, Guwahati Assistant Editor : 'Rangghar' *Children Magazine* (now defunct) *Conductor : Gaonlia Raijalai , AIR, Guwahati. As a Lecturer :* J.B.College, Jorhat (Assam), Nowgong College. Nagaon *(Head of the Deptt. Assamese from 1954-1987) Founder lecturer :* A.D.P. College, Nagaon, Girls' College. Nagaon *Social activities* : (i) One of the founder teacher of Kaliabar Girls' H.E School, Hatbar. Nagaon 1944 (ii) the founder associate, *'Kanak lata Library* (now defunct) (iii) the founder member of *'Arun Sewa Samity'* (iv) Founder Member, Natya Sangha, Chief Editor : literary Magazine *'Arunachal'* (only one issue) President, *Nowgong District Sahitya Sabha* , President, Asom Sahitya Sabha in 1989-90, President Kavi Sanmilan, Asom Sahitya Sabha 1978 , Member. Advisory Board for Assamese Sahitya Akademy. New Delhi Awards : (i) ***Assam Publication Board Award***, Govt. of Assam ***(1980)*** for *Rati Phula phul* (ii) ***Sagunlal Jain Award (1996)*** for *Galpa Samagra* (iii) ***Assam Vally LiteraryAward (1998)*** for *Sampurna Rashanawali* (iv) ***Sahitya Akademy Award (2001)*** for *Edhani Mahir Hanhi* v) ***Sahityacharya*** honour in 2008 vi) ***Padmashree*** Honour in 2011.

Publications: Short-Story **collection**- Kathanibari Ghat (1961), Deha Garaka Prem (1967), Moi Pipali Aru Puja (1967), Bahubhuji Tribhuj (1967) , Akhan Nadir Mrityu (1972), Rati Phula Phul (1977) . Borjatri (1980) . Mor Priya Galpa (1987) *Collection of Essays* - Chinta Bichitra (1989), Sahitya Bichitra (1989), *Novel* - Herua Digantar Maya (1972) , Edhani Mahir Hanhi (2001) , Banduli Phular Rang (2007) . Putala Ghar (1973) *Children literature* - Batris Putalar Sadhu (1976). Tezimala Aru Cindarela (2007) *Translation* -Raja Rammohan Ray *Edited Book* ; Sankardevar Nat (1989) *Poetry Collection :* Ranga Jia (1978). Jonamanir hanhi *Radio Plays* Laru Gopalar Prem, Laru Gopalar Bibah, Laru Gopalar Ghar-Sansar, Padum Kunwari (1951), Nirmal Bhakat (1951. Pansha Sar, Garakhia Bhim (1951) , Tinir Tini Gal , Batar Akesh Bagari Edited by T. Goswami, *Memoir 'Pakhi Loga Din' edited by G.C. Das, Pabandha Bisitra Edited by G.C.Das.*

সম্পাদকীয়

সম্পাদকীয় একলম লিখাৰ প্ৰাক্ক্ষণত যিসকল মহান মণীষীৰ প্ৰচেষ্টাত ঐতিহ্যমণ্ডিত শিৱদৌলৰ চৰণস্থলত অৱস্থিত শিৱসাগৰ ছোৱালী কলেজখনিয়ে গৌৰৱোজ্জ্বল সোণালী জয়ন্তী বৰ্ষত অতিক্ৰম কৰিবলৈ লৈছে সেইসকল মহান মণীষীলৈ অশেষ কৃতজ্ঞতা তথা শ্ৰদ্ধা জ্ঞাপন কৰিছো।

সময় গতিশীল। সময়ে পাখিলগা কাঁড়ৰ দৰে দুৰন্ত গতিত ধাৱমান হয়। ঠিক তেনেকৈ শিৱসাগৰ ছোৱালী কলেজখনেও সময়ৰ লগত খোজ মিলাই আহি প্ৰায় পঞ্চাশটা বৰ্ষ অতিক্ৰম কৰাৰ দিশত আগবাঢ়িছে। এই আপাহতে মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ আৰু সমূহ শিক্ষাৰ্থীলৈ শুভকামনা জনাইছো। আশাকৰোঁ সোণালী বৰ্ষতো সকলোৰে বাবে সৰ্বাংগ সুন্দৰ হওঁক।

শিক্ষা হৈছে জাতি এটাৰ মেৰুদণ্ডস্বৰূপ। শিক্ষাৰ পাক চক্ৰত পৰিয়েই এদিন শিৱসাগৰ ছোৱালী কলেজৰ দুৱাৰ দলিত ভৰি থৈছিলোহি। সময়ৰ তাগিদাত এই মহাবিদ্যালয়ৰ সাহিত্য আৰু আলোচনী বিভাগটোৰ গুৰু দায়িত্ব মূৰ পাতি ল'ব লগা হয়। এই ক্ষেত্ৰত এটা কথা ক'ব পাৰি যে, মহাবিদ্যালয়ৰ আলোচনী এখনেই হ'ল ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভাক বিকাশ কৰাৰ মূল মাধ্যম। মহাবিদ্যালয়ৰ আলোচনীয়েই কাৰোবাৰ জীৱন গঢ়াৰ বাট হ'ব পাৰে অথবা আলোচনীত প্ৰকাশিত এটা লেখাই লেখকজনৰ জীৱনৰ গতিপথ সলনি কৰিব পাৰে। মহাবিদ্যালয়ৰ আলোচনীখনেই একোজন শিক্ষাৰ্থীক ভৱিষ্যতলৈ এজন প্ৰতিষ্ঠিত সাহিত্যিকলৈ ৰূপায়িত কৰিব পাৰে অথবা সমাজৰ একোজন সুনাগৰিক হিচাবেও গঢ়ি উঠাত অৰিহণা যোগাব পাৰে। আলোচনী এখনেই হ'ল ছাত্ৰীৰ ব্যক্তিত্ব বহনকাৰী এক জাতীয় সত্বা।

বৰ্তমান নৱ প্ৰজন্মৰ এটি অতি বিচাৰ্য বিষয় যে তেওঁলোকে মহাবিদ্যালয়ৰ আলোচনীৰ প্ৰতি আগ্ৰহান্বিত হোৱা দেখা নাযায়। মহাবিদ্যালয়ৰ আলোচনীৰ বাবে ছাত্ৰী সকলক লেখা বিচাৰি অনুৰোধ কৰিবলগীয়াটো চৰম দুৰ্ভাগ্যজনক যদিও বৰ্তমান এনে পৰিস্থিতিৰ সন্মুখীন হ'ব লগা হৈছে। ভৱিষ্যতে যাতে এনে অৱস্থাৰ সন্মুখীন নহয় তাৰ বাবে ছাত্ৰীসকলে নিজৰ সুপ্ত প্ৰতিভা বিকাশৰ বাবে নিজেই আগ্ৰহ প্ৰকাশ কৰিব লাগিব। নহ'লে অদূৰ ভৱিষ্যতে এনে এক প্ৰতিভা বিকাশৰ সুন্দৰ মাধ্যম লুপ্তপ্ৰায় হোৱাৰ সম্ভাৱনাও অস্বীকাৰ কৰিব নোৱাৰি। ইয়াৰ উপৰিও বৰ্তমান জনসাধাৰণৰ মুখত অসমীয়া ভাষাই বিকৃত আৰু মিশ্ৰিত ৰূপ লোৱা পৰিলক্ষিত হয়। ফলত অসমীয়া ভাষাই ক্ৰমান্বয়ে মৃত্যুৰ অভিমুখে গতি কৰিছে। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ আলোচনীখনে অসমীয়া ভাষাৰ সু-প্ৰতিষ্ঠিত ৰূপ পোৱাৰ লগতে প্ৰতিভা কৰ্ষণৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰে।

বৰ্তমান আমাৰ সমাজ ব্যৱস্থাত যুৱ সমাজৰ যিমানেই উচ্ছৃংখলতা বাঢ়ি গৈছে সিমানে আমাৰ দায়িত্ববোধ বাঢ়ি গৈছে সমাজ আৰু দেশ ৰক্ষাৰ ক্ষেত্ৰত। গতিকে আমি সকলোৰে সমাজত ঐক্য, শান্তি, সম্প্ৰীতি জীয়াই ৰাখিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিব লাগে। সমাজ তথা দেশৰ শান্তি কামনা কৰাতো প্ৰতিজন নাগৰিক হিচাপে সকলোৰে কৰ্তব্য।

এই আলোচনীখনত প্ৰকাশ হোৱা বিভিন্ন লেখাসমূহৰ মাধ্যমেৰে ছাত্ৰীসকলৰ শৈক্ষিক ব্যক্তিত্ব বিকাশৰ উত্তৰণ ঘটাবলৈ ক্ষুদ্ৰ প্ৰয়াস কৰা হৈছে। গতিকে আলোচনীখনত ভুল-ত্ৰুটি ৰৈ যোৱাটো স্বাভাৱিক। এই ভুল-ত্ৰুটিসমূহ যাতে পঢ়ুৱৈসকলে আঙুলিয়াই দিয়ে তাৰ বাবে অনুৰোধ জনালো।

'জয়তু শিৱসাগৰ ছোৱালী কলেজ'

'জয়তু প্ৰৱাহিনী'

ধন্যবাদেৰে —

কংকনা বৰগোহাঁই
সম্পাদিকা, প্ৰৱাহিনী
সাহিত্য আৰু আলোচনী বিভাগ
শিৱসাগৰ ছোৱালী কলেজ, শিৱসাগৰ, অসম।

মাননীয় অধ্যক্ষ ড° হেমন্ত কুমাৰ ফুকন

এম. এছ্. চি, এল এল. বি., পি এইচ ডি., ডি এ এফ ই

সম্পাদনা সমিতি 'প্ৰৱাহিনী'

শিৱসাগৰ ছোৱালী কলেজ আলোচনী ২০১১-১২

ড° হেমন্ত কুমাৰ ফুকন
অধ্যক্ষ আৰু সভাপতি

ড° লীলা মহন্ত বৰচেতিয়া
উপাধ্যক্ষ আৰু উপদেষ্টা

মাৰ্জিয়ানা বেগম
উপদেষ্টা

কিশোৰ কুমাৰ দেউৰী
উপদেষ্টা

সঞ্জয় দাস
উপদেষ্টা

ড° ৰাজশ্ৰী ফুকন
উপদেষ্টা

মৌচুমী দত্ত দুৱৰা
উপদেষ্টা

কংকনা বৰগোহাঁই
সম্পাদিকা

বৰ্দালি চেতিয়া
সদস্যা

চিম্মি কোঁৱৰ
সদস্যা

মেঘালি বৰুৱা
সদস্যা

সোণালী জয়ন্তী বৰ্ষৰ শুভাৰম্ভণি অনুষ্ঠানৰ কেইটিমান গুৰুত্বপূৰ্ণ মুহূৰ্ত

মুকলি সভাৰ প্ৰাক্ মুহূৰ্তত বন্তি প্ৰজ্বলন কৰিছে উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি তথা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ দিলীপ চক্ৰৱৰ্তীয়ে

সোণালী জয়ন্তী বৰ্ষৰ শোভাযাত্ৰা মুকলি কৰিছে বিশিষ্ট সাংস্কৃতিক কৰ্মী মাখন বৰাদেৱে

সোণালী জয়ন্তী বৰ্ষৰ শুভাৰম্ভণি অনুষ্ঠানৰ বিশিষ্ট অতিথি তথা নিৰ্দিষ্ট বক্তা, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি নগেন শইকীয়াদেৱে ভাষণ প্ৰদান কৰিছে।

সোণালী জয়ন্তী বৰ্ষৰ উদযাপন সমিতিৰ সম্পাদক তথা মহাবিদ্যালয়ৰ অধ্যক্ষ হেমন্ত কুমাৰ ফুকনৰ আদৰণি ভাষণ

সোণালী জয়ন্তী বৰ্ষৰ শুভাৰম্ভণিৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা'অ' মোৰ আপোনাৰ দেশ ... এক বিশেষ যাত্ৰা'ত কলেজৰ ছাত্ৰীৰ অসম সংগীত পৰিৱেশন

মহাবিদ্যালয়ৰ স্থাপনৰ প্ৰথম বৰ্ষৰ প্ৰাক্তন ছাত্ৰী সকলক সম্বৰ্ধনা জনোৱাৰ মুহূৰ্তত

সোণালী জয়ন্তী বৰ্ষ উপলক্ষে অনুষ্ঠিত বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ কেইটিমান দৃশ্য

অনুক্ৰমণিকা

❖ সাহিত্য -সংস্কৃতিৰ এক অন্যতম মুকুতা ড° ভবেন্দ্ৰনাথ শইকীয়া	মৌচুমী দত্ত	১৫
❖ মোৰ জীৱনৰ মৃত সঞ্জীৱনী পুথি	ছাফিনা আখতাৰ খানম	১৯
❖ ডাকৰ বচনত প্ৰতিফলিত অসমীয়া জনজীৱন	উৎপলা দেৱী	২১
❖ ধাবা সংস্কৃতিৰ উত্তৰণ আৰু দৈনন্দিন সমাজ জীৱনত ইয়াৰ ধনাত্মক আৰু ঋণাত্মক প্ৰভাৱ	মেদিনী হাজৰিকা	২৭
❖ অসমীয়া ব্যাকৰণৰ ইতিহাস আৰু কিছু কথা	প্ৰীতিশ্ৰী নেওগ	৩১
❖ মাধৱদেৱৰ নামঘোষা ঃএক চমু আলোচনা	তুলুমণি গগৈ	৩৩
❖ চকলং-আহোম সকলৰ বিবাহ পদ্ধতি	গীতিমণি বৰুৱা	৩৫
❖ বিদেশী অনুপ্ৰৱেশকাৰী আৰু অসম	ভাগ্যশ্ৰী নেওগ	৩৭
❖ সাম্প্ৰতিক অসমীয়া সমাজত শিশু গ্ৰন্থাগাৰৰ প্ৰয়োজনীয়তা আৰু আমাৰ কৰণীয়	অভিজিত বৰপূজাৰী	৩৯
❖ মানৱ সমাজত নাৰীৰ মৰ্য্যদা	কংকনা দত্ত	৪২
❖ ব্যক্তিত্ব বিকাশৰ দিশে এখোজ	সুস্মিতা দে	৪৩
❖ বিদেশী অনুপ্ৰৱেশ সমস্যা আৰু অসম	ৰ'দালি চেতিয়া	৪৫
❖ অসমৰ চাহ জনগোষ্ঠী লোকসকলৰ পৰম্পৰা উৎসৱ কৰম পৰৱ	মৌচুমী চাহু	৫২
❖ পৰ্যটন স্থলী হিচাপে অসমৰ গ্ৰাম্য সমাজ	দীপশিখা শৰ্মা	৫৩
❖ বিদেশী অনুপ্ৰবেশৰ সমস্যা আৰু অসম	চিমি কোঁৱৰ	৫৫
❖ একৈশ শতিকাৰ অসমীয়া সমাজত নাৰীৰ স্থান	দীপা ভাগৱতী	৫৮
❖ অসমীয়া সাহিত্যত ডাকৰ বচন	ৰিমা বুঢ়াগোহাঁই	৬০
❖ "বাতৰিকাকত" আৱিস্কাৰৰ এক চমু অৱলোকন.....	প্ৰিয়া চাহু	৬২
❖ অসমীয়া জাতি গঠন প্ৰক্ৰিয়া আৰু সাহিত্য-সংস্কৃতিলৈ আহোম সকলৰ অৱদান ঃ এক অৱলোকন	প্ৰণীতা গগৈ	৬৪
❖ অসমীয়া লোক সাহিত্যত বিহুনাম	পল্লৱী শইকীয়া	৬৬
❖ ইক'ফেমিনিজম	লাকিমণি গগৈ	৬৮
❖ "মামণি ৰয়ছম গোস্বামী" অসমীয়া সাহিত্যৰ "এক ব্যতিক্ৰমী সত্তা"	গীতিমণি বৰঠাকুৰ	৭১
❖ মে-ডাম-মে-ফি ঃ তাৎপৰ্য আৰু প্ৰাসংগিকতা	জেবিন আখতাৰ ৰহমান	৭৩
❖ অসমীয়া লিপিৰ এক চমু আভাস	সমীক্ষাজ্যোতি বৰগোঁহাই	৭৫
❖ মমতাৰ দাবীত থমকি ৰয় হৃদয়	যামিনী মহন্ত	৭৭
❖ হেৰুৱা সুঁতি........	দেৱশ্ৰী দেৱী	৮১
❖ স্বপ্নৰ সমাধি	বৰ্ণালী বৰগোহাঁই	৮৩
❖ বিষাদৰ বলিৰেখা	কংকনা দত্ত	৮৫
❖ আধৰুৱা সপোনৰ বিননি	ডিম্পী ফুকন	৮৭
❖ অবিৰত যাত্ৰা	মৃদুস্মিতা গগৈ	৮৯

❖ ধোৱাঁই থকা গৰম ভাত বেঙেনা আৰু কণবিলাহীৰ পিটিকা	ঝিলিজি গগৈ	৯১
❖ ৰং নাম্বাৰ	লাকীমণি গগৈ	৯৩
❖ একে একে মিলি দুই দুইয়ে একে মিলি তিনি	পাপৰি শেনচোৱা	৯৫
❖ অন্তহীন অপেক্ষা...	ৰ'দালি চেতিয়া	৯৭
❖ আপোন মাটিৰ সুবাস	দৰোথী বৰুৱা	৯৯
❖ বন্ধ্যা পথাৰ	ৰ'দালি চেতিয়া	১০১
❖ অন্য এক পৃথিৱী...	টিমি কোঁৱৰ	১০৩
❖ আপোনাৰ প্ৰশংসাই কাৰোবাৰ জীৱনৰ গতি সলাই দিব পাৰে	নবাব চাব্রিনা জামান	১০৫
❖ শৈক্ষিক পৰিৱেশ গঢ়াত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা	অনুসূয়া বৰুৱা	১০৭
❖ নাৰী দিৱস	ইভা ৰাণী মেছ	১০৮
❖ সাহিত্যৰ চলচ্চিত্ৰৰূপণ	আৰ্শীষপনা মৰল	১০৯
❖ জৈৱ বৈচিত্ৰ আৰু ইয়াৰ সংৰক্ষণ	বৰষা বৰা	১১১
❖ বুৰঞ্জী শিক্ষা	চুম্পী ভৰলুৱা	১১২
❖ নাৰী আৰু সামাজিক প্ৰস্থিতি	নীলাক্ষি বৰগোহাঁই	১১৩
❖ ফেচবুক	মৌচুমী পান তাঁতী	১১৪
❖ শিশু শ্ৰমিকৰ জীৱনৰ ওপৰত এটি টোকা	ভায়'লিনা গগৈ	১১৫
❖ "ইন্টাৰনেট- ইয়াৰ শৈক্ষিক গুৰুত্ব"	মৃদুস্মিতা ফুকন	১১৬
❖ বৃশ্চিকৰ জীৱন	অনামিকা দাস	১১৮
❖ শিক্ষাৰ বহল প্ৰচাৰ আৰু নিৰক্ষৰতা	বনশ্ৰী কলিতা	১২০
❖ জীৱনৰ বাটত	সংগীতা গগৈ	১২১
❖ মানৱ সমাজত নাৰীৰ মৰ্য্যাদা	কংকনা দত্ত	১২২
❖ জীৱন ঃ অন্য এক যাত্ৰা	পৰিস্মৃতা চুতীয়া	১২৩
❖ ৰেগিং ঃ এক সামাজিক ব্যাধি	শোভালক্ষ্মী দিহিঙীয়া	১২৫
❖ বৰ্তমান সময়ত যোগৰ গুৰুত্ব	চেতনা চত্ৰধৰা	১২৭
❖ জন্মদিনে কঢ়িয়াই অনা বেদনা	দীপা ভাগৱতী	১২৯
❖ বিজয়ী হ'ব পাৰি ঃ কিন্তু সংকল্পৰ জৰিয়তেহে	ৰঞ্জুমণি বড়া	১৩০
❖ ছেমিষ্টাৰ পদ্ধতি বনাম শিক্ষাৰ্থীৰ ভৱিষ্যত	দৰথী বৰুৱা	১৩১
❖ সমাজৰ প্ৰতি আমি কিমান দায়বদ্ধ	মৃদুস্মিতা গগৈ	১৩৩
❖ যৌতুক প্ৰথা আৰু বৰ্তমান সমাজ ব্যৱস্থা	মায়াশ্ৰী গগৈ	১৩৫
❖ অসমীয়া সংস্কৃতিৰ বাবে বহণত বিভিন্ন জনগোষ্ঠীয় সংস্কৃতিৰ এক আলোকপাত	দীপামণি ওজা	১৩৭
❖ নাৰীৰ জীৱন দস্তা	অন্তৰা শৰ্মা	১৩৯
❖ শ্বট (Shot)	ৰাজশ্ৰী বড়া	১৪১
❖ সোনসেৰীয়া কথা	হুনছেং ফুকন	১৪২
❖ বাখৰ (সুখ-দুখৰ অনুভৱ)	হুনছেং ফুকন	১৪৩

❖ পঞ্চতন্ত্ৰ ঃ প্ৰাচীন ভাৰতীয় প্ৰজ্ঞা	প্ৰীতিশ্ৰী নেওগ	১৪৪
❖ মেথ্‌মেটিকেল জিনিয়াচ ৰামানুজন	ৰুবী দিহিঙ্গীয়া	১৪৬
❖ বিহুৰ পঞ্চবাদ্য	দিম্পী সোনোৱাল	১৪৮
❖ অন্তহীন অপেক্ষা...	চিমি কোঁৱৰ	১৪৯
❖ হোষ্টেলত ভূত	কৃষ্ণা ভূঞা	১৫০

■ কবিতা ১৫২-১৮২

○ নিৰাশা, শতাব্দী দত্ত, ○ স্মৃতিৰ বেটুপাতত সুধাকণ্ঠৰ প্ৰতিচ্ছবি, জেবিন আখতাৰ ৰহমান, ○ এটা সপোনৰ ভাৱনাত, বিপাশা চুতীয়া, ○ মোৰ নঙলামুখ, তুলুমণি গগৈ, ○ আকাশ, লিপি হাজৰিকা, ○ ফাগুন, বৰ্ণালী বুঢ়াগোহাঁই, ○ ফাগুন! অন্য এক অনুভূতি, প্ৰীতিৰেখা বৰুৱা, ○ নিঠৰুৱা মন, গীতাশ্ৰী ওজা, ○ ফাগুন আহিছে মোৰ বুকুলৈ... ৰ'দালি চেতিয়া, ○ একাঁজলি শীতৰ আবেশেৰে..... যামিনী মহন্ত, ○ তোমাৰ বাবেই মোৰ দুহাতত কৃষ্ণচূড়া ফুলে ফাগুন...চিমি কোঁৱৰ, ○ বিদায় বেলাত, নিভা পেগু, ○ জোনাক বিহীন অশান্ত নিশাবোৰ, কাবেৰী বাইলুং, ○ যাত্ৰা, ৰাণী দাস, ○ সপোনৰ হাঁহি, জোনালী গগৈ, ○ মোৰ হৃদয়ৰ প্ৰথম বাৰিষাৰ এজাক বৰষুণৰ পাছত...., গীতিষ্ণা গগৈ, ○ ফাগুন, গীতিমণি বৰুৱা, ○ এইয়াইটো জীৱন, হিমাক্ষী কলিতা, ○ বাৰিষাৰ পথাৰ, সংগীতা গগৈ, ○ তোমাক ভালপাওঁ বাবেই বুজিপাওঁ তোমাৰ বুকুৰ সেউজীয়াবোৰ - ৰাখী গগৈ, ○ অস্তিত্বৰ প্ৰশ্ন, মিঠু বৰুৱা, ○ অপ্ৰাপ্তি, মধুস্মিতা শেনছোৱা, ○ সপোনৰ এটি চৰাই, বনশ্ৰী দত্ত, ○ হৃদয়ৰ দস্তাবেজ, লিপিকা দত্ত, ○ মহাবিদ্যালয়খনি আৰু ইয়াৰ চৌপাশ, নিভা পেগু, ○ অনুভৱ, ভাগ্যশ্ৰী নেওগ, ○ মৌনতাৰ ভাষা, ডিম্পী বেজবৰুৱা, ○ আপোনাৰ বাবেই হেৰাই গৈছে মোৰ সেউজীয়াবোৰ... চিমি কোঁৱৰ, ○ নীলা খামৰ চিঠি, গীতিমণি বৰুৱা, ○ আঘোণত সোণগুটিৰ সোণালী হাঁহি, মুনিয়া য়াছমিন, ○ কোঠা, ৰিম্পী কোঁৱৰ, ○ সপোন নেদেখো আজিকালি!!- ৰ'দালি চেতিয়া, ○ ঠিকনাবিহীন প্ৰেমিকা মই, বৰ্ণালী শইকীয়া, ○ দুটা গাঁথা, হিমাদ্ৰী ফুলকোঁৱৰ, ○ তোমাৰ ঠিকনাৰে এপিটাফ, অজন্তা দাস, ○ অভিযাত্ৰী মই জীৱনৰ, অনিন্দীতা কটকী, ○ অনুভৱৰ বঁকিয়াত জীৱন, প্ৰণিতা গগৈ, ○ দুঃসময়, মিচ লোনা বৰুৱা, ○ হয়তো এদিন বেলিটিয়ে ভুমুকি মাৰিব, জুমি ভূঞা, ○ আশীস দিয়া, ধৰিত্ৰী গগৈ, ○ শীতৰ মাজত তুমি আৰু মই, ৰিংকিমণি বৰা, ○ ফাগুন-স্মৃতিৰ এখিলা পাত, মিঠু বৰুৱা, ○ কাম্বৌ ফুলিল, ৰাজশ্ৰী বৰা, ○ জয়পুৰ, লিপি ফুকন, ○ উপলব্ধি, সংগীতা দাস বৰুৱা, ○ ফাগুণ এটি অনুভৱ, অৰ্চনা কাকতি ○ ছাঁৰ ছাঁ, কিশোৰ কুমাৰ দেউৰী, ○ সাকোঁ, প্ৰতিভা দেৱী

❖ শিৱসাগৰ ছোৱালী কলেজত অভিজ্ঞতা	জুমি ভূঞা	১৮৩
❖ মোৰ শব্দৰ মাজেৰে 'মা'ৰ অনুভৱ	চেতনা চক্ৰধৰা	১৮৫
❖ R.C.N এক মিঠা অনুভূতি.........	ডিম্পল সোণোৱাল	১৮৬
❖ দুইচেন	শৰ্মিষ্ঠা প্ৰীতম	১৮৮
❖ ইম্ৰান শ্বাহৰ সৈতে সাক্ষাৎকাৰ		১৯০
❖ ৰঙা জিঁয়াৰ কবি মহিম বৰাৰ সৈতে এক্ষন্তেক		১৯২
❖ **YOU WANT TO SPEAK ENGLISH**	Shiva Prasad Mili	১৯৩
❖ **IMPACT OF SPIRITUALITY ON A MOTHER'S ROLE IN THE MANIFESTATION OF HER CHILD**	Chitralekha Saikia	১৯৮
❖ **SCIENCE LITERACY FOR BETTER FUTURE**	Dr. Rajashree Phukon	২০১

❖ Wake up! It's time.........	Rajashree Dutta	২০৩
❖ Problems of foreign influx and Assam,	Sushmita Dey	২০৫
❖ Senior Citizens & Our Present Society	Ananya Nath	২০৭
❖ GOD IS OUR FRIEND	Roshini Begum	২০৮
❖ SHE	Shweta Sur	২০৯
❖ MUSIC AS A HEALTH BENEFIT	Polakhi Boruah	২১০
❖ Don't Kill the trees; Rather plant a tree and help the plant breathe......	Sonu Sharma	২১১
❖ Panchayati Raj System and Political Imbroglios	Pori Rajkhowa	২১২
❖ UNHEARD SILENCE	Roshini Begum	২১৩
❖ THE NEW BRIDE,	Polakhi Boruah	২১৩
❖ ডেল কার্নেগীৰ কিছু মতামত	ৰাফিয়া বেগম	২১৪
❖ বৰ্তমানৰ ভবিষ্যলৈদি প্ৰিয় বন্ধু তোমালৈ.........	মিঠু বৰুৱা	২১৫
❖ পূব মণ্ডল আন্তঃ বিশ্ববিদ্যালয় বেডমিন্টন প্ৰতিযোগিতা	মৃদুস্মিতা ফুকন	২১৭
❖ প্ৰতিবেদন		২১৮-২৪২

সাহিত্য -সংস্কৃতিৰ এক অন্যতম মুকুতা

ডং ভবেন্দ্ৰনাথ শইকীয়া

মৌচুমী দত্ত
সহঃ অধ্যাপিকা, অসমীয়া বিভাগ

অসমীয়া ভাষা, সাহিত্য - সংস্কৃতিৰ ক্ষেত্ৰখনত চৌদিশ উজ্বলাই তোলা এক অমূল্য ৰত্ন হ'ল ডং ভবেন্দ্ৰনাথ শইকীয়াদেৱ। ১৯৩২ চনৰ ২০ ফেব্ৰুৱাৰীত নগাওঁ জিলাৰ ফৌজদাৰী পট্টিত জন্মগ্ৰহণ কৰা এইজনা মহান মনীষীয়ে অতি কম সময়তে সাহিত্য -সংস্কৃতি আৰু সমাজৰ বাবে যি অৱদান দি গ'ল তাৰবাবে তেওঁ চিৰদিন অমৰ হৈ ৰ'ব। প্ৰতিভা আৰু চৰিত্ৰৰ সমন্বয়তহে এজন ব্যক্তি মহান হ'ব পাৰে। ডং শইকীয়াদেৱ আছিল এনে এজন মহান ব্যক্তি যিজনৰ প্ৰতিভা আৰু চাৰিত্ৰিক বৈশিষ্ট্যই একোটা জাতিক প্ৰতিনিধিত্ব কৰা যেন অনুভৱ হয়।

সাহিত্যৰ পৰা সংস্কৃতিৰ পথাৰখনলৈ, বিজ্ঞানৰপৰা সমাজ সেৱালৈ, গল্পৰ পৰা চিনেমা, নাটক, ভ্ৰাম্যমানলৈ, প্ৰান্তিক, সঁফুৰাৰ পৰা আৰম্ভ কৰি উপন্যাস, শিশুসাহিত্যলৈ, কলাক্ষেত্ৰৰপৰা আৰোহনলৈ ক'তো থমকি নোৰোৱাকৈ যিগৰাকী ব্যক্তিয়ে সৃষ্টিৰ কঁঠিয়া সিঁচি ধৰণী জীপাল কৰি তুলিছিল তেনে এগৰাকী কিম্বদন্তীস্বৰূপ ব্যক্তিৰ জীৱন আৰু কৃতিৰ বিষয়ে আলোকপাত কৰিবলৈ গৈ 'হাতী মাৰি ভুৰুকাত ভৰোৱাৰ দৰেহে' হ'ব যেন বোধ হয়। যি কি নহওঁক মনীষীজনাৰ জীৱনৰ গভীৰতম কোণলৈ নগৈ খিৰিকীৰে জুমি চোৱাৰ প্ৰয়াসেৰে তেখেতৰ জীৱন আৰু কৃতিৰ ওপৰত চমু পৰ্য্যালোচনা আগবঢ়োৱা হ'ল "জীৱন বৃত্ত"ৰ গইনালৈ।

ডং শইকীয়াৰ বহুমুখী কৰ্মজীৱন আৰু কৰ্মপ্ৰতিভাৰ বিষয়ে আলোচনা কৰিবলৈ হ'লে আমি কেইটামান দিশত ভাগ কৰি ল'ব পাৰো। সেইকেইটা হ'ল - বাল্যকাল, শিক্ষাৰম্ভ ও শিক্ষাবিস্তাৰৰ কাল, উচ্চ শিক্ষা লাভৰ কাল, কৰ্মজীৱন, সাহিত্যিক, সম্পাদক আৰু চলচিত্ৰকাৰ হিচাপে ডং শইকীয়া।

শইকীয়াদেৱৰ বাল্যকাল অতিবাহিত হৈছিল নগাঁৱৰ ফৌজদাৰী পট্টিত। তেওঁৰ ঘৰখন, ঘৰৰ বাৰীখন, পিতাক - বৌৱেক, দুই ককায়েক, চিনাকী চুবুৰীটো, চুবুৰীৰ মাজেদি যোৱা ধুলিয়াৰ বাটটো, চুবুৰীয়া ভজহৰি, মতিৰামদেদাই, দীন ককাইটি, অন্ন হালদাৰ, মহোধৰ জেঠো, নীলু ককাইটি, টেপু ককাইটিৰ

শাস্ত্ৰীয় সংগীতৰ চৰ্চা এইবোৰ শইকীয়াদেৱৰ বাল্যকালটোক সমৃদ্ধ কৰিছিল। বাল্যকালৰ প্ৰথম অনানুষ্ঠানিক শিক্ষকসদৃশ দেউতাক আৰু মাকে তেওঁক প্ৰত্যক্ষভাবে প্ৰভাৱিত কৰিছিল আৰু জীৱন পথত সফলতা লাভ কৰিবলৈ উদ্‌গনি যোগাইছিল। ড° শইকীয়াদেৱৰ আনুষ্ঠানিক শিক্ষা আৰম্ভ হৈছিল নগাঁৱৰ মোক্তাব স্কুলত। সৰুৰেপৰা তেওঁ অতি মেধা ছাত্ৰ আছিল যাৰবাবে ১৯৪৮ চনত নগাঁৱৰ গৱৰ্ণমেণ্ট হাইস্কুলৰপৰা তিনিটা বিষয়ত লেটাৰ নম্বৰলৈ ষ্টাৰসহ মেট্ৰিকুলেচন পৰীক্ষা উত্তীৰ্ণহৈ কটনত নাম ভৰ্ত্তি কৰে। কটনৰ পৰা বি.এছ.চি. পাছ কৰি তেওঁ কলিকতাৰ প্ৰেছিডেন্সি কলেজত এম.এছ.ছি.ত নাম লগায়। অৱশেষত পদাৰ্থ বিজ্ঞানত দ্বিতীয় শ্ৰেণীলৈ এম.এছ.ছি. উত্তীৰ্ণ হয়। যি মূলা বাঢ়ে দুপাততে চিন। ড° শইকীয়াৰ ক্ষেত্ৰত এই কথাষাৰ আখৰে আখৰে ফলিয়ালে। কাৰণ জন্মহে আহোতেই তেওঁ কিছু প্ৰতিভা লগতলৈ আহিছিল, যি বোৰে সময়ে সময়ে মূৰ দাঙি উঠিছিল। কটনত পঢ়ি থাকোতেই তেওঁ সাহিত্য প্ৰতিযোগিতাৰ বাবে 'শান্তিৰ বুকুৰ ধুমুহা' নামৰ গল্পৰে চমক সৃষ্টি কৰিছিল। যিটো পাছত 'আবাহন' ত প্ৰকাশ পাইছিল। ঠিক তেনেদৰে 'নলিনী কাব্যৰ সুৰ' নামৰ এখন ৰচনা লিখিছিল। যিখন কটনিয়ানত ওলাইছিল। কলিকতাৰ প্ৰেছিডেন্সি কলেজত থাকোতেই 'মনিকুট' নামৰ আলোচনী প্ৰকাশৰ যোজা কৰাৰ ওপৰিও চিনেমা শিল্পৰ লগতো জড়িত হৈ পৰিছিল।

১৯৫৬ চনৰ ড° শইকীয়াই শিৱসাগৰ কলেজত পদাৰ্থ বিজ্ঞানত লেকচাৰৰ ৰূপে নিযুক্তি লাভ কৰে। এইসময়তে তেওঁ পদ্মধৰ চলিহা, পৰাগ চলিহা, লীলা গগৈ, বীৰেন বৰকটকী আদি নমস্য ব্যক্তিৰ সান্নিধ্যলৈ আহে। কলেজত চাকৰি কৰা কালতে তেওঁ "ভগা ডেউকাৰ ছাঁ" নামৰ নাটক লিখি ওলিয়ায়। চিনেমাৰ চিত্ৰনাট্য লিখাৰ কৌশলো তেওঁ ইয়াতে আয়ত্ব কৰে। কিছুদিন অধ্যাপনা কৰাৰ পাছত তেওঁ গৱেষণাৰ বাবে ৰাওনা হয়। লণ্ডনৰ 'ইম্পিৰিয়েল কলেজ অৱ চায়ন্স এণ্ড টেকনলজি'ত ড° হেৰি উইমমেনৰ তত্বাৱধানত তেখেতে গৱেষণা আৰম্ভ কৰে। ড° শইকীয়াদেৱৰ অদম্য উৎসাহৰ বাবে অতি কম সময়তে (দুই বছৰ দুই মাহ বাইছ দিনত) তেওঁ ডক্টৰেট ডিগ্ৰী লাভ কৰে। ১৯৬১ চনৰ আগষ্ট মাহত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পদাৰ্থবিজ্ঞানৰ অধ্যাপক ৰূপে নিযুক্তি পায়। এই সময়তে তেওঁ অনাতাঁৰ নাটকৰ প্ৰতি মন দিয়ে। ১৯৬৫ চনত প্ৰীতি শইকীয়াৰ সৈতে দাম্পত্য জীৱনৰ পাতনি মেলে। ১৯৬৯চনৰ পৰা ৭৯ চনলৈকে তেওঁ গুৱাহাটী বিশ্ববিদ্যালয় আঞ্চলিক ভাষাত পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সচিবৰূপে থাকি অশেষ কষ্টৰে এই দায়িত্ব পালন কৰে। ১৯৭৯-৮১চনলৈ তেওঁ ৰেলৱে চাৰ্জিচ কমিছনৰ চেয়াৰমেন ৰূপে কাৰ্যনিৰ্বাহ কৰে।

ড° শইকীয়া আছিল কৰ্মযোগী, পাৰিপাটী আৰু মধুৰ ব্যৱহাৰৰ গৰাকী। একনিষ্ঠা, কৰ্তব্যপৰায়ন, নিয়মানুবৰ্তিতা, সময়ানুবৰ্তিতা আদি গুণৰ বাবে তেখেত জনপ্ৰিয়তাৰ উচ্চ শিখৰত পদাৰ্পন কৰিব পাৰিছিল। দেশৰ হকে, সমাজৰ হকে, কণ কণ শিশুহতঁৰ হকে কিবা এটা কৰাৰ চিন্তাত তেওঁ নিমগ্ন আছিল। যাৰবাবে জন্ম হৈছিল 'কলাক্ষেত্ৰ' আৰু 'আৰোহন' ৰ দৰে অনুষ্ঠানৰ। ভ্ৰাম্যমান নাটক আৰু চলচিত্ৰ নাটকৰ লগত ছাঁৰদৰে লাগি থকা ব্যক্তি জনে সম্পাদনা কৰি ছিল প্ৰান্তিক আৰু সঁফুৰা আলোচনী দুখন।

ড° শইকীয়াদেৱৰ অন্য দিশ বাদ দি কেৱল এজন সাহিত্যিক হিচাবে চালেও তেওঁ এজন কৃৰ্তিবান পুৰুষ হিচাপে পৰিগণিত হ'ব। ঔপনাসিক হিচাপে তেখেতৰ এখন সুকীয়া আসন আছে। শিশু উপন্যাস আতংকৰ শেষত আৰু অন্তৰীপ, ৰম্যভূমি তেখেতৰ ৰচিত উপন্যাস। অন্তৰীপত পাৰিবাৰিক আৰু লিংগভিত্তিক বৈষম্য আৰু নিপীড়নৰ প্ৰানস্পৰ্শী ছবি সুন্দৰ ৰূপত ফুটি উঠিছে। ৰম্যভূমিত সামাজিক ৰীতি-নীতিৰ জৰিয়তে চলা পুৰনিকলীয়া অবদমন উন্মেষ ঘটিছে।

গল্পকাৰ হিচাপে ড° শইকীয়াৰ স্থান বহু ওপৰত। তেখেতে লিখা একো একোটা গল্প অসমীয়া গল্পসাহিত্যৰ সুবিশাল আকাশ খনত উজ্বল জ্যোতিষ্কস্বৰূপ বুলিব পাৰি। প্ৰহৰী (১৯৬৩), বৃন্দাবন (১৯৬৫), গহ্বৰ (১৯৬৯), এন্দুৰ (১৯৭১), শৃংখল(১৯৭৫), ভবেন্দ্ৰনাথ শইকীয়াৰ শ্ৰেষ্ঠ গল্প : পঞ্চাশৰ দশক (১৯৭৬), তৰংগ(১৯৭৯), এই বন্দৰৰ আবেলি(১৯৮৮), আকাশ(১৯৮৮), উপকণ্ঠ(১৯৯২), সান্ধ্যভ্ৰমন আদি তেখেতৰ উল্লেখযোগ্য গল্পপুথি। সূক্ষ্ম পৰ্যবেক্ষণ শক্তিৰে দৈনন্দিন জীৱনক সংক্ষিপ্ত ৰূপত দাঙি ধৰিব পৰাটো শইকীয়াদেৱৰ গল্পৰ অন্যতম বিশেষত্ব। তেখেতৰ গল্পবোৰ নিম্ন আৰু মধ্যবিত্ত সমাজখনৰ এক নিৰ্ভৰযোগ্য দলিল বুলিব পাৰি। তেখেতে 'শৃংখল', নামৰ গল্প সংকলনৰ বাবে 'সাহিত্য অকাডেমি' বঁটা আৰু 'সেন্দূৰ' নামৰ গল্প সংকলনটিৰ বাবে অসম প্ৰকাশন

পৰিষদৰ বঁটাৰে সন্মানিত হৈছিল।

নাট্যকাৰ হিচাপে ও ড° শইকীয়াৰ অসমীয়া সাহিত্য - সংস্কৃতিলৈ অনবদ্য অৱদান আছে। একাংকিকা নাটকৰ সৃষ্টি আৰু জনপ্ৰিয়তা বৃদ্ধিৰ বাটকটীয়া আছিল ড° শইকীয়া। অনাতাঁৰ নাট - "জোনাকী, জোনাকীৰ বিয়া, জোনাকী বোৱাৰী" হ'ল। এই ধাৰাবাহিক কেইখনে আকাশবানীত বিপুল খলকলি তুলিছিল। আধুনিক মঞ্চ নাটৰ ভিতৰত - মৃণালমাহী, নায়িকা নাট্যকাৰ, নিবাৰণ ভট্টাচাৰ্য, আহাৰ, গহ্বৰ, ৰাৱণ, জংঘল, বাওনা, দুৰ্ভিক্ষ অন্যতম। সমাজ জীৱনৰ সৰু বৰ ঘটনাকে তেওঁ অতি চিনাকি চৰিত্ৰৰ মাজেদি দৰ্শকৰ মাজলৈ আগবঢ়াই দিয়ে। সেয়েহে তেখেতৰ নাটকসমূহে বিপুল জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হয়। কেৱল ভ্ৰাম্যমান মঞ্চ আবাহনৰ বাবেই তেওঁ লিখি উলিয়াইছিল ২৬ খন নাটক। তাৰ ভিতৰত - 'শতাব্দী, স্বৰ্গৰ দুৱাৰ, স্বৰ্ণজয়ন্তী, সমুদ্ৰ মন্থন' নাটক কেইখনেহে ছপাৰূপ লাভ কৰিছে। সমধৰ্মী সংলাপৰ গুৰুত্বই তেওঁৰ নাটকক এক সুকীয়া মৰ্যদা দিছে। নাটক বোৰৰ ভাষা অতিশয় গহীন, কাহিনী যেতিয়া শীৰ্ষবিন্দু পায় তেতিয়াই কাহিনীৰ সমাপ্তি ঘটে। অৰ্থাৎ সংঘাতে চৰম অৱস্থাপ্ৰাপ্ত হ'লেই নাটকে পৰিণতিৰ দিশে আগবাঢ়ে। তদুপৰি গল্প, উপন্যাসৰদৰে নাটক বোৰতো মধ্যবিত্ত শ্ৰেণীৰ প্ৰাধান্য পোৱা যায়।

সাহিত্যৰ বিভিন্ন কাহিনীক চলচিত্ৰৰ ৰূপ দিবলৈ প্ৰতিজন প্ৰতিষ্ঠিত লোকেই প্ৰচেষ্টা হাতত লয়। ড° শইকীয়াদেৱো ইয়াৰ ব্যতিক্ৰম নাছিল। গল্প, উপন্যাসৰ নিটোল কাহিনী একোটাক চলচিত্ৰৰ ৰূপ দিবলৈ যাওঁতে তেওঁ যথেষ্ট অসুবিধাও পাইছিল। তথাপি তেওঁ থমকি ৰোৱা নাছিল। যাৰ বাবে তেখেতে 'সন্ধ্যাৰাগ', অগ্নিস্নান, অনিৰ্বাণ, সাৰথি, ইতিহাস, কোলাহল আদিৰ দৰে চলচিত্ৰ নিৰ্মাণ আৰু প্ৰযোজনা কৰি উলিয়াইছিল। সৃষ্টিশীলতা আৰু অদম্য সাহসৰ মাজেদি উন্নতমানৰ চলচিত্ৰ নিৰ্মাণ কৰি অসমীয়া চলচিত্ৰ জগতক এক নতুন বাটৰ সন্ধান দিছিল। অতি সীমিত সংখ্যক চলচিত্ৰ প্ৰযোজনা কৰি হলেও তেওঁ অসমীয়া সাংস্কৃতিক পৰিমণ্ডলত সুকীয়া স্থান ৰাখিথৈ গ'ল। পদুম বৰুৱাদেৱৰ পাছত সৰ্বভাৰতীয় চলচিত্ৰ মানচিত্ৰত অসমক সংযোজন কৰা ড° শইকীয়াদেবেই হ'ল অন্য এজন নমস্য ব্যক্তি।

শিশু সাহিত্যিক ৰূপেও ড° শইকীয়াৰ কৃতি যাউতিযুগীয়া হৈ ৰ'ব। তেখেতৰ শিশু সাহিত্যৰ মাজত শিশু আৰু কৈশোৰৰ চৰিত্ৰবোৰ ধেমালি, দুষ্টালি, মইমতালি আদি স্বাভাৱিক বৈশিষ্ট্যৰে ভৰপূৰ। ড° শইকীয়াদেৱৰ শিশু সাহিত্যবোৰ হাস্যৰসৰ ভঁৰাল বুলিবপাৰি। শিশুৰ দুষ্টালিভৰা কাৰ্যকলাপ আৰু কথাৰ চাতুৰিত সাহিত্য ৰাজি মধুময় হৈ উঠিছে। কেতিয়াবা একোটা জটিল আৰু গভীৰ বিষয়বস্তুৰ সুৰুঙাইদি সৰকি আহে সমাজৰ কিছুমান সামাজিক সমস্যা যিহেতু তেওঁ এগৰাকী ৰহস্য সন্ধানী লেখক সেয়ে তেখেতৰ শিশু সাহিত্যৰ মাজত শিশু আৰু কিশোৰৰ মনৰ ৰহস্যই পূৰ্ণতা পাইছে। তেখেতৰ উল্লেখযোগ্য শিশু সাহিত্য হ'ল - কিশোৰ উপন্যাস 'মৰমৰ দেউতা', শান্ত শিষ্ট, হৃষ্ট-পুষ্ট-মহাদুষ্ট, মহাদুষ্টৰ দুষ্ট বুদ্ধি, আশাকৰোঁ তোমালোক ভালে আছা, পদ্যৰ ধেমালি (পদ্যপুথি), মৰম (গল্পপুথি), ককাদেউতাৰ চিঠি' অন্যতম। এইবোৰৰ মাজেদি শিশুহৃদয়লৈ উপদেশ বাৰ্তা প্ৰেৰণ কৰা হৈছে। শইকীয়াদেৱৰ শিশু সাহিত্য সমূহ বিশ্লেষণ কৰিলে কিছু সাধাৰণ বৈশিষ্ট্যদেখা পাওঁ। তাৰ ভিতৰত শিশুক সৃষ্টিশীলতাৰ প্ৰতি আগ্ৰহী কৰি তোলা, জাতীয় সচেতনতা গঢ়ি তোলা আৰু ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধাশীল কৰি তোলা। তদুপৰি মাতৃভাষাৰ প্ৰতি সচেতনতা, কৰ্তব্যবোধৰ প্ৰতি সচেতন কৰা, দলীয়ভাবে কাম কৰাৰ মানসিকতা আদি অন্যতম। এইবোৰৰ বাবে ড° শইকীয়াৰ শিশু সাহিত্যবোৰ উৎকৃষ্ট সাহিত্যৰূপে পৰিগণিত হৈছে।

আলোচনী সম্পাদনাৰ ক্ষেত্ৰতো ড° শইকীয়াদেৱ আছিল অগ্ৰণী। দশম শ্ৰেণীত পঢ়ি থাকোতেই 'উদয়' নামৰ স্কুলীয়া আলোচনীখন সম্পাদনা কৰিছিল। ১৯৫৬ চনত 'অৰুণাচল' নামৰ আলোচনীখনৰ সম্পাদনাৰ সত্বেও তেওঁ জড়িত হৈছিল কিন্তু সম্পাদক হিচাপে বেছি কৃতিত্ব প্ৰদান কৰে 'প্ৰান্তিক' আৰু সঁফুৰাই। ১৯৮১ চনৰ ডিচেম্বৰৰ পৰা ১৯৯৭চনৰ আগষ্টলৈ প্ৰান্তিকৰ মুখ্য সম্পাদক ৰূপে, ১৯৮২ৰ পৰা ১৯৮৬ চনলৈ সঁফুৰা আলোচনীৰ সম্পাদকৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। প্ৰান্তিকৰ শেষ পৃষ্ঠাৰ সন্মোহিনী গুণে আলোচনী খনৰ সৌষ্ঠৱ বৃদ্ধিত অবিহনা যোগাইছে। প্ৰান্তিকতে অন্তৰীপ, জীৱনবৃত্ত, শেষ পৃষ্ঠা আদি লেখা সমূহ প্ৰকাশ পাইছিল।

শিশুৰ প্ৰতি থকা দায়বদ্ধতাই তেওঁক শিশুৰ প্ৰতি কিবা এটা কৰাৰ আগ্ৰহ জন্মাইছিল। যাৰবাবে 'আৰোহন', 'কলাক্ষেত্ৰ', 'জ্যোতি চিত্ৰবন' ৰ দৰে অনুষ্ঠান গঢ় দিয়াত তেওঁ মনোনিবেশ

কৰিছিল। অসমৰ সাংস্কৃতিক পৰিমণ্ডলত নামঘৰ বুলিলে যিদৰে মহাপুৰুষজনাৰ কথা আমাৰ মনলৈ আহে ঠিক তেনেদৰে এইকেইটা অনুষ্ঠান বুলিলে ড° শইকীয়াৰ কথাই আমাৰ মনত ভুমুকি মাৰে।

ড° শইকীয়াদেৱে জাতীয় জীৱনৰ বিভিন্ন অনুষ্ঠান - প্ৰতিষ্ঠানৰ পদো অলংকিত কৰিছিল। তাৰ ভিতৰত জ্যোতি চিত্ৰবনৰ সভাপতি, শংকৰদেৱ কলাক্ষেত্ৰৰ উপ সভাপতি, অসম ৰাজ্যিক চলচিত্ৰ নিগম লিমিটেডৰ অধ্যক্ষ, উত্তৰ-পূব মণ্ডল সাংস্কৃতিক কেন্দ্ৰৰ গৱৰ্নিং বৰ্ডৰ সদস্য, সংগীত নাটক অকাডেমিৰ সদস্য, ইউনেস্কৰ ভাৰতীয় ৰাষ্ট্ৰীয় পৰিষদৰ সদস্য, পুনেৰ চলচিত্ৰ আৰু টেলিভিছন ইন্সটিটিউটৰ সদস্য, নেশ্যনেল বুক ট্ৰাষ্টৰ দিল্লীৰ সদস্য পদত অধিষ্ঠিত হৈছিল।

তদুপৰি তেখেতে সাৰথি চলচিত্ৰৰ বাবে ৰজত কমল বঁটা, আবৰ্তনৰ বাবে ৰজত কমল বঁটা, (ইতিহাস) অসম চৰকাৰৰ সৰ্বোচ্চ সন্মান শ্ৰীমন্ত শংকৰদেৱ বঁটা (১৯৯৮), জীৱনযোৱা কৃতিত্বৰ বাবে সুৰেন্দ্ৰনাথ প'ল বঁটা, ২০০১ চনত পদ্মশ্ৰী ডি,লিট. আদি লাভ কৰে। মানৱদৰদী এইজনা ব্যক্তি সমাজৰ প্ৰতি যিদৰে দায়বদ্ধ আছিল তেনেদৰে নিজ পৰিয়াল পৰিজনৰ প্ৰতিও কৰ্তব্যপৰায়ন আছিল। অতিশয় কৰ্মব্যস্ততাৰ মাজতো পত্নী আৰু দুই কন্যাৰ বাবে সময় উলিয়াই লৈছিল। ঘড়ীৰ কাঁটাৰ লগত খোজ মিলোৱা এইজনা মহান মনীষী জীৱন কালতে কিম্বদন্তীস্বৰূপ হৈ উঠিছিল।

এনে এজন সুনিপুন শিল্পী সাহিত্য সংস্কৃতিৰ জখলাত বগাওঁতে পাছলৈ উভতি চোৱাৰ প্ৰয়োজনবোধ কৰা নাছিল। তেখেতৰ ব্যস্ত জীৱনৰ কাহিনীবোৰ সংৰক্ষণৰ বাবে লিখি উলিওৱা আত্মজীৱনী জীৱন বৃত্তই পৰিসমাপ্তিলৈ বাট চাব নোৱাৰিলে। তদুপৰি তেখেতৰ 'জীৱনৰেখা' নামৰ ডায়েৰী গ্ৰন্থৰ কথাও উনুকিয়াব লাগিব। যিখনৰ পৃষ্ঠাই আজিও প্ৰান্তিকৰ শেষ পৃষ্ঠাৰূপে পাঠকৰ সমাদৰ লাভ কৰিছে ।

একেজনা মানুহ অথচ ভিন্ন গুনৰ সমাহাৰ। পদাৰ্থ বিজ্ঞানৰ ছাত্ৰ হৈও সাংস্কৃতিক মনটোক অনবৰতে মাহ - হালধিৰে নোৱাই - ধুৱাই জীৱন প্ৰজ্ঞাক কেওঁ নিৰলসভাৱে, কৃচ্ছ সাধনাৰে জনমানসত বোৱাই থৈ গ'ল। তেওঁৰ সামগ্ৰিক জীৱনটোৱেই আছিল প্ৰতিভাত্মাৰ কৃতিত্বৰ আকাৰ। কলাচেতনাৰ জীৱন্ত দলিল। এইজনা স্থিতপ্ৰজ্ঞ মহান মনীষীৰ আধৰুৱা কৰ্মৰাজিক সম্পূৰ্ণ কৰি তোলাটো প্ৰতিজন সচেতন ব্যক্তিৰ দায়িত্ব হোৱা উচিত। অন্যথা এনে এজন প্ৰতিভাবান ব্যক্তিক এদিন মাত্ৰ স্মৰণ কৰিয়ে দায় সামৰিলে নহ'ব। তেওঁৰ কৰ্মৰাজি, তেওঁৰ আদৰ্শ উত্তৰ পুৰুষৰ বাবে জীৱন্ত দলিল হৈ ৰওঁক এয়ে আমাৰ কামনা।

কথা আৰু কামৰ মাজত কোনেদিনে পাৰ্থক্য নৰখা এইজনা কৰ্মযোগী, উদ্যমী ব্যক্তিয়েও নিয়তিৰ ওচৰত হাৰ মানিব লগা হ'ল। ভাবিলে আচৰিত লাগে, দুৰাৰোগ্য বেমাৰত ভুগি থকা সময়তো সবল মনৰ ব্যক্তিজনাই একেই উদ্যমেৰে কাম কৰি গ'ল। মৃত্যুৰ আগমূহুৰ্তলৈকে প্ৰান্তিকৰ শেষপৃষ্ঠাৰ বাবে তেওঁ অবিৰাম কলম চলাই গ'ল। ইমান কমদিনতে তেওঁৰ জীৱনাৱসান নোহোৱা হ'লে অসমীয়াই আৰু কিছু সম্পদ বিচাৰি পালেহেঁতেন তেখেতৰপৰা। কিন্তু ভবামতে সকলো নহয়। সকলোকে নিঠৰুৱা কৰি এইজনা মনীষীয়ে ২০০৩ চনৰ ১৩ আগষ্টত বৈকুণ্ঠগামী হয়। সি যি নহওঁক তেখেতৰ অমূল্য কৰ্মৰাজি, সৃষ্টিৰাজিৰ বাবে তেওঁ সাহিত্য - সাংস্কৃতিৰ ক্ষেত্ৰখনত মৰিও অমৰ হৈ ৰ'ব চিৰদিন। চিৰকাল।

মোৰ জীৱনৰ মৃত সঞ্জীৱনী পুথি

ছাফিনা আখতাৰ খানম
স্নাতক প্ৰথম ষান্মাসিক, অসমীয়া বিভাগ

মই বৰ এলেহুৱা ধৰণৰ ছোৱালী আছিলো। কাম কৰি অলপো ভাল নাপাওঁ। কোনোবাই কাম কৰাৰ কথা ক'লেও মোৰ পেটে পেটে বহুত খং উঠে।

মোৰ জন্মদিন উপলক্ষে মোৰ বান্ধৱী এগৰাকীয়ে হোমেন বৰগোহাঞিদেৱৰ "কাম কৰাৰ আনন্দ" নামৰ কিতাপখন উপহাৰ দিলে। ডিচেম্বৰ মাহতে দিয়া কিন্তু পঢ়িলো জুন মাহতহে। আমাৰ জ্যেষ্ঠসকলে উপদেশ দিয়ে যে আমি বাহিৰা কিতাপ পঢ়িব লাগে। বাহিৰা কিতাপ পঢ়িলে হেনো জ্ঞান বৃদ্ধি হয় আৰু আমাৰ মনৰ পৰিসৰ বহল হয়। সঁচাকৈয়ে এই কথাষাৰ সত্য। মই বৰগোহাঞিদেৱৰ কিতাপখন পঢ়িহে উপলব্ধি কৰিব পাৰিছো। মোৰ জীৱনত বৰ্তমান সময়লৈকে এইখন কিতাপে মৃত সঞ্জীৱনীৰ দৰে কাম কৰিছে। এই 'কাম কৰাৰ আনন্দ' কিতাপখন যি সকলে পঢ়িছে তেওঁলোকে কেতিয়াও কামলৈ এলাহ নকৰে। মোৰ নিজৰো বদ অভ্যাস (এলেহুৱা) ভাৱটো এই মূল্যবান কিতাপখন পঢ়িহে নাইকিয়া হ'ল।

হোমেন বৰগোহাঞিদেৱৰ কিতাপখনত লিখা কিছুমান বাক্য মই সন্নিৱিষ্ট কৰিছো।

বৰগোহাঞিদেৱে কিতাপ পঢ়ি যিমান ভাল পায়, ঠিক সিমানেই কাম কৰিও ভাল পায়। অৱশ্যে কাম কৰা মানে কেৱল শাৰীৰিক শ্ৰম কৰিবলগীয়া কামবোৰক বুজিব নালাগে। কিতাপ লিখা বা ছবি আঁকা বা শিক্ষকতা কৰাটোও এটা কাম। চিন্তা কৰাটোও এটা কাম। তেওঁ কৈছে যে 'যি মানুহে কাম কৰি ভাল নাপায় বা কৰিবলৈ একো কাম বিচাৰি নাপায়, তেওঁতকৈ দুৰ্ভগীয়া মানুহ আৰু পৃথিৱীত কোনো নাই।" কাম নকৰি শুই বহি কেৱল আমোদ-প্ৰমোদ কৰি অলস জীৱন কটোৱা মানুহে জীয়াই থকাৰ প্ৰকৃত আনন্দ কেতিয়াও অনুভৱ কৰিব নোৱাৰে। মানুহে নিজৰ জীৱনটোক খুব ভাল পাব লাগে আৰু সদায় 'Positive' চিন্তা কৰিব লাগে। বৰগোহাঞিদেৱে জীয়াই থকাৰ আনন্দ তেতিয়াহে অতি তীব্ৰভাৱে অনুভৱ কৰে যেতিয়া তেওঁ কিবা নহয় কিবা এটা কামত ব্যস্ত থাকে।

আমাৰ সুস্থ জীৱন যাপনৰ কাৰণে কেৱল পুষ্টিকৰ আহাৰেই যথেষ্ট নহয়। শৰীৰৰ অংগ প্ৰত্যঙ্গবোৰ সবল আৰু নিৰোগী কৰি ৰাখিবলৈ ব্যায়ামৰ প্ৰয়োজন। ভাল টোপনি আৰু মানসিক প্ৰফুল্লতাৰ প্ৰয়োজন ঠিক সেইদৰে কেৱল আত্মাৰ আহাৰেও মানুহৰ আধ্যাত্মিক জীৱন সুস্থ আৰু সবল কৰি ৰাখিব নোৱাৰে। যদিহে সেই আহাৰ হজম কৰি তাৰ পৰা আধ্যাত্মিক পুষ্টি আহৰণ কৰিবলৈ প্ৰয়োজনীয় মানসিক ব্যায়াম কৰা নহয়। জীৱনৰ বিষয়ে গভীৰভাৱে ধ্যান কৰা নহয়।

জীৱনৰ তিনিটা অমংগলীয়া বস্তু কৰ্মই দূৰতে বিদূৰ কৰি ৰাখে। সেই তিনিটা হ'ল— অৱসাদ, দুষ্কৰ্মৰ প্ৰবৃত্তি আৰু দৰিদ্ৰতা। কামে কেৱল অমঙ্গল দূৰ নকৰে। জীৱনটো মঙ্গলময়ো কৰি তুলিব পাৰে একমাত্ৰ কামেহে। জীৱনটো মঙ্গলময় হ'লেই আনন্দময়ো হয়। কিন্তু জীৱনটো তেতিয়াহে আনন্দময় হ'ব- যেতিয়া মানুহে কাম কৰি আনন্দ পাব।

আমি নিতৌ কৰা বা কৰিবলগীয়া কামবোৰৰ ভিতৰত কেইটা কাম অন্তৰৰ পৰা অহা তাগিদাত গভীৰ মনোযোগ দি কৰোঁ আৰু কেইটা কাম নকৰিলেই নহয় কাৰণে কেৱল যান্ত্ৰিক ভাৱেহে কৰোঁ। মানুহৰ জীৱনটো আচলতে অসংখ্য মুহূৰ্তৰ সমষ্টি। বহুতো মুহূৰ্ত ধৰি আমি যিবোৰ কাম কৰি থাকোঁ, সেই কামবোৰ কৰি আনন্দ নাপালে আচলতে সেই গোটেই মুহূৰ্তবোৰেই নিৰানন্দ হৈ পৰে।

জীৱনৰ বেছিভাগ মুহূৰ্ততে বিৰক্তি অনুভৱ কৰি

কৰিয়েই বেছিভাগ মানুহে নিজৰ জীৱনটো শেষ কৰি দিয়ে। মইয়ো বহু মূল্যবান সময় বিৰক্তি অনুভৱ কৰিয়েই নষ্ট কৰি দিলো। এতিয়াহে সময়ৰ মূল্য বুজিব পাৰিছো। আমাৰ মানুহৰ এটা নিয়ম আছে যে— আমাৰ মাজত যি কোনো এটা মৰমৰ বস্তু থাকিলে— চৰায়েই হওক বা প্ৰাণীয়েই হওক, তাৰ মূল্য আমি বুজি নাপাওঁ বা অনুভৱ নকৰো। যেতিয়া সেই প্ৰাণী বা চৰাইটো নাইকিয়া হয়, বা মৰি থাকে তেতিয়াহে তাৰ অনুপস্থিতি আমি অনুভৱ কৰো। মোৰ ক্ষেত্ৰত এনেকুৱা বহুবাৰ হৈছে। আমাৰ সকলোৰে জীৱনটো হতাশা আৰু আনন্দৰ সমষ্টি। সকলোৰে সুখ দুখ আছেই। মানুহে অলপ ইতিবাচক চিন্তাধাৰাৰে কথাবোৰ ভাবিলেই সমস্যাৰ সমাধান হয়। কিন্তু কিছুমান মানুহে হতাশাৰ দ্বাৰা জৰ্জৰিত হৈ গোটেই জীৱন ধৰি ভিতৰি ভিতৰি ছটফটাই থাকে আৰু সেইটো কৰি কৰিয়েই এদিন তেওঁলোকে জীৱনটো শেষ কৰে।

বৰগোহাঞিদেৱৰ মতে মানুহে প্ৰতি মুহূৰ্ততে পৰিপূৰ্ণভাবে জীয়াই থকা বুলি অনুভৱ কৰিব পৰাৰ আটাইতকৈ সহজ আৰু উত্তম উপায়টো হ'ল মানুহে যেতিয়া যিটো কামকে কৰে (সৰু বৰ যি কোনো) সেই কামটো কৰি ভাল পাবলৈ শিকা, কামটো কৰি আনন্দ পোৱা। আলস্য পৰায়ণ, কৰ্ম বিমুখ মানুহেও নকৰোঁ নকৰোঁ বুলিও জীৱনত বহুত কাম কৰিবলগা হয়। কিন্তু প্ৰতিটো কামকেই তেওঁ যদি অনিচ্ছা আৰু বিৰক্তিৰেহে কৰে, কামটো কৰি তেওঁ বিন্দু মাত্ৰ তৃপ্তি নাপায়, তেন্তে তেওঁৰ গোটেই জীৱনটো হ'ব এটা বিৰক্তিকৰ কামৰ পৰা আন এটা বিৰক্তিকৰ কামলৈ, এটা বিমৰ্ষ আৰু বিস্বাদ দিনৰ পৰা আন এটা বিমৰ্ষ আৰু বিস্বাদ দিনলৈ অতিশয় ক্লান্তিকৰ ভ্ৰমণ মাত্ৰ। প্ৰতিটো কামকেই বিৰক্তিদায়ক বুলি অনুভৱ কৰাৰ একমাত্ৰ অৰ্থ হ'ল গোটেই জীৱনটোকেই বিৰক্তিৰে ভৰাই তোলা।

জীৱনক ভাল পাবলৈ হ'লে মানুহে কাম কৰি ভাল পাব লাগিব। মানুহে যেতিয়া যি কাম কৰে সেই কামতেই যদি তেওঁ মন্ প্ৰাণ ঢালি দিয়ে তেন্তে সিও এটা নিখুঁত শিল্প কৰ্মত পৰিণত হয়। লাগে সি কাপোৰ ধোৱা বা ঘৰ পৰিস্কাৰ কৰা বা ভাত ৰন্ধাৰ কামেই হওক। নিখুঁত ভাবে কাম কৰিব পৰা আনন্দকেই যদি মানুহে কাম কৰাৰ লক্ষ্য হিচাপে ঠিক কৰি লয়, তেন্তে কোনোটো কামেই বিৰক্তিদায়ক নহয় আৰু কামেই জীৱনটো আনন্দময় কৰি তুলিব।

হোমেন বৰগোহাঞিদেৱে তেওঁৰ এখন আত্মজীৱনীমূলক ৰচনাত লিখিছে— "মোৰ কাৰণে স্বাস্থ্যৰ পিছতেই সুখৰ দ্বিতীয় উৎস হ'ল কাম। ধন আৰু ঐশ্বৰ্য্য নহয়, যশ গৌৰৱ নহয়, প্ৰভাৱ-প্ৰতিপত্তি নহয়। সি হ'ল কাম। প্ৰতিদিন নিয়মিত বাবে কিবা নহয় কিবা এবিধ শাৰীৰিক আৰু মানসিক পৰিশ্ৰম নকৰাকৈ মানুহে কেনেকৈ সুখী হ'ব পাৰে সেই কথা মই কল্পনাই কৰিব নোৱাৰো।

কাম কেৱল এটা উপায় নহয়, কাম নিজেই এটা লক্ষ্য। অৰ্থাৎ কামৰ কিবা এটা প্ৰতিদান পোৱাৰ আশাতহে যে মানুহে কাম কৰিব লাগে এনে নহয়, কামটো কৰাৰ আনন্দ পাবৰ কাৰণেই মানুহে কাম কৰিব লাগে।

গান্ধীজীয়ে কৈছিল— 'প্ৰাৰ্থনা মানে ভিক্ষা খোজা নহয়, প্ৰাৰ্থনা হ'ল আত্মাৰ আকুতি।' কিবা এটা উদ্দেশ্য সিদ্ধিৰ কাৰণে কৰা কামতকৈ কেৱল কৰাৰ আনন্দখিনি পাবৰ কাৰণে কাম কৰিলে জীৱনটো বেছি আনন্দময় হয়।

মানৱ জীৱনৰ বিকাশৰ কাৰণে শাৰীৰিক আৰু মানসিক দুয়োবিধ শ্ৰমেই অপৰিহাৰ্য।

মোৰ জীৱনৰ বৰ্তমান সময়লৈকে এইখন কিতাপে মৃত সঞ্জীৱনীৰ কাম দিলে। মই মোৰ জীৱনটোক ভাল পাবলৈ শিকিলো 'কাম কৰাৰ আনন্দ' নামৰ পুথিখনৰ পৰাই। ▶▶

(হোমেন বৰগোহাঞিদেৱৰ 'কাম কৰাৰ আনন্দ'ৰ সহায় লৈ লিখা হৈছে।)

ডাকৰ বচনত প্ৰতিফলিত অসমীয়া জনজীৱন

উৎপলা দেৱী
অধ্যাপিকা, অসমীয়া বিভাগ

অসমীয়া লোক সাহিত্যৰ এক অমূল্য সম্পদ হৈছে ডাকৰ বচন। যুগে যুগে মানুহে অৰ্জন কৰা অভিজ্ঞতা, জ্ঞান, বাস্তৱ জীৱনৰ নীতিমূলক উপদেশ সমূহ ডাকৰ বচনৰ যোগেদি প্ৰকাশিত হৈছে। সেয়ে ডাকৰ বচন পুৰণি অসমীয়া মানুহৰ ব্যৱহাৰিক জীৱনৰ হাতপুথিৰ নিচিনা। লোকসমাজৰ বিশ্বাস- "ডাকৰ বচন বেদৰ বাণী' অৰ্থাৎ ডাক পুৰুষে যি কৈ গৈছে তাৰ মূল্য বেদ বাক্যতকৈ কোনো গুণে কম নহয়। জীৱনৰ বিভিন্ন প্ৰয়োজনত জন্ম সংক্ৰান্তীয়, জ্যোতিষ, ৰাজনীতি, সমাজনীতি, ধৰ্মনীতি, জ্ঞাননীতি, কৃষি সম্পৰ্কীয় তথ্য, বিভিন্ন ৰোগৰ চিকিৎসা জ্ঞান, স্ত্ৰী-পুৰুষৰ জ্ঞান, ৰন্ধন প্ৰকৰণ সম্পৰ্কীয় জ্ঞান আদি বিবিধ বিষয়ৰ ডাকৰ বচন সমূহে মানুহক প্ৰভুত পৰিমাণে সহায় আগবঢ়াই আহিছে। লগতে ডাকৰ উক্তিবোৰৰ মাজেদি অসমীয়া মানুহৰ বিশ্বাস, খাদ্যাভ্যাস, জীৱন পদ্ধতি অতি সুন্দৰ ৰূপত প্ৰতিফলিত হৈছে।

ডাকৰ বচন সমূহ বহুত যুগৰ সঞ্চিত অভিজ্ঞতাৰ ফলশ্ৰুতি। এই প্ৰবাদ বাক্যবোৰ প্ৰকৃততে এজন ব্যক্তিৰেই ৰচনা নে জাতীয় জীৱনৰ সামূহিক অভিজ্ঞতাৰ একত্ৰ প্ৰকাশ সেয়া একে আষাৰে স্পষ্টকৈ ক'ব নোৱাৰি। ডাক পুৰুষৰ জন্ম সম্পৰ্কীয় তথ্য পোৱা যায় এইদৰে-

লেহি ডঙৰা ডাকৰ গাঁও
সাতশ সাতোটা পুখুৰীত নাও।

বৰপেটাৰ দক্ষিণে সাত মাইল দূৰৰ লেহি ডঙৰা গাঁওত (বৰ্তমান পাটবাউসী পৰগণাৰ মনদিয়া মৌজা) ডাকৰ জন্ম হৈছিল বুলি বিশ্বাস কৰা হয়। কথিত আছে ডাকৰ নিঃসন্তান মাতৃয়ে উজ্জয়িনী নগৰৰ পৰা দেশ ভ্ৰমণলৈ অহা মিহিৰ মুনিক শুশ্ৰূষা কৰি মুনিয়ে দিয়া আশীৰ্বাদৰ ফলস্বৰূপে ডাক পুৰুষৰ জন্ম হয়। উপজিয়েই মাকক মতা দেখি ল'ৰাটোৰ নাম থোৱা হয় 'ডাক'। ডাকে জন্ম হৈ এদিন এনিশালৈকেহে জীয়াই আছিল বুলি জনমত প্ৰচলিত আছে। এই কথাসমূহৰ সত্যতা নিৰূপন কৰাত অসুবিধা হয়। ড° মহেশ্বৰ নেওগৰ ভাষাৰে ক'বলৈ গ'লে- "মুঠতে ডাক যদি বুৰঞ্জী সিদ্ধ পুৰুষো হয়, তেওঁৰ বিষয়ে প্ৰচলিত বিশ্বাস আৰু তেওঁৰ নামত চলিত প্ৰবচনবোৰ লোক মনৰ মাজৰ পৰাহে জন্ম লোৱা যেন লাগে।"

ডাকৰ বচন সমূহৰ ৰচনা কাল সৰ্ম্পকেও মতভেদ আছে। ড° লীলা গগৈয়ে ঠাঁচ আৰু ছন্দ প্ৰয়োগৰ দিশৰ পৰা ৬ষ্ঠ-৭ম শতিকাতে ডাকৰ বচনৰ মূল জুমুঠিটো সজা হয় বুলি মত প্ৰকাশ কৰিছে। তেওঁ পৰিৱৰ্ত্তী সময়ত ৰচনাৰীতিত বৈষ্ণৱ প্ৰভাৱ পৰাৰ কথাও কৈছে। আদি যুগৰ ৰচনা হ'লেও ডাকৰ বচন সমূহত পৰৱৰ্ত্তী কালছোৱাত নতুন নতুন অভিজ্ঞতাৰ বোল সনা হৈছে। পঞ্চদশ শতিকাৰ ভক্তি ধৰ্মৰ প্ৰভাৱৰ লগতে বৌদ্ধধৰ্মৰ প্ৰভাৱৰো স্পষ্ট ইংগিত ডাকৰ বচনত পোৱা যায়। ডাকৰ দৰে জ্ঞানী ব্যক্তিৰ সম্ভেদ ভাৰতৰ আন আন প্ৰদেশতো পোৱা যায়। আমাৰ চুবুৰীয়া বঙালী লোকসকলৰ মাজত ডাকৰ বচনৰ নিচিনাকৈ খনাৰ বচনৰ প্ৰচলন আছে। উত্তৰ প্ৰদেশত 'ঘাগ'

(Ghagh) নামৰ ব্যক্তিৰ নামত কিছু প্ৰবাদ বাক্য পোৱা যায়। ৰাজস্থানত 'ডাঙ্ক' নামৰ ডাকৰ লগত সাদৃশ্য থকা ব্যক্তি বিশেষৰ কথা পোৱা যায়। এই দিশসমূহলৈ লক্ষ্য ৰাখি D.C. Sarkarএ তেওঁৰ 'The saying of Dak' প্ৰবন্ধত কৈছে 'Morever, if Dak was a historical person, then his sayings must have been composed in a single regional language of India. But as we shall see below, Dak's sayings are popular even in Rajasthan in Western India far way from the said three terriotories of Eastern India." ভাৰতৰ বিভিন্ন ঠাইত প্ৰচলিত থকা ডাকৰ নিচিনা জ্ঞানী পুৰুষ সকলৰ সম্পৰ্কে থকা জনশ্ৰুতি সমূহৰো যথেষ্ট সাদৃশ্য থকা লক্ষ্য কৰা যায়। বিশেষকৈ ৰাজস্থানী পৰম্পৰাত 'ডাঙ্ক' পুৰুষো ব্ৰাহ্মণ আৰু তেওঁৰ পিতৃও বৰাহ মিহিৰ। লোক অভিজ্ঞতা তথা প্ৰত্যেক জাতিৰ জাতীয় জীৱনৰ বিভিন্ন দিশবোৰ প্ৰবাদ বাক্য সমূহৰ জৰিয়তে ঠাই ভেদে বিভিন্ন ৰঙেৰে আলোকিত হৈছে।

অসমীয়া মানুহৰ জীৱন যাত্ৰাত ডাকৰ বচনৰ প্ৰভাব অপৰিসীম। আগৰ পুৰণি চাম অসমীয়া মানুহে দৈনন্দিন জীৱনত ডাকৰ বাণীসমূহ সদায় পালন কৰিছিল। ডাকে জন্ম হৈয়েই মাতৃ প্ৰসূতি গৃহতে জন্ম-প্ৰকৰণত প্ৰসূতীয়ে পালন কৰিবলগীয়া নিয়ম সমূহৰ কথা কৈছে-

'কলীয়া তুলসী বেলৰ পাত।
মুঠাৰ সহিতে বটি পটাত।।
তপত কৰিয়া জননী খাইব।
তেবেসে নাড়ীয়ে দৃঢ়ক পাইবা।।'

জন্ম-প্ৰকৰণত অসমীয়া নাৰীৰ প্ৰসূতী গৃহৰ এখন ছবি পোৱা যায়। ডাকৰ বচনত উল্লেখ থকা বিধি সমূহ আমাৰ গাঁৱলীয়া সমাজত সুন্দৰভাৱে পালন কৰা হয়। প্ৰসূতীৰ ঔষধ সমূহ বাদ দিলেও শিশু আৰু মাতৃক জুইৰ সেক দিয়া, ঘৰৰ চাৰি কোণত সিজু-বচ আদি গছ ৰোৱা, পঞ্চম দিনত বাজলৈ ওলোৱাৰ নিয়ম আদিয়ে প্ৰসূতী গৃহৰ বিজ্ঞানসন্মত ৰূপ এটা আমাৰ চকুৰ আগত দাঙি ধৰে। অসমীয়া তথা জনজাতীয় সমাজতো সিজু, বগৰী আদি গছ ৰোপণ কৰিলে নহ'লে গছৰ ডাল আনি থলেও ভূত-প্ৰেত আদিৰ পৰা ৰক্ষা পায় বুলি বিশ্বাস প্ৰচলিত আছে।

কৃষিজীৱি অসমীয়া মানুহৰ কৃষিক কেন্দ্ৰ কৰি হোৱা বিভিন্ন অভিজ্ঞতাৰ প্ৰকাশ ডাকৰ বচন সমূহত উজলি উঠিছে। ধানখেতি অসমীয়া মানুহৰ প্ৰধান কৃষিকৰ্ম। ডাকৰ বিভিন্ন উক্তিত কৃষিৰ উপকাৰিতা, বিবিধ ধান খেতি কেনেদৰে কৰিব লাগে তাৰ লগতে গৰুৰ লক্ষণ সম্পৰ্কেও উল্লেখ কৰা হৈছে। অসমীয়াৰ পৰম্পৰাগত কৃষি পদ্ধতিৰ বিষয়েও ইয়াৰ পৰা জানিব পাৰি। ডাকে কৈছে-

'ডাকে বোলে বাপু শুনা উপায়।
বাণিজ্যৰ ফল কৃষিতে পাই।।
যিজনে সদায় কৃষিক কৰে।
সমস্ত সুখকে পাইবে ঘৰে।।
সোণা, ৰূপা কি কাজ কৰে।
ভাত নেখালে ভোকতে মৰে।।
হীৰা, মাণিক থাকে অপাৰ।
খুদ গাল নহলে মৰণে সাৰ।।
ধনৰ মাজত ধান হে ধন।
ধান নহলে মৰে তেখন।।'

এইদৰে ধান খেতিৰ গুৰুত্ব আৰু সুফল সম্পৰ্কে ডাকৰ বচনত বুজাই কোৱা হৈছে। খেতি কৰাৰ নিৰ্দিষ্ট সময় আছে। ব'হাগ মাহৰ পৰাই শালি খেতিৰ বাবে যো-জা চলোৱা হয়। ব'হাগ-জেঠতে পথাৰত গৰুৰে হাল নাবালে কৃষিৰ পৰা লাভদায়ক ফল পোৱা নাযায়। এই সম্পৰ্কে ডাকৰ বচনত পোৱা যায়-

'জেঠ মাহ গৈল বিনা লাঙ্গলে।
তেতিয়া কি মতে কিৰিষি ফলে।।'

কঠীয়া সিচাঁৰ দিন ধৰি পথাৰত গোছ ৰোৱা লৈকে নিৰ্দিষ্ট নিয়ম আছে। যেনে-

'শাওণৰ কঠীয়া নহয় ধান।
আহিনৰ গোছ বিফল জান।।
আহিন কাতিত ৰাখিবা পানীক।
যেনেকৈ ৰজাই ৰাখে ৰাণীক।।
আলিৰ ওপৰে দিবাহে আলি।
খেতি হ'ল বুলি জানিবা ভালি।।'

আহু আৰু শালি খেতি ৰোৱাৰ প্ৰণালী সম্পৰ্কে ডাকৰ বচনত আছে-

আহু ৰুবা খোজত বুৰি।

শালি ৰুবা বেগত জুৰি।।
যেবে দেখে আঠুৰ ওপৰ পানী।
তেবে গোছা দিবা হাতক চালি।।

স্বনিৰ্ভৰশীল অসমীয়া মানুহে ধান খেতিৰ লগতে প্ৰয়োজনীয় শাক-পাচলি, মাহ, কপাহ, সৰিয়হ, জালুক, কল আদি কৃষিজাত সামগ্ৰী সমূহৰো খেতি কৰে। ডাকৰ বচনত এই সম্পৰ্কেও অনেক তথ্য পোৱা যায়-

'ঘন সৰিয়হ পাতল মাহ।
মুগৰ তলত চৰয় হাঁহ।।'
০০০০০০০০০০০০
'জালুকত গোবৰ পাণত মাটি।
কলপুলি ৰুবা তিনিবাৰ কাটি।।'

কলগছ আমাৰ জীৱন বিভিন্ন কামত অপৰিহাৰ্য্য। ফলৰূপে ব্যৱহাৰৰ উপৰিও ইয়াৰ পাতৰ পৰা পচলালৈকে একোৱেই পেলনি নাযায়। কলখেতি সম্পৰ্কে ডাকৰ উক্তি-

'আঠীয়াত গোবৰ মনোহৰত জাৰৰ।
পুৰাত খাই, মালভোগত ছাই।।
ভাদত কৰিয়া কলা ৰোপণ।
সবংশে মৰিল লঙ্কাৰ ৰাৱণ।।'

কৃষিৰ বাবে মানুহে গৰু হালৰ ওপৰতে প্ৰধানকৈ নিৰ্ভৰ কৰিব লগা হয়। লোক অভিজ্ঞতাৰ ভেটিত গৰু সম্পৰ্কেও বিভিন্ন কথাৰ প্ৰচলন আছে। ডাকে কৈছে-

'শিং ভঙ্গা গৰু আগে নুজুৰিবা হাল।
ৰঙা বগাক জুৰিবা ভাল।।
কলীয়া বলধ যতনে জুৰি।
নুজুৰিবা খোৰা মৰিব ঘূৰি।।'

গৰুহাল ভাল নহ'লে খেতি কৰিবলৈ সুবিধা নহয়। গৰুৰ উত্তম বাচিবলৈ কিছুমান লক্ষণৰ কথা কোৱা হৈছে এনেদৰে-

'গৰু কিনিবা চিকোণ জালি।
দুই চাৰি ছয় দন্তীয়া ডালি।।
হৰিণৰ সদৃশ যাৰ কাণ।
সেই বলধক বিচাৰি আন।।
বলধ কিনিবা বল বুজিয়া।
বাচিয়া সুবিধা ধোবা তেলীয়া।।'

০০০০০০০০০০০০
'গৰু কিনিবা নিখুত বগা।
ডাকে বুলে হলোঁ লাগা।।
গৰু কিনিবা দীঘল নেজা।
মৈত দৌৰিলে নহয় কুজা।।'

কৃষি সম্পৰ্কীয় ডাকৰ বচন সমূহৰ ভিতৰত বৰষুণৰ লক্ষণ সম্পৰ্কেও কোৱা হৈছে। আগৰ অসমীয়া বুঢ়া-মেথাই আকাশলৈ চাই, প্ৰকৃতিৰ ইংগিতলৈ লক্ষ্য ৰাখি বৰষুণৰ আগজাননী দিছিল। খেতিৰ বাবে অসমীয়া মানুহে বৰষুণৰ পানীৰ ওপৰতে নিৰ্ভৰ কৰিব লগা হৈছিল। কেতিয়াবা তিথি-বাৰ চাইও বৰষুণ সম্পৰ্কীয় সিদ্ধান্তত উপনীত হৈছিল-

'যেবে বাৰিষাৰ জল ধাৰে।
কি কৰিবে তাক গনতি কাৰে।।
তথাপিতো তিথি বাৰক চাই।
ডাকে বুলে কিছু বলা যায়।।
আহাৰৰ নৱমী শুক্ল পক্ষত।
যদি নবৰিষে ভূমি তলত।।'

অসমীয়া মানুহৰ ঘৰ নিৰ্মাণ আৰু বাৰীখন কেনেকুৱা হ'ব লাগে এই সম্পৰ্কেও ডাকৰ বচনত সুনিৰ্দিষ্ট কিছুমান ৰীতি প্ৰকাশ কৰা হৈছে। এইবোৰৰ যুগেদি পুৰণি বাঁহেৰে সজা অসমীয়া ঘৰখনৰ চিত্ৰ ফুটি উঠিছে। যেনে-

'ৰুৱা লবা যতেক ততেক।
মাৰলি লবা তিনি ততেক।।
পুবা-পশ্চিমাকৈ সাজিবা ঘৰ।
অকাল মৃত্যুক নাহিকে ডৰ।।'

অসমীয়া মানুহৰ ঘৰৰ কোঠালি বহুত। আগৰ ঘৰবোৰত বাটচ'ৰা, চ'ৰাঘৰ, বৰঘৰ, বুলনিচ'ৰা, মাৰলঘৰ, ৰান্ধনিঘৰ, শোৱনিঘৰ আদি বিভিন্ন ভাগৰ কোঠা আছিল। মানুহে মূল ঘৰটোৰ লগতে ওচৰা-ওচৰিকৈ কীৰ্ত্তনঘৰ, ভঁৰালঘৰ সাজিছিল। ডাকৰ বচনত কৈছে-

'বহু কৰ বহু কৰ বৰ ঘৰ।
ডাকে বোলে তাক নকৰ নকৰ।।
সৰু সৰুকৈ বান্ধিবা ঘৰ।
এটি নেলাগে দহোটা কৰ।।'

কেৱল ঘৰখনেই নহয় ঘৰৰ লগত লাগি থকা বাৰীখনৰ

বিষয়ে ডাকৰ বচনত কৈছে-

'দক্ষিণে ভুই উত্তৰে বাৰি।
আটীয়া দিবা তিনি শাৰী।।
ভোলুকা ৰুইবা দুই কণি।
মধ্যত তামুল ৰুবা জানি।।
ছয় হাতে তামুল তাতেই পাণ।
তাহাৰ মাজত নুৰাইবা আন।
আম কঁঠাল কাষত ৰুইবা।
বেট সখা কাষত দিবা।।'

এনে কথা সমূহৰ পৰা আম, কঁঠাল, কল, পাণ-তামোলেৰে ভৰপূৰ বাৰীখনৰ দৃশ্যই মনলৈ আহে।

থলুৱা খাদ্যসম্ভাৰ অসমীয়া মানুহৰ একচেটিয়া সম্পত্তি। অসমীয়া মানুহৰ খাদ্যৰ জুতি আন ৰাজ্যৰ মানুহৰ লগত নিমিলে। পোৱা মাছৰ পিটিকা, খাৰলি এনেকুৱা সুকীয়া সুকীয়া বৈশিষ্ট্যপূৰ্ণ খাদ্যৰ লগত বিভিন্ন শাকেৰেও অসমীয়া মানুহে খুব জুতি লগাকৈ ৰন্ধন প্ৰকৰণ কৰিব পাৰে। অসমীয়া মানুহৰ ব্যঞ্জন বিলাসী স্বভাৱক পৰিস্ফুট কৰিছে ডাকৰ বচন সমূহে। ৰন্ধনৰ বাবে প্ৰয়োজনীয় জুই জ্বলোৱাৰ পৰা ভাত ৰন্ধাৰ বিষয়ে ডাকে সুন্দৰ বৰ্ণনা দিছে-

'এক জখা চাউল চাৰি জখা পানী।
জাল দিবা শীঘ্ৰে টানি।।
উতল আহিলে শুখিব জল।
সেহি সিদ্ধ অন্ন জানা সকল।।'

অসমখন নৈ, জান-জুৰি, বিল জলাশয়ৰে ভৰপূৰ। এইবোৰত বৰ্তমানৰ তুলনাত আগৰ কালত প্ৰচুৰ মাছ-কাছ পোৱা গৈছিল। মাছেৰে ৰন্ধা ব্যঞ্জনখনৰ সোৱাদেই সুকীয়া। অসমীয়া মানুহে মাছেৰে বিভিন্ন ব্যঞ্জন প্ৰস্তুত কৰিছিল। কি মাছৰ লগত কি বস্তু ৰান্ধিলে সোৱাদ লগা হ'ব সেয়া অসমীয়া লোক সমাজৰ নখদৰ্পণত আছিল। ডাকৰ বচনত লোক সমাজৰ এই ব্যঞ্জন সমূহৰ এখন তালিকা পোৱা যায় এইদৰে-

'পকা টেটেলী বুঢ়া বৰালী।
টান কৰিয়া দিবা জালি।।
এমতে কৰিবা টেঙ্গাৰ জোল।
খাবাৰ সময়ে মুণ্ড নোতোল।।'
০০০০০০০০০০০০০০০০০

'মাগুৰ মাছক কাটি কুটিয়া।
হালধি মৰিচ হিঙ্গক দিয়া।।
তেল লোণ দিয়া কৰিবা পাক।
এহি উত্তম বুলন্ত ডাক।।'
০০০০০০০০০০০০০০০০

'দৰকীয়া মাছক ভাজিয়া তেলে।
কিছু খাৰ দিব তাহাতে ফেলে।
আদা দিয়া নুমাই থবা।
কিনো সুস্বাদ খাইতে পাইবা।।'
০০০০০০০০০০০০০০০০০

'পালঙ্গত কাঁৰে, কাচুত কালা।
মুগত আলু অতি ভালা।।
মাহৰ খাৰ মোচুৰে জাল।
বুটত ঘিউ খাবলৈ ভাল।।
কোমোৰাত মাগুৰ, লাউত পুথি।
এহি কহি ডাক গল উঠি।।'

ডাকৰ বচনত খাদ্য সম্ভাৰৰ বিৱৰণেই কেৱল প্ৰকাশ পোৱা নাই তাৰ লগতে কোন মাহত, কোন তিথিত, কোন বাৰত কেনেকুৱা খাদ্য খালে শৰীৰ ভালে থাকে তাৰ বিৱৰণ আছে। শৰীৰক সুস্থ কৰি ৰখাৰ উপায় খাদ্যৰ যোগেদিয়েই ডাকে দাঙি ধৰিছে-

'আম খাই মিশ্ৰি কৰ ভোজন।
কঁঠালে জালা ডাক বচন।।
তিঁয়হত লৱণ বাঢ়িত গুৰ।
কলত তিক্ত খাইবা প্ৰচুৰ।।
নাৰিকল খাই চাউল খাব।
তেবেই সবৰ অপথ্য গুছিব।।'

অসমীয়া বাৰ মাহৰ প্ৰতিটো মাহৰ বতৰৰ কিছুমান খাদ্যৰ কথা ডাকৰ বচনত উল্লেখ কৰা হৈছে। যেনে-

'জেঠত দৈ আহাৰত খৈ।
শাওনে মৰাপাট খাবাগৈ।।
ভাদত ওল, আহিনৰত কল।
কাতিত কচুয় বাঢ়য় বল।।'
০০০০০০০০০০০০০০০০০

'ফাগুনত মৌ, চ'তত ঔ, ব'হাগত বৰ।

ইয়াকে খালে পুৰুষৰ ওছে কৰ্মকৰ।।'

বনৌষধিৰে চিকিৎসা কৰিব পৰাকে ঔষধি গছ, দ্ৰব্যবোৰৰ বৰ্ণনা ডাকৰ বচনত আছে-

'ধনীয়া পুৰণি লতি তেজপাত।
সম ভাগ কৰি খুন্দি পটাত।
ক্কথ কৰি খাব ইহাৰ পানী।
যত জ্বৰ পীড়া হৰিব জানি।।'

সমাজৰ বিভিন্ন লোকৰ ব্যৱহাৰিক জীৱনৰ অভিজ্ঞতাবোৰ থূপ খাই আছে ডাকৰ বচনসমূহত। এইবিলাকৰ সমাৰ্থ এক জাতি বা নিৰ্দিষ্ট ভৌগোলিক সীমাৰ মাজত আবদ্ধ নহয়। দৈনন্দিন জীৱন যাত্ৰাত পৰিহাৰ কৰিব লগা কিছুমান কথা ডাকে উল্লেখ কৰিছে। যেনে—

'চাৰি পাঁচ জনে বাণিজ্য বেপাৰ।
একো লাভ নাই জানিবা তাৰ।।
লাজুৱা পণ্ডিত কাজুৱা চোৰ।
জাকয়া অতিথি হাৰাম খোৰ।।
গাইৰ বৰ্জ্জিত ওলমা বাহি।
স্ত্ৰীৰ বৰ্জ্জিত সদাই হাঁহি।।'

ইয়াৰ উপৰিও শূন্য নগৰে বাস কৰা, মন্দিৰৰ সমীপে বাট লোৱা, বাহি ব্যঞ্জন, বিদ্যাহীন পুত্ৰৰ আশ, বিনা ঢাকনীয়া ঝাৰি, নিলাজী কুল নাৰী, পৰৰ অন্ন, নদীৰ পাৰৰ কৃষি পৰিত্যাগ কৰিব লাগে বুলি ডাকৰ বচনত উল্লেখ কৰা হৈছে।

মানুহৰ চৰিত্ৰ ভাল আৰু বেয়া দুয়োবিধ গুণৰে সমষ্টি। দীৰ্ঘদিনীয়া পৰ্যবেক্ষণে সমাজত নাৰী আৰু পুৰুষ চৰিত্ৰৰ দোষ-গুণ সম্পৰ্কে এক সুনিৰ্দিষ্ট ধাৰণাৰ জন্ম দিয়ে। ডাকৰ বচনত সুপুৰুষৰ লক্ষণ দিয়া হৈছে এইদৰে—

'দীৰ্ঘে একশত আঠ মাংগুল।
কম্পা কম্পি মাথাৰ চুল।।
উত্তম পুৰুষ বোলয় তাক।
বেদৰ বচন বোলয় ডাক।।

আকৌ পুৰুষৰ কুলক্ষণৰ বিষয়ে কোৱা হৈছে—

সন্ধ্যাত কৰে শয়ন ভোজন।
আপন কাৰ্যক কৰে হেলন।।
মুখ হাত মচে পিন্ধা বস্ত্ৰৰে।
খঙ্গে গৃহক মাৰ্জ্জে পায়েৰে।।
ঘৈণীয়েকক মাৰে খাইবে নপায়।
ভোজনত পেট, হাতে মাৰ্জ্জয়।
খাইবে নপায় চাল বেড়া ভাঙ্গয়।
তাহাকে দেখি লক্ষ্মী দূৰক পলায়।।'

পুৰুষ চৰিত্ৰ নিৰূপণৰ দৰে নাৰী চৰিত্ৰৰ দোষ-গুণ, সুচৰিত্ৰা নাৰীৰ লক্ষণ, ঘৰুৱা জীৱনত নাৰীৰ আচৰণীয় কৰ্তব্য, অসৎ প্ৰকৃতিৰ নাৰীৰ আচাৰ-আচৰণ আদি ডাকৰ বচনত বিস্তাৰিতভাৱে দিয়া হৈছে। যি গৃহিণীয়ে সদায় মধুৰভাৱে আলাপ কৰে, স্বামীৰ কথাৰ প্ৰতিবাদ নকৰে, মিষ্ট ব্যঞ্জন ৰন্ধন কৰে, সন্ধ্যা বেলাত বন্তিৰে গৃহ আলোকিত কৰে, সাসুৰি তথা স্বামীক শুশ্ৰূষা কৰে তেনে গৃহিণী লক্ষ্মী সমান। নাৰীৰ কুলক্ষণৰ বৰ্ণণা দিছে ডাকে এইদৰে—

'যিটো স্ত্ৰীৰ আউল ঝাউল কেশ।
সদায় কন্দল কৰে নিঃশেষ।।
আধা খান ভাত খাই আধা খান ফেলে।
ডাকে বোলে তাক এৰিও সোনকালে।।'

অসমীয়া মানুহৰ লোক বিশ্বাসৰ প্ৰকাশ বিভিন্ন ডাকৰ বচন সমূহৰ যোগেদি ঘটিছে। তাৰ ভিতৰত যাত্ৰা সম্পৰ্কীয় ডাকৰ বচন সমূহৰ কথা কব পাৰি। আমাৰ মানুহে সততে বিশ্বাস কৰে—

'হাঁচি জেঠী উজুটি খালে।
মিছা নহয় সৰ্ব্বকালে।।'

আকৌ

'অমাৱস্যা, প্ৰতিপদ, পূৰ্ণিমা তিথি।
মাত্ৰৰ ঘৰত নাযায় যুৱতী।।'

সমাজত এই কথাবোৰ মানি চলা হয়। প্ৰকৃতিৰ কিছুমান লক্ষণক মানুহে অমঙ্গল জ্ঞান কৰে। মানুহৰ মাজত প্ৰচলিত তেনে বিশ্বাসেই ডাকৰ বচনত স্থান পাইছে। যেনে—

'ডাকে ফেঁচা ফুলে বাঁহ।
গিৰি নিজীৱে ছয় মাহ।।
ছুটু কাক ৰতয় যাৰ পাশে।
সি গিৰিৰ বিঘ্নি মিলি আশে।।'

উপৰি উক্ত বিষয়সমূহৰ লগতে ডাকৰ বচনত ৰাজনীতি বিষয়ক জ্ঞান, ন্যায় সম্পৰ্কীয় নীতি, জ্যোতিষ সম্পৰ্কেও জ্ঞান দিয়া হৈছে। এই জ্ঞান সমূহ যিকোনো সমাজৰেই প্ৰয়োজনীয়

তথ্যপূৰ্ণ সম্পত্তি। ডাকৰ বচনত যিখন সমাজৰ চানেকি ফুটি উঠিছে সেয়া সম্পূৰ্ণ ৰূপত অসমীয়া গ্ৰাম্য জীৱন। অসমীয়া গাঁৱলীয়া সমাজৰ লোক অভিজ্ঞতাৰ এক মাৰ্জিত প্ৰকাশ ঘটিছে ডাকৰ বচনৰ মাধ্যমেদি। প্ৰধানকৈ চাবলৈ গ'লে কৃষি কৰ্ম সম্পৰ্কীয় বচনখিনিৰ জৰিয়তে কৃষিজীৱি অসমীয়া সমাজৰ জীৱন পদ্ধতি, কৃষি সম্পৰ্কীয় গভীৰ জ্ঞান-অভিজ্ঞতাৰ সামগ্ৰিক ৰূপটো ফুটি উঠিছে। তেনেদৰে গৃহ সম্পৰ্কীয় ডাকৰ বিভিন্ন বচনৰ জৰিয়তে অসমীয়া মানুহৰ ঘৰ সজাৰ প্ৰণালী, বাৰীখনত থাকিব লগা লাগনি গছৰ বিষয়েও আমাক অৱগত কৰে। আটাইতকৈ উল্লেখ কৰিবলগীয়া দিশটো হৈছে ডাকৰ বচনত প্ৰকাশিত অসমীয়া থলুৱা খাদ্যসম্ভাৰ। স্বকীয় বৈশিষ্ট্য সম্পন্ন ভিন ভিন ব্যঞ্জনৰ তালিকাই অসমীয়া লোক সমাজৰ এটা গুৰুত্বপূৰ্ণ দিশ প্ৰতিফলিত কৰিছে। এইবোৰৰ লগতে অসমীয়া সমাজৰ লোকবিশ্বাস সমূহৰো আভাস ডাকৰ বচনতে পোৱা যায়। আজিও ফেঁচা, ছুচু আদি পক্ষী গৃহত প্ৰৱেশ কৰাটো অশুভ বুলি মানুহে বিশ্বাস কৰে আৰু তাৰ প্ৰতিকাৰ স্বৰূপে নাম-প্ৰসঙ্গ ঘৰত অনুষ্ঠিত কৰে। যাত্ৰা সম্পৰ্কীয়, খাদ্যগ্ৰহণ সম্পৰ্কত, খেতি কৰাৰ বিষয়তো লোক সমাজত বিভিন্ন বিশ্বাস প্ৰচলিত হৈ আহিছে। তেনে লোকবিশ্বাস সমূহৰ আভাসো ডাকৰ বচনত দেখা যায়। ডাকৰ বচন সমূহ এজন ব্যক্তিৰ ৰচনা বুলি মানি ললেও অসমীয়া লোকসমাজৰ অভিজ্ঞতা, জীৱন প্ৰণালী ইয়াত অতি স্পষ্ট ৰূপত প্ৰতিফলিত হৈছে। সেয়ে, এই বিলাক সাহিত্যৰ দৃষ্টিৰে অমূল্য সম্পদ হোৱাৰ লগতে অসমীয়া লোক সমাজৰো পৰম সম্পত্তি।

প্ৰসংগ সূত্ৰ ঃ

১। অসমীয়া সাহিত্যৰ ৰূপৰেখা, মহেশ্বৰ নেওগ পৃ, ৩৬
২। অসমীয়া লোক সাহিত্যৰ ৰূপৰেখা, লীলা গগৈ, পৃ. ১৬
৩। ডাকৰ বচন, শ্ৰী দণ্ডীৰাম দত্ত, পৃ. ১৬৩

সহায়ক গ্ৰন্থপঞ্জী ঃ-

১। নেওগ, মহেশ্বৰ অসমীয়া সাহিত্যৰ ৰূপৰেখা চন্দ্ৰ প্ৰকাশ অষ্টম তাঙৰণ, ২। ১৯৯৫ গগৈ, লীলা অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা, বনলতা, ৩। ২০০১ দত্ত, দণ্ডীৰাম ডাকৰ বচন (সংগৃহীত আৰু সম্পাদিত) লয়াৰ্ছ বুক ষ্টল, দ্বিতীয় প্ৰকাশ, ১৯৬৮।

মহৎ লোকৰ বাণী

➤ আনক সমালোচনা কৰিবলৈ যোৱাৰ আগতে নিজকে সমালোচনা কৰা। নিজে শুদ্ধ আৰু পবিত্ৰ হোৱাৰ পাছতহে আনৰ বিষয়ে মতামত দিয়াৰ যোগ্যতা অৰ্জন কৰিব পাৰিবা।

- ছক্ৰেটিছ।

➤ এজন ভাল শিক্ষক হ'বলৈ হ'লে আগতে এজন ভাল ছাত্ৰ হ'ব লাগে।

- ৰবীন্দ্ৰ নাথ ঠাকুৰ।

➤ আন কোনেও তোমাক সহায় কৰিব নোৱাৰে। নিজেই নিজৰ সহায় হোৱা।

- বুদ্ধদেৱ।

➤ বিশ্বাসৰ ফল প্ৰেম, প্ৰেমৰ ফল সেৱা, সেৱাৰ ফল শান্তি।

- মাদাৰ টেৰেছা।

➤ আজিৰ কাম কাইলৈ কৰিম বুলি পেলাই নথবা, কাৰণ কাইলৈ তোমাৰ কি হ'ব তুমি নাজানা।

-হজৰত মহম্মদ।

চেহনাজ চুলতানা ৰহমান
স্নাতক পঞ্চম ষান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

ধাবা সংস্কৃতিৰ উত্তৰণ আৰু দৈনন্দিন সমাজ জীৱনত ইয়াৰ ধনাত্মক আৰু ঋণাত্মক প্ৰভাৱ

মেদিনী হাজৰিকা
সহকাৰী অধ্যাপক, ভূগোল বিভাগ

বৰ্তমান সময়ত আমাৰ সমাজত বহুল চৰ্চিত বিষয় হ'ল 'ধাবা সংস্কৃতি', যি সংস্কৃতিয়ে সমাজ ব্যৱস্থাটোকে এক নতুনত্ব প্ৰদান কৰাৰ লগতে ঋণাত্মক প্ৰভাৱ পেলাই আহিছে। 'ধাবা' শব্দ হিন্দী সাহিত্যৰ পৰা আহিছে। ইয়াৰ অৰ্থ হ'ল মূল পথৰ কাষত জনবহুল অঞ্চলৰ পৰা দূৰৈত অথবা চহৰ সমূহৰ উপকণ্ঠ অঞ্চল সমূহৰ নিৰ্জন ঠাইত গঢ়ি উঠা দূৰ-দূৰণিৰ ঠাইসমূহলৈ যাত্ৰা কৰা যাত্ৰী তথা চালক সকলক বিশ্ৰামৰ সুবিধা প্ৰদান কৰাৰ লগতে আহাৰ-পানীৰ যোগান ধৰাৰো সুবিধা থকা কিছুমান ভোজনালয়। তদুপৰি যাত্ৰীসকলৰ বাবে গা-পা ধোৱা, শৌচ-প্ৰস্ৰাৱ কৰা ইত্যাদি সুবিধা সমূহো এই ধাবা সমূহত লাভ কৰা হয়। আমাৰ ভাৰতবৰ্ষৰ দৰে ইউৰোপীয় দেশ সমূহতো এই ধাবা সংস্কৃতিৰ প্ৰচলন আছে। ইউৰোপত এই ধাবা সমূহক Roadway Inn, Coffee house অথবা মটেল নামেৰে জনা যায়। এনেধৰণৰ ধাবা সমূহতেই বহি উইলিয়াম শেক্সপীয়েৰ, লিউয়েন টলষ্টয়ৰ দৰে বিশ্ববিশ্ৰুত দাৰ্শনিক সকলে, সাহিত্য, নাটক আৰু দৰ্শনৰ সৃষ্টি কৰিছিল। ইয়াৰ পৰাই অনুমান কৰিব পাৰি এসময়ত এই ধাবা সমূহৰ গুৰুত্ব কেনে ধৰণৰ আছিল। ধাবাসমূহৰ এক নিজস্ব বৈশিষ্ট আছে। ইয়াত কোনো ধৰণৰ চকী-টেবুলৰ ব্যৱস্থা পূৰ্বতে নাছিল। ধাবাসমূহৰ বিশেষত্ব হ'ল আৰাম দায়ক "খাতিয়া সংস্কৃতি" আৰু মুকলি আখল। যাত্ৰী সকলে শীত কালত এই 'আখল' সমূহৰ কাষত বৈ উত্তাপ লোৱাৰো কোনো প্ৰতিবন্ধকতা নাছিল। 'খাতিয়া' হ'ল কাঠেৰে নিৰ্মত বিছনা আকৃতিৰ এটা জকা আৰু এই জকাটো নাৰিকলৰ ৰছিৰে জালিকা প্ৰস্তুত কৰি মানুহৰ শোৱা-খোৱাৰ লগতে বহাৰো ব্যৱস্থা কৰা হয়। এই 'খাতিয়া' শব্দটো হিন্দী সাহিত্যৰ পৰা আহিছিল। ধাবাসমূহত সচৰাচৰ ৰুটি, তন্দুৰি, মাটিমাহ আৰু বুটৰ দাইলৰ তৰ্কা, মুৰ্গী মাংস জুলৰ লগতে ডাঙৰ ডাঙৰকৈ কটা কেঁচামুলা আৰু পিঁয়াজৰ ছালাড খাদ্য হিচাপে যোগান ধৰা হয়। কিন্তু বৰ্তমান সময়ত ধাবা সমূহত আন এক সংস্কৃতিয়ে গা-কৰি উঠিছে। সেইটোহে বৰ্তমান সমাজৰ বাবে চিন্তনীয় বিষয় হৈ পৰিছে। বৰ্তমানৰ ধাবা সমূহ ধনাত্মক চিন্তাধাৰাৰ আড্ডাস্থলী হৈ থকা নাই। এই ধাবা সমূহে পূৰ্বৰ সকলোবোৰ বৈশিষ্ট হেৰুৱাই এক নতুন দিশত গতি কৰিছে।

ভাৰতবৰ্ষৰ ক্ষেত্ৰত 'ধাবা সংস্কৃতি' পূৰ্বতে উত্তৰ ভাৰততে সীমাবদ্ধ আছিল। উত্তৰ ভাৰতবৰ্ষত এই সংস্কৃতিয়ে গা-কৰি উঠাৰো বিভিন্ন ঐতিহাসিক পটভূমি নিহিত হৈ থকা দেখিবলৈ পোৱা যায়। এই সম্পৰ্কত পিচত পৃথকে বহলাই আলোচনা কৰা হ'ব। কিন্তু পাছলৈ ভাৰতবৰ্ষৰ প্ৰায় সকলো ৰাজ্যলৈ এই সংস্কৃতিয়ে ক্ৰমান্বয়ে প্ৰসাৰ লভিবলৈ ধৰে আৰু আমাৰ সমগ্ৰ উত্তৰ-পূব ভাৰতবৰ্ষতো এই সংস্কৃতিৰ সম্প্ৰসাৰণ ঘটিল। বৰ্তমান সময়ছোৱাত অধিক তীব্ৰহাৰত এই ধাবা সমূহ অপ্ৰয়োজনীয়ভাৱে আৰু অবাঞ্চিত পৰিৱেশত বৃদ্ধি পোৱা দেখিবলৈ পোৱা গৈছে। আমাৰ উত্তৰ-পূবৰ ৰাজ্য সমূহতো পূৰ্বতে এই ধাবা সমূহ উত্তৰ ভাৰতীয় লোকসকলৰ দ্বাৰাই পৰিচালিত হৈ আছিল। সেয়েহে

ধাবা সমূহত উত্তৰ ভাৰতীয় খাদ্য তালিকাই প্ৰাধান্য লাভ কৰিছিল। কিন্তু বৰ্তমানৰ প্ৰায় ৯৯% ধাবাই থলুৱা লোকসকলৰ দ্বাৰা পৰিচালিত হয় আৰু সেয়েহে ধাবাসমূহত থলুৱা খাদ্য সম্ভাৰৰ জুতিৰ প্ৰচলন ঘটিছে। ধাবা সমূহৰ ই এটা অতি উল্লেখযোগ্য আৰু ধনাত্মক দিশ।

'ধাবা' সমূহৰ উৎপত্তি সম্পৰ্কে যদিহে আমি ইয়াৰ ইতিহাস জানিব বিচাৰো তেতিয়া দেখা পোৱা যায় যে দূৰণীবটীয়া ট্ৰাক চালক সকলৰ জিৰণীৰ সুবিধাৰ অৰ্থেই এই ধাবা সমূহ গঢ়ি উঠা বুলি অনুমান কৰিব পৰা যায়। সেয়েহে বিহাৰ, উত্তৰ প্ৰদেশ, পঞ্জাৱ, হাৰিয়ানা ইত্যাদি ৰাজ্যকেইখনৰ লোকৰ দ্বাৰাই অতীতত ভাৰতবৰ্ষৰ প্ৰায় সকলোবোৰ ৰাজ্যতে এই ধাবা সমূহ পৰিচালিত হৈ আছিল। ইয়াৰো বহুত কাৰণ আছে। বিশেষকৈ ভাৰতবৰ্ষ হ'ল এখন কৃষিভিত্তিক অৰ্থনীতিৰ ওপৰত গঢ়ি উঠা ৰাষ্ট্ৰ আৰু এই কৃষি উৎপাদনৰ মূল কেন্দ্ৰ আছিল পঞ্জাৱ, হাৰিয়ানা আৰু উত্তৰ প্ৰদেশৰ পশ্চিমৰ সমভূমি অঞ্চল সমূহ আৰু লগতে বিহাৰৰ অংশ বিশেষ। সেয়েহে এই ৰাজ্যকেইখনৰ পৰাই ভাৰতবৰ্ষৰ আন ৰাজ্যসমূহলৈ খাদ্য শস্যৰ ৰপ্তানি হৈছিল আৰু যিটো বৰ্তমানেও চলি আছে। সেয়েহে এই ৰাজ্য সমূহৰ ট্ৰাক চালক সমূহৰ বাবে অস্থায়ী তথা খন্তেকীয়া বিশ্ৰামৰ প্ৰয়োজন আছিল আৰু এই প্ৰয়োজনীয়তা প্ৰদানৰ প্ৰতি লক্ষ্য ৰাখি চালক সকলৰ মাজেৰে কোনো কোনো লোকে এই ধাবা সমূহ অঞ্চল বিশেষে গঢ়ি তুলিছিল। কিন্তু ক্ৰমশঃ দিন বাগৰাৰ লগে লগেই সেই ধাবা সমূহে পূৰ্বৰ প্ৰায় সকলো বৈশিষ্ট্য হেৰুৱাই পেলাইছে আৰু আন এক নতুনত্বই গা কৰি উঠিছে। ইয়াৰ বাবে মূলতঃ দায়ী থলুৱা ধাবা ব্যৱসায়ী সকল। সেয়েহে বৈশিষ্ট্য অনুসাৰে বৰ্তমানৰ ধাবা সমূহক কেইবাটাও শ্ৰেণীত বিভক্ত কৰিব পৰা যায়। যেনে-পুৰণি নীতিৰে পৰিচালিত ধাবা, ন-পুৰণি সংমিশ্ৰণেৰে পৰিচালিত ধাবা, অনুজ্ঞাপত্ৰ থকা অত্যাধুনিক সুৰাৰ পৰিবেশন কৰা ধাবা, সম্পূৰ্ণ থলুৱা খাদ্য সম্ভাৰ পৰিবেশন কৰা ধাবা, অনুজ্ঞাপত্ৰহীন সুৰা ব্যৱসায় কেন্দ্ৰিক ধাবা ইত্যাদি।

'ধাবা সংস্কৃতি'ৰ ওপৰত অধ্যয়ন আৰু গৱেষণা কৰাটো বৰ্তমান এটা অতি গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে। কাৰণ এই ধাবাসমূহৰ কেইবাটাও দিশত গুৰুত্ব আছে। বিশেষকৈ ইয়াৰ ধনাত্মক দিশ সমূহ হ'ল নিবনুৱা সমস্যাৰ সমাধান, থলুৱা খাদ্য সম্ভাৰৰ সংস্কৃতি জীয়াই ৰখা, যাত্ৰীসকলক সুবিধা প্ৰদান কৰা, অনুন্নত তথা পিছপৰি ৰোৱা অঞ্চল এটাক উন্নয়নশীল অঞ্চললৈ ৰূপান্তৰ কৰা, থলুৱা খাদ্য ৰন্ধনৰ বাবে প্ৰয়োজনীয় সামগ্ৰীৰ উৎপাদন বৃদ্ধিৰ বাবে কৃষক সকলৰ মাজত উৎসাহ যোগোৱা, বহিঃৰাজ্যৰ লোকসকলৰ মাজত থলুৱা খাদ্যৰ পৰিচয় কৰাই দিয়া, দেশৰ অৰ্থনীতি সবল কৰা, কৰ্মসংস্থাপনৰ উৎসৰ সৃষ্টি কৰা ইত্যাদি বহুতো গুৰুত্বপূৰ্ণ ভূমিকা ধাবা সমূহে পালন কৰি আহিছে। সেয়েহে ই এক অতি গুৰুত্বপূৰ্ণ বিষয়।

সংস্কৃতি হ'ল এক গতিশীল বিষয়। সেয়েহে এই ধাবা সংস্কৃতিয়েও গতিশীলতা বজাই ৰাখিবলগীয়া হৈছে। কিন্তু এই গতিশীলতা কোন দিশত গতি কৰিছে সেয়াহে বিচাৰ্যৰ বিষয় হৈ পৰিছে। ধাবাসমূহ বৰ্তমান কাঠফুলাৰ দৰে গঢ়ি উঠিছে। বৰ্তমানৰ ধাবা সংস্কৃতিৰ এক আমোল পৰিৱৰ্তন ঘটিছে। 'ধাবা' সমূহৰ পূৰ্বৰ বাঁহ, খেৰৰ দ্বাৰা নিৰ্মিত, খৰিৰ সহায়ত হোৱা ৰন্ধন প্ৰণালী, খাটিয়াৰ প্ৰচলন ইত্যাদি অংগ সমূহ তথা পূৰ্বৰ অৱয়ৱ সমূহ একেবাৰেই সীমিত ৰূপতহে দেখা পোৱা যায়। ইয়াৰ পৰিৱৰ্তে ধাবা সমূহে আন এক আধুনিকতাৰ প্ৰভাৱ থকা শাৰীৰিক অৱয়ৱ লাভ কৰাটো আমাৰ দৃষ্টি গোচৰ হয়।

মুকলি আকাশৰ তলত খাটিয়াৰ ওপৰত বহি চালক সকলৰ মাজত চলা আড্ডা অথবা বিশ্ৰাম কৰাৰ দৃশ্য আৰু খাদ্য কৰাৰ উপভোগ্য দৃশ্য বৰ্তমান বিৰল হৈ পৰিছে। এই দৃশ্য সমূহ আধুনিক সভ্যতাৰ কবলত পৰি প্ৰায় মৃত অৱস্থাপ্ৰাপ্ত হোৱা বুলি ক'ব পাৰি।

ধাবা সমূহক পূৰ্বতে দূৰণীবটীয়া যাত্ৰী চালক তথা মালবাহী ট্ৰাক চালক সকলৰ ক্ষন্তেক জিৰণীৰ আশ্ৰয়ৰ স্থল হিচাপে গণ্য কৰা হৈছিল। মালবাহী ট্ৰাক চালক সকলে বিশেষকৈ দীৰ্ঘদীন ধৰি পৰিয়ালৰ লোক সকলৰ পৰা আঁতৰি থাকিব লগা হৈছিল। সেয়েহে এই ট্ৰাক চালক সকলৰ মাজৰ কিছুলোকে তেখেত সকলৰ শাৰীৰিক কামনা পূৰণাৰ্থে এই ধাবা সমূহতে বেশ্যাৰ আশ্ৰয় গ্ৰহণ কৰিছিল। যাৰ ফলত বহুতো নাৰীয়ে অবৈধ মাতৃত্ব গ্ৰহণ কৰি সমাজৰ লাঞ্ছনা ভুগিব লগীয়াও হৈছিল। নিশাৰ অন্ধকাৰত ওচৰ চুবুৰীয়া অঞ্চলৰ লগতে দূৰ-দূৰণি ঠাই সমূহৰ পৰাও এই ধাবা সমূহলৈ বেশ্যা সকলৰ আগমন ঘটে। উল্লেখযোগ্য দিশটো হ'ল যে কেতিয়াবা এই বেশ্যা আৰু ট্ৰাক চালক সকলৰ মাজতো প্ৰেমভাৱৰ সৃষ্টি

হৈ বৈবাহিক সম্বন্ধইও স্বীকৃতি লাভ কৰা দেখিবলৈ পোৱা যায়। গভীৰভাৱে চিন্তা কৰিলে দেখা পোৱা যায় যে সুৰক্ষিত অৱস্থাত খাদ্য সামগ্ৰীৰ লগতে অন্যান্য সামগ্ৰী সৰবৰাহ কৰা এই গাড়ীচালক সকলৰ যন্ত্ৰণাদায়ক জীৱন-যাপন। তদুপৰি অ-সুৰক্ষিত যৌন সম্ভোগে চালক সকলৰ লগতে পৰিয়ালৰ জীৱনলৈ অন্ধকাৰ নমাই অনাটোও সময়ে সময়ে পৰিলক্ষিত হয়। আনকি এই ট্ৰাক চালক সকলক যৌনৰোগ সৰবৰাহৰ অন্যতম সৰবৰাহকাৰী হিচাপেও ইতিমধ্যে বিবেচিত কৰা হৈছে। সেয়েহে প্ৰতিখন ৰাজ্যৰ চৰকাৰে ট্ৰাক-চালক সকলৰ সুৰক্ষা প্ৰদান নিশ্চিত কৰা বিষয়টোত বিশেষভাৱে গুৰুত্ব প্ৰদান কৰিব লাগে।

বৰ্তমান সময়ত 'ধাবা সংস্কৃতি'য়ে নিৰ্জন অঞ্চলৰ পৰা জনাঞ্চল অঞ্চলৰ দিশত ক্ৰমান্বয়ে গতি কৰিছে আৰু ইয়াৰ প্ৰভাৱ চুবুৰীয়া ঠাই সমূহত সুন্দৰভাৱে অনুমান কৰিব পৰা যায়। বৰ্তমানৰ ধাবা সমূহত আধুনিক চকী টেবুলৰ পৰিপূৰ্ণ ভোজন কক্ষৰ লগতে আটক ধুনীয়াকৈ সজোৱা পৰ্দাৰে আবৃত কোঠালীৰো সংযোজন ঘটোৱা হৈছে। প্ৰকৃতাৰ্থত এই সৰু সৰু কোঠালী সমূহহে চিন্তাৰ বিষয় হৈ পৰিছে। এই সৰু সৰু কোঠালী সমূহৰ মহৎ উদ্দেশ্য কি ই এক ডাঙৰ প্ৰশ্ন। ভালদৰে নিৰীক্ষণ কৰিলে দেখা পোৱা যায় যে ইয়াতেই সংঘটিত হয় অবৈধ সুৰাৰ পৰিবেশন, যৌন উপভোগ, ড্ৰাগছ সেৱন ইত্যাদিৰ দৰে অনৈতিক কাৰ্যকলাপ (সকলো ধাবাতে এনে ধৰণৰ অনৈতিক কাৰ্যকলাপ সংঘটিত নহয়।) সেয়েহে বৰ্তমান এই ধাবাসমূহ হত্যা-লুণ্ঠন আৰু ধৰ্ষণৰ দৰে অপৰাধজনিত কাৰ্যকলাপৰ ঘাটি হৈ পৰিছে।

বৰ্তমান ধাবাসমূহৰ আন এটা গুৰুত্বপূৰ্ণ তথা চিন্তাৰ বিষয় হ'ল অনুজ্ঞাপত্ৰহীন সুৰাৰ ব্যৱসায়। এই ব্যৱসায়ে উঠি অহা প্ৰজন্মৰ ওপৰত ঋণাত্মক প্ৰভাৱ পেলাইছে। বৰ্তমান নৱ প্ৰজন্মৰ ল'ৰা আৰু ছোৱালীৰ মাজত প্ৰায় সমানেই সুৰাপান সংস্কৃতি গঢ়ি উঠিছে। যাৰফলত ৰাজপথত মাতাল যুৱক-যুৱতীৰ অভব্য আচৰণ এক নিত্যনৈমিত্তিক ঘটনালৈ ৰূপান্তৰ ঘটিছে। তদুপৰি ধৰ্ষণৰ ইয়ো এটা মূল কাৰণ। এনে ধৰণৰ অপসংস্কৃতিৰ বীজ সৃষ্টি আৰু বিতৰণ ব্যৱস্থাটোৰ ক্ষেত্ৰত ধাবাসমূহৰ ভূমিকা কোনো গুণেই কম নহয়। এই অপসংস্কৃতিয়ে সমাজৰ বহুতো নৱপ্ৰজন্মক ক্ৰমান্বয়ে ধ্বংসৰ দিশত গতি কৰোৱাৰ লগতে বহুতো পৰিয়ালৰ সংসাৰ থান-বান কৰি কণ-কণ ল'ৰা ছোৱালীক নিঠৰুৱা কৰিছে। সেয়েহে এই ধাবা সমূহৰ ওপৰত চৰকাৰী নিয়ন্ত্ৰণ অতি প্ৰয়োজনীয় যেন অনুভৱ হৈছে। তদুপৰি ইয়াৰ প্ৰকৃত পৰিসংখ্যা চৰকাৰে সংগ্ৰহ কৰাটো এক উচিত কাৰ্য আৰু সম্পূৰ্ণ ৰূপে চৰকাৰৰ নীতিৰ দ্বাৰা ধাবা সমূহ নিয়ন্ত্ৰিত হোৱাটো বাঞ্ছনীয়।

ধাবা সমূহত গঢ় লৈ উঠা অপসংস্কৃতিৰ বাবে মূলত দায়ী জিলা তথা ৰাজ্যৰ প্ৰশাসন ব্যৱস্থাটো। কিয়নো বহুতো ধাবাত সংঘটিত হৈ থকা অনৈতিক কাৰ্য সমূহ হাতেলোটে ধৰা পৰাৰ পাছতো প্ৰশাসনে ধাবা সমূহৰ ক্ষেত্ৰত কোনো ধৰণৰ

প্ৰশংসনীয় পদক্ষেপ গ্ৰহণ কৰা দেখিবলৈ পোৱা নাযায়। কেৱল মাত্ৰ কেইটামান টকাৰ বিনিময়ত নিজকে বিক্ৰী কৰি এই অপসংস্কৃতিক জীয়াই ৰখাত প্ৰেৰণাহে যোগায়। যাতে তেওঁলোকৰ আয়ৰ উৎস আৰু বৃদ্ধি কৰিব পাৰে। ইয়াৰ বাবে মূলত দায়ী জিলাৰ মুৰব্বী বিষয়াবৰ্গ। যিসকলে নিজৰ বিলাসী জীৱন-যাপনৰ বাবে সমাজখনক প্ৰদূষিত আৰু বিশৃংখল কৰিব পৰা সকলো কামতে তুচ্ছজ্ঞান কৰি অহাটো বৰ্তমান সমাজৰ প্ৰতিজন সচেতন ব্যক্তিৰে জ্ঞাত। এখন ৰাজ্যৰ সৰ্বাংগীন উন্নতিৰ বাবে ৰাজনীতিবিদ সকল যিমান দায়ী তাতোতকৈ অধিক দায়ী হ'ল আমাৰ প্ৰশাসনিক আমোলা বিষয়াবৰ্গহে। কিয়নো ৰাজনীতিবিদসকলৰ সঘন পৰিবৰ্তন হ'ব পাৰে। কিন্তু ইয়াৰ পৰিবৰ্তে প্ৰশাসনীয় আমোলা বিষয়াবৰ্গ সমূহ হ'ল তুলনামূলকভাৱে স্থায়ী।

'ধাবা সংস্কৃতি'য়ে সমাজৰ কিছুমানলোকক অৰ্থনৈতিকভাৱে স্বাৱলম্বন কৰি তোলাৰ লগতে সমাজৰ এক নিৰ্দিষ্ট অংশক নিয়োগৰ ব্যৱস্থা কৰি দিয়াটোও চিৰন্তন সত্য। ইয়াক আমি কোনেও অস্বীকাৰ কৰিব নোৱাৰো। তদুপৰি ধাবাসমূহৰ আন এটা গুৰুত্বপূৰ্ণ আৰু প্ৰশংসনীয় দিশ হ'ল যে প্ৰায়বোৰ ধাবাত থলুৱা আহাৰ পৰিবেশনত বিশেষ অগ্ৰাধিকাৰ দিয়া দেখিবলৈ পোৱা যায়। যাৰ দ্বাৰা থলুৱা আহাৰ সমূহে ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰখনত চিনাকি হোৱাৰ সুযোগ পায়। সেই ক্ষেত্ৰত ধাবাসমূহ ধন্যবাদৰ পাত্ৰ। কিন্তু ধাবাসমূহৰ আলমত গঢ়ি উঠা অবৈধ ব্যৱসায় সমূহ চিন্তনীয় বিষয়। বিশেষকৈ, অস্ত্ৰ-শস্ত্ৰৰ অবৈধ সৰবৰাহ, ড্ৰাগছৰ সৰবৰাহ, অবৈধ সুৰা, নাৰী ব্যৱসায়, ধৰ্ষণ, দুৰ্ঘটনা আদি কাৰ্যৰ লগতে সমাজৰ একশ্ৰেণীৰ লোকৰ লগতে শিক্ষিত তথা আঢ্যৱন্ত পৰিয়ালৰ যুৱ প্ৰজন্মই এনে ধৰণৰ অনৈতিক কাৰ্যকলাপৰ লগত জড়িত হৈ পৰিছে। এই ক্ষেত্ৰত প্ৰশাসনিক বিষয়া বৰ্গৰ লগতে ৰাজনৈতিক বিষয়াবৰ্গৰ পুত্ৰ-কন্যা সমূহ জড়িত হোৱাৰ বাতৰি প্ৰায়ে টেলিভিছন আৰু বাতৰি কাকত সমূহত দেখিবলৈ আৰু পঢ়িবলৈ পাওঁ, ই অতি গুৰুত্বপূৰ্ণ আৰু চিন্তনীয় বিষয়। এনেধৰণৰ ঘটনাসমূহে প্ৰসাৰ লাভ কৰাৰ মূলতেঃ হ'ল নিৰ্লিপ্ত প্ৰশাসন ব্যৱস্থা। সেয়েহে এটি বিশেষ অনুৰোধ যাতে এই বিষয়টোৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰে আৰু এই অপসংস্কৃতিক নিয়ন্ত্ৰণৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰাৰ ব্যৱস্থা কৰে, যি সংস্কৃতিয়ে আমাৰ সমাজখনক পংগু কৰি তোলাৰ ক্ষেত্ৰত ভূমিকা পালন কৰা দেখিবলৈ পোৱা গৈছে। আলোচনাটিৰ মাধ্যমেৰে সমাজৰ প্ৰতি দায়িত্বশীল প্ৰতিজন সমাজ সচেতন ব্যক্তিলৈ ধাবা সংস্কৃতিয়ে সৃষ্টি কৰা ব্যাধি সমূহ প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণৰ বাবে অনুৰোধ জনোৱা হ'ল।

কৌতুক

শিক্ষক - নৰেন, কালি পঢ়ি আহিবলৈ কোৱা পাঠটি আজি পঢ়িব পাৰিবিনে?

নৰেন - নোৱাৰো ছাৰ।

শিক্ষক - কিয়?

নৰেনে - কালি গৰমত নপঢ়িলো ছাৰ

শিক্ষক - হাত দে।

নৰেন - ছাৰ, আপোনাক মোৰ হাতখন দি দিলে মই কেনেকৈ ভাত খাম আৰু কাম কৰিম।

শিক্ষক - বুৰ্বক হাত পাত

নৰেন - ছাৰ, হাতখন কেনেকৈ পাত হ'ব পাৰে?

-ৰশ্মিৰেখা মিলি

স্নাতক পঞ্চম ষান্মাসিক, ভূগোল বিভাগ

অসমীয়া ব্যাকৰণৰ ইতিহাস আৰু কিছু কথা

প্ৰীতিশ্ৰী নেওগ
অসমীয়া বিভাগ

ভাৰতীয় ব্যাকৰণ শাস্ত্ৰই আজিৰ পৰা প্ৰায় আঢ়ৈ হাজাৰ বছৰ পূৰ্বে মহৰ্ষি পাণিনিৰ হাতত এক অবিসম্বাদী বিজ্ঞানসন্মত ৰূপ লাভ কৰিছিল যদিও অতিমাত্ৰা ৰক্ষণশীলতাৰ হেতু এই ব্যাকৰণ সংস্কৃত ভাষাৰ ভুল-শুদ্ধ বিচাৰৰ সঁচাৰ কাঠিৰূপে পৰিগণিত হোৱা বাবে গ্ৰীক লেটিনৰ দৰে প্ৰাচীন ভাৰতীয় ব্যাকৰণ পৰম্পৰাকো প্ৰয়াগত ব্যাকৰণৰ শাৰীত স্থান দিয়া হৈছে।

ভাষা চৰ্চাৰ ইতিহাসত বৰ্তমান পৰ্যন্ত যিমানবোৰ ব্যাকৰণ তত্ত্বৰ উদ্ভৱ হৈছে, সেইবোৰক মুখ্যতঃ দুটা প্ৰধান ভাগত ভাগ কৰিব পাৰি— (১) পৰম্পৰাগত বা প্ৰথাগত ব্যাকৰণ (Traditional Grammer) আৰু (২) আধুনিক বা বাস্তৱ ব্যাকৰণ (Positive or Formal Grammer)। ভাষাৰ বিজ্ঞানসন্মত অধ্যয়ন আৰম্ভ হোৱাৰ পূৰ্বকালত যিবোৰ ব্যাকৰণ ৰচিত হৈছে বা হৈ আছে তেনে ব্যাকৰণকে প্ৰথাগত বা পৰম্পৰাগত ব্যাকৰণ বোলা হয়। আনহাতে বাস্তৱ ব্যাকৰণ হ'ল ভাষাৰ ব্যৱহাৰিক ৰূপৰ গঠন পদ্ধতিৰ তন্ন তন্ন বিশ্লেষণ।

অসমীয়া ভাষাৰ ব্যাকৰণ চিন্তাৰ প্ৰথম উন্মেষ ঘটিছিল- ১৮৩৯ খ্ৰীঃত ব্ৰিটিছ চাহাব উইলিয়াম ৰবিনছনৰ দ্বাৰা ৰচিত- "A Grammer of the Assamse Language" পুথিখনৰ দ্বাৰা। ইয়াৰ পাছত আমেৰিকাৰ মিছনেৰী ৰেভাৰেণ্ড নাথান ব্ৰাউনে ১৮৪৮ খ্ৰীঃত অসমস্থ মিছনেৰীসকলৰ অসমীয়া ভাষা শিক্ষণৰ উপযোগীকৈ লিখে 'Grammatical Notices of the Assamese Language' ব্যাকৰণ পুথিখন। কিন্তু ১৮৯৩ খ্ৰীঃত এই পুথিখনৰ তৃতীয় সংস্কৰণৰ প্ৰকাশৰ নাম সলাই Grammatical Notes on the Assamese Language ৰাখে। ৰবিনছনৰ ব্যাকৰণখনতকৈ ব্ৰাউনৰ ব্যাকৰণখন তুলনামূলকভাৱে অসমীয়া ভাষাৰ গাঁথনিক ৰূপৰ বেছি ওচৰ চপা। ৰবিনছন আৰু ব্ৰাউনৰ ব্যাকৰণ দুখন যদিও অসমীয়া ভাষাৰ ব্যাকৰণ পুথি আছিল, তথাপি দুয়োখন পুথিৰ মাধ্যম আছিল ইংৰাজী ভাষা।

অসমীয়া ভাষাৰ ব্যাকৰণৰ এই সমস্যাসমূহ দূৰ কৰিবলৈ "ভাষাৰ ওজা" হেমচন্দ্ৰ বৰুৱাদেৱে ১৮৫৯ খ্ৰীঃত অসমীয়া ভাষাৰ মাধ্যমেৰে প্ৰথমখন অসমীয়া ব্যাকৰণ পুথি ৰচনা কৰে- "অসমীয়া ভাষাৰ ব্যাকৰণ"। হেমচন্দ্ৰ বৰুৱাৰ ব্যাকৰণ পুথিখনৰ যোগেদিহে অসমীয়া ভাষাৰ ব্যাকৰণৰ ইতিহাস আৰম্ভ হয়।

১৮৭৩ চনত বাংলা ভাষাৰ ঠাইত পুনৰ অসমীয়া ভাষা স্থাপন হোৱাত, সেই চনতে বৰুৱাদেৱে পূৰ্বৰ ব্যাকৰণ খন সংশোধিত কৰি "অসমীয়া ব্যাকৰণ" নামেৰে প্ৰকাশ কৰে। ইয়াৰ পাছত পঢ়াশালীয়া শিক্ষাৰ্থীৰ উপযোগীকৈ "অসমীয়া ল'ৰাৰ ব্যাকৰণ" পুথিখন ৰচনা কৰে। ইয়াৰ পাছৰ পৰা আজিলৈকে বিভিন্ন ব্যাকৰণ পুথি ৰচিত হৈছে যদিও সৰহ ভাগেই অসম চৰকাৰৰ শিক্ষা বিভাগৰদ্বাৰা নিৰ্ধাৰিত পঢ়াশলীয়া পাঠ্যক্ৰমৰ আধাৰত ৰচিত।

১৯১২ চনত দেৱানন্দ ভৰালীৰ "অসমীয়া ভাষাৰ মৌলিক বিচাৰ'ৰ যোগেদি অসমীয়া ব্যাকৰণৰ ভাষাতাত্ত্বিক ধাৰাটো আৰম্ভ হয়। অসমীয়া ব্যাকৰণৰ ভাষাতাত্ত্বিক ধাৰাটোৰ সৰ্বোৎকৃষ্ট নিদৰ্শন হ'ল কালিৰাম মেধিদেৱৰ "অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব" (১৯৩৬ চন) আৰু ড° বাণীকান্ত কাকতিদেৱৰ- "Assamese Its Formation and Development" (১৯৪১ চন)। এই দুখন ব্যাকৰণত অসমীয়া ভাষাৰ ঐতিহাসিক বিৱৰ্তনৰ দিশসমূহ বিজ্ঞানসন্মতভাৱে আলোচিত হোৱাৰ লগতে অসমীয়া

ভাষাৰ সাম্প্ৰতিক ৰূপৰেখাৰ প্ৰতিফলন ঘটিছিল।

১৯২৫ চনত সত্যনাথ বৰাদেৱৰ "অসমীয়া ভাষাৰ বহল ব্যাকৰণ" ৰচিত হয়। আগৰ ব্যাকৰণ পুথিসমূহতকৈ বৰাদেৱৰ ৰচনাৰীতিৰ প্ৰভেদ দেখা গ'ল। ১৯১০ চনত ৰচিত হয় শৰৎ চন্দ্ৰ গোস্বামীৰ "সৰল ব্যাকৰণ"।

আনহাতে, পাশ্চাত্য দেশসমূহত ভাষাৰ জীৱন্ত প্ৰৱাহৰ গাঁথনিক দিশবোৰৰ বিচাৰ বিশ্লেষণক লৈ কুৰি শতিকাত 'ভাষা বিজ্ঞান' নামৰ নতুন তত্ত্বৰ আৰ্বিভাৱ হৈছিল। কিন্তু আমাৰ অসমীয়া ভাষাৰ ব্যাকৰণ চিন্তাত ইয়াৰ বহু পলমকৈ প্ৰৱেশ ঘটিল। সেই চিন্তাধাৰাৰ প্ৰথমখন অসমীয়া ব্যাকৰণ হ'ল গোলোকচন্দ্ৰ গোস্বামীৰ "অসমীয়া গোলোক ব্যাকৰণ" (১৯৭২)। তেখেতে পিছত "অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ" ১৯৮৭ আৰু "অসমীয়া ব্যাকৰণ প্ৰৱেশ" ২০০০ চনত আন দুখন ব্যাকৰণ গ্ৰন্থ ৰচনা কৰে। গোস্বামীদেৱৰ প্ৰথমখন আচল অৰ্থত ব্যাকৰণ পুথি নহ'লেও পুথিখনত অসমীয়া ভাষাৰ ব্যাকৰণ চৰ্চাৰ আটাইবোৰ দৰকাৰী সমল থুপ খাই আছে।

১৯৭৪ চনত অসমীয়া ভাষাতত্ত্ববিদ উপেন্দ্ৰনাথ গোস্বামীদেৱে পাশ্চাত্য ভাষাবিজ্ঞানৰ আধাৰত "অসমীয়া ভাষাৰ ৰূপকথা" পুথিখন ৰচনা কৰে। ১৯৮১ চনত তেখেতে আন এখন ব্যাকৰণ পুথি "অসমীয়া ভাষাৰ ব্যাকৰণ" ৰচনা কৰে। এই পুথি দুখনৰ প্ৰথমখনত ঐতিহাসিক তুলনাত্মক আৰু বৰ্ণনাত্মক ভাষা চিন্তাৰ সংমিশ্ৰণ ঘটে।

দৃষ্টিভংগী আৰু বিশ্লেষণ ৰীতিভেদে ব্যাকৰণ শাস্ত্ৰক ঐতিহাসিক, তুলনাত্মক, প্ৰায়োগিক, বিবোধমূলক, বৰ্ণনাত্মক, ৰূপান্তৰ, উৎপাদক আদি বিভিন্ন ভাগত ভাগ কৰিব পাৰি। ভাষাৰ প্ৰচলিত প্ৰয়োগ প্ৰবাহৰ তন্ন তন্ন বিচাৰ বিশ্লেষণৰ প্ৰতিশ্ৰুতি বহন কৰা বৰ্ণনাত্মক ধাৰাৰ তাত্ত্বিক সূত্ৰৰ আধাৰত ৰচিত ব্যাকৰণকে আধুনিক বা বাস্তৱ ব্যাকৰণৰ আখ্যা দিয়া হৈছে। সাম্প্ৰতিক কালত উদ্ভৱ হোৱা গাঁথনিক ধাৰা, ৰূপান্তৰ উৎপাদক ধাৰা, কাৰক ধাৰা আদি তত্ত্ববোৰৰ প্ৰতিটো উত্তৰকতাৰ মৌলিক ধ্যান ধাৰণা প্ৰসূত হলেও এইবোৰক বৰ্ণনাত্মক ধাৰাৰ প্ৰকাৰভেদ বুলি ধৰা হয়।

অসমীয়া ব্যাকৰণৰ ইতিহাস যদিও উইলিয়াম ৰবিনচনৰ- 'A Grammer of the Assamese Language'তে আৰম্ভ তথাপি হেমচন্দ্ৰ বৰুৱাদেৱৰ "অসমীয়া ভাষাৰ ব্যাকৰণ" (১৮৫৯) অসমীয়া মাধ্যমেৰে ৰচিত প্ৰথম ব্যাকৰণ পুথি। গতিকে অসমীয়া ব্যাকৰণৰ মাইলৰ খুঁটি হিচাপে সেইখনকে ধৰা যায়। কিন্তু আজিও বহুতে কয় অসমীয়া ব্যাকৰণৰ আলোচ্য বিষয়বোৰৰ ক্ষেত্ৰত তৎকালীন অসমীয়া ব্যাকৰণকাৰসকলৰ তুলনাত বিদেশী মিছনেৰী নাথান ব্ৰাউনে অধিক পাৰদৰ্শিতা দেখুৱাবলৈ সমৰ্থ হৈছিল বুলি।

পৰম্পৰাগত বা প্ৰথাগত ব্যাকৰণ (Traditional Grammer) আৰু আধুনিক বা বাস্তৱ ব্যাকৰণ (Positive or Formal Grammer)ৰ মূল কেইটামান পাৰ্থক্য তলত উল্লেখ কৰা হৈছে-

১। পৰম্পৰাগত ব্যাকৰণ অষ্টাদশ শতিকাৰ পূৰ্বৰ ভাষা চিন্তাৰ আধাৰত ৰচিত। আনহাতে, আধুনিক বা বাস্তৱ ব্যাকৰণ বিংশ শতাব্দীৰ ভাষা বৈজ্ঞানিক সূত্ৰৰ আধাৰত প্ৰতিষ্ঠিত।

২। পৰম্পৰাগত ব্যাকৰণ অসংহত, বিশৃংখল আৰু বাহুল্যধৰ্মী, আনহাতে, আধুনিক ব্যাকৰণ সুসংবদ্ধ, সুশৃংখল আৰু চুম্বকধৰ্মী।

৩। আধুনিক ব্যাকৰণত ভাষাৰ কথিত ৰূপৰ পৰা আহৰিত বাস্তৱ তথ্যৰ শৃংখলাবদ্ধ বিৱৰণ থাকে। ইয়াৰ বিপৰীতে, পৰম্পৰাগত ব্যাকৰণত ভাষাৰ লিখিত ৰূপ, বিশেষকৈ সাহিত্যিক ৰূপটোকে অগ্ৰাধিকাৰ দিয়া হয়।

৪। পৰম্পৰাগত ব্যাকৰণৰ ঘাই আৰ্হি হ'ল প্ৰাচীন গ্ৰীক আৰু লেটিন ব্যাকৰণ। আনহাতে, আধুনিক ব্যাকৰণ বৰ্তমান কালৰ ভাষা বৈজ্ঞানিক সূত্ৰৰ অৱলম্বনত ৰচিত।

৫। পৰম্পৰাগত ব্যাকৰণ ব্যাখ্যামূলক। আনহাতে, আধুনিক ব্যাকৰণ বিৱৰণমূলক।

ব্যাকৰণ বিষয়ক বহু আলোচ্য কথা আছে যদিও সিমানখিনিলৈ যাব খোজা নাই। ব্যাকৰণৰ সংজ্ঞা, সূত্ৰধৰ্মিতা, বৰ্ণগত দিশ, সন্ধি, শব্দ, লিংগ, কাৰক, নঞৰ্থক ক্ৰিয়াৰ গঠন, শব্দ-বিভক্তি, পুৰুষ, বচন, উপসৰ্গ, শূন্য বিভক্তি, সম্বন্ধ নিৰ্দেশক প্ৰাকৃতি আদি এই লেখাত আলোচ্য বিষয় নহয় যদিও ব্যাকৰণৰ প্ৰতিটোৱে একোটা সজীৱ অংগ।

অসমীয়া ভাষা-সংস্কৃতি আৰু জাতিৰ অস্তিত্বৰ স্বাৰ্থত জ্ঞানী, বুদ্ধিজীৱি তথা সচেতন সমাজে অদুৰ ভৱিষ্যতৰ দায়বদ্ধতাৰ খাতিৰত অসমীয়া ভাষাক বিশুদ্ধকৰণ মাধ্যমেৰে বিশ্বৰ দৰবাৰলৈ আগুৱাই লৈ যাব বুলি অনুৰোধ আৰু আশাৰে এই লেখনি সামৰিছোঁ।

মাধৱদেৱৰ নামঘোষা ঃ এক চমু আলোচনা

তুলুমণি গগৈ
স্নাতক তৃতীয় ষান্মাসিক, অসমীয়া বিভাগ

অসমীয়া সংগীত, কলা-কৃষ্টি তথা সংস্কৃতিৰ আলোচনাত সততে শংকৰদেৱৰ প্ৰসঙ্গই অধিক গুৰুত্ব পায়। ইয়াৰ প্ৰধান কাৰণ হ'ল খ্ৰীষ্টিয় পঞ্চদশ শতিকাৰ শেষ আৰু ষষ্ঠদশ শতিকাৰ আগভাগত যি সৰ্বাত্মক সাংস্কৃতিক বিপ্লৱে সামগ্ৰিকভাবে অসমীয়া সংস্কৃতিৰ এক ঐতিহাসিক ৰূপান্তৰ সাধন কৰি অসমৰ সাধাৰণ, অনাখৰী হালোৱা, হজুৱাৰো সাংস্কৃতিক চেতনা তথা ৰুচিবোধৰ এক অভূতপূৰ্ব উত্তৰণ সুনিশ্চিত কৰিছিল, সেই বিপ্লৱৰ স্বপ্নদ্ৰষ্টা তথা ৰূপকাৰ আছিল শংকৰদেৱ। শ্ৰীমন্ত শংকৰদেৱৰ নাম ললেই মাধৱদেৱৰ নামো একেলগে মনলৈ আহে। শংকৰদেৱতে মাধৱপুৰুষ লীন গৈ অভিন্ন আত্মা হৈ বৰ্ত্তি আছে। ইজনক এৰি সিজন যেন অসম্পূৰ্ণ হৈ ৰয়। শংকৰদেৱ মাধৱদেৱতকৈ চল্লিশ বছৰৰ ডাঙৰ। ১৪৮৯ খ্ৰীষ্টাব্দত লখিমপুৰৰ নাৰায়ণপুৰৰ হৰিশিঙা বৰাৰ ঘৰত মাধৱদেৱৰ জন্ম হৈছিল। তেৰাৰ পিতৃৰ নাম গোবিন্দগিৰি ভূঞা মাতৃৰ নাম মনোৰমা।

মাধৱদেৱ নিজে এগৰাকী পণ্ডিত হোৱাৰ উপৰিও সৃষ্টিশীল প্ৰতিভাসম্পন্ন এগৰাকী ব্যক্তি আছিল। তত্ব আৰু দৰ্শনত তেওঁ যিদৰে বিদগ্ধ পণ্ডিত আছিল, গীত-নৃত্য, বাদ্য, অভিনয়তো ঠিক তেনেদৰেই আছিল প্ৰতিভাসম্পন্ন। তেৰা এজন সুগায়কো আছিল। বৰগীতসমূহ জনপ্ৰিয় হোৱাৰ ক্ষেত্ৰত মাধৱদেৱৰ গায়ন প্ৰতিভাৰ অৱদান কম নাছিল। মাধৱদেৱৰ শ্ৰেষ্ঠ সাহিত্য কীৰ্ত্তি হৈছে 'নামঘোষা'। নামঘোষাৰ আধাৰ হ'ল বেদান্ত। মাধৱদেৱে গুৰু শংকৰদেৱৰ পদাংক অনুসৰণ কৰি ব্ৰহ্ম আৰু ঈশ্বৰ তথা কৃষ্ণৰ অভেদত্ব গভীৰভাবে অনুভৱ কৰিছিল। বিভিন্ন গ্ৰন্থৰ পৰা চয়ন কৰি অনা ভাবগধুৰ বিষয় তেওঁৰ হাতত পৰি এনে মধুৰ ৰূপলৈ উন্নীত হৈছে যে সেই মধুৰ ৰূপে শ্ৰোতাৰ অন্তৰ ভেদি যায়। এই তত্ব বা সত্যৰ লগত একাত্ম হৈ উঠাৰ গভীৰ আবেগে এহেজাৰ ঘোষাৰ সমগ্ৰ পুথিখনতে এক উচ্চস্তৰৰ কাব্য কৰি তুলিছে। কীৰ্ত্তন, দশম, ৰত্নাৱলী আৰু নামঘোষা বৈষ্ণৱ ধৰ্মৰ চাৰিখুটি।

মাধৱদেৱৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ 'নামঘোষা' হৈছে মাধৱদেৱৰ আধ্যাত্মিক জীৱনৰ পূৰ্ণ অভিজ্ঞতাৰ ছন্দোময় অভিব্যক্তি। এহেজাৰ ঘোষা থকাৰ কাৰণে পুথিখনক 'হেজাৰী ঘোষা' নামেও জনা যায়। ইয়াৰ ছশমান ঘোষা ভাগৱত, গীতা, বৃহদাৰদীয় পুৰাণ আদি গ্ৰন্থৰ ভক্তিপ্ৰধান শ্লোকৰ ৰসাল অনুবাদ আৰু বাকীখিনি তেখেতৰ আধ্যাত্মিক অভিজ্ঞতাৰ পৰা নিগৰি ওলোৱা। 'নামঘোষা' মাধৱদেৱৰ জীৱনৰ শেষ বয়সৰ ৰচনা। সেয়েহে ড° বাণীকান্ত কাকতিয়ে গ্ৰন্থখনিক মাধৱদেৱৰ 'মহাপ্ৰস্থানিক গীত' বুলি কৈছে। 'নামঘোষা'ত (ক) পুণ্যশ্লোক শংকৰ-স্মৃতি, (খ) মাধৱদেৱৰ আত্মলঘিমা আৰু (গ) কৃষ্ণ ভক্তি মাহাত্ম্য এই তিনিটি ভাৱৰ মধুৰ সমাবেশ ঘটিছে। এই ভাৱ তিনিটিৰ গুৰি হৈছে ৰসময়ী ভক্তিৰ তিনিটা ভাৱৰ গভীৰ আবেগ। এই ৰসময়ী ভক্তিৰ কথা কবিয়ে প্ৰথম পদ ফাঁকিতেই ব্যক্ত কৰিছে—

"মুক্তিত নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময়ী মাগোহো ভকতি।
সমস্ত মস্তক মণি নিজ ভকতৰ বৈশ্য
ভজো হেন দেৱ যদুপতি।।"

মাধৱদেৱে 'নামঘোষা'ত শংকৰদেৱকেই একমাত্ৰ গুৰু হিচাপে নিৰ্দেশ কৰিছে। তেওঁ গুৰু মাহাত্ম্য প্ৰসঙ্গত কৈছে—

"যিটো মহামতি গুৰুজনে হৰি ভক্তি পথ উপদেশ
দিয়া দুঃখময় সংসাৰৰ পাৰ কৰে।"

নামঘোষাত একশৰণীয়া নামধৰ্মৰ মাহাত্ম্য, ভক্ত কবিৰ আত্মবিলুপ্ত হোৱা ভক্তিভাৱ আৰু ভগবানৰ নাম-গুণ বৰ্ণিত হৈছে। ভক্তিৰ ভিতৰত শ্ৰৱণ কীৰ্ত্তনৰ শ্ৰেষ্ঠত্ব, ব্যভিচাৰী ভক্তিৰ নিন্দা আৰু কবিৰ ব্যক্তিগত কাৰুণ্য, খেদ, কাকুতি, প্ৰাৰ্থনা আদি প্ৰকাশ পাইছে। 'খেদ' অধ্যায়ত কবিয়ে অলপ কথাৰ জৰিয়তে মৰ্মস্পৰ্শী ভাৱে অন্তৰৰ আকুলতা জনাইছে।

"মোৰ প্ৰভু নাৰায়ণ এ
নাচাৰিবা ইবাৰ মুৰাৰি
হৰি হৰি লৈয়ো মোক মায়াক নিকাৰি।।"

কবিয়ে দেখিছে মায়াৰ কাৰণে তেওঁ বাৰে বাৰে সংসাৰত জন্মগ্ৰহণ কৰি নানা যন্ত্ৰণা ভুগিছে। গতিকে প্ৰভুৰে 'ইবাৰ' অৰ্থাৎ এই জনমতেই যেন মায়াৰ পৰা নিস্কৃতি দি উদ্ধাৰ কৰে, এই দৰেই নামঘোষাত কবিৰ সংসাৰৰ প্ৰতি বৈৰাগ্য আৰু ভগৱানৰ ওচৰত আত্ম সমৰ্পণৰ ভাৱ প্ৰকাশ পাইছে। 'নামঘোষা'ত দাৰ্শনিক তত্ত্বৰ প্ৰগাঢ়তা, ভাষাৰ মধুৰতা আৰু ছন্দৰ প্ৰাঞ্জলতাৰ মাজতো মাধৱদেৱৰ দাস্য ভাবসিক্ত ভক্তিকাতৰ প্ৰাণৰ কৰুণ বিননি প্ৰতিধ্বনিত হৈছে আৰু এই কাৰুণ্যই 'নামঘোষা'ৰ সাহিত্যিক সৌন্দৰ্য্য বঢ়াইছে।

নামঘোষাত বিয়পি থকা আত্ম নিৱেদনৰ কাৰুণ্য আৰু বেদান্ত আৰু ভাগৱত তত্ত্ব আৰু ৰসে সমগ্ৰ পুথিখনি তিয়াই থৈছে। 'নামঘোষা'ৰ প্ৰতিটো স্তৱকেই চিৰস্মৰণীয় হৈ উঠিছে। অসমীয়া মানুহৰ বাবে জীৱনৰ আনন্দ আৰু বিষাদৰ প্ৰতিটো মুহূৰ্ততে নামঘোষা এনেভাৱে সংযুক্ত হৈ আছে যে নামঘোষা এৰি আমাৰ জীৱন চৰ্যা সম্পূৰ্ণ হৈ নুঠে। 'নামঘোষা' জন্মতো আছে, মৃত্যুতো আছে, সুখতো আছে, দুখতো আছে। ভক্তি বিগলিত হৃদয়ৰ মাধৱদেৱ সকলোৰে বাবে নামঘোষাত জীৱন্ত হৈ আছে।

বেদান্তৰ একোটা গভীৰ তত্ত্বক মাধৱদেৱে সবলীকৰণ কৰি তাক প্ৰতি স্তৱতেই ভক্তিৰসৰ ফালে প্ৰবাহিত কৰিছে। বেদান্তৰ একোটা সিদ্ধান্তক মাধৱদেৱে ভক্তি ৰসেৰে সংপৃক্ত কৰি সাধাৰণ জনগণৰ ওচৰত উপস্থাপন কৰিব পৰাৰ ক্ষেত্ৰত মাধৱদেৱ ভাৰতীয় ভক্ত কবিসকলৰ ভিতৰতেই অগ্ৰণী। কাৰণ নানক, ৰবিদাস, তুকাৰাম, দাদু আদি কবিসকলে গীতা, ভাগৱত বা উপনিষদৰ তত্ত্ব একোটাক তত্ত্ব হিচাপেই উপস্থাপন কৰিছিল। কিন্তু মাধৱদেৱে এই তত্ত্বক তত্ত্ব হিচাপে নাৰাখি কৃষ্ণ ভক্তিৰ আবেগেৰে ৰসসিক্ত কৰি তুলিলে।

নামঘোষাত মাধৱদেৱে মূল বিষয়ৰূপে কৃষ্ণক আধাৰ কৰি ভক্তিক প্ৰধান ভাবৰূপে লৈ বেদান্তৰ গভীৰ তত্ত্বক ভাগৱত পুৰাণৰ আদৰ্শৰে বিচিত্ৰ ভাৱে উপস্থাপিত কৰি নিজেই তাত সম্পূৰ্ণৰূপে নিমগ্ন হ'ব পৰাটোৱেই মাধৱদেৱৰ সাৰ্থকতা। নামঘোষাৰ আধাৰ কৃষ্ণ চৰিত্ৰ আৰু আধেয় কৃষ্ণভক্তি। নামঘোষাৰ বিষয়বস্তু আৰু ভাববস্তুলৈ দৃষ্টি দিলে কেইটামান দিশ দৃষ্টিগোচৰ হয়। প্ৰথমতে দেখা যায় মাধৱদেৱে কৃষ্ণভক্তি প্ৰকাশক বিভিন্ন পুৰাণ আৰু আন্যান্য ভক্তিবাদী গ্ৰন্থৰ পৰা উপযুক্ত শ্লোকসমূহ চয়ন কৰি নামঘোষা গ্ৰন্থখনি সজায় তুলিলে।

দ্বিতীয়তে, লক্ষ্য কৰা যায় যে ঘোষাছন্দ পৰ্যন্ত কৃষ্ণক আধাৰৰূপে লৈ যি বিষয়বস্তু উপস্থাপন কৰা হৈছে তাৰ অংগাংগীভাৱে ভক্তিৰ নিৰৱিচ্ছিন্ন প্ৰবাহ নামঘোষাৰ অন্যতম বিশেষত্ব। নামঘোষাৰ প্ৰতি ক্ষেত্ৰতেই প্ৰতিপাদ্য ভাৱ কৃষ্ণভক্তি প্ৰকাশিত হৈছে।

নামঘোষাৰ তৃতীয় তথা সৰ্বোপৰি গুৰুত্বপূৰ্ণ দিশটি হৈছে কৃষ্ণভক্তিতেই মাধৱদেৱৰ সমাধিৰূপ। ঘোষাছন্দৰ আগতে বিষয়বস্তু কৃষ্ণ ভাববস্তু ভক্তিত পৰিণত হৈছে। ঘোষাছন্দত এই বিষয়বস্তু আৰু ভাববস্তুৰ মিল ক্ৰমে ভক্তিৰসৰ পূৰ্ণতাৰ ফালে গতি কৰিছে আৰু পূৰ্ণভক্তিত পৰিণত হৈছে। মাধৱদেৱ নিজেও এই ভক্তিৰ মাজত বিলীন হৈ গৈছে। আন এক কথাত ঘোষাছন্দতেই মাধৱদেৱৰ সমাধি হোৱা যেন লাগে। এনেদৰে নিজকে ভগৱানৰ নামত সমাধিৰ প্ৰচেষ্টা লক্ষ্য কৰিয়েই নিশ্চয় বাণীকান্ত কাকতিয়ে নামঘোষা মাধৱদেৱৰ 'মহাপ্ৰস্থানিক গীত' বুলি অভিহিত কৰিছিল।

চতুৰ্থতে, নামঘোষাৰ যি কাকুতি সেয়া অতুলনীয়। মাধৱদেৱে ভগৱানৰ সেৱাৰ দ্বাৰা গাম্ভীৰ্যপূৰ্ণ আৰু বিচিত্ৰ ভাৱে ভাবক ভক্তিলৈ পৰিবেশিত কৰিলে। মুখত ভগৱানৰ গুণ নাম, হৃদয়ত তেওঁৰ পাদপদ্ম, ঐকান্তিক ভক্তি আৰু সেৱা মাধৱদেৱে ভগৱানৰ চৰণত নিজকে বিলীন কৰাৰ সৰ্বশ্ৰেষ্ঠ উদাহৰণ হ'ল 'কাকুতি'। অৱতাৰবাদ, ভগৱানৰ অনুগ্ৰহ, ভক্তিৰ শ্ৰেষ্ঠতা, গুৰু মাহাত্ম্য, নাম-মাহাত্ম্য, সৎসঙ্গ, দাস্যভক্তি, আত্ম নিৱেদন আদি বৈশিষ্ট্যৰে মহিমামণ্ডিত ভক্তি প্ৰতিপাদক গ্ৰন্থ নামঘোষা অসমীয়া জাতিৰ আপুৰুগীয়া সম্পদ। মাধৱদেৱে নামঘোষাৰ প্ৰথমতেই ৰসময়ী ভক্তিৰ কামনা কৰি মুক্তিত নিস্পৃহ ভকতকহে নমস্কাৰ জনাইছে। আৰাধ্য দেৱতা আৰু নিজ গুৰুক বন্দনা নকৰি ভকত বন্দনাৰ জৰিয়তে কাব্য আৰম্ভ কৰা ৰীতিৰ ক্ষেত্ৰত মাধৱদেৱ ভাৰতবৰ্ষৰ ভিতৰতে অদ্বিতীয়। ◗

সহায় লৈ

চকলং- আহোম সকলৰ বিবাহ পদ্ধতি

গীতিমণি বৰুৱা
স্নাতক পঞ্চম যান্মাসিক, অসমীয়া বিভাগ

সময়ে সবল কৰিব পৰা একমাত্ৰ বান্ধোন হৈছে বিবাহ। বিবাহ মানৱ সমাজৰ অনিবাৰ্য সংস্কাৰ আৰু পবিত্ৰ কৰ্ত্তব্য। লগতে বিবাহ হৈছে এক সামাজিক প্ৰথা। আহোম সকলৰ বিবাহ পদ্ধতিক 'চকলং' বুলি জনা যায়। টাই ভাষাত 'চকলং' মানে বিয়া। এই বিয়া আহোমসকলৰ বিশেষ বৈশিষ্ট্যপূৰ্ণ বৈবাহিক প্ৰথা য'ত আহোম পুৰোহিত, শাস্ত্ৰ আৰু টাই ভাষাৰ মাধ্যমেৰে অনুষ্ঠিত হয়।

কাৰোবাৰ ঘৰত চকুত লগা ছোৱালী দেখিলে বা কোনোবাই যোৰ মিলাই ছোৱালী দেখুৱালে কইনা ঘৰৰ মানুহক খা-খবৰ দি নিৰ্দ্ধাৰিত দিনত সোধনী ভাৰ পেলায়। কইনাৰ ঘৰলৈ যাওঁতে দৰাঘৰীয়া মানুহে হাঁহ-পাৰ, তামোল-পাণ, চাউল-পাতি, জা-জলপানৰ ভাৰ এখন লৈ যায়। ইয়াকে 'সোধনী ভাৰ' বোলে। উচিত মান-সৎকাৰ কৰাৰ পিছত সকলোৰে আগত ছোৱালী খোজা বঢ়া কৰা হয়। কইনা ঘৰৰ মানুহে মাননী লৈ ল'ৰাৰ বংশ মৰ্য্যদা আদিত কোনো আসোঁৱাহ নাপালে এটা নিৰ্দ্ধাৰিত দিনত ল'ৰাৰ ঘৰ চাবলৈ কথা দিয়ে। সেই মৰ্মে কইনাঘৰৰ জনদিয়েক মানুহ গৈ দৰাৰ ঘৰ দুৱাৰ চাই থৈ আহেগৈ। সেইদিনা দৰাঘৰীয়া মানুহে কইনাঘৰীয়া মানুহক হাঁহ-পাৰ মাৰি মাছ-মঙহেৰে সোধ-পোছ কৰে। ইয়াকে 'ঘৰ-চাৱনি' বোলে। ঘৰ চাৱনি খোৱাৰ দিনাই বিয়াৰ বন্দৱস্ত খাটাং কৰা হয়। সাধাৰণতে দৰা কইনাৰ বংশ মৰ্য্যদা আদি বিচাৰ কৰাৰ উপৰিও সোধন-পোছন, মান-সৎকাৰ, জা-জলপান, সম্বন্ধ বিচাৰ আদি তন্ন তন্নকৈ চায়।

সোধনী ভাৰ পেলোৱাৰ পিছত ঘৰ চাৱনি খাই উভয় ঘৰৰে বুজাবুজিৰ মাজত এটা দিন স্থিৰ কৰা হয়। এইদৰে দিন স্থিৰ হ'লে বিয়াৰ আগদিনা, বিয়াৰ দিনা পিন্ধিবলৈ এযোৰ উৎকৃষ্ট পোছাকৰ লগতে যাৱতীয় সমলেৰে আ-অলংকাৰ দিয়ে। জোৰোণ দিয়া অনুষ্ঠানটো বৈদিক পদ্ধতিৰ বিয়াৰ লগত মিল আছে যদিও টাই ভাষাৰে মন্ত্ৰ উচ্চাৰণ কৰা হয়। যেনে— "অ' ফ্ৰা' ম'-ফুক চকলং চি-চিম হাউটেম্'- অৰ্থাৎ 'হে পৰমেশ্বৰ, কাইলৈ হ'ব খোজা বিয়াৰ মংগল সাধন কৰা।'

জোৰোণৰ পৰা কইনা সম্প্ৰদানলৈকে টেকেলি দিয়া, দেওবান কৰা, মূৰত তেল দিয়া, গাঁঠিয়ন খুন্দা, ৰিক্‌খন কৰা, আপতাত কৰা, দৈয়ন দিয়া আদি ভালেমান অনুষ্ঠান পাৰ হৈ যাব লাগে। টেকেলি দিয়া, গাঁঠিয়ন খুন্দা, দৈয়ন দিয়া আদি বৈদিক

পদ্ধতিৰ বিয়াৰ সৈতে মিলে, কিন্তু বাকীকেইটা অনুষ্ঠান সম্পূৰ্ণ সুকীয়া আৰু আহোম পদ্ধতিৰ মতে হয়। বিয়াৰ আগদিনা আহোম দেৱতা লাংকুৰি, জান-চাই-হু, লাং-ৰোং, লৌডন্ আৰু জাছিংফাক পূজা কৰিব লাগে। তাকে দেওবান কৰা বোলে। দেওবান কৰিবলৈ দৰা ঘৰৰ পৰা কইনা ঘৰলৈ সাতোটা কলপটুৱাৰ টোপোলাত কটা তামোল পঠিয়াই দিয়ে। তাৰ উপৰি ১২ টা চাউল, লাও আৰু বাৰখন থুৰীয়া তামোল দি পুৰোহিত উপাসনা কৰে। দেওবান কৰাৰ পিছত ৰভাত বহুৱাই মূৰত তেল দিয়া হয়। দেওবানৰ আগদিনা আহোম পুৰোহিতে এখন জাকৈ, তামোপ-পাণ, কণী আৰু চাউল লৈ এখন নৈ, বিল বা পুখীৰীত খাওকান দেৱতাক পূজা কৰে। পূজাৰ অন্তত তিনিখেও জাকৈ মাৰে। মাছ উঠিলে সেই মাছ আনি দৰা কইনাক ৰান্ধি নামমাত্ৰ খুৱায়। তাকে ৰিক্‌খন কৰা বা আয়ুতোলা বোলে। এইদৰে সকলো বিপদ-আপদৰ পৰা ৰক্ষা পাবলৈ সৰ্বৌষধি মিশ্ৰিত পানী কটা মন্ত্ৰৰে জৰা পানীৰে গা ধুৱায়।

চকলং কৰিবলৈ তিনিদিন, পাঁচদিন, সাতদিন বা ন-দিনৰ আগৰে পৰা পানী তুলি নোৱাই-ধুৱায়। আগৰ দিনত দৰা ঘৰৰ পৰা কইনা ঘৰে ধন লোৱাৰ নিয়ম আছিল; কিন্তু চকলং কৰিবলৈ হলে দৰা ঘৰৰ পৰা কোনো ধনবস্তু গা-ধন হিচাপে নলৈছিল। চকলং বা সম্প্ৰদানৰ সময়ত কইনাৰ লগত যৌতুক হিচাপে দিব খোজা বস্তু বাহানি ৰভাৰ তলত সজাই থোৱা হয়।

চকলং কৰিবলৈ সাতোটা বৰণেৰে এখন মৰল সাজে। মৰলত এশ এটা ভাগ কৰে। এশ এটা ভাগত এশ এটা চাকি জ্বলায়। সেই চাকিৰপূৰ্ণ সন্মুখত বহি দৰা-কইনাই দাম্পত্য জীৱনৰ মন্ত্ৰ আৰু সংকল্প গ্ৰহণ কৰে। চকলং কৰিবলৈ এশ এপাহ ফুল থকা দুধাৰ মালা, তিনিখন থুৰীয়া তামোল, এখন গামোচা, এটা চাউল থকা দুণড়ী, দুখন মাইহাঙত আখৈ পৰমান্ন আৰু পঞ্চামৃত, দুযোৰ লোটা-চৰিয়া, তিনিডাল খৰিকা আৰু এখন হেংদাং লাগে।

এই চকলং বিয়াৰ সৈতে ৰজাঘৰৰ সাধাৰণ নিয়মৰ ব্যতিক্ৰম দেখা যায়। সাধাৰণতে কইনাৰ ঘৰত চকলং সম্প্ৰদান হয়; কিন্তু ৰজা বা ৰাজকোঁৱৰৰ বিয়া হলে ৰজাৰ ঘৰতহে বিয়া হয়।

বিয়াৰ তিনিদিনৰ দিনা কইনাঘৰৰ মানুহ দৰাঘৰলৈ যায় আৰু পাঁচদিনৰ দিনা দৰা-কইনা দুয়ো কইনাৰ মাকৰ ঘৰলৈ যায়। ইয়াকে 'ঘৰ উঠিবলৈ যোৱা' বুলি কয়। ঠিক সেইদৰে ন-দিন বা এঘাৰ দিনত পুনৰ কইনাঘৰৰ আৰু দৰাঘৰৰ মানুহ অহা-যোৱা কৰে। তাকে 'দোনাবলৈ যোৱা' বোলে।

বৰ্তমান সময়ত আহোম সম্প্ৰদায়ৰ সকলো মানুহে চকলং প্ৰথাৰে বিবাহ কাৰ্য্য সমাপন নকৰে। তথাপি পৰিবৰ্তনৰ বোৱতী সুঁতিৰ থিয় গৰাত থাকিও আহোমসকলে নিজৰ সুকীয়া বৈশিষ্ট্য চকলং প্ৰথা আজিও জীয়াই ৰাখিছে।▶▶

কৌতুক

আগৰদিনা স্কুলত শিক্ষকে ছাত্ৰ-ছাত্ৰীবোৰক শ্ৰেণীত 'বৰষুণ' নামৰ পাঠটি পঢ়াইছিল আৰু পিছদিনা প্ৰশ্ন সুধিম বুলি ক'লে। পিছদিনা শিক্ষকে শ্ৰেণী কোঠাত সোমাই টিকেন নামৰ ছাত্ৰজনক প্ৰশ্ন কৰিলে-

শিক্ষক - টিকেন, তয়ে কছোন।

টিকেন - কি ছাৰ?

শিক্ষক - বৰষুণ কাক বোলে?

টিকেন - বৰ চমু প্ৰশ্ন সুধিলে দেই আপুনি উত্তৰতো ভাতৰ লগত পানী খোৱাৰ গতে।

শিক্ষক - চুপতি নকৰ সোনকালে ক।

টিকেন - মেঘে চুমা খায়, বিজুলীয়ে হাঁহে, দুচকুৰে চকুপানী পৰে তাকে বৰষুণ বোলে।

ৰশ্মিৰেখা মিলি

স্নাতক পঞ্চম যান্মাসিক, ভূগোল বিভাগ

বিদেশী অনুপ্ৰৱেশকাৰী আৰু অসম

ভাগ্যশ্ৰী নেওগ
স্নাতক তৃতীয় ষাণ্মাসিক, অৰ্থনীতি বিভাগ

বিদেশী অনুপ্ৰবেশকাৰী বুলিলে বহিঃৰাষ্ট্ৰৰ পৰা অহা প্ৰবজনকাৰীসকলকে বুজায়। কুৰি শতিকাৰ প্ৰথম দশকৰ পৰা অসমলৈ বহিৰাগত বা অনুপ্ৰবেশকাৰীৰ সোঁত ক্ৰমে প্ৰবল হৈ আহিছিল। অসমলৈ অহা এই মানুহবিলাকৰ অধিক সংখ্যক আছিল এতিয়াৰ বাংলাদেশৰ। ভুমিহীন, দুখীয়া এই মুছলমান লোকসকলে প্ৰথমে খেতিৰ মাটি বিচাৰি অসমত প্ৰবেশ কৰিছিল। পাছত সুবিধা পাই তেওঁলোকে সমগ্ৰ অসমতে গজালি মেলি পৰিল।

কাৰ্লমাক্সে কৈছিল— "সমাজৰ সাংস্কৃতিক চিন্তাধাৰা আৰ্থিক পৰিস্থিতিৰ ওপৰত নিৰ্ভৰশীল।" এই উক্তিৰ ওপৰত ভিত্তি কৰি ক'ব পাৰি যে সংস্কৃতিয়ে প্ৰবজনৰ ধাৰা অনুসৰণ কৰে।

বাংলাদেশৰ পৰা অসমলৈ প্ৰবজনৰ কাৰণ বিশ্লেষণ কৰিলে দেখা যায় যে, প্ৰথমতে বাংলাদেশত কোনো উচ্চ পৰ্যায়ৰ শিক্ষা ব্যৱস্থা নাই, যাৰ বলেৰে তেওঁলোকে সেৱা খণ্ডত উপাৰ্জন কৰিব পাৰে। দ্বিতীয়তে তেওঁলোকৰ ওচৰত লো অথবা তেলৰ দৰে প্ৰাকৃতিক সম্পদ নাই যাৰ দ্বাৰা তেওঁলোকে নিৰ্মাণ খণ্ডত উপাৰ্জন বৃদ্ধি কৰিব পাৰে। বাকী থাকিল কৃষি খণ্ড, যি সৰ্বত্ৰে সংকুচিত হৈ আহিছে আৰু এই খণ্ডত উপাৰ্জন নিম্ন। প্ৰকৃতিয়েও যেন বাংলাদেশক কটাক্ষ কৰিছে। এই দেশৰ বৃহৎ অংশ নদীৰ ব-দ্বীপেৰে গঠিত। ভাৰতে নিৰ্মাণ কৰা তেহৰী, ফাৰাক্কা আদি বান্ধৰ দ্বাৰা গংগাকে আদি কৰি কেইবাখনো নদীৰ পানী আনফালে বোৱাই নিয়াৰ ফলত বাংলাদেশত নদীৰ সোঁত কমি গৈছে। সাগৰত পৰাৰ পৰিৱৰ্তে নদীত পলস জমা হৈ পৰিছে, ফলত বানপানীৰ প্ৰকোপ বাঢ়িছে। আনহাতে সাগৰৰ নিমখীয়া পানী খেতিপথাৰত সোমাই খেতি নষ্ট কৰিছে। এই ফালৰ পৰা ক'ব পাৰি যে ভাৰতে নদীৰ পানী ৰোধ কৰি বাংলাদেশক যি বিপদ নমাই দিছে তাৰেই পৰিণাম হৈছে বাংলাদেশৰ পৰা হোৱা জন প্ৰবজন।

অসমৰ এই বিদেশী প্ৰবজনৰ সমস্যা অতি গুৰুতৰ। কাৰণ বাংলাদেশে এই সকলক ওভতাই ল'বলৈ মান্তি নহয়। যদি ভাৰতে বিতাড়নৰ বাবে হেঁচা দিয়ে তেন্তে ইয়াৰ পৰিণাম ভয়াবহ হোৱাৰ সম্ভাৱনা বেছি। কাৰণ ভাৰত-বাংলাদেশ মৈত্ৰীত ব্যাঘাত জন্মিব ফলত পূব অংশৰ দীৰ্ঘ সীমান্তত এক শত্ৰুৰ জন্ম হ'ব।

অসমলৈ হোৱা অনুপ্ৰবেশৰ বিষয়ে চৰকাৰী তথ্য পাতিৰ পৰাও কিছু কথা অনুমান কৰিব পাৰি। ১৯৮১-৯১ৰ কালছোৱাত গোৱালপাৰা জিলাত মুছলমান মানুহৰ সংখ্যা আছিল জিলাখনৰ জনসংখ্যাৰ ১.৪ শতাংশ। ১৮৯১-১৯০১ চনত হয় ৩০ শতাংশ।

১৯১১ চনৰ পিয়ল মতে, কামৰূপ (অবিভক্ত) বৰপেটা মহকুমাত মুছলমান মানুহৰ সংখ্যা মহকুমাটোৰ মুঠ জনসংখ্যাৰ ৪৯ শতাংশ। তেনেদৰে নগাঁৱৰ টিং, লাহৰীঘাট, জুৰীয়া আৰু বকনি এই মৌজা কেইটাত ১৯২১-৩১ৰ কালচোৱাত জনসংখ্যাৰ বৃদ্ধি ঘটিছিল ২০০ শতাংশৰ পৰা ২৯৪ শতাংশ পৰ্যন্ত। কিন্তু সেই সময়ৰ বৃটিছ চৰকাৰে ৰাজহ বৃদ্ধিৰ আশাত প্ৰবজন ৰোধ কৰাৰ চেষ্টা কৰা নাছিল। কালক্ৰমত অসমত বিদেশী অনুপ্ৰবেশকাৰীয়ে ভয়ানক পৰিস্থিতিৰ সৃষ্টি কৰিছে। এইখিনি হ'ল দেশ স্বাধীন হোৱাৰ আগৰ ঘটনা। দেশে স্বাধীনতা লাভ কৰাৰ পাছতো অসমলৈ বিদেশী প্ৰবজনৰ সোঁত চলিয়েই থাকিল। তলত উল্লেখ কৰা পৰিসংখ্যালৈ চালেই ইয়াৰ স্পষ্ট ছবিখন দেখা যায়।

ভাৰত আৰু অসমত জনসংখ্যাৰ শতাংশৰ হাৰ ১৯৫১-২০১১ চনলৈকে তলত উল্লেখ কৰা হ'ল

	১৯৫১-৬১	১৯৬১-৭১	১৯৭১-৮১	১৯৮১-৯১	১৯৯১-২০০১	২০০১-২০১১
ভাৰত-	২১.৬৪	২৪.৮০	২৪.৬৬	৫৪.৪১	২১.৫৪	১৭.৬৪
অসম-	৩৪.৯৪	৩৪.৯৫	—	৫৩.২৬	১৮.৯২	১৬.৯২
ধুবুৰী-	৪৩.৭৪	৪৩.২৬	—	৪৫.৬৫	২২.৯৭	২৪.৪০
ধেমাজি -	৭৫.২১	১০৩.৪২	—	১০৭.৫	১৯.৪৫	২০.৩০
কাৰ্বি আংলং-	৬৮.২৮	—	৭৪.৪২	২২.৭২	১৮.৬৯	

লোকপিয়লৰ তথ্যলৈ চালে এই কথা অতি স্পষ্ট হৈ পৰে যে যি সময়ত ভাৰতবৰ্ষৰ বৃদ্ধিৰ হাৰ আছিল ২১.৬৪ শতাংশ অসমত আছিল ৩৪.৯৪ শতাংশ। ঠিক সেইদৰে ১৯৬১-৭১ দশকত সমগ্ৰ ভাৰতত বৃদ্ধিৰ হাৰ ২৪.৮০ শতাংশৰ বিপৰীতে অসমত ৩৪.৯৫ শতাংশ।

এইদৰে বিশ্লেষণ কৰিলে দেখা যায় যে অসমত এই অস্বাভাৱিক বৃদ্ধিৰ কাৰণ অবৈধ প্ৰব্ৰজনৰ বাহিৰে আন একো হ'ব নোৱাৰে। এনে প্ৰব্ৰজন সঁচাকৈ অসমৰ নিচিনা এখন ৰাজ্যৰ বাবে চিন্তাৰ কাৰণ। এনে শংকাই গঢ়ি তুলিছিল ১৯৭৮ চনৰ পৰা ১৯৮৫ চনলৈ ছবছৰীয়া অসম আন্দোলনৰ সময়ত যোৱা বছৰৰ জুলাই মাহত অসমৰ বি টি এ ডিত চলা হিংসাত্মক ঘটনাৰাজিও এই অবৈধ অনুপ্ৰবেশকাৰীৰ ফলতেই সৃষ্টি হোৱা।

এই প্ৰব্ৰজনে অসমৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক সকলো দিশতে প্ৰভাৱ পেলাইছে। যাৰ ফলত থলুৱা বা খিলঞ্জীয়া লোকসকলে ভীতিগ্ৰস্ত হ'ব লগাত পৰিছে। প্ৰধানকৈ এই অনুপ্ৰবেশকাৰীসকলে অসমক দুই ধৰণে মাৰাত্মক ক্ষতি কৰিছে। প্ৰথমতে অসমৰ জন গাঁথনিত বিস্তৰ পৰিৱৰ্তন ঘটিছে আৰু খিলঞ্জীয়াসকলৰ মাজলৈ অস্তিত্বৰ সংকট নামি আহিছে। অসমত অসমীয়া মুছলমনান শ্ৰেণীটোক সদায় বিদেশীৰ সন্দেহৰ আবৰ্তত ৰখাৰ ফলত অসমীয়া মুছলমান শ্ৰেণীটোৱে লাহে লাহে অস্তিত্বৰ সংকটত ভুগিবলৈ ধৰিছে। এই দুয়োটা কথাৰ সংমিশ্ৰণে অসমত এক বিশ্বাসৰ অভাৱৰ সৃষ্টি কৰিছে।

উনবিংশ শতিকাৰ প্ৰাক স্বাধীন কালত বৰ্তমান বড়ো অধিকৃত অঞ্চলবোৰলৈ বেংগল, বিহাৰৰ পৰা চাওতালসকলৰ একাংশৰ প্ৰব্ৰজন ঘটিছিল। তাৰ লগে লগে আহিছিল তদানিন্তন অবিভাজিত বেংগলৰ কৃষিজীৱি লোকসকল। বৃটিছ চৰকাৰে তেওঁলোকৰ স্বাৰ্থ পূৰণৰ বাবেই এই লোকসকলক কিছুমান এলেকাত সংস্থাপিত কৰিছিল। অসমত সস্তিয়া শ্ৰমৰ চাহিদা পূৰণ কৰিবলৈ এনে প্ৰব্ৰজন ঘটিছে। সঁচা কথা ক'বলৈ গ'লে অসমত বিদেশী শ্ৰমিকৰ চাহিদা আছে। "নোধোও গা ধুৱালি, নেখাওঁ ভাত খুৱালি, নিগিলো কি কৰ কৰ" বুলি ভাৱি থকা অসমীয়া মানসিকতাৰ পৰিৱৰ্তন কৰাৰ সময় হ'ল। প্ৰকৃতিয়ে মুক্ত মনে অসমৰ বুকুত বাকী দিছে অক্ষয় ভাণ্ডাৰ। কিন্তু অসমীয়াসকলৰ ধোদ স্বভাৱৰ বাবেই এই প্ৰাকৃতিক সম্পদসমূহ সঠিক ৰূপত ব্যৱহাৰ হোৱা নাই। অসমৰ সম্পদৰেই আন দেশে অসমতকৈ অধিক চহকী হৈছে। গতিকে যি জাতিয়ে আনৰ ওপৰত নিৰ্ভৰ কৰি উন্নতিৰ পথ বিচাৰে সি এফালে কিবা এটা লাভ কৰিলেও কিবা এটা এৰিবই লাগিব। অনুপ্ৰবেশৰ দ্বাৰা আৰ্থিক বিকাশত সহায় হ'লেও সামাজিক ৰাজনৈতিক ক্ষেত্ৰত মতানৈক্য বা বিভেদৰ সৃষ্টি হয়।

অসমত অবৈধ বাৱে অনুপ্ৰবেশ কৰা বিদেশী সমস্যাৰ সমাধানৰ ক্ষেত্ৰত আমি যি সকল বিদেশী ইতিমধ্যে অসমত প্ৰবেশ কৰিলে তেওঁলোকক জীণ নিয়াই আকোৱালী ল'ব লাগিব। দীৰ্ঘকালীন সমাধান হিচাপে ভৱিষ্যতে হ'ব পৰা অনুপ্ৰবেশ ৰোধ কৰাৰ নীতি প্ৰস্তুত কৰিব লাগিব। কাঁইটীয়া তাৰেৰে সমস্যাৰ সমাধান নহয় যদিহে বাংলাদেশৰ আৰ্থিক বিকাশ নহয়। আৰ্থিক দিশত বিকশিত হ'লেহে তেওঁলোকে নিজ দেশৰ পৰা আহিবলৈ ইচ্ছা নকৰিব। অসমৰো বহু সংখ্যক যুৱক-যুৱতীয়ে অফুৰন্ত উপাৰ্জনৰ সম্ভাৱনা থকা স্বত্বেও উপাৰ্জনৰ পথ বিচাৰে বহিঃৰাজ্যলৈ ঢাপলি মেলা দেখা গৈছে। ফলত অসমত উন্নয়ন স্তব্ধ হোৱাৰ উপৰিও বিদেশীয়ে সহজে প্ৰবেশৰ এক সুৰুঙা পাব। সেয়ে এই সকল যুৱক-যুৱতীয়ে অসমতে থকা সম্পদৰ সঠিক ৰূপত ব্যৱহাৰ কৰি নিজৰ উপাৰ্জনৰ পথ প্ৰশস্ত কৰাৰ লগতে অসমক বিদেশী অনুপ্ৰবেশৰ সমস্যা আদিৰ পৰা ৰক্ষা কৰা উচিত। এই ক্ষেত্ৰত চৰকাৰৰ সদিচ্ছাৰো নিতান্তই প্ৰয়োজন। সকলো সমস্যাৰে সমাধান আছে। ৰাইজে নখ জোকাৰিলে নৈ বয় বুলি এষাৰ কথা আছে। চৰকাৰৰ সদিচ্ছাৰ লগতে ৰাইজৰ সমন্বয় আৰু সামুহিক প্ৰচেষ্টাৰ দ্বাৰা এই বিদেশী অনুপ্ৰবেশৰ সমস্যাৰ সমাধান সুনিশ্চিত। লাগে মাথো মনোবল, উৎসাহ, উদ্দীপনা, প্ৰেৰণা। অসমলৈ ভগনীয়াৰ সোঁত বন্ধ কৰি ভূমিহীন কৃষকৰ মাজত বৰ্তমান যিকণ ৰাহি মাটি আছে তাক সুস্থ আৰু দৃঢ় নীতিৰে ভগাই দিলে নিশ্চয় খাদ্য সংকটকে ধৰি বহুতো সমস্যা সমাধান হ'ব। প্ৰৱল ইচ্ছাশক্তিৰ আগত কোনো কাম পৰি থাকিব নোৱাৰে। গতিকে ৰাইজে আৰু চৰকাৰ এনেভাৱে ওলাই আহক, প্ৰয়োজন হ'লে-"আকৌ এবাৰ ৰঙা কৰি মৰো লুইতৰে বগা পানী"। লক্ষ্য সাধনত দৃঢ়তা থাকিলে ব্যৰ্থতা আহিব নোৱাৰে। গতিকে সকলো অসমীয়া ওলাই আহক বৰ্তমান ৰঘুমলাৰ দৰে বাঢ়ি অহা এই অনুপ্ৰবেশৰ সমস্যা ৰোধ কৰি জননীক পুজিবলৈ, মাতৃ মন্দিৰৰ পূজাৰ বেদীত পুণৰ-

"বাজক ডবা, বাজক শংখ, বাজক মৃদং-খোল,
অসম আকৌ উন্নতিৰ পথত, জয় আই অসম বোল"

(প্ৰবন্ধ প্ৰতিযোগিতাত পুৰস্কাৰ প্ৰাপ্ত)

সাম্প্ৰতিক অসমীয়া সমাজত শিশু গ্ৰন্থাগাৰৰ প্ৰয়োজনীয়তা আৰু আমাৰ কৰণীয়

অভিজিত বৰপূজাৰী
গ্ৰন্থাগাৰিক, শিৱসাগৰ ছোৱালী কলেজ

অৱতৰণিকা

সমাজ এখনৰ উন্নয়নৰ ক্ষেত্ৰত এক উপযুক্ত বাতাবৰণ সৃষ্টি কৰাটো সামাজিক অনুষ্ঠান হিচাপে গ্ৰন্থাগাৰসমূহৰ এক অন্যতম দায়িত্ব হিচাপে পৰিগণিত হৈছে। সাম্প্ৰতিক অসমীয়া সমাজ ব্যৱস্থাত এনে এক সামাজিক দায়িত্ব হ'ল বৰ্তমানৰ শিশুসকলক উপযুক্ত বাবে জ্ঞানৰ পোহৰ দেখুৱাই ভৱিষ্যতৰ সু-নাগৰিকৰূপে গঢ় দিয়াটো। এই ক্ষেত্ৰত অভিভাৱক, বিদ্যালয় আদিৰ লগতে এক উপযুক্ত ভূমিকা গ্ৰহণ কৰিব পৰা অনুষ্ঠান হৈছে গ্ৰন্থাগাৰ বা শিশু পুথিভঁৰাল। এই অনুষ্ঠানৰ সঠিক ৰূপায়ণৰ দ্বাৰা শিশুসকলৰ মাজত সৃষ্টি হোৱা বিশৃংখল বাতাবৰণ শৃংখলিত কৰাৰ লগতে শিশুসকলৰ বৌদ্ধিক বিকাশত প্ৰভুত অৰিহনা যোগায়। সমাজত সুস্থ পৰিবেশ এটা গঢ় দিয়াৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিব পাৰে।

শিশু গ্ৰন্থাগাৰ কি

সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ অধ্যয়ন স্পৃহা পূৰণ কৰিবৰ বাবে বিভিন্ন প্ৰকাৰৰ গ্ৰন্থাগাৰ ব্যৱস্থা থকা দেখা যায়। আজিৰ শিশু কাইলৈৰ নাগৰিক। গতিকে শিশুসকলৰ বৌদ্ধিক বিকাশৰ বাবে এনে এক অনুষ্ঠান হ'ল শিশু গ্ৰন্থাগাৰ য'ত শিশুসকলে তেওঁলোকৰ অৱসৰৰ সময়খিনি উপযুক্ত ব্যৱহাৰ কৰিব পাৰে বিভিন্ন শিশু উপযোগী গ্ৰন্থ অধ্যয়ন আৰু বিভিন্ন খেলা ধূলাৰ জৰিয়তে। এনেধৰণৰ গ্ৰান্থাগাৰ কেৱল শিশুসকলৰ বাবেহে সংৰক্ষিত হয়।

শিশু গ্ৰন্থাগাৰৰ ইতিহাস

বিশ্ব ইতিহাসত শিশু গ্ৰন্থাগাৰৰ অস্তিত্ব বহু দিনৰ আগয়েই পোৱা গৈছিল। ১৮৯০ চনতে আমেৰিকাৰ পাবলিক লাইব্ৰেৰী ব্যৱস্থাত শিশুসকলৰ বাবে এটা সুকীয়া শাখা ৰখা হৈছিল। ১৮৯৫ চনত শিশুৰ বাবে বিশেষ এটি কোঠালী নিৰ্মাণ কৰি গ্ৰন্থাগাৰৰ ব্যৱস্থা কৰা হয়। ১৯০১ চনত শিশু গ্ৰন্থাগাৰৰ বাবে উপযুক্ত হোৱাকৈ শিশু গ্ৰন্থাগাৰিকৰ প্ৰশিক্ষণ দিয়াৰো ব্যৱস্থা কৰা হৈছিল। ইয়াৰ পৰৱৰ্তী কালত আমেৰিকাত ১৯৪১ চনত প্ৰথম চিলড্ৰেন লাইব্ৰেৰী এছচিয়েছন বুলি শিশুৰ বাবে উপযোগী হোৱাকৈ গ্ৰন্থাগাৰৰ মাজতে এটি বিভাগ হিচাপে গঠন কৰা হৈছিল যিটো ১৯৫৮ চনত চিলড্ৰেন চাৰ্ভিছ ডিভিজন অৱ দি আমেৰিকান লাইব্ৰেৰী এছচিয়েছন নামেৰে জনাজাত হয়। পুনৰ ১৯৭৭ চনত ইয়াৰ নামৰ পৰা চিলড্ৰেন চাৰ্ভিছ ডিভিজন শব্দ বাদ দি এছচিয়েছন ফৰ লাইব্ৰেৰী চাৰ্ভিছ টু চিলড্ৰেন ৰখা হৈছিল। যদিও পুনৰ ১৯৫৮ চনৰ নামটোকেই বাহাল ৰখা হয় আৰু বৰ্তমানেও এই নামেৰেই জনা যায়। ইউৰোপৰ দেশ সমূহৰভিতৰত শিশু গ্ৰন্থাগাৰৰ প্ৰথম প্ৰভাৱ পৰিছিল ১৯২০ চনত ব্ৰুছেলচ আৰু পেৰিছ চহৰত। বৰ্তমান অৱস্থাত কেইটামান উল্লেখযোগ্য শিশু লাইব্ৰেৰী হ'ল— International Youth Library in Munich, L'Heure Joyeuse in Paris, and the Library of the Children's Book Trust in New Delhi ৰাষ্ট্ৰসংঘৰ ইউনেস্কই এইক্ষেত্ৰত এক অগ্ৰণী ভূমিকা গ্ৰহণ কৰা দেখা যায়।

ভাৰতততো ১৯৫৭ চনত গঠন হোৱা নতুন দিল্লীৰ লাইব্ৰেৰী অৱ দি চিলড্ৰেনছ বুক ট্ৰাষ্টে শিশু গ্ৰন্থাগাৰৰ ক্ষেত্ৰত নৱজাগৰণৰ সূচনা কৰিছিল। ইয়াৰেই পটভূমিত ১৯৬৭ চনত ভাৰতৰ প্ৰখ্যাত কাৰ্টুনিষ্ট কে. শঙ্কৰ পিল্লাইৰ নেতৃত্বত গঠিত হোৱা ড.বি.চি. ৰয় চিলড্ৰেনচ ৰিডিং ৰুম এণ্ড লাইব্ৰেৰী ভাৰতৰ সৰ্ববৃহৎ শিশু গ্ৰন্থাগাৰৰূপে বিবেচিত হৈ আহিছে। ১৯৭২ চনত গঠন হোৱা

ৰাজা ৰামমোহন ৰায় লাইব্ৰেৰী ফাউণ্ডেছনৰ অধীনত শিশু গ্ৰন্থাগাৰৰ প্ৰতি সহায় আগবঢ়াবৰ বাবে ৰাজহুৱা গ্ৰন্থাগাৰ বিলাকৰ অধীনত শিশুৰ বাবে এটি সুকীয়া শাখা ৰখাৰ প্ৰস্তাৱ দিয়া হয়। চিলড্ৰেন বুক ট্ৰাষ্টে বৰ্তমানেও শিশু গ্ৰন্থ প্ৰকাশ আৰু শিশু গ্ৰন্থাগাৰৰ চাহিদা পূৰণ কৰাৰ ক্ষেত্ৰত অন্যতম অনুষ্ঠান হিচাপে ভূমিকা পালন কৰি আহিছে।

অসমত ১৯৮৭ চনত গুৱাহাটীৰ লতাশিলত অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিৰ বাসভৱনত এটি শিশু গ্ৰন্থাগাৰ গঢ়ি তোলা হয়। যাৰ নাম বিষ্ণু নিৰ্মলা শিশু গ্ৰন্থাগাৰ ৰখা হয়। গ্ৰন্থাগাৰটিত অসমীয়া, ইংৰাজী, আৰু হিন্দী ভাষাৰ প্ৰায় আঠ হেজাৰতকৈও অধিক গ্ৰন্থ মজুত আছে আৰু ইয়াত পঞ্জীয়ন কৰা শিশুৰ সংখ্যা দুই হেজাৰতকৈও অধিক।

শিশু গ্ৰন্থাগাৰৰ প্ৰয়োজনীয়তা

অৱসৰ বিনোদনৰ বাবে বৰ্তমানৰ সমাজখনত বিভিন্ন মাধ্যমৰ বিভিন্ন কাৰ্য্যসূচী আছে। কিন্তু বেছি ভাগৰে উদ্দেশ্য ব্যৱসায়িক। ব্যৱসায়িক মুনাফা লাভৰ বাবেই চলোৱা প্ৰচাৰ সমূহে যিদৰে জনপ্ৰিয়তা অৰ্জন কৰিছে, তেনেদৰে সমাজখনকো অপসংস্কৃতিৰ গ্ৰাসলৈ ঠেলি দিছে। মাদক দ্ৰব্য সেৱন, বিভিন্ন মাধ্যমৰ দ্বাৰা প্ৰচাৰ হোৱা নগ্নতাৰে ভৰা বিজ্ঞাপন, হত্যা, ধৰ্ষণ, লুণ্ঠন আদিৰ মুক্ত পৰিবেশনে নতুন প্ৰজন্মৰ বহুতকে অনৈতিক দিশৰ ফালে গতি কৰাত সহায় কৰিছে। ইয়াৰ বাবে কৰণীয় হিচাপে উঠি অহা কণ কণ শিশুসকলক অৱসৰ বিনোদনৰ উপযুক্ত ব্যৱস্থা কৰি দিব পাৰিলে নিশ্চয় এনে ধৰণৰ অপৰাধ প্ৰৱণতাৰ পৰা নতুন প্ৰজন্মৰ লগতে সমাজখনকো অপৰাধমুক্ত কৰি তুলিব পৰা যায়। এই ক্ষেত্ৰত শিশুৰ অৱসৰ বিনোদনৰ উত্তম আহিলাৰূপে আমি গ্ৰন্থাগাৰকেই ব্যৱহাৰ কৰিব পাৰো। শিশুসকলৰ মাজত গ্ৰন্থ অধ্যয়নৰ অভ্যাস গঢ়ি তোলাটো আমাৰ কৰ্ত্তব্য। গ্ৰন্থৰ পৃথিৱীখনৰ মাজত সোমাই পৰাৰ লগে লগে শিশুসকলে অন্যান্য সক্তিয়া মাধ্যম বিলাকৰ পৰা আঁতৰি আহিব। ফলত তেওঁলোকৰ মনৰ পৰাও অপৰাধ প্ৰৱণতা নোহোৱা হৈ পৰিব আৰু এখন সুস্থ সমাজ গঢ়াত সহায়ক হ'ব।

আজি কালি প্ৰায়েই দেখা পোৱা যায় যে বিদ্যালয়, মহাবিদ্যালয় পৰ্যায়ত ছাত্ৰ-ছাত্ৰী সমূহৰ মাজত পঠন অভ্যাস গঢ়ি নুঠে। ইয়াৰ অন্যতম কাৰক হিচাপে আমি চিহ্নিত কৰিব পাৰো যে প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়ত কোনো ধৰণৰ গ্ৰন্থাগাৰ সেৱা ছাত্ৰ-ছাত্ৰসকলৰ প্ৰতি আগবঢ়োৱা নহয়। ফল স্বৰূপে গ্ৰন্থ অধ্যয়ন সম্পৰ্কে তেওঁলোক অজ্ঞ হৈয়ে থাকে ফলত মহাবিদ্যালয় পৰ্যায়ত বিভিন্ন অসুবিধাৰ সন্মুখীন হয়গৈ।

আমাৰ সমাজ ব্যৱস্থাত পুৰণি যৌথ পৰিয়ালৰ পৰিবৰ্তে সৰু সৰু পৰিয়ালহে দেখিবলৈ পোৱা যায় বিশেষকৈ চহৰ অঞ্চলত। এনে পৰিয়াল মাক দেউতাক আৰু এটি বা দুটি সন্তানৰ মাজতেই আৱদ্ধ। ই সমাজৰ বাবে শুভ লক্ষণ যদিও শিশুসকলক কেৱল ঘৰৰ ভিতৰতে আৱদ্ধ কৰি ৰখাৰ প্ৰৱণতাও বহু অভিভাৱকৰ মাজত দেখা পোৱা যায় ই অশুভ লক্ষণ। বন্ধ কোঠাৰ মাজত কেৱল কাৰ্টুন আৰু ভিডিঅ' গেমছৰ মাজত আৱদ্ধ থকা শিশুসকলৰ মানসিক উৎকৰ্ষ সাধন নহয়। তেওঁলোকৰ বাবে প্ৰয়োজন এখন বহল মঞ্চৰ য'ত তেওঁলোকৰ মানসিক উৎকৰ্ষ সাধন হ'ব পাৰে। শিশু গ্ৰন্থাগাৰে তেওঁলোকক এই সুবিধা প্ৰদান কৰিব পাৰে। শিশুৰ বাবে গঢ় লোৱা শিশু গ্ৰন্থাগাৰ সমূহে শিশুসকলক বন্ধ কোঠাৰ পৰা উলিয়াই আনি চকুৰ আগৰ বহল পৃথিৱীখনৰ লগত পৰিচয় কৰাই দিব পাৰে।

অভিভাৱকৰ কৰ্ত্তব্য

অভিভাৱকসকলে শিশুৰ জ্ঞান বৰ্দ্ধনৰ কাৰণে গ্ৰন্থ অধ্যয়নৰ লগতে শিশুহঁতৰ বৌদ্ধিক উৎকৰ্ষ সাধনৰ কাৰণে পালন কৰিবলগীয়া কৰ্ত্তব্যৰ পৰা আঁতৰি থাকিব নালাগিব। তেওঁলোকৰ বাবে প্ৰয়োজনীয় বিভিন্ন দিশসমূহৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। শিশুৰ বাবে ঘৰখনত এটি অধ্যয়নৰ পৰিবেশ গঢ়ি তুলিব পৰাকৈ সৰু হলেও এটি পুথিভঁৰালৰ ব্যৱস্থা কৰিব পাৰিলে ভাল। শিশুৰ বাবে বিশেষ ভাবে প্ৰস্তুত কৰা শিশু গ্ৰন্থাগাৰ সমূহলৈ নিয়মিত ভাবে শিশুসকলক অহাৰ সুবিধা কৰি দিব লাগে। অন্যান্য খেলা-ধূলা, নৃত্য-গীত আদিলৈ যোৱাৰ দৰে গ্ৰন্থাগাৰলৈ অহাটোও শিশুৰ বাবে এটি অভ্যাসত পৰিণত কৰিব লাগে। শিশু গ্ৰন্থাগাৰসমূহে মাজে সময়ে শিশুসকলৰ বাবে বিভিন্ন ধৰণৰ নৃত্য-গীত সাহিত্য সংস্কৃতিমুলক প্ৰতিযোগিতা আদিৰ আয়োজন কৰে। এনে ধৰণৰ প্ৰতিযোগিতা সমূহত ভাগ লবলৈ শিশুসকলক উৎসাহ যোগোৱাৰ লগতে মানসিক ভাবেও প্ৰস্তুত কৰি তুলিব লাগে। মুঠতে দেখা যায় যে অভিভাৱকসকলৰ সচেতনতা অবিহনে শিশু গ্ৰন্থাগাৰসমূহ বৰ্তি থকাটো যথেষ্ট কষ্টসাধ্য হয়।

গ্ৰন্থাগাৰৰ দায়িত্ব

শিশুসকলক মানসিক আৰু বৌদ্ধিক ভাবে বিকশিত কৰি তুলিবৰ বেলিকা গ্ৰন্থাগাৰসমূহে বহু উল্লেখনীয় ভূমিকা গ্ৰহণ কৰা

উচিত। অঞ্চল ভিত্তিত জৰীপ কৰি যি সমূহ অঞ্চলত শিশুৰ সংখ্যা অধিক হয় সেই অঞ্চলসমূহত শিশুৰ বাবে উপযোগী গ্ৰন্থাগাৰ গঢ়ি তুলিব লাগে। শিশুৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি শিশু উপযোগী পঠন সামগ্ৰী আৰু দৃশ্য শ্ৰাব্য বিভিন্ন আহিলা সম্বলিত কৰি শিশু গ্ৰন্থাগাৰ সমূহ অধিক আকৰ্ষণীয় কৰি তুলিব লাগে। গ্ৰন্থৰ লগতে শিশুসকল খেলা ধূলাৰ প্ৰতি বিশেষভাবে আগ্ৰহী হয়। গতিকে এনে গ্ৰন্থাগাৰসমূহত শিশুৰ বাবে পৰ্যাপ্ত খেলা ধূলাৰ সামগ্ৰী মজুত ৰাখিব লাগে। শিশুসকল যথেষ্ট সংবেদনশীল হোৱা দেখা যায়। সেয়েহে গ্ৰন্থাগাৰ কৰ্মীসকলে শিশুসকলৰ প্ৰতি যথেষ্ট মৰমীয়াল হোৱাটো দৰকাৰ। শিশুসকলে বিভিন্ন সময়ত প্ৰয়োজনীয় সামগ্ৰী নষ্টও কৰিব পাৰে তাৰ প্ৰতি গ্ৰন্থাগাৰ কৰ্মীসকলে যথেষ্ট সাৱধানতা অৱলম্বন কৰিব লাগে আৰু কোনো শিশুৱে যদি তেনে কাম কৰেও তেওঁলোকে দাবী হুমকিৰ পৰিৱৰ্তে মৰমেৰে বুজাই দিব লাগে যাতে ভৱিষ্যতে তেনে কাম কৰাৰ পৰা বিৰত থাকে। প্ৰথম অৱস্থাত শিশুসকল গ্ৰন্থৰ প্ৰতি আগ্ৰহী নহ'ব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। এবাৰ গ্ৰন্থাগাৰলৈ অহা শিশু যাতে পুণঃ পুণঃ গ্ৰন্থাগাৰলৈ আহে তাক সুনিশ্চিত কৰাটো গ্ৰন্থাগাৰিক তথা গ্ৰন্থাগাৰ কৰ্মীসকলৰ দায়িত্ব। শিশু গ্ৰন্থাগাৰৰ গ্ৰন্থাগাৰিকজনে শিশুসকলৰ অভিভাৱক, বন্ধু, দাৰ্শনিক তথা পথ প্ৰদৰ্শকৰূপে কাম কৰিব লাগে। খেল ধেমালি, নৃত্য গীত, চিত্ৰাংকন, নাট আদিত ৰাপ থকা শিশুসকলক তেওঁলোকৰ মেধা বিকাশ আৰু প্ৰকাশৰ ক্ষেত্ৰত পৰ্যাপ্ত সুবিধা কৰি দিয়াটো গ্ৰন্থাগাৰৰ কৰ্ত্তব্য। বিভিন্ন শিক্ষামূলক অনুষ্ঠানৰ লগতে মনোৰঞ্জনৰ অনুষ্ঠানো আয়োজন কৰি শিশুসকলক শিশুসকলৰ প্ৰতিভা বিকাশৰ পূৰ্ণ সুযোগ দিয়াটো দৰকাৰ। মহান মনিষীসকলৰ জন্ম দিৱস, মৃত্যু দিৱস, যেনে— গান্ধী জয়ন্তী, শিশু দিৱস, শিক্ষক দিৱস আদিৰ আয়োজন কৰি শিশুসকলক তেওঁলোকৰ ত্যাগ আৰু আদৰ্শৰে উদ্বুদ্ধ হৈ এক সঠিক পথত আগবাঢ়ি যাবলৈ অনুপ্ৰেৰণা দিয়াটো গ্ৰন্থাগাৰৰ অন্যতম কৰ্ত্তব্য হ'ব পাৰে। আধুনিক প্ৰযুক্তি বিদ্যা আৰু কৰিকৰী কৌশল প্ৰয়োগৰ দ্বাৰা শিশুসকলক অত্যাধুনিক পঠন সামগ্ৰী যোগান ধৰিব লাগে। ইণ্টাৰনেট আৰু ছেটেলাইটৰ দ্বাৰা কেনেকৈ অধিক তথ্য সংগ্ৰহ কৰিব লাগে তাৰ কৌশলো শিশুসকলক গ্ৰন্থাগাৰতেই প্ৰদান কৰিব পৰা যায়। আজি কালিৰ শিশুসকলৰ কাৰিকৰী দিশত যথেষ্ট আগৰণুৱা হোৱাটো পৰিলক্ষিত হয়। গতিকে তেনে শিশুৱে এনে ধৰণৰ জ্ঞান আয়ত্ব কৰি ল'বলৈ যথেষ্ট সময় নালাগে। লাগে মাথো উপযুক্ত নিৰ্দেশনা। আৰু এই দায়িত্ব গ্ৰন্থাগাৰে সুকলমে পালন কৰিব পাৰে। প্ৰয়োজন সাপেক্ষে শিশু গ্ৰন্থাগাৰৰ লগত জড়িত গ্ৰন্থাগাৰিক তথা গ্ৰন্থাগাৰৰ কৰ্মীসকলৰ উপযুক্ত প্ৰশিক্ষণ দিব পাৰিলে সুফল পোৱা যাব বুলি আশা কৰিব পাৰি।

সামৰণি

আজিৰ শিশুসকল কাইলৈ দেশৰ একো একোজন দায়িত্বশীল নাগৰিক হ'ব। এই শিশুসকলক শিশু অৱস্থাৰে পৰা এক উপযুক্ত বাতাবৰণৰ মাজেৰে আগবঢ়াই লৈ যোৱাতো আমাৰ সকলোৰে দায়িত্ব। শিশুসকলক নিজৰ সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধাশীল কৰি গঢ়ি তুলিব লাগিব। এই ক্ষেত্ৰত গ্ৰন্থাগাৰ তথা এনেধৰণৰ অনুষ্ঠানসমূহে এক মাধ্যম হিচাপে কাম কৰে। প্ৰকৃত দায়িত্ব পালন কৰিব লাগিব অভিভাৱকসকলেহে। অভিভাৱকসকলে নিজ নিজ সন্তানক গ্ৰন্থ অধ্যয়নৰ প্ৰতি উদ্বুদ্ধ কৰিব লাগিব। অনাহকত সময় নষ্ট কৰিবলৈ নিদি প্ৰয়োজনীয় কামত মনোনিবেশ কৰিবলৈ শিশু অৱস্থাৰে পৰা অভ্যাস গঢ়ি তুলিব লাগে। এখন কাৰ্টুন ছবি চোৱাতকৈ এখন চিত্ৰ আঁকিবলৈ শিকাটোহে অতিশয় গুৰুত্বপূৰ্ণ। এনেদৰে সকলো শ্ৰেণীৰ ব্যক্তিয়ে শিশুসকলৰ প্ৰতি ইতিবাচক দৃষ্টিভঙ্গী লৈ আগবাঢ়িলে সমাজখন সৰ্বাঙ্গসুন্দৰ হৈ পৰিব।

সহায়ক গ্ৰন্থ ঃ

গ্ৰন্থাগাৰ বিজ্ঞানৰ ৰূপৰেখা ঃ ডেকা, অনিল, পৃষ্ঠা - ২৬-২৭, ৫১-৫২
এ.এল.এ. হেম্‌ডবুক ১৯৪৮
বাৰাউৱা ৰিপৰ্ট ১৯৯৪, পৃঃ ৬৫-৬৬

মানৱ সমাজত নাৰীৰ মৰ্য্যদা

কংকনা দত্ত
স্নাতক পঞ্চম ষাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

মানৱ সমাজ ব্যৱস্থাৰ আদি ছোৱাৰ পৰাই নাৰী আৰু পুৰুষৰ সহঅৱস্থানে সমাজ একোখন সু-শৃংখল, সমৃদ্ধিশালী কৰি আহিছে। শাৰীৰিক গঠনত নাৰী পুৰুষৰ ভিন্নতা বিদ্যমান যদিও পুৰুষৰ পুৰুষসুলভ গুণক মৰ্য্যদাৰে উন্নতিৰ দিশত আগুৱাই নিয়াৰ ক্ষেত্ৰত নাৰীৰ কমনীয়তা, সহনশীলতা শক্তি হ'ল মুখ্য নিৰ্ণায়ক বা উপাদান। আমাৰ পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাত বৰ্তমান সুময়ত নাৰীসকলে এই দায়িত্বৰ বিনিময়ত যথাযোগ্য সন্মানৰ পৰা বঞ্চিত হৈছে। পৰিবৰ্তে নাৰীয়ে লাভ কৰে অসহনীয় যান্ত্ৰণা, অমানৱীয় অত্যাচাৰ।

আমাৰ সমাজত এটি কন্যা শিশুৱে জন্ম লোৱাৰ অধিকাৰো যেন নাই। ফুটফুটীয়া ফ্ৰক পিন্ধি, তিৰবিৰাই থকা চকু মেলি মাতৃৰ কোলা শুৱনি কৰা ভ্ৰূণটো ধ্বংস কৰি দিয়া হয়। কাৰণ কোনেও তাইৰ যৌতুকৰ বোজা ল'ব নিবিচাৰে। কিন্তু ফলপ্ৰাপ্তিৰ বাবে বিপদত তেওঁলোকেই দেৱীৰ আগত মূৰ দোঁৱায়।

নাৰীৰ দুৰ্বলতা নাৰীৰ সৃষ্ট নহয়। অতীজৰ পৰা বিভিন্ন সামাজিক, সাংসাৰিক আৰু ধৰ্মীয় ৰীতি-নীতিৰ শিকলি পিন্ধাই নাৰীক দুৰ্বল ৰূপে গঢ়ি তোলা হৈছে। অকল বৰ্তমান সময়ত নহয়, ইতিহাস সাক্ষী আছে নাৰীৰ প্ৰতি সদায়ে কৰা অত্যাচাৰ, প্ৰতাৰণাৰ। সীতাদেৱী, ৰাধা, জয়মতী, আইদেউ সন্দিকৈ আদি বহুতো নাৰী এনে কাৰ্য্যৰ সাক্ষী। মৃত স্বামীৰ চিতাত সতীত্ব লাভৰ বাবে জীৱন্তে পত্নীক তুলি দিয়া হয়, যৌতুক অবিহনে নাৰীক কইনা সজোৱা নহয়।

কিন্তু, এতিয়া সময় সলনি হৈছে। বহুতো নাৰীয়ে নিজৰ শক্তি অনুধাৱন কৰি আগবাঢ়ি আহিছে। ৮ মাৰ্চত বিশ্ব নাৰী দিৱস হিচাপে উদ্‌যাপন কৰি নাৰী শক্তিক সোঁৱৰাই দিয়া হয়— তোমালোক মহান, তোমালোক শ্ৰদ্ধাৰ পাত্ৰী। কিন্তু প্ৰকৃতাৰ্থত আজিও বহুতো নাৰীক বহু ক্ষেত্ৰত তেনে স্থান দিবলৈ সমাজখন আগ্ৰহী নহয়। নাৰী আজিও নিৰাপদ নহয়। ডাইনীৰ অভিযোগত অভিযুক্ত।

ইছলাম ধৰ্মৰ কিছুমান নীতি নিয়মৰ বিৰুদ্ধে মাত মতাৰ কাৰণে তছলিমা নাছৰিন বাৰে বাৰে মৌলবাদীৰ ৰোষত পৰিছে। এটা যুগ একেৰাহে অনশনত ব্ৰতী হোৱা ইৰম শৰ্মিলা বিশ্বত আজিও সমাদৃত নহয়।

ধৈৰ্য্য নাৰীৰ এক অন্যতম গুণ। কিন্তু প্ৰাপ্য খিনিৰ বাবে ধৈৰ্য্যৰে অপেক্ষা কৰাৰ পৰিবৰ্তে নাৰী সমাজ একগোট হৈ সমাজ পৰিবৰ্তনৰ জোৱাৰ অনাৰ সময় আহি পৰিছে। কাৰণ, বৰ্তমান সময়ত নানা দেশত নাৰীৰ সংখ্যা যি চিন্তনীয় ভাৱে কমি আহিছে, এনেদৰে থাকিলে এদিন হয়তো নাৰী দিৱস উদযাপন কৰিবলৈও নাৰী নাথাকিবগৈ।

মনু সংহিতাৰ তৃতীয় অধ্যায়ত ৫৬ নং শ্লোকত উল্লেখ আছে—

"যত্ৰ নাযস্ত্ৰ পূজ্যন্তে ৰমন্তে তত্ৰ দেৱতাঃ।
যত্ৰৈতাস্ত্ৰ ন পূজ্যন্তে সৰ্বাস্ত্ৰত্ৰাফলাঃ ক্ৰিয়াঃ।।"

অৰ্থাৎ য'ত নাৰী সন্মানিতা, তাত দেৱতা প্ৰসন্ন। য'ত নাৰী অপমানিতা তাত সকলো নিষ্ফল।

এই শ্লোকটো কেতিয়া মানৱ সমাজত বোধগম্য হ'ব নে 'লাও সদায় পাতৰ তল' — এই যোজনাটিয়েই জয় ধ্বজা উৰুৱাই থাকিব? ◗◗

ব্যক্তিত্ব বিকাশৰ দিশত এখোজ

সুস্মিতা দে
স্নাতক তৃতীয় ষান্মাসিক, অৰ্থনীতি বিজ্ঞান বিভাগ

মানুহ জীৱন, কওঁ বুলিলে এটি দীৰ্ঘন্দিনীয়া মনোৰম যাত্ৰা আৰু কওঁ বুলিলে এটি অন্ধকাৰ কাঁইটিয়া পথ। জীৱনটোক কি ধৰণৰে ল'ব সেইটোক আচলতে সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰে আপোনাৰ ওপৰত। আমি ইচ্ছা কৰিলেই কিন্তু জীৱনটোক এখন ৰঙা দলিচা পাৰি থোৱা পথ হৈ উঠিব পাৰো। এই পৃথিৱীত অগণন মানুহ আছে, কিন্তু আমি যদি আমাৰ জীৱনটো সাৰ্থক কৰিব বিচাৰো তেনেহ'লে আমি নিজকে অনেক তৰাৰ মাজত আটাইতকৈ জিলিকি থকা ধ্ৰুৱ তৰাটিৰ দৰে উজ্জ্বল কৰি লাগিব। তাৰ বাবে লাগিব প্ৰতিভা, সাধনা আৰু এটি সুন্দৰ ব্যক্তিত্ব। প্ৰতিভা আমাৰ সকলোৰে আছে, কিন্তু তাক আকৰ্ষণীয় বাবে গঢ় দি উলিয়াই সমাজত আগবঢ়োৱাটোৱেই সবাটোকৈ কঠিন। আজিৰ তাৰিখত প্ৰতিভাৰ লগতে এটি ভাল ব্যক্তিত্ব থকাটো অতি প্ৰয়োজনীয়। ব্যক্তিত্ব বিকাশ এটি জীৱনজোৰা প্ৰক্ৰিয়া। ইয়াৰ শেষ নাই। এটি আকৰ্ষণীয় ব্যক্তিত্বৰ বাবে অনিবাৰ্য গুণ কেইটাই আমাৰ ব্যক্তিত্বই যে বিকাশ কৰিব সেইটো নহয়, লগতে ই আমাৰ জীৱন যাত্ৰাত এক উচ্চ স্থান দিয়াত সহায়ক হ'ব। সেইটো নহ'লেও আমাক এজন ভাল মানুহ হিচাপে প্ৰতিষ্ঠিত কৰিব আৰু সমাজত বাস কৰাসকলক আমাৰ প্ৰতি আকৰ্ষিত কৰিব। ব্যক্তিত্ব বিকাশ কৰাৰ প্ৰাকমুহূৰ্তত জানিবলগীয়া কথাসমূহ হৈছে—

নিজস্বতা বজায় ৰাখক ঃ

এটি আকৰ্ষণীয় ব্যক্তিত্বৰ বাবে নিজস্বতা অতি প্ৰয়োজনীয়। এই পৃথিৱীত জন্ম লোৱা সকলোটিয়েই অনন্য। প্ৰত্যেকেই নিৰূপম। সকলোৰে চিন্তা ধাৰা, ৰুচি বেলেগ বেলেগ। আমি চিন্তা কৰাৰ দৰে দ্বিতীয় এজনে হয়তো নকৰিবও পাৰে। সেই কথা ভাবি নিৰাশ নহ'ব। সেইজন আপুনিয়েই, যিজনে আপোনাৰ মত, চিন্তা, ধাৰণাসমূহক সমাজত প্ৰতিষ্ঠিত কৰিব লাগিব। আনে কি চিন্তা কৰে সেই দিশে মন নিদিব। আনে ভাল পোৱা কিন্তু আপুনি নিজেই বেয়া পোৱা বা কৰিব নিবিচৰা কামটো কেতিয়াও নকৰিব। কাৰণ নিজস্বতাই আপোনাৰ পৰিচয়।

এটি সুস্থ জীৱনধাৰা আপুনি গ্ৰহণ কৰক ঃ

আমাৰ জীৱনধাৰাই আমাৰ ব্যক্তিত্বৰ আভাস দিয়ে। আমি নিজকে শাৰীৰিক বাবে ধুনীয়াকৈ প্ৰস্তুত কৰিলেহে আমি এটি সুন্দৰ ব্যক্তিত্বৰ গৰাকী হ'ব পাৰিম। সঠিক আহাৰ, নিয়মিত ব্যায়ামৰ দ্বাৰা আমি নিজকে অনুৰক্ষিত কৰিব লাগিব। আধুনিক সাজ পোছাকেই যে আপোনাৰ ব্যক্তিত্ব আকৰ্ষণীয় কৰিব সেইটো নাবাবিব। অধিকাংশ লোকে যি পৰিধান কৰে আপুনিও যে সেই ধৰণেই পিন্ধা উৰা কৰিব লাগিব সেইটো নহয়, নিজৰ মতে পিন্ধা উৰা কৰক আৰু এনে ধৰণে কৰক যাতে এদিন সকলোৱে আপোনাৰ "style" অনুসৰণ কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰে। বৰ্তমান সময়ত দেখা যায় যে "Latest fashion" লগত খোজ মিলাই চলিবলৈ যাওঁতে নিজৰ "Comfort" বা সন্তুষ্টিৰ কথা পাহৰিয়েই যায় যাৰ ফলত সেই অসন্তুষ্টি আৰু লজ্জাবোধ মুখমণ্ডলত প্ৰতিফলিত হয় যিয়ে এক অবান্তৰ শাৰীৰিক অভিব্যক্তিৰো সৃষ্টি কৰে।

সাজ পোছাক পৰিধান কৰোঁতে মন কৰিবলগীয়া কিছুমান কথা ঃ

সাজ পোছাক পৰিধান কৰোতে প্ৰথমে নিজৰ শৰীৰৰ গঠনটো জানি লওক। সেই হিচাপে সাজ পৰিধান কৰক। আপোনাৰ সাজ-পোছাকে আপোনাৰ সোৱাদ, ৰুচি, ইচ্ছা, অভিলাস আদি ব্যক্ত কৰে।

নিজৰ আদৰ্শ ব্যক্তিজনক বাছি লওক আৰু আপুনি যাক নিজৰ আদৰ্শ বুলি গণ্য কৰে তেওঁৰ "Style" "Choice" "Colour combination" বোৰৰ সহায় লওক।

নিজৰ "Signature Look" অথবা "Signature Piece"টো বাছি লওক। এনে এক বস্তু আপোনাৰ পৰিধানত থকা উচিত যিয়ে আপোনাক সকলোতকৈ বিশেষ কৰি তুলিব। উদাহৰণ স্বৰূপে অসমৰ জনপ্ৰিয় লেখিকা মামনি ৰয়চম গোস্বামীৰ সুন্দৰ ব্যক্তিত্বৰ এটি অংশ আছিল তেওঁৰ "Look"ত। তেওঁৰ আশ্চৰ্যপূৰ্ণ

মুখখনৰ শোভা বঢ়াইছিল তেওঁৰ কপালত লোৱা ডাঙৰ ফোটটিয়ে।

নিজক ভাল পাবলৈ শিকক। নিজক ভাল পোৱাটো এটা অত্যন্ত প্ৰয়োজনীয় গুণ। সৰ্বপ্ৰথমে আপুনি নিজেই নিজক অন্তৰৰ পৰা সন্মান কৰিবলৈ শিকক, নিজক ভাল পাবলৈ শিকক। আমি নিজেই যদি নিজৰ চিন্তাধাৰণা সমূহক সন্মান নিদিওঁ তেনে ক্ষেত্ৰত আনে আমাৰ ভাৱনাৰ মূল্য কি দিব?? নিজক প্ৰমাণ কৰাৰ এটাও সুবিধা অবাবত হেৰাই যাবলৈ নিদিব। ইয়াতে এটা কথা লক্ষণীয় যে ভালপোৱাৰ অৰ্থক অহংকাৰৰ সৈতে "Confuse" নকৰিব। মনত ৰাখিব অহংকাৰেই পতনৰ মূল।

প্ৰশংসা কৰিবলৈ শিকক ঃ

আমি সৰ্বদা আনৰ ভাল কৰ্ম বা গুণৰ প্ৰশংসা কৰিব লাগে। যদি আমি কাৰোবাৰ কিবা গুণ বেয়া পাওঁ আমি অতি সহজভাবে তাক অবজ্ঞা কৰা উচিত। কিন্তু এজনৰ ভাল গুণৰ প্ৰশংসা কৰিবলৈ কেতিয়াও দ্বিধাবোধ কৰা উচিত নহয়। গুণীলোকৰ প্ৰশংসা কৰিলে হেনো সমাজত বাস কৰা অহংকাৰী চামক প্ৰতিদ্বন্দিতা কৰা বুজায়।

নম্ৰ হওক ঃ

সমাজত মানুহৰ সংস্পৰ্শত আহোঁতে নম্ৰ ভদ্ৰ হৈ থাকিব লাগে। কোনো ব্যক্তিকেই ঠাট্টা বা ইতিকিং কৰিব নালাগে। অনৰ্থক বক্তব্য কিছুমান দি আনক অস্বস্তিবোধ নকৰাব। আপোনাৰ অন্তৰৰ পৰা যি ভাৱ আছে নিৰ্ভীকভাবে প্ৰকাশ কৰিব। সঁচা কথা ক'বলৈ সৎসাহস ৰাখিব। কোনোবাই আপোনাৰ মিথ্যা প্ৰশংসা কৰিলে আপুনি জানো ভাল পায়?? তেনে ব্যক্তিৰ প্ৰতি আপোনাৰ ধাৰণা কি??

এজন ভাল শ্ৰোতা হওক ঃ

এজন ভাল শ্ৰোতা হোৱাৰ কৌশল বিকশিত কৰক। কোনোবাই আপোনাৰ সৈতে বাৰ্তালাপ কৰাৰ সময়ছোৱাত তেওঁৰ প্ৰত্যেকটো শব্দত যাতে আপোনাৰ চকু তেওঁৰ চকুত থাকে সেই দিশত বিশেষ লক্ষ্য ৰাখিব। চক্ষু যোগাযোগে সততাৰ প্ৰমাণ দিয়ে লগতে বিপৰীতজনক গুৰুত্ব দিয়া বুজায়। পৃথিৱীত ইয়াতকৈ সন্তোষজনক আৰু একো হ'ব নোৱাৰে যে আপোনাক কোনোবাই গুৰুত্ব সহকাৰে লৈছে। সঁচাকৈয়ে এটি অপূৰ্ব অনুভূতি নহয়নে বাৰু?? নিজকে সৰ্বোপৰি যেন বোধ নহয়নে??

বেছিকৈ অধ্যয়ন কৰক ঃ

আপুনি যিমান পঢ়িব, সিমান শিকিব আৰু সিমানেই অধিক জ্ঞানী হ'ব। সমাজখনে জ্ঞানী লোকক ভাল পায়। সেয়েহে প্ৰত্যেক দিনেই নতুন কথা জানিবলৈ আগ্ৰহ কৰক। আমি জ্ঞানী হলেহে আনে আমাৰ সঙ্গ লবলৈ ইচ্ছা কৰিব আৰু ফলস্বৰূপে আমিও অধিকতম লোকৰ সংস্পৰ্শলৈ অহাৰ সুবিধা লাভ কৰিম।

আপোনাৰ এটি নিজস্ব মতামত থকা উচিত ঃ

জীৱনৰ প্ৰতি খোজতে আপোনাৰ নিজস্ব এটি মতামত থকাটো অতি আৱশ্যক। এটি অদ্বিতীয় দৃষ্টিভঙ্গীয়ে আমাৰ পৰিপ্ৰেক্ষিত বহলাই দিয়ে। এজন মত নথকা ব্যক্তিৰ লগত কথা পতাতকৈ আমনিদায়ক হ'বলা একোৱেই নহয়, হয়নে?? সেয়েহে আমাৰ সকলোৰে এটি নিজস্ব মত থকা উচিত।

এটি অসাধাৰণ ব্যক্তিত্বৰ অধিকাৰী হোৱাৰ পথত বহুতো কথা উপলব্ধি কৰিব লগা হয়। অনবৰতে এটি ইতিবাচক মনোভাৱ লৈ আগবাঢ়ি যোৱাৰ মানেই হয়তো ব্যক্তিত্বৰ বিকাশ। অন্তঃদৰ্শনৰ যোগেদি নিজৰ ত্ৰুটি সমূহ জানি লওক আৰু ভুল সমূহ শুধৰাবলৈ যত্ন কৰক। মনটোক সৃষ্টিশীল কাৰ্যৰ প্ৰতি দিনক দিনে সম্প্ৰসাৰণ কৰক আৰু নিতৌ এটি "Record" স্থাপন কৰাৰ লক্ষ্য হাতত লওক। যিমান পাৰে সমাজখনৰ সংস্পৰ্শলৈ অহাৰ চেষ্টা কৰক। বন্ধুবৰ্গ বা সহকৰ্মীৰ উপৰিও জনখ্যাতিসম্পন্ন ব্যক্তিৰ সৈতে যোগাযোগ ঘটোৱাৰ যত্ন কৰক। ইয়াতে এটা কথাৰ প্ৰতি মন কৰিব যে মিডিয়াৰ নিৰূপনৰ প্ৰতি অতিৰিক্ত ভাবে প্ৰভাৱিত নহ'ব। মিডিয়াই জনগণৰ আগত তেওঁলোকৰ বিশেষ শৈলী মতেহে নিৰূপন কৰে। তেওঁলোকৰ দ্বাৰা বেছিকৈ প্ৰ ভাৱিত হৈ আপুনি হয়তো কেতিয়াবা বিপথে গতি কৰিব পাৰে। কিন্তু লগতে এটা কথা উল্লেখযোগ্যৰ যে কুমলীয়া বয়সৰ পৰাই যদি "Media Literacy Skills" বিকশিত কৰা যায় তেনে ক্ষেত্ৰত এজনে দ্ৰুত গতিত আকৰ্ষণীয় ব্যক্তিত্ব এটিৰ ফালে গতি কৰিবলৈ সক্ষম হ'ব পাৰিব। ইয়াৰ উপৰিও ব্যক্তিত্ব বিকাশ কৰাৰ আগতে এজনে তেওঁৰ আসক্তি বা "Passion" অনুযায়ী জীৱনৰ এটি লক্ষ্য হাতত লৈ ক্ষীপ্ৰবেগে আগবাঢ়ি যোৱা উচিত। বহুতো পণ্ডিত আৰু চিন্তাবিদ সকলে গৱেষণাৰ ফলত ব্যক্ত কৰিছে যে ব্যক্তিত্ব বিকাশৰ ধাৰণাটো ব্যক্তিগত ও সমাজিক দুয়োটা দৃষ্টিকোণৰ পৰাই বিশ্লেষণ কৰিব লগা হয়। কথাতে কয় নহয়—"No One Is Perfect."

সেয়েহে এটি নিখুঁত ব্যক্তিত্বৰ অধিকাৰী হ'বলৈ অবিৰাম প্ৰচেষ্টাৰ দৰকাৰ হয়। ◗◗

বিদেশী অনুপ্ৰৱেশ সমস্যা আৰু অসম

ৰ'দালি চেতিয়া
স্নাতক চতুৰ্থ যান্মাসিক, অসমীয়া বিভাগ

"এইটোৱে পৃথিৱীৰ একমাত্ৰ জাতি, যিটো জাতিৰ একোজন মানুহে খেতি কৰিব পাৰে, যূদ্ধত অস্ত্ৰ চলাব পাৰে, ঘোঁৰাত উঠি ৰণচণ্ডী মূৰ্ত্তি ধৰি যুদ্ধ কৰিব পাৰে, প্ৰয়োজন হ'লে নাঁৱত উঠিও যুদ্ধ কৰিব পাৰে,"- এসময়ত এনে মন্তব্য কৰিবলৈ বাধ্য হৈছিল, বাৰে বাৰে অসমৰ হাতত পৰাভূত হোৱা বিচক্ষণ মোগল ৰণ-কৌশলী ৰামসিংহই। সেই কৰ্মঠ আৰু সুদক্ষ জাতিটোৰে গৰ্বিত বংশধৰ আমি অসমীয়া"। কিন্তু আজি সেই অসমীয়াৰে পুতৌ লগা কৰ্ম সংস্কৃতি আৰু আৰামপ্ৰিয়তাৰ সুযোগ লৈ অসমত গোঁজেই গজালি মেলিলে লক্ষ্য লক্ষ্য বহিৰাগতই আৰু তাৰেই ফলশ্ৰুতিত আজি অসমীয়াই ভেটি-মাটি, কৃষ্টি-সংস্কৃতি হেৰুৱাই মাতৃভূমিত ভগনীয়া হোৱাৰ পথত। অৱশ্যে পলমকৈ হ'লেও গা-লৰিছে অসমবাসী ৰাইজৰ। এয়া সঁচাকৈয়ে শুভ লক্ষণ। অবৈধ বিদেশীৰ বিৰুদ্ধে অসমৰ চুকে-কোণে গঢ়ি উঠিছে এক স্বতঃস্ফুৰ্তঃ আন্দোলন। "আহ ঐ আহ, ওলাই আহ", খেদ ঐ খেদ, বিদেশী খেদ, বিদেশী খেদ" শ্ল'গানেৰে কঁপি উঠিছে আকাশ-বতাহ। ককালত টঙালি বান্ধি ওলাই অহা হাজাৰ-হাজাৰ জনতাৰ উদাত্ত কণ্ঠৰে উগুপ্ত এতিয়া অসমৰ ৰাজপথ। যেন তিৰাশীৰ জোঁৱাৰহুহুহু

এৰা, এয়াই উপযুক্ত সময় অসম আৰু অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ বাবে যুঁজ দিয়াৰ। কাৰণ, বিদেশীৰ অবাধ অনুপ্ৰৱেশ (অনুপ্ৰৱেশ নহয় অগ্ৰাসন)ৰ ফলত অসমৰ খিলঞ্জীয়া সকলহে হৈ পৰিছে সংখ্যালঘু। বিশেষকৈ অসম হৈ পৰিছে বাংলাদেশী সকলৰ চৰণীয় ভূমি। বৰ্তমান অসমৰ সাতাইশখন জিলাৰ ভিতৰত এঘাৰখন জিলাতেই সৰ্বাধিক হাৰত বাংলাদেশী নাগৰিকৰ অনুপ্ৰেৱেশৰ ফলত অসমৰ জনগাঁথনিয়ে সলনি হৈ পৰিছে। মুঠৰ ওপৰত বাংলাদেশীয়ে অসমৰ বনভূমি, জলাশয়, চৰ-পাহাৰ, জনজাতি-ব্লক আদি অধিকাৰ কৰি থলুৱাসকলৰ অস্তিত্বৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। গতিকে সময় থাকোতেই

আমি প্ৰতিটো খিলঞ্জীয়া জাতিয়ে ঐক্যবদ্ধ হৈ ৰাজহাঁড় পোনাই থিয় হ'ব লাগিব। ইয়াৰ বাবে অৱশ্যেই প্ৰয়োজন হ'ব এক শক্তিশালী জনচেতনাৰ লগতে চৰকাৰৰ সদিচ্ছা আৰু পূৰ্ণ সহযোগিতাৰ। কিন্তু পৰিতাপৰ বিষয় এয়ে যে, অবৈধ বিদেশী প্ৰব্ৰজনৰ দৰে এটি গধুৰ আৰু অসহনীয় বোজাৰ পৰা অসমক মুক্ত কৰাৰ ক্ষেত্ৰত চৰকাৰৰ তিলমাত্ৰও আগ্ৰহৰ অভাৱ। তাৰ বিপৰীতে স্বয়ং ৰাজ্য চৰকাৰেই অসমত বিদেশীক বৰপীৰা পাৰি দিছে। কেৱল এয়াইনে? নহয়, বৰং ক্ষমতালোভী চৰকাৰৰ নিকৃষ্ট ষড়যন্ত্ৰ আৰু কূট কৌশলৰ বাবেই বি.টি.এ.ডি.ত জ্বলি উঠিল হিংসাৰ জুই, ৰক্তাক্ত হ'ল বড়ো-ভূমি।

দ্ৰুত গতিত বৃদ্ধি পোৱা কংগ্ৰেছ নেতৃত্বাধীন ইউ.পি.এ চৰকাৰখনৰ ভুল নীতি আৰু ব্যাপক দুৰ্নীতি সৰ্বজনবিদিত। আনকি অবৈধ বিদেশী সমস্যাৰ দৰে এটা স্পৰ্শকাতৰ বিষয়ক লৈও ৰাজনৈতিক চক্ৰান্ত কৰিলে চৰকাৰে। অবৈধ বাংলাদেশীৰ সৈতে যেন খিলঞ্জীয়াৰ সহাৱস্থান সম্ভৱ নহয় সেই কথা চৰকাৰে জনা উচিত আছিল। কিন্তু, বি.টি.এ.ডি. এলেকাত চৰকাৰে বাংলাদেশীক সংস্থাপিত কৰিবলৈহে তৎপৰ হ'ল। যাৰ পৰিণতিত সেই অঞ্চলটো অধিক অশান্ত হৈ উঠাৰ লগতে সমস্যাটোও অধিক জটিলতাৰ মেৰপাকত সোমাই পৰিল। কেৱল চৰকাৰেই নহয়, বিভিন্ন দল-সংগঠনেও অবৈধ বাংলাদেশীৰ বিৰুদ্ধে ৰাইজৰ আন্দোলনক সাম্প্ৰদায়িক ৰং সনাৰ হাত উজান দিছে। নানাজনে নানান বিভ্ৰান্তিকৰ মন্তব্যৰ ভুল বুজা-বুজিৰ সৃষ্টি কৰাৰ লগতে হিন্দু-মুছলমানৰ মাজৰ বিভেদৰ জুইকুৰাত ইন্ধন ঢালিছে। ফলস্বৰূপে, গোষ্ঠী সংঘৰ্ষৰ জুইত বড়ো-অবড়ো, সংখ্যালঘু সকল জ্বলি থকাৰ লগতে ক্ষতিৰ সন্মুখীন হ'ল সকলো। সৰ্বস্বান্ত হ'ল দৰিদ্ৰ লোকসকল। অৱশ্যে, সম্প্ৰতি এই হিংসাত্মক পৰিস্থিতিৰ শাম কাটিল যদিও কোনো ৰাজনৈতিক কূটচক্ৰই বিয়পোৱা বিষবাষ্পৰ ফলত উদ্ভৱ হোৱা অনাকাংক্ষিত সেই সংঘৰ্ষই যেন বড়ো-মুছলমানৰ মাজত সাতামপুৰুষীয়া সম্প্ৰতিৰ এনাজৰীডাল ছিঙি পেলালে।

সঁচা অৰ্থত, বিদেশী সমস্যাটোকে চৰকাৰ আৰু বিভিন্ন ৰাজনৈতিক দলে এক ৰাজনৈতিক যুঁজত পৰিণত কৰিছে। কোনো ৰাজনৈতিক স্বাৰ্থপূৰণৰ বাবে খিলঞ্জীয়াৰ স্বাৰ্থক জলাঞ্জলী দি বিদেশী শক্তিৰ এজেন্টৰূপে কাম কৰিও আছে। ইপিনে, ৰাজ্যৰ হিংসাত্মক পৰিস্থিতিলৈ সোনকালে শান্তি ঘূৰাই অনা বুলি মুখ্যমন্ত্ৰীয়ে দাবী কৰিলেও এই কথা মানি লবই লাগিব যে, চৰকাৰৰ পৃষ্ঠপোষকতাতে অসমত গোষ্ঠী সংঘৰ্ষৰ নামত তেজৰ নৈ বৈ গ'ল আৰু সেই চৰকাৰৰে দুমুখীয়া নীতি তথা দায়িত্ব জ্ঞানহীনতাৰ বাবে আজি বিদেশী অনুপ্ৰৱেশ ৰোধ কৰাটো সমাধানহীন সমস্যাত পৰিণত হৈছে। গতিকে অসমবাসী ৰাইজে কেৱল "বাংলাদেশী গ'বেক্' ধ্বনিৰে আকাশ-বতাহ কপাঁলে নহ'ব। বৰঞ্চ চৰকাৰৰ ষড়যন্ত্ৰৰ বিপক্ষেও এক শক্তিশালী গণআন্দোলনৰ প্ৰয়োজনীয়তা আহি পৰিছে।

১৯৭৯ চনতে আছুৰ নেতৃত্বত আৰম্ভ হোৱা বিদেশী খেদা আন্দোলনক হাজাৰ হাজাৰ অসমীয়াৰ প্ৰাণ আন্দোলনৰ বলিদানৰ পিছত স্বাক্ষৰিক অসম চুক্তিৰ সিদ্ধান্ত মৰ্মে ১৯৭১ চনৰ ২৫ মাৰ্চৰ পিছত প্ৰৱেশ কৰা বিদেশীৰ স্থান অসমত নাই। কিন্তু স্বাধীনোত্তৰ ছয় দশকত ধাৰাবাহিকভাৱে বিদেশীৰ প্ৰব্ৰজন হৈ থকাত জনসংখ্যা বিস্ফোৰণ ঘটিল আৰু আজি ভূমি বেদখলকাৰীৰে ভৰি পৰিছে অসম ৰাজ্য। কিন্তু এই সমস্যা কেৱল মাটিৰ সমস্যাই হৈ থকা নাই। ই হৈছে অসম আৰু অসমীয়াৰ অস্তিত্ব তথা পৰিচয়ৰ লগত জড়িত এক জটিল সমস্যা। কিন্তু অসম চুক্তি স্বাক্ষৰিত হোৱা আজি সাতাইশ বছৰ ওকলি যোৱাৰ পিছতো সেই সমস্যাৰ স্থায়ী সমাধান সূত্ৰ নোলাল।

১৯৮৫ চনতে তেতিয়াৰ প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীয়ে অসমত বিদেশী থকাৰ কথা স্বীকাৰ কৰিছিল আৰু সেয়েহে ১৫ আগষ্টৰ (১৯৮৫ৰ) পুৱতি নিশা সম্পাদন কৰিছিল অসম-চুক্তি। এই চুক্তিত অসমৰ ৰাইজক নিৰাপত্তা দিয়াৰ কথা কোৱা হৈছিল। কিন্তু কাৰ্যতঃ আজি পৰ্যন্ত সেয়া হৈ নুঠিল। লক্ষণীয়ভাৱে, ভাৰতৰ প্ৰধানমন্ত্ৰী ড০ মনমোহন সিং অসমৰ সাংসদ হৈও এই ক্ষেত্ৰত কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰিলে। তাৰ পৰিৱৰ্তে অসমৰ চাৰিসীমাৰ পৰিৱৰ্তন ঘটাবলৈহে ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰ ষড়যন্ত্ৰত লিপ্ত হ'ল। গতিকে অসম ৰসাতলে যোৱাটো ধ্ৰুৱপ, যদিহে অতি শীঘ্ৰে উপযুক্ত পন্থা হাতত লোৱা নহয়। তাৰ বাবে অৱশ্যেই দৰকাৰ হ'ব অসমৰ প্ৰতিটো থলুৱা জাতিৰ ঐক্যবদ্ধ প্ৰচেষ্টাৰ লগতে ৰাজ্যৰ শান্তি-শৃংখলা বিঘ্নিত নোহোৱাকৈ উচিত পদক্ষেপৰ।

বাংলাদেশীৰ অগ্ৰাসনত আজি অসমীয়া জাতি নিঃশেষ হোৱাৰ পথত। এই সমস্যাই ভৱিষ্যতে কেনে পৰিণাম কঢ়িয়াই আনিব পাৰে সেয়া সহজেই অনুমেয়। অৱশ্যে ভীতিগ্ৰস্ত হোৱাৰ প্ৰয়োজন নাই। কাৰণ সকলো সমস্যাৰে সমাধানৰ পথ আছে। প্ৰথম কথা হ'ল অসমৰ চুক্তিৰ আধাৰত অবৈধ বিদেশীমুক্ত এখন অসম গঢ়িবৰ বাবে চৰকাৰে হাতে কামে লাগিবই লাগিব আৰু প্ৰকৃত বিষয়টো অনুধাৱন কৰি সমস্যাটোৰ আশু-সমাধান সূত্ৰ নিৰূপণ কৰিব লাগিব। যিহেতু সংসদৰ মজিয়াতো অসমত বিদেশী অনুপ্ৰৱেশকাৰী থকা বুলি মানি লৈছে আৰু ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ ৰায়তো এনে গুৰুত্বপূৰ্ণ বিষয়ৰ উল্লেখ আছে, গতিকে অসমৰ ৰাইজৰ দাবী মানি লৈ সাৰ্বভৌমত্বৰ প্ৰতি অহা ভাবুকি প্ৰতিৰোধ কৰিবলৈ চৰকাৰে অতি সোনকালে বিদেশী ঘূৰাই পঠোৱাৰ ব্যৱস্থা কৰা উচিত। তাৰ বাবে ৰাজ্য চৰকাৰে ভাৰত চৰকাৰক বাংলাদেশৰ সৈতে এখন প্ৰত্যাৰ্পণ চুক্তি কৰাবলৈ বাধ্য কৰিব লাগিব। লগতে অসম চুক্তি আৰু বড়ো চুক্তিৰ দফাসমূহ সম্পূৰ্ণ কাম ৰূপায়ন কৰি সমস্যাটোৰ ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত উত্থাপন কৰিলেহে সুফল পোৱা যাব। আৰু নতুন দিল্লীয়েও বুজিব লাগিব যে অসমত অশান্তি হৈছে। তাৰ বাবে সাংবিধানিক উপায়েৰে সমিধান সূত্ৰ উলিয়াব লাগিব।

অবৈধ বিদেশী সমস্যাটোৰ একে দিনাই সমাধান হোৱাটো অসম্ভৱ। গতিকে পৰ্যায়ক্ৰমে বিদেশী বিতাড়ণৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। তাৰ ভিতৰত প্ৰথমেই, ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ লগতে ভাৰতীয় নাগৰিকত্ব আইনৰ অধীনত জন্মসূত্ৰে নাগৰিকত্ব লাভ কৰাৰ ব্যৱস্থা হাতত লোৱা উচিত। কাৰণ, আজি অসমত বিদেশী চিনাক্ত কৰাৰ ত্ৰুটিহীন পদ্ধতিৰ অভাৱৰ বাবে আৰু নাগৰিকৰ নিৰ্ভৰযোগ্য মৌলিক তথ্য আৰু জাতীয় পৰিচয়পত্ৰৰ আঁচনি নোহোৱাৰ বাবেই প্ৰক্ৰিয়াটোত বেমেজালিৰ সৃষ্টি হৈছে। কিয়নো বেংক একাউন্ট, পান কাৰ্ড, বি.পি.এল বা জবকাৰ্ড অথবা ভোটাৰ লিষ্টত নাম থাকিলেই নাগৰিকত্ব প্ৰমাণ নহয়।

বিদেশী বহিষ্কাৰ প্ৰক্ৰিয়াটো আচলতে প্ৰচলিত ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় নিয়ম-কানুনৰ মাজেৰেহে সম্ভৱ। গতিকে ৰেষ্ট্ৰিয়টেড এৰিয়া পাৰ্মিট আৰু বিভিন্ন ৰাজ্যৰ পৰা অহা লোকৰ বাবে ইনাৰ লাইন পাৰ্মিট ব্যৱস্থা শীঘ্ৰে প্ৰৱৰ্তন কৰা উচিত। এইবোৰৰ উপৰিও আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হৈছে ভূমি আইনৰ প্ৰৱৰ্তন। যাৰ জৰিয়তে অসমৰ মাটি কিনা-বেচাৰ অধিকাৰ কেৱল খিলঞ্জীয়াৰ হাততহে ন্যস্ত ৰাখিব পৰা যাব। অসমৰ পৰা অবৈধ বাংলাদেশী উচ্ছেদ কৰিব পাৰিলেহে থলুৱা নাগৰিকৰ মাটি-ভেটি-কৃষ্টি সুৰক্ষিত হ'ব। কাৰণ আজি অসমৰ -, মানাহ, ডিব্ৰু-চৈখোৱা, ওৰাং ৰাষ্ট্ৰীয় উদ্যান বুঢ়া-চাপৰি, লাওখোৱা, সোণাই-ৰূপাই, পবিতৰা আদি অভয়াৰণ্য বেদখলকাৰীৰে ভৰি পৰিছে। গতিকে ভূমি আইন ৰূপায়ণ অবিলম্বে হোৱা উচিত। কাৰণ কেৱল অসম চুক্তিৰে এই সমস্যা কেতিয়াও সমাধান নহয়। অৱশ্যে চুক্তিৰ অধীনত অসমৰ থলুৱা লোকসকলৰ (বৈধ বিদেশীসকলৰো) ৰাজনৈতিক আৰু সামাজিক জীৱনৰ নিৰাপত্তা নিশ্চিত কৰাটোও জৰুৰী।

অবৈধে বাংলাদেশীৰ অবাধ প্ৰব্ৰজন ৰোধ কৰাৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ ব্যৱস্থাটো হ'ল উন্মুক্ত সীমান্ত বন্ধ কৰা। কিন্তু ইয়াৰ বাবে কাঁইটীয়া বেৰেই যথেষ্ট নহয়। প্ৰয়োজন হ'ব অনুপ্ৰৱেশ ৰোধৰ বাবে নিশ্চিদ্ৰ সুৰক্ষা বেষ্টনীৰ। অৱশ্যে, মাথো দুশ টকাৰ বিনিময়ত যদি সীমান্তৰক্ষীয়ে বাংলাদেশীক অসমত সোমাবলৈ দিয়া ধাৰাটো অব্যাহত থাকে তেন্তে সকলো ব্যৱস্থা অথলে যোৱাটো স্বাভাৱিক।

সি যি কি নহওঁক, চৰকাৰে পাৰ্যমানে সকলোবোৰ ব্যৱস্থা গ্ৰহণ কৰা উচিত। বিদেশীৰ অগ্ৰাসনত বিপন্ন অসমবাসীৰ সাংবিধানিক ৰক্ষা কৱচ হিচাপে দ্বি-নাগৰিকত্বৰ ব্যৱস্থা পৰ্বতন কৰাটোও বাঞ্চনীয়। তদুপৰি বিধান সভা, সংসদ, স্থানীয় নিকায় আদিৰ পদসমূহ খিলঞ্জীয়াৰ বাবে সংৰক্ষণ কৰাটোও অতি দৰকাৰী। কিয়নো যি হাৰত অসমলৈ বাংলাদেশীৰ সোঁত বৈছে, এদিন যে বাংলাদেশীয়ে অসমৰ মুখ্যমন্ত্ৰী হ'ব সেই কথা নুই কৰিব নোৱাৰি।

উপৰোক্ত ব্যৱস্থাসমূহ যদি চৰকাৰে সঠিক ৰূপত হাতত লয় তেন্তে অসম অবৈধ বিদেশীৰ কবলৰ পৰা অনতি পলমে উদ্ধাৰ পাব বুলি ন দি ক'ব পাৰি। কিন্তু অসমত আজি পৰ্যন্ত নীতিবহিৰ্ভূত ভাৱে নকৰা কোনো কামৰ উদাহৰণ আছে জানো? বিদেশী খেদাৰ নামতো কেউফালে মাথো দুৰ্নীতি আৰু অৰাজকতা। অবৈধ বিদেশীক ভাৰতীয় সজোৱাৰ চক্ৰান্তত নামিছে চৰকাৰ। বহু সন্দেহযুক্ত বাংলাদেশী নাগৰিকক কোনো

কোনো ঠাইত পৌৰসভাই অসৎ উপায়েৰে স্থানীয় বাসিন্দাৰ প্ৰমাণ পত্ৰও দিছে। যাৰ বাবে তেওঁলোকে ভোটাৰ তালিকাত নাম সন্নিবিষ্ট কৰিবলৈ সক্ষম হৈছে। এনেবোৰ কথাৰ বাবেই আজি বিদেশী বিতাড়ন প্ৰক্ৰিয়াটো জটিলৰ পৰা জটিলতৰলৈ গতি কৰিছে। তদুপৰি চৰকাৰৰ উদাসীনতা, তৎপৰতাৰ অভাৱ আৰু সোপাটিলা ব্যৱস্থাই লেহেমীয়া কৰি তুলিছে অবৈধ বিদেশী বহিস্কাৰ প্ৰক্ৰিয়াটোৰ গতি। যোৱা সাতাইশটা বছৰত ৰাজ্য চৰকাৰে মাথো ২,৪৪২ জনহে অবৈধ বিদেশী বহিস্কাৰ কৰিলে আৰু অসম-বাংলাদেশ সীমান্তৰ ২৭২ কিলোমিটাৰো ছীল কৰিবলৈ সক্ষম নহ'ল। আচলতে অসমৰ এই জ্বলন্ত সমস্যাক চৰকাৰে তাহানিৰে পৰা উপেক্ষা কৰি আহিছে। আনকি অবৈধ বাংলাদেশীৰ হিচাপে নিকাচতো যে গাফিলতি কৰি আছে ৰাজ্য চৰকাৰে সেই কথা ২০০৫ চনতে তেতিয়াৰ কেন্দ্ৰীয় মন্ত্ৰী প্ৰকাশ জয়ছোৱালে কৈছিল। ইয়াৰ পৰা এই কথাই স্পষ্ট হৈ পৰে যে, অবৈধ বিদেশীৰ সমস্যা সন্দৰ্ভত বিভ্ৰান্তিৰ সৃষ্টি কৰিছে ৰাজ্য চৰকাৰে। মুঠৰ ওপৰত আন্তৰিকতাৰ অভাৱ আৰু স্বাৰ্থ জড়িত হৈ থকাৰ বাবেই চৰকাৰ আৰু ৰাজনৈতিক দলসমূহে ইচ্ছাকৃত ভাৱেই জীয়াই ৰাখিছে এই সমস্যাক। লক্ষণীয় ভাৱে, আজি মূৰ পোলোকা মাৰি বহি আছে এসময়ত অসম চুক্তি ৰূপায়ণ দপ্তৰটো লবলৈ হেতা-ওপৰা লগোৱা মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাও।

মুঠৰ ওপৰত, অসমত আজি বিদেশী খেদাৰ নামত চৰকাৰ আৰু বিভিন্ন ৰাজনৈতিক দলৰ ভেঁকোভাওনা চলি আছে। তাৰ ফলত কোনো ধৰণৰ লাভালাভ হোৱা নাই। বৰং আন কিছুমান আনুষংগিক সমস্যা আৰু অশান্তিৰহে উদ্ভৱ হৈছে। কাৰণ, অবৈধ বাংলাদেশীৰ সন্দেহত বহু ঠাইত সংখ্যালঘু সকলৰ ওপৰত অকথ্য নিৰ্যাতন চলোৱা হৈছে। কেৱল "দাড়ি, লুঙী, টুপি"কেই বিদেশীৰ সংজ্ঞা মানি লৈ এচাম শ্ৰমজীৱি লোকক বাংলাদেশীৰ লেবেল লগাই হাৰাশাস্তি কৰাৰ ফলত সময়ে সময়ে অসমত হিংসাত্মক পৰিস্থিতিৰো সৃষ্টি হৈছে। মুছলমান মাত্ৰকে বাংলাদেশীৰ ভূত দেখাৰ মানসিকতাই ভয়াবহ পৰিণাম আনিব পাৰে। এটা কথা সকলোৰে মনত ৰখা উচিত যে, যেতিয়ালৈকে বাংলা ভাষী মুছলমান সকলৰ মাজৰ বৈধ-অবৈধৰ ৰেখাডাল স্পষ্ট নহয় তেতিয়ালৈকে আন্দোলন কৰাৰো কোনো অৰ্থ নাই। গতিকে বৈধ-অবৈধ নিৰ্বিশেষে কাকো অমানৱীয়ভাৱে লেই লেই চেই চেই নকৰি নীতিগত ভাৱে উদাৰ দৃষ্টিভংগীৰে আন্দোলন সফল কৰাৰ প্ৰয়াস কৰা উচিত। চৰকাৰেও ৰাজ্যত শান্তি-শৃংখলা বজাই ৰখাৰ ব্যৱস্থা কৰিব লাগে। অনথ্যা ক্ষতিৰ সন্মুখীন হ'ব অসমীয়া জাতিহে। গতিকে হিংসা-ঘৃণা কৰিত্যাগ কৰাই শ্ৰেয়।

প্ৰসংগক্ৰমে, এটা কথা উল্লেখ কৰাটো সমীচিন হ'ব যে, যুগ যুগ ধৰি অসমত বস-বাস কৰি অহা গৰীয়া-মৰীয়াসকল অসমীয়া জাতি-সংস্কৃতিৰ অবিচ্ছেদ্য অংগ। আমি হয়তু এই কথা উপলব্ধি কৰি চোৱা নাই যে, যি সময়ত অসমীয়া মানুহে শিপা পাহৰি চাহাব হোৱাৰ প্ৰৱণতাৰে ইংৰাজী মাধ্যমৰ বিদ্যালয়লৈ নিজৰ সতি-সন্ততি দৌৰাবলৈ বাধ্য কৰাইছে সেই সময়তে প্ৰতিটো চৰ-চাপৰিৰ অধিবাসী মুছলমান সমাজে নিজৰ সন্তানক অসমীয়া মাধ্যমত পঢ়ুৱাইছে। তেওঁলোকে অসমীয়া ভাষা-সংস্কৃতি গ্ৰহণ কৰি লোক পিয়লত নিজকে অসমীয়া বুলি পৰিচয় দিয়াৰ বাবেহে আজিও অসমত অসমীয়া সংখ্যাগৰিষ্ঠ হৈ আছে। গতিকে আন্দোলন আবেগৰ পৰিৱৰ্তে মুক্তিৰে হোৱা উচিত সঠিক মতাদৰ্শৰ ভিত্তিত। কাৰণ ধৰ্মৰ ভিত্তিত বিদেশীৰ সংজ্ঞা নিৰূপণ সংকীৰ্ণ মানসিকতাৰহে পৰিচায়ক।

এইখিনিতে, মন কৰিবলগীয়া আন এটা কথা এয়ে যে, পূৰ্বৰ বিদেশী খেদা আন্দোলন আজি বাংলাদেশী খেদা আন্দোলন হ'ল। কিন্তু বিদেশীৰ পৰিসীমা কেৱল বাংলাদেশীতেই আৱদ্ধ হোৱা উচিত নহয়। কাৰণ বাংলাদেশীৰ বাহিৰেও দেশী-বিদেশী সাম্ৰাজ্যবাদী, পুঁজিপতি গোষ্ঠী, সুবিধাবাদী আৰু বিশেষকৈ হিন্দী বলয়ৰ আগ্ৰাসনে অসমীয়াক নিজ ভূমিতে উছন কৰিবলৈ লৈছে। গতিকে এইক্ষেত্ৰতো আমি সজাগ হ'বৰ হ'ল। মুঠৰ ওপৰত ১৯৭১ চনৰ ২৫ মাৰ্চৰ পিছত অহা সকলো বিদেশীকে অসমত স্থান দিয়া উচিত নহয়। দেখা গৈছে যে, বহু নেতাই হিন্দু বিদেশীসকলৰ সপক্ষে ওকালতি কৰিছে। যিয়ে সেই সকল বিদেশীক পৰোক্ষভাৱে সুৰক্ষাহে প্ৰদান কৰিছে। আজি কোনো মানুহেই নকয় বিদেশীৰ কথা, কয় মাথো বাংলাদেশীৰ কথা। কিন্তু আমি এটা কথা জানি থোৱা দৰকাৰ যে, এতিয়াই যদি আমি সৰৱ হৈ নুঠো অন্যান্য বিদেশীসকলৰ আগ্ৰাসনক লৈ তেন্তে বাংলাদেশী সমস্যা সমাধান হোৱাৰ পাছত (যদিহে হয়)

অসমে আকৌ এবাৰ বিদেশী খেদা আন্দোলন কৰিব লাগিব।

আজি বহু অসমীয়াই অভিযোগ তুলিছে যে বিদেশী শ্ৰমিকৰ বাবে থলুৱা শ্ৰমিকসকল বঞ্চিত হৈছে। কিন্তু পৰিশ্ৰম সৰ্বস্ব কাম কৰিবলৈ অনিচ্ছুক থলুৱা শ্ৰমিকসকলে বিদেশীসকলক সেই সুযোগ নিজেই দিছে। গতিকে সেই অভিযোগ অৰ্থহীন। আন এচামে আকৌ প্ৰশ্ন কৰিছে, বাংলাদেশী বহিষ্কাৰৰ ফলত অসমত শ্ৰমিক শ্ৰেণীৰ অভাৱ নঘটিবনেহু কৰ্মহীন আৰু এলেহুৱা জাতি এটাৰ মুখত এয়া স্বাভাৱিক প্ৰশ্ন। ভূমি পুত্ৰসকৰ এনেবোৰ দুৰ্বলতা আৰু দৰিদ্ৰতাৰ সুযোগ লৈয়েতো বিদেশীসকলে অসমৰ মাটি-সম্পত্তি আত্মসাৎ কৰি অসমতেই খিলঞ্জীয়াক বিদেশীত পৰিণত কৰিছে। গতিকে থলুৱা শ্ৰমিকৰ অভাৱ পূৰণ কৰি থকা বিদেশীসকলৰ প্ৰয়োজনীয়তা নস্যাৎ কৰি আমি এটা কৰ্মঠ খিলঞ্জীয়া শ্ৰমিক শ্ৰেণীৰ সৃষ্টি কৰিবই লাগিব। অন্যথা লাচিতৰ দেশৰ এই অসমীয়া জাতি জগতত দুৰ্বলী জাতি হিচাপেহে পৰিগণিত হ'ব।

সঁচাকৈয়ে, আজি বাৰু আমি ইমানেই দুৰ্বল হৈ গ'লো নে যে, নিজৰ মাটিতে নিজৰ মাতৃভূমিক ৰক্ষা কৰিবলৈ সক্ষম হোৱা নাই। ইমানেই নিষ্ক্ৰিয় আৰু ক্ষমতাহীননে আমাৰ প্ৰশাসন যন্ত্ৰ অথবা চৰকাৰ? যাৰ বাবে বিদেশীৰ সমস্যাটো সমস্যা হৈয়ে ৰ'ল অতদিন। হয়তো হয়। নহ'লেনো সাতাইশ বছৰ ধৰি অসমীয়াই ভেটি-মাটি-কৃষ্টি সুৰক্ষাৰ বাবে টেটুফালি চিঞৰি থাকিব লাগেনে?

"তেজ দিম, ভূমি নিদিও, জীৱন দিম.......এক ইঞ্চিও মাটি নিদিও"- নিজৰ মাতৃভূমিৰ নামত জীৱন উছৰ্গা কৰা অসমীয়া শ্বহীদৰ এই ভাষ্য আজি মূল্যহীন। সেয়া মাথো অতীত আজি। কাৰণ তেনে স্বদেশ-প্ৰেম আজি আৰু নাই। আনকি অসম দেশৰ ৰক্ষাকৰ্তা শাসনকৰ্তা বৰমূৰীয়াসকল নতুবা ৰাজনীতি সকলৰ মাজতে স্বদেশ-প্ৰেমৰ লেশমাত্ৰও চিন নাই। এই কথা অৱশ্যেই স্বীকাৰ কৰিব লাগিব যে, স্বদেশ-প্ৰেমী নেতৃত্বৰ অভাৱৰ বাবেই অসমত বিদেশীৰ অবাধ অনুপ্ৰৱেশৰ সমস্যাটো সুদুৰ পৰাহত সমস্যাত পৰিণত হৈছে। আনহে নালাগে ৰাজ্যৰ স্বয়ং মুখ্যমন্ত্ৰীয়েও অসমীয়াৰ জ্বলন্ত সমস্যাটো গুৰুত্ব সহকাৰে লোৱা নাই যেন লাগে। নিজকে আটাইতকৈ জাতীয়তাবাদী আৰু অসমীয়া মনৰ বুলি দাবী কৰা মুখ্যমন্ত্ৰীয়ে কয়, "ভাৰতবৰ্ষৰ কোনখন ৰাজ্যত বিদেশী নাই, আমেৰিকাতো আছে"। ৰাজ্যৰ মুখিয়ালজনৰ এনে পাতল মন্তব্য জাতিৰ বাবেই বিপদজনক। যিসময়ত ৰাজ্যৰ জনসাধাৰণে খিলঞ্জীয়াৰ অস্তিত্ব সুৰক্ষা কৰি ৰখাৰ স্বাৰ্থত আন্দোলনৰ পথ গ্ৰহণ কৰিছে সেই সময়তে ৰাইজৰ সাৰ্বভৌমত্বক কুঠাৰঘাত কৰি মুখ্যমন্ত্ৰী জনাই কেন্দ্ৰ চৰকাৰৰ সৈতে অসমৰ ভূমি বাংলাদেশক হস্তান্তৰ কৰিবলৈ বাংলাদেশৰ লগত একপক্ষীয় ভাৱে স্বাক্ষৰ কৰা বুজাবুজিৰ চুক্তিক আইনগত বৈধতা প্ৰদান কৰিবলৈ নিকৃষ্ট ষড়যন্ত্ৰত লিপ্ত হৈছে। অসম চুক্তিক ভৰিৰে মোহাৰি অসম আৰু অসমীয়াক এনেদৰে প্ৰতাৰণা কৰা মুখ্যমন্ত্ৰীৰ এয়া নিসন্দেহে এক জাতি ধ্বংসী পদক্ষেপ। ক্ষমতাৰ লোভত আৰু গাদীৰ আশাত অসমীয়াৰ স্বাৰ্থ বিসৰ্জন দি অথবা ভোটৰ স্বাৰ্থত ব্যাপক হাৰত অবৈধ বিদেশীৰ দল আমদানি কৰোৱা অসমৰ মুখ্যমন্ত্ৰী আজি নিৰ্বিকাৰ। ৰাষ্ট্ৰীয় তথা জাতীয় মতাদৰ্শক জলাঞ্জলি দি তেখেতে অসমৰ ৰাইজকে কেৱল প্ৰবঞ্চনা কৰা নাই, বৰং ছহিদ সকলকো অপমান কৰিছে। উৎসাহিত কৰিছে মাথো বাংলাদেশীক। আনকি বনমন্ত্ৰীৰ আমোলত বনাঞ্চল সমূহত বসতিৰ সুবিধা কৰি দিয়াৰ লগতে বাংলাদেশী সকলক নিৰাপত্তা দিয়াতো সমৰ্থন জনাইছে। এইক্ষেত্ৰত, কথাই প্ৰতি বিদেশৰ উদাহৰণ দিয়া মাননীয় মুখ্যমন্ত্ৰীগৰাকীয়ে এই কথাও জনা উচিত আছিল নিশ্চয় যে, ইটালী চৰকাৰে অধিক বিদেশীক সুৰক্ষা আৰু আশ্ৰয় দিয়া লোককো তিনিবছৰ কাৰাদণ্ড বিহাৰ নীতি প্ৰৱৰ্তন কৰিছে। সেইদিশৰ পৰা তেখেতো নিশ্চয় অক্ষমনীয় অসমত স্ব-ইচ্ছাই বিদেশী পুহি ৰখাৰ বাবে। সঁচাকৈয়ে, কোন সতেনো আমি বাৰু এইখন অসমত বিদেশী সমস্যা দূৰ হোৱাৰ কথা কল্পনা কৰিব পাৰো, যিখন অসমত মুখ্যমন্ত্ৰীৰ হাততেই সুৰক্ষিত নহয় ৰাজ্যৰ ভৱিষ্যত।

আচলতে ভুল আমাৰেই। এটা ভয়ংকৰ সমস্যাৰ পৰা ৰাইজক যৎকিঞ্চিত সকাহ দিব নোৱৰা স্বত্বেও সেইখন চৰকাৰক আমি বাৰে বাৰে ক্ষমতালৈ অহাৰ সুযোগ দিছো কিয়? যদি আমাৰ দ্বাৰা নিৰ্বাচিত প্ৰতিনিধিসকলেই ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত আমাৰ সমস্যাবোৰ সমাধানৰ বাবে উচিত পদক্ষেপ লব নোৱাৰে, তেন্তে অনাহকতে আমি সাধাৰণ শ্ৰেণীৰ মানুহবোৰৰ মাজত হিংসাত্মক পৰিস্থিতিৰ জন্ম দি ওৰহৰ খং ভগা ঢাবিত

জৰাৰ কোনো অৰ্থ নাই। তাৰ পৰিৱৰ্তে আমি মাথো বাংলাদেশী অথবা বিদেশীৰ সমান্তৰালভাৱে ক্ষমতালোভী চৰকাৰখনৰ বিৰুদ্ধেও আৰম্ভ কৰিব লাগিব অন্য এক যুঁজ। নহ'লে আমাৰ অসমভূমি এদিন এই সংকটাচ্ছন্ন অৱস্থাৰ পৰা পৰিত্ৰাণ পোৱাই অসম্ভৱ হৈ উঠিব।

পূৰ্বতে এবাৰ উল্লেখ কৰা হৈছে যে, সকলো সমস্যাৰে সমাধান থাকেই। প্ৰখ্যাত বিজ্ঞানী নীলছ ব'ৰেও কৈছিল- "প্ৰতিটো সমস্যাই তাৰ বোকোচাত সমাধানটোও লৈ আহে।" কিন্তু বছৰ বছৰ ধৰি অসমৰ ৰাইজক জুৰুলা কৰি অহা অবৈধ বিদেশীৰ সমস্যাটোৰ ক্ষেত্ৰত এই কথা ব্যতিক্ৰম কিয়? হয়তো চৰকাৰে কোনো এটা কাম আন্তৰিকতাৰে সমাধান কৰিবলৈ ফলপ্ৰসু ব্যৱস্থা নোলোৱাৰ বাবেই অসম চুক্তিখনৰ এই সাতাইশ বছৰীয়া চৰম বিফলতা এনে লাগে যেন, সেই চুক্তিখন কেৱল আন্দোলনটি সমাপ্তি ঘটোৱাৰহে কৌশল আছিল। অসমৰ অস্তিত্ব ৰক্ষাৰ নামত অমূল্য জীৱন আহুতি দিয়া, সৰ্বতোপ্ৰকাৰৰ ক্ষতিৰ সন্মুখীন হোৱা অসমীয়া জাতিৰ ত্যাগ আৰু কষ্ট যেন অথলে গ'ল। ৮৫৫ জন বীৰ ছহিদৰ ত্যাগৰ সঠিক মূল্যায়ন আজিও নহ'ল। অতিকে দুখৰ বিষয় এয়ে যে জাতীয় অস্তিত্ব ৰক্ষাৰ ছবছৰীয়া সেই অসম আন্দোলনৰ প্ৰথম ছহিদ খৰ্গেশ্বৰ তালুকদাৰৰ নগৰ বজালি (বৰপেটা)তেই চলিছে অবাধ হাৰত বিদেশীৰ বেদখল। ইয়াতেই স্পষ্ট হৈ উঠে ৰাজ্য চৰকাৰৰ অনীহা আৰু জাতীয় ছহিদৰ প্ৰতি চূড়ান্ত অৱহেলাৰ ছবিখন। ছহিদক অপমান কৰাটো সঁচাকৈয়ে এটা জাতিৰ বাবেই বৰ লজ্জাজনক।

হায় অসমহুহুহু এইখনেই আমাৰ অসম দেশ যি বাংলাদেশৰ পৰা ওচৰ কিন্তু দিল্লীৰ পৰা দূৰৈত। তথাপি ভৌগোলিক অৱস্থানক দোহাই দি হাত সাৱতি বহি থাকিলে জানো হ'ব? পূৰ্ব-পুৰুষসকলে আমাক দি যোৱা মাটি আমি কিয় বিদেশীক গতাম? কিন্তু আজি যি দ্ৰুত হাৰত বিদেশীৰ প্ৰব্ৰজন ঘটিছে অথবা বেদখলকাৰীয়ে ভৰি পৰিছে অসমভূমি সেয়া অত্যন্ত চিন্তনীয় বিষয়। কাৰণ সেই বিদেশীসকলৰ জনসংখ্যা বৃদ্ধিৰ হাৰ বেছি হোৱাৰ বাবে আজি অসমৰ জনজাতিবোৰ নিশকতীয়া হৈ পৰিছে: বিশ্বৰ ইতিহাসত বহুতো জাতি-উপজাতিৰ অস্তিত্ব অবৈধ বিদেশীৰ অনুপ্ৰৱেশৰ দ্বাৰা বিপন্ন হোৱাৰ ঘটনা পোৱা যায়। হয়তো অসমীয়া জাতিও অতি সোনকালে সেই তালিকাত অন্তৰ্ভুক্ত হ'ব। গতিকে, অনতিপলমে উপযুক্ত ব্যৱস্থা হাতত লোৱাৰ গত্যন্তৰ নাই। কিন্তু আজিলৈকে কোনো ৰাজনৈতিক দল অথবা চৰকাৰে তাৰ সমস্যা সূত্ৰ উলিয়াব নোৱাৰিলে। মাথো অবৈধ বিদেশীৰ সমস্যাটোলৈ আঙুলি টোৱাই নিজৰ নিজৰ মহত্ব প্ৰতিপন্ন কৰিবৰ বাবে এটা দলে আনটো দলক প্ৰৰোচনামূলক মন্তব্য কৰাত ব্যস্ত সকলো। এইসকল স্বাৰ্থলোভীয়ে জানো অসমক ৰক্ষা কৰিব পাৰিব? অথবা তেওঁলোকৰ সেই কাৰ্য-কলাপবোৰে সমাধান কৰিব পাৰিবনে ৰাজ্যৰ এই ভয়াবহ সমস্যাক? নিশ্চয় নোৱাৰে। তাৰবাবে প্ৰয়োজন হ'ব ৰাজনৈতিক দল অথবা চৰকাৰে ব্যক্তিগত বা দলগত স্বাৰ্থ পৰিহাৰ কৰি ৰাইজৰ স্বাৰ্থক হৃদয়ংগম কৰি সমস্যাটো বিজ্ঞানসন্মত বিশ্লেষণ কৰাৰ। বিশেষকৈ চৰকাৰে এই সমস্যাটোৰ পূৰ্ণ সমাধান কৰাত অক্ষম হ'লেও অন্ততঃ ভৱিষ্যতে অসমত আৰু এজনো বিদেশী প্ৰৱেশ কৰিব নোৱাৰাৰ ব্যৱস্থা লোৱা উচিত। কেৱল সভাই সমিতিয়ে বৰ বৰ ভাষণ দিলেই সকলো সমাধান নহয়। ঠিক সেইদৰে ৰাইজেও মনত ৰখা উচিত যে, কেৱল আন্দোলন, প্ৰচ্ছেন্ন অথবা বিদেশীক হাৰাশাস্তি কৰাটোৱে একমাত্ৰ পথ নহয় আমাৰ অধিকাৰ সাব্যস্ত কৰাৰ বাবে। গতিকে সমস্যাটো যাতে আমোলাতান্ত্ৰিক মেৰপাকত আৱদ্ধ নহৈ সুচাৰুৰূপে সমাধান হয় তাৰ প্ৰতিহে ৰাইজ সচেতন হোৱা দৰকাৰ। কাৰণ সততা-নিষ্ঠাৰে ৰাইজ, চৰকাৰ আৰু বিভিন্ন দল-সংগঠন আগবাঢ়ি আহিলেহে অসমে এইক্ষেত্ৰত সুফল লাভ কৰিব।

প্ৰতিজন অসমীয়াই সপোন দেখিছে এখন বিদেশীমুক্ত আৰু শান্তিপূৰ্ণ অসমৰ বাসিন্দা হোৱাৰ। তাৰ বাবে ৰাজপথলৈ ওলাই আহিছে হাজাৰ হাজাৰ জনতা। কিন্তু ইমানতেই জানো আমাৰ কৰ্তব্য অথবা দায়িত্ব শেষ হৈ যায়। নহয়। বৰং অসমৰ প্ৰতিটো জনজাতিয়ে নিজৰ মাজতে বিভেদৰ ভাৱ আঁতৰাই আৰু একেখন অসমতে পৃথক পৃথক ৰাজ্য গঢ়াৰ মানসিকতা পৰিহাস কৰি সকলো ঐক্যবদ্ধ হৈ কষ্ট ত্যাগ স্বীকাৰ কৰি হ'লেও এখন বিদেশীমুক্ত অসম ভাৰতবৰ্ষত প্ৰতিষ্ঠা কৰিবৰ বাবে যত্নপৰ হ'ব লাগিব। তেতিয়াহে সুবৃহৎ অসমীয়া জাতিয়ে প্ৰকৃত শক্তিৰ পৰিচয় দিয়াৰ লগতে পূৰ্বৰ গৌৰৱ অক্ষুন্ন ৰাখিবলৈও সক্ষম হ'ব। আৰু যিহেতু আমি সেইখন দুৰ্ভগীয়া

অসমৰ অসমীয়া য'ত ছহিদেও তেজ আৰু আত্ম বলিদানৰ বিনিময়ত নাপায় প্ৰতিদান মৃত্যুৰ পিছতো; গতিকে অসমৰ সেই ৰক্তাক্ত ইতিহাস সুঁৱৰি আৰু সেইসকল মহান স্বদেশপ্ৰেমীৰ প্ৰতি সন্মান জনাই অসমক ৰক্ষা কৰাৰ বাবে আন্তৰিক প্ৰয়াস কৰাটো প্ৰতিজন অসমীয়াৰে কৰ্তব্য। এই কৰ্তব্য তথা ৰক্তাক্ত ইতিহাসৰ লগতে আমি অন্য এক ইতিহাসকো মনত ৰখা উচিত যে, এসময়ত মাতৃভূমিতেই মাতৃভাষা কোৱাৰ পৰা বঞ্চিত হ'বলগীয়া হোৱাৰ দৰে ঘটনাৰো সাক্ষী কাহানিও দুৰ্ভাগ্যই লগ নেৰা এই অসমীয়া জাতি। ইতিমধ্যে অসম আৰু অসমীয়াই হেৰুৱালে বহুত কিবা কিবি। গতিকে সময় থাকোতে সচেতন নহ'লে কিছুদিনৰ পিছত হয়তো অসমীয়া বুলি পৰিচয় দিবলৈকে একো নৰ'ব আৰু ভূপেনদাই কোৱাৰ দৰে অসমতে ভগনীয়া হ'ব অসমীয়া সকলো হেৰুৱাৰ। সেয়েহে, জুই আহি সম্পূৰ্ণৰূপে হাত নোপোৱোতেই আমি বিদেশী বহিষ্কাৰ কৰি মাতৃভূমি তথা স্বজাতিৰ সুৰক্ষাৰ বাবে অহোপুৰুষাৰ্থ কৰিব লাগিব। তেহে বাচিব অসম। তেহে শান্তি পাব স্বদেশৰ বাবে প্ৰাণাহুতি দিয়া অগণন ছহিদৰ পূণ্যাত্মাই।

এৰা, যি মহান আদৰ্শৰে, যি মহান উদ্দেশ্যেৰে ছহিদ হ'ল প্ৰায় আঠ শতাধিক অসমীয়া সেইসকলৰ আদৰ্শক যথোচিত সন্মান আমি জনাবই লাগিব। শ্ৰদ্ধাৰে সোঁৱৰিবই লাগিব তেওঁলোকক। কাৰণ ইয়াৰ মাজতেই নিহিত হৈ আছে অসমৰ সপোন......... অসমীয়াৰ সপোন.............. গতিকে কোনো পৰিস্থিতিতেই কোনো অসমীয়াই ভুলতো পাহৰিব নালাগিব এই কথা। "আমাৰ অসম, আমাৰ মাটি, আমাৰ অধিকাৰ"।▶▶

(কলেজ বাৰ্ষিক যুৱ মহোৎসৱৰ প্ৰবন্ধ প্ৰতিযোগিতাত পুৰস্কাৰপ্ৰাপ্ত)

মহৎ লোকৰ বাণী

- সৰু বিন্ধাৰ মাজেৰে যেনেকৈ পোহৰ দেখা যায় তেনেকৈ সৰু সৰু কথাৰ মাজেৰে মানুহৰ চৰিত্ৰৰ মাহাত্ম্য প্ৰকাশ পায়। *-লৰ্ড এড্‌বেৰী।*
- জ্ঞানী লোক অসম্ভৱৰ ফালে ধাৱিত হয়। *- মেচেওহাৰ।*
- অকল প্ৰতিভাই নহয়, চৰিত্ৰৰ সহায়তহে মানুহ মহত্ত্বৰ শাৰীলৈ উঠে। *-হেম বৰুৱা।*
- নিৰক্ষৰতা মানেই জ্ঞানহীনতা নহয়। *- ৰবীন্দ্ৰ নাথ ঠাকুৰ।*
- অন্ধকাৰক অভিশাপ দিয়াতকৈ এডাল মমবাতি জ্বলোৱাহে বুদ্ধিমানৰ কাম। *-কনফুচিয়াচ।*
- আজিৰ কাম কালিলৈ কৰিম বুলি পেলাই নথবা, কাৰণ কালিলৈ তোমাৰ কি হ'ব তুমি নাজানা। *-হজৰত্ মহম্মদ।*
- অহংকাৰী মানুহবোৰ কুকুৰাৰ দৰে। কুকুৰাই ভাবে যে সি ডাক দিয়াৰ কাৰণেহে ৰাতি পুৱায়। *-জৰ্জ ইলিয়ট।*

সংগ্ৰাহক ঃ সংগীতা লাহন
স্নাতক পঞ্চম ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

অসমৰ চাহ জনগোষ্ঠী লোকসকলৰ পৰম্পৰা উৎসৱ কৰম পৰৱ

মৌচুমী চাহু
স্নাতক প্ৰথম ষান্মাষিক, অৰ্থনীতি বিভাগ

অসমলৈ চাহ জনগোষ্ঠী লোকসকল অহা বহু বছৰ পুৰণি কথা। এই চাহ জনগোষ্ঠীৰ লোকসকলক বহু বছৰ আগতে বৃটিছসকলে অসমলৈ বাগানত কাম কৰিবলৈ আনিছিল আৰু পিছলৈ এই চাহ জনগোষ্ঠীৰ লোকসকল অসমত স্থায়ীভাৱে বসবাস কৰিছিল। চাহ জনগোষ্ঠীৰ লোকসকলে পৰম্পৰা অনুযায়ী বহুতো উৎসৱ পালন কৰে। যেনে - ইংথুৰ পূজা, বা গৰয়া পূজা, সঁহৰাই পৰৱ বা গো-জাগৰণ পৰৱ, চাৰুল পৰৱ, ক্ষেত্ৰ পূজা, কৰম পৰৱ পালন কৰা দেখা যায়। কৰম পৰৱ পালন কৰাৰ মূল কথা হ'ল ঃ প্ৰকৃতিৰ উৰ্বৰা শক্তি বৃদ্ধি, শস্য বৃদ্ধি আৰু সমাজৰ সমৃদ্ধি কামান কৰাৰ উদ্দেশ্যই প্ৰধান বুলি ধাৰণা কৰা হয়। এই উৎসৱ বছৰত তিনিবাৰকৈ পালন কৰা হয়। ভাদ মাহ, আহিন মাহ আৰু আঘোণ মাহত পালন কৰে। ভাদ মাহত পালন কৰা কৰমক 'জীতিয়া কৰম' বোলে, আহিন মাহত পালন কৰা কৰমক 'বুঢ়ী কৰম' বোলে আৰু শেষত আঘোণ মাহত পালন কৰা কৰমক 'ৰাস কৰম বা ৰাস ঝুমুৰ' বোলে। এই তিনিটা কৰম পৰৱৰ ভিতৰত আটাইতকৈ উলহ মালহেৰে জীতিয়া কৰম অৰ্থাৎ ভাদ মাহৰ শুক্লা একাদশীত পালন কৰা কৰম পৰৱত অধিক আনন্দ কৰে আৰু ধুম ধামেৰে পালন কৰা দেখা যায়। এই পৰৱত মহিলা সকলৰ ভূমিকা প্ৰধান। এই পৰৱত নিয়ম কৰা আৰু ব্ৰত মানি চলা মহিলাসকলক 'কৰমতী' বুলি কোৱা হয়। নিয়ম অনুযায়ী কৰম পূজাৰ তিনিদিন, পাঁচদিন বা সাতদিনৰ আগতে কৰমতী সকলে নদীৰ পাৰত ধূপ-ধূনা ফুলেৰে আৰতি কৰি লগত নিয়া পাচি একোটাত প্ৰত্যেকে একাঁজলিকৈ বালি ভৰাই মাটি মাহ, বুটমাহ, মগুমাহ, ধান ইত্যাদি নানা ধৰণৰ বীজ ব্যক্তিগত ভাৱে চিন ৰাখি সিঁচি দিয়ে। এই কাৰ্য্যক 'জাৱাধৰা' বোলা হয়। এই নিয়মসমূহ কৰি অহা দিনৰ পৰা কৰমতী সকলে মূল কৰম পৰৱৰ দিনলৈ বিভিন্ন ধৰণৰ বাধা নিষেধ মানি চলে। এই বাধা-নিষেধ সমূহ হ'ল তেল-হালধী দিয়া খাদ্য খাব নালাগে, মিঠাই জাতীয় খাদ্য খাব নালাগে, আঙুলিৰে মূৰ খজুৱাব নালাগে আৰু ফণীৰে মূৰ আঁচুৰিব নালাগে। এই নিয়ম মানি নচলিলে গজালি মেলা জাৱখিনি নষ্ট হয় বা লেৰেলি যায়। পূজাৰ বাবে নিৰ্দিষ্টকৈ ৰখা স্থানত কৰম গছৰ ডাল আনি বেদীত পুতি থোৱা হয় আৰু বেদীৰ ওচৰত কৰমতীসকলে জাৱাৰ টোপা স্থাপন কৰি কৰমতীসকলে মূল কৰম পৰৱৰ দিনালৈকে জাৱা জাগৰণ গীত গাই কৰম দেৱতাৰ আশীৰ্বাদ কামনা কৰে। এই পূজাত কুঁহিয়াৰ গছৰ ডাল পুতি পূজা কৰে। ইয়াক ডাল কৰম বোলে। মূল পৰৱৰ দিনা বেদীৰ চৌপাশে 'কহনী বুঢ়া' অৰ্থাৎ যি জনে কৰম পৰৱৰ আখ্যানখন ভাঙনি কৰি কৈ যায় আৰু কৰমতীসকলে বেদীৰ চাৰিওফালে ঘূৰি আৰতি কৰে। আখ্যানখন পঢ়ি শেষ হোৱাৰ পাছত গোটেইখিনি ডেকা-গাভৰু, বুঢ়া-বুঢ়ী সকলোৱে নাচ-গান কৰে অৰ্থাৎ ঝুমইৰ নাচে। ঝুমইৰৰ এটি কলি—

ভাদ একাদশী ৰাইতে
তকে মনে পৰে ঘনে ঘনে
অ' ধনীৰে কৰম চালে
চ'না চ'না মনৰে অ'...

এইদৰে নাচ-গান কৰি ৰাতিপুৱা সূৰ্য্য উদয়ৰ লগে লগে কৰমতী সকলে পূজাৰী অৰ্থাৎ কহনী বুঢ়াৰ লগত শ্ৰদ্ধা সহকাৰে বেদীৰ পৰা কৰম ডাল তুলি নৃত্য-গীত কৰি নদীত নিয়ম অনুযায়ী উটুৱাই দিয়ে। এই পৰৱৰ আঠদিনৰ পিছত কৰম ডাল পুতি থোৱা গাঁতটো এমুঠিকৈ মাটি দি পুতি পেলাই আৰু নিয়ম অনুযায়ী বন্তি-ধূপ জ্বলাই। এই কাৰ্য্যক 'গাড়া ভোতা' বুলি কোৱা হয়।

এনেদৰে চাহ জনগোষ্ঠীৰ লোকসকলে কৰম পৰৱ পালন কৰি নিজৰ মৰ্যদা আৰু স্বকীয়তা জীয়াই ৰাখিছে।

পৰ্যটন স্থলী হিচাপে অসমৰ গ্ৰাম্য সমাজ

দীপশিখা শৰ্মা
স্নাতক প্ৰথম ষাণ্মাসিক, ভূগোল বিভাগ

গ্ৰাম্য পৰ্যটন হৈছে এনে এক পৰ্যটন যি বিশেষভাৱে গ্ৰাম্য জীৱন ধাৰণ পদ্ধতি, কলা-সংস্কৃতি, ৰীতি-নীতিৰ ওপৰত নিৰ্ভৰ কৰি গঢ়ি উঠে। এনে পৰ্যটনে গাঁৱলীয়া সমাজ আৰু অৰ্থনৈতিক উন্নতিত যথেষ্ট সহায় কৰে। বৰ্তমান এনে পৰ্যটনে বৃহৎ সংখ্যক লোকক কৰ্মসংস্থাপন দিবলৈ সক্ষম হৈছে। এনে পৰ্যটন গঢ়ি উঠা ঠাইত বিভিন্ন দোকান, হোটেল, ল'জ, আদি গঢ়ি উঠাৰ লগতে তেওঁলোকে বনোৱা বিভিন্ন বস্তুৰে তেওঁলোকৰ সাংস্কৃতিক প্ৰতিফলিত কৰি তুলিব পাৰে। ইয়াৰ উপৰিও সেই সমূহৰ বিক্ৰী আদিয়েও সেই অঞ্চলৰ লোকৰ লগতে ঠাইখনৰ অৰ্থনৈতিক উন্নতিত সহায় কৰে। প্ৰাকৃতিক আৰু বিভিন্ন সাংস্কৃতিক উপাদানেৰে ভৰপূৰ অসম হৈছে অতীত কালৰে পৰাই পৰ্যটকৰ বাবে এখন ভূ-স্বৰ্গ স্বৰূপ। ই বিভিন্ন জাতি, জনজাতি, ভাষা, সংস্কৃতি, উৎসৱ, গীত-নৃত্যৰে ভৰপূৰ এখন ৰাজ্য। গতিকে গ্ৰাম্য পৰ্যটনৰ সম্ভাৱনীয়তা অসমত যথেষ্ট পৰিমাণে দেখা যায়। ৫৯৪-৬৫০ এ.ডি.ত ভাস্কৰ বৰ্মনৰ দিনতেই চীনা পৰিব্ৰাজক হিউৱেন চাং অসমলৈ আহি ইয়াৰ বিভিন্ন কলা-সংস্কৃতিৰ কথা লিখি থৈ গৈছে। সেই সময়ৰ পৰা আজিলৈকে বহুতো পৰ্যটকে অসমক পৰ্যবেক্ষণ কৰিছে কিন্তু তথাপি ইয়াৰ সম্ভাৱনীয়তাৰ লগত তুলনা কৰিলে ই নিচেই নগণ্য।

অসমীয়া সংস্কৃতি হ'ল সমন্বয়ৰ সংস্কৃতি। অসমত বসবাস কৰা বিভিন্ন নৃগোষ্ঠীৰ বিশেষকৈ আৰ্য, কিৰাট, নিষাদ, দ্ৰাবিড় আদিৰ সাংস্কৃতিক উপাদনৰ সংমিশ্ৰণ ঘটি অসমীয়া সমাজ গঢ়ি উঠিছে।

অসমৰ খাদ্য ব্যৱস্থা, সংগীত, নৃত্য, বাদ্য, কৃষি ব্যৱস্থা, স্থাপত্য, ভাস্কৰ্য, অলংকাৰ, সাজপাৰ, গৃহসজ্জা, এই সকলো দিশতেই এক বৈচিত্ৰতা পৰিলক্ষিত হয়। অসমৰ থলুৱা খাদ্য ব্যৱস্থালৈ লক্ষ্য কৰিলে দেখা যায় যে তেওঁলোকৰ খাদ্য সম্পূৰ্ণৰূপে প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল আৰু চাউলৰ পৰা বিভিন্ন ধৰণৰ খাদ্য প্ৰকৰণ প্ৰস্তুত কৰে। উদাহৰণ স্বৰূপে অসমীয়াৰ জাতীয় উৎসৱ বিহুৰ সময়ত বিভিন্ন ধৰণৰ চাউলৰ পৰা পিঠা-পনা, জা-জলপান আদি প্ৰস্তুত কৰে। ইয়াৰ উপৰিও কৃত্ৰিম উপায়েৰে চাউলৰ পৰা এক নিচাযুক্ত দ্ৰব্য লাওপানী প্ৰস্তুত কৰে। গ্ৰাম্যৰ অঞ্চলৰ লোকসকলৰ গৃহ নিৰ্মাণ প্ৰক্ৰিয়াও অতি সাধাৰণ। তেওঁলোকে গৃহ নিৰ্মাণৰ আহিলা হিচাপে প্ৰকৃতি প্ৰদত্ত বাঁহ, বেত, কাঠ আৰু খেৰ ব্যৱহাৰ কৰে। আনহাতে গৃহসজ্জাৰ বাবে তেওঁলোকে কাঁহৰ

বাত্তি-কাঁহী, লোটা, শৰাই , সঁফুৰা, আদি ব্যৱহাৰ কৰা দেখিবলৈ পোৱা যায়। কাঁহৰ বাচন বৰ্তনৰ নিৰ্মাণৰ বাবে অসমৰ সৰ্থেবাৰী পৃথিৱী বিখ্যাত।

আনহাতে সাজ-পাৰ আৰু অলংকাৰৰ ক্ষেত্ৰতো গ্ৰাম্যবাসী আনতকৈ সুকীয়া। অসমৰ গ্ৰাম্যাঞ্চলৰ লোকসকলে বিশেষকৈ ঘৰতে বোৱা কাপোৰ পৰিধান কৰে। অসমীয়া তিৰোতাই এড়ি, মুগা আৰু পাট পলুৰ পৰা সূতা উলিয়াই মুগা পাট আৰু এড়ি কাপোৰ প্ৰস্তুত কৰে। অসমীয়া তিৰোতাই বোৱা মুগা আৰু পাটৰ কাপোৰে বৰ্তমান বিশ্ব দৰবাৰত এক সুকীয়া আসন লাভ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ উপৰিও অলংকাৰ পৰিধানলৈ লক্ষ্য কৰিলে দেখা যায় যে অসমীয়া লোকসকলে কপালত কপালী, শিৰত শিৰপতা, খোপাত সোণ-ৰূপৰ ফুল, ডিঙিত জোনবিৰি, ঢোলবিৰি, মাদলী, গেজেৰা, বেনা, দুগদুগী, গলপতা আদি বিশেষ ধৰণৰ অলংকাৰ পৰিধান কৰে।

এইবোৰৰ উপৰিও হাতীৰ দাঁত, হাড়, গড়ৰ খৰ্গ আদিৰ পৰা অলংকাৰ প্ৰস্তুত কৰে। এই সকলোবোৰ পৰ্যবেক্ষণৰ বাবেই বিভিন্ন দেশৰ পৰা পৰ্যটকৰ আগমন ঘটে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ অনবদ্য সৃষ্টি নামঘৰ আৰু সত্ৰসমূহো হৈছে বিদেশী পৰ্যটক আকৰ্ষণৰ অন্যতম উৎস। আনহাতেদি আহোম স্বৰ্গদেউসকলে নিৰ্মাণ কৰা বিভিন্ন দ'ল-দেৱালয়, যেনে— শিৱসাগৰৰ শিৱ দ'ল, বিষ্ণু দ'ল, দেৱীদ'ল, জয়দ'ল, ৰংঘৰ, কাৰেংঘৰ, তলাতল ঘৰ, শিৱসাগৰ পুখুৰী, জয়সাগৰ পুখুৰী এই সকলো অতীজৰে পৰা আকৰ্ষণৰ কেন্দ্ৰ হৈ আহিছে। আনহাতে বিভিন্ন প্ৰজাতিৰ চৰাই চিৰিকতি, জীৱ-জন্তুৰে ভৰপূৰ অসমৰ অভয়াৰণ্যসমূহ পৰ্যটনৰ উৎস। তাৰ ভিতৰত কাজিৰঙাৰ এশিঙীয়া গঁড় পৃথিৱী বিখ্যাত। এশিঙীয়া গঁড়ৰ প্ৰতি বহুতো পৰ্যটকৰ আগমন ঘটিছে। আনহাতেদি সুস্বাদু আৰু সুগন্ধৰ বাবে অসমৰ চাহে বিদেশত এক বিশেষ সমাদৰ লাভ কৰিছে যাৰ কাৰণে চাহ উদ্যোগসমূহ পৰ্যবেক্ষণৰ কাৰণে যথেষ্ট সংখ্যক পৰ্যটকৰ অসমলৈ আগমন ঘটিছে।

গতিকে দেখা যায় যে অসমত বহুতো চাবলগীয়া, চাই শিকিবলগীয়া সা-সামগ্ৰী বিদ্যমান যাৰ কাৰণে অসম এখন পৰ্যটন স্থলীলৈ ৰূপান্তৰিত হৈছে। এই সকলোবোৰ পৰ্যবেক্ষণ কৰিলে আমি অসমৰ বিভিন্ন কলা-সংস্কৃতি, উৎসৱ-পাৰ্বণ, ৰীতি-নীতিৰ আদিৰ লগতে ইয়াৰ গ্ৰাম্যবাসীৰ জীৱন ধাৰণ প্ৰক্ৰিয়াটো স্পষ্টৰূপত প্ৰতিফলিত হোৱা দেখা যায়। পৰ্যটকৰ আগমনে অসমৰ সমাজ-সংস্কৃতিৰ দিশটোৰ লগতে ইয়াৰ অৰ্থনৈতিক দিশতো যথেষ্ট উন্নতি সাধিবলৈ সক্ষম হৈছে। পৰ্যটকৰ আগমনে অসমৰ বৈদেশিক মুদ্ৰাৰ ভঁৰাল চহকী কৰিছে। প্ৰত্যেক বছৰে আগমন ঘটা এই বিদেশী পৰ্যটকসকলৰ ৰক্ষণাবেক্ষণৰ কাৰণে পৰ্যটন বিভাগে বহুতো ব্যৱস্থা হাতত লৈছে। য'ত বহুতো নিবনুৱাই কৰ্মসংস্থাপনৰ সুবিধা লাভ কৰিছে। ইয়াৰ দ্বাৰা অসম অৰ্থনৈতিক দিশত যথেষ্ট লাভবান হৈছে।

পৰ্যটনৰ স্থলী হিচাপে অসমত বহুতো সুবিধা আছে যদিও অসমৰ গ্ৰাম্যঞ্চলত বহুতো অসুবিধাও পৰিলক্ষিত হয়। সেইবোৰ হৈছে—

উগ্ৰপন্থীৰ সমস্যা ঃ বৰ্তমান অসমত সঘনাই দেখা পোৱা উগ্ৰপন্থীৰ সমস্যাৰ বাবে পৰ্যটক সকলে ইয়ালৈ ফুৰিবলৈ অহাটো সুৰক্ষিত বুলি নাভাবে। যিয়ে অসমৰ পৰ্যটন উদ্যোগটোক আগবাঢ়ি যোৱাত বাধা কৰিছে।

যাতায়তৰ অসুবিধা ঃ বিশেষকৈ দেখা যায় যে এতিয়াই অসমৰ বহুত ঠাইত যাতায়তৰ সুব্যৱস্থা নাই যাৰ বাবে অসমৰ পৰ্যটন উদ্যোগটোৱে গা কৰি উঠিব পৰা নাই।

চৰকাৰৰ তথা জনসাধাৰণৰ ইয়াৰ প্ৰতি সচেতনতাৰ অভাৱ ঃ অৱশ্যে চৰকাৰে বৰ্তমান ইয়াৰ উন্নতিৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। আন আন দেশৰ গ্ৰাম্য পৰ্যটনৰ তুলনাত অসমত পৰ্যটন বিভাগে বিশেষ উন্নতি কৰিব পৰা নাই যদিও চৰকাৰ আৰু অসমীয়া লোকৰ অসীম প্ৰচেষ্টাৰ বলত অসমৰ গ্ৰাম্য পৰ্যটনেও ভৱিষ্যতে যথেষ্ট উন্নতি কৰাৰ সম্ভাৱনীয়তা আছে। ▶▶

বিদেশী অনুপ্ৰবেশৰ সমস্যা আৰু অসম

চিমি কোঁৱৰ
স্নাতক দ্বিতীয় ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

প্ৰস্তাৱনা ঃ

সন্ত্ৰাস জৰ্জৰিত অসম নানানটা সমস্যাৰ যাদুঘৰ। অসমৰ মাটিৰ কেঁচা গোন্ধ, পাহাৰ-পৰ্বত-ভৈয়াম আৰু নদী নিজৰাৰ মোহত বন্দী বহুতো দেশী-বিদেশী লোক। অসমৰ সহজ-সৰল অসমীয়াসকলৰ বাবে অতিথি সেৱাই যেন জীৱনৰ ব্ৰত। সেয়ে অতি সহজে আকৰ্ষিত হয় বহিৰাগত মানুহ অসমৰ প্ৰতি। অসমীয়া মানুহৰ সৰলতা দেখি এচাম বহিৰাগত লোক মুগ্ধ হয় আৰু আন এচামে সেই সৰলতাৰ সুযোগ গ্ৰহণ কৰিবলৈ উঠি পৰি লাগে। এই দ্বিতীয় শ্ৰেণীৰ সুবিধাবাদী লোকসকলেই অসমৰ পাহাৰ ভৈয়ামৰ প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰাৰ ছলেৰে আহি পৰৱৰ্তী সময়ত অসমত অবৈধ ভাৱে বাস কৰিবলৈ ধৰে আৰু এনেদৰে অবৈধ ভাৱে বহিৰাগত প্ৰবেশে সৃষ্টি কৰে বিদেশী অনুপ্ৰবেশৰ সমস্যা। সাম্প্ৰতিক সময়ত এই বিদেশী অনুপ্ৰবেশৰ সমস্যাই ভয়াবহ ৰূপ ধাৰণ কৰিছে। অসমৰ বিদেশী অনুপ্ৰবেশৰ সমস্যাটোৰ বিষয়ে আলোচনা কৰাৰ আগতে এটি কথা স্পষ্ট হোৱা প্ৰয়োজন যে প্ৰব্ৰজন মানুহৰ সমাজৰ একপ্ৰকাৰ সহজাত প্ৰবৃত্তি আৰু ই এক ইতিহাস সন্মত প্ৰক্ৰিয়া। অৰ্থনৈতিক কাৰণত, জীৱিকাৰ সন্ধানত, প্ৰাকৃতিক দুৰ্যোগৰ প্ৰভাৱত, যুদ্ধকালীন পৰিস্থিতিৰ ভয়াবহতা আদি বিভিন্ন কাৰণত প্ৰব্ৰজন সংঘটিত হয়। এনেবোৰ কাৰণতে অসমলৈ বিভিন্ন লোকৰ প্ৰব্ৰজন হৈছে। বিংশ শতিকাৰ প্ৰথমাৰ্ধৰ পৰাই এই প্ৰব্ৰজনে ব্যাপক ৰূপ লয়। ১৯৩১ চনৰ Census Commissioner মূলানে এই প্ৰব্ৰজনৰ ভয়াবহতা সম্পৰ্কে আঙুলিয়াই দিছিল যদিও এই জন প্ৰব্ৰজনৰ সোঁত বন্ধ হোৱা নাছিল আৰু সকলোবোৰ মিলি সমস্যা ক্ৰমে গধুৰ হৈ পৰিছিল। চীন যুদ্ধৰ পিছতে কেন্দ্ৰীয় চৰকাৰে কৰা এক অনুসন্ধান মতে অসমত দুই লাখ ত্ৰিশ হাজাৰ বিদেশী অনুপ্ৰবেশকাৰী চিনাক্ত কৰিছিল। ১৯৯৮ চনৰ ১ আগষ্ট তাৰিখে লোক সভাত দাখিল কৰা এক তথ্য মতে অসমত এক কোটি চল্লিশ লাখ বিদেশী অনুপ্ৰবেশকাৰী আছে আৰু এই অবৈধ অনুপ্ৰবেশকাৰীসকলে অসমত বিভিন্ন ভয়াবহ সমস্যাৰ সৃষ্টি কৰিছে। এইবোৰ দেখি এনে অনুভৱ হৈছে যেন অসমত অসম আন্দোলনৰ দ্বিতীয় খণ্ডহে আৰম্ভণি হৈছে।

বিদেশী অনুপ্ৰবেশৰ সমস্যা আৰু অসম ঃ

অসমত বিদেশী আছে আৰু অসমলৈ অহৰহ বিদেশী সোমায়েই আছে। এনে প্ৰসংগত মূলতঃ বাংলাদেশৰ পৰা অসমলৈ হৈ থকা প্ৰব্ৰজনকে বুজোৱা হয় যদিও অন্যান্য ঠাইৰ পৰাও অসমলৈ প্ৰব্ৰজন হোৱা পৰিলক্ষিত হয়। এই প্ৰব্ৰজনে বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমি অসমলৈ ভয়াবহ সমস্যা কঢ়িয়াই আনিছে। এই সমস্যাসমূহ হ'ল—

ক) অসমৰ জনগাঁথনিৰ বৃহৎ পৰিৱৰ্তন হৈছে আৰু খিলঞ্জীয়াসকলৰ মাজলৈ এক অস্তিত্বৰ সংকট নামি আহিছে।

খ) অসমৰ অসমীয়া মুছলমান শ্ৰেণীটোক সদায় অবৈধ বাংলাদেশীৰ প্ৰসঙ্গত সন্দেহৰ আবৰ্তত ৰখা হৈছে আৰু এনে হোৱাৰ ফলত ন-অসমীয়াৰ শ্ৰেণীটোৰ এক বৃহৎ প্ৰকৃত ভাৰতীয় শ্ৰেণীটোৱেও লাহে লাহে অস্তিত্বৰ সংকটত ভুগিবলৈ ধৰিছে।

গ) যুক্তিৰ খাটিৰত যদিওবা ধৰি লোৱা হয়, অসমত থকা তথাকথিত মিঞাসকল (যাক সততে বাংলাদেশী বুলি অভিহিত কৰা হয়) মাজৰ ত্ৰিশ শতাংশ লোক বিদেশী বুলি প্ৰমাণিত হৈ বিদেশী বুলি ভাৰত ত্যাগ কৰিব লগা হ'ল। বাকী সত্তৰ শতাংশৰ লগত আমি খিলঞ্জীসকলে সহঅৱস্থান কৰিলেও আজিৰ তথাকথিত মিঞা সকলে নিজৰ মাতৃভাষা অসমীয়া বুলি নক'লে আমি অসমীয়াসকলে তৎমুহূৰ্ততে ভাষিক সংখ্যালঘুত পৰিণত হ'ম। তেনে পৰিস্থিতিত আমি অসমীয়া জাতিৰ ভৱিষ্যতটোক কিদৰে সংৰক্ষিত কৰিম?

বিদেশী অনুপ্ৰবেশৰ সমস্যাৰ পৰা অসমীয়া জাতিটোক বচাবৰ বাবে ১৯৭৯ চনত আৰম্ভ হোৱা ঐতিহাসিক অসম আন্দোলনৰ ফলস্বৰূপে যি অসম চুক্তি ৰূপায়িত হৈছিল, সেই চুক্তি সম্পন্ন হোৱা আজি প্ৰায় ২৭ বছৰৰ পাছতো অসমৰ পৰা বিদেশী

অনুপ্ৰবেশৰ মাৰাত্মক সমস্যা দূৰ নহ'ল, বৰঞ্চ দুৰাৰোগ্য কৰ্কট ৰোগৰ দৰে ই বাঢ়ি আহিল ক্ৰমশঃ। বহুতো নাৰীয়ে নিজৰ সতীত্ব হেৰুওৱাৰ পিছতো, ৮৫৫ জন তেজাল যুৱকৰ তেজৰ বিনিময়তো চুক্তিখনৰ মূল দফাসমূহ আজি পৰ্যন্ত পুৰণ নহ'ল। উন্মুক্ত সীমান্তইদি অবৈধ প্ৰব্ৰজন অব্যাহত থাকিল। কেৱল সেয়াই নহয়, এই অবৈধ অনুপ্ৰবেশকাৰীসকলে খুউব সহজেই অসমৰ ভোটাৰ তালিকাতো নিজৰ নাম সন্নিবিষ্ট কৰি ৰাজনৈতিক ব্যৱস্থাতো হস্তগত কৰিব পৰা হ'ল। লাহে লাহে দেখা গ'ল যে তেওঁলোকে এফালৰ পৰা অসমত অসমীয়াৰ অস্তিত্ব বিপদাপন্ন কৰিবলৈ ধৰিলে।

অসম চুক্তি স্বাক্ষৰিত হোৱাৰ পাছতে কোৱা হ'ল যে আই.এম.ডি.টি. আইন থকাৰ বাবে বিদেশী বহিস্কাৰত অসুবিধা হ'ল। কিন্তু যদি প্ৰশ্ন কৰা হয় অসম চুক্তি মতে সীমান্তটো ছীল কৰা নহ'ল কিয়? সীমান্ত ছীল কৰা প্ৰসঙ্গক লৈতো আই.এম.ডি.টি. আইনৰ কথা অহা নাছিল। দেশ বিভাজনৰ ঠিক তিনি বছৰৰ পাছতে ভাৰত পাকিস্তানৰ সীমান্ত ছীল কৰা হ'ল। কিন্তু চুক্তি স্বাক্ষৰ কৰাৰ ২৭ বছৰৰ পাছতো অসম বাংলাদেশৰ সীমান্ত উন্মুক্ত কিয়? এই প্ৰশ্নৰ উত্তৰৰ পৰা এটা কথাই স্পষ্ট হয় যে অবৈধ অনুপ্ৰবেশকাৰীক ভাৰতীয় সজাই ভোট বেংকৰ ৰাজনীতিৰ বাবে সীমান্তটো উন্মুক্ত কৰা হৈছে।

অসমীয়া জাতি যে আৰু উদাৰ হোৱা উচিত নহয়, সেয়া বৰপেটা কাণ্ডই প্ৰমাণ কৰি দিয়ে। যি সকলে উক্ত কাৰ্য সংঘটিত কৰিলে তেওঁলোকৰ পূৰ্ব পুৰুষ প্ৰবজিত বা চুক্তিখনৰ ভিত্তিবৰ্ষ (১৯৭১ চনৰ ২৫ মাৰ্চ) মতেহে ভাৰতীয়। সেইসকল ন-অসমীয়াই বৰপেটাৰ অসমীয়াৰ সুৰক্ষাৰ বাবে প্ৰস্তুত হৈ থকা এন.আৰ.চিৰ কামত বাধা দিলে। সেইসকল ন-অসমীয়াৰে সতি-সন্ততিয়ে গুৱাহাটীৰ প্ৰেচ ক্লাৱত সংখ্যালঘুৰ হাৰাশাস্তি কৰিলে। ইয়াৰ পাছতো অসমীয়াই আৰু উদাৰতা দেখুওৱা উচিত হয়নে নহয়, আমাৰ বোধেৰে সেয়া ভাবি চাবৰ এয়াই উপযুক্ত সময়।

অসম চুক্তিৰ ২৭ বছৰৰ ভিতৰত অবৈধ বাংলাদেশীক ৰক্ষণাবেক্ষণ দি থকা আৰু কেৱল অসমতে প্ৰযোজ্য হৈ থকা আই.এম.ডি.টি. আইনখন উচ্চতম ন্যায়ালয়ে বাতিল কৰিলে যদিও যোৱা ২৭ বছৰত ভিতৰত চৰকাৰে আন এটা জাতিধ্বংসী সিদ্ধান্ত ল'লে য'ত নাগৰিকত্ব আইনৰ সংশোধন কৰি বিদেশীৰ ল'ৰা-ছোৱালীক নাগৰিকত্ব প্ৰদান কৰা হ'ল। অসম চুক্তিৰ মতে ১৯৭১ চনৰ ২৫ মাৰ্চলৈকে যিসকল আহিছিল সেই সকল অসমতে থাকিব। কিন্তু ১৯৭১ চনৰ পাছত অহাসকল অসমৰ পৰা যাব লাগিব। নাগৰিকত্ব আইনৰ তিনিবাৰ সংশোধন হ'ল। ৬(ক) দফাৰ জৰিয়তে অসম চুক্তিৰ বিদেশী নাগৰিক সম্পৰ্কীয় সকলো দফা সংযোজিত হ'ল। এই দিশত দফাত আপত্তি কৰিবলগীয়া একো নাই। দ্বিতীয়বাৰ ১৯৮৬ চনত নাগৰিকত্ব আইনৰ সংশোধন কৰি (৩) ১ (ক) দফাৰ জৰিয়তে কোৱা হ'ল যে ১৯৮৬ চনলৈকে অসমত প্ৰবেশ কৰা বিদেশীৰ সতি-সন্ততিক নাগৰিকত্ব প্ৰদান কৰা হ'ব। অসম চুক্তিক অৱজ্ঞা কৰি সংশোধন কৰা এই সিদ্ধান্ত এক জাতিধ্বংসী সিদ্ধান্ত। ২০০৩ চনৰ নাগৰিকত্ব আইনৰ সংশোধন হৈ (৩) (১) (খ) দফা অন্তৰ্ভুক্ত কৰা হ'ল আৰু কোৱা হ'ল যে ২০০৪ চনলৈকে অসমত প্ৰবেশ কৰা বিদেশীৰ ল'ৰা ছোৱালীক নাগৰিকত্ব প্ৰদান কৰা হ'ব। এইদৰে অসম চুক্তিক পুনৰবাৰ অৱজ্ঞা কৰি আকৌ এটা জাতিধ্বংসী সিদ্ধান্ত লোৱা হ'ল। আই.এম.ডি.টি. আইন যিমান সৰ্বনশীয়া, নাগৰিকত্ব আইনৰ ৩(ক) আৰু (খ) দফাও সিমানেই সৰ্বনশীয়া।

অসম চুক্তি মতে চৰকাৰী মাটি, জনজাতীয় বেল্ট, ব্লক সংৰক্ষণ, জন্ম-মৃত্যুৰ পঞ্জী তৈয়াৰ কৰাৰ সিদ্ধান্ত লোৱা হৈছিল যদিও ২৭ বছৰত ইয়াক কাৰ্যকৰী কৰা নহ'ল। ফলত বিদেশী অনুপ্ৰবেশকাৰীসকলেও জনজাতীয় বেল্ট, ব্লক সংৰক্ষণ, চৰকাৰী মাটি বেদখল কৰাৰ লগতে অসম গৌৰৱ কাজিৰঙাকে ধৰি বনাঞ্চলত বেদখল কৰিবলৈ সক্ষম হ'ল।

বিদেশী অনুপ্ৰবেশৰ সমস্যাই আন এটা নতুন সমস্যাৰ জন্ম দিলে। সেয়া হ'ল সন্ত্ৰাসবাদৰ সমস্যা। অসম-বাংলাদেশৰ উন্মুক্ত সীমান্ত ভেদ কৰি অবৈধ বাংলাদেশীৰ লগতে হুজী-আলকাইদাকে ধৰি মৌলবাদী সংগঠনে অসমত প্ৰবেশ কৰিবলৈ সুবিধা পাইছে আৰু সন্ত্ৰাসবাদৰ দৰে এটা জলন্ত আৰু স্পৰ্শকাতৰ সমস্যাৰ সৃষ্টি কৰিছে। লাহে লাহে অবৈধ অনুপ্ৰবেশকাৰী তথা সন্ত্ৰাসবাদীৰ নীৰৱ আগ্ৰাসনে পৰিস্থিতি অধিক ভয়াবহ কৰি তুলিছে।

অসমৰ বিদেশী অনুপ্ৰবেশৰ সমস্যাৰ কিবা সমাধান ওলাবনে ?

প্ৰশ্ন হয় অসমৰ বিদেশী অনুপ্ৰবেশৰ সমস্যাৰ কিবা সমাধান ওলাবনে? বিষয়টো গভীৰ ভাৱে ভাবিলে নিঃসন্দেহে এই জলন্ত সমস্যাৰ সমাধান ওলাব। কিয়নো অসমৰ অবৈধ অনুপ্ৰবেশৰ লগত স্পষ্ট ভাৱে প্ৰতিজন অসমীয়াৰ ভৱিষ্যতৰ প্ৰশ্ন জড়িত হৈ আছে। অসমক বিদেশীমুক্ত কৰাৰ ধ্বনিৰে পুনৰ অসম আন্দোলনৰ হুংকাৰ আহিছে। খিলঞ্জীয়াসকলৰ মাজত অস্তিত্বৰ সংকটে দেখা দিছে।

প্ৰকৃত ভাৰতীয় ন-অসমীয়া সকলক বিদেশী বুলি সন্দেহ কৰা হৈছে। অসমৰ চোতালত বিশ্বাসৰ অভাৱে দেখা দিছে। গতিকে এনে পৰিস্থিতিত অসমত বিদেশী সমস্যাৰ সমাধান উলিওৱাটো সময়ৰ দাবী।

বিদেশী অনুপ্ৰৱেশকাৰীসকলে যাতে স্থায়ী ভাৱে অসমত খোপনি পুতিব নোৱাৰে তাৰ বাবে প্ৰত্যেকজন অসমীয়া সচেতন হোৱা উচিত। প্ৰতিজন অসমীয়াই দাবী কৰা উচিত যে অসম চুক্তিৰ ৬ নং দফাটো শীঘ্ৰে কাৰ্যকৰী কৰিব লাগে। ১৯৫১ চনৰ পৰা ১৯৭১ চনৰ ২৫ মাৰ্চলৈকে অহাসকলক ভাৰতীয় কৰি অসমীয়াৰ উদাৰতা দেখুওৱা হ'ল। তাৰ বিপৰীতে চুক্তিয়ে অসমীয়াক সাংবিধানিক ৰক্ষা কৱচ দিছে। আমাৰ কৃষ্টি, আমাৰ সংস্কৃতি, আমাৰ ৰীতি-নীতি আৰু ভাষাক অসমৰ বুকুত জীয়াই ৰাখিবৰ বাবে আমাক সাংবিধানিক ৰক্ষা কৱচ লাগিবই। অসমৰ ভূমি অসমীয়াৰ বাবে সংৰক্ষিত হোৱাটো প্ৰতিজন অসমীয়াৰ জন্মগত অধিকাৰ।

অসম চুক্তিৰ ৬ নং দফা অনুসৰি অসমৰ ৰাজনৈতিক ক্ষেত্ৰৰ অধিকাৰ কেৱল অসমীয়াৰ বাবেই সংৰক্ষিত হ'ব লাগিব। নিগম নিকায়ৰ পৰা আৰম্ভ কৰি বিধানসভা, লোকসভাৰ প্ৰাৰ্থীত্বৰ ক্ষেত্ৰত অচিৰেই আসন সংৰক্ষণৰ ব্যৱস্থা নকৰিলে অসমতে অসমীয়া অস্তিত্বহীন হবলৈ বেছি দিন নালাগিব। গতিকে চুক্তিৰ ৬ নং দফাটো কাৰ্যকৰী হোৱাত প্ৰতিজন অসমীয়াই যত্ন কৰা উচিত।

অসম আন্দোলনৰ লক্ষ্যত উপনীত হ'বলৈ প্ৰয়োজন হোৱা আইনৰ অনুপস্থিতিৰ বাবেই অসম চুক্তি শোচনীয় ভাবে ব্যৰ্থ হ'ল। ভাৰত পাকিস্থান সীমান্তত বি.এছ.এফে অবৈধ অনুপ্ৰৱেশকাৰীক দেখা মাত্ৰেই গুলিয়াব পাৰে, কিন্তু অসম বাংলাদেশ সীমান্তৰ বি.এছ.এফৰ এনে ক্ষমতা নাই। তেনে প্ৰেক্ষাপটত চৰকাৰৰ পৰা সমাধানৰ প্ৰতিশ্ৰুতি বা চুক্তিয়েই অসমৰ অবৈধ বিদেশী সমস্যা সমাধান কৰিব নোৱাৰে। গতিকে অসম চুক্তিক সফল কৰিবলৈ যিসমূহ আইন আৰু ব্যৱস্থাৰ প্ৰয়োজন আছিল, সেই সমূহ সংসদ আৰু চৰকাৰৰ দ্বাৰা কৰোৱাবলৈ বাধ্য কৰোৱাটোৱেই নতুন জাগৰণৰ লক্ষ্য হোৱা উচিত।

অসমৰ বিদেশী অনুপ্ৰৱেশৰ সমস্যা সমাধানৰ বাবে ল'বলগীয়া অন্য এটা গুৰুত্বপূৰ্ণ পদক্ষেপ হ'ব অবৈধ বিদেশীক চিনাক্ত কৰি ভোটাৰ তালিকাৰ পৰা নাম কৰ্তন কৰি বহিষ্কাৰ কৰা। সন্দেহজনক বিদেশীক বহিষ্কাৰ নোহোৱা পৰ্যন্ত ডিটেনশ্বন কেম্পত ৰখাৰ ব্যৱস্থা কৰিব লাগিব। মুঠতে অবৈধ বিদেশীসকলক পুলিয়ে পোখায়ে অসমৰ মাটিৰ পৰা উৎখাত কৰিবলৈ ফলপ্ৰসু ব্যৱস্থা তথা কঠোৰ পদক্ষেপৰ বাহিৰে অন্য কোনো গত্যন্তৰ নাই।

অসম চুক্তি ২৭ বছৰ কাৰ্যকৰী কৰিব নোৱাৰাৰ বাবে অসম চৰকাৰৰ লগতে সকলো ৰাজনৈতিক দলে অসমৰ জনসাধাৰণৰ ওচৰত নিঃচৰ্তভাৱে ক্ষমা খোজাৰ লগতে সকলোৱে অবৈধ বিদেশীৰ মোহ এৰি অসমৰ খিলঞ্জীয়া মানুহৰ স্বাৰ্থত অসম চুক্তি নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত কৰিম বুলি অসমৰ জনসাধাৰণৰ ওচৰত প্ৰতিজ্ঞাবদ্ধ হওক। তেতিয়াহে অসমৰ বিদেশী অনুপ্ৰৱেশৰ সমস্যাৰ স্থায়ী সমাধান হ'ব বুলি আশা কৰিব পাৰি।

অসমৰ বিদেশী অনুপ্ৰৱেশৰ সমস্যাৰ সমাধানৰ বাবে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণো এটা ফলপ্ৰসু পদক্ষেপ হ'ব। কিয়নো ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীখনো উন্নীতকৰণ নোহোৱাৰ বাবেই আজি পৰ্যন্ত অবৈধ অনুপ্ৰৱেশকাৰীসকলক শুদ্ধবাবে চিনাক্তকৰণ কৰাত চৰকাৰ ব্যৰ্থ হৈছে। গতিকে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণেও বিদেশী অনুপ্ৰৱেশৰ সমস্যাৰ স্থায়ী সমাধান আগবঢ়াব।

সামৰণি ঃ

বিশ্বায়নে প্ৰবজন অনিবাৰ্য কৰি তুলিছে। বিশ্বঅৰ্থনীতিত বাংলাদেশৰ দৰে কিছু দেশে পৰাজয় বৰণ কৰিছে আৰু সেইবোৰ দেশৰ পৰাই জীৱিকাৰ সন্ধানত এচাম লোক ভিন ভিন ঠাইলৈ আহিছে আৰু সৃষ্টি কৰিছে বিদেশী অনুপ্ৰৱেশৰ দৰে ভয়ংকৰ সমস্যা। গতিকে গোটেই বিষয়টো সামগ্ৰিকভাৱে পৰ্যবেক্ষণ কৰিলে বিশ্ব অৰ্থনীতিত পৰাজিত হোৱা দেশ সমূহৰ আৰ্থিক বিকাশো অসমৰ বিদেশী অনুপ্ৰৱেশৰ সমস্যাটোৰ এটা সমাধান হ'ব পাৰে। যেনেদৰেই নহওক কিয় আমি অসমীয়াই অসমৰ অবৈধ অনুপ্ৰৱেশৰ সমস্যাৰ সমাধান কৰিবই লাগিব। বহুতেই এতিয়া ক'বলৈ ধৰিছে যে অনুপ্ৰৱেশৰ ইচ্ছুটো এটা পাহৰি যোৱা ইচ্ছু। মোৰ বোধেৰে সেইসকল আত্মসচেতন, স্বাভিমানী অসমীয়া নহয়। বহুতে আকৌ ভাৱে অসম চুক্তিৰ আজি ২৭ বছৰে বিদেশী অনুপ্ৰৱেশৰ সমস্যাৰ সমাধান নহ'ল— ইয়াৰ পাছত জানো কিবা হ'ব? এই প্ৰশ্নৰে হতাশ মাতি আনি নিজৰ বাবে অন্ধকাৰ ভৱিষ্যত মতাতকৈ আমি নিজৰ প্ৰাপ্যৰ দাবীত সৰৱ আৰু সচেতন হোৱাই হ'ব আত্মৰক্ষাৰ পথ। প্ৰতিজন অসমীয়াই মনত ৰখা উচিত যে আত্মসচেতন জাতিৰ কেতিয়াও মৰণ নাই। আত্মসচেতন মানুহে তেওঁলোকৰ প্ৰাপ্য এদিন আদায় কৰিব পাৰিবই। ▶▶

(কলেজ বাৰ্ষিক যুৱ মহোৎসৱৰ প্ৰবন্ধ প্ৰতিযোগিতাত পুৰস্কাৰপ্ৰাপ্ত)

একৈশ শতিকাৰ অসমীয়া সমাজত নাৰীৰ স্থান

দীপা ভাগৱতী
স্নাতক তৃতীয় ষান্মাসিক, অসমীয়া বিভাগ

পদ্মিনী, চিত্ৰিণী, হস্তিনী, শংসিনী এই চাৰি জাতিত বিভক্ত সৃষ্টি ক্ষমতাৰ অধিকাৰী নাৰী হৈছে সৃষ্টিকৰ্তাৰ অপূৰ্ব সৃষ্টি। এই নাৰী অবিহনে জগত অচল। নাৰী হৈছে সেই ক্ষমতাৰ অধিকাৰী যাৰ জৰিয়তে এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মৰ সৃষ্টি হয়। কিন্তু এই অপূৰ্ব ক্ষমতাৰ অধিকাৰী নাৰী সদায় পুৰুষৰ হাতৰ পুতলা। পুৰুষে যেনেদৰে নচুৱাব বিচাৰে তেনেদৰে নাচিব লাগিব। যদি প্ৰতিবাদ কৰিবলৈ যায় তেতিয়া বলি হ'ব লগা হয় পুৰুষৰ নৃশংসতাৰ। আজিৰ এই একৈশ শতিকাৰ বিজ্ঞানৰ যুগত এফালে নাৰী গৈ মহাকাশত পদাৰ্পণ কৰিছে কিন্তু আনফালে নাৰী আজিও ঘৰৰ চাৰিবেৰৰ মাজতে আবদ্ধ। কটাব লগা হৈছে এটা অন্ধকাৰ জীৱন, কেতিয়া তেওঁলোকৰ জীৱনলৈ আহিব সুৰুযৰ সোণালী কিৰণ? কেতিয়া তেওঁলোকে হাঁহিব পাৰিব প্ৰাণ খুলি? এতিয়া প্ৰশ্ন হয়, স্বাধীন ভাৰতত আমি (নাৰী) জানো স্বাধীন? আছেনে আমাৰ সামাজিক নিৰাপত্তা? কোনে আনি দিব আমাক স্বাধীনতা? আজিৰ নাৰীও যে স্বাধীন নহয় তাৰ এক জলন্ত নিদৰ্শন হৈছে সৌ সিদিনা গুৱাহাটী মহানগৰীৰ জি.এচ. ৰোডৰ ঘটনা। আজিও পুৰুষে নাৰীক নিজৰ কামনা পূৰণৰ বাবে ব্যৱহাৰ কৰি আহিছে। আজি যেন নাৰীৰ স্থান পুৰুষৰ তুলনাত "শূন্য" এনে উপক্ৰম হৈছে। এইয়া হৈছে কেৱল কিছুমান অন্ধবিশ্বাস, সমাজৰ কিছুমান যুক্তিহীন নিয়মৰ বাবে।

যি সময়ত নাৰীক সকলোতকৈ উচ্চ আসনত বহুৱাব লাগিছিল সেই নাৰীৰ আজি সমাজত স্থান কি সেইটোহে এটা ডাঙৰ প্ৰশ্ন হৈ পৰিছে। আজিও বহুতো কন্যা সন্তানে এই ৰঙীণ পৃথিৱীত দুচকু মেলে মাতৃৰ স্নেহসিক্ত শীতল কোলাৰ পৰিৱৰ্তে ডাষ্টবিনৰ জাঁৱৰৰ দমত। গৰ্ভত থকা শিশুটিও যেতিয়া কন্যা বুলি প্ৰমাণিত হয় তেতিয়াই সেই শিশুটিৰ জীৱনলৈ নামি আহে অন্ধকাৰ। ৰঙীণ পৃথিৱীৰ পোহৰ দেখাৰ আগতেই মাতৃৰ গৰ্ভতে চকু মুদিব লগা হয় বহুতো কন্যা শিশুৱে। কিন্তু সেই সকলে এবাৰো ভাবি নাচায় যে এই নাৰী অবিহনে পুৰুষৰ সৃষ্টি হ'ব ক'ৰপৰা? পুৰুষৰ যিমানেই প্ৰয়োজন, এই পৃথিৱীত যিকোনো প্ৰক্ৰিয়া আউল নলগাকৈ চলাই নিবৰ বাবে পুৰুষতকৈ বেছি নাৰীৰ প্ৰয়োজন।

নাৰীৰো এটা নিজস্বতা আছে। কিয় আজিৰ নাৰীয়ে নিজৰ কথা চিন্তা কৰিবলৈ সুবিধা নাপায়? পুৰুষে নাৰীক দুৰ্বল বুলি ভাবে কিয়? তেওঁলোকে কিয় পাহৰি পেলাই যে নাৰী দুৰ্বল নহয়; নাৰী সহনশীল কিন্তু যেতিয়া ধৈৰ্য্যৰ সীমা হেৰাই যাব তেতিয়া নাৰীয়ে "মা" কালিৰ ৰূপ ধাৰণ কৰিব পাৰে। দুৰ্গা-দেৱী এগৰাকী নাৰী আছিল যি নৰকাসুৰৰ দৰে অসুৰ নিধন কৰিছিল। কনকলতা, মূলাগাভৰু নাৰী আছিল কিন্তু তেওঁলোক পুৰুষতকৈ কোনো গুণে কম নাছিল। মহাভাৰত, বুৰঞ্জীৰ দিনৰ পৰাই নাৰীৰ ওপৰত নিৰ্য্যাতন চলি আহিছে কিন্তু বৰ্তমানেও সেই নিৰ্যাতন কম হোৱা নাই বৰঞ্চ বৃদ্ধিহে পাইছে; মহাভাৰতৰ দিনৰ দ্ৰৌপদীৰ বস্ত্ৰ হৰণৰ দৰে চৰম নিন্দনীয় কৰ্ম আজি সততে পৰিলক্ষিত হয়। আজি নাৰী ইমানেই নিৰাপত্তা হীনতাত ভুগিছে যে নিজৰ ইচ্ছা অনুসৰি পোছাক পৰিধান কৰিব নোৱাৰা হৈছে, ইচ্ছা অনুসৰি বাহিৰলৈ ওলাব নোৱাৰা হৈছে। তাৰ উদাহৰণ হৈছে জি.এচ ৰোডৰ ঘটনা, নিতাই পানীদিহিঙৰ ঘটনা। আজি এজনী ছোৱালী নিজৰ ঘৰতে নিৰাপদ নহয়। এজনী ছোৱালী বাহিৰলৈ ওলাই গ'লেই ঘৰ আহি নোপোৱা পৰ্যন্ত মাক-দেউতাকৰ মুখলৈ পানী নোযোৱা হয়। ইয়াৰ কাৰণ কি, কাৰণ

হ'ল এচাম বিকৃত মগজুৰ পুৰুষ, কাৰণ এখন অন্ধ সমাজ, কাৰণ চকু মুদা কুলিৰ ভাও দিয়া চৰকাৰ।

কিন্তু আমি অকল আনৰ গাত বোকা চতিয়ালেই নহ'ব। নাৰী হিচাপে নিজকো প্ৰশ্ন কৰিব লাগিব কিয় আজি আমাক পুৰুষে ইমান দুৰ্বল বুলি ভাবিছে। এগৰাকী নাৰীয়ে যদি নিজৰ সন্মান, নিজৰ মৰ্য্যদা পাহৰি নাযায়, তেতিয়া এজন পুৰুষে সহজে নাৰীক দুৰ্বল বুলি ভাবিব নোৱাৰে, অপমান কৰিব নোৱাৰে। সেইবাবে নাৰীয়ে কেতিয়াও নিজক পাহৰি যাব নালাগে।

যুৱতীৰ কথাতো বাদেই আজিৰ কিশোৰীও নিৰাপদ নহয়। এপাহ গোলাপ ফুলৰ দৰে কোমল কিশোৰী সকলক এচাম মানুহৰূপী নৰপিশাচে নিজৰ বাসনা পূৰণৰ আহিলা ৰূপে ব্যৱহাৰ কৰিছে আৰু অতি নৃশংসভাৱে হত্যা কৰিছে তেওঁলোকৰ সপোনক। কিন্তু চৰকাৰ, সমাজ সকলো নিমাত। সেই নৰপিশাচক শাস্তি দিয়াৰ পৰিৱৰ্তে বহোৱাইছে সমাজৰ উচ্চ আসনত।

নাৰীৰ এই নিৰাপত্তাহীনতাৰ বাবে সকলোতকৈ বেছি দায়ী সমাজ। মই সেইখন সমাজৰ কথা কৈছো যিখন সমাজে পৰ পুৰুষৰ শয্যাৰ সংগী হোৱা নাৰী গৰাকীক বেশ্যা বুলি কয়। কিন্তু সেই পুৰুষ জনক একো নকয়। ইয়াৰ বাবে আজি নাৰী নিৰ্য্যাতনৰ দৰে সমস্যাৰ সংখ্যা বাঢ়ি গৈছে। ৰক্ষকেই যদি ভক্ষক হয় তেতিয়া সমাজৰ পৰা জানো আঁতৰ হ'ব হিংসা, হত্যা, ধৰ্ষণৰ দৰে লেতেৰা আৱৰ্জনাবোৰ? মই সেই সকল সেনা জোৱানৰ কথা কৈছো যাৰ হাতত আজি প্ৰতিমুহূৰ্ত্তে নিৰ্য্যাতিত হৈ আছে বহু হাজাৰ হাজাৰ দুৰ্ভগীয়া নাৰী কিন্তু তাৰ মাজতো এনেকুৱা বহুতো জোৱান আছে যাৰ বাবে আজি লাহে লাহে সমাজৰ পৰা এই আৱৰ্জনাবোৰ নোহোৱা হ'ব ধৰিছে কিন্তু এতিয়াও বহু বাকী। কোনে দিব আজি আমাক নিৰাপত্তা। নিজৰ নিৰাপত্তাৰ বাবে আমি আনৰফালে আশাৰ দৃষ্টি নিক্ষেপ কৰিলে নহ'ব। সমাজৰ সকলো বান্ধোনৰ পৰা মুক্ত হৈ নিজৰ শিক্ষাৰ বাবে আগবাঢ়ি আহিব লাগিব। উচ্চ শিক্ষাৰে শিক্ষিত হ'লেহে নাৰীয়ে নিজৰ অধিকাৰৰ কথা ভালদৰে উপলব্ধি কৰিব পাৰিব। এগৰাকী নাৰীক নিৰ্য্যাতন চলাই তেওঁক ধ্বংস কৰিবলৈ সহজ; কিন্তু পাৰিব জানো সেই সকল নৰপিশাচে তেওঁক ঘূৰাই দিবলৈ তেওঁৰ আত্মসন্মান। এটা মুহূৰ্ত্তই কাঢ়ি লৈ যায় বুকুৰ অলেখ কল্পনা; অলেখ সপোন। ভাঙি থৈ যায় সকলো সম্বন্ধৰ বান্ধোন। বৈদিক যুগত সমাজৰ নাৰীৰ যি স্থান আছিল আজিও সেই স্থান পুনৰ ঘূৰাই আনিবৰ বাবে নাৰীয়ে নিজৰ বাবে যুদ্ধ কৰিব লাগিব উচ্চ শিক্ষাৰে শিক্ষিত হৈ, পশ্চিমীয়া ধৰণ-কৰণ পৰিহাৰ কৰি নাৰীয়ে নিজৰ অধিকাৰ নিজে কাঢ়ি লব লাগিব। নাৰী হ'ব লাগিব ৰাণী লক্ষ্মীবাঈৰ দৰে, কনকলতা, মূলাগাভৰুৰ দৰে আত্মৰক্ষাৰ লগতে ৰক্ষা কৰিব লাগিব আৰু দহ গৰাকী নাৰীৰ জীৱন তেতিয়াহে সমাজত নাৰীৰ স্থান অক্ষুন্ন থাকিব।

জানি থওঁ আহা

- ছোৱালী অৰ্থাৎ 'Girl' শব্দটো বাইবেলত মাত্ৰ এবাৰহে ব্যৱহাৰ হৈছে।
- ইংৰাজী ভাষাত আটাইতকৈ বেছি ব্যৱহৃত আখৰটো হ'ল 'E' আৰু আটাইতকৈ কম ব্যৱহৃত আখৰটো হ'ল - 'Q'
- বিশ্বৰ সৰ্বাটোতকৈ প্ৰাচীন শস্য হ'ল 'মটৰ' মাহ।
- একোজনী ৰাণী মৌ মাখিয়ে এদিনতে ১৫০০ কণী পাৰে।
- এটা পখিলাৰ সৰ্বমুঠ ১২,০০০ টা চকু থাকে।
- পৃথিৱীৰ বৃহত্তম চুম্বক হৈছে- পৃথিৱী নিজেই।

-ৰিম্পী কোঁৱৰ
স্নাতক পঞ্চম ষান্মাসিক

অসমীয়া সাহিত্যত ডাকৰ বচন

ৰিমা বুঢ়াগোহাঁই
উচ্চতৰ মাধ্যমিক, দ্বিতীয় বৰ্ষ

অসমীয়া মৌখিক সাহিত্যৰ এটি মৌচাক হ'ল ডাকৰ বচনসমূহ। ভাষাৰ বিচাৰত এইবিলাকৰ ৰচনা কাল পোন্ধৰ শ শতিকাৰে সৃষ্টি বুলি বহুতে ক'ব খোজে। উমৈহতীয়া ৰূপত, এই বচন সমূহ যে বহুত দিনৰ পুৰ্বতে ডাক নামৰ এগৰাকী প্ৰতিভাসম্পন্ন কবিয়ে থানবান হৈ সিচৰিত হৈ থকা বহু শতিকাৰ সঞ্চিত জীৱন অভিজ্ঞতাক পদবন্ধ কৰি উলিওৱা বস্তু, সেই কথা মুই কৰিব নোৱাৰি। সি যি কি নহওক যোল্লশ শতিকাৰ ডেওনা পাৰ হোৱাৰ আগতেই প্ৰাচ্য ভাৰতৰ বিভিন্ন ভাষাত ই কেইবাটাও স্থানীয় ৰূপত বিকশিত হৈ উঠিছিল যাৰ ফলত প্ৰত্যেকেই 'ডাক' পুৰুষক নিজৰ ভাষাত নিভাঁজ বুলি দাবী কৰে।

সৰ্বসাধাৰণ মানুহৰ মুখে মুখে চৰ্চিত হৈ অহা কথাবিলাকৰ পৰা ডাকৰ বচনৰ জনপ্ৰিয়তা মন কৰিবলগীয়া। লোকচৰ্চিত ডাকৰ বচনৰ আগতে এনেধৰণৰ নিত্য ব্যৱহৃত কথাৰ আভাষ পোৱা নাযায়। এই কথাবিলাকৰ প্ৰচলনে কিছুমান কথাত বেছি বুজনি নিদিয়াকৈ কেনেকৈ সহজতে কাম চলিছিল সেয়া সহজে বোধগম্য হৈছিল। উদাহৰণ স্বৰূপে তলৰ কথাবিলাক বুজাত সহায় হৈছিল। যেনে—

'চিত জেৰুৱা চলি কাটি
তেবে দেখিবা জুইৰ কান্তি
উশাহ দীঘে দিবা ফুই

তেহে দেখিবা জুইৰ মুই।'

এই কথা বা বচন বিলাকৰ জনপ্ৰিয়তাই 'ডাক' নো কোন, ক'ত জন্ম সেই বিষয়ে জানিবৰ হাবিয়াস হয়। আচলতে ডাকৰ জন্ম হৈছিল নে নাই সেই বিষয়ে বহুতে সন্দেহ কৰে। বহুতে আকৌ জন্ম ঠাইক লৈ বিতৰ্কও কৰে। বহুতৰ মতে ডাকে জন্ম হৈয়েই কথা কৈছিল আৰু মানৱ জাতিৰ বাবে সৎ উপদেশ দি মৃত্যু হৈছিল। অৱশ্যে ডাকৰ বিষয়ে বহুতো কথা শুনা যায় যদিও সত্য কোনটো তাৰ কোনো শেষ সিদ্ধান্ত নাই।

ডাকৰ জন্ম স্থানক লৈ আজিও বঙালী সকলে ক'ব বিচাৰে ডাক বঙ্গদেশৰ।, বিহাৰীসকলে কয় ডাক বিহাৰৰ, উৰিয়াই কয় উৰিষ্যাৰ আৰু অসমীয়াই কয় অসমৰ।

যি ঠাইতেই যেনে মত নিদিয়ক, অসমীয়া ভাষাত প্ৰচলিত ডাকৰ বচন মতে— বৰ্তমান বৰপেটা নগৰৰ দক্ষিণ দিশত লেহীদিঙৰা গাঁৱৰ (আগতে লৌহ) এজনী বুঢ়ীৰ ঘৰত তেওঁৰ জন্ম। মুখ বাগৰি তেওঁৰ ৰচনাৱলী আজিও সহস্ৰজনৰ সোঁৱৰণ শক্তিৰ জীপ লৈ জীয়াই আছে। ৰজা বিক্ৰমাদিত্যৰ ৰাজসভাৰ বিখ্যাত পণ্ডিত উজ্জয়িনী নগৰৰ প্ৰখ্যাত জ্যোতিষী মিহিৰ মুনিৰ অবৈধ সন্তান আছিল ডাক।

প্ৰবাদ আছে— ডাকে বোলে ভূত ভৱিষ্যতৰ কথা ক'ব পাৰিছিল যদিও মৃত্যু কেতিয়া হ'ব ক'ব নোৱাৰিলে। অৱশ্যে তাৰো তথ্য আছে। কোনোৰ মতে লগৰীয়াৰ লগত মোলান তুলিবলৈ পানীত ডুব দিওঁতে মোলৰ আলুত দীঘল চুলি পাক লাগি ধৰি মৃত্যু মুখত পৰে। আন কোনোৰ মতে ব্ৰহ্মপুত্ৰত গা ধুই থাকোঁতে ঈৰ্ষাপৰায়ণ সঙ্গীয়ে পানীত হেঁচা মাৰি ধৰি ডাকৰ মৃত্যু ঘটায়।

মুঠৰ ওপৰত ডাক যে অদ্বিতীয় মহাজ্ঞানী সেই সম্পৰ্কে কোনো দ্বিমত নাই। বিভিন্ন দিশত ডাকৰ বচন থাকিলেও বিশেষকৈ ডাকৰ বচন বন্ধন প্ৰকৰণ লৈ বেছি আদৰণীয় বা জনপ্ৰিয়। এনে কেইবিধমান বচন তলত উল্লেখ কৰা হ'ল—

১) চাউল দিবা যেতেক তেতেক,
পানী দিবা তিনি তেতেক।
যেবে দেখা নিসিজে চাউল,
তেবে বুলিবা ডাকক বাউল।

২) পকা তেতেলী বুঢ়া বৰালী,
বিস্তাৰ কৰিয়া দিবাহা জালি।
কাঢ়ি দিবা টেঙাৰ জোল,
খাবৰ বেলা মুণ্ড নিতোল।

৩) ৰাতি শেষে যিটো পিবয় পানী,
তাৰ চিৰকাল জীৱন জানি।

৪) সোমে শুকুতা মঙ্গলে তিতা,
তাৰ নুগুছে বহু চিন্তা।

৫) উত্তৰে চৰু দক্ষিণে গৰু,
পূবে ভঁৰাল, পশ্চিমে গঁৰাল।

৬) যি কাম কৰিম বুলি ভাবিছা মনত,
নক'বা সি কথাখিনি আনৰ আগত।
অলপ জানিলে ফুট আনজনে তাৰ,
নহ'ব জানিবা সিদ্ধি কৰম তোমাৰ।

মহৎ লোকৰ বাণী

শ্ৰী চালিমা বেগম
স্নাতক পঞ্চম যান্মাসিক

- শিক্ষাই জ্ঞান, জ্ঞানেই শক্তি- ছক্ৰেটিছ।
- এটা বন্দুকৰ গুলিতকৈ এবটল চিয়াঁহিৰ মূল্য বেছি- মাদাৰ টেৰেছা।

"বাতৰিকাকত" আৱিষ্কাৰৰ এক চমু অৱলোকন......

প্ৰিয়া চাহু
স্নাতক পঞ্চম ষাণ্মাসিক, অৰ্থনীতি বিভাগ

অতি প্ৰাচীন কালৰে পৰাই মানুহৰ মাজত সংবাদৰ আদান প্ৰদানৰ ব্যৱস্থা প্ৰচলিত হৈ আছিল। অতীজতে শত্ৰুৰ আগমন বা আক্ৰমণৰ আগজাননী দিবলৈ কিছুমান ইংগিত ব্যৱস্থাৰ সহায় লোৱা পৰিলক্ষিত হৈছিল। ৰজাৰ আদেশ, বাৰ্তা ইত্যাদি প্ৰেৰণৰ বাবে কোনো ব্যক্তিক দূতৰূপে নিযুক্ত কৰা হৈছিল। তদুপৰি ৰজা বা কোনো মুখিয়াল তথা বিশিষ্ট ব্যক্তিৰ ভ্ৰমণ, জন্ম, মৃত্যু তথা কোনো ব্যক্তিক শাস্তি প্ৰদানৰ বাতৰি আগজাননী দিবৰ বাবে এজন নিৰ্দিষ্ট ব্যক্তিয়ে ঢোল কোবাই গাঁৱে গাঁৱে তেনে বাতৰি প্ৰচাৰ কৰি ফুৰিছিল।

লাহে লাহে যুগৰ পৰিৱৰ্তন ঘটিল আৰু তাৰ লগতে ভাষাৰ উদ্ভৱ আৰু বিকাশ সাধন হ'ল। তেতিয়া মানুহে লিখিত পত্ৰৰ যোগেদি সংবাদ প্ৰেৰণ কৰিবলৈ ল'লে। কোনো কোনো লোকৰ মতে এই পত্ৰ 'সংবাদৰ' পৰা 'সংবাদ পত্ৰ' শব্দটোৰ উদ্ভৱ হৈছে। যিকি নহওক সংবাদ প্ৰেৰণ তথা গ্ৰহণৰ ব্যৱস্থাটো সময়ৰ গতিত পৰিৱৰ্তন তথা উন্নত হৈ আজি বাতৰি কাকতৰ ৰূপ পাইছেহি।

পোন প্ৰথমে ক'ত কেনেকৈ বাতৰি কাকতৰ প্ৰচলন হ'ল তাক সঠিকভাৱে জনা নগ'লেও প্ৰাচীন ৰোমৰ ৰাজসভাত প্ৰচলিত এখন বাৰ্তা পত্ৰকেই পৃথিৱীৰ আটাইতকৈ পুৰণি বাতৰি কাকত বুলি জনা যায়। অৱশ্যে ইয়াৰ আগতেও আজিৰ পৰা প্ৰায় তিনি হাজাৰ বছৰৰ আগতে ইজিপ্তৰ ৰজা এমেন হেটেপে দেশৰ বিভিন্ন ঠাইত থকা তেওঁৰ উচ্চপদস্থ

বিষয়াসকললৈ ৰাজধানীত ঘটি থকা বা-বাতৰি, ঘটনাৱলী জনাই সংবাদ পঠিওৱাৰ ব্যৱস্থা কৰিছিল বুলি জনা গৈছে যদিও কোনো নিৰ্ভৰযোগ্য তথা পৰ্যাপ্ত তথ্য পোৱা নাই। ক্ৰমশঃ বিকাশ লাভ কৰা ছপাশালৰ জৰিয়তে ষষ্ঠদশ শতিকাৰ মাজভাগত ইউৰোপত পুৰা প্ৰকাশিত কাকতে ভুমুকি মাৰে। প্ৰথমে ডাঙৰ ডাঙৰ ব্যৱসায়িক প্ৰতিষ্ঠানসমূহে কিছুমান বাৰ্তাগ্ৰন্থ, বাৰ্তাপত্ৰ, সৰু সৰু পুস্তিকা প্ৰকাশ কৰি উলিয়াইছিল। এইবোৰত সাধাৰণতে দেশৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক বিষয়বোৰকে সন্নিবিষ্ট কৰা হৈছিল আৰু সেই সময়তে জাৰ্মানী আৰু ছুইজাৰলেণ্ডৰ কিছুমান নগৰৰ পৰা ক্ৰমিক নম্বৰ অনুসৰি বাতৰি পত্ৰিকা ওলাবলৈ ধৰে।

বহুতৰ মতে ছপাশালত ছপা হোৱা প্ৰথম বাতৰি কাকত ১৬০৫ চনত এন্টোৱাপৰ পৰা প্ৰকাশিত 'Nieume Tejdingheu', যদিও ১৫১৩ চনতে "The True Enco unter of the Battle of Flodden Field" বুলি এখন যুদ্ধ পত্ৰিকা ছপা হৈ ওলাইছিল। কিন্তু বাণিজ্যিক, ৰাজনৈতিক গতিবিধিৰ লগতে দৈনন্দিন ঘটনা সমূহো প্ৰকাশ কৰা প্ৰথম পূৰ্ণাংগ বাতৰি কাকত আছিল ১৬০৯ চনত জাৰ্মানীৰ উন্টেন বুৎতনৰ পৰা তাৰ ডিউকে প্ৰকাশ কৰা "Auiso Delation order zeiting নামৰ সাপ্তাহিক কাকতখন সেই একে বছৰতে জাৰ্মানীৰ পৰা একে নামেৰে অৰ্থাৎ Pelation বা বাৰ্তা নামেৰে আন এখন কাকত ওলাবলৈ ধৰে। তদুপৰি একেই নামেৰেই জাৰ্মানীৰ আন এখন চহৰৰ পৰাও আন এখন বাতৰি কাকত প্ৰকাশিত হয়। আধুনিক বাতৰি কাকতৰ পথ প্ৰদৰ্শক জাৰ্মানীৰ সেই কাকত সমূহৰ প্ৰচলন বিভিন্ন কাৰণত বন্ধ হৈ গৈছিল। কিন্তু ১৬৮৫ চনতে চুইডেনৰ 'ৰয়েল চুইডিছ একাডেমী অব লেটাৰছ'এ প্ৰকাশ কৰা Post Och Intrikes Tidinger নামৰ কাকতখন বৰ্তমানেও প্ৰকাশ হৈ আছে।

প্ৰকৃত সংবাদ পত্ৰ প্ৰকাশ হয় অষ্টাদশ শতিকাৰ পৰা। সেই শতিকাৰ আৰম্ভণিতে ১৭০২ চনৰ ২২ মাৰ্চত ইংলেণ্ডত প্ৰথম দৈনিক বাতৰি কাকতখন প্ৰকাশ কৰা হয়। কাকতখনৰ নাম আছিল "The Daily Courant" আৰু কাকতখনৰ প্ৰকাশক আছিল এডৱাৰ্ড মাৰ্লেচ।

ভাৰতত সংবাদ পত্ৰৰ শুভ সূচনা হয় ১৭৮০ চনৰ ২৯ জানুৱাৰীত। ভাৰতৰ প্ৰথম সংবাদপত্ৰ খনৰ নাম আছিল "Bengal Gazette" বা Calcutta General Advertiser" ইংৰাজী ভাষাৰ সাদিনীয়া সংবাদ পত্ৰখনৰ সম্পাদক তথা প্ৰকাশক আছিল জেমছ আগষ্টাছ হিকি নামৰ এজন ইংৰাজ। কাকতখন সেয়ে "হিকি'জ গেজেট" নামেৰেও জনাজাত আছিল।

আদিতে বাতৰিকাকত ছপাৰ মান, বিষয়বস্তু, যন্ত্ৰপাতি আদি বৰ্তমানৰ দৰে উৎকৃষ্ট মানৰ নাছিল আৰু লগতে কাকতবোৰৰ ছপা সংখ্যাও আছিল নিচেই তাকৰ। সামগ্ৰিকভাৱে কবলৈ গ'লে সেই সময়ত বাতৰিকাকতক আধুনিক বাতৰি কাকতৰ সৈতে ৰিজাব নোৱাৰি। আনহাতে অতীতৰ বাতৰি কাকতৰ প্ৰচলিত পৰিমাণ কম আছিল আৰু বৰ্তমান সময়ত বাতৰি কাকতৰ ব্যৱহাৰৰ প্ৰয়োজনীয়তা বা জনপ্ৰিয়তা বৃদ্ধি পাইছে। যাৰ জৰিয়তে গাঁৱে-ভুঞে থকা প্ৰতিজন লোকে দেশ বিদেশৰ বিভিন্ন বাতৰি পাবলৈ সক্ষম হৈছে আৰু লগতে দেশখনো উন্নতিৰ দিশলৈ ধাৱমান হৈছে।

মহৎ লোকৰ বাণী

- কাৰোবাক যদি প্ৰশংসা কৰিব নোখোজা তেন্তে নিন্দাও নকৰিবা- ৰবীন্দ্ৰ নাথ ঠাকুৰ।
- কৰ্মই উপাসনা, হাঁহিয়েই জীৱন। যিবিলাকে জীৱনত সুখ আৰু দুখক হাঁহিমুখে গ্ৰহণ কৰিব জানে তেওঁহে জীৱনৰ সৌন্দৰ্য্য উপভোগ কৰিব পাৰে- চৰ্দাৰ পেটেল।

-চালিমা বেগম

স্নাতক পঞ্চম যান্মাসিক

অসমীয়া জাতি গঠন প্ৰক্ৰিয়া আৰু সাহিত্য-সংস্কৃতিলৈ আহোম সকলৰ অৱদান ঃ এক অৱলোকন

প্ৰণীতা গগৈ
একাদশ শ্ৰেণী, কলা শাখা

চীন-তিব্বতীয় ভাষা পৰিয়ালৰ অৰ্ন্তগত শ্যামী সকলৰ এটি প্ৰধান শাখা হৈছে আহোম। আহোম সকল টাই মংগোলীয় গোষ্ঠীৰ লোক। খৃঃ অষ্টম শতিকা মানৰ পৰাই ব্যৱসায় বাণিজ্য, ৰাজ্য ভ্ৰমণ, কৃষিভূমিৰ সন্ধান, বাসস্থানৰ সন্ধানত টাই গোষ্ঠীৰ লোকৰ অসম আগমন ঘটিছিল। আহোম সকলে অসমত এক ভৌগোলিক একতা স্থাপন কৰে আৰু শদিয়াৰ পৰা কৰতোৱালৈকে গোটেই অসমখনক এক শাসনতন্ত্ৰৰ তললৈ আনি অসমীয়া জাতিৰ সংহতি আৰু ঐক্য স্থাপন কৰিবলৈ সমৰ্থ হয়। অষ্ট্ৰিক, বড়ো, আহোম আদি বিভিন্ন ভাষা ভাষীৰ মাজত আৰ্য্য অসমীয়া ভাষাক প্ৰাধান্য দি আহোম স্বৰ্গদেউসকলে যি এক অসমীয়া জাতি গঠনত অৰিহণা যোগালে সেয়া আহোমসকলৰ অতুলনীয় কীৰ্তি।

আহোম যুগ বিৰাট জাগৰণৰ যুগ। কেৱল যুদ্ধ বিগ্ৰহৰ জয়তে আহোমসকলৰ কীৰ্তি প্ৰকাশ পোৱা নাছিল। শিক্ষা-সংস্কৃতি, স্থাপত্য, জাতি গঠন আদি সকলোলৈকে আহোমৰ অৱদান আছিল অতুলনীয়। অসমলৈ আহোতে আহোমসকলে লগত ধৰ্ম-ভাষা-সংস্কৃতিও লৈ আহিছিল। সময়ত নিজৰ ধৰ্ম-ভাষা থকা সত্বেও থলুৱা অসমীয়া ভাষা, হিন্দু ধৰ্ম গ্ৰহণ কৰিছিল। তেওঁলোকৰ লগত কমসংখ্যক তিৰোতাহে আছিল। গতিকে ৰজাৰ পৰা ডা-ডাঙৰীয়া আৰু প্ৰজালৈকে থলুৱা চুতীয়া, মৰাণ, বৰাহী, কছাৰী আদি তিৰোতা বিয়া কৰাইছিল। থলুৱা জাতিসমূহৰ লগত বৈবাহিক সম্বন্ধই সমন্বয়ৰ ভাৰ গঢ়ি তোলাতো সহায় হৈছিল। আহোমসকলৰ প্ৰশাসন ব্যৱস্থাতো বিভিন্ন জনগোষ্ঠীৰ লোকক বিষয়বাব দিছিল। ছুকাফাই বিভিন্ন জাতিক এক কৰাৰ চিন্তা ৰুদ্ৰসিংহৰ দিনত অধিক কাৰ্য্যকৰী হৈছিল। আহোম যুগত বিভিন্ন জনগোষ্ঠীৰ ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্যবোৰ নিঃশেষ হৈ আহোম ৰাজ্যত মিলিত হৈছিল। চুতীয়া, মিৰি, দেউৰী, মৰাণ আদি এসময়ত ৰাজ্য শাসক জাতিবোৰৰ উপৰিও অষ্ট্ৰিক, দ্ৰাৱিড়, আৰ্যমূলীয়, কোচ, কলিতা, কেওট, কৈৱৰ্ত, কায়স্থ আৰু বৃত্তিধাৰী নাপিত, কুমাৰ, সোণাৰী, শালৈ, তাঁতী আদি সকলো আহোমৰ উদাৰ শাসন নীতিৰ মাজত থাকি জাতিগত ভেদভাৱ পাহৰি এক জাতি ৰূপ পৰিচয় দিবলৈ আগ্ৰহী হৈছিল। ধৰ্মীয় কাৰণত মোৱামৰীয়া বিদ্ৰোহে সাম্প্ৰদায়িক মনোভাৱৰ সৃষ্টি কৰিছিল যদিও 'অসম' আৰু 'অসমীয়া'ৰ আদৰ্শ এৰি দিয়া নাছিল। এইদৰে জাতিগত সমন্বয় গঢ়ি উঠাত আৰু বিভিন্ন জনগোষ্ঠীৰ সাংস্কৃতিক উপাদানৰ সংমিশ্ৰণত যৌগিক অসমীয়া সংস্কৃতিৰ সৃষ্টি হৈছিল।

অসমীয়া সাহিত্যৰ দিশলৈ আহোমসকলৰ সৰ্বশ্ৰেষ্ঠ অৱদান হ'ল বুৰঞ্জী সাহিত্য। ৰজাঘৰীয়া সকলো বিষয় লিপিবদ্ধ কৰা আহোমসকলৰ নীতি আছিল। অসমীয়া সাহিত্যক বুৰঞ্জীৰাজিয়ে অপূৰ্বভাৱে মহীয়ান আৰু গৌৰৱান্বিত কৰি ৰাখিছে। বুৰঞ্জী সমূহত ৰজাঘৰীয়া ঘটনাৰ বাহিৰেও আহোম যুগৰ সামাজিক ধাৰ্মিক আৰু শিক্ষা সম্বন্ধীয় ভালেমান তথ্যপাতি সন্নিহিত হৈ আছে। মাজে মাজে প্ৰচীন কাহিনী, কিম্বদন্তি আৰু সাধুকথাও সিঁচৰতি হৈ থকা পোৱা গৈছে।

বুৰঞ্জীসমূহত অলেখ প্ৰবচন আৰু মনোৰম বাণীও আছে। সেইবাবেই ড° সূৰ্যকুমাৰ ভূঞাই মন্তব্য কৰিছে- "বুৰঞ্জীৰ কথা শুকান হাঁড় ছাল নহয়। তাত ভাবৰ সমাৱেশ আৰু আৱেগৰ

সৌৰভ লক্ষ্য কৰিব পাৰি। সেই দেখি এই বুৰঞ্জীসমূহক বুৰঞ্জীৰ শাৰীৰ পৰা বিশুদ্ধ সাহিত্যৰ অংগীভূত কৰা হৈছে। বুৰঞ্জী আৰু সাহিত্যৰ এনে অপূৰ্ব ত্ৰিবেণী সংগম বুটিছ পূৰ্ব যুগৰ কোনো ভাৰতীয় প্ৰাদেশিক সাহিত্যতে দেখিবলৈ পোৱা নাযায় বুলি কলেও সত্যৰ অপলাপ নহয়।"

আহোম ৰজাসকলে পুৰাণৰ লগতে মহাভাৰতৰো কেইবাটাও পৰ্ব অসমীয়ালৈ অনুবাদ কৰিবৰ বাবে কবি সাহিত্যিকসকলক সহায় কৰিছিল। স্বৰ্গদেউ শিৱসিংহ আৰু অম্বিকাদেৱীৰ নিৰ্দেশত কবিচন্দ্ৰ দ্বিজে ধৰ্মপুৰাণ অসমীয়ালৈ অনুবাদ কৰিছিল। শুভনাথ দ্বিজে মহাভাৰতৰ অশ্বমেধ পৰ্বৰ আখ্যান লৈ 'ধৰ্মসংবাদ' নামৰ কাব্য ৰচনা কৰিছিল। আহোমৰ দিনতে ভালেমান সন্ত মহন্তৰ চৰিত আৰু সত্ৰসমূহৰ বিৱৰণ সংকলিত হয়। আহোমৰ ছশ বছৰীয়া শাসনকালত অসমীয়া সাহিত্যই এই দৰেই গদ্য পদ্য উভয়তে বিশেৰ সমৃদ্ধি লাভ কৰিছিল। ব্যৱহাৰিক সাহিত্যও আহোম যুগৰ এক অনৱদ্য অৱদান। ব্যৱহাৰিক জীৱনৰ কামত অহাকৈ ৰচনা কৰা এই যুগৰ কেইখনমান গ্ৰন্থ হ'ল- 'হস্তীবিৰ্দ্যানৱ', 'ঘোঁৰা নিদান', 'শেনপুথি' আদি।

ৰুদ্ৰসিংহৰ দিনত উত্তৰ ভাৰতৰ শাস্ত্ৰীয় সংগীতে ৰাজদৰবাৰত স্থান পাইছিল। তেওঁৰ দিনতে থলুৱা গীত নৃত্যৰ সমাদৰ বাঢ়িছিল। আহোমৰ যুগত সৃষ্টি হোৱা সংগীতবোৰ হ'ল- নাহৰৰ গীত, চিকণ সৰিয়হৰ গীত, জয়মতী কুঁৱৰীৰ গীত, জনা গাভৰুৰ গীত ইত্যাদি। আহোমৰ ৰাজত্বকালত মন্দিৰ বিশেষত নটীৰ নাটৰ প্ৰচলন আছিল। বিশেষকৈ শিৱমন্দিৰ বোৰত নটীৰ নাচৰ গুৰুত্ব আছিল। শিৱসিংহৰ পত্নী ফুলেশ্বৰী কুঁৱৰী নেঘেৰীটিঙৰ নটী আছিল। আহোম যুগত খোল, মৃদং, নেগেৰা, তাল, ঢোল, পেঁপা, টকা, সুতুলী আদিৰ আদৰ আছিল।

আহোম যুগৰ সমাজ ব্যৱস্থা নিয়মৰ মাজত বৰ্ত্তি আছিল। যুদ্ধৰ সময়ত দেশৰ কাৰণে সকলো প্ৰজা ওলাই যাব লাগিছিল। শ্ৰমজীৱী লোক আৰু কৃষিজীৱি লোক দুয়োটা শ্ৰেণীয়েই আহোম সমাজত আছিল। যুদ্ধ বন্দী ৰূপে অহা লোকেও যোগ্যতা অনুসৰি কৰ্ম কৰাৰ সুযোগ লাভ কৰিছিল।

আহোম যুগৰ স্থাপত্যৰ উন্নত নিদৰ্শন বৰ্তমানো অক্ষত অৱস্থাত আছে। অসমৰ পূৰ্ববাসিন্দা সকলে খেৰ-বাঁহ-বেতৰ দুচলীয়াকৈ ঘৰ সাজি থকাৰ দৰে আহোম যুগত সাধাৰণ প্ৰজাই জলবায়ুৰ লগত ৰজিতা খোৱাকৈ বাঁহ কাঠৰ ঘৰকে উপযোগী বুলি ভাবিছিল। দৌল-দেৱালয়, ৰাজকাৰেং, ৰংঘৰ, তলাতল ঘৰ আদিত ইটা আৰু কৃত্ৰিম আঠা প্ৰস্তুত কৰি সজা হৈছিল। ৰাজেশ্বৰ সিংহৰ দিনত তলাতল আৰু প্ৰমত্ত সিংহৰ দিনত সজোৱা ৰংঘৰ আদি আহোম স্থাপত্যৰ যুগান্তৰকাৰী নিদৰ্শন। ৰুদ্ৰসিংহৰ ৰংপুৰ নগৰতে পকীঘৰ নিৰ্মাণ কৰিবলৈ কোচ বিহাৰৰ পৰা ঘনশ্যাম খনিকৰ নামৰ এজন খনিকৰ অনাইছিল। শিলাকুটীয়াসকলে মন্দিৰৰ বেৰত, শিলত দেৱ-দেৱী, জীৱ-জন্তু, গছ লতা আদি সুন্দৰকৈ কাটিছিল।

আহোম যুগৰ স্থাপত্যৰ আন এক উন্নত নিদৰ্শন হ'ল জান-জুৰিবোৰৰ ওপৰত নিৰ্মাণ কৰা শিলসাঁকোবোৰ। নামদাঙৰ শিলসাঁকো, দৰিকাৰ শিলসাঁকো, দিছৈৰ শিলসাঁকো, ৰহদৈ শিলসাঁকো, ফুকন নৈৰ ওপৰত ধোদৰ আলিত নিৰ্মাণ কৰা শিলাসাকোঁ আদি বৰ্তমানো অক্ষত হৈ আছে। আহোম যুগৰ মৈদামসমূহৰো সুকীয়া বিশেষত্ব আছে। আহোম যুগত খন্দোৱা পুখুৰীসমূহেও স্থাপত্যৰ পৰিচয় দিয়ে। জয়সাগৰ পুখুৰী, শিৱসাগৰ পুখুৰী আৰু তাৰ মাজত সজা বিভিন্ন মন্দিৰসমূহেও সংস্কৃতি সম্পন্ন মনৰ পৰিচয় দিয়ে।

অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি আদি দিশসমূহলৈ আহোমৰ ছশ বছৰীয়া ৰাজত্বকালে সুকীয়া বৈশিষ্ট্য প্ৰদান কৰিলে। আহোমসকলৰ এই যুগজয়ী, কালজয়ী অৱদানে অসমীয়া সাহিত্য সংস্কৃতিৰ ভঁৰাল চহকী কৰাত যি সহায় কৰিলে সেয়া অভূতপূৰ্ব তথা অনস্বীকাৰ্য।

অসমীয়া লোক সাহিত্যত বিহুনাম

পল্লৱী শইকীয়া
স্নাতক প্ৰথম ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

বিহু অসমীয়াৰ জাতীয় উৎসৱ। অসমীয়া মানুহৰ আগ্ৰহ, হেঁপাহ, আন্তৰিকতা আৰু জাতীয় জীৱনৰ লগত থকা সম্পৰ্কৰ কথা ফুটি ওলাইছে বিহু গীততেই। প্ৰকৃতিৰ পৰশত, সময়ৰ বুলনিত আনন্দমুখৰ হৈ উঠা অসমীয়া জাতিটোৰ প্ৰাণৰ স্বীকৃতি দিয়ে বিহুগীতেই—

"চতে গৈয়ে গৈয়ে ব'হাগে পালেহি
ফুলিলে ভেবেলী লতা,
কৈনো কৈ থাকিলে ওৰকে নপৰে
ব'হাগৰ বিহুৰে কথা।"

এই বিহুত অসমীয়া কৃষকে কৃষিৰ প্ৰধান সঁজুলি গৰুক গা ধুৱাই দীঘলতি মাখিয়তীৰে কোবাই গৰুৰ দীৰ্ঘজীৱন কামনা কৰে। চোতালত যাগ দি ম'হ, ডাহ নিবাৰণ কৰিবলৈ চেষ্টা কৰে। ইয়ে লোকবিশ্বাসত জড়িত হোৱাৰ নিদৰ্শন।

"আইতা ঐ এশ এটি শাকেৰে ৰান্ধো
মাহ হালধীৰে গৰুক গা ধুৱাই লৈ
তৰালি পঘাৰে বান্ধো।"

প্ৰকৃতিৰ বুকুতেই মানুহে এদিন সংগীতৰ সন্ধান পাইছিল। বতাহত কঁপি উঠা গছৰ পাতখিলাই নাচোনৰ ভঙ্গী, বাঁহে বাঁহে ঘঁহনা খাই ওলোৱা মাতটোত বাদ্যৰ সন্ধান পাইছিল। কিন্তু মানুহে এদিন ইয়াৰ চানেকি লৈ থলুৱা পৰিবেশৰ সমলেৰে নতুন বাদ্যৰ সৃষ্টি কৰিছিল।

"কিনো চ'ত মহীয়া বতাহ জাকি মাৰিলে
গছে বনে সলালে পাত।
কিনো অসমীয়াৰ বিহুটি আহিলে
ঢোল পেঁপাই লগালে মাত।"

বিশেষকৈ বাঁহ কাঠৰ অৱদান লক্ষ্য কৰিবলগীয়া। টকা,

পেঁপা, গগনা বিহুৰ একান্তই আৱশ্যকীয় বাদ্য। বাঁহী আদিও সময় বিশেষত ব্যৱহাৰ কৰা হয়।

আগলি বাঁহৰে লাহৰি গগনা
গগনা কিহেৰে বাও,
দুফালে দুচাটি মাজতে এচাটি
মুগা সূতা লগায়ে বাওঁ।"

গগনাৰ মন উৰুৱাই নিয়া মাত, পেঁপাৰ বনৰীয়া সুৰে বিহুত অমৃত বাকী দিয়ে।

"ম'হৰ শিঙৰ পেঁপাটি নবজাবি চেনাইটি
মনে মোৰ কেনেবা কৰে,
পেঁপাৰ মাত শুনি ৰ'বকে নোৱাৰো
হাতৰ বন সৰকি পৰে।"

পেঁপাৰ বলীয়া সুৰটোৰে আওকণীয়া হৈ থকা মানুহৰ মনতো বিহুৰ মাদকতা জগাই তোলে। বিহু-গীতৰ সুৰ, নাচোনৰ নীতি নিয়ম, বিহুৰ চেও কিন্তু অসমৰ কেঁচা মাটিত সঞ্জীৱিত হোৱা তেনেই নিজস্ব সম্পদ। ব'হাগ বিহুত বিহুৱান দিয়াটো অপৰিহাৰ্য। তাঁতৰ পাতত বহি অসমীয়া শিপিনীয়ে কোমল মনৰ সপোনত ফুল বাচে। মৰমৰ দীঘেদি আৰু চেনেহৰ বাণীৰে বোৱা বিহুৱান আৰু হাঁচতি অসমীয়া ডেকা-গাভৰুৰ প্ৰিয় আৰু প্ৰেম নিদৰ্শনৰ প্ৰতীক। সেয়ে গায়—

"ৰাতি দুপৰলৈ কাটি সূতা লাহী
ধনলৈ বিহুৱান বলো,
ৰঙাকৈ আঁচুৰে বাছি পানে কটা
টিপতে লুকুৱাই থ'লো।"

এটা জাতিৰ সভ্যতা আৰু সংস্কৃতিৰ উচ্চতা আৰু প্ৰাচুৰ্য্য জোখা হয় কাপোৰেৰে। অসমীয়া জাতি অতি পুৰণি কালৰ পৰাই কাপোৰত চহকী। বিহুৱানে অসমৰ কাপোৰৰ প্ৰাচুৰ্য্য প্ৰমাণ কৰাৰ উপৰিও কাপোৰখন জকমকীয়া কৰি তোলা ফুলজাৰিবোৰে অসমীয়া নাৰীৰ কলা-জ্ঞান আৰু সৃষ্টি প্ৰতিভাৰ উজ্জ্বল চানেকি দাঙি ধৰে।

হুঁচৰি গোৱাটো বিহুৰ এটা অপৰিহাৰ্য্য আনুষংগিক অনুষ্ঠান। ঘৰে ঘৰে হুঁচৰি গাই বা পদূলিয়ে পদূলিয়ে ধেমালি কৰা, আশীৰ্বাদ দিয়া অসমীয়া সমাজত অতীতৰ পৰাই চলি আহিছে।

"এটা বাতিত নহৰু এটা বাতিত পনৰু
এটা বাতিত খুতুৰা শাক,
মূৰৰ চুলি চিঙি আশীৰ্বাদ কৰিছো
গৃহস্থ কুশলে থাক।"

এই হুঁচৰি গোৱা বিহুৱাই হিয়া উবুৰিয়াই দিয়া আশীৰ্বাদত অসমীয়া মানুহৰ আন্তৰিকতা বৈ গৈছে। তদুপৰি আহোম যুগতো বিহুৰ দিনা প্ৰজাই ৰজাৰ ঘৰত আশীৰ্বাদ দিবলৈ যায়। সেইদিনা ৰজাইও প্ৰজাক সেৱা কৰে, ৰাইজেই ৰজা বুলি। এই বুলি প্ৰজাই ৰজাক দিবলৈ যোৱা আদৰ্শত উদ্বুদ্ধ হৈ নিজৰ নিজৰ আত্মীয়ৰ ঘৰত আশীৰ্বাদ দিয়ে।

"স্বৰ্গদেউ ওলালে বাটচ'ৰাৰ মুখলৈ
দুলীয়াই পাতিলে দোলা
কাণতে জিলিকে নৰা জাংফাই
গাত গোমচেঙৰ চোলা।"

আজিও বিহু সন্মিলন পাতি বাচকবনীয়া বিহুৱা, বিহুৱতীক আনুষ্ঠানিক মৰ্য্যদা প্ৰদান কৰি বিহুৰ প্ৰতি থকা অসমীয়াৰ জাতীয় জীৱনৰ চানেকি দিয়ে।

বিহু আনন্দৰ উৎসৱ; কিন্তু অৰ্থনৈতিক পৰিস্থিতিয়ে ইয়াক উপভোগ কৰাত বাধা দিয়ে। আজিৰ সামাজিক পৰিবেশৰ লগত পুৰণি কালৰ সামাজিক পৰিবেশৰ মিল নাথাকিলেও দুখীয়াৰ মনৰ বেদনা আজিৰ দৰেই। বিহু জাতীয় জীৱনৰ আশা আকাংখা আৰু আনন্দ, আৱেগ অনুভূতিৰ উৎসৱ। বিহুৰ দিনা নিজৰ প্ৰত্যাহিক জীৱনৰ কৰ্ত্তব্য আছে। গুৰু ভকতৰ মান সৎকাৰ কৰা, ৰাইজৰ ওচৰত মূৰ দোওৱা আদি বিহুৰ আনুষংগিক কৰ্ত্তব্য।

"চ'তত চকৰী ব'হাগত বগৰী
জেঠতে আমনা ধান,
গৰু বিহুৰ দিনাখন সৎকাৰ কৰিবা
তেহে পাবা বৈকুণ্ঠত থান।"

মুঠতে বিহু নাম অসমীয়া লোকসাহিত্যৰ এটি অমূল্য সম্পদ। ইয়াৰ বুকুত আছে জাতিৰ প্ৰাণৰ স্পন্দন, জীৱনৰ বুৰঞ্জী আৰু সমাজৰ প্ৰতিচ্ছবি। ইয়াৰ ভাষা সৰল, ছন্দ সাৱলীল, সুৰ মনোমোহা।

ইক'ফেমিনিজম

লাকিমণি গগৈ
স্নাতক পঞ্চম ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

'ইক'ফেমিনিজম' - বৰ্তমান সমাজত বহুলভাবে প্ৰচাৰিত তথা চৰ্চিত এক জনপ্ৰিয় অথচ নতুন ভাৱধাৰণা। ইক' মানে পৰিৱেশ আৰু 'ফেমিনিজম' মানে নাৰীবাদ। অৰ্থাৎ পৰিৱেশৰ সৈতে নাৰীৰ যি সম্পৰ্ক সেই বিষয়কে ইক'ফেমিনিজিমত আধ্যয়ন কৰা হয়।

মানৱ সভ্যতাই পূৰ্ণৰূপ প্ৰাপ্তিৰ পূৰ্বতে মানুহে খাদ্যৰ সন্ধানত অনাই বনাই ঘূৰি এক যাযাবৰী জীৱন অতিবাহিত কৰিছিল। খাদ্য বস্ত্ৰ, বাসস্থান তথা অন্যান্য প্ৰাকৃতিক দুৰ্যোগৰ পৰা হাত সাৰিবলৈ তেওঁলোকে আশ্ৰয় লৈছিল প্ৰকৃতিৰ শীতলী কোলাত। এনেবোৰ কাৰণতে আদিম যুগতেই মানুহৰ মানসিকতাত প্ৰকৃতিয়ে স্থান পাইছিল ধৰিত্ৰী আই 'মাদাৰ আৰ্থ' হিচাপে। এগৰাকী মাতৃয়ে যেনেদৰে নিজৰ সন্তানক বুকুৰ গাখীৰ খুৱাই নিজ ছত্ৰছায়াত ডাঙৰ দীঘল কৰে, ঠিক তেনেদৰেই প্ৰকৃতিয়েও জীৱন ধাৰণৰ সকলো আহিলাৰ যোগান ধৰি আহিছে। এই প্ৰক্ৰিয়া এনেদৰে চলি থাকিল তেতিয়ালৈকে, যেতিয়ালৈকে মানুহৰ মগজুৱে চিন্তাশক্তিৰ ক্ষমতা আহৰণ কৰিলে আৰু ঠিক তেতিয়াই মানৱ সভ্যতাৰ ক্ৰমবিকাশৰ জয়যাত্ৰাৰো আৰম্ভ হ'ল। পূৰ্বৰ যাযাবৰী জীৱন পৰিহাৰ কৰি মানুহে স্থায়ী ভাৱে বসবাস কৰিবলৈ ল'লে। তাৰ লগে.লগেই উদ্ভাৱন হ'ল কৃষি পদ্ধতি আৰু ঘৰচীয়া জন্তু পালন কৰা প্ৰণালী। ইয়াৰ লগে লগেই মানুহ আৰু প্ৰকৃতিৰ মাজত অতি কমেও হ'লেও এক দূৰত্বৰ সৃষ্টি হ'ল। মানুহে প্ৰকৃতিৰ সৈতে দূৰত্ব সৃষ্টি কৰা পৰিঘটনা প্ৰায় ২০,০০০ বছৰ পুৰণি।

ইতিহাসৰ পাত লুটিয়ালে আমি দেখিবলৈ পাওঁ, মানৱ সভ্যতাই যিমানেই উন্নতি কৰিছে, সিমানেই দূৰত্ব বৃদ্ধি হৈছে প্ৰকৃতি আৰু মানৱ সমাজৰ। বৰ্তমান একবিংশ শতিকাত প্ৰকৃতি আৰু মানুহৰ সম্পৰ্কৰ ভগ্নাৱশেষহে বাকী মাথো। যন্ত্ৰ আৰু তথ্য প্ৰযুক্তিয়ে মানুহৰ প্ৰকৃতিৰ প্ৰতি থকা 'ধৰিত্ৰী আই'ৰ মানসিকতাক পৰ্য্যবসিত কৰিলে প্ৰাকৃতিক সম্পদ হিচাপে। সম্পদৰ ধাৰণাই মানুহৰ মনত জাগ্ৰত কৰিলে লুণ্ঠনৰ মানসিকতাৰ। ঠিক যেন মাতৃৰ বুকুত সন্তানৰ কুঠাৰাঘাত।

মানুহে যেতিয়া যাযাবৰী জীৱন অতিবাহিত কৰিছিল, তেতিয়া পুৰুষ মহিলাৰ মাজত কোনো বিভেদ নাছিল। সেই সময়ত পিতৃপ্ৰধান বা মাতৃপ্ৰধান বুলি কোনো ব্যৱস্থাৰ ধাৰণাই নাছিল। কিন্তু সময়ৰ অগ্ৰগতিত মানুহে স্থায়ী ভাবে থাকিবলৈ লোৱাৰ পিছত পুৰুষ আৰু মহিলাৰ মাজত কৰ্ম বিভাজনৰ সৃষ্টি হ'ল। ঘৰখনৰ সকলো পাৰিবাৰিক কৰ্মৰ দায়িত্বভাৰ পৰিল দুৰ্বল মহিলাসকলৰ ওপৰত। নিজৰ কৰ্মৰ উপৰিও বাহিৰত ঘূৰি ফুৰি বিভিন্ন অভিজ্ঞতা লাভ কৰা পুৰুষসকলে বেছি জ্ঞান লাভ কৰাৰ ফলত পৰিয়ালৰ যিকোনো সিদ্ধান্ত তেওঁলোকে ল'বলৈ ধৰিলে নাৰীসকলৰ সম্মতিক্ৰমে বা বিনাপ্ৰতিবাদে। এনেদৰেই পিতৃপ্ৰধান সমাজ ব্যৱস্থাৰ সৃষ্টি হ'ল। অৱশ্যে পিতৃ তান্ত্ৰিক ব্যৱস্থা ৫০০০ বছৰহে পুৰণি।

মানৱতাৰ দিশত বাধাৰূপে দেখা দিয়া কেৰোণবোৰ ফঁহিয়াই চোৱা হয়, তেনেহ'লে এই পিতৃপ্ৰধান মানসিকতাকে জগৰীয়া কৰিব পাৰি। সভ্যতাৰ ক্ৰমবিকাশৰ লগে লগে পিতৃতান্ত্ৰিক ব্যৱস্থাও ক্ৰমে শক্তিশালী হৈ পৰিল আৰু মহিলাসকলক অৱদমিত কৰি ৰখাৰ মানসিকতা বৃদ্ধি পাবলৈ ধৰিলে। যি নাৰীয়ে এসময়ত পুৰুষৰ সমানে কান্ধত কান্ধ মিলাই জীৱন যাপন কৰিছিল, সেই নাৰীয়েই সময়ৰ অগ্ৰগতিৰ লগে লগে পিতৃ প্ৰাধান্যৰ চিকাৰত হৈ পৰিল চাৰি বেৰৰ মাজত আৱদ্ধ ভোগৰ সামগ্ৰী। যাক যেতিয়াই যেনেকৈ ইচ্ছা তেনেদৰেই ব্যৱহাৰ কৰিব পাৰি। যেনেদৰে ধৰিত্ৰী আই 'মাদাৰ আৰ্থ' হৈ পৰিল প্ৰাকৃতিক সম্পদ।

ইক'ফেমিনিষ্টসকলৰ মতে, ধৰিত্ৰী আইৰ ওপৰত চলা অত্যাচাৰ, ধ্বংসলীলা আৰু নাৰীক নিয়ন্ত্ৰণলৈ অনা বা অৱদমিত কৰাৰ মানসিকতা— একেটা চকৰিতে পাক খাই আছে। এই দুয়োবিধ শোষণকে সাৰ পানী যোগান ধৰি উৰ্বৰা কৰি বৰ্ধনত সহায় কৰিছিল পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাই।

ইক'ফেমিনিজিম বা পৰিবেশ সম্বন্ধীয় নাৰীবাদ এক নতুনকৈ গঢ় লৈ উঠা ধাৰণা। ইয়াৰ নিৰ্দিষ্ট সংজ্ঞা এতিয়াও পাবলৈ নাই। ফ্ৰান্সৰ নাৰীবাদী লেখিকা ফ্ৰান কঁইছ ডিউবনক ১৯৭৪ চনতে 'ইক'ফেমিনিজিম' শব্দটোৰ সৃষ্টিকৰ্তা হিচাপে আখ্যা দিয়া হয়। তেওঁ পিতৃতান্ত্ৰিকতাৰ প্ৰভাৱত নাৰী আৰু প্ৰকৃতিয়ে ভুগি অহা বিভিন্ন

শোষণক বিষয় বস্তু হিচাপে লৈ এক অধ্যয়ন চলাইছিল। প্ৰাথমিক বিশ্লেষণ সমূহৰ আলম লৈ পৰৱৰ্তী পৰীক্ষা-নিৰীক্ষা চলায়।
যন্ত্ৰণা আৰু শোষণক ... ডিউবনৰ প্ৰাথমিক ... ইক'ফেমিনিষ্টসকলে ... ধাৰণা সত্তৰৰ দশকৰ প্ৰাৰম্ভিকতে ইক'ফেমিনিষ্টসকলে ... ইক'ফেমিনিজমৰ ... শিপাইছিল। সেই সময়ত প্ৰচলিত আদৰ্শগত ... দেশসমূহত ... নাৰীসমাজ বিমুখ হৈ পৰিছিল। পৰিবেশ পশ্চিমৰ দেশসমূহত ... পশ্চিমৰ নাৰীভিত্তিক বিশ্লেষণৰ অভাৱ পৰিলক্ষিত ভাৱধাৰাৰ প্ৰতি ... ক্ষেত্ৰতো নাৰীবাদৰ কোনো ধাৰণা নাছিল। নাৰী আৰু আন্দোলনৰ ... প্ৰকৃতিৰ বাবে নাৰীবাদৰ ... তাহানিৰ যুগৰে পৰা যে ওতঃপ্ৰোত সম্পৰ্ক হৈছিল। প্ৰকৃতিৰ ... সেই ... ইক'ফেমিনিজমে প্ৰমাণ কৰি দেখুৱাইছে। প্ৰকৃতিৰ মাজত ... মূলতঃ ইক'ফেমিনিজমে ... কিছুমান মতবাদ যেনে 'ৰেচিজিম' (rac- আছে, তাক মূলতঃ ... সমাজত প্ৰচলিত ... 'ছেক্সিজিম' (sexism) বা লিংগবাদ, ... বৰ্ণবাদ, ... (speiesism) বা প্ৰজাতিবাদ, 'ক্লাছিজম' ism) বা বৰ্ণবাদ, 'স্পেচিয়েজিম' (speiesism) বা শ্ৰেণীবাদ, আৰু 'ইমপেৰিয়েলিজম' (imperial- 'স্পেচিয়েজিম' ... আদিবোৰে সমাজৰ সৰ্বতোপ্ৰকাৰে উন্নতিত (classism) বা শ্ৰেণীবাদ ... দুৰ্বল লোকৰ ওপৰত উৎপীড়ন চলোৱাত ism) বা সাম্ৰাজ্যবাদ আদিবোৰে ... দিছে। ... বৈষম্যবোৰৰ মূল উৎস পিতৃপ্ৰধান সমাজ বাধা ৰূপে থিয় দিছে। ... সামাজিক ... কেৱল নাৰীবাদৰ ওপৰতেই আলোচনা ইন্ধন যোগোৱা সামাজিক ... ইক'ফেমিনিজমত ... আনুষংগিক পিতৃপ্ৰধান সমাজ ব্যৱস্থাৰ ওপৰতো ব্যৱস্থা। ইক'ফেমিনিজমত ... ইয়াৰ আনুষংগিক ... কৰা হয় যদিও ইয়াৰ ... অধ্যয়ন কৰা হয়।

বিশদভাৱে অধ্যয়ন কৰা হয়। ... প্ৰসাৰিত পুঁজিবাদ আৰু পিতৃতান্ত্ৰিক ব্যৱস্থাৰ

সমগ্ৰ বিশ্বতে প্ৰসাৰিত ... গোলকীয় দাক্ষিণাত্যৰ ফলত দেশসমূহ প্ৰভাৱিত দ্বাৰা বিশেষকৈ গোলকীয় ... ইক'ফেমিনিজমৰ ভাষাত তৃতীয় বিশ্বৰ দেশসমূহক গোলকীয় হৈছে। ইক'ফেমিনিজমৰ ভাষাত তৃতীয় বিশ্বৰ দেশসমূহক গোলকীয় দাক্ষিণাত্য (Global South) বুলি কোৱা হয়। তৃতীয় বিশ্বৰ দাক্ষিণাত্য (Global South) ... দেশ। তথ্য প্ৰযুক্তিৰ দিশত আগবঢ়া দেশসমূহ মূলতঃ কৃষিপ্ৰধান দেশ। ... পশ্চিমৰ দেশসমূহৰ তুলনাত তৃতীয় বিশ্বৰ দেশসমূহ মূলতঃ কৃষিৰ ওপৰত নিৰ্ভৰশীল। কিন্তু পুঁজিবাদৰ জালত পৰি পশ্চিমৰ দেশসমূহক অনুসৰণ কৰি ভাৰতৰ দৰে আন তৃতীয় বিশ্বৰ দেশসমূহে কিছুমান উন্নয়নমূলক কাম হাতত লয়। যদিও এই কামৰ দ্বাৰা লাভান্বিত হয় কেৱল চহৰ নগৰৰ কিছু মুষ্টিমেয় ধনীক শ্ৰেণীৰ লোক। উন্নয়ন কাৰ্য্য চলোৱা ঠাইৰ ওচৰ পাঁজৰৰ বাসিন্দা বিশেষকৈ নাৰী সমাজ ইয়াৰ দ্বাৰা বিশেষকৈ ক্ষতিগ্ৰস্ত হয় লগতে ভাৰসাম্য হেৰুৱাইছে প্ৰাকৃতিক পৰিবেশে। কৃষি ক্ষেত্ৰত নাৰীসকলৰ অৱদান অন্যতম। কোনো ঠাইৰ কৃষি ক্ষেত্ৰৰ উন্নয়নৰ বাবে আঁচনি প্ৰস্তুত কৰিলে সেই আঁচনিৰ দ্বাৰা নাৰীৰ কিবা অসুবিধা জন্মে নেকি সেই কথা বিচাৰ কৰা নহয়। পূৰ্বৰে পৰা অৰ্থনৈতিক দিশত সক্ৰিয় ভূমিকা গ্ৰহণ কৰা নাৰীসকলে অৰ্থনৈতিক স্বাধীনতাৰ পৰা বঞ্চিত হ'বলগীয়া হয়। অৰ্থনৈতিক স্বাধীনতা নাথাকিলে মহিলাসকল পুৰুষৰ দ্বাৰা অৱদমিত হোৱাই স্বাভাৱিক। কোনো কামৰ ক্ষেত্ৰত পুৰুষ মহিলাই সমানে শাৰীৰিক কষ্ট কৰিলেও পুৰুষৰ তুলনাত নাৰীসকলক কম মজুৰি দিয়া হয়। এইবোৰ কাৰণতে আচলতে কোৱা হয় পুঁজিবাদী চিন্তা আৰু পিতৃতান্ত্ৰিক চিন্তাৰ মাজত কোনো পাৰ্থক্য নাই।

ইক'ফেমিনিজম আৰু ভাৰত ঃ

পশ্চিমৰ দেশসমূহত সত্তৰৰ দশকত নাৰী আৰু পৰিবেশ সম্পৰ্কীয় ধাৰণা উদ্ভাৱন হৈছিল যদিও ভাৰতবৰ্ষত কিন্তু সত্তৰ বা তাতোকৈ পূৰ্বৰে পৰাই নাৰী আৰু পৰিবেশ সম্পৰ্কীয় চিন্তা চৰ্চা হৈছিল। নানা জাতি উপজাতিৰ মিলনক্ষেত্ৰ ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত অতীত কালৰে পৰা বসবাস কৰি আহিছে বিভিন্ন জনগোষ্ঠী। এই গোষ্ঠীবোৰৰ অন্তৰ্গত লোকসকলে নিজ নিজ লোকাচাৰ অনুসৰি প্ৰকৃতিক আৰাধ্যা দেৱী হিচাপে উপাসনা কৰে। প্ৰকৃতিৰ বুকুতেই লালিত পালিত হোৱা বিভিন্ন জনগোষ্ঠী সমূহৰ ভিতৰত ৰাজস্থানৰ "বিষ্ণয়" (Bishnoi) সকল অন্যতম। এই লোকসকলে প্ৰকৃতিৰ কাৰণে নিজৰ জীৱন উৎসৰ্গা কৰিবলৈও কুণ্ঠাবোধ নকৰে। বিশ্ববিখ্যাত 'চিপকো' আন্দোলনৰ জন্মদাত্ৰী বিষ্ণয় নাৰী অমৃতা সিং। চিপকো মানে লাগি ধৰা। এওঁলোকে গছবোৰ সাৱতি ধৰি লিপিত খাই পৰে যাতে কোনোৱে কুঠাৰাঘাত কৰিব নোৱাৰে। অমৃতা দেৱীৰ নেতৃত্বত প্ৰায় ৩৬৩ জন বিষ্ণয়ে ১৭৩০ চনতে ৰজাৰ আদেশত গছ কাটিবলৈ অহা ঠিকাদাৰৰ কুঠাৰৰ ঘাপক আওকান কৰি বিশাল মেজৰালি গছবোৰ সাৱতি ধৰি নিজৰ জীৱন উৎসৰ্গা কৰে। এই প্ৰতিবাদেই পিছলৈ কুৰি শতিকাৰ সত্তৰৰ দশকত গাড়োৱাল হিমালয়ৰ উত্তৰাখণ্ডত সুসংগঠিত ৰূপত চলাই নিয়ে সুন্দৰলাল বহুগুণাই। তেওঁক সহযোগ কৰে গউৰা দেৱী, সুদেশা দেৱী, বাচনী দেৱী, চান্দিপ্ৰসাদ ভট্ট, গোবিন্দ সিং ৰাৱত, ধুম সিং নেগী, শামেশ্বৰ সিং আৰু ঘনশ্যাম বাটুৰী, জয়প্ৰকাশ নাৰায়ণ আদিয়ে। চিপকো আন্দোলনৰ সফলতা বহুখিনি নিৰ্ভৰ কৰে নাৰীসকলৰ ওপৰত। ১৯২১ চনত চৰকাৰে বন আইন প্ৰণয়ন কৰি সাধাৰণ জনসাধাৰণক বনাঞ্চল ব্যৱহাৰৰ পৰা বঞ্চিত কৰি বছৰি ৩০০ জোপা গছ কাটিবলৈ অনুমতি দিছিল এলাহাবাদৰ 'চাইমন' নামৰ কোম্পানীক টেনিছ ৰেকেট বনোৱাৰ বাবে প্ৰয়োজন হোৱা কাঠৰ চাহিদা পূৰণৰ বাবে। তাতেই সূত্ৰপাত হ'ল চিপকো আন্দোলনৰ। ভাৰতত ইক'ফেমিনিজমৰ ধাৰা চিপকো আন্দোলনৰ পৰাই বিস্তাৰিত হয়। চিপকো আন্দোলনৰ আৰ্হিত উদ্বুদ্ধ হৈয়েই দক্ষিণ

ভাৰতৰ কৰ্ণাটকতো 'এপ্পিকো আন্দোলন' গঢ়ি তোলা হৈছিল ১৯৮৩ চনৰ ছেপ্তেম্বৰ মাহত। ইয়াৰ উপৰিও হিমাচল প্ৰদেশ, ৰাজস্থান, বিহাৰ, পশ্চিমঘাট, বিন্ধ্য পাৰ্বত্যঅঞ্চল আদিত এই আন্দোলনৰ জৰিয়তে গছ কটা কাৰ্য্যত অৱৰোধ কৰা হৈছিল।

বৰ্তমানেও মেধা পাটেকাৰৰ নেতৃত্বত অৰুন্ধতী ৰয়ৰ সহযোগত নৰ্মদা নদীৰ ওপৰত জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণৰ ফলত বিদ্যুতৰ নাটনি পূৰণ হ'ব কিন্তু তাৰ বাবে প্ৰয়োজনীয় ৱাটাৰ ৰিজাৰ্ভাৰৰ নামত যি ভূমিৰ দৰকাৰ হ'ব সেই সকলোবোৰ কাষত অৱস্থিত গাঁৱৰ পৰাই সংগ্ৰহ কৰিব। ফলত গাঁওবোৰ উচ্ছন্ন হোৱাৰ লগতে বাসিন্দাসকলে ত্যাগ কৰিব লাগিব পৈতিক ঘৰ, ভেটি, গাওঁ। চৰকাৰে যদিও পুনৰ সংস্থাপন নীতি প্ৰয়োগ কৰিছে তথাপি ই সন্তোষজনক ভাবে ফলপ্ৰসু নহয়। কাৰণ মাটিৰ সৈতে সম্বন্ধ থকা সেই প্ৰকৃতিৰ লোকসকলে হেৰুৱাব লাগিব নিজৰ সংস্কৃতি আৰু সত্তা। তাদুপৰি নতুন ঠাই, নতুন মানুহৰ সৈতে আত্মীয় হ'বলৈ কিছু সময়ৰ প্ৰয়োজন হ'ব। ইয়াৰ উপৰিও প্ৰাকৃতিক পৰিৱেশতো ভাৰসাম্য হেৰুৱাব আৰু দুৰ্ভোগ ভুগিব মহিলাসকলে।

বৰ্তমানলৈকে যিমানবোৰ উন্নয়নমূলক কাৰ্য্য সমাধা হৈছে তাৰ সিংহভাগেই উপকৃত হৈছে ধনীক শ্ৰেণী। কিন্তু উন্নয়নৰ নামত সৰ্বস্ব হেৰুৱাইছে দৰিদ্ৰলোকসকলে। তেন্তে উন্নয়ন কাৰ বাবে? এয়া পুঁজিবাদৰ অভিশাপ নহনে? যেতিয়া মহিলাসকলে মাৰ বান্ধি থিয় হ'ব তেতিয়া কোনেও তেওঁলোকৰ অস্তিত্ব ৰক্ষাত বাধাৰ প্ৰাচীৰ হৈ থিয় দিব নোৱাৰে। এইয়া কেৱল ভাৰতৰ চাৰিসীমাৰ মাজতে আৱদ্ধ নহৈ বিশ্বজনীন হোৱাটো চিৰন্তন সত্য। থমাছ শ্লেটাৰ আৰু ডি ৰচিলিওৰ দ্বাৰা লিখিত "Gender , Environment and development Kenya: A Grassrot Perspective, 1995" নামৰ গ্ৰন্থত কেনিয়াৰ পুঁজিবাদী ব্যৱস্থাৰ ফলত কেনেদৰে মহিলাসকল আৰু পৰিৱেশ বিনষ্ট হৈছে তাৰ সাৱলীল বৰ্ণনা পোৱা যায়। কেনিয়াত প্ৰচলিত পুঁজিবাদী ব্যৱস্থাৰ ফলত কৃষি উপযোগী অধিকাংশ ভূমি বাণিজ্যিক ভিত্তিত ব্যৱহাৰ কৰা হয়। ৰপ্তানীৰ বাবে অধিক উৎপাদনক্ষম কৰাৰ উদ্দেশ্যে ৰাসায়নিক দ্ৰব্য ব্যৱহাৰ কৰা হয়। সেয়ে উক্ত ভূমি সম্পদৰ উপযুক্ত পৰিমাণৰ গুণাগুণ নিম্নমানৰ হয় আৰু তাৰ পৰৱৰ্তী বছৰত পুনৰ অধিক মাত্ৰাত ৰাসায়নিক সাৰ প্ৰয়োগ কৰা হয়। এই প্ৰক্ৰিয়া বছৰৰ পিছত বছৰ ধৰি পৰম্পৰাগত ভাবে চলি আহিছে। এনেদৰে বছৰৰ পিছত বছৰ ধৰি চলা প্ৰক্ৰিয়াত কৃষি ভূমি অনুপযুক্ত হৈ পৰে আৰু কৃষকসকলে খেতিমাটিৰ লগতে নিজৰ বাসস্থানো স্থানান্তৰ কৰিবলগীয়া হয়। নতুন ঠাই আৰু নতুন মাটিত নিৰ্বনীকৰণ আৰু কৃষি কাৰ্য্য সাধন কৰাৰ বাবে ভূমিৰ অধিক অৱক্ষয় হয়। ফলত গোটেই পৰিৱেশতন্ত্ৰৰে অৱনতি ঘটে। এই গোটেই প্ৰক্ৰিয়াটোক সামাজিক দৃষ্টিভঙ্গীৰে বিচাৰ কৰি চালে দেখা যায় যে ইয়াত মহিলাসকলেই অধিক ক্ষতিগ্ৰস্ত হোৱাৰ লগতে বহুতো সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে।

সাম্প্ৰতিক কালত এগৰাকী ইক'ফেমিনিষ্ট বন্দনা শিৱাৰ মতে অতীত কালৰে পৰা পিতৃতান্ত্ৰিক সমাজত নাৰী আৰু প্ৰকৃতিক দুৰ্ব্যৱহাৰ কৰি অহা হৈছে। ইয়াৰ কাৰণ পুঁজিবাদৰ দৃষ্টিভঙ্গীত নাৰীৰ কৰ্মক্ষেত্ৰৰ পৰিধি উপাৰ্জনহীন আৰু অৰ্থনীতিৰ সহায়ক নহয় বুলি সমাজত প্ৰচলিত ভাৱধাৰাৰ হেতু তেওঁলোকক হেয় প্ৰতিপন্ন কৰি অহা হৈছে। উদাহৰণ স্বৰূপে হাবিত বৈ থকা এটা জুৰি সমাজবোধত এনেয়ে বৈ থকা অথবা অব্যৱহৃত। এই জুৰি কেৱল মহিলাসকলৰ পৰিয়ালবোৰৰ বা গোষ্ঠীৰ বাবে প্ৰয়োজন হোৱা পানীৰ চাহিদাৰ যোগান ধৰোঁতা। যেতিয়ালৈকে কোনো অভিযন্তা আহি ইয়াৰ ওপৰত এটা বান্ধ নিৰ্মাণ কৰি জলশক্তি উৎপাদন নকৰে, সকলো এই ধাৰণাৰে বশৱৰ্তী হৈ থাকে। ঠিক তেনেদৰে এখন হাবিৰ ক্ষেত্ৰতো সমাজ একে ধাৰণাৰে বশৱৰ্তী হৈ থকা দেখা যায়। যেতিয়ালৈকে সেই হাবি পৰিষ্কাৰ কৰি কোনো বাণিজ্যিক প্ৰজাতিৰ একক বনানীকৰণ (monoculture Paltation) কৰা নহয়। কিন্তু বাণিজ্যিকীকৰণ কৰিবলৈ যাওঁতে এইটো ভাবি চোৱা নহয় যে হাবিখন ভূগৰ্ভস্থ পানী প্ৰতিৰক্ষাত, অক্সিজেন সৃষ্টিত, কাষৰ গাঁওবাসীলৈ ফল-মূল, খৰি কাঠ যোগানত আৰু আচবাবপত্ৰৰ কেঁচামাল যোগান ধৰাৰ উপৰিও জীৱ-জন্তুৰ আৱাসস্থল হিচাপে কিমান উৎপাদনশীল। তথাপি বহুলোকৰ বাবে এতিয়াও ৰপ্তানী বা ডলাৰ মূল্যত জি.ডি.পি. (GDP) লৈ অৰিহণা নোযোগোৱালৈকে হাবি বননিক উৎপাদনশীল সম্পদ হিচাপে গণ্য কৰা নহয়। বন্দনা শিৱাৰ মতে লোক মানসিকতাৰ পৰা এই দৃষ্টিভঙ্গী সলনি কৰি এক নতুন মাত্ৰা প্ৰদান কৰাই ইক'ফেমিনিজমৰ প্ৰধান উদ্দেশ্য।

সি যি কি নহওক, প্ৰত্যেক বিষয়তে ইতিবাচক আৰু নেতিবাচক দুটা দিশ থাকে। ইক'ফেমিনিজম বিষয়টোৰেও বহু লোকৰ দ্বাৰা সমালোচিত হৈ আহিছে। সমালোচক সকলৰ মতে ইয়াত কেৱল প্ৰকৃতি আৰু নাৰীৰ মাজত এক ৰহস্যময় সংযোগ সূত্ৰ স্থাপনত প্ৰাধান্য দি অহা হৈছে। আনহাতে ইক'ফেমিনিষ্ট সকলো এই সমালোচনাত্মক মন্তব্যত সজোৰে প্ৰত্যাহবান জনাই আহিছে আৰু তেওঁলোকে কয় যে ইক'ফেমিনিজম ক্ষেত্ৰভিত্তিক অধ্যয়নৰ যোগেদি প্ৰতিষ্ঠা লাভ কৰা বাস্তৱভিত্তিক বিষয়বস্তু আৰু সাম্প্ৰতিক কালৰ পৰিস্থিতিত ইয়াৰ অধ্যয়ন আৰু প্ৰসাৰতাৰ যথেষ্ট প্ৰয়োজনীয়তা আহি পৰিছে। ■■

"মামণি ৰয়ছম গোস্বামী" অসমীয়া সাহিত্যৰ "এক ব্যতিক্ৰমী সত্বা"

গীতিমণি বৰঠাকুৰ
ৰাজনীতি বিজ্ঞান বিভাগ

বিভিন্নতা আৰু বিচিত্ৰতা মামণি ৰয়ছম গোস্বামীৰ সাহিত্যৰ এক আকৰ্ষণীয় দিশ। তেওঁৰ প্ৰতিটো সৃষ্টি আত্মকথা বা আত্মজীৱনীৰ উপাদানেৰে সমৃদ্ধ। 'ইন্দিকা' মামণি ৰয়ছম গোস্বামীৰ গল্প উপন্যাসৰ এটা অন্যতম বৈশিষ্ট্য হৈছে 'নাৰী হৃদয়ৰ চিত্ৰণ', তেওঁৰ প্ৰায়বোৰ গল্পতে নাৰী চৰিত্ৰই অধিক ভূমুকি মাৰিছে। তেওঁৰ সৃষ্টিসমূহত নাৰী মনৰ গোপন বাৰ্তা নিৰ্ভীক তথা সাহসিক ৰূপত প্ৰকাশিত হোৱা দেখা যায়। সমাজ ভিন্ন, সময় ভিন্ন হ'লেও নাৰীৰ মানসিক স্থিতি, দুখ-দুৰ্দশা, শোষণ নিপীড়ন, পুৰুষতন্ত্ৰৰ ছত্ৰছায়াত নাৰী মনৰ উন্মুক্তি স্পৃহা আদি যে একে থাকে তাক গোস্বামীৰ সাহিত্যত সুন্দৰ ৰূপত প্ৰতিফলিত হয়। নাৰী কেন্দ্ৰীক উপলব্ধিৰে অংকণ কৰা তেওঁৰ গল্প উপন্যাস সমূহৰ নাৰী চৰিত্ৰৰ ক্ষেত্ৰত সঘনে উচ্চাৰিত এটা অয় ধাৰণা হৈছে 'নাৰীবাদ'। কিন্তু তেখেতৰ সৃষ্টি ৰাজ্যত নাৰী চৰিত্ৰ সমূহৰ মাজত সমস্যা, সংঘাত, পুৰষ প্ৰধান সমাজ ব্যৱস্থাত নাৰীৰ নিৰ্যাতন, দুৰৱস্থা, বিশেষকৈ উচ্চৰ্কাৰ বিধৱা জীৱন-যাতনাৰ বিভিন্ন অনুষংগ, নাৰীৰ প্ৰাপ্তিৰ তৃষ্ণা আৰু অপ্ৰাপ্তিৰ যন্ত্ৰণা আৰু ইয়াৰ বাবে সৃষ্টি হোৱা মানৱীয় সম্পৰ্কৰ খেলিমেলি, প্ৰাচুৰ্য্য, আশাবাদ, তাৰোপৰি প্ৰেমৰ ব্যৰ্থতা, আৰ্থিক দৈন্যতা, যৌৱনৰ চঞ্চলতা, পুৰুষৰ যৌনক্ষুধা তথা মাতৃত্বৰ চিৰন্তন বুভুক্ষা আদি তেওঁৰ গল্প উপন্যাসৰ প্ৰধান উপবীজ্য। কিন্তু হ'লেও তেখেতৰ গল্প উপন্যাসৰ নাৰী চৰিত্ৰ সমূহে সমাজৰ বিৰুদ্ধে আন্দোলন বা বিপ্লৱৰ পোষকতা কৰা

ৰামধেনু যুগৰ অসমীয়া সাহিত্যিক সকলৰ ভিতৰত প্ৰগতিবাদী লেখিকা হিচাপে মামণি ৰয়ছম গোস্বামী সৰ্বশ্ৰেষ্ঠা, অনন্যা, প্ৰকৃতাৰ্থত মহিয়সী নাৰী। এখন আকাশৰ অন্য নাম 'মামণি'। সম্পূৰ্ণ অগতানুগতিক বিষয়বস্তুৰ সাহিত্য ৰচনা কৰা এই গৰাকী লেখিকাৰ কলমেৰে নিগৰি পৰিছিল বিৰল সহানুভূতি, বাস্তৱবোধ, অনুভূতিৰ তীব্ৰতা, সংবেদনশীলতা। বিষয়বস্তুৰ

নাই, গতিকে সেইবোৰ নাৰীৰ দশাৰ প্ৰতি গভীৰ ভাৱে আবেদনশীল হ'লেও প্ৰকৃতাৰ্থত ই নাৰীবাদৰ ৰূপ নলয়। যিহেতু নাৰীবাদক বহুল অৰ্থত মানৱতাবাদৰ অংশ বুলি কোৱা হয়। সেয়েহে মামণি ৰয়ছম গোস্বামীৰ চৰিত্ৰসমূহৰ মাজেদি মানৱতাবাদৰ দিশটো অধিক প্ৰকট হয়। এইগৰাকী লেখিকাৰ সাহিত্যৰ আন এক বৈশিষ্ট্য হ'ল সম-সাময়িক সমাজ জীৱনৰ চিত্ৰণ আৰু মানবীয় চেতনাৰ অতি সূক্ষ্ম বিশ্লেষণ। গতিকে তেখেতৰ সাহিত্য কৃত্তি সমূহৰ সামাজিক গুৰুত্ব অপৰিসীম।

'জ্ঞানপীঠ' বঁটা বিজয়ী এই গৰাকী লেখিকাৰ জীৱনত 'ৰামায়নৰ' প্ৰভাৱ অপৰিসীম। ৰামায়নী সাহিত্যৰ গৱেষিকা ড০ গোস্বামী ইয়াৰ আন্তঃ ৰাষ্ট্ৰীয় প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা লৈছিল। তেখেতৰ উপন্যাস 'দাশৰথীৰ খোজ'ত ৰামায়নী কথাৰ প্ৰভাৱ পৰিলক্ষিত হয়। তেখেতে ব্যতিক্ৰম সৃষ্টি ৰাজিৰে কেৱল অসমীয়া সাহিত্যৰে নহয়, সমগ্ৰ বিশ্ব দৰবাৰত নিজকে প্ৰতিষ্ঠিত কৰি গৈছে।

এগৰাকী সমাজ সচেতন লেখিকা হিচাপে ড° গোস্বামীৰ সাহিত্যত যদিও নাৰী চৰিত্ৰসমূহে অগ্ৰাধিকাৰ পায় বুলি কোৱা হয় তথাপিও তেওঁৰ কেতবোৰ গল্প উপন্যাসৰ পটভূমি বেলেগ হ'লেও বা অচিনাকী সমাজ এখনৰো ছবি অতি সুন্দৰ ৰূপত তুলি ধৰিবলৈ সক্ষম হৈছে। নিম্ন শ্ৰেণীৰ মানুহৰ বিশেষকৈ শ্ৰমিকসকলৰ জীৱন তথা শোষণ-নিস্পেষণ আদি অতি সূক্ষ্ম দৃষ্টিভঙ্গীৰে অতি মননশীল ৰূপত দাঙি ধৰিছে।

স্বাধীনোত্তৰ কালত লেখিকা ড° মামণি ৰয়ছম গোস্বামীৰ সাহিত্যত প্ৰত্যক্ষ বা পৰোক্ষভাৱে সমাজৰ কঠোৰ নাতি-নিয়ম, ৰক্ষণশীল সমাজৰ কু-সংস্কাৰ শোষণ, দমন, নিষ্ঠুৰতা, অস্পৃশ্যতা, জাতিভেদ আদিৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছে। বিশেষকৈ তেওঁৰ কেতবোৰ উপন্যাসত অসমৰ এখন ক্ষয়ি- সমাজ জীৱনৰ ছবি প্ৰতিফলিত হৈছে। পৰম্পৰাগত সামাজিক সংস্কাৰৰ নামত বিধৱা নাৰীৰ ওপৰত জাপি দিয়া বিভিন্ন বাধ্য বাধকতাই নাৰীৰ জীৱন কেনেকৈ দুৰ্বিসহ কৰি তোলে আৰু ইয়াৰ ফলস্বৰূপে নাৰীৰ 'স্বাভাৱিক প্ৰবৃত্তি'ৰ ক্ষেত্ৰত সংঘাত সৃষ্টি হয়, তাক তেওঁ গভীৰভাৱে উপলব্ধি কৰি সাৱলীল ৰূপত গল্প উপন্যাসসমূহত দাঙি ধৰিবলৈ সক্ষম হৈছে। সেইবাবেই ড° গোস্বামীয়ে বিচিত্ৰ সাহিত্য ৰাজিৰে অসমীয়া সাহিত্যক সু-উচ্চ আসনত ঠাপিবলৈ সক্ষম হৈছে।

প্ৰকৃতাৰ্থত মামণি ৰয়ছম গোস্বামী এগৰাকী ব্যতিক্ৰমী ধাৰাৰ লেখিকা। সুক্ষ্ম অনুভূতিশীলতা, তীক্ষ্ণ পৰ্যবেক্ষণ, তীব্ৰ চেতনা স্ৰোত, প্ৰাচুৰ্য্যময় ভাষা আৰু বিষয় বস্তুৰ অভিনৱ উপস্থাপনে অসমীয়া সাহিত্য জগতত এক সুকীয়া স্থান দখল কৰাৰ লগতে সাহিত্যৰ জগতখন সমৃদ্ধিশালী কৰি গৈছে। এক ব্যতিক্ৰমী সত্বাৰ অধিকাৰী হোৱাৰ বাবেই ড মামণি ৰয়ছম গোস্বামীৰ সাহিত্য কৰ্মই সমাজৰ সকলো শ্ৰেণীৰ পাঠককে মোহাচ্ছন্ন কৰি ৰাখিব পাৰিছে।

মহৎ লোকৰ বাণী

- আনৰ পৰা একো আশা নকৰা মানুহজন আটাইতকৈ ভাগ্যৱান কাৰণ তেওঁ কেতিয়াও নিৰাশ হ'ব লগা নহয়। *আলেকজেণ্ডাৰ পোপ।*
- কোনো মানুহক সম্পূৰ্ণৰূপে অনুকৰণ নকৰিবা। প্ৰত্যেক মানুহৰে সৎ গুণ যেনেকৈ আছে, অসৎ গুণো আছে অসৎখিনি বাদ দি সৎ গুণখিনি বাছি ল'ব পৰাটোহে মানৱতাৰ কৃতিত্ব। *হেম বৰুৱা।*

সংগ্ৰাহক ঃ চালিমা বেগম
স্নাতক পঞ্চম ষাণ্মাসিক

মে-ডাম-মে-ফি
তাৎপৰ্য আৰু প্ৰাসংগিকতা

জেবিন আখতাৰ ৰহমান
স্নাতক চতুৰ্থ ষান্মাসিক, অৰ্থনীতি বিভাগ

পৃথিৱীৰ সকলো জাতি জনগোষ্ঠীয়ে নিজৰ পৰম্পৰা অনুসৰি পূৰ্বপুৰুষ সকলক স্মৰণ কৰে। উত্তৰ পুৰুষৰ মঙ্গলৰ বাবে আশিস বিচাৰে। বৃহত্তৰ টাই জনগোষ্ঠীৰ অন্তৰ্ভুক্ত আহোমসকলো ইয়াৰ ব্যতিক্ৰম নহয়। সংস্কৃতিৰ স্বকীয়তাৰে মহিমামণ্ডিত বিশ্ববিখ্যাত টাই জাতিৰ এটা ঠাল আহোমসকলে নিজৰ সংস্কৃতি, ভাষা, ধৰ্ম আৰু ৰীতি-নীতিৰ পৰম্পৰা লৈ অসমলৈ আহিছিল আৰু প্ৰাচীন অসমৰ থলুৱা সংস্কৃতিৰ লগত সমন্বয় ঘটাই বৃহৎ অসমীয়া সংস্কৃতিৰ বৰভেটি প্ৰতিষ্ঠা কৰিছিল। ত্ৰয়োদশ শতিকাৰ পৰা ঊনবিংশ শতিকালৈ এই ছশ বছৰীয়া শাসন কালত ধৰ্ম-কৰ্ম, স্থাপত্য-ভাস্কৰ্য, শিল্পকলা, সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত আহোমসকলৰ অৱদান অতুলনীয়।

ধৰ্মীয় বিশ্বাসৰ ফালৰ পৰা টাই আহোমসকলে স্বৰ্গ আৰু মৰ্ত্যৰ সম্পৰ্ক অক্ষুণ্ণ ৰখাৰ উদ্দেশ্যেই পালন কৰে মে-ডাম-মে-ফি। স্বৰ্গৰাজ লেংডন অৰ্থাৎ ইন্দ্ৰৰ নাতি খুনলুং আৰু খুনলায়ে ৰাজ্য শাসন কৰিবৰ বাবে পৃথিৱীলৈ নামি আহিছিল সোণৰ জখলাৰে। এই ডাল জখলাক স্বৰ্গ আৰু মৰ্ত্যৰ মাজত সম্পৰ্কৰ প্ৰতীক বুলি গণ্য কৰা হয়। স্বৰ্গতে জ্ঞান আৰু বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী জাচিংফা অৰ্থাৎ সৰস্বতীয়ে তেওঁলোকক মৰ্তলৈ লৈ গৈ বিভিন্ন মাহত ভিন ভিন উপলক্ষে মৈফা, ফুৰালুং, মে-ডাম-মে-ফি আদি পালন কৰিবলৈ পৰামৰ্শ দিলে। তেতিয়াৰে পৰা আহোমসকলে মে-ডাম-মে-ফি পালন কৰি আহিছে।

তাৎপৰ্য ঃ

'মে' মানে পূজা, তৰ্পণ বা উপাসনা, 'ডাম' মানে মৃতক, পূৰ্বপুৰুষ আৰু 'ফি' মানে হ'ল দেৱতা। অৰ্থাৎ মৃত দেৱতাসকলৰ পূজা-অৰ্চনা। ইন্দ্ৰ বংশী টাই আহোমসকলৰ বিশ্বাস অনুসৰি মৃত্যুৰ সময়ত কোনো লোকৰ পুনৰ জন্ম নহয়। মৃত লোকজনে স্বৰ্গলৈ গৈ দেৱতাৰ শাৰী পূৰায়। একোজন জীৱিত লোক মৃত্যু হোৱাৰ লগে লগে ফি অৰ্থাৎ দেৱতা হৈ নাযায়। ইয়াৰো এটা প্ৰক্ৰিয়া আছে। মৃত্যুৰ পিছত একোজন লোক চাৰিটা প্ৰজন্মলৈ চাংফি লৈ থাকে। তেওঁলোকক উদ্দেশ্য কৰি যথোচিত ভাবে পূজা অৰ্চনা কৰিলেহে তেওঁলোকে ফি অৰ্থাৎ দেৱতা হৈ আমাৰ মঙ্গল কামনা কৰি আশীৰ্বাদ দিব। এইখিনি বিশ্বাসক আধাৰ কৰি লৈহে মে-ডাম-মে-ফি পালনৰ প্ৰকৃত দিশটোৰ তাৎপৰ্য বুজিব পাৰি।

পূৰ্বপুৰুষক অচলা ভক্তিৰ ওপৰতে টাই আহোমৰ ভৱিষ্যত নিৰ্ভৰ কৰা বুলি বিশ্বাস কৰা হয়। একোটা পৰিয়ালৰ এজন লোকৰ মৃত্যু হলে তেওঁৰ সৈতে সকলো সম্পৰ্ক শেষ হৈ নাযায়। পৰিয়াল, বংশ, গোষ্ঠী, গাওঁ আৰু দেশখনৰ সৈতে বিভিন্ন সূত্ৰে সদ্যমৃত লোকজনৰ সম্পৰ্ক শেষ হৈ যোৱা বুলি ক'লে ভুল কোৱা হ'ব। সৌ সিদিনালৈকে বংশ, সমাজ তথা গাওঁখনত দপদপাই থকা লোকজনৰ দৈহিক সম্পৰ্ক শেষ হ'লেও কৰ্মৰ চানেকি থাকি যায়। পাৰস্পৰিক দিশৰ পৰা পৰিয়ালৰ আন সদস্য আৰু মৃতকজনৰ মাজত মৰম শ্ৰদ্ধা, খং-ৰাগ আদি লগে লগে শেষ নহয়। পৰম্পৰাগত ভাৱে পূৰ্বপুৰুষক পূজা সেৱা কৰিলেহে অৰ্থাৎ মে-ডাম-মে-ফি পালন কৰিলেহে মৃত পিতৃ-মাতৃ আৰু ককা আইতাসকলে স্বৰ্গৰ পৰা মৰ্ত্যলৈ নামি আহি সতি-সন্ততিসকলক আশীৰ্বাদ দিব। মৃতকসকলক ইয়াত শুভশক্তি বুলি গণ্য কৰা হয় আৰু সাময়িক ভাৱে তেওঁলোক অসন্তুষ্ট হলেও শ্ৰদ্ধা -ভক্তি সহকাৰে পূজা অৰ্চনা কৰিলে তেওঁলোকৰ কৰুণা বৰ্ষিত হয়।

মে-ডাম-মে-ফিৰ অৰ্থ ঃ

মে-ডাম-মে-ফিৰ যোগেদি একোটা পৰিয়াল, গোষ্ঠী, বংশ আৰু বৃহৎ সমাজখনে পিতৃ পুৰুষক পূজা অৰ্চনা কৰিব পাৰে। ব্যক্তিগত পৰিয়ালতো সভক্তিৰে পূজা অৰ্চনা কৰা হয়। বিশেষকৈ বিবাহ, বিহু উৎসৱ, শস্য চপোৱাৰ পাছত, ন-খোৱা, জন্ম আৰু মৃত্যু তিথিটো টাই আহোমসকলৰ পুৰোহিত বা পণ্ডিত পৰিয়ালে উপৰিপুৰুষৰ পূজা পাতে। উপৰিপুৰুষ অসন্তুষ্ট হ'লে পৰিয়ালৰ সদস্যসকলৰ অশুভ হ'ব বুলি বিশ্বাস কৰা হয়। মৃত উপৰিপুৰুষৰ পূজা আৰাধনাৰ আঁৰত ভয় শংকা, শ্ৰদ্ধা আদি অনুভৱে ক্ৰিয়া কৰে বুলি ভবা হয়। টাই আহোমৰ পুৰোহিত শ্ৰেণীটোৱে ডাম অৰ্থাৎ

মৃতকসকলক বিভিন্ন ভাগত ভাগ কৰি পূজা অৰ্চনা কৰে। সেয়া হ'ল— ঘাই ডাম, চি-ৰেণ-ডাম, ন ডাম আৰু জাকৰুৱা ডাম।

ঘাই ডাম ঃ ঘাই মানে মূল আৰু ডাম মানে মৃত। সেয়ে ঘাই ডামৰ অৰ্থ হ'ল একোটা পৰিয়ালৰ মূল পিতামহজন।

চি ৰেণ ডাম ঃ চি মানে চাৰি আৰু ৰেণ মানে ঘৰ। সেয়ে চি ৰেণ ডাম হ'ল একোটা ঘৰৰ মৃত পিতামহজনৰ মৃত পিতৃসকলৰ চাৰিটা প্ৰজন্ম।

ন ডাম ঃ ন মানে নতুন। পৰিয়ালৰ মুৰব্বীয়েই হওক বা পত্নী বা পিতৃ-মাতৃয়েই হওক সদ্যমৃত জন হ'ল ন ডাম।

জাকৰুৱা ডাম ঃ জাকৰৱা শব্দ অৰ্থ হ'ল সমূহীয়া বুলি ধৰিলে ইয়াৰ অৰ্থ হ'ব অকালতে অপুত্ৰক অৱস্থাত, অবিবাহিত ভাৱে, শাৰীৰিক অথবা মানসিক অসুস্থতাৰ হেতু মৃতকসকলক বুজায়। এই সকলো ডামকে গৃহ ডাম বুলি কোৱা হয় যদিও জাকৰুৱা ডাম গৃহ ডামৰ অন্তৰ্গত নহয়। পূৰ্বপুৰুষসকলক পূজা অৰ্চনা কৰা প্ৰথাক টাই আহোমসকলে ডাম ফি বুলিও কোৱা হয়। ইয়াক ৰাজহুৱা ভাৱে পালন কৰিলেই ইয়াক মে-ডাম-মে-ফি আখ্যা দিয়া হয়।

মে-ডাম-মে-ফিৰ বাবে লাগতিয়াল সামগ্ৰীসমূহ হ'ল— চাউল, কুকুৰা, কুকুৰাৰ কণী, ৰহি বা লুক লাও, তামোল-পাণ, আদা, সৰিয়হ তেল, নিমখ, কল-কুঁহিয়াৰ, মাটিৰ চাকি, গাখীৰ, গুৰ, দৈ, হাঁহকণী, চিংকৰা নামৰ এজাতি পবিত্ৰ গছৰ পাত, মাইহাং অৰ্থাৎ বাঁহেৰে ওখকৈ সজা বেদী, কেঁচা মাংস আদি। এই পূজাৰ পুৰোহিত হ'ল মাছুং, মহং, ম'লং অৰ্থাৎ দেওধাই মহন আৰু বাইলুং। পুৰোহিতসকলে প্ৰথমে লেংডনক উদ্দেশ্য কৰি টাই ভাষাৰ মন্ত্ৰ মাতে। কাৰণ তেৱেঁই হ'ল স্বৰ্গৰ অধিপতি আৰু টাই আহোমসকলৰ উপৰিপুৰুষ। লেংডনক উদ্দেশ্য কৰি মন্ত্ৰ মতা হয়,— 'আন সং চাও নুৰু চাও কাই অ'ই" ইয়াৰ অৰ্থ হ'ল "বিশ্বব্ৰহ্মাণ্ডৰ সকলো সম্পদৰ আপুনিয়েই অধিকাৰী। আপুনি সৃষ্টি আৰু ধ্বংসৰ দেৱতা। সমগ্ৰ জগতৰ পালন কৰ্ত্তা আপুনিয়েই। এটা বছৰ বাগৰিল। সেয়ে আমি এই বছৰৰ অন্তত আপোনাৰ পূজা অৰ্চনা কৰিছো। আহক, আমাৰ আমন্ত্ৰণ ৰক্ষা কৰি এই পূজা গ্ৰহণ কৰক..." ইত্যাদি। এইদৰে প্ৰতিগৰাকী দেৱতালৈ বিভিন্ন মন্ত্ৰ পাঠ কৰি সকলোৰে মঙ্গলৰ বাবে তেওঁলোকৰ আশীৰ্বাদ কামনা কৰা হয়। মে-ডাম-মে-ফি বা খিম, ৰা খিনৰ বাহিৰে বাকী সকল দেৱতালৈ সুকীয়াকৈ ৰঙা কুকুৰা উছৰ্গা কৰাটো অপৰিহাৰ্য।

ইতিহাসৰ বুকুত মে-ডাম-মে-ফি ঃ মে-ডাম-মে-ফি পালন কৰাৰ প্ৰথা টাই আহোমসকলৰ মাজত পূৰ্বৰে পৰা চলি আহিছে। আদিতে দক্ষিণ চীনৰ মুং মাওলুঙৰ পৰা অহা আহোমসকলে ১২২৮চনত চাউলুং চ্যুকাফাৰ নেতৃত্বত মুং ডুন চুন খাম অৰ্থাৎ সোণালী শস্যৰ দেশ অসম ভূমিত উপস্থিত হোৱাৰে পৰা মে-ডাম-মে-ফি পালন কৰি আহিছে। ইয়াৰ আগতে ২০০০ খ্ৰীষ্টপূৰ্বৰ পূৰ্বে সম্ৰাট ফু চেৰ ৰাজত্ব কালত চীন দেশৰ য়ুনান প্ৰদেশৰ এক পৰ্বতত মে-ডাম-মে-ফি প্ৰথমে পালন কৰা বুলি চীন দেশৰ বুৰঞ্জীত পোৱা যায়। চ্যুকাফাই ১২৩৫ চনত চে তাম দই চেলুং বা বৰ্তমানৰ চৰাইদেউত ৰাজধানী স্থাপন কৰি একেটা বছৰতে দুটা পখৰা ঘোঁৰা বলি দি মে-ডাম-মে-ফি পাতি দেওধাই বাইলুংসকলক দান দক্ষিণা দি আশীৰ্বাদ গ্ৰহণ কৰিছিল। বুৰঞ্জী অনুসৰি স্বৰ্গদেউ জয়ধ্বজ সিংহলৈকে প্ৰতিজন আহোম ৰজাই মে-ডাম-মে-ফি পালন কৰি আহিছে। স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ মৃত্যুৰ পাছত তেওঁৰ মৃতদেহ চিতাত দিবনে আহোম প্ৰথাৰে মৈদাম দিব তাকে লৈ বিষয়াসকলৰ মাজত দোদুল্যমান অৱস্থাৰ সৃষ্টি হ'ল। কীৰ্তিচন্দ্ৰ বৰবৰুৱাৰ পৰামৰ্শ ক্ৰমে ব্ৰহ্মপুত্ৰৰ পাৰত মৃতদেহ সৎকাৰ কৰা হ'ল। লগে লগে দেশত অৰাজক অৱস্থাৰ সৃষ্টি হৈ নানান অপায় অমঙ্গল ঘটিল। শেষত বৰবাইলুঙৰ পৰামৰ্শ ক্ৰমে মৃত স্বৰ্গদেউৰ এক চন্দন কাঠৰ প্ৰতিমুৰ্ত্তি সাজি আহোম প্ৰথাৰে মৈদাম দি বিষয়টো নিষ্পত্তি কৰা হ'ল। মে-ডাম-মে-ফি পালন নকৰা জয়ধ্বজ সিংহ মীৰজুমলাৰ নেতৃত্বত অহা মোগল সেনাৰ হাতত পৰাস্ত হোৱাত মন্ত্ৰী আতন বৰগোহাঁয়ে দেশত দেৱতাৰ অভিসম্পাত কৰা বুলি ক্ষোভ উজাৰিলে। জয়ধ্বজ সিংহৰ মৃত্যুৰ পিছত ভাতৃ চক্ৰধ্বজ সিংহই চৰাইদেউত পুনৰ আড়ম্বৰপূৰ্ণ ভাবে মে-ডাম-মে-ফি পালন কৰিলে। এইজন চক্ৰধ্বজ সিংহই শৰাইঘাট ৰণত জয়লাভ কৰি আহোমৰ হৃত গৌৰৱ পুনৰ প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ'ল। আন আহোম স্বৰ্গদেউ সকলৰ ভিতৰত দিহিঙ্গীয়া ৰজা প্ৰতাপ সিংহ, গদাধৰ সিংহ, প্ৰমত্ত সিংহই মহাসমাৰোহেৰে মে-ডাম-মে-ফি পালন কৰা বুলি বুৰঞ্জীত উল্লেখ আছে।

বৰ্তমান অসমত মে-ডাম-মে-ফিয়ে এক সাৰ্বজনীন ৰূপ ধাৰণ কৰিছে। দেশ জাতি তথা পৰিয়ালৰ মঙ্গল কামনাৰ উদ্দেশ্যে পালন কৰা এই অনুষ্ঠানে আমাক সমাজৰ সকলো অংশৰ লোকৰ সৈতে ভাতৃত্ব ভাবত আঁকোৱালি ল'বলৈ উদ্বুদ্ধ কৰিলেহে মে-ডাম-মে-ফি পালনৰ তাৎপৰ্য থাকিব। ▶▶

বিঃ দ্ৰঃ কিতাপৰ আলম লৈ লেখাটো যুগুতোৱা হৈছে।

অসমীয়া লিপিৰ এক চমু আভাস

সমীক্ষাজ্যোতি বৰগোঁহাই
স্নাতক পঞ্চম ষান্মাসিক, অসমীয়া বিভাগ

আদিম অৱস্থাত মানুহে চিকাৰ কৰি হাবিত ফল মূল খাই জীৱন নিৰ্বাহ কৰিছিল। শিলৰ গুহা বা গছৰ তলত আশ্ৰয় লৈছিল। প্ৰত্নপ্ৰস্তৰ যুগৰ মানুহতকৈ নৱপ্ৰস্তৰ যুগৰ মানুহৰ চিকাৰ কৰা অস্ত্ৰবোৰ অলপ উন্নত আছিল। ইয়াৰ পাছতেই ধাতুৰ যুগ আৰম্ভ হয়। এই যুগতে মানুহে ধাতুৰ ব্যৱহাৰ কৰিবলৈ শিকিলে। এনেদৰেই মানুহে সভ্যতাৰ পথলৈ গতি কৰিলে। প্ৰথম অৱস্থাত জন্তুৰ ছালত বান্ধি টোপোলা কৰি থোৱা কোনো গছৰ বাকলিৰ বিভিন্ন সাঁচ দেখাৰ পৰাই মানুহৰ মনত লিখাৰ প্ৰৱণতা জাগিছিল বুলি পণ্ডিত সকলে ক'ব খোজে। এনেদৰে মনৰ ভাব সংৰক্ষণ কৰি ৰখাৰ চিন্তাৰ পৰাই লিপিৰ উদ্ভৱ হয়। আদিম অৱস্থাত মানুহে মাটিত, গছৰ ছালত, শিল আদিৰ ছবি আঁকিছিল। আনুমানিক প্ৰায় খ্ৰীষ্টপূৰ্ব ৬০০০ বছৰ মানত লিপিৰ প্ৰথম আৱিষ্কাৰ হয়। লিপিৰ আদিম বা প্ৰাথমিক অৱস্থাৰ পৰা বৰ্তমানলৈকে হোৱা এই ক্ৰমবিকাশৰ স্তৰক প্ৰধানকৈ ছটা ভাগত ভাগ কৰিব পাৰি। এই ভাগসমূহ হৈছে -

১) চিত্ৰলিপি
২) সূত্ৰলিপি
৩) প্ৰতীকাত্মক লিপি
৪) ভাবমূলক লিপি
৫) ভাব ধ্বনিমূলক লিপি
৬) ধ্বনিমূলক লিপি

চিত্ৰলিপি হ'ল একোটা ছবিৰ যোগেদি মনৰ ভাব প্ৰকাশ কৰাটো। বৰ্তমান কালতো মানচিত্ৰ বা কোনো কোনো ক্ষেত্ৰত চিত্ৰৰ দ্বাৰা কোনো কথা প্ৰকাশ কৰা হয়। কিছুমান চিত্ৰলিপিৰ আৱিষ্কাৰে এই কথা প্ৰতীয়মান কৰায়। চিত্ৰলিপিয়েই পৰিৱৰ্ত্তন লাভ কৰি প্ৰতীকাত্মক লিপিৰূপে ব্যৱহাৰ হয়।

সূত্ৰলিপি প্ৰাচীন কালৰ পৰাই প্ৰচলন আছিল। কোনো কথা মনত ৰাখিবলৈ ৰচী এডালত বেলেগ বেলেগ গাঁঠি বান্ধি ৰখা হয় বা ৰচী ডালত বেলেগ বেলেগ ৰঙৰ সূতা বন্ধা হয়।

সমগ্ৰ পৃথিৱীত প্ৰচলন থকা লিপিসমূহক দুটা ভাগত ভগোৱা হৈছে। এই ভাগদুটা হ'ল- প্ৰথম ভাগত অক্ষৰ বা কোনো বৰ্ণ নাথাকে যাক চীনা বা বানমুখ লিপি নামে জনা যায়। এই বানমুখ লিপিয়েই পৃথিৱীৰ সকলোতকৈ প্ৰাচীনতম লিপি। আৰু দ্বিতীয় ভাগৰ লিপিত অক্ষৰ বা বৰ্ণ থাকে। এই শ্ৰেণীৰ ভিতৰত ৰোমানলিপি আৰু দেবনাগেৰী লিপিৰ কথা ক'ব পাৰি। ভাৰতৰ আটাইতকৈ প্ৰচীন লিপি হ'ল বাহ্মীলিপি আৰু খৰোষ্ঠী লিপি। ব্ৰাহ্মীলিপিতেই ভাৰতৰ প্ৰাচীন বৈদিক সাহিত্য সমূহ ৰচিত হৈছিল। ড° ভোলানাথ তিৱাৰীয়ে ব্ৰাহ্মী লিপি আৰু সিন্ধুলিপিৰ মাজত যথেষ্ট মিল দেখুৱাইছে। ভাৰতৰ অন্যতম লিপি খৰোষ্ঠী লিপি। মৌৰ্য সম্ৰাট আশোকৰ অনুশাসন সমূহ খৰোষ্ঠী লিপিৰ পুৰণি উদাহৰণ। এই লিপি প্ৰথমে সোঁহাতৰ পৰা বাওঁহাতলৈ লিখা হৈছিল। খৰোষ্ঠী শব্দটো নামাকৰণ কৰাৰ কেইবাটাও কাৰণ দেখা যায়।

খৃঃ প্ৰায় ৪০০ শতিকাত ব্ৰাহ্মীলিপিয়ে দুটা সুঁতিত গতি কৰে। উত্তৰ ব্ৰাহ্মী আৰু দক্ষিণ ব্ৰাহ্মী। উত্তৰ ব্ৰাহ্মীৰ পৰা গুপ্তলিপি আৰু কুটিল লিপিৰ উদ্ভৱ হয়। গুপ্ত লিপিৰ পৰাই কুটিল লিপিৰ বিকাশ ঘটে। পৰৱৰ্তী কালত দেৱানাগেৰী, গুজৰাটী, মাৰাঠী, মহাৰাষ্ট্ৰী আদি লিপিৰ উদ্ভৱ হয়।

অসমীয়া লিপিয়েও বিভিন্ন পৰিৱৰ্তনৰ মাজেদি আহি বৰ্তমানৰ ৰূপ পাইছে। সৰ্বেশ্বৰ কটকীৰ "অসমীয়া প্ৰাচীন লিপি" নামৰ পুথিখনেই অসমীয়া লিপি সম্পৰ্কে লিখা প্ৰথম পুথি। তেখেতৰ মতে ব্ৰাহ্মী লিপিয়েই প্ৰথম আৰু তাৰ পিছতেই ক্ৰমে কুশান লিপিৰ জন্ম হয় আৰু ইয়াৰ পিছত গুপ্ত লিপিৰ উদ্ভৱ হয়। বৰ্তমানলৈকে উদ্ভৱ হোৱা ফলি, শিলালিপি বোৰৰ ভিতৰত ৫ম শতিকাতে লিখা নগাজৰি খনিকৰ গাঁৱৰ শিলালিপিয়েই অসমীয়া লিপিৰ প্ৰাচীনতম উদাহৰণ। ইয়াৰ পিছতে ৫ম শতিকাৰ অন্য এখন লিপি হ'ল সুৰেন্দ্ৰ বৰ্মাৰ উমাচল শিলালিপি। এইখন লিপিতো 'ৰ' আৰু 'ব' আমাৰ বেলেগ বেলেগ হোৱা দেখা যায়। অসমীয়া লিপিৰ

মূল হৈছে ব্ৰাহ্মী লিপি। ইয়াৰ পিছত ৰূপ লাভ কৰা লিপিটো হৈছে গুপ্ত লিপি। গুপ্তলিপিত পৰৱৰ্তী কালৰ প্ৰায় ৭ম শতিকাৰ ভাস্কৰ বৰ্মনৰ লিপিসমূহৰ লগত আখৰবোৰৰ মাজত মিল থকালৈ চাই এই কথা অনুমান কৰিব পাৰি যে, উক্ত সময়লৈকে এই লিপিসমূহৰ এক পৰম্পৰা ৰক্ষিত হৈছে। অসমীয়া লিপিৰ প্ৰথম স্তৰটো খৃঃ ৫ম শতিকাৰ পৰা দ্বাদশ শতিকালৈকে এই সময়ছোৱাত পৰে বৰ্মন বংশ, শালস্তম্ভ বংশ আৰু কাল বংশৰ ৰজাসকলৰ বিভিন্ন শাসনাৱলী আৰু দ্বিতীয় স্তৰটো খৃঃ ত্ৰয়োদশ শতিকাৰ পৰা উনবিংশ শতিকালৈকে। কানাই বৰশীবোৱা শিলালিপিৰ পৰা আৰম্ভ কৰি আহোম ৰজা আৰু কোচ ৰজা সকলৰ দিনত লিখা ভূমিদান ফলি, সাঁচিপতীয়া লিপি, মন্দিৰৰ বেৰত খোদিত আখৰবোৰেই প্ৰধান।

অসমীয়া লিপিৰ পৰিৱৰ্তনৰ ওপৰত ভিত্তি কৰি লিপিসমূহ তিনিটা ভাগত ভগাব পাৰো।

এই ভাগ কেইটা হৈছে ঃ-

১) পুৰণি অসমীয়া লিপি, (খৃঃ ৫ ম শতিকাৰ পৰা ১৩ শ শতিকালৈ)

২) মধ্যযুগীয় অসমীয়া লিপি, (১৩ শ শতিকাৰ পৰা ১৯ শ শতিকালৈ)

৩) আধুনিক অসমীয়া লিপি, (অৰুণোদয় জন্মৰ পৰা বৰ্তমানলৈকে)

পুৰণি অসমীয়া লিপিৰ নিদৰ্শনবোৰ পোৱা যায় ৰজা ৰুদ্ৰসিংহৰ লেগেৰৈকেতা তামৰ ফলি, কামৰূপৰ ৰজা মাধৱদেৱৰ নীলাচল তাম্ৰশাসন, সাঁচিপাতত লেখা মানুহ বেচা কিনা পত্ৰ। ব্ৰহ্মোত্তৰ দেবোত্তৰ মাটি দানৰ তামৰ ফলি, পুব কামাখ্যা দেৱীৰ লক্য বালিৰ তামৰ ফলি, পাইক কিনা বেছা পত্ৰ আৰু হয়গ্ৰীৱ মাধৱ মন্দিৰলৈ দিয়া তামৰ ফলি উল্লেখযোগ্য। প্ৰাচীন অসমীয়া লিপিৰ উদ্ভৱ আৰু বিকাশৰ ধাৰাটো শিলালিপি আৰু তামৰ ফলিবোৰতেই লক্ষ্য কৰা যায়। মধ্যযুগত ব্যৱহাৰ হোৱা লিপিক আকৌ গড়গঞা লিপি, বামুণীয়া লিপি আৰু কাইথেলি বা লহকৰী লিপি এই তিনিটা ভাগত ভাগ কৰিছে।

গড়গঞা লিপি ঃ এসময়ত আহোম ৰাজ্যৰ ৰাজধানী গড়গাঁও নগৰক কেন্দ্ৰ কৰি যি লিপি গঢ়ি উঠিছিল সেয়ে গড়গঞা লিপি। বুৰঞ্জীৰ পুথিবোৰ এই লিপিতেই লিখা হৈছিল। আহোম ৰজাই পুথি লিখা কামত 'লেখাৰু' নামে এক শ্ৰেণীৰ বিষয়া নিয়োগ কৰিছিল। এই লিপিৰ আখৰবোৰ সুন্দৰ আৰু একে গঢ়ৰ আছিল।

বামুণীয়া লিপি ঃ সংস্কৃত টোলবোৰৰ মধ্যযুগৰ শিক্ষাৰ ঘাই আছিল। এই টোলবোৰক কেন্দ্ৰ কৰি পুথিপাজি ৰচনা কৰা ৰীতি প্ৰচলন আছিল। আৰু এই পুথিসমূহত ব্যৱহাৰ কৰ্ৰা লিপি সমূহ বামুণীয়া লিপি।

কাইথেলী বা লহকৰী লিপি ঃ মধ্যযুগীয় এই লিপি, প্ৰধানকৈ কায়স্থ সকলে এই লিপিৰ প্ৰয়োগৰ ক্ষেত্ৰত ৰক্ষণশীলতা প্ৰকাশ কৰিছিল। এই লিপি কায়স্থ সকলে পত্ৰ আৰু অন্যান্য বৈষয়িক গ্ৰন্থ লিখোতে ব্যৱহাৰ কৰিছিল।

অসমলৈ খ্ৰীষ্টান মিচনেৰী সকল অহাৰ পিছত পোন প্ৰথমবাৰৰ বাবে ছপা যন্ত্ৰত অসমীয়া আখৰ কটা হয়। আত্মাৰাম শৰ্মাই বাইবেল পুথিখন ১৮১৩ চনত 'ধৰ্মপুস্তক' নাম দি অসমীয়ালৈ অনুবাদ কৰে। এইখনেই প্ৰথম অসমীয়া ছপা পুথি। এনেদৰেই অসমীয়া লিপিয়ে বহু শতিকা জুৰি বিভিন্ন স্তৰ অতিক্ৰম কৰি বৰ্তমানৰ ৰূপ পৰিগ্ৰহণ কৰিছে।▶▶

কুইজ

- অসমৰ প্ৰথম স্নাতকগৰাকী কোন?
- আনন্দৰাম বৰুৱা
- "Happy Birthday to you" গীতটো কাৰ ৰচনা?
- ১৯৩৬ চনত এই গীতটো ডিলডাৰ্ড পেটিহিলে ৰচনা কৰিছিল।
- পৃথিৱীৰ আটাইতকৈ দামী খাদ্যৰ নাম কি?
- Royal Delux Caviar (500 gm ৰ দাম 228.50 pounds 3450.00/

সংগ্ৰাহক ঃ চৈয়দা মুচতাফিজা চুলতানা ৰহমান
স্নাতক পঞ্চম ষান্মাসিক, অৰ্থনীতি বিভাগ

মমতাৰ দাবীত থমকি ৰয় হৃদয়

যামিনী মহন্ত
স্নাতক তৃতীয় ষাণ্মাসিক, ভূগোল বিভাগ

মন মোৰ উৰি গুছি যায়
কি জানো পায়ো হেৰুৱাই
ফাগুনৰে উৰণীয়া বা
আলসুৱা কহুঁৱালে চায়
আজি কিয় বাৰে বাৰে
মনে যে তোমাক বিচাৰে
আচঁলৰে বা উৰণীয়া
আজি এই উদাসীন সন্ধ্যা।

পাপন দা মানে অংগৰাগ মহন্তৰ গানটো শুনি শুনিয়েই তাই শুই পৰিল। ভায়েকৰ তাগিদাতে বাধ্য হৈ তাই সদায় শুনিব লগা হোৱা অংগৰাগ মহন্তৰ গানবোৰ কেতিয়াযে তাইৰ মনতো নিগাজীকৈ ঠাই ললে তাই গমকে নাপালে। আজি তাই দুমাহৰ মূৰত ঘৰলৈ আহিছে হোষ্টেলৰ পৰা। পঢ়াৰ বোজাৰ লগতে কলেজৰ ফ্ৰেচাৰ্চ, হোষ্টেলৰ ফ্ৰেচাৰ্চ; বিদায়ী সভা, কৰ্মশালা আদিবোৰৰ বাবে ঘৰলৈ আহিবলৈ তাই একেবাৰে আহৰিয়েই নোপোৱাৰ দৰে হৈছে। আজি ইমান দিনৰ মূৰত ঘৰলৈ আহিছে যদিও তাইৰ মনটো ভাল লাগি থকা নাই। ঘৰত এই সময়ত কোনোৱেই নাই তাইৰ বাবে বৈ থাকিবলৈ। ইমান উৎসাহেৰে ঘৰলৈ যোৱাৰ আশাত তাইৰ সঁচায়ে চেঁচা পানী পৰিল। যেতিয়া ঘৰৰ গ্ৰীলখনত ওলমি থকা ৰূপালী তলাটোৱে দূৰৈৰ পৰাই চিকচিকাই থকা দেখিলে। গাড়ীৰ পৰা নামি তাই সদায় চাবিথোৱাৰ ঠাইত চাবিটো বিচাৰি চালে। হয়, নিৰ্দিষ্ট স্থানতে থৈ দিয়া আছে। তাই গ্ৰীলখন খুলি সোমাই গ'ল। ইমান নিজান লাগিছে তাইৰ নিজৰে ঘৰখনত থাকি। ড্ৰয়িংৰূমটো কিবা বেলেগ বেলেগ যেন লাগিছে চোন। খন্তেক বৈ তাই কিনো বেলেগ হ'ল ভাবি চালে... মাকে চোফাবোৰ থোৱা ঠাই ডোখৰ বেলেগ কৰিলে। দেখিলে আগতে ভিতৰত থোৱা ফুলৰ টাবকেইটাও সলনি কৰি মাকে বেলেগ বেলেগ ফুলৰ টাব ৰাখিছে। চেণ্টাৰ টেবুলখনত বনচাই কৰা সৰু পাত্ৰ এটা সৰু সৰু শিলগুটি আৰু পানী দি ধুনীয়াকৈ সজাই থৈছে। কিবা নতুন নতুন যেন অনুভৱ হৈছে ৰূমটোত সোমাই। ডাইনিং টেবুলখনো আনকালে থকাৰ দৰে এবোজা ফাইল, কিতাপ-পত্ৰ,

বহীৰে উপচি থকা নাই। তাৰ সলনি টেবুলৰ ওপৰত টেবুল মেট পাৰি থৈছে। মাজৰ প্লাছৰ ষ্টেণ্ডটো আৰু কাঁচৰ ধুনীয়া পানী খোৱা জাৰটো মাকে থৈ দিছে। ৱাহ! ইমান সলনি ঘৰখনত মাত্ৰ এইকেইদিনতে... তাই এইদৰে মনতে ভাবিলে যদিও হঠাৎ মনটো তাইৰ ভাল লাগি গ'ল। যেতিয়া তাই দেখিলে ডাইনিং টেবুলৰ পিছৰ বালখনত তাই অঁকা কেইবাখনো কেনভাচ সুন্দৰকৈ ফ্ৰেমিং কৰাই সজাই থৈছে। ভাল লাগিছে তাইৰ মনটো... লাহে লাহে নিজান ঘৰটোৰ নিৰ্জনতাখিনিও তাইৰ ভাল লাগি আহিছে.. তাই গুণগুণাই উঠিল পাপনৰ গান...

নদীৰ কাষত বনৰ বতাহত
আছে যে মোৰ প্ৰাণ
জোনৰ পোহৰত তৰাৰ সিপাৰে
আছে যে মোৰ প্ৰাণ....

তাই কাপোৰ সলাই মুখ হাত ধুই পাকঘৰলৈ সোমাই গ'ল চাহ একাপ কৰি খোৱাৰ মানসেৰে। পানী অলপ চচপেনটোত বহাই দি তাই ফ্ৰিজ খুলি চালে সৰু ছোৱালীজনীৰ দৰেই কিবা আছে নেকি? ৱাউল এটাত পায়স ঢাকি থোৱা দেখি তাৰে অলপ প্লেট এখনত উলিয়াই ল'লে। মাকৰ হাতৰ পায়সৰ সোৱাদ। ৱাউউ... মুখৰ পানী ক'ব নোৱাৰাকৈয়ে গুলাই যায় তাইৰ— চাহকাপ বাকি তাই টি.ভিটো লগাই বিচনাখনত বহি ললে। বহুত দিন টি.ভি চোৱা নাই। হোষ্টেলত টি.ভি আছে যদিও চোৱা নহয়েই। এটাৰ পিছত এটাকৈ তাই চেনেলবোৰ সলনি কৰি গ'ল— ষ্টাৰ প্লাছত সৰস্বতী চন্দ্ৰ, ছনিত পাৱৰৰিছু, ছবত টবক মেহতা কি উল্টা চশমা, জি.টি.ভিত সপনে চৌহানে সগতে হ্যে, কলা'ৰচত উত্তৰণ..... এই চিৰিয়েলবোৰত এফালৰ পৰা চকু ফুৰাই গ'ল কিন্তু মন নবহিলে। ইমান দিন নোচোৱাকৈ থকাৰ পিছত এই চিৰিয়েলবোৰযে চাবই নোৱাৰি। একো বুজিব নোৱাৰি— কিনো কাহিনী। দিনক দিনে এইবোৰ কিবা পেনপেনীয়া হৈ গৈ আছে। পবিত্ৰ ৰিস্তাখন দেখিলেই খং উঠা হৈছে। আমি ক্লাছ এইট /নাইন মানত থকাৰ পৰাই দি আছে এতিয়া বি.এ. তৃতীয় ষান্মাষিক পালোহি। কিন্তু সেইখন শেষ নোহোৱাই হ'ল। চিৰিয়েলখনৰ মুল নায়ক মানৰ সলনি হৈছেহে হৈছে কিন্তু অৰ্চনাৰ বয়স বঢ়াৰ সলনি কমিহে যেন গৈছে। দেখিলেই মূৰটো বেয়া হৈ যায়। কিছুমান অনৰ্থক কাহিনী বনাই দেখুৱাই থাকিব। আজিৰ দিনত মানুহ অৰ্চনাৰ দৰে ইমান সহজ সৰল আৰু ত্যাগবীৰ হলে হৈছে আৰু সবেই ঠগি ঠগি শেষ কৰিব। এইবোৰকে ভাবি ভাবি তাই কেতিয়ানো হেডফোন লগাই গান শুনি আছিলে গমেই নাপালে। টি.ভিটো চলিয়েই থাকিল.. কানত গানো বাজিয়েই থাকিলহেঁতেন, যদিহে মাকে স্কুলৰ পৰা আহি তাইক নজগালেহেঁতেন। তাই ল'ৰালৰিকৈ উঠি দেখে যে মাক আৰু দেউতাকে তাইলৈ চাই হাঁহি আছে— মনটো হঠাৎ আকৌ ভাল লাগি গ'ল। তাই তেওঁলোক কেতিয়া পালেহি সুধিলে। সময়টো চাওঁ বুলি ফোনটো চাওঁতে দেখিলে চাৰে তিনি বাজি গ'ল। তাই তাৰমানে সেই বাৰমান বজাৰ পৰা শুইয়ে আছে— ইমান দেৰী শুলে তাকো একো গম নোপোৱাকৈ। বিচনাৰ পৰা উঠাৰ সময়ত গাটো অলপ গধুৰ গধুৰ লাগিল তাইৰ। চেণ্ডেলযোৰ চোচোৰাই চোচোৰাই বাথৰুমলৈ গৈ তাই ফ্ৰেচ হৈ আহিল আৰু মাকহঁতৰ লগত ভাত খালে। ভাত পানী খাই বৈ তাই বাচন কেইটা ধুই পখালি সামৰি থলে। মাক দেউতাকে এতিয়া অলপ জিৰণি ল'ব। তাই সেয়ে নিজৰ ৰুমলৈ গৈ লেপটপটো খুলি ল'লে। তাই মনে মনে ভাবিলে মাকে ইমান জোৰ কৰি তাইক মাতি পঠিয়াছে যেতিয়া কিবা কাৰণ নিশ্চয় আছে। তাইক ছাগে সন্ধিয়া সময়ত ক'ব। তাইৰো মাক দেউতাকক তাইৰ জীৱনৰ বৰ গুৰুত্বপূৰ্ণ কথা এটা কবলৈ আছে। ক'ম ক'ম বুলি ভাবোতেই সময়বোৰ পাৰ হৈ যায় কিন্তু কোৱা নহয়েই। এইবাৰ তাই মাকক কথাটো কৈহে যাব। নিৰ্জন... যাক তাই নিজস্ব সকলো সঁপি দিছে একমাত্ৰ মৰম আৰু বিশ্বাসৰ তাগিদাত। মৰম, বিশ্বাস আৰু নিৰাপত্তাৰ বাহিৰে তাই আৰু একো নিবিচাৰে তাৰ পৰা। বৰ সৎ, সাহসী আৰু নিৰ্ভীক ল'ৰা সি। তাৰ কথা-বতৰাবোৰ, কিছুমান কথাৰ সিদ্ধান্তবোৰ দেউতাৰ লগত ইমান মিলি পৰে। বহুত দূৰলৈকে সি কথাবোৰ চিন্তা কৰি চায়। ভাল লাগে সেইবাবে। মোৰ ভুলবোৰ শুধৰাবলৈ যত্ন কৰে। মোৰ বিশ্বাস— মোৰ ভালপোৱাক যদি মা-দেউতাহঁতে বুজি পাই, নিশ্চয় আকোঁৱালি ল'ব। মই অন্ততঃ তেওঁলোকে বিচৰাৰ ধৰণে মোৰ জীৱন সঙ্গী মোৰ কাষত পাইছো বুলি অনুভৱ কৰো। পিছে এইয়া মোৰ বিশ্বাস যদিও মাত্ৰ এক ধাৰণাহে। ইয়াৰ পৰিণাম যে মই ভবাৰ দৰে হ'ব তাত মই নিঃসন্দেহ নহয়। যি কি নহওক এইবাৰ মাক মোৰ এই কথাটো ক'ম। তাই এইবোৰকে ভাবি ভাবি এনেয়ে বিচনাখনতে আকৌ পৰি থাকিল। চাৰে চাৰি মান বজাত মাক উঠিলত তাই মাকৰ ওচৰলৈ গ'ল— এতিয়া আৰু কাৰো আহৰি নাই। মাকে তাইৰ অবিৰত কলকলনি শুনাৰ বাহিৰে গত্যন্তৰ নাই। তাইৰ হোষ্টেলৰ কথা, কলেজৰ কথা, ফ্ৰেচাৰ্চৰ কথা, তাইৰ কবিতাৰ কথা।

তাইকো যে কবিতাৰ জৰিয়তেই কলেজত দুই একে চিনি পাবলৈ ধৰিছে এইবোৰ কথা। মাকে মাথো আগ্ৰহেৰে শুনি যায় মৰমৰ জীয়েকৰ মৌমিঠা কলকলনিবোৰ। তাইৰ শেষ হৈয়ো শেষ নোহোৱা কথাবোৰ... লাহে লাহে তাইৰ মুখৰ দুই কোৱাৰি যেতিয়া বিষাবলৈ আৰম্ভ কৰে তেতিয়াহে তাই কথাবোৰ কমকৈ ক'বলৈ লয়।

তেনেতে কথাৰ মাজতে ধৰি মাকে তাইক ক'লে— "নিমি তোক এটা কথা সুধিবলে আছে।"

মোৰ বুকুখন চিৰিং কৈ গ'ল। কি সুধিব মায়ে! আনৰ মুখত গম পাইছে নেকি নিৰ্জনৰ কথা? নে পঢ়াৰ কথা? নে অন্য কিবা বাৰু? তাইৰ ভাবত যতি পেলাই মাকেই আকৌ ক'লে— "নিমি তই এতিয়া ডাঙৰ হৈছে। ঘৰখনৰ ডাঙৰ ছোৱালী তই। কিছুমান কথা তই বুজি পোৱাৰ সময় হৈছে। আমি তোক সৰু সৰু বুলি ভাবি থকাৰ বাবেই হয়তো তয়ো নিজকে ডাঙৰ বুলি অনুভৱ নকৰ। কিন্তু সঁচা কথাটো হ'ল— তই বুজন হৈছে। পৃথিৱীখনৰ বিষয়ে হয়তো আমাতকৈও বহলকৈ বুজি পাবলৈ সক্ষম হৈছে। কি ভাল, কি বেয়া নিজৰ বিবেকেৰে বিচাৰ কৰিব পৰা হৈছে— অন্ততঃ আমি তোক সেই বুলিয়েই ভাবো। তই উচ্চ শিক্ষিতা হৈ নিজৰ লগতে সমাজখনৰ কাৰণে তোৰ যথাসাধ্যে কিবা এটা কৰিবলৈ আমিয়ে তোক প্ৰথম ক'ম। কিন্তু...। তাতো কেতিয়াবা কিন্তু এটা আহি পৰে অ' নিমি। ময়ো দুটা সন্তানৰ মাক। সন্তানৰ সুখেই আমাৰ সুখ আৰু সন্তানৰ দুখেই আমাক ভাৰাক্ৰান্ত কৰে অ'। তই এজনী গাভৰু— জীৱনৰ বিশটা বসন্ত তই অতিক্ৰমি আহিলি ইতিমধ্যে।

নিমিয়ে ক'লে— "মই বুজি পাইছো মা। নিজৰ লগতে তোমালোক আৰু সমাজখনৰ প্ৰতি মোৰ কি দায়িত্ববোধ আছে মই উপলব্ধি কৰোঁ মা।"

মাকে ক'লে— "অ নিমি মই জানো তোৰ চিন্তাধাৰা বহুত ওপৰত। তথাপি এটা কথা কওঁ... মোৰ ক'বলৈ সংকোচেই লাগিছে- কিন্তু মাতৃধৰ্মও মই পালন কৰিব লাগিব যিহেতু সেয়ে কওঁ শুন— নিমি আগৰ সপ্তাহত তোৰ বৰদেউতা আহিছিল। তেওঁ তোলৈ এটা সম্বন্ধ লৈ আহিছিলে। তেওঁ যিহেতু, তোৰ দেউতাৰ সমান, তেওঁলোকেও তোক নিজৰ সন্তান বুলিয়েই ভাবে— সেয়ে তেওঁক বিমুখ কৰাৰ সাহস মোৰ নহ'ল — ময়ো কাৰোবাৰ মাক নিমি। তোৰ বিয়াখনৰ কথা আমিও চিন্তা নকৰা নহয়। কিন্তু ইমান সোনকালেই যে এনে হ'ব ভবাই নাছিলো। কিন্তু ভাগ্যৰ লিখন খণ্ডন নহয় নিমি।"

কি শুনিছে এইয়া তাই মাকৰ মুখৰ পৰা— তাইৰ সপোনবোৰ- নিৰ্জনৰ লগত দেখা সাতোৰঙী কাৰেং সজা মৰমৰ সপোনবোৰৰ কি হ'ব? সেই একান্ত বিশ্বাসবোৰৰ কি হ'ব? কোনে বিশ্বাসঘাতকতা কৰাৰ অপমান মূৰ পাতি ল'ব? নভবা কথাবোৰেই কেলেই জীৱনত প্ৰথম ঘটে? খন্তেকৰ বা-মাৰলিত ক্ৰমাৎ গাঢ় হ'বলৈ ধৰা মৰমবোৰ তাচপাতৰ দৰেই তচ্ নচ্ হৈ গৈছে তাইৰ— মাকে ক'লে— "নিমি কি হ'ল, এনেকৈ জঠৰ লাগি ৰলি যে?"

নিমি -"...???"

মাকে আকৌ মাতিলে "নিমি"

নিমি-, "কোৱা মা"

নিমি- "....?"

মাক- "মই কিবা এটা কৈছো তোক নিমি"

নিমি- "শুনিছো মা। কোৱা মই কেনেদৰে সাজু হ'ব লাগিব কাইলৈৰ বাবে? এনে বিশেষ দিনৰ অভিজ্ঞতাটো মোৰ কাহানিও হোৱা নাই মা।" খুব লাহে লাহে এটা এটা শব্দেৰে নিমিয়ে মাকক সুধিলে... সৰ্বশৰীৰ জিকাৰ খাই খাই উঠিছে তাইৰ— নিজৰ প্ৰতিটো শব্দৰ উচ্চাৰণৰ বিপৰীতে ... বুকুখন যেন হঠাতেই গোট মাৰি বৰফ হৈ গ'ল— চেঁচা পৰি গৈছে তাইৰ সৰ্বস্ব শৰীৰ। হঠাৎ তাইৰ চকুৰ আগত ভাহি আহিল বিশ্বাসৰ টৌৰে জলমল কৰা সেইযুৰি নয়ন- নিৰ্জনৰ...ক্ৰমাৎ যেন কিবা অচিনাকী অচিনাকী লাগিছে.... নিৰাপত্তাৰ উমেৰে ঢাকি ৰখা উমাল দুহাতৰ পৰশো তাইৰ বাবে ক্ৰমাৎ স্থবিৰ যেন অনুভৱ হৈছে। মৰমৰ ভাৰ ব'ব নোৱাৰা তাইৰ হৃদয়খন অপ্ৰাপ্তিৰ টনা আজোৰাত যেন ঠন্ ঠন্কৈ ভাগি পৰিব ধৰিছে.... তাইৰ সত্বা নিৰ্জনতেই আৰম্ভ হৈ নিৰ্জনতেই শেষ হৈছিল। নিৰ্জন আছিল তাইৰ কবিতাৰ ফল্গুধাৰা...। যেনিয়েই চোৱা সেইফালেই কবিতাৰ লানি নিছিগা স্ৰোত বৈছিল। কিন্তু আজি সেই ফল্গুধাৰা স্তব্ধ হৈ গ'ল নাম নজনা দিনলৈ... নিৰ্জন শব্দৰ দৰেই নিজম পৰি ৰ'ল। নিমিৰ হৃদয়ৰ মৰমৰ উত্তাল তৰংগবোৰ — যেন তাহাঁতকো শান্ত হৈ ববলৈ নিৰ্দেশ দিয়া হৈছে।

মাকে আকৌ ক'লে— "নিমি- এই নিমি, তই কান্দিছ কিয়? তোৰ চকুত পানী দেখিলে আমাৰ কি হ'ব অ' মাজনী? এইয়া তোৰ জীৱনৰ অন্য এক পদক্ষেপ হ'ব মাজনী। আহ! নাকান্দিবি তই। মোৰ, তোৰ দেউতাৰ, আইতাৰ, বৰদেউতাৰৰ আশাক দলিয়াই নেপেলাবি মাজনী। এই নিমি শুনিছনে? নিমি?

নিমি ঃ "অ' মা... মই তোমালোকক কেতিয়াও নিৰাশ নকৰো। মই তুমি ভবাৰ দৰেই মোৰ সিদ্ধান্ত তোমালোকক জনাম। মাথোঁ মোকো এবাৰ ভাবি চাবলৈ সময় দিয়া।

নিমি ঃ "সংসাৰ এখনৰ দায়িত্ব ল'বলৈ গৈ মই যাতে দুখন ঘৰলৈ অশান্তিৰ ঢৌ কঢ়িয়াই নানো তাৰ বাবে মোক মানসিক ভাবে প্ৰস্তুত হ'বলৈ সুযোগ দিয়া মা।"

মাক ঃ "অ' নিমি তোক ইমান সোনকালে বিয়া নিদিওঁ। কিন্তু ভাল ল'ৰা বুলি কৈছে যেতিয়া তোক দেখুওৱাৰ ইচ্ছা হৈছে। তেওঁলোকে কৈছে যে তই পঢ়াশুনাত একো বাধা নাপাৰ। নিজৰ উদ্যম আৰু হেঁপাহ অনুসৰি তই সেই সুবিধা পাবি। সেইখন ঘৰত সকলোকে সমান স্বাধীনতা দিয়া হয়— এই কথা আমি নিশ্চিত হৈহে ইমানখিনি আগবঢ়াৰ সাহস কৰিছো। মাজনী তই চিন্তা নকৰিবি— মোৰ গোসাঁই ঘৰলৈ যাবৰ সময় হ'ল। মই গাটো তিয়াই আহোঁ। তই দেউতাৰ বাবে জলপান সাজু কৰগৈ যাচোন।"

নিমি ঃ "হ'ব মা।"

মাক উঠি যোৱাৰ ফালে তাই চাই থাকি ভাবিলে— এইজনীয়ে তাইৰ মাক। কাৰোবাৰ পত্নী, কাৰোবাৰ বোৱাৰী আৰু কাৰোবাৰ বান্ধৱী। একেজনী মানুহ অথচ কিমান যে কি? কেনেকৈ ৰক্ষা কৰে ইমানবোৰ সম্বন্ধ একেলগে নিখুঁতভাবে। তাই বাৰু পাৰিবনে নতুন এজনক তাই পুনৰবাৰ মন প্ৰাণ সঁপি দিবলৈ। নিৰ্জন... আস্ হিয়াখন মুচৰ খাই গৈছে তাইৰ। ডুবু ডুবু হৈ শেষ হোৱা সূৰুযৰ হেঙুলী আভাকণো ক্ৰমাৎ গাঢ় হৈ ক'লা হ'বলৈ ধৰিছে- ঠিক তাইৰ ভিতৰৰ নিমিজনীৰ দৰেই...। তাই নিৰ্জনক মাথো এষাৰ কথাই ক'ব। তাই জানে সি বুজি পাব।

"নিৰ্জন, জীৱন নামৰ সঁচা নদীখনত দায়িত্ববোধ আৰু কৰ্ত্তব্যৰ দাবীত আজি মই মোৰ হৃদয়খন হেৰুৱালো। সেইবুলি মই অসুখী নহয়, তুমিও নহ'বা। অপ্ৰাপ্তিয়েও জীৱনত বহুত সুখৰ সন্ধান দিয়ে... যাক তোমাৰ মোৰ দৰে সত্বাইহে অনুভৱ কৰিব পাৰে — নিৰ্জন ... মোক চাবলৈ কাইলৈ আলহী আহিব। নেদেখাজনৰ ওচৰত তুমিও মোৰ বাবে প্ৰণাম জনাবা....

শেষত অতীত বুলি সাৱতি লোৱা তোমাৰ নিমি"

নতুন সাহসেৰে অনুপ্ৰাণিত হৈ তাই পুনৰ গুণগুণাই উঠিল তাইৰ প্ৰিয় শিল্পীৰ গান—

চিনাকী চিনাকী মুখ অচিনাকী মন

মুখা পিন্ধি সকলোচোন নিজতেই মগন
ইমান কোলাহল লাগিছে আমনি
নীলা আকাশত নীলা যে নেদেখি
সেই চিনাকী চিফুঙৰ স্বৰে মাতিছে মোক
বাৰে বাৰে...

কুইজ

- STD, ISD and Fax ৰ সম্পূৰ্ণ নাম কি?
  - STD- Subscribers Trunk Dialling.
  - ISD- International Subscribers Dialling.
  - FAX- Facility of Automated xerox.
- Ice Cream ৰ আৱিষ্কাৰ কেতিয়া হয়?
  - ১৬৬০ খ্ৰীঃত ফ্ৰান্সত।
- ইংৰাজীত সৰ্বাধিক ব্যৱহৃত আখৰটো কি?
  - E

সংগ্ৰাহক ঃ চৈয়দা মুচতাফিজা চুলতানা ৰহমান
স্নাতক পঞ্চম ষান্মাসিক, অৰ্থনীতি বিভাগ

হেৰুৱা সঁুতি........

দেৱশ্ৰী দেৱী
স্নাতক তৃতীয় ষান্মাসিক, অসমীয়া বিভাগ

পূৰ্ণিমাৰ এটি নিস্তব্ধ জোনাক নিশা। জোনাকৰ এই বৰ্ণিল ক্ষণত জোনাকী পৰুৱা বোৰৰো মিঠা আস্ফালন। ঘৰৰ সন্মুখৰ ঝুলনাখনত বহি ৰিয়াই জোনাকৰ মিঠা আৱেগত আপ্লুত হৈ পৰিছে। কিমান যে ধুনীয়া এই মায়াময় ৰূপালী জোনাক। জোনবাইটোৱে সেন্দুৰ বুলোৱা দুহাতেৰে গোটেই পৃথিৱীখন পোহৰাই তুলিছে। এক অজান ভাৱনাত উন্মনা হৈ গ'ল ৰিয়া।

এনেতে এজাক মৃদু বতাহে ৰিয়াৰ ভাৱনাত আউল লগালে। শিঁহৰিত হৈ উঠিল তাইৰ দেহ-মন। ষ্ট্ৰীট লাইট কেইটা জ্বলি উঠিল। কিয় লাগেনো মানুহক ইমান পোহৰ জোনবাইৰ পোহৰত উজ্বলি উঠা বৰ্ণিল পৰিবেশটো যেন ষ্ট্ৰীত লাইটৰ পোহৰে ছাৰখাৰ কৰি পেলালে। তাইৰ মন গ'ল এই মুহূৰ্ততে যেন তাই লাইট কেইটা ভাঙি পেলাব। কিন্তু, অসহায় তাই। মন যোৱা কোনো কামেই যে কৰিব নোৱাৰে তাই আজি। সৰুতে ফুলে-ফুলে উৰি ফুৰা ৰংচঙীয়া পখিলাজনী আজি সজাত বন্দী। মন গ'লেই তাই পাখি দুখন মেলি মুক্ত মনে উৰিব নোৱাৰে। কিয় এই বন্দীত্ব, জীৱন কটাব লগা হৈছে তাই? কিয়.........?? নে তাইৰ পূৰ্বজন্মৰ কিবা পাপৰ ফল এইয়া।

সকলো আছে আজি ৰিয়াৰ। নাই মাথো স্বাধীনতা, এটা মুক্ত মন আৰু অলপমান মৰম. গাড়ী, ঘৰ, টকা-পইচা, যি লাগে সকলোবোৰ পাইছে ৰিয়াই। তথাপিও সুখী হ'ব পৰা নাই কিয়? অভিজাত্যৰ পৰশে মন-প্ৰাণ পুলকিত কৰিব পৰা নাই কিয় ৰিয়াৰ! চহৰৰ এজন নামী অভিযন্তাৰ ডাঙৰ বোৱাৰী আৰু লগতে এজন কোটি-পতি কন্‌ট্ৰেক্টৰৰ পত্নী ৰিয়া। শহুৰ-শাহুৰ, দেৱৰ আৰু স্বামী নিহাৰৰ সৈতে এজন সৰু তথা সুখী সংসাৰ তাইৰ। শাহুৰ-শহুৰৰ মৰমৰ মাজত থাকি তাই মৰমৰ ঘৰখন, মাক-দেউতাকক এৰি অহাৰ দুখ কোনোদিন অনুভৱ কৰা নাই। নিজৰ ছোৱালীৰ দৰেই তেওঁলোকে তাইক ৰাখিছে। শাহুৰেক-শহুৰেকে ভালৰ ভাল বস্তুটো খাবলৈ দিয়ে, ভালৰ ভালটো পিন্ধিবলৈ দিয়ে। মুঠতে তাই বিচৰা সকলো পাইছে এই ঘৰখনৰ পৰা ৰিয়াই। তাই বিয়া হৈ অহা দিন ধৰি অভাৱ কি বস্তু অনুভৱ কৰা নাই। কিন্তু সকলো পাইও তাই ইমান অসুখী কিয়? কিয় অকলশৰীয়া তাই??.... এই কিয়

বোৰৰ উত্তৰ হয়তো কোনোদিন নাপাব তাই।........মৰম.........। বিয়া হোৱাৰ দুবছৰ পাৰ হোৱাৰে পৰা ৰিয়াই নিহাৰৰ মৰমৰ অবিহনে জীৱন কটাইছে। ৰাতি-ৰাতি পাৰ্টি কৰি, মদ্ খাই দেৰিকৈ ঘৰ সোমোৱা নিহাৰে পাহৰি যাব লৈছে ৰিয়া যে তাৰ পত্নী। দিনটোৰ বেছিভাগ সময় কন্‌ট্ৰেক্টৰ কামত সি ঘৰৰ বাহিৰতে থাকে। আৰু ৰাতি মদ, ক্লাব, পাৰ্টি, বাৰ...। কি দিব পাৰিছে সি ৰিয়াক? ৰিয়াই পাইছে কি তাৰ পৰা? সুখ কি আজি-কালি তাই পাহৰি যাব লৈছে। কিয় এনেকুৱা হ'ল নিহাৰ? আগতেতো সি এনেকুৱা নাছিল। মানুহ ইমানো সলনি হ'ব পাৰেনে? আভিজাত্যৰ লালসাই তাক গ্ৰাস কৰি পেলাইছে নি? নে পাহৰি যাব লৈছে সি জীৱনৰ চৰম সত্য ভালপোৱাৰ সংজ্ঞা।

তেতিয়া Higher Secondery 2nd yearৰ ছাত্ৰী ৰিয়া। তথা ২০০৯ চনৰ অৰুণোদই একাডেমীৰ Best Singer ৰিয়া কলিতা। সৰুৰে পৰা তাই বিভিন্ন ঠাইত প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰে আৰু সেইমতে পুৰস্কাৰো লাভ কৰিবলৈ সক্ষম হয়। কেৱল গানৰ দিশতে নহয় পঢ়া-শুনা, খেলা-ধূলা সকলো ফালৰে পৰা তাই আগৰণুৱা আছিল। কলেজলৈ যোৱাৰ পথতে তাই এদিন প্ৰথম দেখা পাইছিল নিহাৰক। সেই প্ৰথম দৃষ্টিতে ভাল লাগি যোৱা নিহাৰক তাই প্ৰায়ে কলেজলৈ যোৱাৰ পথত অথবা ঘূৰি অহাৰ পথত লগ পাবলৈ ধৰিলে। এদিন নেদেখিলেই যেন ৰিয়াৰ মনটো বিষাদেৰে ভৰি পৰে এনে হ'ল। কিন্তু কিয় হৈছে এনেকুৱা? তাৰ নাম ঘৰৰ ঠিকনা একোৱেই যে নাজানে ৰিয়াই। অথচ এদিনাখন এবাৰ দেখা নাপালে দিনটোৱেই যেন ভাল নহয় তাইৰ এনে অনুভৱ হ'বলৈ ধৰিলে।

এদিন নিহাৰে তাইক লগ কৰি নাম সুধিলে আৰু তাইৰ বিষয়ে বহুতো কথা সুধিলে, তাৰ বিষয়েও বহুতো জনালে। সেইদিনা বহুতো কথা পাতিলে দুয়োটাই। নিহাৰে নিজৰ ফ'ন নাম্বাৰ দি ক'লে ঃ "যদি মন যায় ফ'ন কৰিবা।" সেইদিনা ঘৰলৈ অহাৰ পিছৰে পৰা একোতে মন নবহিল তাইৰ। ঘনাই-ঘনাই মন যায় ফ'নটোৰ ওচৰলৈ যাবলৈ। কিন্তু মাকৰ ভয়ত থমকি ৰয় এবাৰত মনত সাহস গোটাই তাই ফ'নটো লৈ নিহাৰৰ নাম্বাৰ ডায়েল কৰিলে। আৰু বহুত কম সময় তাৰ লগত কথা পাতিলে তাই। সেইদিনাৰে পৰা ফ'নত কথা পতাটো যেন ৰিয়াৰ দৈনন্দিন কাৰ্যত পৰিণত হ'ল। এনেদৰে দিন বাগৰিল। প্ৰথম দৃষ্টিতে ভাল লগা নিহাৰক লাহে লাহে তাই ভাল পাবলৈ ধৰিলে। আৰু এদিন সি তাইক ভালপোৱাৰ প্ৰস্তাৱ দিলে। সেইদিনাখন ৰিয়া এক অনামী শিহৰণত পুলকিত হৈ উঠিছিল। ফাগুণী বতাহজাকে যেন তাইৰ হৃদয়ত আনন্দৰ জোৱাৰ তুলিছিল। মনে বিচৰা মানুহটোক জীৱন সংগী হিচাপে পাই ৰিয়াই যেন সমস্ত পৃথিৱীখন হাতৰ মুঠিত পালে এনে লাগিল তাইৰ। জীৱনৰ সাতোৰঙী ৰামধেনুৰ সমস্ত ৰঙেৰে যেন ৰিয়া ৰাঙলী হৈ উঠিল। প্ৰথমতে সকলোবোৰ কথাতে সি তাইক সহায় কৰিছিল, সাহস দিছিল জীৱন যুদ্ধত সততাৰে আগবাঢ়ি যাবলৈ। সি তাইক কেতিয়াও অকলশৰীয়া অনুভৱ কৰিবলৈ দিয়া নাছিল। সকলোবোৰৰ ফালৰ পৰা তাইক সুখী কৰাৰ চেষ্টা কৰিছিল নিহাৰে। কিন্তু সেই নিহাৰ আজি কিয় ইমান সলনি হ'ল? তাক কেৱল তাইৰ শৰীৰটোৰ ওপৰত অত্যাচাৰ চলাবলৈকে যেন সি তাইক ভাল পালে, বিয়া কৰালে। মানুহ অসুৰ কেনেকৈ হ'ব পাৰে। তাইৰ যেন নিজস্ব বুলি আজি একো নাই। যাক ইমান ভাল পালে, নিজৰ জীৱনটো যাৰ লগত সুখত কটাব খুজিলে সিয়ে আজি তাইক ইমান যান্ত্ৰণা দিছে! শৰীৰৰ খেল নেকি এই প্ৰেম, ভালপোৱাবোৰ। সঁচা প্ৰেমৰ অৰ্থ শৰীৰ নেকি তাৰ মানে? নাৰীৰ কোমল শৰীৰৰ ওপৰত ইমান অত্যাচাৰ কিয় দানৱৰূপী পুৰুষৰ! যেন কোমল মঙহেৰে পূৰ্ণ এটা হৰিণাক আক্ৰমণ কৰিবলৈ উদ্যত এটা সিংহ। ৰিয়াৰ যিদিনাৰ পৰা নিহাৰৰ প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিব ধৰিলে সেইদিনাৰে পৰা তাইৰ লগত এনে ব্যৱহাৰ তাৰ। সঁচা মৰমৰ অৰ্থইবা কি, যদি সেইয়া শৰীৰৰ খেলা হয় সকলোৰে বাবে..........।

হঠাৎ শাহুৰেকৰ মাতত তাইৰ তন্ময়তা ভাগিল। কিমান দেৰি তাই এনেদৰে বহি আছিল ক'বই নোৱাৰে। এটা হুমুনিয়াহ পেলাই তাই পেলাই তাই ভাৱনাৰ যতি পেলালে। ভাৱি চিন্তি এতিয়া অসাৰ্থক। সকলোবোৰ যেন উত্তৰ বিহীন সাঁথৰ। "জীৱন মানেইতো সংগ্ৰাম।" সকলো বাধা নেওচি জীৱনত আগুৱাই যোৱাতোৱেই প্ৰকৃত যুঁজাৰুৰ পৰিচয়। ল'ৰালৰিকৈ চকুপানী মোহাৰি তাই ভিতৰলৈ সোমাই গ'ল। ▶▶

স্বপ্নৰ সমাধি

বৰ্ণালী বৰগোহাঁই
স্নাতক দ্বিতীয় ষান্মাসিক

"জুলুপ, জুলুপ" বঠা মাৰি মাৰি নাওখন আগুৱাই লৈ গৈ থাকিল অভিনৱে। চৌপাশে পানী আৰু পানী। আজি এসপ্তাহমান ধৰি অভিনৱৰ গাঁওখন বানৰ কবলত। ঘৰখনত সি আৰু ৰুগীয়া মাক দেউতাকৰ সৈতে এটি সৰু পৰিয়াল। দেউতাক এজন নামজ্বলা কৃষক আছিল। সেয়ে সৰুৰে পৰাই তাৰ সেউজীয়া পথাৰৰ লগতেই সম্পৰ্ক। পথাৰত ধানৰোৱা, হালবোৱা এই কামবোৰ খুবেই প্ৰিয় তাৰ। সেয়ে সি সপোন দেখে ভৱিষ্যতে দেউতাকৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ এজন আদৰ্শ কৃষক হোৱাৰ। অৱশ্যে মাক-দেউতাকৰ ইচ্ছা পুত্ৰক ডাক্তৰ, ইঞ্জিনীয়াৰ কৰাৰ। কিন্তু তাৰ মতে ডাক্তৰ, ইঞ্জিনীয়াৰ হ'লেই সফল ব্যক্তিৰূপে থিয় দিব নোৱাৰি। জীৱনবোধ শিক্ষাহে আচল শিক্ষা। সি সপোন দেখে পথাৰত খেতি কৰাৰ, উন্নতমানৰ বীজ সিঁচি ধানৰ উৎপন্ন কৰাৰ। তাৰ এই শিক্ষা শুনি বহুজনে হাঁহে, অৱশ্যে সি সেইবোৰলৈ ভ্ৰূক্ষেপ নকৰে, মাটিৰ মানুহৰূপে চিনাকী দিয়াৰ গৌৰৱেই বেলেগ। সি সেয়ে কৃষকৰ আঁচনিবোৰত প্ৰায়েই যোগদান কৰে। গাঁৱতে সি যুৱকসকলৰ লগলাগি 'কৃষক সমিতি' বুলি এটা গোটো খুলিছে।

সঁচাই সোণাৱালী পথাৰখনৰ প্ৰেমত সি মচগুল। কি সুন্দৰ পৰিৱেশ!! তাৰ সপোনবোৰো পথাৰৰ মাজতে লহপহকৈ বাঢ়ে.........। তাৰ দেউতাকেও যথেষ্ট কষ্ট কৰে। কপালৰ ঘাম মাটিত পেলাই কাম কৰে। পিছে সময়ৰ গতি সলাই দিয়ে জীৱনৰ......। তাৰ এজনী মৰমলগা বায়েক আছিল। এজনী সৰল অন্তৰৰ ছোৱালী। কিন্তু তাই কেন্সাৰৰ দৰে এটা দুৰাৰোগ্য ৰোগত

আক্ৰান্ত হৈছিল। তাইৰ ৰোগ নিৰ্মূল কৰিবৰ বাবে দেউতাকে যে কি কি কৰা নাছিল! উচ্চমানৰ চিকিৎসাৰ বাবে মাটি বন্ধকত দিবলগা পৰ্য্যন্ত হৈছিল। অভিনৰৰ দদায়েক এজন আছে। তেওঁ এখন কলেজৰ অধ্যাপক। দেউতাকে পথাৰৰ সকলোবোৰ মাটি ভায়েকৰ ওচৰতে বন্ধকত দিব লগা হৈছিল। অসমৰ বাহিৰত কেন্সাৰৰ উচ্চমান চিকিৎসা আছে কিন্তু টকাৰ বাবে দেউতাকে দদায়েকৰ পৰা আদি কৰি বিভিন্নজনৰ ওচৰত হাত পাতিলে কিন্তু কোনেও সহায়ৰ হাত আগনবঢ়ালে। হাঁহি-ধেমালি কৰি থকা ছোৱালীজনী এদিন হঠাতে জ্বৰ-কাঁহ হ'ল। হস্পিটাললৈ নিয়াৰ বাটতে তাই শেষ-নিশ্বাস ত্যাগ কৰে। সেইদিন ধৰি মাক-দেউতাকৰ মুখত হাঁহিৰ অভাৱ। আৰু অভিনৰ??? জীৱনত কাৰোবাক হেৰুওৱাৰ বেদনা কিমান সেইদিনা বুজি উঠিল। সেইদিন ধৰি অকল তাৰ বায়েককে নহয় সি হেৰুৱালে তাৰ ৰঙিয়াল মাক-দেউতাককো। সঁচাকৈ নদীৰ দৰে বৈ থাকে জীৱন। দদায়েকক যিবোৰ মাটি বন্ধকত দিছিল টকা সময়ত দিব নোৱাৰাত তাকো হেৰুৱালে। তাৰ পথাৰত খেতি কৰাৰ সপোন, মাটিৰ মানুহ বুলি পৰিচয় দিয়াৰ সপোন তথাপি সি পুহি ৰাখিছিল তাৰ যন্ত্ৰণা তথা দুখেৰে উপচি থকা হৃদয়ৰ মাজত। আগবাঢ়ি গৈছিল তাৰ দিনবোৰ। কেতিয়াবা আন্ধাৰ, কেতিয়াবা পোহৰ। তেনেকৈয়ে সি এদিন গঢ়িছিল সৰুকৈ তাৰ সপোনৰ পথাৰখন। বৰ কষ্টৰে, দেউতাকৰ আদৰ্শ সাৱোগত কৰি সিঁচিছিল তাৰ আশাবোৰ। সেউজীয়া ধান সোণাৱালী হৈছিল। কিন্তু বিধাতাৰ কি যে নিষ্ঠুৰ খেল। বানপানীয়ে তাৰ সপোনৰ পথাৰখন উটুৱাই নিলে। উটুৱাই নিলে তাৰ ৰঙীণ স্বপ্নবোৰ.........।

উসহ্ণ বুকুখনৰ মাজতে সি এটা বিষ অনুভৱ কৰিলে যেতিয়া এই সকলোবোৰ তাৰ মনৰ দাপোনত ধৰা দিলে পুনৰবাৰ, সঁচাই চৰকাৰৰ ওপৰত তাৰ খং উঠিছে, খং উঠিছে টকা টকা কৈ চিঞৰি ফুৰা মানুহবোৰৰ ওপৰত। যি চৰকাৰে বানাক্ৰান্ত পৰিয়ালবোৰলৈ মাত্ৰ সাহাৰ্য্য আগবঢ়াইয়ে সকলো কাৰ্য সম্পন্ন হ'ল ভাবে তেনে চৰকাৰৰ পৰা কি আশা কৰিব পাৰি? মথাউৰি বান্ধিব এই সকলোবোৰ কথা তেওঁলোকেতো নেজানেই কোনোদিন। কিয়, কিয় এনেকুৱা হয় তাৰ দৰে মানুহবোৰৰ? সি প্ৰশ্ন কৰিব বা কাক? তাৰ দৰে মানুহবোৰৰ স্বপ্নবোৰ সমাধি দিয়াৰ বাদে একোৱেই নাই নেকি? বঠা মাৰি মাৰি মাক-দেউতাকক লগতলৈ তাৰ নাঁওখন মাথো আগবাঢ়ি গ'ল আশ্ৰয় স্থান বিচাৰি।

কুইজ

- "সাৰে জাহা সে আচ্ছা" গীতটো কাৰ ৰচনা?
- মহম্মদ ইকবালৰ।

- মাদাৰ টেৰেছাৰ প্ৰকৃত নাম কি?
- Agness Gynxha Bejaxhiu

- ইংৰাজীৰ সৰ্বাধিক ব্যৱহৃত শব্দবোৰ কি কি?
- I, the, and, of, It, is, was আৰু that ইত্যাদি।

সংগ্ৰাহক ঃ চৈয়দা মুচতাফিজা চুলতানা ৰহমান
স্নাতক পঞ্চম যান্মাসিক, অৰ্থনীতি বিভাগ

বিষাদৰ বলিৰেখা

কংকনা দত্ত
স্নাতক পঞ্চম ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

ব্যস্ততা, কোলাহলেৰে পৰিপূৰ্ণ হৈ থকা কৃষ্ণচূড়াৰ তলবোৰত ল'ৰা ছোৱালী কমি গৈছে। ৰিণিকি ৰিণিকি ক'ৰবাৰ পৰা ঢোলৰ ছেউ এটা অনুৰাধাৰ কাণত ঠেকা খালেহি।

বস্তু সামৰি থকা অনুৰাধাই খিৰিকিৰে বাহিৰলৈ চাই পঠিয়ালে। ন-সাজেৰে ধুনীয়াকৈ সাজি কাছি সাজু হৈছে প্ৰকৃতি, নতুনক আদৰিবলৈ। ভাল লাগে তাইৰ ঋতুৰাজ বসন্তক। আৰু ভাল লাগে কেতেকীৰ সুবাস আৰু কুলিৰ মাতৰ গুঞ্জন। তাতোকৈ তাইৰ ভাল লাগে ফাগুনৰ পচোৱা। থোপা থোপে ফুলা শিমলুৰ ফুলবোৰ। এনে লাগে যেন শিমলুৰ আগবোৰে দূৰৈৰ আকাশখন ফুটাই দিছে। আৰু নীলা আকাশখনৰ কলিজাৰ ৰঙা তেজবোৰ শিমলুৰ ডালত টোপ টোপকৈ পৰিছে। শিমলু ফলৰ তেজ।

কাইলৈ বহাগ বিহুৰ উৰুকা। সকলোৰে টালি টোপোলা লবান্ধি হোষ্টেলৰ পৰা ঘৰলৈ যাবলৈ সাজু হৈছে। যিবোৰ ছোৱালীৰ ঘৰ দূৰৈত তাহাঁতি ৰাতিপুৱাই সোনকালে ওলাই গৈছে। ৰান্ধনী মাহীক ভাত দিবলৈ হুচ নাইকিয়া কৰিছে। পাঁচ দিনৰ দীঘলীয়া বন্ধ লৈ ঘৰলৈ যাবলৈ ওলাইছে। হুচ্‌নো থাকিব ক'ৰ পৰা? তাইৰ ৰূমমেট নমিতা আৰু চয়নিকাইটো এসপ্তাহ মানৰ পৰা ঘৰলৈ যাবলৈ কাপোৰ ভৰাইছে। যেন বৰ কষ্টতহে সোমাই আছে হোষ্টেলটোত। ওলাই যাব পাৰিলেই যেন ৰক্ষা পায়।

অৰশ্যে নহ'বনো কিয়? আজিৰ চেমিষ্টাৰ পদ্ধতিত উশাহ ল'বলৈনো ক'ত সময় পোৱা যায়? ছয় মাহত চাৰিখন পেপাৰ, দুটাকৈ ছেছ'নেল। লগতে গ্ৰুপ দিছকাশ্বন, ছেমিনাৰ, হ'ম এছাইনমেণ্টবোৰ আছেই। কিমান যে হেঁচা! নমিতাই প্ৰায়েই কয়, "স্কুলত পঢ়ি থাকোতেই ভাল আছিল। ন বজাত গৰম ভাত কেইটা খাই স্কুললৈ যাওঁ তিনি বজাত ঘৰ পাওঁহিয়েই। ছমহীয়া পৰীক্ষাটো আৰু এবছৰৰ মূৰত বছেৰেকীয়া পৰীক্ষাটো দিওঁ। এতিয়া চাৰে আঠটাৰ পৰা চাৰিটালৈকে ক্লাছ কৰ, আকৌ ছেমিনাৰ পেপাৰ সাজু কৰ, ভাইভাৰ কাৰণে সাজু হোৱা, ৰাতি এপৰলৈকে হ'ম এছাইনমেণ্ট বনোৱা। পাগল হৈ যাম জান অনু। গ্ৰেজুৱেচন কমপ্লিট কৰাৰ পাছত আৰু নপঢ়ো। নোৱাৰো আৰু. দেই।".... অ'তো। ক'ত পাৰিব এই নমিতাই। হীৰুদাৰ কবিতা ভাল পোৱা নমিতাই এনে বান্ধোন ভাল নাপায়। মুকলি আকাশত মুক্ত বিহংগৰ দৰে উৰিব বিচাৰে তাই। প্ৰকৃতি, সপোন, কল্পনা-এইবোৰৰ চাকনৈয়াত ডুব যাব বিচাৰে। যান্ত্ৰিকতাৰ মেৰপাকত চেপা খাই থকা জীৱনটোক লৈ তাই কোনোপধ্যেই সুখী হ'ব নোৱাৰে।

আৰু স্বপ্নালীৰো যে কথা। যথেষ্ট স্বাস্থ্য সচেতন তাই। অনুৰাধাৰ ওচৰত আপত্তি দিবহি, "জানে অনুৰাধাবা ইমান ক্ষীণাইছো নহয়, ইমান কষ্ট হৈছে। নাপায় দেই ইমান কষ্ট দিব। আগৰ চুৰিদাৰ সৰ ঢিলা হ'ল। অৱশ্যে নিজৰ জীৱনটো ভালদৰে গঢ় দিবলৈ হ'লে কষ্টটো কৰিবই লাগিব।" নিজেই আপত্তি দি আকৌ নিজেই উত্তৰ দি সান্ত্বনা লভে। একো নকয় অনুৰাধাই। ক'বৰ প্ৰয়োজনেই নাই।

ছেমিষ্টাৰক লৈ ছোৱালীবোৰৰ কিমান যে আপত্তি। 'ছেমিষ্টাৰ' কোনোবা মানুহ হোৱা হলে এই ছোৱালীসোপাই কি গতি কৰিলেহেঁতেন ভগৱানেহে জানে। অৱশ্যে অনুৰাধাই বেয়া নাপায় ছেমিষ্টাৰক। সময়ৰ লগত খোজ মিলাই চলিবই লাগিব। আজি কালি প্ৰায়বোৰ পাঠ্যক্ৰমেই ছেমিষ্টাৰ পদ্ধতিৰ। তাই পঢ়ি বেয়া নাপায়। বুজা হোৱাৰে পৰা শিক্ষক দেউতাকে তাইৰ হাতত কিতাপ তুলি দিছে। তেতিয়াৰে পৰা কিতাপেই তাইৰ সংগী। তাহাঁতৰ চহৰৰে এখন চিনাকী দোকানলৈ দেউতাকে তাইক লৈ গৈ কৈছিল— 'ইয়ালৈ আহি যি কিতাপ লাগে লৈ যাবি। মানুহজন

মোৰ চিনাকী। পইচা মই পাছত আহি দি যাম।' সেই দিনাৰ পৰাই কিতাপ হৈ পৰিল তাইৰ বান্ধৱী। কিতাপৰ লগত তাই কথা পাতে, ধেমালী কৰে, খং কৰে, অভিমান কৰে। বগা কাগজৰ ফুটখুটীয়া আখৰবোৰৰ লগত তাইৰ সম্বন্ধ যেন বহু যুগৰ। যাৰ মাজত সোমাই তাকে বহু প্ৰহেলিকাৰ উত্তৰ। তাতেই পাই তাই জিজ্ঞাসু মনৰ শান্তিৰ উৎস।

তাইৰ দৰে ককায়েক অনুজৰ হাততো দেউতাকে কিতাপ তুলি দিছিল। তেখেতে অনুৰাধা আৰু অনুজ দুয়োটি সন্তানকে একেদৰেই গঢ় দিবলৈ চেষ্টা কৰিছিল। একেবাৰে নিখুত কৈ। অনুজকো চিনাকি কৰাই দিছিল সেই পাৰা-পাৰ নোপোৱা বিশাল জ্ঞানৰ জলৰাশিৰ লগত, সেই মায়াময় পৃথিৱীখনৰ লগত। যিখন পৃথিৱীৰ মায়ায়ে অনুৰাধাক বাৰুকৈয়ে আকৃষ্ট কৰিছিল। কিন্তু অনুজক?? .... আস। বিষাই উঠে অনুৰাধাৰ বুকুখন তাৰ কথা ভাবিলে। দেউতাকে অনুজ ডাক্তৰ হোৱাৰ আশা কৰিছিল। মানৱ সেৱা কৰিব। বংশৰ নাম উজলাব।

পঢ়াত ভাল অনুজে ডাক্তৰ পঢ়িবলৈ ছিটো পাইছিল। এখোজ দুখোজকৈ দেউতাকৰ সপোনবোৰ দিঠক হোৱাৰ দিশেৰে আগবাঢ়িছিল। মানুহৰ আগত, সমাজৰ আগত কৈ ভাল পাইছিল তেওঁৰ নিজৰ সুন্তান অনুজৰ বিষয়ে।

কিন্তু, এদিন এই সকলোবোৰ আশা, সপোন টাচ পাতৰ ঘৰৰ দৰে নিমিষতে ভাগি পৰিল। সকলো থান-বান হৈ পৰিল। হেৰাই গ'ল সি। কেৱল পোৱা গ'ল হোষ্টেলৰ ৰূমত তাৰ পঢ়া টেবুলত এখন চিঠি। বগা কাগজত ফুটফুটীয়া সৰু সৰু আখৰ। কিন্তু দেউতাকে চিনাকি কৰাই দিয়া আখৰবোৰতকৈ চোন এইবোৰ আখৰ সম্পূৰ্ণ বেলেগ। একেবাৰে অচিনাকি দোৱান অনুৰাধাহঁতৰ বাবে। দেউতাকে তুলি দিয়া কিতাপ দলিয়াই দি হাতত অস্ত্ৰ তুলি লোৱাৰ খবৰ দিছিল সেই অচিনাকি দোৱানবোৰে। দেশ প্ৰেমৰ প্ৰলেপ আছেনে সেই দোৱানবোৰত? নে তেজেঁৰে লুটুৰি পুতুৰি হৈ আছিল সেই আখৰবোৰত বুজি নাপালে অনুৰাধাহঁতে। অনুজে সংগঠনত যোগদান কৰিবলৈ গ'ল।

দেশ স্বাধীন কৰিবলৈ গ'ল সি। দেউতাকৰ সপোন থান-বান কৰি, মাকৰ মমতাক মূল্য নিদি। সি যোৱাৰ পিছত অনুৰাধাহঁতৰ ঘৰৰ পৰিবেশ একেবাৰে সলনি হৈ গ'ল! দিনে ৰাতিয়ে পুলিচ মিলিটেৰীৰ বুট জোতাৰ চাপ সিহঁতৰ চোতালত পৰিবলৈ ধৰিলে। বিভিন্ন প্ৰশ্নবানে সিহঁতক থকা-সৰকা কৰিলে। দেউতাকে ঘৰৰ ভিতৰতে সোমাই থকা হ'ল। সমাজৰ সহানুভূতি আৰু প্ৰশ্নসূচক চাৱনিৰ উশাহবোৰ তেওঁ সহ্য কৰিব নোৱাৰিছিল।

তাৰ কথা কৈ গৌৰৱ কৰা দেউতাকে ঘৰত অনুজৰ নাম মুখত লোৱাই নিষিদ্ধ কৰি দিলে। কিন্তু মাকে একো কোৱা নাছিল, তেওঁ মাথোঁ কান্দিছিল। পুত্ৰক চকুৰ আগত ৰাখিব বিচাৰে তেওঁ। একমাত্ৰ পুত্ৰ উভতি অহাটো বিচাৰে। মাকৰ মমতাই কোনোপধ্যে মানি নলয় যে তেওঁৰ পুত্ৰ এতিয়া হত্যাকাৰী। হাজাৰজনৰ কেঁচা তেজে তাৰ হাতত কৰাল বান্ধিছে।

তেতিয়াৰ পৰা অনুৰাধাই মাক-দেউতাকৰ একমাত্ৰ সাৰথি। তাইৰ মুখলৈ চায়েই তেওঁলোকে সহজ হ'বলৈ চেষ্টা কৰিছে। বুকুৰ দুখবোৰ এটা কোণত দবাই ৰাখি জীয়াই থাকিবলৈ শিকিছে। অনুৰাধাই ভাবি নাপাই সি কিয় এই পথ বাছি ল'লে। কিয় এবাৰো ভাবি নাচালে মাক-দেউতাকৰ কথা। কিয় মূল্য নিদিলে দেউতাকৰ সপোনবোৰৰ? কিয় গুচি গ'ল আঁজলি মাকৰ বুকু উদং কৰি?

তাই দেউতাক-মাকৰ মুখত হাঁহি বিৰিঙাব বিচাৰে। পুত্ৰই নিজৰ দায়িত্বৰ পৰা পলৰীয়াৰ দৰে পলাই গ'ল। কিন্তু তাই পুত্ৰৰ স্থান ল'বলৈ চেষ্টা কৰিব। দেউতাকৰ সপোন বাস্তৱত ৰূপ দিব। শিক্ষাৰ পোহৰ বিলাই মানৱ সেৱা কৰিব তাই। অহা বছৰ তাই বি.এ. পাছ কৰিব। তাৰ পিছত তাই নিজৰ দায়িত্ব পালন কৰি যাব।

বাহিৰলৈ বিশাল আকাশখনলৈ চাই পঠিয়ালে অনুৰাধাই। সূৰ্য্যৰ উৰ্দ্ধমুখী গতি। ঘৰলৈ যাবলৈ খৰধৰ কৰিলে। তাই জানে এই ৰঙালী বিহুৰ ৰঙে তহাঁতৰ ঘৰখনক চুব নোৱাৰে। আৰু বা কিমান নিঠৰুৱা মাক-দেউতাক এই দুখৰ অগ্নিত জ্বলি আছে? যাবলৈ সাজু হ'ল অনুৰাধা। মাকে বাটলৈ চাই চাই তাইলৈ ৰৈ আছে চাগে। সোনকালে ঘৰ পাবগৈ লাগে তাই।▶▶

আধৰুৱা সপোনৰ বিননি

ডিম্পী ফুকন
স্নাতক তৃতীয় ষান্মাসিক, ইংৰাজী বিভাগ

এটা সুসজ্জিত দুমহলীয়া ঘৰ। সন্মুখত এখন ফুলনি বাগিছা। ঘৰটোৰ কাষতে আছে দুই তিনিখন গাড়ী একেলগে থ'ব পৰা এটা ডাঙৰ গেৰেজ। ঘৰটো দেখিলেই গম পোৱা যায় এইখন যে এখন সম্ভ্রান্ত ঘৰ, এটা সম্ভ্রান্ত পৰিয়াল। ইয়াতে থাকে মৌ মাক-দেউতাকৰ লগত। সম্পূর্ণ নাম মৌ কুঁহি। ঘৰৰ একমাত্র সন্তান মৌ। সকলোৰে মৰমত লালিত-পালিত হোৱা মৌ। সকলোৰে আশা তাইৰ ওপৰত। তাই পঢ়ি-শুনি ডাঙৰ মানুহ হ'ব। কেৱল পঢ়া-শুনাতে নহয়, নাচ-গান, খেল-ধেমালি সকলোতে তাই পার্গত হ'ব লাগিব। তাই নিজৰ ভৰিত নিজে থিয় দি অতি দাম্ভিকতাৰে ক'ব পাৰিব লাগিব- ময়েই মৌ-কুঁহি শইকীয়া, পৰাগ শইকীয়া আৰু মাধুৰিমা শইকীয়াৰ একমাত্র জী। এয়াই তাইৰ মাক-দেউতাকৰ সপোন। তাই ডাঙৰ হৈ মাক-দেউতাকৰ মুখ উজ্বলাব, তেতিয়া তেওঁলোকেই সমাজৰ আগত ক'ব পাৰিব নিজকে 'সফল পিতৃ-মাতৃ' বুলি। তাৰ বাবে কি কৰিছে বুলি ক'লে ভুল হ'ব। তেওঁলোকে তাৰ বাবে কি কৰা নাই? সম্ভ্রান্ত পৰিয়ালৰ আদব কায়দাৰ লগত মিলিবলৈ গৈ নিজৰ লগতে মৌকো বহু ক্ষেত্ৰত সলনি কৰিব লগা হৈছে। গাঁৱত থাকোতে তেওঁলোকে এইবোৰ নাজানিছিল। কিন্তু এতিয়া চহৰৰ সমাজৰ লগত খোজ মিলাবলৈ গৈ তেওঁলোকে সমগ্র বোজা মৌৰ ওপৰত জাপি দিয়াৰ দৰে হৈছে। এখন উচ্চ মানদণ্ডৰ বেচৰকাৰী স্কুলত নাম লগাই দিলে তাইক। ৰাতিপুৱা ন বজাৰ পৰা আবেলি তিনি বজালৈকে তাই স্কুলত থাকে। চাৰে তিনি বজাত তাই ঘৰ সোমাইহি। লগে লগে নাকে কাণে ভাত কেইটা গুজি চাৰে চাৰি বজাত বেডমিণ্টন ক'ৰ্টলৈ যাব লগা হয় তাই। প্রায় ছয় বজাত ঘৰ সোমাইহি তাই দেউতাকৰ লগত। সোমায়েই জানো শান্তি পায়! সকলো দুখ ভাগৰ পাহৰি তাই কিতাপৰ টেবুলত বহিব লগা হয়। কাৰণ স্কুলত দিয়া হ'মৱৰ্কবোৰ কৰি নিনিলে যে পিছদিনা শাস্তিৰ সন্মুখীন হ'ব স্কুলত। তাই অলপ জিৰাওঁ বুলি ভাবিলেও জিৰাব নোৱাৰে। মাক-দেউতাকে তাইৰ ওপৰত সকলো সময়তে চকু ৰাখে। কাৰণ স্কুলৰ হ'মৱৰ্ক কৰিলেইটো নহ'ব ক'চৰ আন কিতাপবোৰ কোনে পঢ়িব আৰু তাইৰচোন পঢ়িবলৈ সময়েই নাই। সকলো কাম সামৰি তাই ৰাতি এঘাৰটা বজাত শুবলৈ যায়। আকৌ ৰাতিপুৱা পাঁচ বজাতে উঠিব লাগে। কাৰণ চাৰে পাঁচটা বজাৰ পৰা তাইৰ অংক আৰু বিজ্ঞানৰ টিউচন থাকে। সঁচায়ে তাইৰ একেবাৰে সময় নাই। ৰাতিপুৱা পাঁচ বজাৰ পৰা ৰাতি এঘাৰ বজালৈ তাই ব্যস্ত। মাজৰ সেই সময় খিনিও জানো তাই শান্তিৰে শুব পাৰে? আনকি দেওবাৰেও তাইৰ চুটি নাই। ৰাতিপুৱা সাত বজাৰ পৰা গান আৰু নাচৰ স্কুললৈ যায় তাই। প্ৰাইমেৰীৰ পৰা হাইস্কুললৈকে তাইৰ দৈনন্দিন ৰুটিন এইখনেই।

মাক-দেউতাকে তাইক খুব মৰম কৰে। নতুন নতুন বস্তু দিয়ে। ভাল ভাল বস্তু আনি খুৱাই। তায়ো মাক-দেউতাকৰ মৰমৰ প্রতিদান অতি সন্তোষজনক বাবে দিব পাৰিছে। কাৰণ পঢ়া-শুনাত তাই ভাল। প্রতিটো শ্রেণীতে প্রথম হয়। স্কুলত তাই best singer আৰু dancer হৈছে। আৰু বেডমিণ্টনত তাই Na-

tional levelত খেলাৰ সুবিধাও পাইছে। মাক-দেউতাকৰ সপোনবোৰ পূৰণ কৰিবলৈ তাই সক্ষম হৈছে। কিন্তু তাইৰ নিজৰ সপোনবোৰ... যিবোৰ সপোন তাই সৰুৰে পৰাই সাঁচি ৰাখিছিল.. সেইবোৰৰ কি হ'ল?

গাঁৱৰ ঘৰত থাকোতে তাই খুড়াকৰ ল'ৰা-ছোৱালী আৰু লগৰীয়াবোৰৰ লগত খেলা-ধূলা কৰা সেই দিনবোৰ তাই সদায় মনত পেলায়। তাই বাবে কিমান আনন্দৰ, সুখৰ সেই জীৱন, য'ত সিহঁতে আনন্দমনে নিজৰ জীৱনটো উপভোগ কৰিছে। এটা মুক্ত বিহংগৰ দৰে উৰি ফুৰিব পাৰিছে। কিন্তু তাই কিয় পৰা নাই...? তাইৰো মন যায় নিজৰ জীৱনটো নিজৰ মতে উপভোগ কৰিবলৈ, সিহঁতৰ দৰে ৰং তামচা কৰিবলৈ। তাই ভাবে এইবোৰ কথা, বহুত চিন্তা কৰে। আগতে এনেবোৰ কথা তাইৰ মনলৈ অহা নাছিল। কিন্তু ডাঙৰ হৈ অহাৰ লগে লগে এই কথাবোৰে তাইক বাৰুকৈয়ে আমনি কৰিলে। তাই ভাবুক হৈ আহিল লাহে লাহে। তাইৰ এই পৰিবৰ্তন মাক-দেউতাকৰ চকুত পৰিছিল যদিও তেওঁলোকে পঢ়াৰ বোজা বঢ়াৰ কাৰণে এনে হোৱা বুলি ভাবিছিল। তাই ৰাতিৰ সময়কণো শান্তিৰে শুব পৰা নাছিল। চকু মুদাৰ লগে লগে তাই দেখিছিল তাইৰ সেই আধৰুৱা সপোনবোৰ। তথাপি তাই আশা কৰিছিল মেট্ৰিক পৰীক্ষা দিয়াৰ পাছত যিখিনি সময় পাব সেই সময়খিনিতে তাই খুব স্ফুৰ্তি কৰিব। গাঁৱৰ ঘৰলৈ গৈ লগৰবোৰৰ লগত সিহঁতৰ দৰে মুক্ত বিহংগৰ দৰে ঘূৰি ফুৰিব। কিন্তু মাক-দেউতাকে তেওঁলোকৰ আঁচনি যে আগেয়ে তৈয়াৰ কৰি থৈছিল। তেওঁলোকে তাইৰ বাবে ভালৰো ভাল টিউচন মাষ্টৰ যোগাৰ কৰিছিল, কাৰণ তাই বিজ্ঞান শাখাত পঢ়াতো তেওঁলোকে বিচাৰিছিল। আকৌ মেডিকেল পৰীক্ষাৰ কাৰণে Coaching ৰো ব্যৱস্থা কৰিলে। তাই মাক-দেউতাকক তাইৰ মনৰ কথাবোৰ খুলি ক'ব নোৱাৰিলে। তাই পুনৰ ব্যস্ত হৈ পৰিল। কিন্তু তাইৰ মনৰ শান্তি জানো হ'ল?

তাই দিনে দিনে আৰু ভাবুক হৈ যাবলৈ ধৰিলে। কাৰো লগত কথা পাতিবলৈ মন নকৰা হ'ল। খাবলৈ মন নকৰা হ'ল। তাই একেবাৰে ভাগি পৰিল। বহুত যান্ত্ৰণা তাই বুকুত বান্ধি ৰাখিছিল, যিবোৰে তাইক পলে পলে ধ্বংসৰ মুখলৈ লৈ গৈছিল। হঠাতে এদিন তাইৰ মনত খেলালে আৰু চিঠি লিখিলে মাক-দেউতাকলৈ—

মৰমৰ মা-দেউতা

মৰমবোৰ ল'বা। ভাবিছিলো পূৰণ কৰিম তোমালোকৰ সকলো আশা। চিণ্ডি আনিম জোন, তৰা তোমালোকৰ সুখৰ বাবেই। গঢ়িম উচ্ছল জীৱন, লংঘিম ওখ পৰ্বত তোমালোকৰ কাৰণেই...। মইনো আৰু কি??? তোমালোকৰ অনুগ্ৰহত জীয়াই থকা এটি মাত্ৰ নিমিত্ত। মই বিচাৰো কি সুধিছা জানো কেতিয়াবা!!! জানিব খুজিছা জানো মোৰ মনৰ কথা, মোৰ সপোনৰ কথা? কম... মই কম তোমালোকক। নুসুধিলেও যে ক'ব লাগিব, মই বিচাৰো কি? এটা স্বাধীন জীৱন বিচাৰো মই। চৰাইৰ দৰে নীল আকাশৰ বুকুত উৰি ফুৰিবলৈ, গীত গাবলৈ। জগাই তুলিবলৈ মন যায় ধৰাক। কিন্তু তোমালোকে নুবুজিবা...। তোমালোকে যে তোমালোকৰ অপূৰ্ণ সপোনবোৰ লৈয়েই ব্যস্ত। টিউচন, Cosching, competition আদিবোৰৰ মাজত যেন মই হেৰাই যাব ধৰিছো। ডেউকা ভগা পক্ষীৰ দৰে মাথো ছটফটাইছো। উৰিব খুজিছো, দূৰ দিগন্তলৈ, কিন্তু... । কেতিয়াবা ভাবিবা মোৰ কথা..., নিজকে মোৰ ঠাইত থৈ এবাৰ চাবা। নিশ্চয় হয়তো বুজিবা, হৃদয়ত সাঁচি ৰাখিছো কিহৰ যন্ত্ৰণা। পলে পলে আঘাত কৰিছে সেই যন্ত্ৰণাবোৰে। সহ্য কৰিছো, মাথো সহ্য। কিন্তু কিমান দিন? হয়তো এদিন ছিগি যাব সেই বান্ধ, হয়তো ভাগি যাব সেই সপোন, চৰাইৰ দৰে উৰি ফুৰাৰ। কেতিয়াবা বিচাৰিবা মাথো অতীতৰ পাতত লিপিবদ্ধ হৈ থকা তোমালোকৰ সপোনবোৰ, মোৰ সপোনবোৰ।

শেষত অতি মৰম আৰু শ্ৰদ্ধাৰে—

তোমালোকৰ জী

মৌ

চিঠিখন তাই মাক-দেউতাকে সহজে বিচাৰি পোৱাকৈ টেবুলতে থৈ দিলে। পিচদিনা টিউচনলৈ যাবলৈ ready নোহোৱা দেখি মাকে তাইৰ গা বেয়া নেকি বুলি সুধিবলৈ আহি দেখে তাই শুই আছে আৰু মুখেৰে নিগৰি আছে ফেন। মাকে ল'ৰালৰিকৈ দেউতাকক চিঞৰিলে। তেওঁলোকে আচৰিত হ'ল তাইৰ এনে কাণ্ডত। মাকে হঠাতে দেখা পালে তাইৰ চিঠিখন। চিঠিখন পঢ়ি ক্ষন্তেকৰ বাবে উপলব্ধি কৰিলে তেওঁলোকৰ ভুলবোৰক। কিন্তু তেওঁলোকে তেওঁলোকৰ prestige ক অধিক মূল্য দি চিঠিখন নষ্ট কৰি দিয়াটোকে ঠিক কৰিলে। কাৰণ ইতিমধ্যেই তেওঁলোকে ভাবি পেলাইছিল তেওঁলোকে 'মৌ'ৰ মৃত্যুক কিদৰে সমাজত প্ৰচাৰ কৰিব। সমাজে জানিব তাইৰ মৃত্যু হ'ল এক অচিন বেমাৰত। কাৰণ যদি কেনেবাকৈ ধৰা পৰি যায় প্ৰকৃত সত্য সমাজত তেওঁলোকৰ সন্মান হয়তো যথেষ্ট হানি হ'ব। আন ফালে মৌ আত্মাই বাট লৈছিল কোনোবা অজান পথেৰে, তাইৰ এই অপূৰ্ণ সপোনবোৰ পূৰণৰ আশাৰে... ◗◗

অবিৰত যাত্ৰা

মৃদুস্মিতা গগৈ
স্নাতক দ্বিতীয় ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

হঠাৎ জিকাৰ খাই উঠিল অবিনাশৰ শৰীৰটো। কি হ'ল সি তৰ্কিবই নোৱাৰিলে। হাত ভৰিৰ নোমবোৰ ডাল ডাল হৈ পৰিল। বুকুখন কঁপিছে দুৰু দুৰুকৈ। মূৰটো কিবা এটা কৰা যেন অনুভৱ কৰিলে সি। কি হৈছে সি বাৰান্দাখনত বহি ভাবি থাকোতেই অনুপমে ৰাস্তাৰ পৰা মাত লগালে— "অবিনাশ ওলাই যাওঁ আহাঁ।"

"মই গৈ আছো, তুমি ব'লা"— অবিনাশে নম্ৰভাবে উত্তৰ দিলে। সি অনুপম যোৱাৰ পালে সতৃষ্ণ নয়নেৰে চাই ৰ'ল। কোনোবা এটা সময়ত দীঘলীয়া ৰাস্তাইদি অহা যোৱা কৰি থকা মানুহবোৰৰ মাজত অনুপম হেৰাই গ'ল। চকুৰে মণিব নোৱাৰা হ'ল নে নাই ক'ৰবাত সোমালেনে কি? অবিনাশৰ বাবে এক সাঁথৰ হৈয়ে ৰ'ল।

এবেলা এইবোৰকে গুণা গঁথা কৰি থাকি, অবিনাশ বহাৰ পৰা উঠিব খোজোতেই সি পৰি যাব ধৰিলে। সন্মুখৰ পকী বেৰখনত ধৰি সি কোনোমতেহে বহি পৰিল। বহি লৈ সি ভাৱনাৰ সাগৰত জাহাজ মেলিলে।

হয়তো সি দুৰ্বল হৈছে, নহ'বই বা কিয়? যিজনীহে তাৰ মাহী মাক। তাৰ আজি কালি ঘৰত সোমাই থাকি বিৰক্তি উপজিছে। আজিও সি ভাৱনাৰ সীমাৰেখাৰ বাহিৰলৈ গুছি গ'ল। কি দোষত সি এনে এজনী মাকৰ চক্ৰবেহুত প্ৰবেশ কৰিলে? যিদিনাৰ পৰাই তাৰ দেউতাকে মাহীমাকক বিয়া কৰাই আনিলে সেই দিন ধৰি দেউতাক তাৰ বাবে অন্ধ আৰু বোবা হৈ পৰিল। চাকৰিটো তাৰ কাৰণে পৰি থকা নাই। এম.এ. পাছ কৰি ঘৰতে বহি থাকিবলগীয়া হোৱাত নতুনকৈ দোকান এখনকে দিওঁ বুলি দেউতাকক টকা কেইটামান খুজিছিলহে, কিন্তু মাহীমাকৰ গালি গালাজবোৰ অনৰ্গল বৰষুণ পৰাৰ দৰে তাৰ কাণত বৰষিছেহি। মাহীমাকৰ লগত হোৱা তৰ্কাতৰ্কিবোৰ মনলৈ আহিলে তাৰ ঘিন লাগে। ভাবি ভাবি হয়তো অবিনাশৰ চকুৰ পটা জাপ খাই গ'ল। মাহীমাকে দেউতাকৰ আগত

যি অভিনয় কৰে, সেই অভিনয় দেখিলে অবিনাশৰ মুখত এটা অস্ফুট হাঁহি বিৰিঙি উঠে। এৰা! তাৰ মাহীমাক অকল মুখ চোকাই নহয়, অসভ্যও।

এদিন যেনেকৈ ঘৰৰ পৰিয়ালৰ সকলোৰে মৰমক বিসৰ্জন দি মাকে এই সংসাৰৰ পৰা বিদায় অৰ্থাৎ সংসাৰ ত্যাগ কৰিছিল তেনেকৈ....

"অবিনাশ দাদা অ' অবিনাশ দাদা উঠ আকৌ" তাৰ মাহীমাকৰ পুতেক অৰ্থাৎ তাৰ ভায়েক অভিনৱৰ চিঞৰতহে সি চেতনা পালে। চকু মেলি দেখে যে প্ৰাক-সন্ধ্যা। ডাৱৰীয়া হোৱাৰ বাবেই সন্ধ্যা হ'ল নেকি? অবিনাশ বহাৰ পৰা উঠি গৈ চোতালত থিয় দি আকাশলৈ চালে। পৰিষ্কাৰ আকাশৰ পশ্চিম দিশত জোনবাইটি জিলিকিছে। মনত পৰিল আজি শুক্লপক্ষৰ তৃতীয়া। বাৰান্দা খনলৈ চাই দেখিলে সি বহা চকী খন তেনেদৰে পৰি ৰৈছে অকলশৰে। ঠিক তাৰ দৰেই। সি অনুভৱ কৰিব পাৰিছে, তাৰ বিষয়ে চিন্তা কৰিবলৈ সঁচায়ে তাৰ কোনো নাই!! সি একেবাৰে অকলশৰীয়া।

সন্ধিয়াৰ এন্ধাৰে পৃথিৱীখনক গো-গ্ৰাসে গিলি আহিছে। দিনৰ জাকজমকতাক বিদায় দি মানুহবোৰ গৃহগামী হ'ল। ঘৰে ঘৰে চাকি বন্তি ধূপ-দ্বীপ জ্বলাই গুৰু বন্দনা, প্ৰাৰ্থনা জুৰিছে। কিমান দূৰ পালেগৈ তাৰ ভ্ৰূক্ষেপ নাই। কিন্তু খোজ কাঢ়ি ভাগৰো লগা নাই। গহীন খোজেৰে সি গৈ আছে আগলৈ, মাথো আগলৈ বুলি। এতিয়া তাৰ মনত আপোন কোনো নাই। কাৰো কথা ভাবিবলৈ সময় নাই।

ঘৰত মুকলি মনেৰে ৰন্ধা-বঢ়া কৰি সকলোকে খাবলৈ মাতিলে মাকে। খোৱাৰ পাতত সকলো বহিল। দেউতাকে সুধিলে "অবিনাশ নাই নেকি?"

"নাজানো, মোক সুধি যায় নেকি?" মাকৰ কথা শুনি দেউতাক হতভম্ব হ'ল। কোনো দিন ৰাতি ওলাই নোযোৱা ল'ৰাটো আজি ওলাই গৈছে। কি ঘটিছে একো নুবুজি খাই উঠি তেওঁ অবিনাশক বিচাৰি ওলাল। অভিনৱেও খোৱাৰ পাতৰ পৰাই হাত ধুই অবিনাশক বিচাৰি গ'ল। অবিনাশে খোজ কাঢ়ি গৈ গৈ ভাগৰি পৰিল। ৰাস্তাৰ কাষৰ গছ জোপাৰ কাষত আউঁজি জিৰণি লোৱাৰ মানসিকতাৰে বহি পৰিল। চকু মেলি দেখে যে, প্ৰভাতে জগতক জগালে।

ৰাস্তাত এতিয়া বহুত মানুহৰ সমাগম। কোনেও কাৰো প্ৰতি ভ্ৰূক্ষেপ ৰখা নাই। কোনোৱে কুকুৰ লৈ প্ৰাতঃভ্ৰমণ কৰিছে। কোনোৱে দৌৰিছে আৰু কোনোৱে অহা-যোৱা কৰিছে। পুৱাৰ পবিত্ৰতাই মাহীমাকৰ স্মৃতি অবিনাশে বিদায় জনালে চিৰদিনৰ কাৰণে। ঘৰলৈ উভতি অহাৰ ভ্ৰান্ত ধাৰণা উদয় নহ'ল তাৰ মনত। বহাৰ পৰা উঠি সন্মুখৰ পথত ভৰি দিলে। উদ্দেশ্যহীন আৰু লক্ষ্যবিহীন যাত্ৰাৰে অবিনাশে গৈ থাকিল এখোজ-দুখোজকৈ। সি মনতে ভাবিলে এনেদৰে একো নকৰাকৈ থাকিলে তাৰ জীৱনটোৱে একোৰে নাপাব। মনত সাহস গোটাই পুনৰ সি আগলৈ বুলি যাত্ৰা কৰিলে। সেই যাত্ৰা তাৰ বাবে কেৱল যাত্ৰাই নহয়, ই এক অবিৰত যাত্ৰা।

মহৎ লোকৰ বাণী

- জন্মৰ দ্বাৰা নহয়, কৰ্মৰ দ্বাৰাহে মানুহ মহান হয়- মহাবীৰ।
- নিৰক্ষৰতা মানেই জ্ঞান বিহীনতা নহয়- ৰবীন্দ্ৰ নাথ ঠাকুৰ।
- আনে মোৰ বিষয়ে কি কয় সেইটো আচল কথা নহয়, মই পিচে কি কম আৰু কৰিম সেয়াহে আচল কথা- ৰবীন্দ্ৰ নাথ ঠাকুৰ।

সংগ্ৰাহক ঃ ৰশ্মিৰেখা গগৈ
স্নাতক পঞ্চম ষাণ্মাসিক, শিক্ষা বিভাগ

ধোঁৱাই থকা গৰম ভাত বেঙেনা আৰু কণবিলাহীৰ পিটিকা

ঝিলিজি গগৈ
স্নাতক দ্বিতীয় ষাণ্মাসিক

'ধোঁৱাই থকা গৰম ভাত,
বেঙেনা আৰু কণ বিলাহীৰ পিটিকা

ৰূপাই শইকীয়াক ঘৰৰ আগপিনে থকা বাৰান্দাত পাইচাৰি কৰি থকা দেখা গ'ল। বুজা গৈছে হয়তো গুৰুত্বপূৰ্ণ কথা কিবা ভাবিছে। অলপ পাছতে বাটলৈ ওলাই আহি নিপেনহঁতৰ পদূলিত ৰৈ গ'ল আৰু ইফালে সিফালে চাই ভগা জপনাখন খুলি তেওঁ পোনছাটেই বাৰান্দাত উঠিলগৈ।

নিপেন অ' নিপেন ঘৰত আছনে?

মাক চক খাই উঠিল। এই ফুট গধূলিখন কোন ওলালহি?

মইহে ৰূপাই।

ঃ বাঁহৰ দৰ্জাখন খুলি চাকিটো আগবঢ়াই ক'লে— অ' আপুনিহে, সোমাই আহক।

কোঠাত থকা একমাত্ৰ বেঞ্চখনত বহি ৰূপায়ে ক'লে— ই নিপেন নাই নেকি?

ঃ বজাৰলৈ গৈছে।

ঃ কেতিয়াকৈ আহিব?

ঃ ন মান বাজিব পাৰে।

ঃ কালি সম্বৰ্দ্ধনা অনুষ্ঠানলৈ ই নগ'ল যে!

ঃ যাবলৈ কৈছিলো, সিহে বোলে মা, দিনৰ হাজিৰাটো ওলাব লাগিব। তাতে স্কুল ছুটীৰ পিছতহে অনুষ্ঠানটো পাতিছিল। সেই তাৰ আকৌ বজাৰতো বহিবগৈ লাগে। অলপ ৰৈ, আপুনিতো জানেই আমাৰ অৱস্থা। ল'ৰাই কি পঢ়ে ক'ব নোৱাৰো। তথাপিও অঞ্চলটোৰ ভিতৰতে নাম কৰি পাছ কৰিছে বুলি ইজনে সিজনে খবৰ কৰিবলৈ আহিছে। মই অজ্ঞানী, নপঢ়া নুশুনা তিৰোতা। শুনি বৰ ভাল লাগিছে। পিছে কিমান পৰ? মহাবিদ্যালয়ত নাম লগাবলৈ বোলে বহুত পইচা লাগে। সেয়ে ভাবিছো নাম কৰি পাছ কৰিনো কি হ'ব? চিন্তাত মোৰ টোপনিয়েই নহা হৈছে।

কথাৰ শেষৰ পালে থোকাথোকি মাতৰ উমান পাই ৰূপায়ে অলপ ডাঙৰকৈ ক'লে— হ'ব হ'ব। সেইবিলাক কথা মই কিবা নাজানোনে? সি যেতিয়া নাম কৰি পাছ কৰিছে, আমাৰ অঞ্চলটোৰেই

গৌৰৱ। আমি আছো নহয়, কিবা নহয় কিবা এটা উপায় কৰিম দিয়া। এইন্না ৰাখা। তাৰ কালি অনুষ্ঠানটোৰে দিয়া মানপত্ৰ আৰু টকা এহেজাৰ। সি নগ'ল যেতিয়া ময়ে দিওঁ বুলি আহিলো।

এটা গল খেকাৰি মাৰি ডিঙিটো পৰিস্কাৰ কৰি ল'লে ৰূপায়ে। হেৰি নহয়, - "মই এটা কথা ভাবিছো। তুমি জানাই মোৰ ছোৱালী দুজনী। একোৰে অভাৱ নাই। পিছে পঢ়া-শুনাত সিহঁত দুজনী আগবাঢ়িব পৰা নাই। যদি নিপেনে ইহঁত দুজনীক পঢ়া-মেলাটো অলপ চাই দিয়ে...? ইহঁতৰ পঢ়াও চোৱা হ'ব। ময়ো পাৰ্যমানে তাক সহায় কৰিম। তুমি কি কোৱা?

ঃ একেবাৰে মই একোৱেই ক'ব নোৱাৰো। ই আহক, কৈ চাওঁ, সি বা কি কয়।

ঃ হ'ব বাৰু, তাক কৈ মেলি চাবা।

জুইশালৰ কাষত ধোঁৱাই থকা ভাতৰ পাতত নিপেন। মাকে পোৱা বেঙেনা বাকলি গুচাই কণ বিলাহীৰ লগত পিতিকি ক'লে— ৰূপাই আহিছিল, কিবা মানপত্ৰ আৰু টকা ১০০০ দি গ'ল। টকাখিনি ৰাইজে তোক দিছে বোলে। মাকৰ তলমূৰ ওপৰ নকৰা দেখি সুধিলে— আৰু কিবা কৈছিল নেকি? কৈছিল, তেখেতৰ ছোৱালী দুজনী যদি তই পঢ়াই দিয়, তেখেতে বোলে তোৰ পঢ়া-শুনাত পাৰ্যমানে সহায় কৰিব।

ঃ অলপ পৰ বৈ নিপেনে ক'লে— তই বাৰু কি কলি?

ঃ তোক নোসোধাকৈ ক'ব নোৱাৰিম বুলি ক'লো।

উৎফুল্লিত সুৰত সি কৈ উঠিল— "তই বুজিছ মা, তই চিন্তা নকৰিবি। মই পঢ়িম। কাৰো দয়াৰ বিনিময়ত নহয়। ইমানদিনে যিদৰে পঢ়িছিলো সেইদৰেই। শেষত এদিন এই দয়াই ৰূপ ল'ব এইদৰেই— অ' সি! মইহে তাক টকা পইচা দি পঢ়ুৱাই মানুহ কৰিলো। তেওঁৰ ছোৱালী পঢ়াবলৈ মোৰ সময় ক'ত?"

মাক নিমাত। কিছু সময় বৈ নিপেনে ক'লে- "মা জানিছ, ধাই আলিত অৰুণোদয় নামৰ এখন কলেজ আছে দুখীয়া ল'ৰা ছোৱালীৰ বাবে। তাত ৰাতিপুৱা শ্ৰেণী হয়। ফিজ পাতিও কম। ৰাতিপুৱা ৭ বজাৰ পৰা দিনৰ ১১ বজালৈকে শ্ৰেণী হয়। দিনটোৰ পাছৰ সময়খিনি মই বেপাৰৰ কাৰণে লাগিব পাৰিম। পঢ়া আৰু খৰচ পাতি দুয়োটাই উলিওৱা হ'ব।"

কিছুপৰ ভাবি মাকে ক'লে তই বাৰু ৰূপাই খুৰাক একো ক'ব নালাগে। যি ক'ব লগা আছে ময়ে ক'ম। তই মাথোঁ দুসাজ ধোঁৱা ওলাই থকা ভাতৰ লগত বেঙেনা আৰু কণ বিলাহীৰ পিতিকা দিলেই হ'ব। চাবিচোন ভগৱান আমাৰ সহায় হৈ থাকিবই।▶▶

মহৎ লোকৰ বাণী

১ ধন হেৰালে একোৱেই নেহেৰায়, স্বাস্থ্য হেৰালে সম্পদ হেৰায় কিন্তু চৰিত্ৰ হেৰালে সকলো হেৰায়। - *চক্ৰেটিছ।*

১ সৰু ফুটাৰ মাজেদি যেনেকৈ সূৰ্যৰ পোহৰ দেখা যায়, তেনেকৈ সৰু সুৰা কথাৰ মাজেদিও এজন মানুহৰ চৰিত্ৰৰ মাহাত্ম্য প্ৰকাশ পায়। - *লৰ্ড এড্‌বেৰী।*

ৰশ্মিৰেখা গগৈ
স্নাতক পঞ্চম ষান্মাসিক, শিক্ষা বিভাগ



ৰং নাম্বাৰ

লাকীমণি গগৈ
স্নাতক প্ৰথম ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

ঃ হেল্ল, কোনে কৈছে?

সিফালৰ পৰা এজন ল'ৰাৰ মাত ভাঁহি আহিল।

ঃহেল্ল, এই নাম্বাৰটো ক'ত লাগিছে।

ঃ এই নাম্বাৰটো শিৱসাগৰত লাগিছে। আৰু আপুনি কাক বিচাৰিছে। মই মানে.........শিৱসাগৰৰ ক'ত লাগিছে?

শিৱসাগৰৰ বেতবাৰীত লাগিছে। আপুনি বাৰু কাক বিচাৰিছে মই অভিজিৎক বিচাৰিছিলো। Sorry ৰং নাম্বাৰ লাগিছে। মই কোনো অভিজিৎক চিনি নাপাওঁ। ফোণৰ কানেকচন কাটি দিলে তাই।

চাহ কাপ লৈ মৰমীয়ে বহি পেপাৰখন চাই আছিল। আৰু মাকে পাকঘৰত কিবা কামত ব্যস্ত হৈ আছিল। এনেতে ফোনতো আকৌ বাজিলে। মাকে ভিতৰৰ পৰাই চিয়ঁৰিলে মৰমী কোনোবাই ফোন কৰিছে আহচোন। মই কাম এটা কৰি আছো। মৰমীয়ে পেপাৰখন থৈ ফোন ৰিচিভ কৰিলে- হেল্ল- কি কৰিছা?

মৰমীয়ে- ফোনটোৰ এবাৰ নাম্বাৰটো চালে। তাই কিন্তু নাম্বাৰটো চিনি নেপালে। অচিনাকী নাম্বাৰটোৱে তাইক বহুত দিনৰ পৰাই যেন চিনি পাই তেনেকৈ সোধাত তাই অলপ আচৰিত হ'ল। আৰু তাই লগা লগ সুধিলে আপুনি কোনে কৈছে? সিফালৰ পৰা এজন ল'ৰাৰ মাত ভাঁহি আহিল। প্ৰথমে যে ফ'ন কৰি অভিজিৎক বিচাৰিছিলো সেইজনে মই ভাল নে?

তাই অলপ মনে মনে খং উঠিছিল। আৰু খং সামৰি ক'লে- আপোনাৰ নাম কি?

ঃ মোৰ নাম ৰনতু।

তেতিয়া তাই ক'লে 'চাওঁক মই আপোনাক চিনি নাপাওঁ। মোক ফোন কৰি চিনাকী মানুহৰ দৰে ভাল বেয়া কথা সুধি নেথাকিব। আৰু ফোন ৰাখক।'

'হেল্ল' 'হেল্ল' প্লীজ নাকাটিবা।' প্ৰথমে নো কোন কাৰ

লগত চিনাকী হয়। এনেদৰেইটো চিনাকী হ'ব লাগিব।

এইবাৰ মৰমীৰ খং উঠি আহিল আৰু তাক বেয়াকৈ গালি পাৰি, কানেকচন কাটি দিলে। অলপ সময়ৰ পাছত আকৌ ফনটো বাজি উঠিল। আকৌ একেটা নাম্বাৰে। তাই কানেকচন কাটি দিম বুলি ভাবিয়ে কাটি নিদি ৰিচিভ কৰিলে। আৰু গালি দিম বুলি ভাবিছিল যদিও সিফালৰ পৰাই প্ৰথমে ক'লে-

ঃ 'হেল্ল' তোমাৰ মাতষাৰ খং উঠিলে বহুত ভাল লাগে। এনেদৰে ফোন কৰি থাকিম আৰু তুমি এনেকৈ মৰমেৰে মোক গালি দি থাকিবা দেই। বাই।।

তাই একো ক'বলে নাপালে কানেকচন সিফালৰ পৰা কাটি দিলে। জ্বলা জুইত ঘিউ ধলাৰ নিচিনা হ'ল। তাই পুনৰ সেই নাম্বাৰটোলৈ ফোন কৰিছিল, কিন্তু চুইচ অফ।

তাই মূৰটো অলপ উঠি গ'ল। তাই ভাবিলে অলপ শুই লওঁ, কিতাপ এখন চাই চাই কেতিয়ানো টোপনি গ'ল গমকে নেপালে। শুই উঠি দেখে ৫টা মিছ কল। এইবাৰ তাই নিজেই ফোন কৰিম বুলি লওঁতে সিফালৰ পৰা ফোন কৰিলে।

ঃ "হেল্ল"– কিয় ৰিচিভ কৰা নাছিলা?

ঃ আপোনাক কেলে। মই কি কাৰণে ৰিচিভ নাই কৰা।

ঃ কিবা বেয়া পালা নি।

ঃ আপোনাক মই চিনি নেপাওঁ, মোলে কিয় ফোন কৰি আছে।

ঃ কিন্তু মই তোমাক চিনি পাওঁ জান।

ঃ ননচেঞ্চ, মূৰ্খ। তাই খঙত কানেকচন কাটি দিলে। ১৫ মিনিট মানৰ পাছত এটা মেছেজ আহিলে "I love you" plz reply me, তাই I hate you বুলি দি মোবাইল চুইচ অফ কৰি দিলে। তাই বহুদিন মোবাইল অফ কৰি থ'লে। এনেদৰে এদিন চুইচ অন কৰোতে "মেছেজ' কাৰ মেছেজ চাওঁতে তাই গম পালে সেই অচিনাকি ৰনতু নামৰ ল'ৰাটোৰ "মেছেজ"।

এঘণ্টামানৰ পাছত তাইলৈ ফোন আহিলে আৰু তাইক দিয়া প্ৰপ'জটো মানি ল'বলৈ সি বাধ্য কৰালে। আৰু এদিন তাই নিজেই তাক "I love you" বুলি 'মেছেজ' দি দিলে। এনেদৰে মৰমী আৰু ৰনতুৰ মাজত প্ৰেম বাঢ়ি গ'ল আৰু এদিন তাইক লগ কৰিব বুলি মাতি আনিলে এডোখৰ ঠাইলৈ। তেতিয়াই প্ৰথম দেখা দেখি হৈছিল সিহঁতৰ মাজত কিন্তু তাই যি সহজ সৰল ভাৱে সি মাতি আনোতে আহিছিল সেই সৰলতাৰ সুযোগ লৈ তাইক সকলো শেষ কৰি দিলে। তাই জীৱন যেন পলকতে শেষ হৈ গ'ল। তাই দেখিলে সকলো ফালে যেন অন্ধকাৰ। তাই আত্মহত্যা কৰাৰ বাদে যেন কোনো উপায় নাই। এই ৰং নাম্বাৰেই তাইৰ জীৱনলৈ অমানিশা নমাই আনিলে।

মহৎ লোকৰ বাণী

- চৰিত্ৰ এখিলা বগা কাগজৰ দৰে, এবাৰ যদি দাগ লাগে ইয়াক আগৰ দৰে বগা কৰাটো টান। *- জেজ হজ।*
- আমি যাক সৃষ্টি কৰিব নোৱাৰো তাক ধ্বংস কৰাৰ অধিকাৰো আমাৰ নাই। *-গুৰু নানক।*
- ফুল আৰু পখিলাক বাহ্যিক ৰূপেৰে জুখিবা, মানুহক নুজুখিবা। *- ৰবীন্দ্ৰ নাথ ঠাকুৰ।*
- অন্য মানুহে খাবলৈহে জীয়াই থাকে, আনহাতে মই জীয়াই থাকিবলৈহে খাওঁ। *- ছক্ৰেটিছ।*
- সমাজৰ কল্যাণ নিৰ্ভৰ কৰে ত্যাগৰ ওপৰত আৰু আটাইতকৈ ডাঙৰ ত্যাগ হৈছে আনক জ্ঞান দান কৰাটো। *- ভাগৱত গীতা।*

সংগ্ৰাহক ঃ মধুস্মিতা বাইলুং
স্নাতক প্ৰথম যান্মাসিক

একে একে মিলি দুই
দুইয়ে একে মিলি তিনি

পাপৰি শেনচোৱা
স্নাতক প্ৰথম ষান্মাসিক, শিক্ষা বিভাগ

যিমানেই সময়বোৰ আগবাঢ়িছে, তৌলৈ মোৰ আক্ষেপ বাঢ়িছে। বাঢ়িছে অযুত ইচ্ছা........ মোৰ মন যায় জান' তোৰ স'তে আগৰদৰে সময়বোৰ কটাবলৈ......... তোৰ ওঁঠৰ কোৰাৰিয়েদি বৈ যোৱা ৰঙা আঁচৰ উৎস বিচাৰি আজিও মন যায় তোৰ কঁকালত খুচি থোৱা টোপোলাটোলৈ হাত নিবলৈ তাৰ পৰা যেন সোৱাদ ল'ম তোৰ খুন্দা তামোলৰ..........কিন্তু তই......তই আজি সলনি হৈছে......... সলনি কৰিছে তোক বয়সে....... বয়সে আঁচুৰি আজি লৈ গৈছে তোৰ অতীতৰ মঙহেৰে পোত খাই থকা গালদুখনৰ সৌন্দৰ্য। তাহানিৰ কঁকালৰ তললৈ বৈ পৰা নাৰিকল তেলৰ সুগন্ধত সদায় ডুবি থকা চুলিটাৰিত চোন আজি ৰূপালী বৰণ ধৰিছে তোৰ।

মই শুনিছিলো মোৰ ককায়ে হেনো সৰু ছোৱালীক খুউব মৰম কৰিছিল, কিন্তু মোৰ জন্মৰ আগতেতো ককা ঢুকাল। তই কৈছিলি ককাই বিহুত বজাৰলৈ গ'লে ছোৱালীৰ কাপোৰবোৰ দেখি কান্দে। কাৰণ ককাৰ যে ছোৱালী নাছিল। সেই অভাৱখিনি মই পূৰণ কৰিলো যদিও মোক দেখিবলৈ ককা জীয়াই নাথাকিল। সেই বাবেই নেকি আইতা মোৰ জন্মৰ দিনা মোৰ জন্মদাত্ৰীতকৈ তই বেছি সুখী হৈছিলি। অজস্ৰ মৰমেৰে সদায় তই মোক মাৰ দৰে চাদৰৰ আঁচলত ধৰাই লৈ ফুৰিছিলি। অথচ তই মোক আজি সোধ, "কোন অ' তই? চকুৰেচোন মণিব পৰা নাই।" এনেকৈ ক'লে বহুত খং উঠে তৌলৈ অ'।

তই মই ভালপোৱা সকলোবোৰ দিছিলি। সবাহৰ পৰা আহি মোৰ হাততেচোন মাহ-প্ৰসাদৰ টোপোলাটো দিছিলি। মোৰ বাবেইচোন বান্ধি আনিছিলি কঁকালৰ খুচনিত এটকীয়া পইচাটো। অ' মোৰ বুকুৰ আপোন, সহজ-সৰল আইতাজনী, তই কি সঁচাই মোক পাহৰি গৈছ? পাহৰো বুলি জানো পাৰি আপোনজনক পাহৰি যাব? পাৰিম জানো মই, তই পাহৰিলেও পাহৰি থাকিব........ সেই সন্ধিয়াবোৰ, যিবোৰ সন্ধিয়া তোৰ ধঁপাতৰ গোন্ধে মলমলাই থকা কোলাত বহি চম্পাৱতীৰ সেই অজগৰটোৰ সাধু শুনিছিলো আৰু তই যে কৈছিলি আকাশলৈ দেখুৱাই, "সৌ বগা ৰাস্তাটো দেখিছ আকাশত?? আগৰ দিনত সেইফালেদি হাতী গৈছিল, সেইবাবে তাক আজিও হাতীপটি বুলি কয়।" মোৰ ফুলকুমলীয়া মনটোৱে তেতিয়া ভাবিছিল, "কি আচৰিত হাতীবোৰ কেনেকৈ আকাশলৈ যাব?" আৰু তোক মই অজস্ৰ প্ৰশ্নৰে থকা-সৰকা কৰিছিলো, আৰু তই........তইতো নিমাতে আছিলি তেতিয়া......... তথাপি কৈছিলি, সৰু ছোৱালী হৈ তই কিয় এনে? সকলো কিয় লাগে তোক?? অলপ মনে মনে থাকিবিনে দদায়েৰক মাতিম? দদাইদেউৰ গালিৰ ভয়ত কৌতুহলবোৰ তুলাৰ দৰে উৰি গৈছিল আৰু সামৰিছিলো প্ৰশ্ন সোধাৰ প্ৰক্ৰিয়া......... একান্ত মনে সাধুকথা শুনি শুই পৰিছিলো মোৰ মাতৃতকৈ নিৰাপদ তোৰ সেই ধঁপাতৰ গোন্ধেৰে পৰিপূৰ্ণ কোলাত......... আজিও মই সুধিব খোঁজো তোক সেই প্ৰশ্নবোৰ য'ত নিহিত হৈ থাকে বহুত জীয়া নষ্টালজিয়া।

তয়েইটো মোক শিকাইছিলি ভঙা পইচা সাঁচি ৰাখিবলৈ, অথচ নিচিনিছিলি শ, হাজাৰৰ হিচাপ। মাথো জানিছিলি একুৰি, দুকুৰি আৰু পাঁচকুৰিয়ে এশ। তথাপিও ভঙা পইচা সাঁচি থৈছিলি মোৰ বাবে পাকঘৰৰ ধোৱাঁচাঙৰ বাঁহবোৰৰ ফুটাত যাতে ভাইটিহঁতে সহজে নাপায়। মোৰ শৈশৱৰ অজস্ৰ সাঁথৰৰ সমিধান দিয়া আইতাজনী তই নিজে নাজানিছিলি যদিও মোক শিকাইছিলি একে একে মিলি দুই....... দুইয়ে একে মিলি তিনি....... অৰ্থাৎ মোৰ জীৱনৰ আদিপাঠটো মোৰ মৰমৰ আইতাজনীয়ে শিকাইছিল।

দিনবোৰ গৈ আছিল......... ৰাতিপুৱাৰ চৰাইৰ কিচিৰ মিচিৰ মাততকৈ অলপ আগতে তই মতা সৰুআই, সৰুআই মাতত সাৰ পোৱাটো মোৰ অভ্যাসেই আছিল। বিজ্ঞানৰ ৰহস্য নজনা যদিও অভিজ্ঞতাৰে পুষ্ট তই জানিছিলি যে পুৱাৰ পৰিৱেশ পঢ়াৰ উপযুক্ত। অনপঢ় আছিলি যদিও তই মোক সকিয়াইছিলি পঢ়িবলৈ। আজিও স্বীকাৰ কৰো মোৰ সফলতাৰ গুৰিত প্ৰথম তই। পাছতহে আন সকলো। জান আইতা আজিকালি বহুত, বহুত তোৰ মৰমসনা সৰুআই মাতষাৰ শুনিবলৈ অপেক্ষা কৰো কিন্তু তাৰ বিপৰীতে মইহে তোক তুলিব লাগে আইতা ৰাতিপুৱাল নহয়। তইতো আজিকালি দিন-ৰাতিৰ পোহৰেই চিনি নাপাৱ।'

মোৰ হিয়াৰ বান্ধৱী তই যাৰ লগত মই সদা ব্যস্ত, যাৰ আত্মা মোৰ লগত স্বাক্ষৰিত অথচ ইমানৰ পাছতো মোক পাহৰিছ কিয়? তইতো নাজান মোৰ প্ৰতিটো কামৰ আৰম্ভণি তোৰ পৰাই, পোহৰ ভালপাবলৈ তইয়ে শিকালি, আনৰ দুখত দুখী হ'বলৈচোন তইয়ে শিকালি, দিলি জীৱনৰ আদিপাঠ...... তই মাথোঁ আইতা নামটোত সীমাবদ্ধ নাছিলি, আছিলি মোৰ সমগ্ৰ হৃদয়, সমগ্ৰ সত্ত্বা, প্ৰতি পলৰ সহায়ক। শিকিছিলো তোৰ পৰা জীৱনৰ সতে সংগ্ৰাম কৰিবলৈ, শিকিছিলো সকলোতকৈ আগবাঢ়িবলৈ, কাৰোবাক পিছপেলাবলৈ কিন্তু নহয়। তোৰ পৰাই শিকিলো সেউজীয়া ভালপোবলৈ....... মানুহক মানুহ হিচাপে চাবলৈ....... আঘোণৰ পথাৰত কাঁচি মাৰিবলৈ.....শাওণৰ পথাৰত কঠিয়া ৰুবলৈ....... শিকিলো কাতি মাহত তুলসীৰ তলত চাকি দিবলৈ......... শিকিলো নীতি-নিয়মৰ বাধ্য হ'বলৈ। বৰষুণত তিতি খুব ভাল পাইছিলো বাবেই সদায় তিতিছিলো। নিজকে দাক্ষিণাত্যৰ অভিনেত্ৰী যেন লাগিছিল আৰু তেতিয়াই মাৰ হাতৰ এচাৰিয়ে মোৰ পিঠিত স্থান পাইছিল আৰু তই আঁজুৰি আনিছিলি মাৰ হাতৰ এচাৰি....... মোৰ তিতা কাপোৰ সাজ সলাই চুলিটাৰি মোহাৰি দিছিলি.......তই ভালপোৱা বাবে চুলিটাৰি কটা নাছিলো........তোৰ প্ৰিয় চুলিটাৰি মোৰো ক্ৰমান্বয়ে প্ৰিয় হৈ পৰিছিল আৰু তোৰ পৰাই শিকিছিলো চুলিত নাৰিকল তেল সানিবলৈ আৰু আজিও প্ৰবহমান তোৰ প্ৰিয় মোৰ চুলিটাৰিত নাৰিকল তেলৰ সুগন্ধি।

ক্ৰমশ ঃ তোৰ ওপৰত আক্ষেপ বাঢ়িছে। তই যে আজিকালি মোৰ আক্ষেপবোৰো নুশুনা হৈছ......... নিমাতে পিৰালি চুকটোৰেচোন তোৰ চৌপাশ। আজিকালি তই মোক একোৰেই নোসোধ। মা হঁতে গালি দিলেওচোন মুখ নপাত...... নোসোধচোন মোৰ নতুন খবৰ......... নাযাচচোন মোক তোৰ উষ্ণ মৰম......... সাৱটিচোন নলৱ' কাষ চাপিলেও........মোৰ অসহ্য লাগে তোৰ অৱজ্ঞাবোৰ যিবোৰ আজি সহজ লভ্য.....তই মোকেই আজি চিনি নাপাৱ'। জোন, বেলি, তৰা তইয়ে চিনাইছিলি। বহুত কষ্ট মোৰ অ' আইতা তই নুবুজিবি। পৃথিৱীত সমস্ত নিসংগতাই মোক বান্ধৱী পাতে আজি। তোৰ অবিহনে মোৰ চাৰিওকাষে শূন্য........ সময়ে তোক কোঙা কৰিছে......... বয়সে তোক বধিৰ কৰিছে। অযুত আক্ষেপ আছে তোলৈ....... আজিও বিচাৰো তোৰ কোলাত ডাঙৰ হোৱা অকণমানিজনী হ'বলৈ। তোক যে বহুত ভাল পাওঁ........ যিদৰে সাগৰে ভালপাই তাৰ নীলাখিনিক........ তোক হেৰুৱাব নিবিচাৰো কাহানিও........অযুত মৰম আছে তোলৈ......... আইতা অজস্ৰ আক্ষেপৰ বাবে মই ক্ষমাপ্ৰাৰ্থী কিন্তু মোৰ অনুভৱত আৰু বহুতো আক্ষেপ আছে।

অন্তহীন অপেক্ষা...

ৰ'দালি চেতিয়া
স্নাতক পঞ্চম যান্মাসিক, অসমীয়া বিভাগ

"আমাক হিংসা নহয়, শান্তি লাগে"... "নিৰীহৰ ওপৰত হত্যা-যজ্ঞ বন্ধ কৰক"... শ্লগানেৰে হাতত ডাঙৰ ডাঙৰ প্লে'কাৰ্ড লৈ শতাধিক পুৰুষ-মহিলা, ছাত্ৰ-ছাত্ৰীৰে এক বিৰাট সমদল। প্ৰতিবাদী মানুহবোৰৰ উদাত্ত চিঞৰত বিচনাৰ পৰা উঠি আহি খিৰিকিৰ মুখতে ৰ'ল নন্দিতা।

"হায়!! শান্তিকামী জনতা"....... এটি দীঘল হুমুনিয়াহ কাঢ়িলে তাই। নিজকে প্ৰশ্ন কৰিলে, এনেকৈ বাৰু শান্তি আহিবনে........? পাহৰিব খুজিলেও পাহৰিব নোৱাৰা স্মৃতিবোৰে খুন্দিয়াই থৈ গ'ল তাইৰ বুকুৰ ভিতৰখন আকৌ এবাৰ.....

৩০ অক্টোবৰ। বাবুৰ জন্মদিন। কিমান যে স্ফুৰ্ত্তি তাৰ সেইদিনা। বাৰে বাৰে গে'টলৈকে চাই আছে সি। কেতিয়ানো আহি পাবহি দেউতাকটো অফিছৰ পৰা। ইতিমধ্যে তাৰ চুবুৰীৰ লগৰীয়াবোৰ আহি পালেহিয়েই। সকলো খেলাত ব্যস্ত। মাক নন্দিতাও পাকঘৰত। তাৰ 'ফম্‌াইছ'ত বিবিধ খাদ্য সম্ভাৰৰ আয়োজন। কিন্তু বাবুৰ মনটোহে অস্থিৰ। কাৰণ এতিয়ালৈকে যে তাৰ 'কে'ক্‌টো আনিবলৈ বাকী! দেউতাক আহিলেই আনিবগৈ পাৰিব এসপ্তাহ আগতে অৰ্ডাৰ দি থৈ অহা তাৰ ধুনীয়া কে'কটো। আমনিয়েই লাগিছে তাৰ বৈ বৈ।

নন্দিতায়ো কামৰ ফাঁকে ফাঁকে ঘড়ীটোলৈ চাইছে। অনুৰাগৰ বাৰু আজিহে পলম হ'বলৈ পায়নে? হঠাতে গে'টৰ মুখত স্কুটাৰৰ মাত শুনি তাই লৰি আহিল দুৱাৰমুখলৈ। ইতিমধ্যে বাবু গৈ স্কুটাৰত উঠিলেই। অনুৰাগক ঘৰত ভৰি দিবলৈকে নিদিলে। নন্দিতাইও পিচে একো নক'লে। এনেও বহু পলমেই হৈছে। হাত জোকাৰি তাই মাথো চিঞৰিলে, "সোনকালে আহিবা"।

নন্দিতা আকৌ কামত ব্যস্ত হ'ল। খোৱা-বোৱাৰ সকলো যা-যোগাৰ কৰি গোঁসাই ঘৰত চাকি-বন্তি জ্বলাই তাই অনুৰাগ আৰু বাবু অহালৈ অপেক্ষা কৰি থাকিল।

সন্ধিয়া নামিলেই। তাই বাৰে বাৰে ঘড়ীটোলৈ চাইছে। ইহঁততো ইমান সময় আহি পাবহি লাগিছিল। বাবুটোৰো বৰ উৎপাত নহয়। ইটো লাগে সিটো লাগে। অনুৰাগো জানো কম। বাপেক-পুতেক লগ হ'লে দুনীয়াৰ কথা ক'ত মনত ৰাখে সিহঁতে?

সময়বোৰ যে নাযায় নুপুৰায় লাগিল নন্দিতাৰ। ল'ৰা-ছোৱালীকেইটাৰো চাগে আমনিয়ে লাগিছে!! আজিৰ দিনটো যে তাইৰ অপেক্ষা কৰোতেই গ'ল........।

সাত বাজিলেই দেখোন!! ইমানপৰ......।

হঠাৎ গে'ট খোলাৰ শব্দ শুনি তাইৰ মনটো ভাল লাগি গ'ল। কিন্তু ওলাই আহি দেখে, সেয়াচোন অনুৰাগহঁত নহয়। সিহঁতৰে চিনাকী ল'ৰা বকুলহে।

"বৌ, বজাৰৰ ফালে বোমা ফুটিছে, গম পাইছেনে? দাদাক লগ কৰি যাওঁ বুলি আহিলো। ঘৰত আছেনে বাৰু?"

"অনুৰাগ.....বাবু.......নাই হ'বই নোৱাৰে। এক অজান আশংকাত কঁপি উঠিল নন্দিতাৰ বুকুখন। সিহঁত বাৰু ঠিকে-ঠাকে ঘৰলৈ উভতিছেনে?" হাজাৰটা চিন্তাই অস্থিৰ কৰি তুলিলে তাইক।

.......হঠাৎ জানো কি হ'ল নন্দিতাৰ বকুলৰ উত্তৰ দিবলৈ নৰৈ তাই ৰাস্তাৰ ফালে ল'ৰ মাৰিলে।

"বৌ, ক'লৈ যায় এই সন্ধিয়াখন?" বকুলে চিঞৰিলে।

নাই, তাইৰ কোনো ভ্ৰূক্ষেপ নাই। তাই মাথো দৌৰিছে.......তাইৰ মৰমৰ বাবু আৰু অনুৰাগক নিৰাপদে ঘূৰাই আনিবলৈ......'মই গৈ আছো বাবু.........তোমালোকৰ একো হ'ব নোৱাৰে"........ উন্মাদৰ দৰে দৌৰিছে তাই....... বাবু আৰু অনুৰাগৰ সন্ধানত।

ক'লা ধোঁৱাই ছানি ধৰিছে চৌপাশ। কেঁচা তেজ আৰু পোৰা নৰ-মঙহৰ গোন্ধ মিহলি ধোঁৱাবোৰ ফালি ফালি আগবাঢ়ি গৈছে নন্দিতা.........চৌপাশে কান্দোনৰ ৰোল.......হঠাৎ থমকি ৰ'ল তাই। .... হয়.......এয়া অনুৰাগ......বাবু.......তাইৰ ভুল হোৱা নাই। এয়া তাইৰে অনুৰাগ আৰু সৌৱা অলপ দূৰৈত তাইৰে কলিজাৰ এফালে কণমাণি বাবুৰ অৰ্দ্ধদগ্ধ নিথৰ মৃতদেহ.......।

ৰাউচি জুৰি কান্দিলে তাই। কিন্তু কোনে শুনিব তাই কান্দোন? তাইৰ আৰ্ত্তনাদ লীন হৈ গ'ল চৌপাশৰ কোলাহলৰ মাজত.......তেজৰ ডোঙাবোৰত মিলি গ'ল তাইৰ চকুপানী.......

সকলো শেষ হৈ গ'ল তাইৰ.....স্বামী আৰু পুত্ৰক হেৰুৱাই নিথৰুৱা হ'ল এগৰাকী নাৰী........কিয় জীয়াই আছে তাই....... কিয়???

ঃ "মা, কিয় কান্দিছা?"

ঃ বাবু!! উচপ খাই উঠিল নন্দিতা। কিন্তু সেয়া যে বাবু নহয়। খৰধৰকৈ চকুপানী মচি তাই কোলাত তুলি ললে সপোনক।

সপোন!! হয়, এতিয়া যে এই সপোনেই হৈ পৰিছে তাইৰ সৰ্বস্বান্ত জীৱনটোৰ একমাত্ৰ সপোন। জীয়াই থকাৰ একমাত্ৰ উৎস। তাইৰ বুকু সুদা কৰি অনুৰাগ আৰু বাবু গুচি যোৱাৰ দৰে সপোন নামৰ কণমাণিটোক অনাথ কৰি গুচি গৈছিল তাৰ মাক-দেউতাক। জ্বলি ছাই হৈ যোৱা তাৰ মাক-দেউতাকক বিচাৰি নাপায় প্ৰস্ত-মূৰ্ত্তিৰ দৰেই অসহায়ভাৱে থিয় হৈ আছিল সপোন....., নন্দিতাৰ চাদৰৰ আঁচলত ধৰি।

কান্দি কান্দি ভাগৰি পৰা নন্দিতাই সেইদিনা অনুৰাগ আৰু বাবুৰ মৃতদেহ সাৱতি চিঞৰি চিঞৰি সুধিছিল ভগৱানক....... "কেনেকৈ জীয়াই থাকিম মই অকলশৰে এইখন পৃথিৱীত..... কেনেকৈ.......??" তাৰেই উত্তৰ হিচাপে হয়তো নিজেই আহি ধৰা দিছিল সৰগৰ দেৱদূত স্বৰূপ এই শিশু। সপোন। এটা সপোনৰ সমাধিত যেন জন্ম হ'ল আন এটি নতুন সপোনৰ। সেই সপোনক আলফুলে সাৱতিয়েই জীয়াই আছে নন্দিতা....... সেইদিন ধৰি। এৰা, পাঁচ বছৰেই পাৰ হ'ল এনেদৰে.......।

প্ৰতিবাদী সমদলটো হয়তো ইতিমধ্যে বহুদূৰ পাইছিলগৈ। তথাপি তাই এনেয়ে চাই পঠিয়ালে বাহিৰলৈ। শান্তি বিচাৰি ৰ'দে-ৰ'দে ঘূৰি ফুৰা মানুহবোৰলৈ তাইৰ পুতৌ লাগিল। শান্তি আহিব জানো কেতিয়াবা? নাজানে তাই। নাজানে কোনেও। আৰু.........

কোনোবাই জানো ভাবি চাইছে কেতিয়াবা এই কথা, মৃতকৰ পৰিয়ালক চৰকাৰে দিয়া লাখটকীয়া ক্ষতিপূৰণে পূৰ কৰিব পাৰেনে আপোনজনৰ মৃত্যুত শূন্য হৈ ৰোৱা হৃদয়খন? হয়তো নোৱাৰে!! আৰু সেই বাবেইতো সপোনকে বুকুত বান্ধি নন্দিতাই আজিও সেই কাল সন্ধিয়াটোৰ দৰেই অপেক্ষা কৰি আছে কাহানিও ওভতি নহাৰ শ পতেৰে গুচি যোৱা অনুৰাগ আৰু বাবুলৈ আজীৱন বৈ থকাৰ প্ৰতিশ্ৰুতিৰে!!!

(২০০৮ ৰ ৩০ অক্টোবৰত অসমৰ ভিন ভিন ঠাইত হোৱা ধাৰাবাহিক বোমা-বিস্ফোৰণত নিহত সকলৰ স্মৃতিত)

আপোন মাটিৰ সুবাস

ধৰিত্ৰী বৰুৱা
স্নাতক তৃতীয় ষান্মাসিক, অৰ্থনীতি বিভাগ

'হেৰি উঠিলনে আপুনি? হেৰি......বোলো শুনিছেনে, উঠিল নে আপুনি?' ঘৈণীয়েক অমলাৰ মাতত ৰমাকান্তই খপজপকৈ উঠিল। ছেহ ৰাতিপুৱাই ৰাতিপুৱাই টেটু ফালিছ কিয় বুলি চিঞৰি ৰমাকান্তৰ অমলালৈ এটা প্ৰচণ্ড খং উঠি গ'ল। "অ হয়নে, মই হে এতিয়া টেটু ফলা হ'ল, ন বাজিবৰ হ'ল যে খবৰ আছে নে নাই? এইদৰে বিছনাত পেট পেলাই পৰি থাকিলে আজিও চৰুৰ তললৈ জুই নাযাব। উঠক বুলিছো নহয় উঠক।"- এই বুলি অমলা ভোৰ ভোৰাই তাৰ ওচৰলৈ আহিল। তেতিয়াহে সি বেৰৰ সাতামপুৰুষীয়া ঘড়ীটোলৈ চালে। ইয়ে হয়চোন ন বাজিবৰ হ'ল। বিছনাৰ পৰা উঠি আহি পানী ঘটি লৈ সি পিৰালিলৈকে গ'ল। পুৱাৰ মিঠা ৰ'দবোৰে তাক যেন দুগুণ এলেহুৱা কৰি পেলালে। মিঠা ৰ'দৰ আমেজ লৈ সি পিৰালিতে এঙামুৰি দি বহিল।

ৰমাকান্ত, অমলা আৰু তাৰ দুটা ল'ৰা-ছোৱালীক লৈ এখন সুখৰ সংসাৰ। ঠিক অভাৱো নাই, কিন্তু উভৈনদীও নহয়। ল'ৰা-ছোৱালী দুটা পঢ়া-শুনাৰ লগতে দেখিবলৈও অলপ চকুত লগা। ৰমাকান্তৰ উপাৰ্জনৰ পথ বুলিবলৈ ককাকৰ দিনৰে মাটি এবিঘা আছে। তাতে খেতি-বাতি কৰি যি পায় তাৰে সংসাৰখন টুক-টাককৈ চলাই নিয়ে। মাজে সময়ে অমলাইও গাঁৱৰে দুই এঘৰত হাজিৰা কৰিবলৈ যায়। মুঠতে সিহঁতৰ সংসাৰখন একোৰে অভাৱ নোহোৱাকৈ চলি যাব পাৰে। হওঁতে ৰমাকান্তৰ মাটি প্ৰায় এপুৰা মানেই আছিল। কিন্তু ভায়েকক নগৰত ৰাখি পঢ়াওঁতে পঢ়াৰ খৰচ অন্যভাগে উলিয়াব নোৱাৰি ৰমাকান্তই গাঁৱৰে ৰমেন মহাজনৰ ওচৰত বন্ধকত থলে। আৰু সেই টকাৰেই ভায়েক বিপিনক চহৰত ৰাখি ভাল স্কুলত পঢ়ুৱাই ডাক্তৰ কৰিলে। ভাবিছিল ভায়েকে ডাক্তৰ হৈ অহাৰ পাছত সেই মাটি মোকলাই পুনৰ আগৰ দৰে খেতি-বাতি কৰি ঘৰখন ভৰাই তুলিব পাৰিব। কিন্তু ৰমাকান্তৰ সেই আশা আশা ভাগেই থাকিল। বিপিন ডাক্তৰ হ'ল সঁচা, মাটিও মোকলালে, কিন্তু ডাক্তৰী পাছ কৰাৰ পাছত চহৰৰ ছোৱালী বিয়া কৰাই চহৰতে ঘৰ-বাৰী কৰিলে আৰু এদিন চহৰীয়া ঘৈণীৰ বুদ্ধি মতে বিপিনে ৰমেন মহাজনৰ পৰা সকলো মাটি বন্ধকৰ পৰা মোকলাই পুনৰ ৰমেন মহাজনকে বিক্ৰী কৰি দিলে। অশিক্ষিত চহা গাঁৱলীয়া বুলি ৰমাকান্তক এযাৰ কথা সোধাৰো প্ৰয়োজন অনুভৱ নকৰিলে। তেতিয়াৰ পৰা ৰমাকান্তই সেই এবিঘা মাটিকে লৈ নিজৰ সংসাৰখন টানি টুনি চলাই আছে। এইখিনি লৈকে সকলো ঠিকেই আছিল। কিন্তু কালিৰ ঘটনাটোৱেহে সকলো ওলট-পালট কৰি দিলে। লাহে লাহে এটা এটাকৈ কালিৰ ঘটনাটো তাৰ মনলৈ আহিব ধৰিলে।

কালি বহুত দিনৰ মূৰত বিপিন আহিছিল সপত্নীক। বহুত দিনৰ মূৰত ভায়েক বিপিন অহা দেখি ৰমাকান্তৰ গা সাতখন-আঠখন লাগিল। ভায়েক আৰু বোৱাৰীয়েকক ক'ত থওঁ ক'ত নথওঁ কৰিলে। যদিও সিহঁতৰ ঘৰত খাবলৈ সেই সময়ত এসাঁজ চাউলৰ বাহিৰে আন একো নাছিল তথাপি, সেই সাঁজেৰে সুদাই-নিকাই খোৱাবলৈ যো-জা কৰিলে। ঘৈণীয়েক অমলাইহে কিন্তু বিপিন অহাটো সহজভাৱে লব পৰা নাছিল। কোনো দিনে নহা মানুহে যদি মিঠা মিঠা কথাৰে, ল'ৰা-ছোৱালী কেইটাৰ লগতে যদি সিহঁতলৈও নতুন কাপোৰ কানি লৈ আনে তেতিয়া হ'লে তাই বাৰু কি সতেৰে বিশ্বাস কৰে। যাহওঁক, মানুহটোৰ মৰমৰ ভায়েক বুলি তাই সহজভাৱে ল'ব যত্ন কৰিলে। এটা সময়ত ভাত পানী খাই আজৰি হৈ চোতালত বহিল। তেতিয়াই বিপিনে কথাটো উলিয়ালে, "ককাইদেউ আমাৰ গাঁৱৰ মাটিডৰাটো

এনেয়েহে আছে। মই এটা কথা ভাবিছো। আমাৰ এই মাটিডৰা যদি কেইবছৰৰ মানৰ বাবে এটা কোম্পানীৰ হাতত দিও তেতিয়া হ'লে আমি বছৰি ভাল উপাৰ্জন পোৱাৰ লগতে তোকো এটা ভাল পোষ্টত সোমোৱাই দিব। তেতিয়া আৰু তই এনেদৰে কষ্ট কৰিব নালাগে। লগতে বৌদেউ আৰু পোনাকনহঁতো সুখেৰে থাকিব পাৰিবি। তই কি ক'ব ককাইদেউ?" ৰমাকান্তই আৰু ক'ব কি? ভাবিলে ঠিকেইটো কৈছে বিপিনে। বছৰি সেই মাটি টুকুৰাৰ পৰা সিনো কিমান ধান পায়? সেইকেইটাৰে বছৰটোলৈকে নোজোৰে। ভায়েকে কোৱাৰ দৰে যদি কোম্পানীটোৱে তাক এটা ভাল পোষ্টত সোমোৱাই দিয়ে তেতিয়া সি আৰামত থাকিব পাৰিব। আৰু কেইবছৰ মানলৈকেহে, কিবা ভুল যেন দেখিলেই পুনৰ কোম্পানীৰ পৰা মাটি টুকুৰা লৈ ল'ব। ৰমাকান্তই বিপিনক কলে, "তই যি ভাল দেখ তাকেই কৰিবি। হ'ব দে, মই ৰাজি আছো তোৰ কথাত। ইয়াৰ বাবে মই কি কৰিব লাগিব?" তেতিয়া বিপিনে এটা অৰ্থপূৰ্ণ হাঁহি মাৰি লেনিয়াই ক'লে "বিশেষ একো কৰিব নালাগে, মাত্ৰ এটা চহী কৰিলেই হ'ব। মোৰ বেগটো লৈ আনচোন ভিতৰৰ পৰা তাতে চিয়াঁহী আছে, তই বুঢ়া আঙুলিত লগাই টিপ মাৰি দিলেই হ'ব।"

ৰমাকান্ত মনৰ আনন্দত ভিতৰলৈ উঠি গ'ল। ভায়েকৰ বেগটো হাতত লৈ চোতাললৈ আগবঢ়াতেই দুটা চেপা মাতেৰে খুক-খুকাই হাঁহি থকা শুনিবলৈ পালে। সি কিনো হৈছে বুজিবলৈ পোৱাৰ আগতেই ভায়েক বিপিনৰ মাতটো তাৰ কাণত পৰিল "হৈ গ'ল বুজিছা, কামটো হৈ গ'ল। মই যে ইমান ভয় খাইছিলো কেনেবাকৈ ককাইদেৱে সন্দেহ কৰে বুলি। পিছে, এতিয়া আৰু ভয় নাই।" এনেতে বিপিনৰ পত্নীৰ মাতটো শুনিবলৈ পালে- "বপুৰাই গমেই পোৱা নাই নে যে তাৰ মাটি টুকুৰা চিৰদিনৰ বাবে আনৰ হাতলৈ যাবলৈ লৈছে। আহ্ মি. গুপ্তাই এই মাটি টুকুৰাৰ কাৰণে ১৫ লাখ টকা দিব। তাৰে একলাখ মান দি দিবা দিয়া ককাইদেউক। মাত্ৰ এতিয়া চহীটোলৈ অপেক্ষা কৰা। তাৰ পাছত আমি ১৫ লাখ পালো বুলিয়েই ধৰা আৰু।" ৰমাকান্তই তেতিয়াহে সকলো কথা বুজি পালে। ইমান মৰমসনা মাত, আদৰ-যত্ন অথনিৰে পৰা কিয় কৰিছিল সকলোবোৰ এতিয়া ফটফটীয়াকৈ বুজি পালে। সি আৰু এক মুহূৰ্তও ৰৈ থাকিব নোৱাৰিলে। "কুলাঙ্গাৰ তাৰ মানে তোৰ আচল ৰূপ এয়াহে। মোক ভুৱা দি মাটি বেচ? ইমান দিনে পঢ়াই-শুনাই তোক এইবোৰকে শিক্ষা দিলো?" হঠাতে ককায়েকৰ মাত শুনি বিপিন শিল পৰা কপৌৰ দৰে থিয় হৈ ৰ'ল। সি ভবাই নাছিল যে ককায়েকে তাৰ কথা শুনিলে। তাৰ মুখৰ ৰং কেহৰাজ বৰণীয়া হব ধৰিলে। ৰমাকান্তই পুনৰ ক'ব ধৰিলে, "এই মাটিৰ কাৰণে ১৫ লাখ টকা পাবি। আৰু সেইবাবেই বেচি দিবি আমাৰ আজো ককাৰ দিনৰে এই সম্পদক? টকাৰ খঁকে তোৰ মূৰত ধৰিছে। ইমান খঁক ভাল নহয়। নিজৰ টুকুৰা বেছি হেঁপাহ নপলাল, এতিয়া মোৰ টুকুৰাও বেচিবলৈ আহ। মই দুখীয়া হ'ব পাৰো কিন্তু টকাৰ প্ৰতি মোৰ লোভ নাই। সৰুৰে পৰা এই মাটি টুকুৰাৰ উপাৰ্জনৰেই আমি চলি আছো। মোৰ বাবে সেই ১৫ লাখ টকাৰ গোন্ধতকৈ এই মাটি টুকুৰাৰ সুবাস বহুত বেছি ভাল। আপোন মাটিৰ সুবাসতকৈ টকা মোৰ বাবে ডাঙৰ নহয়। ওলাই যা, যা, এই মুহূৰ্ততে ঘৰৰ চৌহদৰ পৰা ওলাই যা। তোৰ দৰে ভাই মোক আৰু কোনো জনমতে নালাগে।" ....এইদৰে সি বহুত সময় গালি পাৰি চোতালৰ মাজতে থিয় দি থাকিল। বহুত সময়ৰ পাছত পিঠিত এখন হাতৰ পৰশ পোৱাতহে সি সম্বিত ঘূৰাই পালে। হ'ব আৰু কিমান নো নবকে? সিহঁত কেতিয়াবাই গ'ল। পত্নী অমলাৰ এই মৰমসনা মাততহে তাৰ অলপ ভাল লাগিল। সি হুক-হুকাই কান্দি অমলাক ক'লে- অমলা তোৰ সন্দেহ সঁচাই আছিল অ'। চহৰীয়া মানুহক কেতিয়াও বিশ্বাস কৰিব নালাগে। বল ভিতৰলৈ যাওঁ, সাঁজ লাগি ভাগিবৰ হ'ল। আমি এইদৰেই অভাৱৰ মাজতেই ঠিকেই আছো। আমাক টকা নালাগে।

অ' ক'তে মৰো মানুহটোচোন উঠাই নাই অথনিৰ পৰা। হেৰি নুঠে কিয় আপুনি, বোলে হেৰি শুনিছেনে অমলাৰ মাতত হে পুনৰ সি বাস্তৱ জগতলৈ ঘূৰি আহিল। 'ৰ'হ এইজনী গৈছো" বুলি সি ভিতৰলৈ উঠি গ'ল।

বন্ধ্যা পথাৰ

ৰ'দালি চেতিয়া
স্নাতক পঞ্চম ষান্মাসিক, অসমীয়া বিভাগ



"দাদা, তোৰ কি হৈছেনো? কালিৰে পৰা তই কিয় ইমান অস্থিৰ হৈ আছ। কিবা হৈছে যদি নকৱ কিয়নো?" কি উত্তৰ দিব সি তাইক। কেনেকৈ বুজাব তাইক তাৰ অন্তৰত বলি থকা ধুমুহাজাকৰ কথা। এন্ধাৰ কোঠাটোৰ এচুকত খুৰা ভগা বিচনাখনত পৰি আছে তাৰ মৰমৰ ভনীয়েকজনী। এৰা, তাৰ জীৱনত আপোন বুলিবলৈ তাইৰ বাহিৰে যে আৰু কোনো নাই। পিচে, মহামাৰীয়ে বাহ লোৱা তাইৰ ওঠৰ বছৰীয়া শৰীৰটোৰে তাইনো আৰু কিমান দিন জীয়াই থাকিব? নাই......... সি আৰু একো ভাবিব নোৱাৰিলে। ডেকা ককায়েকটো হৈ সি যে একো কৰিব পৰা নাই ভনীয়েকৰ চিকিৎসাৰ বাবে। লজ্জিত হয় সি নিজৰ ওচৰতে বাৰে বাৰে।

ঃ দাদা ক'লৈ যাৱ??

ভনীয়েক পূৰ্ণিমাৰ উত্তৰ দিবলৈ নৰৈ সি লৰালৰিকৈ ওলাই আহিল বাহিৰলৈ। লক্ষ্যহীনভাৱে সি খোজ দিলে আলিবাটত। দূৰৈৰ পৰা দেখা পালে তাৰ জুপুৰিটোৰ বেৰৰ বিন্ধাৰে জিলিকি থকা তেল নোহোৱা চাকিটোৰ ক্ষীণ পোহৰ। আন্ধাৰক জয় কৰাৰ কি আপ্ৰাণ প্ৰয়াস!! ঠিক যেন তাৰ ভনীয়েকজনীৰ দৰে!! নিশকতীয়া দেহটোৰেই মৃত্যুৰ সৈতে যুঁজ দিয়াৰ তাইৰ যে দূৰ্বাৰ শক্তি। বৰ হেঁপাহ অ' তাইৰ জীয়াই থকাৰ।

বানত বিধ্বস্ত তাৰ গাওঁ। একমাত্ৰ ভৰসাৰ থল খেতি-বাতিও মাৰি নিয়ে বানে প্ৰতি বছৰে। অৱশ্যে এতিয়া শান্ত সেইখন পথাৰ........ যিখন পথাৰত বানে আহি মোহাৰি নিয়ে সোণগুটিৰ শইচ। সেইখন পথাৰলৈকে সজল চকুৰে চাই আছে সি। সন্ধিয়াৰ আন্ধাৰত সি একোকে

মনিব পৰা নাই। তথাপি যেন মনৰ চকুৰেই সি দেখিছে বহুত কিবা কিবি। দেখিছে সি কান্ধত ধানৰ ডাঙৰি কঢ়িয়াই অনা তাৰ পিতাকৰ মুখখন...... অনুভৱ কৰিছে সি তাৰ সুখৰ দিনৰ স্মৃতি............!! এৰা, এতিয়া তাৰ সেই পিতাকো নাই, জুহালত বিবিধ ব্যঞ্জন ৰান্ধি দুবেলা দুমুঠি ভাতৰ যোগাৰ কৰি দিবলৈ তাৰ মাকো নাই। সকলো যে হেৰাই গ'ল তাৰ। প্ৰলয়ংকাৰী বানত গৰু-ছাগলীৰ দৰে উটি গ'ল তাৰ মাক-দেউতাকো ৰাতি শুই থাকোতেই। এই পথাৰখনেই যে সাক্ষী তাৰ জীৱনৰ সেই কাল ধুমুহাৰ দিনবোৰৰ.... যি ধুমুহাৰ অন্ত আজিও পৰা নাই.......... হয়তো কাহানিও নপৰিব। এই পথাৰখনতেই শুই আছে তাৰ অতীত....... এই পথাৰ খনে হয়তো জানে তাৰ অসহায় বৰ্তমান আৰু অনিশ্চিত ভৱিষ্যতটোৰো কথা!!

এইবাৰো খেতি নহ'ল....... সি ভাবিছিল ধান বেচি পোৱা টকা কেইটাৰে ভনীয়েকজনীৰ চিকিৎসাৰ প্ৰাথমিক কামখিনি কৰিব। তাক যে এতিয়া প্ৰয়োজন বহু টকাৰ। চকুৰ আগতে সি কোনসতে তিলতিলকৈ মৰিব দিব পাৰে তাৰ ভনীয়েকজনীক? কিন্তু তাৰ সেই আশা পূৰ নহ'ল এইবাৰো....। এইবাৰো বিশ্বাসঘাটকতা কৰিলে সুখ-দুখৰ লগৰী এই পথাৰখনে??

কি কৰিব সি?? উপায়ন্তৰ হৈ পৰিল সি। তাৰ মন বিবেক যে বিকল হৈ গ'ল। যোৱাকালিৰ কথাটোৱে তাৰ মনটো আকৌ এবাৰ খেলি মেলি কৰি দিলে। সি পাৰিব জানো সেই কাম কৰিব? পাৰিলেও সি কেনেকৈ কৰিব সেই কাম? ক'ত থব তাৰ আত্মসন্মান.... তাৰ পিতাকৰ গান্ধীবাদী আদৰ্শক সি জলাঞ্জলি দিব পাৰিব জানো............ তথাপি.......... তথাপি....... তাৰ ভনীয়েকৰ শীৰ্ণ মুখখন মনত পৰিলে সকলো কামেই সম্ভৱ যেন লাগে তাৰ। তাৰ যে উপায় নাই। সেই কামৰ বিনিময়ত যদি কেইটামান টকা পায় .... তেন্তে আপত্তি ক'ত?? তাক যে বৰ প্ৰয়োজন হৈছে কেইটমান টকাৰ.......। অৱশেষত সি সিদ্ধান্ত ল'লে বকুলহঁতে দিয়া প্ৰস্তাৱটোত সি সন্মতি দিব। দুহাত কঁপিলেও......... তাৰ নৈতিক আদৰ্শই বাধা দিলেও সি কাইলৈ পুৱাতে থৈ আহিব বোমাটো বুধবৰীয়া হাট বহা সেই চাৰিআলিৰ চ'কত...... তাত দেখোন ৰহিম কাইয়ো পাচলিৰ দোকান দিয়ে......... যিজন মানুহে কেতিয়াবা নিজে অভাৱত থাকিও তাক টকা-পইচা, মৰমেৰে সকাহ দি আহিছিল দুখৰ দিনবোৰত........... সি ইমান নিষ্ঠুৰ হ'ব পাৰিবনে?? হয়তো পাৰিব........... তাৰ যে উপায় নাই!!!

আকাশত দশমীৰ জোন। পূৰ্ণিমালৈ এতিয়াও বাকী। ভনীয়েক পূৰ্ণিমাৰ জীৱনলৈও পূৰ্ণিমাৰ পোহৰ আনিব পাৰিবনে সি?? তাইৰ শুকান মুখখন মনত পৰি মোচৰ খাই উঠিল তাৰ বুকুখন আকৌ এবাৰ......... নাই........... তাইক যেনে তেনে বচাবই লাগিব........। অসৎ কাম কৰাৰ বাবে লাগিলে সি 'কাপুৰুষ" আখ্যা পাওঁক!!! পুৰুষৰ দৰে কাম কৰি, চাকৰি কৰি খাবলৈও যে বানত উটি গ'ল তাৰ বি.এ. পাছৰ মাৰ্কশ্বিট-চাৰ্টিফিকেট। কাপুৰুষেই হ'ব সি............... আকৌ এবাৰ চাই পঠিয়ালে সি জোনৰ পোহৰত চকা-মকাকৈ জিলিকি থকা পথাৰখনলৈ..............

হায়!! বন্ধ্যা পথাৰ.......... য'ত নগজে আশাৰ বীজ। এটা দীঘল হুমুনিয়াহ এৰিলে সি।

অন্য এক পৃথিৱী...

চিমি কোঁৱৰ
স্নাতক তৃতীয় ষাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

মুহূৰ্ততে ঘটনাটো চৌদিশে বিয়পি পৰিল। কথা বুলিলে বতাহ। বতাহৰ দৰে বিয়পি পৰে সকলোতে। বলোভদ্ৰৰ কথাটোও তেনেদৰেই বিয়পি পৰিল সেউজপুৰ নামৰ সেই গাঁওখনত। বলোভদ্ৰ হেনো আৰু এই সংসাৰত নাই। উদং পথাৰখনৰ সোঁমাজৰ আজাৰ গছজোপাতে সৌৱা ট-ট কৈ জিলিকি আছে বলোভদ্ৰৰ নিথৰ দেহ। কান্দি কান্দি ভাগৰি পৰিছে বলোভদ্ৰৰ পত্নী মালা। মালাক কেইগৰাকীমান তিৰোতাই সান্ত্বনা দিবলৈ চেষ্টা কৰিছে, কিন্তু চাৰিজনী তিৰোতাইও গবা মাৰি একে ঠাইতে মালাক ধৰি ৰখাব পৰা নাই। দৌৰ মাৰি মালা গুচি যাব খোজে, অলপ আঁতৰত থকা আজাৰ গছজোপাত ওলমি শান্ত হৈ পৰা বলোভদ্ৰৰ নিথৰ দেহৰ কাষলৈ। কি ঠিক, তাইয়ো কিজানি তাৰ দৰেই ডিঙিত বান্ধি লয় শূন্যতা নামৰ শিকলিডাল...........। নাই, নাই এনে হবলৈ কেতিয়াও দিব নোৱাৰি। সেউজপুৰ নামৰ মানুহৰ মৰমেৰে আৱৰি থকা অকণমান ঠাইডোখৰত এনে হ'বলৈ পুনৰ দিব নোৱাৰি। এইবাৰ মালাক আটাইকেইজনী তিৰোতাই গবা মাৰি ধৰি পাছফালে থকা সিহঁতৰ অকণমান ঘৰটোলৈ সোমোৱাই নিবৰ চেষ্টা কৰিলে।

........"কিয় বাৰু বলোভদ্ৰই তেনে কাম কৰিলে?" .... চিন্তিত মনেৰে সৰুকনে গাঁওবুঢ়া নিতুল মেধিক সুধিলে। .... "এনে পৰিস্থিতিত সিনো তেনে কাম নকৰি কি কৰিব? পিছে কেউ-কিছু নোহোৱা বলোভদ্ৰৰ ঘৰখনত মালাহে বৰ অকলশৰীয়া হৈ গ'ল অ' সৰুকন।"....... গাঁওবুঢ়াই ডিঙিত লৈ থকা গামোচাখনেৰে চলচলীয়া হৈ থকা দুচকু মচি ল'লে। .... "গাঁওবুঢ়া দেউতা, আমাৰ সেউজপুৰলৈ নিউজ চেনেল কেইবাটাও আহিছে আৰু কি জানে, বলোভদ্ৰই আত্মহত্যা কৰাৰ সম্পৰ্কত ইতিমধ্যে আমাৰ গাঁওবাসীক প্ৰশ্ন সোধা আৰম্ভ কৰি দিছে।" ....

.... "এতিয়া সেইসোপা আহিনো কি হ'ব অ' সৰুকণ? বলোভদ্ৰ জানো আকৌ এই সংসাৰলৈ উভটি আহিব?"......... গাঁওবুঢ়াই নিজকে কোৱাৰ দৰে ক'লে। তেওঁ আকৌ ক'লে,

.........."ব'ল, ব'ল সৰুকণ, আমি আৰু পলম কৰিব নোৱাৰোঁ। আমি তালৈকে যাওঁ ব'ল।"............

গাঁওবুঢ়া আৰু সৰুকণ গৈ বলোভদ্ৰৰ নিথৰ দেহ ওলমি থকা সেই ঠাই পালেগৈ। ইতিমধ্যে কেইবাটাও নিউজ চেনেলে অধিক তথ্য জনাৰ সম্পৰ্কত বিভিন্নজনক বিভিন্ন প্ৰশ্ন সুধিবলৈ আৰম্ভ কৰিছে।

.... "আত্মহত্যা কৰা এই মানুহজনক গাঁৱৰ সকলোৱে ভাল পায়নে?"

.... "তেওঁ যোৱাকালি ঘৰতে আছিলনে?"

..........."গাঁৱৰ কাৰোবাৰ সৈতে তেওঁৰ কিবা শত্ৰুতা থকাৰ কথা আপোনালোকে গম পায় নেকি?".......

............"তেওঁক কোনোবাই হত্যা কৰিব পাৰে বুলি

আপুনি ভাবে নেকি?"..........

গাঁওবুঢ়া অহা দেখি কেইবাটাও নিউজ চেনেলে ওপৰা-ওপৰিকৈ বলোভদ্ৰ সম্পৰ্কত বিভিন্ন প্ৰশ্ন সুধিবলৈ ধৰিলে। খং উঠি আহিল গাঁওবুঢ়া নিতুল মেধিৰ। জোৰকৈ চিঞৰি উঠিল তেওঁ,........ "মনে মনে থাকক হে আপোনালোক। বলোভদ্ৰ নামৰ এই সাধাৰণ খেতিয়কজনে ইয়াত আত্মহত্যা কৰিছে। কাৰণ তেওঁ চৰকাৰৰ কৃষি ঋণটো পৰিশোধ কৰিব নোৱাৰাৰ বাবে তেওঁ ঘৰৰ ভেটিটোৰ বাদে খেতি কৰা সকলো মাটি হেৰুৱাইছিল। নিজৰ মাটিকেইড়ৰা বলোভদ্ৰৰ প্ৰাণ আছিল; যি বলোভদ্ৰক জীয়াই থাকিবলৈ প্ৰেৰণা দিছিল, তাৰ ঘৰখন জীয়াই ৰাখিছিল। জীয়াই থকাৰ সেই সম্বল হেৰাই যোৱাৰ পাছত সি কিদৰে জীয়াই থাকিব আপোনালোকেই কওকচোন? দুই-তিনিদিন লঘোণে থাকি পাইছেনে কেতিয়াবা? নাই পোৱা নিশ্চয়। কিন্তু বলোভদ্ৰ তেনেকৈয়ে জীয়াই আছিল। তাৰ পত্নী মালাই তেনেকৈয়ে দিন কটাইছিল পেটৰ তাড়নাত। সেইবোৰ দিনত আপোনালোক বলোভদ্ৰৰ কাষলৈ কিয় নাহিল? সি মাটি-বাৰী হেৰুৱাৰ খবৰ আপোনালোকে এবাৰো নাপালে নে? এতিয়া সকলো শেষ হোৱাৰ পাছত আপোনালোক ইয়ালৈ আহিছে। যাওক ইয়াৰ পৰা। যদি পাৰে, বলোভদ্ৰৰ দৰে পৰিয়ালবোৰৰ কাষত সহৃদয়তাৰে থিয় দিয়কগৈ। চৰকাৰৰ প্ৰতাৰণাৰ বলি হোৱা এই সহজ সৰল মানুহবোৰৰ কাষত থিয় হওকগৈ, যাওক।"......... একেৰাহে কৈ গ'ল তেওঁ। তাৰ পাছত থোকা-থুকিকৈ ক'লে নিউজ চেনেল কেইটাক.......... "আমি অশিক্ষিত, দৰিদ্ৰ মানুহ। কিবা যদি ভুল হৈছে ক্ষমা কৰি দিব আমাক। আমি বলোভদ্ৰক বচাব নোৱাৰিলো। সি গুচি গ'ল আমাৰ মাজৰ পৰা ভোকৰ তাড়নাত। আমিও বলোভদ্ৰৰ দৰেই সাধাৰণ খেতিয়ক। মই এই সেউজপুৰৰ গাঁওবুঢ়া হিচাপে কৈছো আপোনালোকক আমাক উদ্ধাৰ কৰক এই দৰিদ্ৰতাৰ পৰা।".......... হুকহুকাই কান্দি উঠিল তেওঁ।

............"গাঁওবুঢ়া ডাঙৰীয়া, আমি বাৰু চেষ্টা কৰিম আপোনালোকৰ এই দুখ আঁতৰ কৰিবলৈ।" .... শেনটোৰ দৰে আহি ফেঁচাটোৰ দৰে গুচি গ'ল নিউজ চেনেল কেইটাৰ সাংবাদিককেইজন। গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভটোত যেন কিবা এটা দাগ বহি ৰ'ল।

........."বলোভদ্ৰৰ সৎকাৰৰ ব্যৱস্থা কৰোগৈ ব'ল।" গাঁওবুঢ়াই নিজে আগভাগ লৈ কেইজনমান মানুহৰ লগ লাগি বলোভদ্ৰক গছজোপাৰ ওপৰৰ পৰা নমাই আনিলে। আটাইকেইজনে বলোভদ্ৰক লাহে লাহে তাৰ ঘৰলৈকে সোমোৱাই আনিলে। আগচোতালৰ তুলসী জোপাৰ তলতে শুৱাই দিয়া হ'ল বলোভদ্ৰৰ নিথৰ দেহ। বলোভদ্ৰক ঘৰলৈ অনা দেখি মালাই ভ্ৰম বকি বকি বলোভদ্ৰৰ কাষতে বহি মাটিবোৰ থুপ খুৱাই লয়।

........."মালা, নাপায় নহয়, নাপায় এনেকুৱা কৰিব। বলোভদ্ৰৰ আত্মাই কষ্ট পাব।" .... কোনোবা এগৰাকীয়ে ক'লে মালাক। ...."পাওক কষ্ট, তেওঁ মোক কিয় এৰি থৈ গ'ল? কিয়?............।" উচুপি উঠিল মালা।

............."তেওঁক লৈ যাওঁ ব'লক। মালাই নহ'লে আৰু কষ্ট পাব।" .... কোনোবা এজনে ক'লে।

গাঁওবুঢ়াকে ধৰি চাৰিজন মানুহে বলোভদ্ৰক কান্ধত তুলি ল'লে। এখোজ দুখোজকৈ আগবাঢ়িল তেওঁলোক গাঁৱৰ শ্মশানৰ দিশে। কান্দি কান্দি ভাগৰি পৰিল মালা। ...."তেওঁক কলৈ নিয়ে, মইও যাম ৰ'ব।" .... মালা আৰু ৰ'ব নোৱাৰিলে। তাইও তেওঁলোকৰ পাছে পাছে শ্মশানৰ দিশে যাবলৈ ধৰিলে। ...."অই, এই পাগলী হ'ল অ' মালা পাগলী হ'ল।" .... কোনোবা এগৰাকীয়ে চিঞৰিলে পাছফালৰ পৰা মালাক।

..........."তেওঁক যাবলৈ দিয়া। তেওঁ যেনেকৈয়ে শান্তি পায়, তেনেকৈয়ে থাকক।" .... অন্য এগৰাকীয়ে কৈ কৈ চকুলো টুকিলে। এইখনো এক অন্য পৃথিৱী য'ত কেৱল দৰিদ্ৰতা, অজ্ঞানতাই গিলি পেলাব খোজে ইয়াৰ বাসিন্দা সকলক। শূন্যতাই য'ত বিৰাজ কৰে ৰাতি দিন......!! একেখন পৃথিৱীৰে একোণত এচামে বিলাসিতাৰে উদ্‌যাপন কৰিছে প্ৰতি পল আৰু অন্য একোণত এচামে পেটৰ তাড়নাত যুঁজি যুঁজি মৰণৰ স'তে সংগ্ৰাম কৰিছে। কি যে বিচিত্ৰ পৃথিৱীৰ এই কোণ!!

আপোনাৰ প্ৰশংসাই কাৰোবাৰ জীৱনৰ গতি সলাই দিব পাৰে

চাব্রিনা জামান
একাদশ শ্ৰেণী, কলা শাখা

বহু বছৰৰ আগৰ কথা। লণ্ডনৰ এজন তৰুণে নিজকে এজন লেখক হিচাপে প্ৰতিষ্ঠা কৰিব বিচাৰিছিল।

কিন্তু তেওঁৰ জীৱনৰ সকলো কথাই যেন তেওঁৰ স্বাৰ্থৰ বিপৰীতেহে পৰিচালিত হৈছিল। সেয়ে তেওঁ নিজৰ বাসনা পূৰণ হোৱাৰ কোনো আশা দেখিবলৈ পোৱা নাছিল।

তেওঁ প্ৰাথমিক বিদ্যালয়ৰ সীমাও পাৰ হোৱা নাছিল আৰু পাৰ কৰিবও পৰা নাছিল। কাৰণ তেওঁলোকৰ আৰ্থিক অৱস্থা মুঠেও ভাল নাছিল। সিফালে তেওঁৰ দেউতাকৰ কাৰাদণ্ড হয় বেংকৰ ঋণৰ টকা পৰিশোধ কৰিব নোৱাৰাৰ বাবে।

ল'ৰাজনৰ গোটেই বাল্যকালটো চৰম দ্ৰাৱিদ্ৰৰ মাজেদি পাৰ হৈছিল। সেয়ে সেই ল'ৰাজনে এটা নিগনিৰে ভৰা কাৰখানাত বটলত কেৱল লেবেল লগোৱা কামত যোগদান কৰে। সামান্য দৰমহা। থকা-খোৱাৰ ব্যৱস্থা নৰকতুল্য। দিনটো নিৰ্বাক পশুৰ দৰে বহি বটলত লেবেল লগাইছিল আৰু নিজেই কিবা অলপমান সিজাই খাই ৰাতি তেওঁৰ লগৰ তিনিজনমানৰ সৈতে এটা সৰু কোঠালিত থেপাথেপিকৈ শুই কটাই দিব লগা হৈছিল। তাৰ বাহিৰে তেওঁলোকৰ আন কোনো উপায় নাছিল।

ল'ৰাজনে অলপ-অচৰপ লিখিবলৈ আৰম্ভ কৰিছিল যদিও তেওঁৰ নিজৰ লিখা-মেলাৰ প্ৰতি মুঠেই আস্থা নাছিল। সেয়ে তেওঁ গোপনে লিখা-মেলা কৰিছিল। বাহিৰৰ মানুহক সেই বিষয়ে একোকে জানিবলৈ দিয়া নাছিল।

এখন কিতাপ লিখা শেষ হ'লে তেওঁ সেইখন কাকো নেদেখুৱাই মনে মনে কোনোবা প্ৰকাশকৰ ওচৰলৈ পঠিয়াই দিছিল। কিবা গল্প বা প্ৰবন্ধ পাতি লিখিলে সেইবোৰক কোনো আলোচনীলৈ ডাকযোগে পঠিয়াই দিছিল।

কিন্তু তেওঁৰ পাণ্ডুলিপি এফালৰ পৰা সকলোতে বাতিল হ'বলৈ ধৰিলে। সেইবোৰৰ প্ৰকাশৰ মুখ দেখাৰ সৌভাগ্য নাছিল। সেইবোৰে গৈ সম্পাদকৰ ভৰিৰ ওচৰতে থকা পেলনীয়া কাকতৰ খৰাহীত ঠাই পাইছিল।

তাৰ পিছতো ল'ৰাজনে নিজৰ আত্মাৰ তাগিদাতে লিখি গৈছিল। আৰু সেইবোৰক নানা কাকত আলোচনীলৈ প্ৰেৰণ কৰিছিল।

তেনেদৰে আৰু কেইমাহমান যোৱাৰ পিছতেই ল'ৰাজনৰ ভাগ্যৰ দুৱাৰ খোল খালে। এখন আলোচনীত তেওঁৰ এটা গল্প প্ৰকাশিত হ'ল। অৱশ্যে তাৰ বাবে তেওঁ কোনো ধৰণৰ পাৰিশ্ৰমিক পোৱা নাছিল। গল্পটোৰ বাবে তেওঁ কোনো পাৰিশ্ৰমিক নাপালেও সেই কাকতখনৰ সম্পাদকৰ পৰা তেওঁ এখন প্ৰশংসাপূৰ্ণ চিঠি পাইছিল। তেওঁৰ বাবে এই চিঠিখনৰ মূল্য আছিল অপৰিসীম। কাৰণ সেই চিঠিখনে তেওঁক লেখক হিচাপে স্বীকৃতি দিছিল।

চিঠিখন পোৱাৰ পিছত তেওঁ ইমান বেছি আনন্দিত হ'ল যে, তেওঁ আত্মাহাৰা হৈ পৰিল।

চিঠিখন পোৱাৰ দিনা তেওঁ আপোন-পাহৰা হৈ ৰাস্তায়ে-ৰাস্তায়ে ঘূৰি ফুৰিছিল আৰু আনন্দত আশ্ৰুৰে তেওঁৰ বুকু তিয়াই পেলাইছিল।

চিঠিখনে ল'ৰাজনৰ জীৱনৰ গতিয়ে সলনি কৰি দিছিল।

তেওঁৰ মাজত এটা প্ৰবল আশাৰ জন্ম হৈছিল। সেই আশাই তেওঁক পৃথিৱীৰ এজন মহান লেখকত পৰিণত কৰিছিল।

সিদিনাখন সেই চিঠিখন যদি তেওঁৰ হাতলৈ নাহিলহেঁতেন, তেনেহ'লে তেওঁ সেই নৰক সদৃশ কাৰখানাতে পৰি থাকিলহেঁতেন।

ইমানপৰে আপোনালোকে চাগে সেই বিখ্যাত লেখকজন নো কোন তাক জানিবলৈ উদ্‌গ্ৰীৱ হৈ পৰিছে।

তেওঁৰ নাম আছিল 'চালৰ্ছ ডিকেন্স'। কালজয়ী উপন্যাস 'এ টেল অৱ টু চিটিজ' আৰু 'ডেভিড কোপাৰফিল্ড'ৰ লেখক চালৰ্ছ ডিকেন্স। ডিকেন্স এজন খ্যাতনামা সাংবাদিকো আছিল। তেওঁৰ সাংবাদিকতাৰ খ্যাতি সমগ্ৰ পৃথিৱীতে বিয়পি পৰিছিল।

জীৱনত সাফল্য লভিবলৈ তলত দিয়া কথাবোৰ আয়ত্ব কৰিব লাগিব-

১। নিজৰ লক্ষ্য স্থিৰ কৰি লৈ আগুৱাই যাওক।
২। জীৱনৰ বাটত নানা ধৰণৰ প্ৰতিকূলতাই দেখা দিব পাৰে। সেইবাবে প্ৰতিকূলতাৰ মুখত পৰি আপুনি নিজক দুৰ্বল কৰি নেপেলাব।
৩। মনত কোনো ধৰণৰ নিৰাশ ভাৱ আহিবলৈ নিদিব।
৪। মনত ৰাখিব, আপোনাৰ কম শিক্ষা বা আৰ্থিক অনাটনে আপোনাক আগুৱাই যোৱাত বাধা দিব নোৱাৰে, যদিহে আপোনাৰ মনত দৃঢ় সংকল্প থাকে, আত্মবিশ্বাস থাকে।
৫। নিজৰ ভাগৰ কাম নিয়াৰিকৈ কৰি যাব। তাত কোনো হেলা নকৰিব।
৬। সাময়িক ব্যৰ্থতাত উদ্যম হেৰুৱাই নেপেলাব।
৭। ধৈৰ্য্য ধৰি নিজৰ কাম কৰি যাব। এদিন নহয় এদিন সফল হ'বই।
৮। এটা সৰু কথায়ো আপোনাৰ জীৱনৰ গতি সলাই দিব পাৰে। তেনে কথাৰ বাবে আপেক্ষা কৰক। তাৰ বাবে নিজকে সজাগ কৰি ৰাখক।
৯। মনত প্ৰবল আশাবাদ জগাই ৰাখক।
১০। নিষ্ঠা সহকাৰে কাম কৰি যাব। এনে কৰিলে আপুনিও সাফল্যৰ সোণালী শিখৰত আৰোহণ কৰিব পাৰিব।

কুইজ

প্ৰঃ ভাৰতীয় স্থল সৈন্য বাহিনীৰ নৱ নিযুক্ত মুৰব্বীজনৰ নাম কি?
উঃ- জেনেৰেল বিক্ৰম সিং।
প্ৰঃ বয়সৰ বিতৰ্কত সোমাই পৰা ভাৰতৰ বিদায়ী সেনাধ্যক্ষ জনৰ নাম কি?
উঃ- সেনা প্ৰধান বিজয় কুমাৰ সিং।
প্ৰঃ শ্বাহৰুখ খানক কি নামেৰে জনা যায়?
উঃ- বাদছাহ নামে।
প্ৰঃ ড° ভূপেন হাজৰিকালৈ ভাৰত চৰকাৰে মৃত্যুৰ পাছত কি সন্মান আগবঢ়াইছিল?
উঃ- 'পদ্ম বিভূষণ' আগবঢ়াইছিল।

নিৰুপমা ভৰালী
স্নাতক পঞ্চম ষাণ্মাসিক, বুৰঞ্জী বিভাগ

শৈক্ষিক পৰিৱেশ গঢ়াত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা

অনুসূয়া বৰুৱা
দ্বাদশ শ্ৰেণী (কলা)

"ছাত্ৰানাং অধ্যয়নং তপঃ"

ছাত্ৰৰ প্ৰধান কৰ্তব্য হৈছে- শিক্ষা অৰ্জন কৰা। দাৰ্শনিক এৰিষ্টটলে কৈছিল যে- "Education is the creation of sound mind in a sound body" শিক্ষাই এজন ব্যক্তিৰ সুস্থ দেহত সুস্থ মনৰ সৃষ্টি কৰিব পাৰে। শিক্ষা এক অতুলনীয় সম্পদ। শিক্ষাই ব্যক্তিৰ ব্যক্তিত্ব, প্ৰতিভা, সুস্থ মানসিকতা আৰু নৈতিক চৰিত্ৰ সুন্দৰ ৰূপে গঢ় দিয়ে। শিক্ষাই ব্যক্তিৰ ব্যক্তিত্বৰ বিকাশ সাধনৰ লগতে বিভিন্ন দিশসমূহ যেনে- সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক দিশতো যথেষ্ট প্ৰভাৱ পেলাইছে। শিক্ষাৰ অবিহনে এখন দেশৰ সামগ্ৰিক উন্নতিৰ কথা কল্পনা কৰিব নোৱাৰি। সেয়েহে এখন ৰাষ্ট্ৰৰ প্ৰথম আৰু প্ৰধান কৰ্তব্য হৈছে- দেশৰ প্ৰতিজন নাগৰিকক শিক্ষা প্ৰদান কৰি একোজন শিক্ষিত ব্যক্তি হিচাপে গঢ়ি তোলা। শিক্ষাই সকলো ছাত্ৰ-ছাত্ৰীকে শৈক্ষিক পৰিৱেশ গঢ়ি তোলাৰ ক্ষেত্ৰত বিশেষভাৱে সহায় কৰে। শৈক্ষিক পৰিৱেশ মানে শিক্ষাৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা এটা সু-পৰিৱেশ। শৈক্ষিক পৰিৱেশত গঢ়ি উঠা প্ৰতিটো জীৱনেই হৈছে এখন দেশৰ এক অন্তহীন শিক্ষাৰ আধাৰ স্বৰূপ।

শৈক্ষিক পৰিৱেশ গঢ়ি তোলাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীয়ে বিশেষ ভূমিকা গ্ৰহণ কৰিব পাৰে। ছাত্ৰ-ছাত্ৰীয়ে সু-শিক্ষাৰ আদৰ্শৰ জৰিয়তে নিজৰ সমাজখনত এটা শৈক্ষিক পৰিৱেশ গঢ়ি তুলিব পাৰে। শিক্ষা মানেই কেৱল জ্ঞান আহৰণ কৰা নহয়। শিক্ষাৰ ভিতৰত নৈতিকতা, মিলা- প্ৰীতি, শিষ্টাচাৰ, নিয়মানুৱৰ্তিতা ইত্যাদিও সোমাই পৰে। ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাগুৰু আৰু অভিভাৱকৰ সহায়ত অথবা নিজ কৰ্ম মাধ্যমৰ বিনিময়ত শৈক্ষিক পৰিৱেশৰ বিভিন্ন উপাদান যেনে- নৈতিকতা, অহিংসা, ন্যায়, সততা, মিলা-প্ৰীতি আদিৰ সহায়ত একোটা শৈক্ষিক পৰিৱেশ গঢ়ি তুলিব পাৰে। ছাত্ৰ-ছাত্ৰীয়ে নিৰ্দিষ্ট শৈক্ষিক আৰু নৈতিক আদৰ্শৰে ঘৰৰ পৰিৱেশটো সুন্দৰ কৰি গঢ়ি তুলিবলৈ অভিভাৱকসকলক বাধ্য কৰাব লাগে। শৈক্ষিক পৰিৱেশ গঢ়ি তোলাত ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ বিশেষ সম্বন্ধ থাকিব লাগিব। ইয়াৰ উপৰিও ছাত্ৰ-ছাত্ৰীসকলে শৃংখলাবদ্ধতা আৰু শিক্ষাগত আদৰ্শ প্ৰয়োগ কৰি ঘৰতে এটা শিক্ষাভিত্তিক পৰিৱেশ গঢ় দিব পাৰে।

প্ৰতিখন বিদ্যালয়তে শিক্ষাগুৰু সকলে নিজ আৰু পুথিগত বিদ্যাৰ উপৰিও আন কিছুমান শিক্ষা যেনে- নৈতিকতা, নিয়মানুৱৰ্তিতা, অনুশাসনতা আদিৰো অলপ আভাস দেখুৱায় ফলত শিক্ষাগুৰু সকলৰ সেই আদৰ্শ বা আভাসৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়ত শৈক্ষিক পৰিৱেশ গঢ়ি তুলিবলৈ সক্ষম হয়।

গতিকে ছাত্ৰাৱস্থাৰ পৰাই একোখন সমাজত শৈক্ষিক পৰিৱেশ গঢ়ি তুলিবলৈ চেষ্টা কৰিব লাগে তেতিয়াহে সমাজ খনত শৈক্ষিক পৰিৱেশৰ প্ৰভাৱ পৰিব আৰু আমাৰ দেশ বা জাতিৰ পটভূমিৰ পৰা কু-প্ৰভাৱসমূহ নিৰ্মূল হ'ব, ফলত আমি সকলো মিলি শৈক্ষিক মহৎ গুণৰাজিৰ উত্তৰাধিকাৰী হিচাপে আগুৱাই যাব পাৰিম আৰু প্ৰগতিৰ অন্তৰায় সমূহক ধ্বংস কৰিব পাৰিম।

নাৰী দিৱস

ইভা ৰাণী মেছ
স্নাতক প্ৰথম ষান্মাসিক, অসমীয়া বিভাগ

'নাৰী দিৱস' সমগ্ৰ বিশ্বত ১৮৫৭ চনৰ পৰা উদ্‌যাপন হৈ আহিছে। আজি একবিংশ শতিকাতো সমগ্ৰ বিশ্বতে ৮ মাৰ্চ দিনটোক নাৰী দিৱস হিচাপে পালন কৰি আহিছে। জাতিৰ কল্যাণ সাধন কৰিবলৈ নাৰীসকলক নিজৰ অধিকাৰ আৰু মৰ্যাদা সম্পৰ্কে সচেতন হ'বলৈ এই দিৱস পালন কৰা হয়। 'নাৰী দিৱস' মাত্ৰ এটা দিন হিচাপেই পালিত হ'ব নালাগে। প্ৰতিটো দিনে প্ৰতিগৰাকী নাৰীৰ বাবে এক উল্লেখনীয় দিন। প্ৰতিটো দিনত নাৰীক সকলোৱে সন্মানৰ চকুৰে চাব লাগে। প্ৰাচীন ভাৰতীয় সমাজত স্ত্ৰীশিক্ষাৰ সমাদৰ আছিল যদিও বৰ্তমান যুগত স্ত্ৰীশিক্ষাৰ ক্ষেত্ৰত বিশেষ উন্নতি হোৱা বুলি ক'ব নোৱাৰি। ইয়াৰ বাবে বহু সময়ত দায়ী সামাজিক, ৰাজনৈতিক আৰু পুৰুষ প্ৰধান সমাজৰ মনোভাব আঁতৰাবলৈ সমাজৰ সকলো নাৰীকে প্ৰকৃত অৰ্থত শিক্ষিত কৰি তুলিব লাগিব। আমাৰ নাৰীসকলে এতিয়াও নানা ধৰণৰ কুসংস্কাৰ, অন্ধবিশ্বাস, ধৰ্মীয় গোড়ামি, সংকীৰ্ণতা আদিৰ দৰে ৰক্ষণশীল সামাজিক প্ৰথাৰ বলি হৈ আছে। প্ৰকৃত অৰ্থত শিক্ষিত হ'লেহে নাৰী সজাগ হ'ব পাৰিব।

যিহেতু মই এগৰাকী ছাত্ৰী; গতিকে মোৰ মতে নাৰী জীৱনত 'শিক্ষা' অতি প্ৰয়োজনীয়। আমি সকলোৱে সুশিক্ষিত হৈ ভৱিষ্যত জীৱন আৰু সমাজৰ পৰিকাঠামো গঢ়াৰ চেষ্টা কৰিব লাগে। তেতিয়াহে আজি আমি নাৰী দিৱস উদ্‌যাপন কৰাৰ প্ৰকৃত তাৎপৰ্য ৰক্ষা কৰিব পাৰিম। আজি একবিংশ শতিকাতো নাৰী শোষিতা লাঞ্চিতা। সৌ সিদিনা দিল্লীত আমাৰ নিচিনা এগৰাকী ছাত্ৰীক দলবদ্ধভাৱে ধৰ্ষণ কৰি যিদৰে মৃত্যুমুখত পেলালে ই আমাৰ সকলোৰে জ্ঞাত। তেনে বহু ঘটনাৰ মুখা পিন্ধা নায়কবোৰে আমাৰ সমাজত মুকলি ভাৱে সমাজত থিয় দি আছে, যাক আইনেও কঠোৰ শাস্তি দিব পৰা নাই। নাৰীৰ মৰ্যদা জীয়াই ৰাখিবৰ কাৰণে আমি সকলো নাৰী একগোট হোৱাৰ প্ৰয়োজন। আমাৰ নাৰী সমাজে সামাজিক দায়বদ্ধতা আয়ত্ত কৰিব নোৱাৰিলে সমাজত আমাৰ সক্ৰিয়তা প্ৰতিপন্ন কৰিব নোৱাৰিলে, নাৰী সমাজ সদায় ৰাষ্ট্ৰীয় ৰাজপথত চলি থকা গৰু গাড়ীৰ দৰে হৈ পৰিব। গতিকে, চৰকাৰ তথা সকলো নাৰী একগোট হৈ আমাৰ নাৰী সমাজখনক সজাগ কৰোঁ আহক।ঃঃঃ

সাহিত্যৰ চলচ্চিত্ৰকৰণ

আশীষপনা মৰল
একাদশ শ্ৰেণী

চলচ্চিত্ৰ আধুনিক যুগৰ সৃষ্টি। এবিধ লহপহকৈ বাঢ়ি অহা কলা। এই লহপহকৈ বাঢ়ি অহা কলাবিধ চালুকীয়া অৱস্থাৰে পৰা সাৰ পানী যোগাই আহিছে এইবিধ কলাৰ পূৰ্ব্বৱৰ্ত্তী দুবিধ সমৃদ্ধিশালী কলা, সাহিত্য আৰু থিয়েটাৰে। আজিৰ পৰা প্ৰায় ৫০ বছৰ মান আগতেই ফৰাচী চলচ্চিত্ৰ সমালোচক এন্দ্ৰি বাজিনে (Andre Bazine) কৈছিল যে সাহিত্য আৰু থিয়েটাৰৰ অবিহনে চলচ্চিত্ৰ অকলে জীয়াই থাকিব নোৱাৰে। সম্প্ৰতি সাহিত্যৰ চলচ্চিত্ৰ কৰণ এক বহুলভাৱে চৰ্চিত বিষয়। আচলতে চলচ্চিত্ৰ আৰু সাহিত্যৰ মাজৰ সম্পৰ্ক অতি নিবিড়। এই সম্পৰ্কক এক সফল আৰু সাৰ্থক 'সহজীৱিতা' (Symbiosis) বুলি অভিহিত কৰিব পাৰি।

বিশ্বৰ বহুতো প্ৰাচীন সাহিত্যৰ পৰা চলচ্চিত্ৰই লাভ কৰিছিল অপৰিসীমা প্ৰেৰণা। বাইবেলৰ কথা বস্তুক উপজীব্য হিচাপে লৈ The king of kings (1961), David and Batsheba (1951), The Rolec (1953), Samson and Delilah (1949), The Greatest story Exer told (1965) আদিৰ দৰে অসংখ্য মনশীল চলচ্চিত্ৰ নিমাৰ্ণ কৰা হৈছে। Theodore Fontaneৰ উপন্যাস Eiffi Briest(1974) "Rainer Werner Fassbinderয়ে উপযুক্ত ভাৱে চলচ্চিত্ৰৰ ৰূপ দিছিল। এই ছবিক সাহিত্য আৰু চলচ্চিত্ৰ সংশ্লেষণৰ সুন্দৰ সফল উদাৰণ বুলি ক'ব পাৰি। Akira Kurosawa Rashomon (1950) য়েই হওঁক বা Hisroshi Teshigahara Tanin no kao (1996)ই হওক এই ছবিবোৰৰ আধাৰ হ'ল সাহিত্য। ভাৰতৰ চলচ্চিত্ৰলৈ মন কৰিলেও দেখিম প্ৰমথেশ বৰুৱা, সত্যজিৎ ৰায়, অদুৰ গোপাল কৃষ্ণণ আদিৰ চলচ্চিত্ৰৰ আধাৰ হ'ল সাহিত্য। বহুতো ভাৰতীয় চলচ্চিত্ৰ নিৰ্মাতাই শৰৎ চন্দ্ৰ চট্টোপাধ্যায়, তাৰাংশংকৰ বন্দোপাধ্যায়, বিভূতিভূষণ বন্দোপাধ্যায়, ৰবীন্দ্ৰ নাথ ঠাকুৰ, প্ৰেমচন্দ্ৰ, আৰ কে নাৰায়ণ, বনফুল আদিৰ দৰে যশস্বী সাহিত্যকৰ্মৰ আধাৰ কৰি চলচ্চিত্ৰ নিৰ্মাণ কৰা দেখা যায়। একেদৰে অসমীয়া চলচ্চিত্ৰ জগতলৈ মন কৰিলেও দেখিম অসমীয়া চলচ্চিত্ৰ জগতৰ বহু কেইখন যুগজয়ী চলচ্চিত্ৰৰ আধাৰ আছিল অসমীয়া সাহিত্য। লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্যৰ আধাৰত জ্যোতিপ্ৰসাদ আগৰৱালাদেৱে ১৯৩৫ চনত প্ৰথমখন অসমীয়া চলচ্চিত্ৰ 'জয়মতী' নিৰ্মাণ কৰে। ইয়াৰ পৰিৱৰ্তী সময়ত নিৰ্মিত বহুতো কালজয়ী অসমীয়া ছবিৰ আধাৰ হ'ল অসমীয়া সাহিত্য। সাহিত্যিক লক্ষ্মীনন্দন বৰাৰ 'গঙা চিলনীৰ পাখি'ৰ আধাৰত নিৰ্মাণ কৰা পদুম বৰুৱাৰ একে নামৰ চলচ্চিত্ৰখন সমান্তৰাল ধাৰাৰ এক মাইলৰ খুঁটি। ড° ভূপেন্দ্ৰ নাথ শইকীয়াৰ 'বানপ্ৰস্থ' গল্পৰ আধাৰত নিৰ্মিত 'সন্ধ্যাৰূপে'ই হওক বা 'এন্দুৰ' গল্পৰ আধাৰত নিৰ্মিত 'কোলাহলে'ই হওক বা 'ফাউণ্ডেচনৰ'ৰ আধাৰত নিৰ্মিত 'সাৰথি'য়েই হওক বা 'অন্তৰীপ' উপন্যাসৰ আধাৰত নিৰ্মিত 'অগ্নিস্নানে'ই হওক প্ৰত্যেকখন ছবিয়েই আছিল উচ্চ স্তৰীয়।

সাহিত্যৰ চলচ্চিত্ৰকৰণৰ ক্ষেত্ৰত সততে এটা প্ৰশ্ন উঠে, সাহিত্যক আধাৰ কৰি নিৰ্মাণ কৰা চলচ্চিত্ৰ এখনত এজন পৰিচালকে সাহিত্যিকজনৰ দৃষ্টি, সৃষ্টি আৰু দৰ্শনক পুৰামাত্ৰাই বিশুদ্ধ কৰি ৰাখিব পাৰেনে? এইখিনিতে "Authory Danies Filming Shakespeare's play" নামৰ গ্ৰন্থখনত কোৱা এটি কথাও প্ৰণিধানযোগ্য।

"Science the natural priorites of the cinema are not immediately competible with the the eatrical priorities of shakespearean drama, the question is

one of the legitimacy of the flim-market's work. How far can the film maker be a creator? To what extent is he obliged to confinc himself to being on interpreater?"

প্ৰকৃততে চলচ্চিত্ৰ হ'ল পৰিচালকৰ এক বিশেষ মাধ্যম। ইয়াত পৰিচালকজনৰ সৃষ্টি, দৃষ্টি আৰু দৰ্শন প্ৰতিফলিত হোৱা উচিত। কিন্তু যেতিয়া তেওঁ মূল সাহিত্যক আধাৰ কৰি চলচ্চিত্ৰ এখন পৰিচালনা কৰিবলৈ যাব যেতিয়া তেওঁ মূল সাহিত্যকৰ্মৰ কথাবস্তুক বিকৃত নকৰাকৈ নিজস্ব দৃষ্টিভংগীৰ প্ৰয়োগ কৰিব পাৰে। মন কৰিবলগীয়া কথা দাদা চাহেব ফালকে বঁটা বিজয়ী তপন সিনহাৰ 'কাবুলীৱালা' নামৰ চলচ্চিত্ৰ এখনত ৰবীন্দ্ৰ নাথ ঠাকুৰৰ গল্পটো যথাযথ ৰূপত চিত্ৰিত হোৱা নাছিল। এনেদ প্ৰসিদ্ধ চলচ্চিত্ৰ নিৰ্মাতা মৃণাল সেন, কুমাৰ চাহানী, অদুৰ গোপাল কৃষ্ণণ আদিও সমালোচনাৰ সন্মুখীন হৈছিল। যেতিয়া তেওঁলোকে সাহিত্যক আধাৰ কৰি চলচ্চিত্ৰ নিৰ্মাণ কৰিছিল। মৃণাল সেনক তেওঁৰ উৰিয়া ছবি 'মাটিৰ মানুষ' (১৯৬৫)ৰ বাবে সমালোচনা কৰা হৈছিল। কাৰণ তেওঁৰ চিত্ৰনাট্য খন মূল সাহিত্য কৰ্মটিতকৈ পৃথক হৈছিল। অদুৰ গোপালকৃষ্ণণ- আৰু কুমাৰ চাহানীকো যথাক্ৰমে 'Vidheyn char adhyay'ৰ বাবে একেটা কাৰণতে বহুলভাৱে সমালোচনা কৰা হৈছিল। কিন্তু তেওঁলোকক সমালোচনা কৰাৰ কোনো যুক্তি নাই। কিয়নো মূল সাহিত্য কৰ্মটিক তেওঁলোকে ক'তো বিকৃত কৰা নাই। মাত্ৰ চলচ্চিত্ৰৰ ধৰ্ম ৰক্ষা কৰিবলৈ মাজে মাজে নিজস্ব দৃষ্টিভংগী, কথাবস্তু, চৰিত্ৰ আদিৰ সমাবেশ ঘটাইছে। দৰাচলতে সাহিত্যৰ পৰা চয়ন কৰা কাহিনী এটা উৎকৃষ্ট হ'লেও এখন ভাল ছবি নিৰ্মাণ নহ'বও পাৰে যদি কাহিনীটোৰ চিত্ৰনাট্যকাৰ জনে সিদ্ধান্ত ল'ব লাগে। কাহিনীটোৰ কোনবোৰ কথা বা চৰিত্ৰ তেওঁ বাদ দিব আৰু কোনবোৰক প্ৰাধান্য দিব আৰু কাহিনীটোৰ ৰূপৰেখা ছবিখনৰ বাবে কিদৰে নিৰ্মাণ কৰিব। ইয়াৰ লগতে তেওঁ চলচ্চিত্ৰৰ ধৰ্মৰ প্ৰতিও সমানে নজৰ দিব লাগিব। উল্লেখযোগ্য যে এইবোৰ দিশত অসমৰ স্বনামধন্য পৰিচালক ড° ভবেন্দ্ৰ নাথ শইকীয়া সচেতন আছিল, পাৰদৰ্শী আছিল বাবেই তেওঁ নিৰ্মাণ কৰা তেওঁৰে প্ৰতিটো গল্প, প্ৰতিখন উপন্যাসৰ কাহিনীৰো একো একোখন উৎকৃষ্ট চিত্ৰনাট্যৰ সৃষ্টি হৈছিল আৰু সেই চিত্ৰনাট্যৰে একো একোখন ভাল ছবি নিৰ্মাণ হৈছিল। এইখিনিতে ড° শইকীয়াৰ ১৯৬০ চনত ৰচিত 'প্ৰহৰী' নামৰ কাহিনী প্ৰধান গল্পটোৰ আধাৰত নিৰ্মিত 'অনিবাৰ্ণ' নামৰ ছবিখনৰ কথাই উল্লেখ কৰিব পাৰি। ৰজনী মাষ্টৰ আৰু তেওঁৰ পত্নী ভাগ্যৱতীৰ কাৰুণ্যক কেন্দ্ৰ কৰিয়েই 'প্ৰহৰী' গল্পটি ৰচনা কৰা হৈছে। এটা দুটাকৈ সন্তানৰ জন্মৰ পিছতে মৃত্যু হোৱা ঘটনাই ৰজনী মাষ্টৰ আৰু ভাগ্যৱতীৰ জীৱন স্থবিৰ কৰি দিব খুজিছে আৰু তাৰ মাজতে এঘাৰ বছৰীয়া স্কুলৰ চাকৰিটোও ৰজনী মাষ্টৰে হেৰুৱাবলগীয়া হৈছে। কিন্তু এদিন, বহুদিনৰ পিছত ৰজনী আৰু ভাগ্যৱতীৰ সংসাৰলৈ নিশা নামৰ এটি কন্যা সন্তান আহিল। নিশাৰ বাল্যকালৰ পৰা যৌৱন কাল প্ৰাপ্তিলৈকে এচেৰেঙা সুখেৰে জীপাল হৈ উঠিল ৰজনী মাষ্টৰৰ সাংসাৰিক জীৱন। কিন্তু হঠাতে নিশাৰো মৃত্যু হ'ল আৰু এই মৃত্যুৱে ৰজনী মাষ্টৰৰ আৰু ভাগ্যৱতীৰ জীৱন যন্ত্ৰণা অধিক ঘনীভূত কৰি তুলিলে। কাহিনীটোলৈ লক্ষ্য কৰিলে দেখা যায় এই কাহিনীটো যেন বহু পৰিমাণে নিয়ন্ত্ৰিত হৈছে নিয়তিৰ দ্বাৰা, এক অজান অদৃষ্টৰ দ্বাৰা। যি কি নহওক দিবাকৰ-নিশাৰ প্ৰেমৰ পৰা আৰম্ভ কৰি নিশাৰ মৃত্যু হোৱা, দিবাকৰ বিজয়াৰ বিয়া আৰু এই বিয়াত ভাগ্যৱতী ধৈৰ্য্যচ্যুতা হোৱা কাহিনীৰ অংশ বিশেষ অপ্ৰয়োজনীয় বুলি বহুতো সমালোচকে মন্তব্য কৰিছে। তেওঁলোকৰ মতে এই অংশই গল্পটোৰ কাৰিকৰী গুণ হ্ৰাস কৰিছে। কিন্তু ছবিখনত পূৰ্ণতা পাইছে, কাহিনীটো বেছি সংবেদনশীল হৈ উঠিছে আৰু এই অংশই কেথাৰচিছ সৃষ্টি কৰিব পাৰিছে। উল্লেখনীয় যে সম্পূৰ্ণ চলচ্চিত্ৰৰ ৰূপ দিছে। প্ৰয়োজনমতে সহযোগী চৰিত্ৰ, খণ্ড চৰিত্ৰ আৰু পৰিৱেশ চৰিত্ৰৰ সংযোগ ঘটাইছে। গল্পটোত ৰজনী মাষ্টৰৰ জীৱনৰ কাৰুণ্যক যেতিয়া সেই সাহিত্যিকে চলচ্চিত্ৰৰ ৰূপ দিয়ে আৰু সেই চলচ্চিত্ৰই ৰাইজৰ হৃদয় জয় কৰে তেতিয়া পৰৱৰ্তী সময়ত সেই সাহিত্য ব্যাপক ৰূপত বিক্ৰী হোৱাৰ লগতে জনপ্ৰিয় হোৱাৰো অলেখ উদাহৰণ আছে। ই সাহিত্যৰ চলচ্চিত্ৰ কৰণৰ অন্যতম যোগাত্মক দিশ।

চলচ্চিত্ৰ হৈছে এক যৌগিক কলাৰূপ। ইয়াক crystallired art বুলিও ক'ব পাৰি। কাৰণ চলচ্চিত্ৰ হৈছে এক নতুন, আধুনিক যৌগিক শিল্প, ইয়াক পুৰণি প্ৰতিষ্ঠিত আন কিছুমান শিল্পই সমৃদ্ধ কৰিছে, আৰু এইবোৰৰ ভিতৰত অন্যতম সাহিত্য। সাহিত্যৰ চলচ্চিত্ৰ কৰণৰ প্ৰসংগত পৰিশেষত ক'ব পাৰি যে সাহিত্যকৰ্মৰ এটি সাৰৰ আধাৰতেই চলচ্চিত্ৰকাৰ এজনে চলচ্চিত্ৰ এখনত নিজা ব্যাখ্যাৰে কাহিনী, চৰিত্ৰ, পৰিৱেশ নিৰ্মাণ কৰি চলচ্চিত্ৰ কৰ্মটিক এক স্বকীয় ৰূপ প্ৰদান কৰে।▶▶

জৈৱ বৈচিত্ৰ্য

আৰু ইয়াৰ সংৰক্ষণ

বৰষা বৰা
স্নাতক পঞ্চম ষান্মাসিক, ভূগোল বিভাগ

বিজ্ঞানৰ চৰম উন্নতিৰ যুগতো আশ্চৰ্যজনক ভাৱে পৃথিৱীত থকা জীৱৰ প্ৰজাতি সমূহৰ সৰহভাগেই এতিয়াও আৱিষ্কাৰ নোহোৱাকৈ আছে। বৰ্তমান পৃথিৱীত থকা জীৱৰ প্ৰজাতিৰ সংখ্যা প্ৰায় ১০০ নিযুত হ'ব বুলি ঠাৱৰ কৰা হৈছে। ইয়াৰে মাত্ৰ ১.৪ নিযুত প্ৰজাতিহে (উদ্ভিদ, প্ৰাণী আৰু অনুজীৱৰ সৈতে) চিনাক্ত কৰি নামকৰণ কৰা হৈছে।

উল্লেখযোগ্য যে এই বিশাল জীৱ সমূহৰ পৰা মানৱ জাতি বিভিন্ন প্ৰকাৰে উপকৃত হ'ব পাৰে। সেয়েহে পৃথিৱীৰ এই জীৱ সমূহৰ বৈচিত্ৰ্য অধ্যয়ন কৰা আৰু ইহঁতৰ বিলুপ্তিত বাধা দিয়া, অধ্যয়ন কৰা অতিকৈ আৱশ্যক।

জৈৱ বৈচিত্ৰ্য তিনিটা ভাগত ভাগ কৰিব পৰা যায় ঃ-

১। বংশগতিৰ বৈচিত্ৰ্য ঃ- পৃথিৱীৰ প্ৰত্যেকবিধ জীৱৰ বংশগতিৰ ক্ষেত্ৰত পাৰ্থক্য থকাটো পৰিলক্ষিত হয়। বংশগতিৰ বাহক সমূহৰ সংমিশ্ৰণৰ ফলত একে প্ৰজাতিৰ জীৱসমূহৰ মাজতে যথেষ্ট বৈচিত্ৰ্য সৃষ্টি হয়। এনেধৰণৰ বৈচিত্ৰ্যক জিনীয় বৈচিত্ৰ্য (genetic diversity) বোলা হয়।

২। পৰিৱেশীয় বৈচিত্ৰ্য ঃ- বিভিন্ন পৰিৱেশত থকা জীৱ সম্প্ৰদায়ৰ প্ৰকাৰ ভিন্ন ভিন্ন ধৰণৰ হয়। এনেধৰণৰ পৰিৱেশতন্ত্ৰৰ অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰি তাত থকা বিভিন্ন জীৱৰ যি বৈচিত্ৰ্য তাক পৰিৱেশীয় বৈচিত্ৰ্য বোলে।

৩। প্ৰজাতিৰ বৈচিত্ৰ ঃ- বিভিন্ন অধ্যয়নৰ পৰা দেখা গৈছে যে, ভৌগোলিক অৱস্থান, পৰিস্থিতি তন্ত্ৰৰ প্ৰকাৰ, বিভিন্ন জীৱৰ গোট (taxonomy) ইত্যাদিৰ ওপৰত নিৰ্ভৰ কৰি উদ্ভিদ বা প্ৰাণীৰ প্ৰকাৰ বেলেগ বেলেগ হয়।

জৈৱ বৈচিত্ৰ্যৰ সংৰক্ষণৰ প্ৰণালীসমূহ ঃ-

জৈৱ বৈচিত্ৰ্যৰ গুৰুত্ব উপলব্ধি কৰি ইয়াৰ সংৰক্ষণৰ বাবে কিছুমান পদ্ধতি বৰ্তমানে গ্ৰহণ কৰা হৈছে ঃ-

১। বাসভূমিৰ সংৰক্ষণ ঃ- এই ধৰণৰ সংৰক্ষণ বন্য জীৱ-জন্তু আৰু উদ্ভিদৰ ক্ষেত্ৰত প্ৰয়োজন হয়। ইয়াৰ বাবে সংৰক্ষিত এলেকাৰ প্ৰয়োজন হয়। যেনে- অভয়াৰণ্য, সংৰক্ষিত জৈৱমণ্ডল, সংৰক্ষিত ভূমি ইত্যাদি।

২। বাসভূমিৰ পৰা আঁতৰত সংৰক্ষণ ঃ- জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ বাবে কিছুমান বিৰল বা বিপন্ন প্ৰাণী বা উদ্ভিদৰ নমুনা 'জিন বেংকত' (gene bank) প্ৰতিষ্ঠাৰ দ্বাৰা সংৰক্ষণ কৰি ৰখা হয়।

চিৰিয়াখানা, উদ্ভিদ উদ্যান বা জিনীয় প্ৰয়োগশালা সমূহ এই ধৰণৰ 'জিন বেংকৰ' অন্তৰ্গত।

জৈৱ বৈচিত্ৰৰ প্ৰতি ভাবুকি ঃ-

বৰ্তমান সময়ত জৈৱ বৈচিত্ৰ লোপ পোৱাৰ উল্লেখনীয় কাৰণ কেইটা হৈছে ঃ-

১। বাসস্থানৰ অভাৱ

২। বন্য জন্তুৰ চোৰাংচিকাৰ

৩। মানুহৰ আৰু বন্য জন্তুৰ সংঘাত

এই সকলোবোৰ কাৰণৰ বাবে আমি মানৱ জাতিকেই দোষাৰোপ কৰিব পাৰো। ▶▶

বুৰঞ্জী শিক্ষা

চুম্পী ভৰলুৱা
উঃ মাঃ দ্বিতীয় বৰ্ষ

বুৰঞ্জী হ'ল এটা জাতিৰ পৰিচয়। পৃথিৱীৰ প্ৰতিটো সভ্য জাতিৰে একোটা নিজা নিজা বুৰঞ্জী আছে। এটা জাতিৰ উত্থান-পতনৰ সবিশেষ তথ্য আমি বুৰঞ্জীৰ পৰাই জানিব পাৰো। এই ক্ষেত্ৰত আমি অসমবাসী সঁচাকৈয়ে চহকী বুলি ক'ব পাৰি। কাৰণ আমাৰ অসমত অতীজৰে পৰাই বুৰঞ্জী চৰ্চা হৈ আহিছে।

'বুৰঞ্জী' এটা টাই শব্দ। ড০ সূৰ্যকুমাৰ ভূঞাই কৈছে "বুৰঞ্জী মানে মূৰ্খৰ শিক্ষাৰ ভঁৰা"। টাই শব্দ 'বু-লান-চি' বু-লান জী আৰু বু-ৰণ-জী ৰ অৰ্থ প্ৰায় একে। ই নাতি পুতিলৈ থৈ যোৱা কাকত-পত্ৰৰ ভঁৰালকে বুজায়। এনেদৰে শিক্ষাৰ অৰ্থে ককাকইতে নাতিয়েকইঁতলৈ থৈ যোৱা আপুৰুগীয়া সম্পদেই হ'ল বুৰঞ্জী। আহোম ৰাজতন্ত্ৰৰ প্ৰতিষ্ঠাপক চাওলুং-চুকাফাই সুদূৰ মাওলুং ৰাজ্য ত্যাগ কৰি আহোতে বাটত যি মৰে, যাক পাওঁ, বাটত যি কথা হয়, তাকে লিখি যাবলৈ আদেশ দিলে আৰু তেনেকৈয়ে বুৰঞ্জী ৰচনাৰ আৰম্ভণি হয়।

আহোম ৰাজত্ব কালত বুৰঞ্জী চৰ্চা কৰাটো অপৰিহাৰ্য আছিল। বুৰঞ্জী শিক্ষাৰ জৰিয়তে আহোম ৰূপকোঁৱৰ সকলক তথা ডা-ডাঙৰীয়া সকলৰ সতি-সন্ততি সকলক ৰাজনীতি, সমাজনীতি আৰু নৈতিক শিক্ষা দিয়া হৈছিল। সেয়েহে তেওঁলোকে বুৰঞ্জী পঠান-পাঠান আৰু প্ৰণয়নৰ বিশেষ গুৰুত্ব আৰোপ কৰিছিল।

বুৰঞ্জী হ'ল জ্ঞানৰ ভঁৰাল। আমি অতীতক জানিবলৈ বুৰঞ্জী চৰ্চা কৰা দৰকাৰ। এসময়ত গুহাত বাস কৰা আদিম মানৱে ক্ৰম-বিকাশৰ যোগেদি বিভিন্ন স্তৰ অতিক্ৰমি কেনেকৈ এই পৃথিৱীত জীৱশ্ৰেষ্ঠ হিচাপে পৰিচয় দিব পৰা হ'ল তাকো আমি বুৰঞ্জী অধ্যয়নৰ জৰিয়তেহে জানিব পাৰো। বুৰঞ্জীয়ে কয় পৃথিৱীৰ বিভিন্ন সভ্যতাৰ কথা। সেয়া সুদূৰ নীল নদীৰ সভ্যতাৰ কথাকে হওঁক বা হিন্দু নদীৰ সভ্যতাৰ কথাকে হওঁক। বিশাল পৃথিৱীৰ প্ৰতিটো সভ্যতাতে নিহিত হৈ থাকে সেই সময়ৰ সেই জাতিটোৰ শৌৰ্য-বীৰ্যৰ কথা। আমি বুৰঞ্জী অধ্যয়নৰ জৰিয়তে পৃথিৱীৰ ভিন ভিন জাতিৰ সাহিত্য সংস্কৃতি, সমাজনীতি, ৰাজনীতি তথা উত্থান-পতনৰ বিষয়ে জানিব পাৰো।

বুৰঞ্জী এটা জাতিৰ পথ প্ৰদৰ্শক। কোনো এটা জাতিৰ জাতীয় জাগৰণৰ বেলিকা জনসাধাৰণক বুৰঞ্জীয়ে বিশেষভাৱে অনুপ্ৰাণিত কৰিব পাৰে। স্বদেশ তথা স্বজাতিৰ হকে নিঃস্বাৰ্থভাৱে আত্মবলিদান দিয়া হেজাৰ-হেজাৰ বীৰ-বীৰাংগনাৰ হেজাৰ হেজাৰ কাহিনীৰে পৃথিৱীৰ বুৰঞ্জী ভৰি পৰিছে। চৰায়ে ডেউকাৰ তলত পোৱালীক নিৰাপদে ৰখাৰ দৰে এনে বহু ৰজা মহাৰজাৰ কাহিনী পোৱা যায়; যি সকলে ৰাজ্য আৰু প্ৰজাৰ কাৰণে জীৱন ত্যাগ কৰি গ'ল। এনেবোৰ কাহিনীৰ নীতি আদৰ্শই পিছৰ পুৰুষক অনুপ্ৰেৰণা যোগায় আৰু জাতীয় জীৱনৰ সংকটৰ সময়ত জাতীয় চেতনাক উদ্বেলিত কৰি সঠিক পথৰ সন্ধান দিয়ে। এক কথাত জাতিৰ উত্তৰণত বুৰঞ্জীৰ অৰিহণা অসীম। বুৰঞ্জীৰ পৰা শিকিব লগা অনেক কথাই আছে। ভাল কৰ্মৰ ভাল ফল বেয়া কৰ্মৰ বেয়া ফলৰ উদাহৰণ বুৰঞ্জীত অনেক দেখিবলৈ পোৱা যায়। আমাৰ মহাকাব্য দুখনিলৈ লক্ষ্য কৰিলে জানিব পাৰি 'ৰামায়ণ'ত ৰামৰ আচল পিতৃ-ভক্তি আৰু 'মহাভাৰত'ত যথা ধৰ্ম তথা জয়'ৰ কথা। এনেবোৰ কথাই নৈতিক চৰিত্ৰ গঠনত যথেষ্ট সহায় কৰে।

সাহিত্য হ'ল জাতিৰ দাপোণ। বুৰঞ্জী সাহিত্য ইয়াৰে এটা অংগ। বুৰঞ্জীত কেৱল ৰাজনৈতিক ঘটনাৱলীয়েই সন্নিবিষ্ট থাকে এনে নহয়, ইয়াৰ যোগেদি সমাজ নীতি, অৰ্থনীতি, নৈতিক শিক্ষাকে ধৰি বিভিন্ন শিক্ষা লাভ কৰিব পাৰি। গতিকে বুৰঞ্জী শিক্ষা বা বুৰঞ্জী চৰ্চা কৰা এটা প্ৰয়োজনীয় কথা। কিন্তু দেখা যায় যে বুৰঞ্জী অধ্যয়নৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকল বিশেষ আগ্ৰহী নহয়। ইয়াৰ মূলতে হয়তো চন-তাৰিখ নাইবা বৰ্ণনাত্মক হিচাবে লিখিব লগা বিষয় বুলি অহেতুক ভীতি। কিন্তু প্ৰকৃততে তেনে নহয়। ই এটা ৰসাল বিষয়হে। এনে এটা বিষয়ৰ অধ্যয়নে ছাত্ৰ-ছাত্ৰীৰ অতীত প্ৰীতি হ'বলৈ জগাই তোলাৰ লগতে নজনা কথা জানিবলৈ সুবিধা পায়। এক কথাত ক'বলৈ গ'লে অন্য নহ'লেও নিজ জাতিটোৰ বিষয়ে জানিবলৈ বুৰঞ্জী শিক্ষাৰ প্ৰয়োজন।

নাৰী আৰু সামাজিক প্ৰস্থিতি

শ্ৰীমতী নীলাক্ষি বৰগোহাঁই
স্নাতক প্ৰথম ষান্মাসিক, অৰ্থনীতি বিভাগ

'নাৰী', সৃষ্টিৰ আদিৰে পৰা যাৰ ভূমিকা অপৰিসীম। বিভিন্ন ৰূপত বিভিন্ন সময়ত মানৱ জীৱনত নাৰীৰ অৱদান আছে। হয়তো নাৰী হ'ব পাৰে কাৰোবাৰ মাতৃ, কাৰোবাৰ পত্নী নাইবা ভগ্নী। পৰিবৰ্তনশীল সমাজ ব্যৱস্থাত বৰ্তমান নাৰীয়ে যথেষ্ট মৰ্যদা লাভ কৰিছে। তথাপি সমাজত এই নাৰী জাতি ইমান অৱহেলিত কিয়?

ইতিহাসে ঢুকি পোৱা সময়ৰ পৰাই সমাজত নাৰীৰ স্থান পুৰুষৰ অধীন। এই পৰাধীনতাৰ মূল কাৰণ কেৱল সামাজিক বা প্ৰাকৃতিক নহয়। মাতৃ হিচাপে নাৰী ঘৰ-সংসাৰত আৱদ্ধ থাকে আৰু পুৰুষে বৰ্ধিত অৰ্থনীতি, ৰাজনীতি, ধৰ্ম, সংস্কৃতিৰ ভেটিত সমাজ গঢ়ে। মাতৃ হিচাপে, ঘৰ সংসাৰৰ গুৰি ধৰোঁতা হিচাপে সমাজৰ মূল ভেটি গঢ়ি তোলাত নাৰীৰ প্ৰধান অৱদান তল পৰি থাকে। মহিলাৰ অধীনতা ধৰ্ম, ৰাজনীতি আৰু সংস্কৃতিৰ জৰিয়তে সাব্যস্ত হয়। মহিলাৰ কৰ্ম আৰু সামাজিক অৱদান ইতিহাসৰ পাতৰ পৰা নিৰ্মূল হয়। ঠিক একেদৰে সমাজৰ নেতৃস্থানীয় ৰজা, যুঁজাৰু, পুৰোহিত শ্ৰেণীয়ে সমাজৰ অন্য খাটিখোৱাসকলক অধীনলৈ আনি তেওঁলোকৰো কৃতি আৰু অৱদান ইতিহাসৰ পাতৰ পৰা মচি দিয়ে।

অৱশ্যে ৰুছ আৰু গণতান্ত্ৰিত চীন আদি দেশত হোৱা সমাজবাদী বিপ্লৱত মহিলাই পুৰুষৰ সৈতে সমানে সমানে সংগ্ৰাম কৰি ত্যাগ স্বীকাৰ কৰাৰ বাবে এনে দেশসমূহত মহিলাক আইনগত অধিকাৰ দিয়া হৈছে। তেনেদৰে ভাৰতবৰ্ষতো মহিলাৰ বাবে বিশেষ আইনগত অধিকাৰ- যেনে পৈতিক সম্পত্তি লাভ, সতীদাহ প্ৰথা নিৰ্মুল, যৌতুক ব্যৱস্থা নাইকিয়া কৰা, মনঃপুত বিবাহ বিচ্ছেদ আদিৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি ৰাজনৈতিক আদি সকলো ক্ষেত্ৰতে মহিলাৰ বাবে আসন সংৰক্ষণ, অৰ্থনৈতিকভাৱে যোগ্যতামূলক কোনো চাকৰিত আবেদন কৰাৰ অধিকাৰ লাভ কৰিছে। আৰু তাৰেই ফলশ্ৰুতিত কল্পনা চাওলা, সুনীতা উইলিয়াম, কিৰণ বেদী, প্ৰতিভা দেৱী সিং পাটিল আদি মহিলাই নিজৰ নাম উজ্জ্বলাইছে।

তত্ত্বগতভাৱে নাৰীক পুৰুষৰ সৈতে সমানাধিকাৰ দিয়াৰ ন্যায়সংগতা পৃথিবীৰ প্ৰায় সকলো দেশতে স্বীকৃত। কিন্তু হাজাৰ হাজাৰ বছৰ ধৰি চলি থকা দমনকাৰী প্ৰবৃত্তি আৰু পৰাধীনতাৰ ভাৰ জানো সহজে মচ খাব? ধৰ্ম, শাস্ত্ৰ, সংস্কৃতি আৰু লোক বিশ্বাসত নাৰীৰ পৰাধীনতাৰ ভাৰ ইমান দকৈ শিপাই গৈছে যে, ইয়াৰ সংশোধন কাৰ্য পৰ্বত গুচোৱাৰ দৰে কঠিন হৈ পৰিছে। নাৰীৰ প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত কৰি ৰখাৰ মাজেদিয়েই সমাজত নাৰীৰ প্ৰতি হেয় মনোভাৱ প্ৰতিপন্ন হয়।

নাৰীৰ প্ৰতি চলি থকা এই শোষণ-অত্যাচাৰৰ বহিঃপ্ৰকাশ ঘটে— ডাইনী হত্যা, ধৰ্ষণ, যৌতুকৰ বাবে অত্যাচাৰ আদি ঘটনাসমূহৰ বাবে। মানুহ যিমানেই শিক্ষিত নহওঁক কিয়, আমাৰ সমাজৰ পৰা এই সমস্যাসমূহ শেষ হোৱাটো স্বপ্নৰ দৰেহে। তাৰেই উদাহৰণ- অসমৰ জি.এছ. ৰোডৰ কাণ্ড, দামিনী কাণ্ড ইত্যাদি নহয় জানো? কিন্তু এনে অপৰাধ ঘটোৱা বৰ্বৰহঁতে পাহৰি যায় কিয় যে এইসকলৰ কোনোবাই মাতৃৰূপে সিহঁতক জনমদায়িনী, পত্নীৰূপে সংগদায়িনী।

নাৰী বিনে সৃষ্টি অসম্ভৱ। সঁচা অৰ্থত প্ৰতিগৰাকী নাৰীয়েই এখন সমাজৰ সবল প্ৰতিচ্ছবি দাঙি ধৰিব পাৰে। মাদাৰ টেৰেছা, ইৰম শৰ্মিলা, আনা চাং চ্যু কি; তালিবানৰ বিপক্ষে যুঁজ দিয়া মালালা ইয়াৰ উল্লেখযোগ্য উদাহৰণ। সেয়েহে নাৰীক অৰ্ধআকাশৰ লগত তুলনা কৰিব পাৰি। কিয়নো নাৰীয়েই হৈছে সৌন্দৰ্য, গৰিমা আৰু প্ৰাণৰ প্ৰতীক চিহ্ন।

ফেচবুক

মৌচুমী পান তাঁতী
একাদশ শ্ৰেণী (বিজ্ঞান শাখা)

তথ্য-প্ৰযুক্তিৰ এই বিস্ফোৰণৰ যুগত যোগাযোগৰ ক্ষেত্ৰত এক নৱ অভ্যুত্থান সৃষ্টিৰ কাৰকটোৱেই হ'ল ইন্টানেট। সমাজ জীৱনৰ এক গুৰুত্বপূৰ্ণ অংগ হিচাপে ইন্টাৰনেট বৰ্তমান এক প্ৰতিষ্ঠিত শব্দ। ইন্যাৰনেটৰ প্ৰভুত প্ৰসাৰ আৰু জনপ্ৰিয়তাৰ ফলতেই জন্ম হৈছে যোগাযোগৰ নতুন ছ'চিয়েল নেটৱৰ্কিং বেৱছাইটসমূহ। ১৯৯৫ চন মানৰ পৰাই বিভিন্ন সৰু-বৰ বেৱছাইটৰ যোগেদিয়েই আৰম্ভ হৈছিল বিভিন্ন সামাজিক আদান-প্ৰদানৰ ব্যৱস্থা। ফেচবুক হৈছে তেনে এক সামাজিক আদান-প্ৰদানৰ মাধ্যম।

ফেচবুক নামৰ বিশ্বৰ আটাইতকৈ জনপ্ৰিয় এই ছ'চিয়েল নেটৱৰ্কিং বেৱছাইটটো ২০০৪ চনত প্ৰতিষ্ঠা কৰা হৈছিল। কম্পিউটাৰ বিজ্ঞানৰ তিনি সতীৰ্থ এডুৱাৰডো ছেভেৰিন, ডাষ্টিন মস্ক'ভিটজ আৰু ক্ৰিছ হিউগৰ সৈতে লগ লাগি মাৰ্ক জুকাৰবাৰ্গে ফেচবুক প্ৰতিষ্ঠা কৰিছিল। প্ৰথম অৱস্থাত হাভাৰ্ড বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে সীমাবদ্ধ থকা বৰ্তমান ফেচবুকৰ ইউজাৰ প্ৰায় ৯০০ নিযুত। ফেচবুক জন্মদাতা মাৰ্ক জুকাৰবাৰ্গক ২০১০ চনৰ বিশ্ববিখ্যাত 'টাইম' আলোচনীয়ে বৰ্ষটোৰ ব্যক্তিৰূপে নিৰ্বাচন কৰিছিল। বৰ্তমান ১৩.৫ বিলিয়ন ডলাৰ সম্পত্তিৰ গৰাকী জুকাৰবাৰ্গৰ জীৱনৰ আধাৰত 'দি ছ'চিয়েল নেটৱৰ্ক' নামৰ হলীউডৰ ছবি এখনো নিৰ্মাণ কৰা হৈছিল। ছবিখনে ৮টাকৈ অস্কাৰৰ মনোনয়ন লাভ কৰাৰ লগতে তিনিটাকৈ একাডেমী বঁটা লাভ কৰিবলৈ সক্ষম হয়।

ফেচবুকে মানুহক আমোদ প্ৰদান কৰে যদিও ইয়াৰ ব্যৱহাৰৰ ফলত হোৱা কিছুমান অপকাৰৰ কথাও নুই কৰিব নোৱাৰি। বৰ্তমান ইউজাৰৰ প্ৰায় অধিকাংশই শিক্ষাৰ্থী। এই সকলে প্ৰায়েই ফেচবুকৰ সৈতে বহুত সময় অৰাবত নষ্ট কৰে। গতিকে যুৱ-প্ৰজন্মই প্ৰয়োজন অনুসাৰে ইয়াৰ ব্যৱহাৰ কৰা উচিত। পৰাপক্ষত তেওঁলোকে নিজকে ইয়াৰ পৰা এৰাই চলা উচিত। কিয়নো ইয়াৰ অপব্যৱহাৰে সমাজলৈ বিপদ মাতি আনে।

শিশু শ্ৰমিকৰ জীৱনৰ ওপৰত এটি টোকা

ভায়'লিনা গগৈ
স্নাতক প্ৰথম ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

দৰিদ্ৰ আৰু ক্ষমতাহীন লোকৰ মাজতেই সৃষ্টি হয় শিশু শ্ৰমিকৰ। আন সুস্থ শিশুৰ দৰে তেওঁ ও সুস্থ। শিশু দৰিদ্ৰতাই তেওঁলোকক শিশুৰ পৰা শ্ৰমিকলৈ ৰূপান্তৰ কৰে। ভাৰতৰ দৰে দেশত শিশু শ্ৰমিক কোনো ডাঙৰ কথা নহয়। ভাৰতত দৰিদ্ৰ লোকৰ সংখ্যাই অধিক। এই লোকসকলে জীয়াই থাকিবলৈ দুবেলা-দুসাঁজ খাবলৈ নাপায়। তেনেস্থলত শিক্ষাগ্ৰহণ কৰি ডাঙৰ মানুহ হ'বলৈ তেওঁলোকৰ টকা-পইচাই বা ক'ত? আৰু তাৰ ফলতেই তেওঁলোক শ্ৰমিকৰ শাৰীলৈ নামি যাবলৈ বা শ্ৰমিক হিচাপে জীৱিকা নিৰ্বাহ কৰিবলৈ লৈ উপাৰ্জন কৰি পেট পুৰাইছে। তেনেকুৱা এটা পৰিয়ালৰ শিশুৱে শিক্ষাৰ পোহৰ খুব কমহে দেখা যায়। ফলত শিক্ষাৰ পোহৰ নোপোৱা সকলক অলপ বুজিব পৰা হ'লেই মাক-দেউতাকে উপাৰ্জন কৰিবলৈ তেওঁলোকক পঠায় আৰু তেওঁলোক শ্ৰমিকলৈ পৰিণত হয়। তেওঁলোক শ্ৰমিক হিচাপে নিৰ্মাণ কাৰ্যৰ সহায়ক, ৰাস্তাৰ দাঁতিৰ ৰেষ্টোৰা (ধাবা) আৰু চাহ বিপনীত চাফাই কৰ্মী আৰু সহায়ক আদি ৰূপত আমি প্ৰত্যক্ষ কৰোঁ। এই শিশুসকলে লোকৰ অধীনত কাম কৰে। অৰ্থাৎ শোষণৰ সন্মুখীন হয় আৰু নিজৰ জীয়াই থকাৰ সম্বল হিচাপে তাক গ্ৰহণ কৰে।

সামাজিক বৈষম্য আৰু বৰ্জন শিশুক শ্ৰমিকত ৰূপান্তৰ কৰাৰ এটা প্ৰধান কাৰণ। কোনো এটা পৰিয়ালৰ জাতি বা শ্ৰেণী যদি নিম্ন হয় তেনে পৰিয়ালৰ জাতি, শ্ৰেণী বৈষম্যৰ বলি হৈ সামাজিকভাৱে নিম্ন স্থান পায় আৰু ফলত অনুষ্ঠান প্ৰতিষ্ঠান সমূহৰ যোগদানৰ পৰাও তেওঁলোক বিৰত থাকিব লগা হয়। তেনেস্থলত তেওঁলোক জাতি বৈষম্যৰ বলি হৈ দুখীয়াসকল শিশু শ্ৰমিকত পৰিণত হোৱাত অৰিহণা পায়। এজন শিশু নিজৰ দৰিদ্ৰাৱস্থাৰ হেতু সমাজত প্ৰতিষ্ঠিত হোৱাত অসুবিধাৰ সৃষ্টি হয়। তেওঁ শিক্ষাৰ পৰা বিৰত থাকি পৰিয়াল পোহপাল দিয়া বা জীয়াই থকাৰ সম্বল হিচাপে কাম কৰিবলৈ ল'লে তেওঁ মানসিকভাৱে ভাগি পৰিবও পাৰে। কাৰণ হ'ল- তেওঁলোকৰ দৰেই এচাম ধনী শ্ৰেণীৰ শিশুয়ে তেওঁলোকৰ প্ৰতি কৰা বৈষম্যমূলক আচৰণ।

প্ৰতিজন মাক-দেউতাকে তেওঁলোকৰ শিশুক পঢ়ি-শুনি ডাঙৰ মানুহ হোৱাতো আশা কৰে। কিন্তু কিছুমান লোকৰ ক্ষেত্ৰত দৰিদ্ৰতাই পঢ়া-শুনা কৰাৰ ক্ষেত্ৰত বা আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত বাধা হিচাপে দেখা দিয়ে। দৰিদ্ৰ শ্ৰেণীৰ লোকে শিশুক এটা ভাল জীৱন দিবলৈ টকা-পইচা গোটাই দিয়াত অসমৰ্থ। তেওঁলোকে শ্ৰমিক হিচাপে যিমানখিনি উপাৰ্জন কৰে সেইখিনি পৰিয়ালটোৰ পোহপালৰ বাবেই খৰচ কৰিব লগা হয়।

এই শ্ৰমিক শিশুসকলক শিক্ষা দিয়াৰ উদ্দেশ্যে চৰকাৰে ব্যৱস্থা নোলোৱাও নহয়। ভাৰতৰ সংবিধানৰ মৌলিক অধিকাৰৰ অন্তৰ্গত যি শিক্ষাৰ অধিকাৰ আছে তাৰ অধীনত ১৪ বছৰলৈকে বিনামূলীয়া শিক্ষাৰ অধিকাৰ আঁচনি চৰকাৰে লৈছে। তাৰ ফলত এই দুখীয়া শিশুসকল উপকৃতও হৈছে। কিন্তু শিশু শ্ৰমিক ভাৰতৰ পৰা দূৰ কৰাত চৰকাৰ অসমৰ্থ বুলিবও পাৰি। আজিও ভাৰতৰ অলিয়ে গলিয়ে শিশু শ্ৰমিক দেখা পোৱা যায়। আজিও তেওঁলোক বৈষম্যৰ বলি হৈ আহিছে।

ভাৰতত শিশু শ্ৰমিক থকাটোৰ অৰ্থ ভাৰত অৰ্থনৈতিকভাৱে এতিয়াও পিছ পৰি আছে। আমি এই অৱস্থা অদূৰ ভৱিষ্যতে শেষ হ'ব বুলি আশা ৰাখিলো। আমাৰ দেশৰ কোনো শিশুৱে যাতে কোনো দিনাই বা ভৱিষ্যতে শোষণৰ সন্মুখীন নহয়।

"ইন্টাৰনেট- ইয়াৰ শৈক্ষিক গুৰুত্ব"

মৃদুস্মিতা ফুকন
স্নাতক পঞ্চম ষান্মাসিক, শিক্ষা বিভাগ



সাম্প্ৰতিক প্ৰেক্ষাপটত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অভুতপূৰ্ব উন্নতিৰ পৰিপ্ৰেক্ষিতত বিশ্বৰ মানৱ সমাজলৈ আগবঢ়োৱা অনবদ্য অৱদান "কম্পিউটাৰ" ব্যৱহাৰেৰে আজিৰ যুগটোক আমি "কম্পিউটাৰৰ যুগ" হিচাপে নামকৰণ কৰিব পাৰো। এই কম্পিউটাৰৰে শেহতীয়া সংযোজন হৈছে "ইন্টাৰনেট"। বৰ্তমান সময়ত স্কুললৈ যাবলৈ আৰম্ভ কৰা সৰু সৰু ল'ৰা-ছোৱালীকে আদি কৰি প্ৰাপ্তবয়স্কলৈকে সকলোৰে মুখত সঘনাই উচ্চাৰিত হোৱা এটা শব্দ হৈছে ইন্টাৰনেট। পৃথিৱীৰ এক বৃহৎ সংখ্যকলোকে বিভিন্ন উদ্দেশ্যৰে ব্যৱহাৰ কৰা ইন্টাৰনেটে একবিংশ শতিকাত পৃথিৱীখনক এখন সৰু গাঁৱলৈ পৰিৱৰ্তন কৰাৰ লগতে মানৱক অতি দ্ৰুতভাৱে কম খৰচত নিতৌ ন-ন তথ্যৰ সন্ধান দিবলৈ সক্ষম হৈ পৰিছে।

ইন্টাৰনেট কি??

সাধাৰণতে পৃথিৱীত হাজাৰ হাজাৰ LAN(Local Area Network) আৰু WAN(Wide Area Network) বোৰক একেলগে সংযোগ কৰি এটা প্ৰণালীত সংলগ্ন কৰা ব্যৱস্থাটোকে ইন্টাৰনেট বুলি কোৱা হয়। অৰ্থাৎ লক্ষ লক্ষ কম্পিউটাৰৰ ইটোৰ লগত সিটোক পাৰস্পৰিকভাৱে সংযোগ কৰি দুই বা ততোধিক ব্যক্তিৰ মাজত যি প্ৰণালীবদ্ধ যোগাযোগ স্থাপন কৰা হয় তেনে নেটৱৰ্কিঙকেই ইন্টাৰনেট বোলা হয়। এনে নেটৱৰ্ক প্ৰণালীটো অতি সূক্ষ্ম বিদ্যুৎ তৰংগ আৰু কৃত্ৰিম উপগ্ৰহৰ জৰিয়তে সংযোগ কৰা থাকে। সেয়েহে ইন্টাৰনেট হৈছে নেটৱৰ্কৰ-নেটৱৰ্ক। ইয়াৰ সংজ্ঞা আগবঢ়াই Dr. S.K.Maugalয়ে কৈছিল যে, "Internet is the Worlds largest Inter- Network system (the network of networkes) that may provide the fastest, easiest,

and cheapest means for the countless users to get and provide information as well as communication among themselves on a global basis."

ইন্টাৰনেটৰ শৈক্ষিক গুৰুত্ব ঃ

সম্প্ৰতি শিক্ষণ জগতত শেহতীয়াকৈ আৱিষ্কাৰ হোৱা শিক্ষাৰ অভিনৱ গণমাধ্যম ইন্টাৰনেটৰ প্ৰভাৱ সৰ্বত্ৰ। শিক্ষণ-শিকন প্ৰক্ৰিয়া ফলপ্ৰসূ কৰি তোলাৰ লগতে শিক্ষা প্ৰক্ৰিয়াৰ সামগ্ৰিকভাৱে গুণগত মান বৃদ্ধি কৰি তোলাৰ ক্ষেত্ৰত ইন্টাৰনেট এক অনবদ্য অৱদান। সাম্প্ৰতিক গোলকীকৰণৰ যুগত কোনো অঞ্চল, ৰাজ্য বা দেশৰ শিক্ষণ ব্যৱস্থাক মাথো এক আবেষ্টনীৰ মাজতে সীমাবদ্ধ কৰি নাৰাখি ইয়াক বিশ্ব দৰবাৰলৈ লৈ যোৱাৰ আশানুৰূপ কাৰ্য সম্পাদন কৰিছে ইন্টাৰনেটে। সেয়ে ইন্টাৰনেটৰ শৈক্ষিক উপযোগিতাসমূহো নিৰ্দিষ্টকৈ আঙুলিয়াই দি শেষ কৰিব নোৱাৰি।

শিক্ষাৰ্থীয়ে নিজৰ চাহিদা অনুযায়ী ইন্টাৰনেটৰ যোগেদি নিজৰ অভিনৱ শিক্ষণ ব্যৱস্থা আৰু শেহতীয়া তথ্যসমূহ কোনো জটিলতা নোহোৱাকৈ আহৰণ কৰা; বিশ্বৰ আগশাৰীৰ দেশসমূহৰ শিক্ষা ব্যৱস্থাৰ লগত এক তুলনামূলক অধ্যয়ন কৰি নিজ দেশৰ শৈক্ষিক দিশসমূহৰ যথোপযুক্ত উৎকৰ্ষ সাধন কৰা, শিক্ষাৰ্থীৰ অন্তৰ্নিহিত গুণসমূহৰ বিকাশৰ অৰ্থে উচ্চ মান সম্পন্ন শিক্ষা সম্বন্ধীয় আলোচনা চক্ৰ, কৰ্মশালা, শিক্ষা সম্বন্ধীয় অন্যান্য কাৰ্যাৱলীত অংশ গ্ৰহণ কৰা ইত্যাদি কামবোৰ কেৱল ইন্টাৰনেটৰ জৰিয়তেহে সম্ভৱ হৈ উঠে। বৰ্তমান বিভিন্ন উচ্চ শিক্ষা প্ৰতিষ্ঠানৰ গ্ৰন্থাগাৰত ইন্টাৰনেট সংযোগ হোৱাৰ লগে লগে দেশ-বিদেশৰ গ্ৰন্থ, আলোচনী, কাকত ইত্যাদিৰ বিষয়ে প্ৰয়োজনীয় তথ্য আহৰণ কৰাত পঢ়ুৱৈ তথা গৱেষকসকলক ইন্টাৰনেটে বিপুল সুবিধা প্ৰদান কৰিছে। আনুষ্ঠানিক আৰু অগতানুগতিক শিক্ষাৰ লগতে বৰ্তমান বিশ্বজুৰি সমাদৰ লাভ কৰিবলৈ সক্ষম হোৱা দূৰৱৰ্তী শিক্ষা ব্যৱস্থাৰ প্ৰচাৰ আৰু প্ৰসাৰ সাধন কৰাত ইন্টাৰনেটৰ গুৰুত্ব অপৰিসীম। তদুপৰি ইন্টাৰনেটৰ সেৱাসমূহ যেনে E-mail, chatting, e-commerce, website আদিয়ে বৰ্তমান যুৱপ্ৰজন্মৰ লগতে বয়স্ক সকলকো বহু পৰিমাণে উপকৃত কৰিছে।

অৱশ্যে "সূৰ্য পূব দিশত উদয় হয়"- এই চিৰসত্য ঘটনাৰ দৰে প্ৰত্যেক বিষয় বা বস্তুৰেই সদৰ্থক আৰু নঞাৰ্থক বা নেতিবাচক দিশ বিদ্যমান। সেয়েহে শৈক্ষিক দিশত ইন্টাৰনেটৰ অবাধ বিচৰণে নৱ প্ৰজন্মক ভৱিষ্যতে এক নতুন মানসিক ভাবুকিৰ সন্মুখত উপনীত কৰাতো প্ৰকট হৈ পৰিছে, যিহেতু ইন্টাৰনেটে কোনো ভৌগোলিক বা ৰাজনৈতিক সীমাবদ্ধতা মানি নচলে। যদিহে অপ্ৰয়োজনীয় দৃশ্য বা তথ্যসমূহ ইন্টাৰনেটৰ জৰিয়তে সহজলভ্য হৈ উঠে, তেন্তে ই শিশু সকলকো যে উশৃংখল কৰি তুলিব সেয়া নিশ্চিত। এনে দিশবোৰৰ প্ৰতি লক্ষ্য ৰাখি যদিহে ইন্টাৰনেটক সংশোধন ব্যৱস্থাৰ জৰিয়তে শিক্ষাৰ লগতে অন্য দিশত প্ৰয়োগ কৰিব পৰা যায় তেতিয়াহে ভৱিষ্যতে ই অতি উন্নত যান্ত্ৰিক গণমাধ্যম ৰূপে স্বীকৃতি লাভ কৰিব পাৰিব। অন্যথা ইন্টাৰনেট ভৱিষ্যত মানৱৰ আৰ্শীবাদ স্বৰূপ হোৱাৰ বিপৰীতে নৈতিকতা বিনাশ ঘটোৱাত সহায় কৰা এক অভিশাপস্বৰূপ যন্ত্ৰ হৈ পৰাটোহে স্বাভাৱিক।

কুইজ

প্ৰ- বিশ্বৰ সৰ্বপ্ৰথম মহিলা ৰাষ্ট্ৰপতি কোন?

উঃ- মেৰিয়া এচলটেলা পাৰ্চন আজেনিয়া।

প্ৰ- পাকিস্তানৰ বৰ্তমান প্ৰধান মন্ত্ৰীজনৰ নাম কি?

উঃ- ৰাজা পাৰভেজ আশ্ৰফ।

প্ৰ- জীৱ হত্যা ক'ত বেছি হয়?

উঃ- চিকাগো চহৰত।

নিৰুপমা ভৰালী
স্নাতক পঞ্চম ষাণ্মাসিক, বুৰঞ্জী বিভাগ

বৃশ্চিকৰ জীৱন



অনামিকা দাস
স্নাতক প্ৰথম ষান্মাসিক

সন্ধিপদী প্ৰাণীৰ এক্সনিভা শ্ৰেণীৰ অন্তৰ্গত বৃশ্চিক (Scorpion) এবিধ উল্লেখযোগ্য প্ৰাণী। আমাৰ কৰ্কট ৰাশিৰ চিহ্ন হিচাপে বৃশ্চিকক দেখুওৱা হয়। ইয়াৰ বিশেষ ধৰণৰ আকৃতি, দীঘল নেজৰ মূৰত থকা বিষাক্ত শুং আদিৰ কাৰণে মানুহে বৃশ্চিকক ভয়াবহ প্ৰাণী হিচাপে বিবেচনা কৰি আহিছে। ক্ৰম-বিকাশৰ ইতিহাস লক্ষ্য কৰিলে দেখা যায় যে পৃথিৱীত বৃশ্চিক এবিধ পুৰণি প্ৰাণী। প্ৰায় ৪০ কোটি বছৰৰ পুৰণি বৃশ্চিকৰ জীৱাশ্ম পোৱা গৈছে। পৃথিৱীত এতিয়ালৈকে প্ৰায় ১৫০০ বৃশ্চিকৰ প্ৰজাতি চিনাক্ত কৰা হৈছে। ইহঁতে বিভিন্ন পৰিৱেশত বাস কৰিব পাৰে যদিও মৰুভূমি অঞ্চলত ইহঁতৰ বৈচিত্ৰ্য অধিক দেখা যায়। বৃশ্চিকৰ আকাৰ ৪ ছেন্টিমিটাৰৰ পৰা ২০ ছেন্টিমিটাৰ পৰ্য্যন্ত হোৱা দেখা যায়। ইহঁতৰ আয়ুস কাল ২০ বছৰ পৰ্য্যন্ত হ'ব পাৰে। দীৰ্ঘকাল জীয়াই থকা ডাঙৰ আকাৰৰ বৃশ্চিকবোৰক বহু মানুহে পোহনীয়াকৈ নিজৰ ঘৰতে পালন কৰে। পোহনীয়া হিচাপে আকৰ্ষণ থকা প্ৰজাতিসমূহ মানুহৰ সংগ্ৰহৰ কাৰণে প্ৰকৃতিত যথেষ্ট পৰিমাণে কমি আহিছে আৰু সেয়েহে এনেকুৱা প্ৰজাতিবোৰৰ বেহা-বেপাৰ নিয়ন্ত্ৰণ কৰিবলৈ আৰ্ন্তজাতিক আইন প্ৰস্তুত কৰিব লগা হোৱাৰ উপৰি সংৰক্ষণ আইনৰ ব্যৱস্থা কৰিব লগা হৈছে।

নিশাচৰ চিকাৰী ঃ- দিনৰ ভাগত বৃশ্চিকবোৰ গাঁতত, শিলৰ তলত বা খোৰোঙত লুকাই থাকে। নিশা ইহঁতে চিকাৰৰ অন্বেষণত ওলাই আহে। কিছুমান প্ৰজাতিয়ে চিকাৰ বিচাৰি ঘূৰি ফুৰে। আনহাতে, আন কিছুমানে চিকাৰৰ বাবে এঠাইত অপেক্ষা কৰি বহি লয়। বৃশ্চিকবোৰে বিভিন্ন প্ৰাণীক চিকাৰ হিচাপে ভক্ষণ কৰে। একোটা বৃশ্চিকে অন্য প্ৰজাতিৰ বৃশ্চিক ভক্ষণ কৰাৰ উপৰি নিজৰ প্ৰজাতিৰ পোৱালি বৃশ্চিক, পোক-পৰুৱা, কেৰেলুৱা, শামুক, ভেকুলী, জেঠী, সৰু সৰু সাপ, চৰাই আৰু এন্দুৰ আদি চিকাৰ কৰা দেখা যায়।

আমাৰ বহুতৰে বিশ্বাস আছে যে, মকৰাই চিকাৰক বিষাক্ত পদাৰ্থৰ দ্বাৰা অৱস কৰি পেলোৱাৰ দৰে বৃশ্চিকেও চিকাৰ দেখিলেই নেজৰ মূৰত থকা বিষাক্ত শুঙেৰে চিকাৰক অৱস কৰি পেলায়। কিন্তু সাধাৰণতে বৃশ্চিকে চিকাৰ ধৰিবলৈ বিষাক্ত শুং ব্যৱহাৰ নকৰে। বৃশ্চিকৰ মুখৰ ফালে কেঁকোৰাৰ দৰে এযোৰ সবল হাতোৰা থাকে। সন্মুখত চিকাৰ দেখিলেই

ইহঁতে হাতোৰাযোৰা মেলি লৈ তড়িৎ গতিত চিকাৰ ধৰি লৈ গুৰি কৰি দিয়ে। সবল হাতোৰাৰে ভালদৰে নিয়ন্ত্ৰণলৈ আনিব নোৱাৰা সৰু তজবজীয়া চিকাৰৰ ক্ষেত্ৰতহে চিকাৰ অৱস কৰিবলৈ বিষাক্ত শুং ব্যৱহাৰ কৰা দেখা যায়। আফ্ৰিকান এম্পাৰৰ বৃশ্চিকৰ (Candinus imperator) প্ৰাপ্ত বয়স্কবোৰে বিষাক্ত শুং ব্যৱহাৰ কৰিব লগা নহয়, কিয়নো ইহঁতৰ শক্তিশালী হাতোৰাই যিকোনো ধৰণৰ চিকাৰ ধৰিবলৈ সক্ষম হয়। কিন্তু পোৱালি বৃশ্চিকবোৰে চিকাৰ ধৰিবলৈ হাতোৰাৰ লগতে বিষাক্ত শুঙো ব্যৱহাৰ কৰিব লগা হয়। বৃশ্চিকবোৰে প্ৰায় ৪৬ ছেন্টিমিটাৰ আতঁৰৰ পৰা এটা সাম্ভাব্য চিকাৰৰ অৱস্থিতিৰ উমান পায়। কেতিয়াবা ইহঁতে উৰি থকা পতংগও থাপ মাৰি ধৰা দেখা যায়।

শৰীৰৰ বৈশিষ্ট্য ঃ- বৃশ্চিকৰ শৰীৰৰ আকৃতি বিশেষ ধৰণৰ। শৰীৰৰ সন্মুখৰ ফালতো বহল আৰু ক্ৰমান্বয়ে নেজলৈ সৰু হৈ গৈ থাকে। মুখৰ সন্মুখৰ ফালে এযোৰ কেকোঁৰাৰ দৰে পেডিপাল্প থাকে। শৰীৰক তিনিটা স্পষ্ট ভাগত বিভক্ত কৰিব পাৰি। চিফাল'যোৰাক্সৰ, পেট বা উদৰ আৰু নেজ। চিফাল'যোৰাক্সৰ ওপৰ ফাললৈ টান বৰ্মৰে ঢাক খোৱা। তাতে ক্ষুদ্ৰ ক্ষুদ্ৰ চকুবোৰ থাকে। চকুবোৰৰ দৃষ্টি শক্তি দুৰ্বল। সেয়েহে দৃষ্টিতকৈ স্পৰ্শৰ প্ৰতি ইহঁত অধিক সংবেদনশীল। পেটটো স্পষ্ট খণ্ডৰে গঠিত। নেজডাল ক্ৰমান্বয়ে সৰু হয়। নেজৰ শীৰ্ষত এডাল টান শুং থাকে। শুং থকা নেজৰ খণ্ডটো অলপ ডাঙৰ। এই অংশতেই বিষাক্ত গ্ৰন্থি থাকে। বিন্ধাৰ সময়ত বিষাক্ত গ্ৰন্থীৰ পৰা বিষ শুঙেৰে ওলাই চিকাৰৰ দেহত প্ৰবেশ কৰে। ইহঁতৰ ঠেং চাৰিযোৰ। পিছ ঠেংযোৰৰ গুৰি তলফালে ফণীৰ দৰে। 'পেক্টিন' নামৰ এক বিশেষ অংগ থাকে। কম্পনৰ প্ৰতি পেক্টিন অতি সংবেদনশীল। আতঁৰত থকা চিকাৰে মাটিত কৰা কম্পনাংকক পেক্টিনৰ সহায়ত চিনাক্ত কৰি বৃশ্চিকে চিকাৰৰ অৱস্থিতি ধৰিব পাৰে। মতা বৃশ্চিকৰ পেক্টিনে, মাইকীয়ে এৰি দিয়া ফেৰ'মোন চিনাক্ত কৰিব পাৰে।

বৃশ্চিকৰ দৰ্শন ঃ- বৃশ্চিকৰ বিষাক্ত দৰ্শনৰ বাবেই মানুহে বৃশ্চিকলৈ ভয় কৰে। সাপৰ দৰে সকলো বৃশ্চিক বিষাক্ত নহয়। পৃথিৱীত মাত্ৰ ২০টা মানহে অতি বিষাক্ত প্ৰজাতিৰ বৃশ্চিক আছে। আটাইতকৈ বিষাক্ত দুটা বৃশ্চিক প্ৰজাতি মেক্সিকো আৰু উত্তৰ আমেৰিকাত পোৱা যায়। প্ৰতি বছৰে হাজাৰ হাজাৰ মানুহ বৃশ্চিকৰ বিষাক্ত দংশনত মৃত্যু হয়। আনহাতে বহু বৃশ্চিকৰ বিষ মৌ-মাখিৰ দৰে সামান্য। প্ৰথম অৱস্থাত বিষৰ মাত্ৰা থাকিলেও ২৪ ঘণ্টাৰ পাছত ই কমি আহে। বিষাক্ত বৃশ্চিকৰ দংশনৰ চিকিৎসা কৰিবলৈ এতিয়া এন্টি ভেনম ব্যৱহাৰ কৰা হয়।

অসমৰ বৃশ্চিক ঃ- অসমত বহুতে বৃশ্চিক নাই বুলিয়ে ভাবে, কিন্তু অসমতো বৃশ্চিক আছে। সাধাৰণতে কিতাপৰ আলমাৰিত থকা চিলভাৰ ফিচ, মকৰা আদি খাবলৈ খোপনি পাতি থকা বৃশ্চিকৰ ওপৰত কোনো ধৰণৰ অধ্যয়ন কৰাতো চকু নপৰে। উপযুক্ত অধ্যয়নেৰে অসম তথা উত্তৰ পূৰ্বাঞ্চলত অনেক নতুন প্ৰজাতিৰ বৃশ্চিক আৱিষ্কাৰ হোৱাৰ থল আছে।

(সহায় লৈ)

শিক্ষাৰ বহল প্ৰচাৰ আৰু নিৰক্ষৰতা

বনশ্ৰী কলিতা
স্নাতক প্ৰথম ষাণ্মাসিক, প্ৰাণীবিজ্ঞান বিভাগ

বৰ্তমান এখন সমাজ সুস্থ, সবল, নিকা তথা দুৰ্নীতিমুক্ত কৰি তুলিবৰ বাবে নিৰক্ষৰতা নামৰ এই শত্ৰুবিধ দূৰতে আঁতৰ কৰিব লাগে। আমাৰ সকলোৰে মনৰ শত্ৰুবিধ হৈছে নিৰক্ষৰতা। এই শেষোক্ত ৰিপুটিয়ে দেশ, জাতি তথা জগত সংসাৰতো বাদেই অনেক সময়ত নিজকো জানিবলৈ নিদিয়ে। বৰ্তমান যুগত নিৰক্ষৰতা মানেই ঘোৰ অভিশাপস্বৰূপ। যি দেশৰ অৰ্ধেক লোক নিৰক্ষৰ সেই দেশৰ সকলো বিলাক দিশৰেই যে পৰিসীমা ঠেক হ'ব সেয়া চিৰন্তন সত্য।

সাধাৰণতে শিক্ষাৰ অভাৱৰ বাবেই এজন লোকক নিৰক্ষৰ লোক বুলি কোৱা হয়। শিক্ষাৰ অভাৱৰ বাবে জ্ঞানৰ অভাৱ হয় আৰু এনে হ'লেই মানুহৰ মাজত সামাজিক সম্বন্ধ যথাযথভাৱে ৰক্ষিত নহয়। সাধাৰণতে দেখা যায় যে অশিক্ষিত বা নিৰক্ষৰ লোকৰ মাজত যেতিয়াই তেতিয়াই ভুতে পোৱা, প্ৰেতাত্মা আদিৰ প্ৰভাৱ পৰিলক্ষিত হয়। অভিশপ্ত প্ৰেতাত্মাৰ কৱলৰ পৰা মানুহক বচাবলৈ 'ওজা বা বেজ' নামৰ একশ্ৰেণীৰ লোকে অসুস্থ লোকক হত্যা পৰ্যন্ত কৰাৰ নজিৰ আমাৰ মুলুকতে আছে। ইয়াৰ উপৰি দেৱতাক তুষ্ট কৰিবলৈ নৰবলি, সতীদাহ তথা ডাইনী সজাই নিৰীহ লোকক হত্যা কৰাৰ ঘটনা এই নিৰক্ষৰ নামৰ ব্যাধিৰ কবলত পৰা সকলৰ মাজতেই পৰিলক্ষিত হয়। নিৰক্ষৰতাৰ বাবেই বহু সময়ত ধৰ্মীয় গোড়ামী তথা সাম্প্ৰদায়িক উন্মত্ততাৰ সৃষ্টি হোৱা দেখা যায়। কুসংস্কাৰৰ প্ৰতি অন্ধ আনুগত্য নিৰক্ষৰতাৰ আন এটি বিপদজনক অৱদান। যি আনুগত্যই বৰ্তমান সমাজখনক ধ্বংসৰ মুখলৈ ঠেলি নিয়াতো নিশ্চিত হৈ পৰিছে।

ভাৰতবৰ্ষত এই নিৰক্ষৰতা দূৰ কৰিবৰ বাবে প্ৰথমে চৰকাৰ আৰু শিক্ষিত চামে অধিক গুৰুত্ব প্ৰদান কৰিব লাগিব। এইক্ষেত্ৰত কেতিয়াবা কেতিয়াবা পৰিলক্ষিত হয় যে নিৰক্ষৰতা দূৰীকৰণৰ ক্ষেত্ৰত সভা-সমিতি, বক্তৃতা, আলাপ-আলোচনা আদি অনুষ্ঠিত হয়। কিন্তু এই অনুষ্ঠানবোৰত নিৰক্ষৰ লোক সকলৰ গৰিষ্ঠ সংখ্যক অনুপস্থিতি পৰিলক্ষিত হয়, ইয়াৰ মুলতে হৈছে প্ৰকৃত সদিচ্ছাৰ চূড়ান্ত অভাৱ। নিৰক্ষৰতা দূৰীকৰণ আঁচনিৰ ভিতৰত অৱশ্যে স্ত্ৰী শিক্ষাৰ প্ৰচাৰ কোনোমতেই নুই কৰিব নোৱাৰি। কিয়নো পুৰণি কালৰ পৰাই সমাজত পৰিলক্ষিত হয় যে, স্ত্ৰীসকলক ঘৰৰ আভ্যন্তৰীণ কামৰ লগত জড়িত কৰাই বাহ্যিক পৃথিৱীৰ পৰা ক্ৰমাৎ আঁতৰাই ৰাখে। অধিকাংশ সাধাৰণ লোকৰ ধাৰণা যে, নাৰীয়ে ঘৰৰ গৃহস্থালীৰ প্ৰতি গুৰুত্ব দিব লাগিব, ল'ৰা-ছোৱালী লালন-পালন কৰিব লাগিব। প্ৰযুক্তি কৌশলৰ এনেহেন যুগতো আমাৰ দেশত নাৰী সম্পৰ্কে সেই এলান্ধুকলীয়া নীতিকে অগ্ৰাধিকাৰ দি থকা হৈছে। এইক্ষেত্ৰত বৰ্তমান শিক্ষিত সমাজে গঢ়ি তুলিব লাগিব নাৰী শিক্ষাৰ বিচিত্ৰ অনুষ্ঠান। যাৰ জৰিয়তে নাৰী সকলক অন্ধকাৰৰ মুখৰ পৰা আঁতৰাই আনি পোহৰৰ পথ দেখুৱাব পৰা যাব আৰু হয়তো এই ধাৰণাকে শিৰোগত কৰি তথা অনুভৱ কৰি নিৰক্ষৰ পুৰুষ সকলো আগবাঢ়ি আহিব শিক্ষাৰ দিশে। ইয়াক ভাৱি আহক, আমি সকলোৱে নিৰক্ষৰতা দূৰ কৰি সমাজখনক তথা আমাৰ দেশখনক উন্নতিৰ উচ্চতম শিখৰত প্ৰতিষ্ঠাপিত কৰোঁ।

এই আপাহতে মই আমাৰ জ্ঞানৰ মন্দিৰ তথা ঐতিহ্যমণ্ডিত শিৱসাগৰ জিলাৰ মাজমজিয়াতে অৱস্থিত "শিৱসাগৰ ছোৱালী কলেজ"ৰ প্ৰতিষ্ঠাপনাত যিসকল ব্যক্তিয়ে নিৰলস প্ৰচেষ্টা, ত্যাগ তথা দূৰদৰ্শিতাৰে সেৱা আগবঢ়াই আহিছে সেইসকল বৰেণ্য ব্যক্তি তথা শিক্ষাগুৰুক সহস্ৰ শ্ৰদ্ধা-ভক্তি আগবঢ়াইছো। কিয়নো এইসকল মহান পুৰুষৰ অসীম প্ৰচেষ্টাতে গঢ়ি উঠা এই জ্ঞানৰ মন্দিৰভাগীয়ে ভৱিষ্যতে নিৰক্ষৰতা দূৰীকৰণত সহায়ৰ হাত আগবঢ়াবলৈ সক্ষম হ'ব।

এইদৰেই আমি সকলো মিলি মনৰ ভাৱ দৃঢ় কৰি সমাজৰ এই নিৰক্ষৰতা নামৰ কলীয়া ডাৱৰ বিধক ধুই নিকা কৰিবলৈ চেষ্টা কৰো আঁহক।

জীৱনৰ বাটত

সংগীতা গগৈ
স্নাতক পঞ্চম ষান্মাসিক, অসমীয়া বিভাগ

সময়ৰ দলিছাত মানুহে খোজ দি পল-অনুপল, ছিকেণ্ড-মিনিট, ঘন্টা-দিন, মাহ-বছৰ, দশক, শতিকা এইবোৰৰ স'তে আগবাঢ়ি যায়। সময়ৰ সেই পৰিমাপেৰে গতিময় হৈ পৰে মানৱ জীৱন। নদীৰ পানীৰ বোঁৱতি সোঁতৰ কুল কুল শব্দৰ লগত মানুহৰ জীৱনো নদীৰ পানীৰ দৰেই নিৰৱচ্ছিন্ন। মাতৃ স্নেহৰ কোলাৰ পৰাই আৰম্ভ হয় জীৱন যাত্ৰা। মানুহৰ এই জীৱন অনেক হাঁহি-কান্দোন, ঘাত-প্ৰতিঘাত, সুখ-দুখ, উত্থান-পতনৰ সমাহাৰ। জীৱনৰ এই সুন্দৰতাৰ সৈতে সকলো লোকে বিচাৰে জীৱনটো উপভোগ কৰিবলৈ। কিন্তু এই সুন্দৰ জীৱনৰ লগত কিছু কিছু লোকৰ ক্ষেত্ৰত ঘটা দেখা যায় এক কাল অমানিশা। যি অমানিশাই তেওঁলোকৰ জীৱন কৰি তোলে অভিশপ্ত। এনেকৈয়ে মানৱ জীৱন! শৰীৰৰ সপ্ত যেতিয়া এদিন স্তব্ধ হৈ পৰে সিদিনা ওৰ পৰে নদীৰ চিৰ প্ৰবাহমান গতিৰ সতে তুলনা কৰা মানৱ জীৱনৰ যাত্ৰা। জীৱন হেৰাই যায় এক গভীৰ শূন্যত।

মাতৃগৰ্ভৰ পৰাই মৃত্যু পৰ্য্যন্ত আমাৰ জীৱনৰ চাকনৈয়াত বহুতো সুখ-দুখ আদিৰ সৈতে চিনাকী হৈ আৰম্ভ হয় জীৱন। এই জীৱনৰ বাটত আমি পৰিচিত হওঁ বহু চিনাকী অচিনাকী লোকৰ সৈতে। ওপজা দিনৰ পৰা থুপুক-থাপাক খোজকঢ়াৰ পৰা আৰম্ভ কৰি শেষ পৰ্য্যন্ত, এটা আঙুলিৰে হাতত ধৰি থুনুক-থানাককৈ স্কুললৈ যোৱা দিনবোৰৰ পৰা আৰম্ভ কৰি উচ্চ শিক্ষা পৰ্য্যন্ত চলি থাকে আমাৰ জীৱনৰ গতি। পুৱাই উঠি আৰম্ভ হয় দিনটোৰ ব্যস্ততাবোৰেৰে আমাৰ জীৱনৰ প্ৰত্যেকটো দিন।

জীৱন মানেই সংঘৰ্ষ, পৃথিৱীৰ বাস্তৱৰ লগত পৰিচিত হোৱাৰ পৰাই আৰম্ভ হয় জীৱন। বসুন্ধৰাৰ এই কোমল পৰশত ঠন ধৰি উঠা জীৱনটোত বহুত আশা, সুখ-দুখ পোৱা যায় আৰু কেতিয়াবা দুখ বেদনা। জীৱনৰ লগত মোকাবিলা কৰিবলৈ আমি প্ৰত্যেকেই প্ৰতিযোগিতাৰ মাজেৰে চলিবলৈ সংঘৰ্ষ কৰিবই লাগিব। আমি প্ৰত্যেকদিনাই নিজকে উন্মোচন কৰিব বিচাৰো এক নতুন ৰূপত, চেষ্টা কৰো আশাৰ ৰঙীণ সপোনবোৰ স্পৰ্শ কৰিবলৈ। সপোন ৰচো জীৱনৰ সৈতে। জীৱনটো ৰঙীণ কৰাৰ মানসেৰে ডেউকা মেলি উচ্চ শিখৰলৈ উৰি যাব বিচাৰো জীৱনৰ সুন্দৰ ৰঙীণ সপোনৰ সৈতে। এই ক্ষেত্ৰত আমি কৰি যাব লাগিব জীৱনৰ সতে কঠোৰ সংগ্ৰাম আৰু মুখামুখি হ'ব লাগিব বহু প্ৰত্যাহ্বানৰ। আমি সকলোবোৰ সোমাই পৰো জীৱনৰ মোহ মায়াত। এই জীৱনৰ মোহ-মায়াত সুখ, দুখৰ সৈতে যুঁজ দি এদিন নিথৰ, নিস্প্ৰাণ হৈ পৰে মানৱ জীৱন। বিলীন হৈ যায় দূৰ দিগন্তৰ আকাশত। হাঁহি-কান্দোন, সুখ-দুখেৰে পৰিপূৰ্ণ জীৱন। আমি আগবাঢ়ি যাওঁ বুজাবুজিৰ মাজেৰে এজনে আনজনৰ লগত মিত্ৰতা ৰাখি প্ৰতিটো পল অনুপল অতিবাহিত কৰো জীৱন যাত্ৰাত। আমি আগবাঢ়ি যাব লাগিব জীৱনৰ সৈতে বুজাবুজি কৰি এবুকু আশা সপোন বুকুত বান্ধি অদম্য সাহসেৰে। আগবাঢ়ি যাব লাগিব এখোজ দুখোজ কৰি জীৱনটোক জয়ী কৰাৰ মানসিকতাৰে।

মানৱ সমাজত নাৰীৰ মৰ্য্যদা

কংকনা দত্ত
স্নাতক পঞ্চম ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

মানৱ সমাজ ব্যৱস্থাৰ আদি ছোৱাৰ পৰাই নাৰী আৰু পুৰুষৰ সহঅৱস্থানে সমাজ একোখন সু-শৃংখল, সমৃদ্ধিশালী কৰি আহিছে। শাৰীৰিক গঠনত নাৰী পুৰুষৰ ভিন্নতা বিদ্যমান যদিও পুৰুষৰ পুৰুষসুলভ গুণক মৰ্যদাৰে উন্নতিৰ দিশত আগুৱাই নিয়াৰ ক্ষেত্ৰত নাৰীৰ কমনীয়তা, সহনশীলতা শক্তি হ'ল মুখ্য নিৰ্ণায়ক বা উপাদান। আমাৰ পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাত বৰ্তমান সময়ত নাৰীসকলে এই দায়িত্বৰ বিনিময়ত যথাযোগ্য সন্মানৰ পৰা বঞ্চিত হৈছে। পৰিবৰ্তে নাৰীয়ে লাভ কৰে অসহনীয় যান্ত্ৰণা, অমানৱীয় অত্যাচাৰ।

আমাৰ সমাজত এটি কন্যা শিশুৱে জন্ম লোৱাৰ অধিকাৰো যেন নাই। ফুটফুটীয়া ফ্ৰক পিন্ধি, তিৰবিৰাই থকা চকু মেলি মাতৃৰ কোলা শুৱনি কৰা ভ্ৰূণটো ধ্বংস কৰি দিয়া হয়। কাৰণ কোনেও তাইৰ যৌতুকৰ বোজা ল'ব নিবিচাৰে। কিন্তু ফলপ্ৰাপ্তিৰ বাবে বিপদত তেওঁলোকেই দেৱীৰ আগত মূৰ দোঁৱায়।

নাৰীৰ দুৰ্বলতা নাৰীৰ সৃষ্ট নহয়। অতীজৰ পৰা বিভিন্ন সামাজিক, সাংসাৰিক আৰু ধৰ্মীয় ৰীতি-নীতিৰ শিকলি পিন্ধাই নাৰীক দুৰ্বল ৰূপে গঢ়ি তোলা হৈছে। অকল বৰ্তমান সময়ত নহয়, ইতিহাস সাক্ষী আছে নাৰীৰ প্ৰতি সদায়ে কৰা অত্যাচাৰ, প্ৰতাৰণাৰ। সীতাদেৱী, ৰাধা, জয়মতী, আইদেউ সন্দিকৈ আদি বহুতো নাৰী এনে কাৰ্যৰ সাক্ষী। মৃত স্বামীৰ চিতাত সতীত্ব লাভৰ বাবে জীৱন্তে পত্নীক তুলি দিয়া হয়, যৌতুক অবিহনে নাৰীক কইনা সজোৱা নহয়।

কিন্তু, এতিয়া সময় সলনি হৈছে। বহুতো নাৰীয়ে নিজৰ শক্তি অনুধাৱন কৰি আগবাঢ়ি আহিছে। ৮ মাৰ্চত বিশ্ব নাৰী দিৱস হিচাপে উদ্‌যাপন কৰি নাৰী শক্তিক সোঁৱৰাই দিয়া হয়— তোমালোক মহান, তোমালোক শ্ৰদ্ধাৰ পাত্ৰী। কিন্তু প্ৰকৃতাৰ্থত আজিও বহুতো নাৰীক বহু ক্ষেত্ৰত তেনে স্থান দিবলৈ সমাজখন আগ্ৰহী নহয়। নাৰী আজিও নিৰাপদ নহয়। ডাইনীৰ অভিযোগত অভিযুক্ত।

ইছলাম ধৰ্মৰ কিছুমান নীতি নিয়মৰ বিৰুদ্ধে মাত মতাৰ কাৰণে তছলিমা নাছৰিন বাৰে বাৰে মৌলবাদীৰ ৰোষত পৰিছে। এটা যুগ একেৰাহে অনশনত ব্ৰতী হোৱা ইৰম শৰ্মিলা বিশ্বত আজিও সমাদৃত নহয়।

ধৈৰ্য্য নাৰীৰ এক অন্যতম গুণ। কিন্তু প্ৰাপ্য খিনিৰ বাবে ধৈৰ্য্যৰে অপেক্ষা কৰাৰ পৰিবৰ্তে নাৰী সমাজ একগোট হৈ সমাজ পৰিবৰ্তনৰ জোৱাৰ অনাৰ সময় আহি পৰিছে। কাৰণ, বৰ্তমান সময়ত নানা দেশত নাৰীৰ সংখ্যা যি চিন্তনীয় ভাৱে কমি আহিছে, এনেদৰে থাকিলে এদিন হয়তো নাৰী দিৱস উদযাপন কৰিবলৈও নাৰী নাথাকিবগৈ।

মনু সংহিতাৰ তৃতীয় অধ্যায়ত ৫৬ নং শ্লোকত উল্লেখ আছে—

যত্ৰ নাৰ্যস্ত্ৰ পূজ্যন্তে ৰমন্তে তত্ৰ দেৱতাঃ।
যত্ৰৈতাস্ত্ৰ ন পূজ্যন্তে সৰ্বাস্ত্ৰত্ৰাফলাঃ ক্ৰিয়াঃ।।

অৰ্থাৎ য'ত নাৰী সন্মানিতা, তাত দেৱতা প্ৰসন্ন। য'ত নাৰী অপমানিতা তাত সকলো নিস্ফল।

এই শ্লোকটো কেতিয়া মানৱ সমাজত বোধগম্য হ'ব নে 'লাও সদায় পাতৰ তল' — এই যোজনাটিয়েই জয় ধ্বজা উৰুৱাই থাকিব?

জীৱন ঃ অন্য এক যাত্ৰা

পৰিস্মৃতা চুতীয়া
স্নাতক তৃতীয় ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

জীৱন এখন যুদ্ধক্ষেত্ৰ। সুখ, আনন্দ, দুখ, যন্ত্ৰণাৰ সমষ্টিয়েই জীৱন। জীৱনেই আনি দিয়ে বিশ্বাস, প্ৰেম, সুখ, সম্ভোগৰ বতৰা। মানুহ জন্মৰ পৰাই আগবাঢ়ে দিনে দিনে মৃত্যুৰ মুখলৈ। তথাপি অদম্য হেঁপাহ, লালসা জীয়াই থকাৰ। এই দুদিনীয়া জীৱনতেই মানুহে উপভোগ কৰে নোপোৱাৰ আনন্দ পাই হেৰুৱাৰ বেদনা। কোনোজনে জীৱনক ভালদৰে উপলব্ধি কৰি ইয়াতেই সুখৰ সৰগ ৰচে। কোনোজনে জীৱনৰ অংক মিলাব নোৱাৰি আউল লগা বাটেৰে খোজ দি পথভ্ৰষ্ট হয় আৰু হেৰুৱাই পেলায় জীয়াই থকাৰ অদম্য হেঁপাহ। এৰি দিয়ে জীৱন গঢ়াৰ সোণালী সুযোগ। জীৱন নামৰ এই যান্ত্ৰিকতাৰ ৰেলখনত আগুৱাই যাবলৈ লাগিব অন্য এক শক্তি আৰু সাহস যি গঢ়ি তুলিব পাৰে জীৱনৰ সঠিক পথ আৰু সুখৰ কাৰেং।

জীৱন এটি তৃপ্তিমল্লিকাৰে ভৰা হৃদয়জোৰোৰা নাম। জীৱনটো এনেকুৱাই কাৰোবাক হঁহুৱায়, কাৰোবাক কন্দুৱাই, মন বেদনাৰে উপচাই তোলে নোপোৱাৰ দুখত, পাই হেৰুৱাৰ ভয়ত। জীৱনটো হয়তো এখন যুদ্ধক্ষেত্ৰ। এজন ব্যক্তিৰ জন্মৰ পৰা মৃত্যুৰ প্ৰাক মুহূৰ্তলৈকে যিমান পৰিস্থিতিৰ যিমানবিলাক সমস্যাৰ হ'তে যুঁজিবলগা হয়, সেই জীৱন হয়তো প্ৰকৃততে এখন যুদ্ধক্ষেত্ৰই। প্ৰতিটো ক্ষেত্ৰতে যেতিয়া উজুতি খাই খাই খোজ আগ নবঢ়া অৱস্থা হয়, হয়তো জীয়াই থকাৰ অযুত বাসনা আৰু জীৱনৰ লালসাই বাৰে বাৰে সোঁৱৰাই দিয়ে আৰু এখোজ আগবাঢ়, আৰু এখোজ। কৰিব পাৰে তেওঁলোকে জীৱনৰ সামান্যতম সুখ কিন্তু সি তেনেই নগণ্য।

জীৱনৰ অন্য নাম হয়তো নষ্টালজিয়াও হয়। নষ্টালজিয়াই কাকো ফাঁকি নিদিয়ে। পোৱা-নোপোৱা, সুখ-দুখৰ সমাহাৰ জীৱন। ভালক আকোঁৱালি লৈ বেয়াক পৰিহাৰ কৰি জীৱনক ভালদৰে উপলব্ধি কৰি আগবাঢ়ি যাব পাৰি আলোকৰ দিশে, ৰচিব পাৰি শান্তিৰ সৰগ।

জীৱনক নতুনকৈ ভাল পাবলৈ শিকা, ইয়াতেই পাবা স্বৰ্গৰ সুখ। আশাবোৰ সিঁচি দিয়া জীৱনৰ দলিচাত, গজালি মেলিব, পূৰ্ণ হ'ব সাৰ্থকৰ বীজেৰে। জীৱনক নতুনকৈ ভাল পাবলৈ শিকা। আমিবোৰৰ বাবে সপোনবোৰে দিঠক হৈ অপেক্ষা কৰিছে আমালৈ। আশাবোৰে পাখি মেলিছে আকাশলৈ, দিক-দিগন্তৰ লুঙলুঙীয়া বাট বিচাৰি।

সততা জীৱনৰ পৰিতৃপ্তিৰ উৎস। সততাৰে জীৱনটো আকোঁৱালি লোৱা, নিজে নিজে থিয় দিব জীৱনৰ সুখবোৰ, লগ নেৰিব নোপোৱাতো পোৱাৰ আনন্দবোৰে। জীৱনটো আউল লগা বাটত খোজ দিয়া বহুজনে হয়তো ভাবিব জীৱন কি যে অস্বস্তি, কিন্তু এই জীৱন যাত্ৰাতেই এৰিব পাৰে স্বস্তিৰ নিশ্বাস।

জীৱনক ভালপোৱা। দুখে ঢুকি নোপোৱাকৈ সুখী হ'বা। সজ উপায়েৰে সমাজত নিজকে প্ৰতিষ্ঠা কৰা জীৱন আপোনা-আপুনি সাৰ্থক হৈ উঠিব। হিংসাবোৰ দমন কৰা, শান্তিৰ শুকুলা মেঘে আনন্দৰ চকুলো টুকিব। মানুহে মানুহক ভাল পাবলৈ শিকা। বাৰিষাৰ বৰষুণ নামিব শুকাই যোৱা আশাবোৰ জীপাল কৰিবলৈ।

'আহা সকলোৱে মিলি গাওঁ
জীৱনৰ গান
সত্যম, শিৱম, সুন্দৰম........।'

জীৱনটো সঁচাকৈ ব্যতিক্ৰমী। অদ্ভুত আৰু অকাল্পনিক জীৱন পৰিক্ৰমা এই পৃথিৱীৰ বাসিন্দাৰ। জীৱন শেষ হৈ অহাৰ সময়ত হয়তো ৰিণিকি ৰিণিকি মনত পৰিব এৰি অহা দিনবোৰ। স্মৃতি হিচাপে মন ৰৈ যাব সেই দিনবোৰ আৰু শেষ পৰ্যায়ত আপোনজনলৈ বৰকৈ মনত পৰিব, চকুহাল হয়তো বেদনাত সেমেকি উঠিব জীৱন হেৰুৱাৰ দুখত।

যান্ত্ৰিকতাৰ শিখৰত ভৰি দিয়া পৃথিৱীখনৰ বহুতো মানুহেই হয়তো ব্যস্ততাৰে পাৰ কৰি পাহৰি যায় জীৱনৰ সুখ-আনন্দবোৰ, পাহৰি যায় জীৱনৰ অপৰিমল আনন্দৰ তৃপ্তি। ব্যস্ততাৰ মাজেৰে পাৰ কৰোতে বহুতে হয়তো পাহৰি যায় জীৱন কেতিয়া শেষ হ'ল আৰু ভাৱে জীৱনত কৰিবলগা আৰু বহুত আছিল। উপভোগ কৰিবলৈ থাকিল বহুতো সেউজীয়া, ৰঙীণ ধেমালী। শেষ পৰ্যায়ত হয়তো অনুশোচনাও হ'ব, থাকি যাব জীয়াই থকাৰ আশা, সপোনবোৰ দিঠক কৰাৰ অসফল চেষ্টা। পোৱা-নোপোৱা দোমোজাত জহি-খহি যাব মন। তেতিয়াই হয়তো সমিধান বিচাৰিব জীৱনৰ।

প্ৰেম যদি অভিনয় হয়
হৃদয় মানেনো কি?
মৰম যদি চলনা হয়
জীৱন মানেনো কি?

মৰমবোৰ যদি নিষ্ঠুৰ হয়, আপোনবোৰে যদি মিছলীয়া হয়, শব্দবোৰ যদি তিতা হয়, তেন্তে প্ৰকৃত জীৱনৰ উৎস কি???...........।

কিছুমান বৈজ্ঞানিক যন্ত্ৰৰ নাম আৰু কামসমূহ

জোনমণি দাস
স্নাতক পঞ্চম ষান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

☞ বেৰোস্কোপ	বায়ুৰ প্লাবিতা নিৰ্ণয় কৰা যন্ত্ৰ।
☞ এনিম'মিটাৰ	বায়ুৰ গতি পৰিমাপক যন্ত্ৰ।
☞ ক্ৰেস্কোগ্ৰাফ	উদ্ভিদৰ জীৱনীশক্তিৰ জ্ঞান পাব পৰা যন্ত্ৰ।
☞ লেক্টোমিটাৰ	গাখীৰৰ বিশুদ্ধতা জোখা যন্ত্ৰ।
☞ ওডোমিটাৰ	শব্দৰ তীব্ৰতা জোখা যন্ত্ৰ।
☞ ইডিঅ'মিটাৰ	গেছীয় পদাৰ্থৰ আয়তন জুখিব পৰা যন্ত্ৰ।
☞ স্পিৰ'স্কোপ	নোট জাল নে আচল নিৰ্ণয় কৰিব পৰা যন্ত্ৰ।
☞ ফেদম	পানীৰ গভীৰতা জোখা স্কেল।
☞ ডায়নামো	যান্ত্ৰিক শক্তিক বিদুৎশক্তিলৈ ৰূপান্তৰ কৰিব পৰা যন্ত্ৰ।
☞ কম্পাছ	দিশ নিৰ্ণয় কৰা যন্ত্ৰ।
☞ আল্টিমিটাৰ	কোনো ঠাইৰ উচ্চতা মাপক যন্ত্ৰ।
☞ স্ক্ৰু- গজ	সৰু তাঁৰৰ ব্যাসাৰ্ধ জোখা যন্ত্ৰ।



ৰেগিং ঃ এক সামাজিক ব্যাধি

শোভালক্ষ্মী দিহিঙীয়া
স্নাতক প্ৰথম ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

'ৰেগিং' সকলোৰে এক পৰিচিত শব্দ। বৰ্তমান ছাত্ৰ সমাজত ইয়াৰ প্ৰসাৰতা দিনে দিনে বৃদ্ধি পাই আহিছে। ই পিছে এটা সামাজিক অপৰাধ। যাৰ নাম শুনিলেই সমাজৰ একাংশৰ বুকু কঁপি উঠে। ইয়াৰ মূল উপসৰ্গই হৈছে আনক মূৰ্খ সজোৱা, তেওঁলোকৰ অস্তিত্বক, মানসিকতাক অৱমাননা কৰা। হাঁহি ধেমালিৰ মাজেদি মনুষ্যত্বক চৰম অপমান কৰি নিলৰ্জ্জতাৰে আঘাত কৰিয়েই বৰ্তমানৰ ৰেগিং কৰোতাসকলে পৈশাচিক আনন্দ পায়। কিন্তু বুজি নাপায় এই আনন্দৰ পৰাই তেওঁলোকে পৰাজয় বৰণ কৰে।

বৰ্তমান সমাজৰ একাংশৰ মতে ৰেগিং যেন কোনো বিচাৰ্য্য বিষয় নহয়, ইয়াৰ কু-প্ৰভাৱৰ কথা যেন তেওঁলোকৰ অজ্ঞাত এনে হয়। কিন্তু ৰেগিঙৰ বৰ্তমান সংজ্ঞা হৈছে উৎকট ক্ৰীড়া, কাৰ্য্য, কৌতুক, মাৰপিট, কাজিয়া, অসভ্য আচৰণৰ দ্বাৰা পৰিহাস। ৰেগিং মানেই হ'ল কুৰুচিপূৰ্ণ, আপত্তিকৰ, অসহ্যকৰ, যন্ত্ৰণাদায়ক ক্ৰীড়া কৰ্ম। প্ৰতিপক্ষক বিব্ৰত কৰা, উপহাস কৰি আনন্দ পোৱা, নিজকে উচ্চ জ্ঞান কৰা, কৃতিত্ব বিচৰা, সন্মান পোৱা ইত্যাদি মানসিকতাৰ পৰাই ইয়াৰ ছাত্ৰ সমাজলৈ আগমন ঘটিছে।

ইয়াৰ পৰিণতি সঁচায়ে অতি ভয়াবহ। কিন্তু আমাৰ যুৱ সমাজৰ মানসিকতা তাতোতকৈও বহু বেছি দুৰূঢ়। কিয়নো তুমি যদি কোনো এজনক ৰেগিঙৰ কাৰণ সোধা তেতিয়া তেওঁলোকৰ আচৰিত যুক্তিটো হ'ব যে আমি যেতিয়া এই ছাত্ৰাবাসলৈ আহিছিলো, আমাকো ৰেগিং কৰিছিল। এনেকুৱাই হৈছিল- প্ৰতিশোধ লোৱাটোৱেই যেন ৰেগিঙৰ মূল উদ্দেশ্য। য'ত পুৰণি সকলে পায় তৃপ্তি, মাদকতা আৰু নতুন চামে পাই অমানৱীয় যন্ত্ৰণা। ৰেগিং কৰোতাজনে ক'ব —"It is a fun" আৰু ভুক্তভোগী সকলে ক'ব "It is fun to you, but death to us".

এইয়াই উন্নতিৰ বাহক যুৱ প্ৰজন্মৰ অভিপ্ৰায়, চিন্তাধাৰা। সাধাৰণতে দৃষ্টিগোচৰ হয় যে ৰেগিং যেতিয়া আৰম্ভ হয় তেতিয়া সকলো ভালদৰেই আলোচিত হয়, কিন্তু পিছলৈ অশ্লীলতাৰ দিশলৈ

গতি কৰে। বহুতো শিক্ষাৰ্থীয়ে ভুগিব লগা হয় শাৰীৰিক, মানসিক অকথ্য নিৰ্যাতন। শুনা মতে বহু ঠাইৰ বহু শিক্ষা প্ৰতিষ্ঠানত অশ্লীল বিষয়ৰ ওপৰত পৰীক্ষাও পতা হৈছিল। বৰ্তমানেও ৰেগিং হৈছে বাতৰি কাকত বা টি, ভি, চেনেলৰ দৈনন্দিন শিৰোনাম। দেখা যায়, মহাবিদ্যালয়, ছাত্ৰাবাস সকলোতে ৰেগিঙৰ পয়োভৰ। দেশ খনৰ অন্য ঠাইৰ বাদেও আমাৰ অসমত ইয়াৰ বহুল প্ৰভাৱ দেখা গৈছে। যাৰ ফলত বহুতো দেশৰ সন্তানে ৰেগিঙৰ নামত মাধমাৰ খাইছে, আশা-ভৰসা, দিক্-বিদিক হেৰুৱাই পেলাইছে, বহু সংখ্যক বিকলাংগ হৈছে, বহুতৰ উজ্জ্বল ভৱিষ্যত ধ্বংসৰ গৰাহলৈ ঠেলি পঠিয়াইছে, মনৰ আশাৰ দীপ মনতে মাৰ গৈছে আৰু ই মৃত্যু পৰ্যন্তও ঘটাইছে। য'ত আমাৰ শিৱসাগৰ ছোৱালী কলেজ আৰু ইয়াৰ ছাত্ৰী নিবাস ব্যতিক্ৰম। সঁচা কথাত এই দুৰাৰোগ্য ৰেগিংৰ প্ৰতিৰোধ কৰিবৰ বাবে কলেজৰ অধ্যক্ষ মহোদয় আৰু প্ৰবক্তাসকল, কলেজ কৰ্তৃপক্ষ আৰু ছাত্ৰী সকলোৱেই ঐক্যবদ্ধ হৈছে। আজিৰ যুগত এনে এখন কলেজত পঢ়িবলৈ পোৱাটো অতিকৈ সৌভাগ্যৰ কথা।

ৰেগিং- ই সঁচাকৈয়ে সমাজৰ এক চৰম সমস্যা। ই এক চিন্তনীয় বিষয়। নহ'লে ই আমাৰ সমাজখন ধ্বংস কৰি পেলাব। ইয়াৰ এক কাৰক হৈছে যুৱ উশৃংখলতা। গতিকে আমি ইয়াক প্ৰতিৰোধ কৰিবলৈ হ'লে আমাৰ অভিপ্ৰায়, মানসিকতা, চিন্তাধাৰাবোৰ সবল কৰি তুলিব লাগিব। আজিৰ বিজ্ঞানৰ আধুনিকীকৰণৰ যুগতো এই সমস্যা সমাধান কৰিব পৰা হোৱা নাই। যি সময়ত উন্নত দেশবোৰে অধিক উন্নয়ন কৰিব ধৰিছে, তেনে অৱস্থাত এনে কেতবোৰ কাৰণত উন্নয়নশীল দেশবোৰ পিছপৰি যাবহে ধৰিছে। আমাৰ বৰ্তমানৰ ৰূপেই যদি এনে হয়, তেন্তে ভৱিষ্যত কি হ'ব? হয়তো দেশখনক কলুষতা, কলংকবোৰে আৱৰি ৰাখিব। আমাৰ ভৱিষ্যত প্ৰজন্মৰ আদৰ্শ কি হ'ব কোনে জানে?

এই ৰেগিঙৰ কুপ্ৰভাৱে গোটেই বিশ্বকে ছানি ধৰিছে। যদিও ইয়াৰ প্ৰতিৰোধ কৰিব বিচৰা হৈছে তথাপি ইয়াৰ পৰিমাণ বৃদ্ধি পাই আছে। ইয়াৰ পৰা মুক্ত হোৱাৰ সময় আহি পৰিছে। আমাৰ হেৰুৱা মানৱতাবাদক ঘূৰাই আনিব লাগিব। আমি প্ৰত্যেক নাগৰিক, সমাজ, চৰকাৰ, আইন, ছাত্ৰ-ছাত্ৰী সকলোৱে একতাৰে জাগ্ৰত হৈ ইয়াৰ বিৰুদ্ধে বৃহৎ প্ৰতিৰোধ গঢ়ি তুলিব লাগিব। ইয়াৰোপৰি আইনে ৰেগিং কৰোতাসকলক নিৰ্মম দণ্ডৰে দণ্ডিত কৰিব লাগিব। তেতিয়া হয়তো ইয়াৰ পৰিমাণ কিছু কমিব আৰু তেতিয়াহে ৰেগিং নামৰ কলংকটোক সমাজ তথা যুৱ সমাজৰ পৰা বিসৰ্জন দিব পাৰিব।

আজিৰ যুগ প্ৰতিযোগিতা, আধুনিকীকৰণ, উদ্যোগীকৰণৰ যুগ। আমি ছাত্ৰ সমাজে প্ৰতিজ্ঞাবদ্ধ হৈ কওঁ যে আমি এই ৰেগিং নামৰ ঋণাত্মক দিশটোক সমাজৰ পৰা আঁতৰাই মূল্যবোধৰ শিক্ষাৰে শিক্ষিত হৈ আমাৰ দেশৰ উন্নতিত অৰিহণা যোগাম।

কুইজ

☞ উত্তৰ-পূৰ্বাঞ্চলৰ কোনগৰাকী যুৱতীয়ে হত্যা হিংসাৰ বিৰুদ্ধে মাত্ৰ ওঠৰ বছৰ বয়সতে অনশনৰ কাৰ্যসূচী হাতত লৈছিল?

উঃ- ইৰম শৰ্মিলা।

☞ মকৰাই কিমান দিনলৈ নোখোৱাকৈ জীয়াই থাকিব পাৰে?

উঃ- দহ বছৰ।

সংগ্ৰাহক ঃ জেবিন আখতাৰ ৰহমান
স্নাতক পঞ্চম ষান্মাসিক, অৰ্থনীতি বিভাগ



বৰ্তমান সময়ত যোগৰ গুৰুত্ব

চেতনা চত্ৰধৰা
স্নাতক তৃতীয় ষাণ্মাসিক, শিক্ষা বিভাগ

"যোগেনা চিতাচ্য পদেনা বচম
মলম শৰীৰস্য সবেইদ্যকেন
য়াকপট কৰোট্টাম প্ৰৱৰম মুনিনাম
পতঞ্জলিম প্ৰাণজলি ৰাণা তস্মি।"

অৰ্থাৎ জ্ঞান সমৃদ্ধ ব্যাকৰণযুক্ত কথা ক'বলৈ শৰীৰত ঔষধৰ দ্বাৰা উৎপন্ন অশুদ্ধি আঁতৰাবলৈ যি গৰাকী মুনিয়ে আমাক শিকালে, তেওঁলৈ কৰযোৰে প্ৰণাম।

'যোগ'— দুটা অক্ষৰযুক্ত এটা সহজ শব্দ, যি কঢ়িয়াই লৈ ফুৰিছে অনন্ত ৰহস্য। বেদৰ অমূল্য ৰস, ভাৰতীয় সংস্কৃতিৰ আধাৰ 'যোগ'ৰ সংজ্ঞা অনেক। 'পতঞ্জলি'ৰ সূত্ৰ অনুসৰি কোনোবা এটা অধ্যায়ত কোৱা হৈছে— 'যোগেন চিত্তবৃত্তি নিৰোধ"। অৰ্থাৎ যোগৰ দ্বাৰা চিত্তৰ বৃত্তি নিবৃত হয়, মন প্ৰশান্ত হয়। গীতাত শ্ৰীকৃষ্ণই কৈছে— 'কৰ্ম কৰা কৌশলেই যোগ।' আমাৰ দৰে সাধাৰণ মানুহৰ বাবে গুৰুৰ কৃপাত যোগ এক মহানুভৱ স্ব অধ্যায়। মানৱ শৰীৰৰ পূৰ্ণতা মানে যোগ সম্পূৰ্ণ। মুঠতে তত্ত্ব গধুৰ বায়ুতকৈও পাতল মনৰ শাসনকৰ্ত্তা, চিৰশ্বাশ্বত যোগৰ পৰিচয় আজিৰ বিশ্বত বাস্তৱিকতে কি কোৱাটো সহজ নহয়। তথাপি, চিকিৎসাৰ ক্ষেত্ৰত যোগে লাভ কৰিছে এক বিশেষ মৰ্যদা, যি চিকিৎসা পদ্ধতিয়ে ৰোগ প্ৰতিৰোধ ক্ষমতা প্ৰদান কৰে। যোগ এক কলা, বিজ্ঞান, দৰ্শনৰ এক প্ৰহেলিকা। সংস্কৃত 'যুজ' ধাতুৰ পৰা উৎপন্ন যোগৰ সাধাৰণ অৰ্থ হ'ল মিলন, যি মিলন ঈশ্বৰ আৰু ভক্তৰ, জীৱাত্মা আৰু পৰমাত্মাৰ। নাইবা প্ৰকৃতি আৰু পুৰুষৰ। ভাৰতীয় সাধন পদ্ধতিৰ ঈশ্বৰ লাভৰ প্ৰতিটো পন্থাকেই যোগ বুলি অভিহিত কৰা হয়।

যোগক 'কল্পবৃক্ষ'ৰ লগত তুলনা কৰা হয়। অৰ্থাৎ যোগৰ দ্বাৰা যি বিচৰা যায় সেই ফলেই লাভ কৰিব পৰা যায়। বৰ্তমান যুগত স্বাস্থ্য ৰক্ষাৰ প্ৰধান মাধ্যম বুলি স্বীকৃতি লাভ কৰিলে, ইয়াৰোপৰি যোগক বেমাৰ আজাৰৰ চিকিৎসা পদ্ধতি হিচাপে, ধৰ্মীয় ক্ষেত্ৰত সাধনাৰ মাধ্যম হিচাপে, ক্ৰীড়া জগতত প্ৰদৰ্শনমূলক খেল হিচাপে বহু মাত্ৰিক পৰিচয়েৰে পৰিচিত কৰিব পাৰি। প্ৰতিজন মানুহৰ শাৰীৰিক, মানসিক, নৈতিক, বৌদ্ধিক আৰু আধ্যাত্মিক উন্নতিৰ পৰিমণ্ডল ৰচনা কৰি যোগেই ব্যক্তিত্ব বিকাশৰ পাঁচোটা স্তৰকেই সক্ৰিয় আৰু সমৃদ্ধ কৰি তোলে। পূৰ্ণ মানৱৰ জয়গান গাই অহা যোগৰ সশ্ৰদ্ধ অনুশীলনৰ মাধ্যমত সমাজৰ পৰা অনৈতিকতাৰ অভিশাপ দূৰ কৰা সম্ভৱ।

যোগৰ আটাইতকৈ জনপ্ৰিয় অংগটোৰ নাম হ'ল 'আসন'। আকৰ্ষক দেহভঙ্গী ইয়াৰ বৈশিষ্ট্য। ধ্যানাসনৰ মাজত পদ্মাসন,

বজ্ৰাসন, ভদ্ৰাসন, গোমুখাসন আদি আৰু স্বাস্থ্যাসনৰ ভিতৰত ৫-৭ ধৰণৰ আসনৰ প্ৰণালী আছে। যোগৰ প্ৰথম অৱস্থাত মুদ্ৰাৰ উল্লেখ পোৱা নাযায়। পৰৱৰ্তী হঠযোগ প্ৰদীপিকাৰ সময়ৰে পৰা মুদ্ৰাৰ প্ৰচলনৰ উল্লেখ পোৱা যায়। আসনে কাম কৰে মাংসপেশীৰ ওপৰত আৰু মুদ্ৰাই কাম কৰে দেহস্থ গ্ৰন্থী আৰু স্নায়ুৰ ওপৰত।

প্ৰাণায়াম হ'ল শ্বাস-প্ৰশ্বাসৰ ব্যায়াম আৰু কৌশল। এই ক্ৰিয়া অভ্যাসৰ দ্বাৰা মানসিক অস্থিৰতা দূৰ কৰাৰ উপৰিও হাওঁফাওঁ, নাসাপথ আদিৰ বেমাৰ আজাৰ ভাল কৰা হয়।

'ধ্যান' আৰু "সমাধি" যোগৰ উত্তম শিখৰৰ পৰিণতি। 'ধ্যান' আজিৰ বিশ্বৰ এক আকৰ্ষণীয় অনুষ্ঠানৰ বিষয় হৈ পৰিছে। ধ্যানৰ মাধ্যমত অনিদ্ৰা, মধুমেহ আদিৰ দৰে ৰোগ, মানসিক নানা জটিলতা আৰু বেমাৰ-আজাৰ আদি দূৰ কৰিব পৰা যায়।

দেহৰ আভ্যন্তৰ ভাগ পৰিষ্কাৰ ৰখাটো হঠযোগৰ এটা বৈশিষ্ট্য। মুখ গহ্বৰৰ পৰা পাকস্থলীলৈ পৰিষ্কাৰ কৰাৰ বাবে ইয়াত নিৰ্দেশ হৈছে বমন, বাৰিসাৰ, বস্ত্ৰ-ধৌতি আদি প্ৰণালীৰ কথা। কফ ৰোগ, ছাইনাছ, মুৰৰ বিষ, নাসাপথ অৱৰোধ আদি বেমাৰ এই ক্ৰিয়াৰ মাধ্যমত ভাল কৰিব পৰা যায়।

যোগ কেৱল শাৰীৰিক, মানসিক স্বাস্থ্য লাভৰ উপায় নহয়। 'যোগ' মানুহৰ নৈতিকতা বঢ়াই তোলাৰ এক মাধ্যম। যোগৰ প্ৰথম দুটা পদক্ষেপ "যম" আৰু 'নিয়ম'ত নৈতিক চৰিত্ৰ গঠনৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। ই হ'ল সকলো মানুহৰ উপযোগী ব্যক্তিত্ব বিকাশৰ এক সংস্কৃতি। শৈশৱৰ আদিপাঠতেই যোগৰ বাণী শিশুৰ অন্তঃকৰণত ভালকৈ শিকাই দিলে, সেই শিশুৱে কেতিয়াও মনুষ্যত্ব অৱমাননা কৰিব নোৱাৰে। বিপৰীতে তেওঁৰ অন্তৰত নানা সদগুণ বিকশিত হৈ তেওঁ জাতিৰ সম্পদ হৈ উঠে।

প্ৰসঙ্গ পুথি—

প্ৰথম ষান্মাসিকৰ 'শিক্ষাতত্বৰ আধাৰ' (মেজৰ)

'দৈনিক অসম' বাতৰি কাকতৰ সাপ্তাহিক আলোচনী 'দৈনিক অসম'।

কুইজ

❖ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ দ্বাৰা ৰচিত কোনখন বিখ্যাত গ্ৰন্থ হিন্দী ভাষালৈ অনুবাদ কৰা হয় আৰু কোনে অনুবাদ কৰিছিল?

উঃ- 'গুণমালা' - দেৱী প্ৰসাদ বড়োদ্ৰিয়াই অনুবাদ কৰিছিল।

❖ কোনবিধ চৰায়ে একেৰাহে তিনি বছৰ ধৰি আকাশত উৰি থাকিব পাৰে?

উঃ- ছুইফ্‌ট।

❖ ভাৰতবৰ্ষৰ অন্তৰ্গত কোনখন ৰাজ্যৰ ৰাজ্যভাষা ইংৰাজী?

উঃ- নাগালেণ্ড।

সংগ্ৰাহক ঃ জেবিন আখতাৰ ৰহমান
স্নাতক পঞ্চম ষান্মাসিক, অৰ্থনীতি বিভাগ

জন্মদিনে কঢ়িয়াই অনা বেদনা

দীপা ভাগৱতী
স্নাতক দ্বিতীয় যান্মাসিক, অসমীয়া বিভাগ

তাইৰ মনটো আজি বৰ আনন্দিত হৈ আছে। ৰাতিপুৱা সোনকালেই উঠিছে, ঘৰখন পৰিষ্কাৰ কৰি সজাইছে- নিজেও অতি মৰমৰ পোছাকযোৰ পিন্ধিছে, মুখত এটা মৌ মিঠা হাঁহি লৈ ফুলনিলৈ গৈ ফুল তুলিছে, সেই ফুলৰেই তাই ভগৱানক পূজা কৰিছে কাৰণ আজি তাইৰ জন্মদিন আৰু আজি চাকৰিৰ সূত্ৰে ঘৰৰ পৰা আঁতৰত থকা তাইৰ দেউতাক বহুত দিনৰ মূৰত ঘৰলৈ আহিব। মাক আৰু ভায়েকৰ সেইবাবে বহুত আনন্দ। মাকে তাই আৰু দেউতাকে খাই ভালপোৱা নানাবিধ বস্তু ৰান্ধিছে, তাই আৰু ভায়েকে দেউতাকৰ অপেক্ষাত বাটলৈ চাই আছে। এনেতে এটা ডাঙৰ শব্দ শুনিবলৈ পালে, মাক পাকঘৰৰ পৰা বাহিৰলৈ ওলাই আহিল, ভায়েকে ক'লে সেইটো ক'ৰবাত কোনোবাই ফট্‌কা ফুটাইছে। কিন্তু তাইৰ মনটোৱে কৈ উঠিল সেইটো যেন ফট্‌কাৰ শব্দ নহয়। লগে লগে তাইৰ বুকুখন কঁপি উঠিল। তাই ক'লে শব্দটো ওচৰৰ পৰা অহা যেন লাগিছে। এনেতে চাৰিওফালে হৈ চৈ লাগি গ'ল আৰু এটা চেপা উত্তেজনাই অঞ্চলটোত বিৰাজ কৰিলে। তাই মাকক সুধিলে, ক'ত কি হ'ল বাৰু? সকলোৱে সেইটো কিহৰ শব্দ, ক'ত বা কি হ'ল, জানিবলৈ উত্তেজিত হৈ পৰিল আৰু খৰধৰকৈ পদূলিৰ ফালে আগবাঢ়ি গ'ল আৰু ওচৰ সম্বন্ধীয় ককায়েক এজনৰ পৰা গম পালে যে বাছ আস্থানৰ ওচৰত কোনোবাই বোলে 'বোমা' বিস্ফোৰণ কৰালে। কথাষাৰ শুনাৰ লগে লগে তাই শিল পৰা কপৌ যেন হৈ পৰিল। তাইৰ মনৰ শংকা বাঢ়ি আহিল, কাৰণ তাইৰ দেউতাকে অলপতে ফোনত তাইক কৈছিল যে তেওঁ বাছৰ পৰা নামিছেহি। তাই আৰু নিজকে স্থিৰ কৰি ৰাখিব নোৱাৰিলে, তাই খৰধৰকৈ খোজ দিলে বাছ আস্থানৰ ফালে। তাইৰ পাছে পাছে খোজ দিলে মাক আৰু ভায়েকে। তাত গৈ তেওঁলোকে যি দৃশ্য দেখিলে সেয়া যেন তেওঁলোকে কেতিয়াও কল্পনাই কৰা নাছিল। চাৰিওফালে তেজৰ চেঁকুৰা, কান্দোনৰ ৰোল, কোনোবাই কান্দিছে পিতৃৰ শোকত, কোনোবাই কান্দিছে মাতৃৰ শোকত, এই দৃশ্যই তাইক একেবাৰে মৰ্মাহত কৰি তুলিলে। এনেতে তাইৰ চকুত পৰিল এজন আঘাতপ্ৰাপ্ত ব্যক্তিৰ ইতিমধ্যে এখন হাত দেহৰ পৰা পৃথক হৈ আঁতৰত চিটিকি পৰিছে আৰু মানুহজনে ছটফটাই আছে মৃত্যু যন্ত্ৰণাত। লৰালৰিকৈ তাই আগবাঢ়ি গ'ল মানুহজনৰ ফালে, ওচৰলৈ গৈ দেখিলে সেয়াচোন তাইৰ দেউতাক। লগে লগে সকলো আশা আকাংক্ষা চূৰমাৰ হৈ গ'ল, তাই দেউতাকক চিকিৎসালয়লৈ নিয়াৰ ব্যৱস্থা কৰিলে কিন্তু চিকিৎসালয় পোৱাৰ আগতেই দেউতাকে মৃত্যুৰ ওচৰত হাৰ মানিলে। লগে লগে শেষ হ'ল ঘৰৰ সুখ আনন্দ। সকলোৱে কান্দোনত ভাগি পৰিল। মোহাৰি দিয়া হ'ল তাইৰ মাকৰ শিৰৰ সেন্দুৰ। নোহোৱা হৈ গ'ল তাই আৰু তাইৰ ভায়েকৰ মূৰৰ পৰা আশীৰ্বাদৰ হাত। আজি যেন তাইৰ ভগৱানৰ ওপৰত থকা সকলো বিশ্বাস হেৰাই গ'ল। কিয় দিলে তাইক ভগৱানে তাইৰ জন্মদিনত এনেকুৱা উপহাৰ। চাৰিওফালে আলোচনা হ'ল কোনে বাৰু দিলে 'বোমা'টো এনেবোৰ কথাৰ আলোচনাই সকলোৰে মুখে মুখে, চৰকাৰেও আহত আৰু নিহত সকলৰ বাবে ক্ষতিপূৰণ ঘোষণা কৰিলে। আজি তাইৰ দেউতাকৰ মৃত্যুৰ এটা মাহ পাৰ হৈ গ'ল কিন্তু তাইৰ মনটো যেন আজিও অশান্ত, আজিও তাইৰ মনটোৱে বিচাৰি ফুৰিছে কেইটামান প্ৰশ্নৰ উত্তৰ। কোনে বাৰু দিছিল বোমাটো? কিয় কাঢ়ি নিলে তাইৰ দেউতাকৰ লগতে বহুতো নিৰীহ মানুহৰ জীৱন, কি পালে সিহঁতে নিৰীহ জনতাৰ তেজেৰে ফাকু খেলি?

তাইৰ ক্ষোভ চৰকাৰৰ প্ৰতিও কাৰণ চৰকাৰে কেইটামান টকাৰ লগত তুলনা কৰিলে তাইৰ দেউতাকৰ জীৱন। তাইৰ প্ৰশ্ন কৰিবৰ মন গ'ল কেইটামান টকাৰ বিনিময়ত তাই জানো ঘূৰাই পাব তাইৰ দেউতাকক, মাকৰ শিৰৰ সেন্দুৰ আৰু ভায়েকৰ আনন্দ.....???

বিজয়ী হ'ব পাৰিঃ কিন্তু সংকল্পৰ জৰিয়তেহে

ৰঞ্জুমণি বড়া
স্নাতক পঞ্চম ষান্মাসিক, অসমীয়া বিভাগ

কৃতকাৰ্য হ'বলৈ হ'লে মানুহক ভীষণ অধ্যৱসায় আৰু প্ৰবল ইচ্ছাশক্তি লাগিব। তেনেকুৱা অধ্যৱসায়ী মনোবৃত্তিৰ অধিকাৰী হ'লেহে ক'ব পাৰিব , 'মই সমুদ্ৰকো শুহি পেলাব পাৰো, মোৰ ইচ্ছা মাত্ৰেই পাহাৰ পৰ্বতো ভাঙি চুৰমাৰ হৈ যাব।' তেনে ইচ্ছাশক্তিৰ অধিকাৰী হ'বলৈ অহৰহ চেষ্টা কৰা উচিত। কৰ্মক্ষেত্ৰত সফল হ'বলৈ কোনো এটা নিৰ্দিষ্ট কামত একনিষ্ঠ ভাৱে লাগি থাকিলেহে লক্ষ্যপ্ৰাপ্তি সম্ভৱ হৈ উঠে। জীৱনৰ যিকোনো পৰিস্থিতিতেই বিজয়ৰ পতাকা আকাশত উৰুৱাবলৈ হ'লে লাগিব নিৰন্তৰ সাধনা, ধৈৰ্য্য, আত্মবিশ্বাস তথা অসীম ইচ্ছাশক্তি। মানুহ হ'ব লাগে নিৰ্ভীক যুঁজাৰু সৈনিক। যিয়ে বুকুত হাজাৰটা গজালৰ খোচ লৈয়ো বিৰামহীন ভাবে গতি কৰিব পাৰে জীৱনৰ পৰা মহাজীৱনলৈ, আত্মাৰ পৰা পৰমাত্মালৈ, আন্ধাৰৰ পৰা পোহৰলৈ...। যিহেতু পোৱা নোপোৱাৰ মাজেৰে জীৱন গৈ থাকে আৰু আগুৱায়। কিন্তু মানুহে ভাগ্যৰ ওপৰত বিশ্বাস কৰাতকৈ কৰ্ম কৰি যোৱাটো উচিত।

জীৱন গঢ়াৰ আৰম্ভণিতে প্ৰথমে নিৰ্দ্ধাৰণ কৰিব লাগে গন্তব্য স্থান। সেইদৰে সাধনা, দায়িত্ব পালন, অন্য ভাল বেয়া বিচাৰ কৰি খুউব সন্তৰ্পণে কৰ্মক্ষেত্ৰত আগবাঢ়ি যোৱা উচিত। সফলতাৰ দৰ্জা তেতিয়ালৈকে মুকলি নহয়, যেতিয়ালৈকে মনত এটা বিচাৰৰ জন্ম নহয়, চকুত এটা সপোনৰ জন্ম নহয়। যিহেতু সপোন হ'ল ভৱিষ্যতৰ দাপোণ। কিন্তু মনত সদায় আশা সজীৱ কৰি ৰাখিব লাগে। আশাৰ কেতিয়াও মৃত্যু হ'বলৈ দিব নালাগে। এইখিনিতে এজন ব্যৱসায়ীৰ কাহিনী মনলৈ আহিছে। ক'ত জানো পাইছিলো পাহৰিলো। কিন্তু মোৰ সম্পূৰ্ণ মনত আছে। এজন ব্যৱসায়ী লোক আছিল। যেতিয়াই কোনো লোকে তেওঁৰ ওচৰলৈ আহি ব্যৱসায়, প্ৰেম অথবা জীৱনৰ বিভিন্ন ক্ষেত্ৰত নিজৰ দুৰ্ভাগ্যৰ বিষয়ে কৈ দুখ কৰিছিল, তেনে ব্যক্তিক ব্যৱসায়ীজনে তেওঁৰ অধ্যয়নৰ কোঠালিলৈ অকলশৰীয়াকৈ মাতি নিছিল যি কোঠালিৰ দেৱালত আঁৰি থোৱা আছিল এখন ফ্ৰেমত বন্ধাই থোৱা এটি বিশেষ লিখা। লিখাটোত লিখা আছিল এইখিনি কথা—

- ব্যৱসায়ত পৰাজয়
- লেজিছলেটিভ কেছত পৰাজয় (1831)
- ব্যৱসায়ত পুনৰ পৰাজয় (1832)
- প্ৰেয়সীৰ মৃত্যু (1833)
- নাৰ্ভাছ ব্ৰেকডাউন (1835)
- স্পীকাৰ হিচাপে পৰাজয় (1836)
- ইলেকটৰ হিচাপে পৰাজয় (1838)
- কংগ্ৰেছৰ প্ৰাৰ্থী হিচাপে পৰাজয় (1840)
- চিনেটৰিয়েল ৰেছত পৰাজয় (1848)
- উপৰাষ্ট্ৰপতি পদৰ বাবে নিৰ্বাচনত পৰাজয় (1855)
- চিনেটৰিয়েল ৰেছত পুনৰ পৰাজয় (1856)
- আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰেছিডেণ্ট হিচাপে নিৰ্বাচিত। (1860)

কোন আছিল বাৰু এইজন ব্যক্তি? যিয়ে জীৱনত বাৰে বাৰে পৰাজিত হৈও অৱশেষত চূড়ান্তভাৱে বিজয়ী হ'ল। তেওঁ হ'ল আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি আব্ৰাহাম লিংকন।

গতিকে মানুহে পৰাজয়ৰ বৰণ কৰিলে বুলি আশা হেৰুৱাই পেলোৱা উচিত নহয়। বৰঞ্চ নতুন উদ্যমেৰে আগবাঢ়ি যোৱাটোহে উচিত। কিন্তু এই মনোবল জীয়াই ৰাখিবলৈ কাৰোবাৰ অলপ উৎসাহ, অনুপ্ৰেৰণা অতিকৈ প্ৰয়োজন। মনত এই কথাটো ভাবিব লাগে যে কোনো মানুহেই সাময়িক অসফলতা অবিহনে ওপৰলৈ উঠি যোৱাটো সম্ভৱ নহয়। সফল হোৱাৰ শেষতম চেষ্টা নকৰাকৈ হাল এৰি দিয়াৰ অৰ্থই হ'ল মানুহজন পলাতক মনোবৃত্তিৰ মানুহ। মানুহে ব্যৰ্থতাকো অতিক্ৰমি যাবলৈ পাৰিব লাগিব। তেতিয়াহলে মানুহৰ মন যদি নদী হয়, সৌভাগ্য হৈ উঠিব সাগৰ। সফলতাৰ আটাইতকৈ কঠিন কামটো হ'ল নিজৰ ওপৰত জন্মোৱা বিশ্বাস। ইয়াৰ বলতেই অতি কঠিন কামো সহজেই কৰিব পৰা যায়। সদায় সৎ উদ্দেশ্য মনত লৈ আগবাঢ়িলে তেনে ব্যক্তিক ভগৱানেও সহায় কৰে। সফল হ'বলৈ সময়ৰ সঠিক জ্ঞান, এটা প্ৰগতিশীল মন, সু-উদ্দেশ্য তথা কৰ্মোদ্যমৰ প্ৰয়োজন। এখোজ এখোজকৈ আগুৱাই এদিন সকলো মানুহেই উন্নতিৰ শিখৰত আৰোহণ কৰিবলৈ সক্ষম হ'ব পাৰিব। মাত্ৰ ইয়াৰ কাৰণে নিজ কৰ্ত্তব্য কৰি যাব লাগিব।

ছেমিষ্টাৰ পদ্ধতি বনাম শিক্ষাৰ্থীৰ ভৱিষ্যত

দৰথী বৰুৱা
স্নাতক তৃতীয় যান্মাসিক, অৰ্থনীতি বিভাগ

সেইদিনা আছিল শনিবাৰ, ১৭ আগষ্ট। আনদিনাৰ দৰেই এটা সুন্দৰ আবেলি। মই এফালে যাবৰ বাবে সাজু হৈছো। হঠাতে খবৰ পালো মোৰ বান্ধৱী ডিম্পী ভূএগই 'চুইচাইড্' কৰিছে। খবৰ পাই কেই মুহূৰ্তমানৰ বাবে মই স্তব্ধ হৈ ৰ'লো। পাছত মাৰ মাততহে সম্বিত ঘূৰাই পাই তৎক্ষণাত মাৰ লগত সিহঁতৰ ঘৰলৈ ৰাওনা হ'লো। তাত গৈ দেখিলো এই জীৱনৰ পৰা পৰিত্ৰাণ পাবলৈ ডিম্পীয়ে আত্মহননৰ বাবে গা-ধোৱা ঘৰটোকে বাছি ল'লে। সেই সময়ত তাইৰ মুখখন দেখি এনেকুৱা লাগিছিল আত্মহত্যা কৰি তাই যেন পৰম শান্তি পাইছে যেন এক গভীৰ প্ৰশান্তিতহে টোপনি গৈছে। মৃত্যুৰ আগমুহূৰ্তত এটুকুৰা কাগজত তাই নিজৰ ভাষ্য এৰি থৈ গৈছে— "মোৰ মৃত্যুৰ বাবে কোনো দায়ী নহয়। স্ব-ইচ্ছাৰে মই এই পথ বাছি ললো।"

শৈশৱৰ আৰু কলেজীয়া জীৱনৰ বান্ধৱী হিচাপে ডিম্পী মোৰ অতি ঘনিষ্ঠ আছিল। সেয়েহে সৰুৰে পৰা মই তাইৰ কথা ভালদৰে জানো। একোৰে অভাৱ নোপোৱা, তাই মাক দেউতাকৰ একমাত্ৰ সন্তান হোৱাৰ লগতে এজনী শান্ত-সৌম্য মেধাবী ছাত্ৰী বুলি গোটেই অঞ্চলতে তাইৰ এক সুনাম আছিল। এনে এজনী ছোৱালীৰ এনে আকস্মিক ঘটনাত সকলো স্তম্ভিত হৈ পৰিল। সব লোৰে মনত মাত্ৰ এটাই প্ৰশ্ন, তাইৰ দৰে এজনী ছোৱালীয়ে কি কাৰণে এনে পদক্ষেপ ল'ব লগা হ'ল? ইয়াৰ সঠিক উত্তৰ কোনেও বিচাৰি নাপালে। কিন্তু মৃত্যুৰ কেইবাদিনৰ আগৰ পৰা মই তাইক অত্যন্ত হতাশাগ্ৰস্ত যেন অনুভৱ কৰিছিলো। ইয়াৰ কাৰণ সোধাত ইয়াৰ অন্তৰালত তাই আশানুৰূপ ভাৱে নোপোৱা পৰীক্ষাৰ ফলাফল বুলি বুজি পাইছিলো। উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত ভাল ফল দেখুওৱা ডিম্পীয়ে দুয়োটা ছেমিষ্টাৰতে (যিহেতু বৰ্তমান ছেমিষ্টাৰ পদ্ধতি প্ৰয়োগ হৈ আছে) আশা কৰা ধৰণে অলপো ভাল ফল দেখুৱাব নোৱাৰি মানসিকভাৱে সাংঘাতিক ভাগি পৰিছিল। তাইৰ ভাষ্যমতে "আগন্তুক জীৱনৰ লগত সন্মুখীন হোৱাৰ সাহস মই প্ৰায় হেৰুৱাই পেলাইছো। ইমান কষ্ট কৰিও ভাল ফল দেখুৱাব পৰা নাই, তেন্তে এই প্ৰতিযোগিতাৰ দৌৰত আগবাঢ়িম কেনেকৈ?" এই ভাষ্যৰ মাত্ৰ তিনিদিন পাছতেই তাই সেই চূড়ান্ত সিদ্ধান্তটো ল'লে ...

ওপৰ উল্লিখিত ঘটনাটো পঢ়ি বহুতেই ক'ব যে এইয়া ডিম্পীৰ নিজৰ অক্ষমতাৰ ফল নাইবা তাইৰ এক মুৰ্খামি। হয়তো এইয়া তাইৰ অক্ষমতা বা মুৰ্খামিও হ'ব পাৰে। কিন্তু ঘটনাটো অলপ মন দি চালে দেখা যায় যে সম্প্ৰতি তাইৰ দৰে ঘটনা দেশৰ বিভিন্ন কোণত ঘটি আছে আৰু যাৰ মূল কাৰণ হ'ল আশানুৰূপ বাবে নোপোৱা পৰীক্ষাৰ ফলাফল। বৰ্তমান প্ৰতিযোগিতাৰ যুগ, পাৰেচেণ্টৰ (%) দৌৰাত্ম্য, কোনেও কাৰো ফালে চোৱাৰ সময় নাই মাথো লাগে ভাল ৰিজাল্ট। ভাল পাৰচেণ্টেজ। কাৰণ কলেজীয়া শিক্ষাৰ পাছত বিশ্ববিদ্যালয়ৰ সীমিত আসনৰ বাবে ভাল নম্বৰ নহলেই নহয়। কেৱল বিশ্ববিদ্যালয়তে কিয়, কাৰিকৰী বা অন্যান্য দিশত শিক্ষা ল'ব খুজিলেও ভাল নম্বৰ লাগে। সেয়েহে হয় ভাল ৰিজাল্ট কৰা নহ'লে ঘৰতে মাখি মাৰা। যিয়েই এই দৌৰত খোজ মিলাব নোৱাৰে, তেন্তে সি মানসিকভাৱে ভাগি পৰাৰ সম্ভাৱনাই বেছি। কাৰণ চাকৰিটো বহুত দূৰৰ কথাই (কিয়নো বৰ্তমান সাধাৰণ ড্ৰাইভাৰ, পিয়ন আদিৰ বাবেও 1st Class ডিগ্ৰীহে বিচাৰে) ভাল নম্বৰ নহ'লে উচ্চ শিক্ষাৰ বাবে আবেদন কৰিব নোৱাৰে। এনে পৰিস্থিতিতেই শিক্ষাৰ্থীয়ে বাছি ল'ব লগা হয় আত্মহননৰ দৰে ভয়ংকৰ পথ।

বৰ্তমান সময়ত গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মহাবিদ্যালয় সমূহত 'ছেমিষ্টাৰ পদ্ধতি' প্ৰয়োগ কৰা হৈছে। এই পদ্ধতি অনুসৰি ৬ মাহ পাঠ্যক্ৰমৰ অন্তত পৰীক্ষা অনুষ্ঠিত হয়। কিন্তু প্ৰকৃততে দেখা যায় যে মাত্ৰ ৩ মাহ বা ৪ মাহ ক্লাছ কৰিয়েই পৰীক্ষাত বহিব লগা হয়। একোজন স্নাতক শিক্ষাৰ্থীৰ বাবে সন্মানীয় বিষয় লৈ মাত্ৰ ৩ মাহ বা ৪ মাহ ক্লাছ কৰিয়েই পৰীক্ষাত বহাটো প্ৰায় অসম্ভৱ কথা। কিন্তু পৰিস্থিতিৰ দাস হৈ শিক্ষাৰ্থী সকলে এনে অসম্ভৱ কাৰ্যও সম্ভৱ কৰিব লগা হৈছে। ইয়াৰ উপৰিও অসমৰ দৰে

এখন 'বন্ধ প্ৰদেশ'ত অনেক বন্ধৰ মাজতে মাত্ৰ কেইটামান দিনহে ক্লাছ কৰিবলৈ সুবিধা পায়। যাৰ কু-ফল ৰূপে ছাত্ৰ-ছাত্ৰী সকলে পৰীক্ষাত ভাল ফল দেখুৱাব নোৱাৰে। ফলাফল ওলোৱাৰ পাছত দেখা যায় যে কোনোবাই এখন বা দুখনত ফেইল কৰিছে, অন্যহাতে কোনোবাই হয়তো সন্মানীয় বিষয়তে ভাল ফল দেখুৱাব পৰা নাই। মই এনে শিক্ষাৰ্থীও দেখিছো যি 75% লৈ সন্মানীয় বিষয়ত নম্বৰ পাইছে আনহাতে অন্যান্য বিষয়ত ফেইল কৰিছে। ইয়াৰ কাৰণ হ'ল ইমান কম সময়ত সন্মানীয় বিষয়কে পঢ়িব নে অন্যান্য বিষয়কে পঢ়িব। এনে শিক্ষাৰ্থীৰ বাবে পাছৰ বাৰ পুনৰ পৰীক্ষা দিবলৈও আন এক সমস্যাৰ উদ্ভৱ হয়, কাৰণ ইতিমধ্যেই পাছৰ ছেমিষ্টাৰৰ বিষয় কেইটাৰ বাবে সাজু হ'বৰ হয়েই। সেয়ে আগৰ ফেইল কৰা বিষয়টো pass course হ'লেও দিবলৈ অত্যন্ত কঠিন হৈ পৰে।

সাম্প্ৰতিক সময়ত আমাৰ সমাজত এনে এটা পৰিবেশৰ সৃষ্টি হৈছে যে এটা ল'ৰা বা এজনী ছোৱালী কেৱল পঢ়াত চোকা হ'লেই নহ'ব, ইয়াৰ লগতে সামাজিক, সাংস্কৃতিক তথা আন্যান্য দিশতো সমানে পাৰ্গত হ'ব লাগিব। তেতিয়াহে সমাজত ভৱিষ্যতে এখন আসন লাভ কৰিবলৈ সক্ষম হ'ব। আজিকালি কিছুমান চৰকাৰী আৰু বেচৰকাৰী চাকৰিৰ বাবেও আন্যান্য অভিজ্ঞতা বিচৰা দেখিবলৈ পোৱা যায়। কিন্তু সমস্যাৰ বিষয়টো হ'ল যে ছেমিষ্টাৰ পদ্ধতি প্ৰয়োগৰ ফলত শিক্ষাৰ্থী সকলে প্ৰায় প্ৰত্যেক দিনাই পৰীক্ষাৰ বাবে নিজকে সাজু কৰিব লগাত পৰে। এই কম সময়চোৱাত নিজৰ পাঠ্যক্ৰমকে সম্পূৰ্ণ কৰিবলৈ টান হোৱা শিক্ষাৰ্থী সকলে আন্যান্য দিশলৈ মূৰ তুলি চোৱাৰ সময় ক'ত? অৱশ্যে ছেমিষ্টাৰ পদ্ধতিত ভাল ফলাফল দেখুওৱা শিক্ষাৰ্থীৰ সংখ্যা আঙুলিৰে মূৰকত লেখিব পৰা। ঠিক তেনেদৰে অলেখ ব্যস্ততাৰ মাজতো অতি কষ্টেৰে দুই এক ছাত্ৰ-ছাত্ৰীয়েহে পঢ়াৰ লগতে অন্যান্য দিশ সমূহো সমানে আগুৱাই নিছে। আমাৰ মহাবিদ্যালয়তে এনে বহুত প্ৰতিভাসম্পন্ন ছাত্ৰী আছে, যি কেৱল ৰাজ্যিক পৰ্যায়তে নহয়, ৰাষ্ট্ৰীয় পৰ্যায়তো যথেষ্ট সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। কিন্তু ছেমিষ্টাৰ পদ্ধতি প্ৰয়োগৰ ফলত এই সকল ছাত্ৰীয়ে নিজৰ অন্যান্য সকলো প্ৰতিভাক প্ৰায় একাষৰীয়াকৈ থ'ব লগা হৈছে। এয়া সঁচাকৈয়ে অতি চিন্তনীয় বিষয় হৈ পৰিছে।

মোৰ অনুভৱৰ মণিকোঠাত দেখা চেমিষ্টাৰ পদ্ধতিৰ অন্য এক চিন্তনীয় দিশ হ'ল আৰ্থিক দিশটো। আজিৰ পৰা দুবছৰ আগতে শিক্ষা বৰ্ষৰ আৰম্ভণিতে এবাৰ নামভৰ্তি আৰু পৰীক্ষাৰ আগত এবাৰ পৰীক্ষা দিবৰ বাবে প্ৰ-পত্ৰ পূৰণ কৰিব লাগে। কিন্তু বৰ্তমান চেমিষ্টাৰ পদ্ধতি বাবে বছৰত দুবাৰকৈ নামভৰ্তি আৰু দুবাৰকৈ প্ৰ-পত্ৰ পূৰণ কৰিব লাগে, অৰ্থাৎ আগতকৈ প্ৰায় দুগুণ খৰচ হয়। ধনী লোকসকলৰ বাবে ই কোনো সমস্যা নহয়, মধ্যবিত্ত লোকসকলেও যেনেতেনে যোগাৰ কৰি দিব, কিন্তু সমস্যা হ'ল যি সকল পেটে-ভাতে খাই নিজৰ সন্তানক শিক্ষাৰ পোহৰৰ বাবে কলেজলৈ পঠিয়াইছে, সেই সকলৰ বাবে। তেনে লোকৰ বাবে বছৰত দুবাৰকৈ নামভৰ্তি আৰু দুবাৰকৈ প্ৰ-পত্ৰ পূৰণৰ কাৰণে প্ৰয়োজন হোৱা বিশাল ধনৰাশি যোগাৰ কৰি দিয়াটো অত্যন্ত কঠিন হৈ পৰিছে। যাৰ ফলত এচাম ছাত্ৰ-ছাত্ৰীৰ বাবে কলেজীয়া শিক্ষা সোণৰ সোলেং হোৱাৰ দৰে হৈছেগৈ। অৱশ্যে বহুত মহাবিদ্যালয়ত এনে ছাত্ৰ-ছাত্ৰীক ৰেহাইৰ ব্যৱস্থা কৰা দেখা যায়। কিন্তু এনেদৰে প্ৰত্যেক মহাবিদ্যালয়ত কিমান আৰ্থিক ভাবে দুৰ্বল ছাত্ৰ-ছাত্ৰীক ৰেহাই দি শিক্ষা প্ৰদান কৰিব আৰু কিমান দিনলৈ? এনেদৰে সকলো ছাত্ৰ-ছাত্ৰীকে ৰেহাই দিয়াটো সম্ভৱ নহয়। মাটি ভেটি বন্ধকত দি নামভৰ্তি আৰু প্ৰ-পত্ৰ পূৰণৰ বাবে পইচা যোগাৰ কৰা উদাহৰণো বিৰল নহয়। ইমান টকা পইচা খৰচ কৰি পঢ়া সমাপ্ত কৰাৰ পাছত যদি চাকৰিৰ গেৰাণ্টি থাকিলহেঁতেন তেনেহ'লে হয়তো ইমান চিন্তাৰ কাৰণ নহ'লহেঁতেন। কিন্তু অসমৰ দৰে দুৰ্নীতিয়ে সৰ্বত্ৰ গ্ৰাস কৰি থকা এখন ৰাজ্যত চাকৰি বিচৰা আৰু সাগৰত মানিক বিচৰা একেই কথা। আন ছাত্ৰ-ছাত্ৰীৰ কথা নক'লোৱেইবা কিন্তু মাটি ভেটি বন্ধকত দি পঢ়া ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বৰ্তমান শিক্ষাৰ জীৱনটো এক জুৱাৰ দৰে হৈ পৰিছে। পঢ়া সমাপ্ত কৰি চাকৰি পালে 'মালামাল' (নৱ-প্ৰজন্মৰ ভাষাত) হৈ পৰিব আৰু একো নোৱাৰিলে সৰ্বস্বান্ত হৈ পৰিব।

শেষত সমূহ পাঠক সমাজলৈ উদ্দেশ্যি মই এষাৰ কথা ক'ব বিচাৰো যে 'চেমিষ্টাৰ পদ্ধতি'ৰ দৰে এটা বহুল বিষয় আলোচনা কৰাটো মোৰ প্ৰধান উদ্দেশ্য নাছিল। মাথোঁ মোৰ বান্ধৱীৰ মৃত্যু আৰু বহুত দিনৰ পৰা মোৰ মনত দোলা দি থকা চেমিষ্টাৰ পদ্ধতিৰ কেইটামান অসুবিধাহে পাঠকসমাজলৈ আলোচনাৰ দিশ হিচাপে আগবঢ়াই দিলো।

সদৌ শেষত সন্মানীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াৰ লগতে বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষলৈ এটা অনুৰোধ জনাব বিচাৰো যে মোৰ দৰে হয়তো বহুত ছাত্ৰ-ছাত্ৰীয়ে অনুভৱ কৰা চেমিষ্টাৰ পদ্ধতিৰ এই অসুবিধাসমূহৰ প্ৰতি অলপ হ'লেও চকু দিয়ে যেন। (বিশেষকৈ আৰ্থিকদিশটোৰ প্ৰতি) অন্যথা ছাত্ৰ-ছাত্ৰীৰ বাবে চেমিষ্টাৰ পদ্ধতিটো সফল শিক্ষা পদ্ধতিৰ পৰিৱৰ্তে মূৰৰ কামোৰণি হৈ পৰিব। ▶▶

সমাজৰ প্ৰতি আমি কিমান দায়বদ্ধ

মৃদুস্মিতা গগৈ
স্নাতক তৃতীয় যাম্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

কিছুমান সৰু সৰু কথাই জীৱনটো যেনেদৰে উপভোগ্য কৰি তোলে, তেনে দুৰ্বিষহ কৰিও তুলিব পাৰে। এনেবোৰ কথাৰ ইতিবাচক ঘটনাক্ৰমে আমাৰ জীৱনৰ আশাবোৰ প্ৰবলভাবে বঢ়াই তোলাৰ বিপৰীতে নেতিবাচক ঘটনাবোৰ হৈ পৰে জীৱনীশক্তিৰ ঘাটকস্বৰূপ। মানুহৰ আত্মাৰ দৰে মনটোও বিচিত্ৰ। এই মনটোক সুখী কৰিব পৰা কাম কৰিব পৰা নোৱাৰাৰ ওপৰতে নিৰ্ভৰ কৰে জীৱনৰ আনন্দ আৰু অৰ্থপূৰ্ণতা। মানুহ সমাজপ্ৰিয়। আজিৰ মানুহে ৰবিনছনক্ৰুচো বা আলেকজেণ্ডাৰ হোৱাটো কামনা নকৰে। ধন সম্পত্তিৰ বিনিময়ত মানুহ দুনুহ নথকা নিৰ্জন ঠাইত থাকিবলৈ মান্তি নহয় কোনো। সেয়েহে ভিন্ন মনৰ মানুহৰ মাজত একেলগে সমাজ পাতি বাস কৰিবলগীয়া হোৱা এক অসহায় অৱস্থাক যুগে যুগে মানুহৰ সুখ চেতনাই হেলাৰঙে অতিক্ৰম কৰি আহিছে।

আজি আমি এনে এখন সমাজৰ এনে একোজন অসহায় বাসিন্দা, য'ত হিংসা, দ্বেষ, বিশ্বাহীনতাৰ কবলত প্ৰায় শ্বাসৰুদ্ধ ৰূপ ধাৰণ কৰা পৰিবেশে ক্ৰমে কাঢ়ি নিছে আমাৰ সুখৰ নিদ্ৰা। নিজৰ বাবে জীয়াই থকা, আনৰ সুবিধা অসুবিধালৈ পিঠি দিয়া একাংশৰ বাবে আজিৰ সমাজখন হৈ পৰিছে দ্বন্দ-খৰিয়ালৰ ক্ষেত্ৰ। আনৰ ওপৰত নিজৰ প্ৰভুত্ব বৃদ্ধিৰ, অস্বাস্থ্যকৰ প্ৰতিযোগিতাৰ থলী। উচ্চ ডিগ্ৰীধাৰী অৰ্ধশিক্ষিত বা কু-শিক্ষিত লোকৰ মাজত এনে প্ৰৱণতাই অধিক। এনে লোকৰ দপ্‌দপনিয়ে এচাম লোকৰ নিদ্ৰা হৰিছে। আজিৰ সমাজখন মানুহৰ বাবে বাসোপযোগী হৈ থকা নাই। নিৰাপত্তাৰ নামত আৰক্ষী প্ৰশাসনে নিৰীহ জনতাৰ ওপৰত চলোৱা অত্যাচাৰ আদিৰ দৰে ঘটনাৰ বাবে সমাজখনৰ প্ৰশাসনৰ ওপৰত থকা বিশ্বাস ক্ৰমান্বয়ে হেৰাই যাব ধৰিছে। এচাম ধনী দালালৰ হাতৰ পুতলা হৈ থাকোঁতে প্ৰশাসন শব্দটোৰ অস্তিত্ব বিপদাপন্ন হৈ পৰিছে। তেনেলোকৰ মানসিকতাৰ এনে অপ্ৰত্যাশিত চিন্তাচৰ্চাই সমাজখনৰ পৰা বুজাবুজি, সহমৰ্মিতা, আস্থা, বিশ্বাস আদিবোৰৰো অস্তিত্ব নাইকিয়া কৰি তুলিছে।

সমাজৰ কাণ্ডাৰী আৰু ভৱিষ্যতৰ কৰ্ণধাৰ হিচাপে আখ্যা দিয়া যুৱ সমাজখনেই হৈ পৰিছে বিভ্ৰান্ত। সমাজৰ প্ৰতি তেওঁলোকৰ দায়বদ্ধতাৰ কথা পাহৰি উশৃংখল হৈ পৰিছে। ইয়াৰ মূলতে বৰ্তমানৰ দেশৰ যি অৰ্থনৈতিক, ৰাজনৈতিক আৰু নৈতিক তথা আধ্যাত্মিক জ্ঞানৰ অভাৱ। ফলস্বৰূপে সমাজত বিয়পি পৰিছে হিংসা, হত্যা, লুণ্ঠন, ধৰ্ষণ আদিৰ দৰে কাৰ্য্যকলাপ। যিয়ে নেকি পাহৰাই তুলিছে তেওঁলোকৰ কৰ্ত্তব্য কি? পাহৰি গৈছে নাৰীৰ মহত্বৰ কথা। তেওঁলোকে আদৰি লৈছে আধুনিকতাৰ নামত অশ্লীলতাক। এনেবোৰ সমস্যা কিয় উদ্ভৱ হৈছে তাক এবাৰ কোনোবাই উপলব্ধি কৰিব পাৰিছেনে? এতিয়া এই সমাজত চলিব ধৰিছে ভোগ লালসাৰ প্ৰবল যজ্ঞ। প্ৰযুক্তি বিদ্যাৰ প্ৰভাৱত তেজ মঙহৰ প্ৰাণচঞ্চল একো একোজন সামাজিক লোক হৈ পৰিছে ক্ৰমাৎ যন্ত্ৰবৎ। আৰু বহুতে দিক্ বিদিক হেৰুৱাই নিজকে ঠেলি দিছে ধ্বংসাত্মক দিশলৈ। এনে বিলাকৰ মূলতে হৈছে মূল্যবোধৰ অভাৱ, নৈতিক তথা আধ্যাত্মিক গুণৰ অভাৱ। আজিৰ সমাজৰ প্ৰত্যেকজন ব্যক্তিয়ে এনে এক অনাকাংক্ষিত অশান্তিৰ মাজেৰে জীৱন অতিবাহিত কৰিব লগা হৈছে যিবোৰ নেকি সমাজৰ প্ৰতি শুভ ইংগিত নহয়। চিটিবাছৰ কণ্ডাক্টৰ জনৰ পৰা পাণদোকানীজনলৈকে কাৰো পৰা ভাল মুখৰ মাত আশা কৰিব নোৱাৰি। বয়স মান মৰ্যদাৰ প্ৰতি কাৰো ভ্ৰুক্ষেপ নাই। কটু কথা, ৰূঢ় ব্যৱহাৰ, কেনেদৰে আপোনাক আঘাত কৰিব পাৰে তাৰহে এক প্ৰতিযোগিতা চলে। গাড়ীত যাওঁতে কাষত বহাজনলৈ ভ্ৰুক্ষেপ নকৰি চিগাৰেট হোপা। আকৌ স্থান কাল পাত্ৰ পাহৰি মোবাইলত ডাঙৰ ডাঙৰকৈ কথা পতা, তদুপৰি বাইকৰ যি ৰেচ বা ষ্টাইল, "speed thrills but it kills" এই সাৱধানবাণীৰ বাক্যশাৰীৰ জীয়া বাস্তৱত পৰিণত নোহোৱালৈকে যি শিহৰণকাৰী দৃশ্য, কানোবাই যদি ভুলটো উনুকিয়াই দিয়ে ওলোটাই ভদ্ৰতাৰ খাটিৰত ঘোপাকৈ চোৱা আদি এশ এটা সমস্যাই প্ৰতিজন শান্তিপ্ৰিয় মানুহক ক্ৰমাগতভাবে অসন্তুষ্ট কৰি তুলিছে। বিশ্বাস, আস্থা, দয়া, মৰম, বুজাবুজিহীন এনে অৱস্থাবোৰে দৰাচলতে আধুনিক সভ্যতাৰ পৰিচায়কনে?

ইয়াৰ বাবে কেৱল যুৱ সমাজখনকেই দায়ী কৰিব নোৱাৰি। সমাজৰ প্ৰতিজন লোকেই কমবেছি পৰিমাণে দায়ী। কিয়নো বৰ্তমান সময়ৰ দ্ৰুত পৰিবৰ্তনে সামাজিক আৰু অৰ্থনৈতিক প্ৰেক্ষাপটলৈ এখন ধূসৰ ছবি আনিছে। এই পৰিৱৰ্তনৰ ঢৌত আমিবোৰ কেৱল দৌৰিছো, মাথো দৌৰিছো। ৰ'বলৈ সময় নাই। এই তীব্ৰ প্ৰতিযোগিতাৰ দৌৰত অভিভাৱকসকলে তথা পঢ়াশালিৰ পাঠ্যক্ৰমে জাপি দিছে একো একোটা নতুন বোজা। অভিভাৱকসকলে নিজেই নাজানে তেওঁলোকৰ সন্তানে কেনেধৰণৰ প্ৰতিভা লৈ জন্ম লৈছে আৰু পঢ়াশালিৰ পাঠ্যক্ৰমে জাপি দিয়া জ্ঞানবোৰ পঢ়াৰ মাজতেই আবদ্ধ কৰি ৰাখিছে। ইয়াৰ ফলত এজন ছাত্ৰ বা ছাত্ৰীয়ে নৈতিক দিশত বিকাশ ঘটাব পৰাত সফল হ'ব নোৱাৰে। ইয়াৰ ফলস্বৰূপে তেওঁ যিয়ে চৰকাৰী সেৱা পালন নকৰক তাত তেওঁৰ নিজৰ মেধাবী গুণৰ পৰিচয় দিলেও সেয়া তেওঁৰ নিজৰ স্বাৰ্থৰ প্ৰতিহে কাৰ্যকৰী হ'ব পাৰিব। কোনটো কৰা উচিত বা অনুচিত সেয়া দকৈ ভাবি নোচোৱাকৈ নিজ কৰ্মক্ষেত্ৰ, সমাজক আওকাণ কৰি নিজ স্বাৰ্থ পূৰণ কৰিবৰ বাবে দুৰ্নীতিৰ আশ্ৰয় লোৱাও পৰিলক্ষিত হয়। গতিকে ছাত্ৰ-ছাত্ৰীক কেৱল পঢ়াশালিৰ পাঠ্যক্ৰমতে আবদ্ধ নাৰাখি নৈতিকতা আৰু সামাজিক দিশৰ প্ৰতি তেওঁলোকৰ দায়বদ্ধতাৰ কথাও জনাত সহায় কৰিব লাগে। কিয়নো ছাত্ৰ-ছাত্ৰীয়ে ৰাজ্যিক বা ৰাষ্ট্ৰীয় শিক্ষামূলক পৰীক্ষাত প্ৰথম দহটা স্থান প্ৰাপ্ত হোৱাটো বৰ আনন্দদায়ক কথা। কিন্তু ঠিক তেনেদৰে যদি স্থান প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীয়ে দুখন অসমীয়া শিশু উপন্যাস, দুজন প্ৰবীণ সাহিত্যিকৰ নাম নাজানে সেয়া সিমানেই বিষাদৰ কথা নহ'বনে?

গতিকে আমি সকলোৱে সংকল্প লোৱা উচিত যে, আমি যি কৰিম সমাজৰ কাৰণেই কৰিম আৰু সমাজক কিবা দিবলগীয়া হ'লে ভালটোৱেই দিম। ইয়াৰ আধুনিক বস্তুবাদী জীৱন প্ৰক্ৰিয়াৰ চিন্তা পৰিহাৰ কৰি আত্মকেন্দ্ৰিকতাৰ ঋণাত্মক চেতনা অতিক্ৰমি আমি সামাজিক দায়বদ্ধতা আৰু মানৱীয়তাৰ স্বাক্ষৰ দাঙি ধৰিব পাৰিলে নিজে নিজেই আমি বাস কৰা সমাজখন কিমান সুন্দৰ হ'ব তাক এবাৰ ভাবি চাওঁচোন আহক।

কুইজ

- ভাৰতবৰ্ষৰ সৰ্বোচ্চ সন্মান ভাৰতৰত্ন বঁটা লাভ কৰা প্ৰথম গৰকী সংগীতজ্ঞ কোন?

উঃ- এম.এছ.শুভলক্ষ্মী।

- পৃথিৱীৰ কোন দেশত এগৰাকীও নাৰী নাই?

উঃ- ইউৰোপৰ বেটিংকনচিটী।

- টেবুল টেনিছ খেলবিধৰ আৰম্ভণিতে কি নাম আছিল?

উঃ- গ্লছিমা।

সংগ্ৰাহক ঃ জেবিন আখতাৰ ৰহমান
স্নাতক পঞ্চম ষাণ্মাসিক, অৰ্থনীতি বিভাগ

যৌতুক প্ৰথা আৰু বৰ্তমান সমাজ ব্যৱস্থা



মায়াশ্ৰী গগৈ
স্নাতক পঞ্চম ষাণ্মাসিক, শিক্ষা বিভাগ

যৌতুকৰ বাবে বোৱাৰী হত্যা বৰ্তমান প্ৰচাৰ মাধ্যমৰ হৃদয় জোকাৰি দিয়া এক নিয়মীয়া খবৰ। এনে এটা খবৰে হয়তো বৰ্তমান সমাজ ব্যৱস্থাক তোলপাৰ লগাই দিয়ে। এগৰাকী কাৰোবাৰ অতি মৰমৰ জীয়েকক নাইবা ভনীয়েকক কিয় কেৰাচিন তেল ঢালি দিয়া হয়? এনে নৃশংস অত্যাচাৰ কৰিবলৈ যাওঁতে সেইসকলৰ অন্তৰে হাহাকাৰ নকৰেনে? পিছে এই যৌতুক প্ৰথানো কি? সাধাৰণতে কইনাই বিবাহৰ সময়ত দৰা ঘৰলৈ অৰ্থাৎ গিৰিয়েকৰ ঘৰলৈ লৈ যোৱা ধন, উপহাৰ আৰু স্থাৱৰ অস্থাৱৰ সম্পত্তিকে যৌতুক প্ৰথা বোলে। এই যৌতুক প্ৰথা এদিনতে গঢ়ি উঠা প্ৰথা নহয়। এই প্ৰথা অতীজৰ ৰজা মহাৰজাৰ দিনৰ পৰা প্ৰচলিত হৈ আছিল, তাৰ সঠিক প্ৰমাণ ৰামায়ণ আৰু মহাভাৰতত পাব পাৰো। ৰাজ পৰিয়ালৰ দিনত এই যৌতুক প্ৰথা পৰম্পৰা হিচাপে আছিল। কিন্তু পৰম্পৰাই বৰ্তমান সমাজ ব্যৱস্থাত এক বিকৃত ৰূপ লৈছে। যৌতুক প্ৰথাক সাধাৰণতে দুই ভাগত ভগাব পাৰি। এই ভাগ দুটা হ'ল ১) বিবাহৰ আগত বিচৰা যৌতুক আৰু ২) বিবাহৰ পিছত বিচৰা যৌতুক। বিবাহৰ আগত বিচৰা যৌতুক মানে হৈছে দৰা পক্ষই ছোৱালী চাবলৈ অহাৰ সময়ত কইনা পক্ষৰ লগত যেতিয়া মুকলি ভাৱে কিছু দাবী উত্থাপিত কৰে আৰু দুয়োপক্ষই তেতিয়া এই ক্ষেত্ৰত সৈমান হৈ মৰমতে ছোৱালীজনীক উক্ত বস্তু সামগ্ৰী নাইবা ধন উপহাৰ হিচাপে দিয়ে। অন্যহাতেদি বৰ্তমান আমাৰ সমাজ ব্যৱস্থাত বিবাহৰ তিনি চাৰি মাহৰ পিছত ন-কইনাজনীৰ ওচৰত অতিৰিক্ত যৌতুকৰ দাবী কৰা হয়। তেনে অতিৰিক্তবস্তু-সামগ্ৰী নাইবা ধনকে বিবাহৰ পিছত সৃষ্টি হোৱা যৌতুক বুলি কোৱা হয়। বৰ্তমান সময়ত বিবাহৰ আগত বিচৰা যৌতুকৰ বাবে সমাজত সিমান সমস্যাৰ সৃষ্টি নহয়, কাৰণ এই ক্ষেত্ৰত দুয়ো ঘৰৰ লোক সমানেই জড়িত হৈ থাকে। কিন্তু উত্থাপিত দাবীতকৈ বোৱাৰীজনীক কম বস্তু নাইবা ধন দিলে আজীৱন শহুৰেকৰ ঘৰত বিভিন্ন ধৰণৰ কৰ্কথনা শুনিবলগীয়া হয়। বিবাহৰ পিছত সৃষ্টি হোৱা যৌতুকৰ বাবে কেতিয়াবা দুয়োঘৰৰ মাজত পাৰিবাৰিক কন্দলৰ সৃষ্টি হয়, যাৰ ফলত বোৱাৰীজনীক শাৰীৰিক অত্যাচাৰ কৰা হয়। কেতিয়াবা আকৌ পতি-পত্নীৰ মাজত বিবাহ বিচ্ছেদ হোৱা দেখা যায়। পৰিশেষত কাৰোবাৰ অতি মৰমৰ জীয়েকজনীক কেৰাচিন তেল ঢালি জ্বলাই দিয়া হয়।

যৌতুক প্ৰথাক বিকৃত ৰূপ দিয়াত কইনা আৰু দৰা দুয়োপক্ষৰ লোক সমানেই জগৰীয়া। দৰা পক্ষৰ লোক জগৰীয়া হোৱাৰ বহুতো কাৰণ পৰিলক্ষিত হয়। কিয়নো এওঁলোক নৱ শিক্ষাৰে শিক্ষিত, উচ্চ পদস্থ চাকৰিয়াল ব্যক্তি, অৰ্থনৈতিক ভাবে সফল ব্যৱসায়ী লোক। তেওঁলোকে নিজকে উচ্চ প্ৰস্থিতি সম্পন্ন লোক হিচাপে গণ্য কৰে আৰু নিজকে দামী যৌতুক পোৱাৰ অধিকাৰী বুলি ভাবে। তেওঁলোকে বোৱাৰীজনীৰ ৰূপ, গুণ আদিলৈ লক্ষ্য নকৰি বোৱাৰীজনীয়ে বিবাহৰ মুহূৰ্তত অনা যৌতুকত শান্তি নহ'লে তাইক নানা ধৰণৰ কথা শুনায়। যেনে- অমুকৰ ঘৰৰ বোৱাৰীক দেখিছানে নাই কিমান ভাল বস্তু, গাড়ী নাইবা ধন আনিছে ইত্যাদি ইত্যাদি। তেওঁলোকে নিজকে আনৰ লগত তুলনা কৰে। সেয়েহে কেতিয়াবা দেখা যায় বিবাহৰ পিছতো ছোৱালীক মাকৰ ঘৰৰ পৰা যৌতুক আনিবলৈ কোৱা হয়। অথচ সকলোখিনি ঘৰতে থাকে। কইনাঘৰৰ কথা অকনো ভাবিবলৈ দৰাঘৰৰ আহৰি নাথাকে নেকি? তেওঁলোকে হয়তো পাহৰি যায় যে নিজৰ ঘৰৰ ছোৱালীজনী বা ভনীজনীৰ যদি শহুৰেকৰ ঘৰত এনে দুৰৱস্থা হয়, তাইক যদি যৌতুকৰ বাবে অত্যাচাৰ কৰা হয়, তেতিয়া তেওঁলোকৰ অন্তৰত হাহাকাৰ নহ'বনে? আজিৰ শিক্ষিত চামে যৌতুক গ্ৰহণ কৰিবলৈ উদগ্ৰীৱ হয়, তেন্তে অশিক্ষিত লোকে গ্ৰহণ নকৰাৰ প্ৰশ্নই নুঠে। তেওঁলোকে অতীতৰ পৰম্পৰাক বৰ্তমানৰ ফেশ্যন হিচাপে ধৰি লৈছে। এই যৌতুক প্ৰথাক বিকৃত ৰূপ দিয়াত দৰা পক্ষৰ লোকৰ লগতে কইনা পক্ষৰ লোকো সমানে দায়ী। কইনাফলীয়া লোকে প্ৰায় নিজৰ ছোৱালীক সামাজিক আৰু অৰ্থনৈতিক বাবে উচ্চ পৰিয়াললৈ বিয়া দিব বিচাৰে। তেওঁলোকে ছোৱালীজনীক বিয়া দিব পাৰিলেই দৰাঘৰত তাইৰ নিৰাপত্তা, আৰাম আৰু মান-সন্মান পাব বুলি ভাবে। যাৰ ফলত কইনাই ল'ৰাৰ সমস্ত দাবী মানি চলে। অন্ততঃ তেওঁলোকে সেই সময়ত দৰাপক্ষৰ দাবী মানিবলৈ অস্বীকাৰ কৰিব পাৰিলেহেঁতেন। তেওঁলোকে বুজাই ক'ব পাৰিলেহেঁতেন ছোৱালীজনী পৰিয়ালৰ বাবে বোজা নহয়, তাই নিজৰ ভৰিত নিজে থিয় দিব পাৰিব।

আজিৰ যুগ বিজ্ঞানৰ যুগ। এই যুগৰ প্ৰায়ভাগ লোকেই শিক্ষিত। অতীতৰ এনে পৰম্পৰাক আমি যুৱচামে আকোঁৱালি লোৱাটো অতি লজ্জাজনক আৰু পৰিতাপৰ বিষয়। আমি শিক্ষিত যুৱচামে ইয়াৰ তীব্ৰ বিৰোধিতা কৰিব নোৱাৰো নেকি? কিয় তেওঁলোকৰ ওপৰত উচিত ব্যৱস্থা ল'ব নোৱাৰো? যৌতুকৰ দৰে এক নিকৃষ্ট কু-প্ৰথাক আঁতৰাবলৈ আমি ছাত্ৰ-ছাত্ৰী আগবাঢ়ি আহিব লাগিব। বিদ্যালয় আৰু মহাবিদ্যালয়ত এনে কু-প্ৰথাৰ বিৰুদ্ধে বিভিন্ন ধৰণৰ আলোচনাচক্ৰ পাতিব লাগিব। যৌতুক প্ৰথাৰ বিষয়ে সকলোকে সজাগ কৰিব লাগিব। আমি সকলোৱে ইয়াৰ বিৰুদ্ধে মাত মাতিলে এদিন নহয় এদিন এই নিকৃষ্ট কু-প্ৰথাবিধ আমাৰ সমাজ ব্যৱস্থাৰ পৰা নিশ্চয় লুপ্ত হ'ব। ▸▸

অসমীয়া সংস্কৃতিৰ বাবে ৰহণত বিভিন্ন জনগোষ্ঠীয় সংস্কৃতিৰ এক আলোকপাত

দীপামণি ওজা
উচ্চতৰ মাধ্যমিক, দ্বিতীয় বৰ্ষ

"অসমৰ ৰীতি-নীতি অসমৰ সদাচাৰ
অসমৰ ধৰ্মভাৱ অসমৰ ব্যৱহাৰ
সকলোকে তুমি দেৱ, সজালা নতুন সাজে
তোমাৰ গৰিমা গীতি হৃদয়ে হৃদয়ে বাজে।।"

সংস্কৃতি হৈছে কোনো এটা জাতিৰ বা মানৱ গোষ্ঠীৰ মাজত শ শ হাজাৰ হাজাৰ বছৰ ধৰি ভাষা, সাহিত্য, ধৰ্ম, ৰীতি-নীতি, উৎসৱ, পাৰ্বণ, বিশ্বাস-অবিশ্বাস আদিৰ মাজেদি গঢ় লৈ উঠা সুষম বৈশিষ্ট্যৰ আৰু সমন্বয়ৰ এক সামূহিক ৰূপ। সংস্কৃতিক বোঁৱতী নদীৰ সোঁতৰ লগত তুলনা কৰিব পাৰি, কিয়নো নৈৰ সোঁতে যেনেকৈ পূৰ্বামুখী হৈ গৈ থাকোতে নিজৰ গতিপথত থকা সকলো বস্তু উটুৱাই লৈ যায়, ঠিক তেনেকৈয়ে সংস্কৃতিয়েও পুৰণিক নতুনৰ দিশত ক্ৰমে আগবঢ়াই লৈ যোৱাত সহায় কৰে। সাহিত্য আকৌ সংস্কৃতিৰে এক অনবদ্য উপাদান। ভাৰতীয় মহৎ লোক তুলসী দাসে এষাৰ মন্তব্য কৰিছিল যে— "যি জাতিৰ সাহিত্য নাই, সেই জাতি জীয়াই থাকিও মৰাৰ দৰে।"

ভাৰতৰ উত্তৰ-পূব অংশত অৱস্থিত প্ৰকৃতিৰ অনবদ্য এক লীলাভূমি অসমৰ অসমীয়া সংস্কৃতিও পোন প্ৰথমে নিজৰ ভাষা, সাহিত্য, ৰীতি-নীতিৰ মাজতে সীমাবদ্ধ হৈ আছিল। অৰ্থাৎ অসমীয়া ভাষা, সাহিত্য, সংস্কৃতিও পোন প্ৰথমে সংস্কৃত মূলীয় আছিল। ইয়াৰ পিছত ক্ৰমান্বয়ে বিভিন্ন সংস্কৃতি সম্পন্ন জাতিৰ লগত অসমীয়া সংস্কৃতি জাহ গৈ ৰূপান্তৰিত অৱস্থাৰ মাজেদি আহি বৃহৎ বৈচিত্ৰ্যপূৰ্ণ আৰু মহিমামণ্ডিত অসমীয়া সংস্কৃতি গঢ় লৈ উঠিছে। জনগোষ্ঠীগত বিভিন্নতা নিহিত হৈ থকাৰ পিছতো অসমৰ সকলোবোৰ ঐক্যতাৰ মূলতে সংমিশ্ৰণ আৰু সমন্বয়ে প্ৰধান আধাৰ হৈ পৰিছে।

অনাৰ্য্য ৰাজ্য অসমলৈ প্ৰাচীন কালৰ পৰা বিভিন্ন লোকৰ প্ৰব্ৰজন ঘটি আহিছে। কচাৰী, চুটিয়া, কোঁচ, মেচ, ডিমাচা, দেউৰী, মিচিং, বড়ো, তিৱা, কাৰ্বি আদি প্ৰধান গোষ্ঠীসমূহকে ধৰি অতীতত অঁকা, ডফলা, মিছিমি আদি জনগোষ্ঠীয় লোকসকলে স্বকীয় বৰ্ণাঢ্য সংস্কৃতিৰে জীৱন নিৰ্বাহ কৰিছিল। কালক্ৰমত কিন্তু এই জন-জাতিসমূহ একে ভৌগোলিক পৰিবেষ্টনিত থাকি এটা সম্প্ৰদায়ৰ লগত আন এটা সম্প্ৰদায়ৰ পৰা পৃথক হৈ থাকিব নোৱাৰিলে। অসমীয়া ঐক্য শিপাই এই সকলোবোৰকে খামুচি ধৰি আৰু তজবজীয়া কৰি সজাই তুলিলে।

ইয়াৰ পিছত ত্ৰয়োদশ শতিকাত মংগোলীয় প্ৰজাতিৰ লোকসকলে চীন দেশৰ ইয়াংচিকিয়াং আৰু হোৱাংহো নদীৰ উপত্যকাৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকালৈ আহি অসমত থিতাপি লোৱাত অনাৰ্য্য সংস্কৃতিৰ প্ৰভাৱ তেওঁলোকৰ ৰীতি-নীতিত সোমাই পৰিল। এনেদৰে লাহে লাহে বিভিন্ন সময়ত বিভিন্ন অৰ্থে যেনে— বেপাৰ বাণিজ্যৰ অৰ্থে, পূজা-পাৰ্বণৰ বাবে, দেশ জয়ৰ নিমিত্তে, যুদ্ধ বন্দী স্বৰূপে, ৰজাঘৰীয়া পৃষ্ঠপোষকতাত আহি অসম ৰাজ্যত থাকিবলৈ

লোৱাৰ লগে লগে অসমৰ বৰেণ্য সংস্কৃতিয়ে বিশালতা আৰু জীপালতাৰ পৰশ অনুভৱ কৰিলে।

এনেদৰে ক্ৰমান্বয়ে অনাৰ্য্য সংস্কৃতিৰ ওপৰত ভেজা দিয়ে অসমীয়া সংস্কৃতিয়ে বৰণ সলালে। বিশেষকৈ অষ্টাদশ শতিকাৰ আদি ভাগতে চুবুৰীয়া ব্ৰহ্মদেশৰ পৰা অসমলৈ প্ৰবজন কৰা খামতি, দোৱনীয়া, আইতনীয়া, নৰা, টাই-ফাকে, টুৰুং আদি জনজাতি সকল ইয়াণ্ডাবু সন্ধিৰ পিছত অৰ্থাৎ ঊনবিংশ শতিকাত চাহ উদ্যোগ প্ৰতিষ্ঠাক কেন্দ্ৰ কৰি অসমলৈ অহা চাওতাল, কুৰ্মী, মোছহৰ, মুণ্ডা, তেলেঙা, হো, ভুমিজ, ওৰা, তাঁতী, লোহাৰ আদি জাতি সমূহৰ লগতে কুৰি শতিকাৰ চতুৰ্থ দশকত মৈমনসিং, পূৰ্ববংগ আদি স্থানৰ পৰা আহি অসমত বাস কৰা ন-অসমীয়া মুছলমানসকলে অসমীয়া সংস্কৃতিৰ ৰূপান্তৰকৰণত বিশেষ ভূমিকা পালন কৰিছিল। এটা জাতিয়ে আন এটা জাতিৰ ভাল লগাবোৰ গ্ৰহণ কৰিলে দিয়া লোৱা আৰু এৰা ধৰা নীতিৰ জৰিয়তে। সমন্বয়ৰ এক নিৰৱচ্ছিন্ন প্ৰক্ৰিয়াক ভাষাই অধিক কটকটীয়া কৰি তুলিলে।

এইদৰে বিভিন্ন সময়ত বিভিন্ন কথা কাণ্ডৰ গইনা লৈ অসমৰ থলুৱা ভাষা- সাহিত্য-সংস্কৃতিক সকলোৱে গ্ৰহণ কৰি অসমৰ জাতিৰ সংস্কৃতিক এক বিশাল বৰপেৰাত পৰিণত কৰিলে। ইয়াৰ কোনোটোকে বাদ দি আজিৰ অসমীয়া জাতি সম্পূৰ্ণৰূপে প্ৰতিফলিত হ'ব নোৱাৰে। সেয়ে বৈচিত্ৰপূৰ্ণ ভাৰতবৰ্ষৰ আজি আটাইতকৈ বিচিত্ৰ প্ৰান্ত হৈছে অসম আৰু ই সম্ভৱ হৈছে অসমৰ জনগোষ্ঠীৰ বিচিত্ৰ ভাষা-সাহিত্য-সংস্কৃতিৰ গাঁথনিৰ বাবে।

গতিকে প্ৰতিজন লোকে একেষাৰতে ক'ব পাৰে যে অসমৰ গাঁথনি বিভিন্ন পুষ্প-লতাৰ সংমিশ্ৰণত গঠিত এধাৰি মালাৰ সৌন্দৰ্য স্বৰূপ।

শেষত আমাৰ দেশৰ মিছাইল মেন ড° আব্দুল কালামদেৱৰ ভাষাত কওঁ যে, কেৱল সীমা বৰ্জিত মন বা মানসিকতাইহে জাতি-ধৰ্ম-সম্প্ৰদায়ৰ বিভাজন নথকা এখন চাৰিসীমা বিহীন সমাজ নিৰ্মাণ কৰিব পাৰে।

সেয়ে, যুৱ প্ৰজন্মই বৰ্তমানৰ জাতি-ভেদক নেওচি অসমীয়া সংস্কৃতিৰ এই উজ্জ্বলতাক হিৰণময়ী কৰি তুলিবলৈ উদ্যত হ'ব লাগে।▶▶

কুইজ

➤ টেষ্ট ক্ৰিকেটত ত্ৰি-শতৰাণ কৰা একমাত্ৰ ভাৰতীয় ক্ৰিকেটাৰ জনৰ নাম কি?

উঃ- বীৰেন্দ্ৰ চেহৱাগ।

➤ দুৰ্গা পূজাৰ শেষৰ দিনা কি নামেৰে জনা যায়?

উঃ- দধিকৰ্ম।

জেবিন আখতাৰ ৰহমান
স্নাতক পঞ্চম যান্মাসিক, অৰ্থনীতি বিভাগ

নাৰীৰ জীৱন দস্তা

অন্তৰা শৰ্মা
দ্বাদশ শ্ৰেণী, কলা বিভাগ

'ময়েই জীয়াৰী
এগৰাকী চঞ্চলাময়ী
ময়েই পত্নী
এগৰাকী অৰ্ধাংগিনী
ময়েই মাতৃ
কোমল মমতাময়ী।'

নাৰী এক শক্তিস্বৰূপা দেৱী। যিয়ে এগৰাকী জীয়াৰী, অধাংগিনী আৰু মাতৃৰ ৰূপ ধাৰণ কৰিব পাৰে। নাৰীৰ অজস্ৰ গুণ, অজস্ৰ মহিমা আৰু অজস্ৰ হেঁপাহ আছে। এই সকলো এপাহ ফুলৰ দৰে মৰহী যাব দিব নালাগে।

কিন্তু, এইখিনিতে মই থমকি ৰৈছো। আজিৰ আৰু অতীতত নাৰীৰ মৰ্যাদা বা সন্মান কিমান। পুৰুষ প্ৰধান সমাজত নাৰীৰ স্থান বা অধিকাৰ জানো সমানে আগবঢ়া। অতীতলৈ ঘূৰি চালে আমি দেখা পাঁও নাৰীৰ ওপৰত কিদৰে অত্যাচাৰ কৰা হৈছিল। কন্যা সন্তানৰ জন্মই যেন এখন ঘৰত বিদ্ৰোহৰ সৃষ্টি কৰিছিল। কিয়নো কন্যা সন্তান জন্ম হোৱাৰ লগে লগে যৌতুক নামৰ কলংকটোৰ পৰা ৰেহাই পাবলৈ কন্যা ভ্ৰূণ হত্যা কৰাৰ দৰে ঘৃণনীয় কাম কৰিবলৈও কুণ্ঠাবোধ নকৰিছিল। আজি এনে ঘটনা বহু ঠাইত দেখিবলৈ পোৱা যায়। আগতে নাৰীৰ বাবে শিক্ষা ব্যৱস্থা প্ৰায় নাছিলেই। অলপ বুজিব পাৰা হোৱাৰ পিছতে বিয়া দি বহু পিতৃ-মাতৃয়ে নিজৰ দায়িত্ব সামৰিছিল। সেই সময়ত কন্যা সন্তানৰ মনৰ হেঁপাহ, আশা আদিৰ কথাৰ চিন্তা কৰিবলৈ যে কোনেও আৱশ্যকবোধ কৰা নাছিল। অৱশ্যে সেই সময়তো মূলাগাভৰু, কনকলতা, চন্দ্ৰপ্ৰভা শইকীয়া, আইদেউ সন্দিকৈৰ দৰে সাহসী আৰু বীৰাংগনা নাৰীৰ নামো বুৰঞ্জীৰ পৃষ্ঠাত পৰিবলৈ পাইছো। এওঁলোকৰ অদ্যম শক্তি আৰু উৎসাহে এখোজ আগুৱাই দেশৰ হকে কাম কৰিবলৈ আৰু নিজকে প্ৰতিষ্ঠা কৰিবলৈ সমাজৰ যিখিনি ৰীতি-নীতি আছিল সেই সকলো আওকান কৰি ওলাই আহিছিল। তথাপি সমাজে তেওঁলোকৰ ওপৰত অত্যাচাৰ আৰু কলংক সানিবলৈ এৰা নাছিল। আইদেউ সন্দিকৈয়ে যেতিয়া প্ৰথম কথাছবিত অভিনয় কৰিবলৈ আগবাঢ়িছিল সমাজে তেওঁক অঘৰী কৰি দিছিল। আনকি তেওঁৰ নিজ পিতৃ-মাতৃয়েও তেওঁক নিজাকৈ থাকিবলৈ, খাবলৈ বেলেগকৈ দিছিল আৰু তেওঁৰ লগত কোনো সম্পৰ্ক নাৰাখিছিল। সেই সময়ত তেওঁ এজন লোকক অভিনয়ত 'বঙহৰদেউ' বুলি কোৱাটোৱেই তেওঁৰ দোষ আছিলনে? অতীতত নাৰীক ঘৰৰ চাৰিবেৰৰ মাজত আবদ্ধ কৰি তাকো ওৰণিৰ তলতহে মুখ ঢাকি ৰাখিবলৈ বাধ্য কৰাইছিল।

নাৰীৰ ধৈৰ্য্য ধৰিব পৰা গুণ আছে। সেয়েহে হয়তো এগৰাকী নাৰীয়ে তেওঁক কৰা সকলো অত্যাচাৰ ধৈৰ্য্য ধৰি একোটা হাঁহিৰে সকলোকে আপোন কৰাৰ ক্ষমতা আছে। বৰ্তমান সমাজ সকলো দিশতে আগবঢ়া। পুৰুষৰ সমানে নাৰীসকলো আগবাঢ়িছে। আজি সকলো ক্ষেত্ৰতে নাৰীয়ে সমাজত এখন নিজৰ আসন ৰক্ষা কৰিবলৈও সক্ষম হৈছে। তথাপিও আজি নাৰীক অৱহেলা কৰা হৈয়ে আছে। আজিও নাৰীক এক উপভোগৰ বস্তু

হিচাপে ব্যৱহাৰ কৰি অহা দেখা যায়। বৰ্তমান মানুহ বহু ক্ষেত্ৰত আগবাঢ়িছে যদিও কোনো এডোখৰ ঠাইত যেন এতিয়াও পিছপৰি ৰৈছে। যি সময়ত এগৰাকী মহিলা এভাৰেষ্ট জয় কৰি বিশ্ব দৰবাৰত থিয় হ'বলৈ সক্ষম হৈছে সেই সময়তে যৌতুক বা ডাইনীৰ নামত জ্বলাই দিয়াও দেখা গৈছে। আনকি অসমৰ দৰে এখন ঠাই য'ত বিবাহক এক পৱিত্ৰ কৰ্ম বুলি অভিহিত কৰা হয় আজি সেই বিবাহৰ পিছত এগৰাকী নাৰীক যৌতুকৰ বাবে নানা অত্যাচাৰ কৰি জ্বলাই দিয়া কথা আজিকালি প্ৰায়ে বাতৰিত পোৱা যায়। যি সময়ত মানুহ চন্দ্ৰত গৈ থাকিবলৈ সক্ষম হৈছে, সেই সময়ত ডাইনী বা যখিনী বুলি অন্ধবিশ্বাসৰ কবলত একোগৰাকী মহিলাক অত্যাচাৰ কৰা ঘটনা দিনক দিনে বৃদ্ধি পাইছে। আজি ইমান সুবিধা আৰু সুৰক্ষা থকাৰ সত্বেও এজনী যুৱতী বা মহিলা কিয় ঘৰৰ পৰা অকলে ওলাই গ'লেই নিৰাপত্তা নোহোৱা হৈছে।

নাৰী মমতাময়ী। মই আগতেই উল্লেখ কৰিছো যে নাৰীৰ অজস্ৰ গুণ আছে। নাৰী যেনেকৈ আবেগিক হ'ব পাৰে, ঠিক সেইদৰে দুৰ্গা, কালীৰ দৰে ৰূপ ধাৰণ কৰি সমাজৰ বহুতো অসুৰক নিধন কৰিব পাৰে। এগৰাকী নাৰীয়েহে এখন ঘৰক মৰম আবেগেৰে বুৰাই ৰাখিব পাৰে। এগৰাকী মাতৃ কিমান মমতাৰে ভৰা হ'ব পাৰে সেয়া প্ৰকাশ কৰিব নোৱাৰি। মাতৃ হ'ল সেই গৰাকী যি নিজৰ সন্তানৰ বাদেও আনৰ দুখ আৰু সুখৰ সমভাগী হ'ব পাৰে। নিজে নাখাই, নিজে সুখী নহই সন্তানক সুখ দিব পৰা গুণ এগৰাকী মাতৃৰ বাহিৰে আৰু কোনো দ্বিতীয় নোলাব।

নাৰীৰ ত্যাগ কৰিব পৰা গুণ আছে। অতীতত এগৰাকী বিধৱা নাৰীক অস্পৃশ্য বুলি গণ্য কৰা হৈছিল। সেই নাৰীৰ বাবে বেগেলগৈ থকা, খোৱাৰ ব্যৱস্থা কৰা হৈছিল। কোনো মাংগলিক কাৰ্যত ভাগ ল'ব দিয়া হোৱা নাছিল। সেই সকলো সহ্য কৰি এগৰাকী নাৰীয়ে সকলো আনন্দ মনেৰে গ্ৰহণ কৰিছিল। আজি বিজ্ঞান প্ৰযুক্তিত আগবঢ়া মানুহ শিক্ষিত হৈছে, মনৰ পৰিৱৰ্তন হৈছে, বিধৱা নাৰী এগৰাকীক এনে অত্যাচাৰ কৰাৰ পৰিমাণ কমিছে। তথাপিও জানো আজি এগৰাকী বিধৱা নাৰীয়ে সমাজত পুৰুষৰ দৰে স্থান পাইছে। পুৰুষজনে নিজ পত্নীৰ মৃত্যুৰ পিছত আকৌ বিয়া পতাত কোনেও বাধা দিয়া নাই। আনকি কোনেও ইয়াৰ বিৰোধ নকৰে। কিন্তু যেতিয়া এগৰাকী নাৰী বিধৱা হয়, জীৱনৰ আদ বয়সতে বগা-সাজ পিন্ধা এজনী নাৰীৰ মনৰ সকলো সপোন ভাগি যায়, তেনে নাৰীৰ দ্বিতীয় বিবাহৰ ক্ষেত্ৰত কোনো ব্যৱস্থা লোৱা দেখা নাযায় কিয়? যদিও এনে কৰিবলৈ যায় তেনে নাৰীক সমাজত কিয় ভাল দৃষ্টিৰে বা আগৰ সেই সন্মানেৰে চোৱা নাযায়?

সামৰণিত মই ক'ব বিচাৰো যে এজন মানুহ পৃথিৱীলৈ আহে এগৰাকী নাৰীৰ জৰিয়তেহে। মা দুৰ্গা, কালী, পাৰ্বতী, লক্ষ্মী এই সকলোৱে নাৰীৰ প্ৰতীক। এওঁলোকক যিদৰে পূজা কৰা হয় বা এওঁলোকৰ প্ৰতি যি ভক্তি ভাৱ মনত জাগে সেয়া যদি বাস্তৱতে এগৰাকী নাৰীৰ মাজত বিচাৰিবলৈ চেষ্টা কৰে তেতিয়াহে নাৰীৰ আচল পৰিচয় পোৱা যাব।

শ্বট (Shot)

ৰাজশ্ৰী বড়া
স্নাতক পঞ্চম ষান্মাসিক, অসমীয়া বিভাগ

গণসংযোগ মাধ্যম বিলাকৰ ভিতৰত বৰ্তমানৰ এটি জনপ্ৰিয় মাধ্যম হৈছে চিনেমা আৰু টি.ভি। এই দুয়ো মাধ্যমত সকলো কলাৰে সমন্বয় ঘটে। চিনেমা বা টেলিভিছনৰ কোনো উৎসৱ অনুষ্ঠানতেই হওঁক সংগীত, নৃত্য, চিত্ৰ অংকন, সৌন্দৰ্য চৰ্চা, সাজ-সজ্জা, পৰিবেশন ৰীতি, মঞ্চ সজ্জা, কাহিনী, অৰ্থাৎ লেখন কলা আদিকে ধৰি বিজ্ঞানপ্ৰযুক্তি, ব্যৱসায়, বিজ্ঞাপন আদি বিভিন্ন ধৰণৰ বিষয়সমূহ জড়িত হৈ থাকে। এই চিনেমা আৰু টি.ভি.ক জনসাধাৰণৰ মাজলৈ অনাত সহায় কৰে দৰ্শকৰ প্ৰতিনিধি স্বৰূপ কেমেৰাই। অৰ্থাৎ দৰ্শকে চাবলগীয়া বস্তুবোৰ প্ৰয়োজনমতে ওচৰৰ পৰা, দূৰৰ পৰা, আগৰ পৰা, পিচৰ পৰা, দাঁতিৰ পৰা, ওপৰৰ পৰা, তলৰ পৰা সকলো ফালৰ পৰাই দৰ্শকক দেখুওৱাব পাৰে। এনেকৈয়ে দৰ্শকে এখন আসনত বহিয়ে কেমেৰাৰ সহায়ত সাগৰৰ তলিলৈ কিম্বা আকাশ মণ্ডললৈকো যাব পাৰে। নিচেই ক্ষুদ্ৰ বস্তুৰ পৰা বিশালৰ পৰা বিশালতৰ বস্তুলৈকে দেখুওৱাব পৰা ক্ষমতা কেমেৰাৰ আছে।

চিনেমা কাহিনীত থকা বিভিন্ন পৰিৱেশ-পৰিস্থিতি, ঘটনা বিলাকৰ মাজত কোনো বিৰতি নোলোৱাকৈ একেৰাহে ছবি লৈ থাকে, এই ছবি সমূহক একেলগে শ্বট বুলি কোৱা হয়। শ্বটৰ ভিন্নতা ছবি লোৱা বস্তুটোৰ পৰা কেমেৰাৰ দূৰত্ব আৰু কেমেৰাই ধৰি ৰখা বস্তুটোৰ ছবিৰ আংশিক, পূৰ্ণাংগ আদি অৱস্থা বিভিন্ন প্ৰকাৰৰ আৰু নামকৰণ নিৰ্ভৰ কৰে।

চিনেমাত দূৰৰ পৰা দেখুওৱা ছবিক চিনেমাৰ ভাষাত Long Shot বা SL বুলি কোৱা হয়। ইয়াত কেমেৰাই বিষয় বস্তুটোৰ উপৰিও তাৰ লগত জড়িত ঘটনাস্থল বা পাৰিপাৰ্শ্বিক অৱস্থাৰে সৈতে ছবি তোলে। মুঠতে লং শ্বটৰ জৰিয়তে কেমেৰাই দৰ্শকক দৃশ্যটোত থকা সকলো বস্তু আৰু পাত্ৰকে সমান দূৰত্বৰ পৰা একেধৰণেৰে বা সাধাৰণ ভাৱে দেখুৱায়। লং শ্বটতকৈও বেছি দূৰৰ পৰা লোৱা শ্বটক extreme long shot বা ESL বোলে। দূৰৰ পৰ্বত, পাহাৰ, সাগৰ আদি দেখুৱাবৰ বাবে ESL ব্যৱহাৰ কৰা হয়। টেলিভিছনতকৈ ডাঙৰ পৰ্দাতহে ESLএ বেছিকৈ প্ৰভাৱ পেলায়।

যেতিয়া কেমেৰাই বিষয়বস্তুক Long Shotতকৈ ওচৰৰ পৰা দেখুওৱায় তেতিয়া সেই শ্বটক Medium Shot বা Mid Shot চমুকৈ MS বোলে। ইয়াত বিষয়বস্তুক সামান্য পৰিৱেশৰ সৈতেহে দেখুৱায়।

লংশ্বটে এটা পৰিৱেশৰ ধাৰণা দিয়ে ব্যক্তিৰ বা বস্তুৰ মনোযোগ আকৰ্ষণ নকৰে। এক্সট্ৰীম লং শ্বট, লং-শ্বট আৰু মেডিয়াম শ্বটত ব্যক্তি বা বস্তুৰ পৰা কেমেৰা ক্ৰমে দূৰৰ পৰা ওচৰলৈ আহি ফটো লয় বিষয়বস্তুৰ। বিষয়ক অধিক সূক্ষ্ম ৰূপত দেখুৱাবৰ বাবে কেমেৰা নিচেই কাষলৈ নি ছবি লোৱা হয়। ইয়াক Close Shot বা CS বোলে। ব্যক্তিৰ ক্ষেত্ৰত কান্ধৰ পৰা মূৰলৈকে শৰীৰৰ এই অংশটোৰ সূক্ষ্ম অভিব্যক্তি এই CSত ধৰা পৰে। ব্যক্তিৰ ভাৱ ভংগীমা আচাৰ আচৰণ কথন ভংগীমা, কামৰ প্ৰতিক্ৰিয়া আদি দেখুওৱাব বাবে CSব্যৱহাৰ কৰা হয় আৰু ইয়াক Reaction Shot বুলিও কয়। এই CSতকৈও ওচৰৰ পৰা ব্যক্তিৰ যদি কেৱল থুঁতৰিৰ পৰা মূৰলৈ যি ছবি লয় তাক Close up বা CU বোলে। প্ৰয়োজন সাপেক্ষে কেমেৰা আৰু ওচৰলৈ নি কেৱল চকু, ওঁঠ আদি নিৰ্দিষ্ট বস্তুক দেখুওৱা শ্বটক Extreme Close Up শ্বট বোলে।

চিনেমাৰ কাহিনী ভাগ আগবঢ়াই নিয়াত শ্বট সমূহে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। এই শ্বটৰ উৎপত্তিৰ জৰিয়তেই ছবি সমূহ আজি অতি মনোমোহা তথা সূক্ষ্ম দৃষ্টিৰে পৰ্যবেক্ষণ কৰিবলৈ দৰ্শকে সুযোগ পাইছে। এই Long shot, Extreme long shot, Mid shot, Close up আদি সমূহৰ উপৰিও কেমেৰা সংস্থাপিত শৈলী তথা প্ৰযুক্তিবিদ্যাৰ উন্নতিৰ ফলত কেমেৰাৰ পৰিৱৰ্তিত সুবিধা সমূহেও বিভিন্ন শ্বটৰ সৃষ্টি কৰিছে।

সোনসেৰীয়া কথা

সুনছেং ফুকন
স্নাতক পঞ্চম ষান্মাসিক, শিক্ষা বিভাগ

আব্ৰাহাম লিংকনে এগৰাকী শিক্ষকলৈ লিখিছিল............ "মই ভাবোঁ সকলো মানুহেই যে সাধু নহয় আৰু সকলো মানুহেই যে সত্যবাদী নহয় সেই কথা ছাত্ৰ-ছাত্ৰীয়ে শিকিব লাগিব। কিন্তু তেওঁক এইটো শিক্ষাও দিব পাৰে যে প্ৰতিজন দুৰ্জন ব্যক্তিৰ বিপৰীতে একোজন বীৰ থাকে। প্ৰতিজন স্বাৰ্থপৰ ৰাজনীতিকৰ বিপৰীতে নিষ্ঠাবান সেৱক থাকে ....। ছাত্ৰক শিকাওক যে প্ৰতিজন শত্ৰুৰ বিপৰীতে একোজন বন্ধু থাকে। এনে শিক্ষাই যে সময় ল'ব মই জানো কিন্তু আপুনি যদি পাৰে তেওঁক শিকাওক এনেয়ে পোৱা পাঁচ ডলাৰতকৈ অৰ্জিত এক ডলাৰৰ মূল্য বহু বেছি............ পৰাজয়কো মানি ল'বলৈ তেওঁক শিকাব......... আৰু লগতে বিজয়তো আনন্দ কৰিবলৈ শিকাব। আপুনি যদি পাৰে ছাত্ৰক ঈৰ্ষাৰ পৰা আঁতৰাই ৰাখিব আৰু নিতাল হাঁহিৰ গূঢ়াৰ্থ শিকাব। তেওঁ সোনকালে শিকক যে কলহ প্ৰিয় মানুহক জোকাবলৈ আটাইতকৈ সহজ........... আপুনি পাৰিলে তেওঁক কিতাপৰ মহিমা শিকাওক আৰু লগতে তেওঁক আকাশৰ চৰাই, মিঠা ৰ'দত বিচৰণ কৰা মৌ-মাখি আৰু সেউজীয়া পাহাৰৰ গাতে লাগি থকা ফুলৰ চিৰন্তন ৰহস্যৰ আঁত বিচাৰিবলৈ নীৰৱ সময় দিয়ক।"

স্কুলত এইটো শিক্ষাও দিব যে, ফাঁকি দিয়াতকৈ অকৃতকাৰ্য হোৱা বহু বেছি সন্মানজনক। .... আন সকলোৱে ভুল বুলি ক'লেও ধ্যান ধাৰণাত আস্থা ৰাখিবলৈ শিকাওক............ তেওঁক নম্ৰজনৰ লগত নম্ৰ হ'বলৈ আৰু কঠোৰৰ লগত কঠোৰ হ'বলৈ শিকাওক.........। ঢাকঢোলৰ পিছে পিছে যোৱা জনতাক অনুসৰণ নকৰিবলৈ মৌৰ ল'বাক শক্তি দিবলৈ চেষ্টা কৰক। তেওঁক সকলোৰে বক্তব্য শুনিবলৈ শিকাওক কিন্তু শুনা সকলো কথা সত্যৰ চালনিৰে চালি চাবলৈ শিক্ষা দিয়ক। তাৰ পিছতহে শুদ্ধখিনি গ্ৰহণ কৰিবলৈ শিকাওক। আপুনি যদি পাৰে তেওঁক দুখতো হাঁহিবলৈ শিকাওক, চকুপানীতো যে কোনো লাজ নাই তাকো শিকাওক। তেওঁক বিশ্ব নিন্দুকক নিন্দা কৰিবলৈ আৰু অতি ভক্তি দেখুওৱা লোকক সাৱধানে থাকিবলৈ শিক্ষা দিয়ক......... নিজৰ বল বুদ্ধিক সবাতোকৈ বেছি মূল্য দিবলৈ কিন্তু আন্তৰিকতাৰ দৰ-দাম নকৰিবলৈ তেওঁক শিকাওক। জুম বান্ধি ফুৰা জনতাৰ কোলাহললৈ কাণ নিদিবলৈ তেওঁক শিকাব। .... আৰু যদি পাৰে নিজকে শুদ্ধ বুলি ভাবি দৃঢ়তাৰে যুঁজ দিবলৈ শিকাব। তেওঁক মৰম কৰিব কিন্তু আলসুৱা কৰি নুতুলিব। কাৰণ জুইয়ে পোৱা সোণহে উজ্জ্বল। অধৈৰ্য নহ'বলৈ তেওঁ সাহস গোটাওক .... আৰু সাহসী হ'বলৈ তেওঁ ধৈৰ্য আহৰণ কৰক। সদায় নিজৰ ওপৰত মহৎ বিশ্বাস ৰাখিবলৈ তেওঁক শিক্ষা দিয়ক কাৰণ তেতিয়াহে সমগ্ৰ মানৱ জাতিৰ ওপৰত তেওঁৰ সদায় মহৎ আস্থা থাকিব ....।

বাখৰ (সুখ-দুখৰ অনুভৱ)

(লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনাৰ পুথিৰ সহায়ত যুগুতোৱা.............)

হোনছেং ফুকন

চৰিত্ৰ মন্দিৰৰ ভিতৰত উজ্জ্বল অথচ মিঠা বন্তি হৈছে আনন্দ। আনন্দই শৰীৰ, মন আনন্দিত কৰি সুমধুৰ কৰি ৰাখে। কোনো দুখ বিপদৰ বাবে মনলৈ নিৰানন্দ অহাটো স্বাভাৱিক; কিন্তু সেই নিৰানন্দকে মনত পাগি পুৰি নাথাকিবা; মনত বেজাৰ থাকিলেও মুখেৰে আনন্দ কৰিবা; তেনেকৈ আনন্দৰ কথা কৈ থাকোতে তোমাৰ নিৰানন্দক আনন্দই লাহে লাহে জয় কৰি ভিতৰৰ পৰা উলিয়াই খেদি দিব। এইটো নাপাহৰিবা যে, মুখৰ শব্দৰ বৰ ক্ষমতা; সি উচ্চাৰিত হৈ হৈ ইমান শান্তিময় হয়গৈ যে শেষত তোমাৰ চিন্তাৰ ওপৰতো সি প্ৰভাৱ বিস্তাৰ কৰে। শব্দক 'Empty' খালি বুলি বহুতে তাক শূণ্য যেন দেখে, কিন্তু সেই শূণ্য কোম (Ether) যাৰ স্পন্দনত ব্ৰহ্মাণ্ডৰ শিপা পৰ্যন্ত লৰে, যাৰ কম্পনত সৃষ্টি, স্থিতি, লয় ঘটে, মনৰ ভাৱ সলোৱাটোতো তাৰ এটা ক্ষুদ্ৰ কাম মাথোন। দুখত ব্যথিত নহৈ তাক অগ্ৰাহ্য কৰিবলৈ সেইদেখি জ্ঞানী সাধুসকলে উপদেশ দিয়ে। দুখক, কষ্টক অগ্ৰাহ্য অৱহেলা কৰিলে বাস্তৱিক সি দুৰ্ব্বল হৈ মৃত্যুৰ মুখত পৰে, আৰু তাকে লৈ গুণ মহিমা বখানি আৰু চিন্তা কৰি থাকিলে ই ফাপি ফাপি উঠি ক্ৰমাৎ ডাঙৰ হৈ যায়। এই দেখি অদুষ্টক হাঁহি উৰাই দিয়া ভাল। প্ৰত্যেক দিনত ওলোৱা সুবিধাবোৰ তুমি আনন্দ মনেৰে গ্ৰহণ কৰি তাক কামত লগাই যাবা। তুমি ভাবা যে বিপদ জয় কৰি উঠিব পাৰিবা, কাৰণ তোমাৰ ক্ষমতা আছে, আৰু তুমি জয়লাভ কৰিব পাৰিবা, কাৰণ তুমি ইচ্ছা আৰু সংকল্প কৰিছা। "You can, therefore you will, you will, therefore you will. You shall, therefore you realize." এই ধাৰণাই তোমাৰ মন আনন্দেৰে পৰিপূৰ্ণ কৰিব। তুমি জয়ী হ'বা, এই দৃঢ় বিশ্বাস তুমি পোষণ কৰিছা; ফলত তোমাৰ ক্ষমতা বৃদ্ধি প্ৰাপ্ত হৈছে এই ধাৰণা যে প্ৰকৃত, ই নিশ্চয় তোমাৰ মনলৈ আনন্দ আনিবই আনিব।

"আনন্দই মুখ উজ্জ্বল কৰে।
শোকে অন্তৰ ধ্বংস কৰে।।"

আনন্দদায়ী কোনো কাৰ্যত নিমগ্ন হোৱা, দেখিবা চাৰিওফালৰ পৰা আনন্দৰ সোঁতে তোমাৰ মন বুৰাই পেলাবহি। ৰঙীয়াল মানুহৰ সঙ্গ লোৱা, সঙ্গগুণত তোমাৰ মনো ৰঙীয়াল হ'ব। হাঁহা, খুব হাঁহা, তোমাৰ মনৰ গ্লানি কাটি যাব। হাঁহি তোলোৱা মানুহৰ সঙ্গ লোৱা, তেওঁৰ হাঁহিয়ে তোমাৰ মন প্ৰফুল্লিত কৰিব। হাঁহি সোঁচৰা বস্তু, ৰং হাঁহিৰ কথা কোৱা মানুহৰ ওচৰলৈ আহিলে তোমাৰ মনো তেনে গুণীয়া হ'ব নিশ্চয়। তোমাৰ অন্তৰত আনন্দময় পৰমেশ্বৰ আছে, ভয় কি? সংশয় কি? তেওঁৰ আনন্দ ভিক্ষা কৰা, পাবা, পাই তুমিও আনন্দময় হ'বা। দুখৰ ঢাকোনেৰে আৰু শোকৰ মিছা ভাৱনাৰ আঁৰ কাপোৰেৰে আনন্দময়ক নাঢাকিবা। তেওঁৰ নিভৃত কোণত আনন্দস্বৰূপে বৰ্তমান, মায়াৰ কপট ঢাকোন পেলাই দি তেওঁৰ কাষ চাপা, তোমাৰ মনতো মহানন্দ মিলিব। প্ৰেম বহুমূলীয়া বস্তু তাৰ সদ্ব্যৱহাৰ কৰা। পৰোপকাৰ, জীৱৰ প্ৰতি দয়া, কৰুণা, প্ৰেমময়ৰ প্ৰেমোপহাৰ। পৰৰ মঙ্গল চিন্তা কৰা, দেখিবা তোমাৰ মন মঙ্গলেৰে পৰিপূৰ্ণ হ'ব আৰু মঙ্গলে পৰৰ যে উপকাৰ কৰিবই, তোমাৰো পৰম উপকাৰ অনিবাৰ্য। তোমাৰ মন যেতিয়া ডাঙৰ হ'ব আৰু সি সুমধুৰ প্ৰেমৰসেৰে পৰিপূৰ্ণ হ'ব; তেতিয়া চাৰিওফালে অসীম আনন্দ। লোকৰ ভাল কৰিবলৈ গ'লে তোমাৰ ভাল কৰা শক্তি দিনে দিনে বৃদ্ধি পাব, তুমি পৰৰ প্ৰেমময় ঈশ্বৰৰ সমীপৱৰ্ত্তী হ'বা, আৰু সকলো এক ঈশ্বৰৰ সন্তান, সকলো তোমাৰ নিজৰ সম্বন্ধীয়া - এই মহান সত্য তোমাৰ মনত প্ৰতিভাত হ'ব। সকলোকে সদায় উছাহ বাক্য প্ৰদান কৰিবা, সাহ দিবা, বল দিবা, সহায় কৰিবা। এনে কৰিলে দুগুণ উপকাৰ নিজৰো পৰৰো। কোনো এনে দুখীয়া নহয় যে, তেওঁ ধনেৰে লোকক সহায় কৰিব নোৱাৰিলে বুলিও, ভাল মাত এষাৰেৰেও যে সহায় কৰিব নোৱাৰিব। আপদত ভাল ভাত, উছাহৰ মাত এবাৰেই লাখটকীয়া। যি তেনে মাত অন্তৰেৰে সৈতে দিছে, আৰু অন্তৰেৰে সৈতে গ্ৰহণ কৰিছে, সিহে তাৰ প্ৰকৃত মোল বুজে। তুমিও জানিবা ভাল মাতষাৰেৰে লোকৰ কোনো উপকাৰ কৰিব, তথাপি তাৰ দ্বাৰাই এইটো প্ৰমাণ হ'ল যে মনুষ্য জাতিৰ প্ৰতি দয়া কৰুণা আৰু সহানুভূতিৰ ভাব প্ৰত্যেক মানুহৰ অন্তৰতে আছে। আন একো নহ'লেও তুমি ঈশ্বৰৰ সৃষ্টিৰ মূল সত্য, কৰুণা, সহানুভূতি আৰু ন্যায়ৰ সন্মান ৰক্ষা কৰি তোমাৰ কৰ্তব্য পালন কৰিলাতো। কিন্তু এইটো জানিবা যে পৃথিৱীত ন্যায় আৰু প্ৰেম এই দুটাই ঘাই পদাৰ্থ।▶▶

পঞ্চতন্ত্ৰ ঃ প্ৰাচীন ভাৰতীয় প্ৰজ্ঞা

প্ৰীতিশ্ৰী নেওগ
অসমীয়া বিভাগ



সৰ্ব দিশেৰে প্ৰগতিৰ উচ্চতম শিখৰত আৰোহণ কৰি বিশ্বৰ সকলোবোৰ দেশৰ মাজত উজ্জ্বলতম নক্ষত্ৰৰ দৰে আমাৰ দেশ ভাৰতবৰ্ষ এটা সময়ত জিলিকি আছিল। ভাৰতীয় সাহিত্যসম্ভাৰ, বৈজ্ঞানিক আৱিষ্কাৰ আৰু অন্য অজস্ৰ গ্ৰন্থই শ শ বছৰ ধৰি প্ৰমাণ কৰি আহিছে যে শিল্প, সাহিত্য, সংস্কৃতি, বিজ্ঞান, প্ৰযুক্তি, ৰাজনীতি, অৰ্থনীতি, সমাজনীতি আদি সকলো বিষয়তে ভাৰতবৰ্ষই অভূতপূৰ্ব প্ৰগতি লাভ কৰি বিশ্বৰ বুকুত প্ৰতিষ্ঠিত হৈছিল। প্ৰাচীন ভাৰতীয় গ্ৰন্থসম্ভাৰৰ মাজৰে এনে এখন অমূল্য গ্ৰন্থ হৈছে "পঞ্চতন্ত্ৰ", যি পঞ্চতন্ত্ৰই যোৱা প্ৰায় দুহেজাৰ বছৰৰো অধিক কাল ধৰি জনপ্ৰিয়তাৰ অভিলেখ ভংগ কৰি নতুন নতুন অভিলেখ স্থাপন কৰি আহিছে। পঞ্চতন্ত্ৰ পৃথিৱীৰ প্ৰায় আটাইবোৰ প্ৰধান ভাষালৈ অনূদিত হৈছে। পবিত্ৰ বাইবেল আৰু শ্ৰীমদ্ভাগৱত গীতাৰ বাহিৰে ইমান বেছি জনপ্ৰিয়তা অৰ্জন কৰা দ্বিতীয় এখন গ্ৰন্থ সহজে বিচাৰি পোৱা নাযায়। দৰাচলতে প্ৰাচীন ভাৰতবৰ্ষত কি পৰ্যায়ত প্ৰজ্ঞাৰ সাধনা চলিছিল তাৰ আভাস পাব পাৰি পঞ্চতন্ত্ৰ অধ্যয়নৰ জৰিয়তে। প্ৰাচীন ভাৰতীয় প্ৰজ্ঞাৰ উজ্জ্বল নিদৰ্শন অমূল্য ৰত্নস্বৰূপ এই গ্ৰন্থৰ বিষয়ে আমি, বিশেষকৈ আমাৰ নতুন প্ৰজন্মই অতি কম কথাহে জানোঁ বা একেবাৰেই নাজানো।

পঞ্চতন্ত্ৰ হৈছে পাঁচখন স্বয়ংসম্পূৰ্ণ গ্ৰন্থৰ সমষ্টি। আনহাতে প্ৰতিখন গ্ৰন্থয়েই একো একোটা সাধুকথা, কাহিনী বা আখ্যান। সেইবাবে পঞ্চতন্ত্ৰ 'পঞ্চাখ্যান' নামেৰেও খ্যাত আছিল। পঞ্চতন্ত্ৰৰ কাহিনীসমূহৰ বিভিন্ন চৰিত্ৰই বিভিন্ন প্ৰসংগত

নিজৰ বিভিন্ন বক্তব্য সাপেক্ষে যুক্তি দিবলৈ অন্য অজস্ৰ কাহিনী কৈছে আৰু তাৰ ফলত পঞ্চতন্ত্ৰ হৈ উঠিছে চাৰিকুৰিৰো অধিক কাহিনীৰে সমৃদ্ধ এক মনোৰম জ্ঞানগৰ্ভ গ্ৰন্থ। কেৱল সাধুকথাৰ নিচিনা কাহিনীৰ মাধ্যমেৰে ৰাজনীতি, অৰ্থনীতি, সমাজনীতিৰ এনে গভীৰ পৰ্যালোচনা চলোৱাৰ প্ৰয়াস পৃথিৱীৰ অন্য ক'তো দেখা নাযায়।

পঞ্চতন্ত্ৰৰ অৰ্ন্তগত প্ৰধান আখ্যানকেইটা হৈছে ক্ৰমে মিত্ৰভেদ, মিত্ৰলাভ, কাকোলুকীয়, লব্ধপ্ৰণাশ আৰু অপৰীক্ষিতকাৰিতা। ইয়াৰ ভিতৰত মূল কাহিনীৰ উপৰি মিত্ৰভেদত ত্ৰিশটা, মিত্ৰ লাভত নটা, কাকোলুকীয়াত সোতৰটা, লব্ধ প্ৰণাশত এঘাৰটা আৰু অপৰীক্ষিতকাৰিতাত এঘাৰটা সাধুকথা, কাহিনী বা আখ্যান আছে। ইয়াৰ প্ৰত্যেকটো সাধু কাহিনী বা আখ্যান গভীৰ নীতিকথা আৰু মূল্যবোধযুক্ত। প্ৰত্যেকটো কাহিনীয়েই ব্যক্তি আৰু সমাজলৈ এক বা একাধিক বাণী দিবলৈ সক্ষম হৈছে। উদাহৰণ স্বৰূপে ক'ব পাৰি-

কলহান্তানি হৰ্ম্যাণি কুবাক্যান্তং চ সৌহৃদম্।
কুৰাজান্তনি ৰাষ্ট্ৰাণি কুকমন্তিং যশো নৃণাম্।।

অৰ্থাৎ কাঁজিয়াই সেই ঘৰসমূহক, কু-বাক্যই বান্ধৱক, কু-ৰজাই ৰাষ্ট্ৰসমূহক আৰু কু-কৰ্মই মানুহবোৰৰ যশ নাইকিয়া কৰে।

পঞ্চতন্ত্ৰ গ্ৰন্থখনৰ আৰম্ভণিতে "কথা মুখ" নামৰ আন এটা শিতান সংযোজিত কৰা হৈছে। ই আজিকালিৰ গ্ৰন্থবোৰত থকা আগ কথাৰ নিচিনা। এই কথামুখত কি পটভূমিত, কাৰদ্বাৰা পঞ্চতন্ত্ৰ ৰচিত হৈছে, তাৰ এক সৰল বৰ্ণনা আছে। উক্ত বৰ্ণনা অনুসৰি প্ৰাচীন ভাৰতৰ দাক্ষিণাত্যৰ মহিলাৰোণ্য নগৰৰ মহাপ্ৰতাপী, শক্তিশালী, দিগ্বিজয়ী, বিদ্বান আৰু সকলো শিল্পকলাত পাৰ্গত অমৰশক্তি ৰজাৰ মহামুৰ্খ তিনিজন পুত্ৰক লৈ দুখ-যন্ত্ৰণাৰ অন্ত নাছিল। ৰজাৰ শতচেষ্টাৰ পাছতো মুৰ্খ পুতেক কেইজনক বিদ্বান কৰি তোলা সম্ভৱ নহ'ল। পুত্ৰৰ ভৱিষ্যৎ চিন্তা কৰি আতংকিত হৈ পৰা ৰজা অমৰশক্তিৰ দুখ নিবাৰণৰ বাবে সুমতি নামৰ এজন মন্ত্ৰীয়ে খ্যাতিমান শাস্ত্ৰজ্ঞ পণ্ডিত বিষ্ণুশৰ্মাইহে কম দিনৰ ভিতৰতে সুশিক্ষিত কৰি তুলিব বুলি আশ্বাস দিলে।

পণ্ডিত বিষ্ণুশৰ্মাই ৰজাৰ অনুৰোধ ক্ৰমে ছমাহৰ ভিতৰত বিদ্বান কৰি তোলাৰ প্ৰতিশ্ৰুতি দিলে। কোনো পাৰ্থিৱ সম্পদৰ বিনিময়ত বিদ্যা বিক্ৰী নকৰে বুলি দৃঢ়ভাৱে ঘোষণা কৰিলে। বিষ্ণু শৰ্মাই পঞ্চতন্ত্ৰ ৰচনা কৰি মুৰ্খ ৰাজকুমাৰ সকলক ছমাহৰ ভিতৰত বিদ্বান কৰি তুলিলে। দৰাচলতে বিষ্ণু শৰ্মা প্ৰাচীন ভাৰতীয় শিক্ষক সমাজৰ এক উৎকৃষ্ট উদাহৰণ। সেই যুগৰ ভাৰতীয় শিক্ষকসকলৰ ত্যাগ, নিষ্ঠা, পৰিশ্ৰম আৰু আদৰ্শ আমাৰ বাবে সদায় অনুকৰণীয়।

পঞ্চতন্ত্ৰ ৰচিত বা সংকলিত হৈছিল খ্ৰীষ্টীয় প্ৰথম শতিকা অৰ্থাৎ আজিৰ পৰা দুহেজাৰ বছৰ পূৰ্বে কিয়নো ৫৭০ খ্ৰীঃৰ পূৰ্বেই পঞ্চতন্ত্ৰ ভিন্ন ভাষালৈ অনুদিত হৈছিল। খ্ৰীষ্টীয় ষষ্ঠ শতাব্দীৰ পূৰ্বেই পঞ্চতন্ত্ৰৰ খ্যাতি বিশ্বজুৰি বিয়পি পৰিছিল। সেই শতিকাতে তদানীন্তন ইৰান সম্ৰাটে নিজ দেশৰ লেখক পণ্ডিতৰ দ্বাৰা পঞ্চতন্ত্ৰ অনুবাদ কৰাইছিল। ইয়াৰ প্ৰায় দুটা শতাব্দীৰ ভিতৰতেই পঞ্চতন্ত্ৰ আৰবী ভাষালৈ অনুদিত হয়। খ্ৰীষ্টীয় এয়োদশ শতাব্দীত পঞ্চতন্ত্ৰ লেটিন ভাষালৈ অনুদিত হয় আৰু লেটিন ভাষাৰ মাধ্যমেৰেই গ্ৰন্থখনে ইউৰোপত প্ৰৱেশ কৰে। পিছত বিভিন্ন ইউৰোপীয় ভাষাৰ মাধ্যমেৰে পৃথিৱীৰ সকলো প্ৰান্তত এখনি উৎকৃষ্ট গ্ৰন্থৰূপে সকলোৰে সমাদৰ লাভ কৰে।

মেথ্‌মেটিকেল জিনিয়াচ ৰামানুজন

ৰুবী দিহিঙ্গীয়া
স্নাতন প্ৰথম ষান্মাসিক, ইংৰাজী বিভাগ

"যথা শিখা ময়ূৰাণাং নাগানাং মনয়ো যথা
তদ্‌বেদাংগ শাস্ত্ৰানাং গণিতং মূৰ্ধনী স্থিতম।"

অৰ্থাৎ ময়ূৰ পখীৰ শিৰত যিদৰে জঁতা থাকে, সাপৰ শিৰত যিদৰে মুকুতা থাকে, ঠিক সেইদৰে সকলো জ্ঞানৰ শীৰ্ষত থাকে গণিত।

এই গণিতৰ একনিষ্ঠ সাধক, গণিতৰ পূজাৰী মহামানৱ শ্ৰীনিবাস ৰামানুজন ভাৰতৰ পক্ষে এজন ঈশ্বৰদাতা সন্তান। এটা অতি দৰিদ্ৰ পৰিয়ালত জন্মগ্ৰহণ কৰি, শিক্ষা জীৱনৰ নানা তিতা-মিঠা অভিজ্ঞতা শিৰত লৈ জীৱনৰ কাঁইটীয়া বাটত সোণৰ জখলা বগাই ৰামানুজনে বিশ্বৰ আগশাৰীৰ গণিতজ্ঞ সকলৰ এজন হিচাপে খ্যাতি লাভ কৰিছিল।

তেওঁৰ জন্ম হৈছিল ১৮৮৭ চনৰ ২২ ডিচেম্বৰ তাৰিখে বৰ্তমান তামিলনাডুৰ ইৰোড নামৰ ঠাইত থকা তেওঁৰ মোমায়েকৰ ঘৰত। এই ঠাইখন ৰাজধানী মাদ্ৰাজৰ পৰা প্ৰায় চাৰিশ কিলোমিটাৰ দক্ষিণ পশ্চিমে অৱস্থিত। তেওঁৰ দেউতাকৰ নাম আছিল কপ্পুস্বামী শ্ৰীনিৱাস আয়েংগাৰ আৰু মাকৰ নাম আছিল কোমলটম্মল। ৰামানুজনৰ পিতৃগৃহ আছিল তামিলনাডুৰ তাঞ্জাভুৰ জিলাৰ কুম্বকোনম নামৰ নগৰখনত। তেখেতৰ নামৰ ক্ষেত্ৰত এটা পৃথকতা দেখা যায় যে আমাৰ অসমীয়া মানুহে সদায় নিজৰ নামৰ পিছত দেউতাকৰ উপাধি লিখে। কিন্তু তামিলসকলৰ কোনো উপাধি নাই। তেওঁলোকে নিজৰ নামৰ আগত দেউতাকৰ নাম লিখে। ৰামানুজনৰ দেউতাকৰ নাম আছিল শ্ৰীনিৱাস, সেয়েহে ৰামানুজনৰ নামটো হ'ল শ্ৰীনিৱাস ৰামানুজন।

ঘৰৰ নিচেই কাষৰে কাংগেয়ান প্ৰাথমিক বিদ্যালয়ত শিক্ষা আৰম্ভ কৰি সুদূৰ কেমব্ৰিজ কলেজলৈকে তেখেতে অধ্যয়ন কৰে। গণিতৰ প্ৰতি থকা দুৰ্বাৰ হেপাহৰ বাবে তেওঁ অন্যান্য বিষয়সমূহত গুৰুত্ব দিব পৰা নাছিল, যাৰ বাবে তেওঁ বাৰে বাৰে পৰাজয়ৰ হাতত নিজকে সমৰ্পন কৰিছিল। কিন্তু তেওঁ গণিতৰ জগতত বহুদূৰ আগবাঢ়ি গৈছিল। ঘৰৰ একান্ত অনুনয়ত মাত্ৰ ২২ বছৰ বয়সতে মাত্ৰ ৯ বছৰীয়া কন্যা জানকীৰ সৈতে বিবাহপাশত আবদ্ধ হয়। বিবাহৰ পাছত তেখেতে এটা চাকৰিৰ প্ৰয়োজন অনুভৱ কৰে। কুম্বকোনম চৰকাৰী কলেজত গণিতৰ অধ্যাপক শেষু আয়াৰ আৰু তামিলনাডুৰ নেলোৰ জিলাৰ কালেক্টৰ তথা গণিত প্ৰেমিক দেৱান বাহাদুৰ ৰামচন্দ্ৰ ৰাওৰ সহায়ত মাদ্ৰাজ বন্দৰ ন্যাসৰ এজন কেৰাণী হিচাপে এটা বৃত্তি লাভ কৰে।

১৯১১ চনত ভাৰতীয় গণিত সমাজৰ এখন আলোচনীত ৰামানুজনৰ প্ৰথম গৱেষণা পত্ৰখন প্ৰকাশ পাইছিল। ১৯১৩ চনৰ ১ মে' তাৰিখে ৰামানুজনে মাদ্ৰাজ বিশ্ববিদ্যালয়ত গণিতৰ গৱেষক

হিচাপে যোগদান কৰিছিল। তেখেতে ১৯১৪ চনত কেমব্ৰিজ বিশ্ববিদ্যালয়লৈ যাত্ৰা কৰিছিল। কিন্তু নানা আৰ্থিক অনাটনে তেওঁক জুমুৰি মাৰি ধৰিছিল আৰু এই ক্ষেত্ৰত তেওঁক সহায় কৰিছিল হাৰ্ডি, ই.এইচ. নেভিল, মাদ্ৰাজ বিশ্ববিদ্যালয়, মাদ্ৰাজ বন্দৰ-ন্যাসৰ সদস্য আদিয়ে।

কেমব্ৰিজত থকা সময়খিনি আছিল ৰামানুজনৰ জীৱনৰ সৰ্বোত্তম সময়। তেওঁ তাত পাঁচ বছৰ আছিল আৰু এই পাঁচ বছৰত মুঠতে ২১ খন গৱেষণা পত্ৰ লিখি উলিয়াইছিল। ১৯১৫ চনত লণ্ডন গণিত সমাজৰ এখন আলোচনীত প্ৰকাশ পোৱা তেওঁৰ এখন গৱেষণা পত্ৰৰ দৈৰ্ঘ্য আছিল ৬২ পৃষ্ঠা আৰু ইয়াত মুঠতে ২৬৯ সমীকৰণ আছিল।

কেমব্ৰিজলৈ অহাৰ মাত্ৰ তিনিবছৰৰ পিছত ৰামানুজন গুৰুতৰ ভাৱে অসুস্থ হৈ পৰিল। চিকিৎসকসকলে পৰীক্ষা-নিৰীক্ষাৰ পিছত দেখিলে যে ৰামানুজন যক্ষ্মাৰোগত আক্ৰান্ত হৈছিল। একনিষ্ঠ জ্ঞানৰ সাধক ৰামানুজনৰ মনটো অস্থিৰতাৰ মাজতো যথেষ্ট সক্ৰিয় হৈ আছিল। তেওঁৰ শয্যাশায়ী অৱস্থাতে হাৰ্ডিয়ে তেওঁক সাক্ষাৎ কৰিবলৈ যাওঁতে কৈছিল— "মই আজি অহা টেক্সী খনৰ নম্বৰ - ১৭২৯।" তেতিয়া ৰামানুজনে নিজৰ গাণিতিক মগজু খটাই কৈছিল যে এইটো এটা সাধাৰণ সংখ্যা নহয়, ই হৈছে আটাইতকৈ ক্ষুদ্ৰতম সংখ্যা যিটোক দুই ধৰণে দুটা সংখ্যাৰ ঘনফলৰ যোগফল হিচাপে প্ৰকাশ কৰিব পাৰি। হাৰ্ডিয়ে ৰামানুজনৰ কথা শুনি বিস্মিত হ'ল আৰু দেখিলে যে ১৭২৯ = ১^৩ +১২^৩ আৰু ১৭২৯ = ৯^৩ + ১০^৩। উল্লেখযোগ্য যে ১৭২৯ সংখ্যাটোক আজিকালি "ৰামানুজন সংখ্যা "বুলি কোৱা হয়। এই সংখ্যাটোৰ আৰু কেইবাটাও আকৰ্ষণীয় ধৰ্ম আছে। ১৭২৯ সংখ্যাটো গঠন কৰা অংককেইটা যোগ কৰিলে আমি পাওঁ ১ + ৭ + ২ + ৯ = ১৯। এই ১৯ সংখ্যাটো আকৌ ১৭২৯ ৰ ভাজক। ১৭২৯ সংখ্যাটো গঠন কৰা অংককেইটাৰে চাৰিটা সংখ্যা গঠন কৰিব পাৰি। এই কেইটা হ'ল - ১৭, ৭১, ৭৯, আৰু ৯৭। গতিকে ৰামানুজনৰ এনে প্ৰতিভা তবধ মানিবলগীয়া। শিক্ষা জীৱনতো তেওঁ কিছুমান সমীকৰণ বা উপপাদ্য নিজে আৱিষ্কাৰ কৰিছিল কাৰণ তেওঁৰ অৰ্থৰ অভাৱ আছিল। তেতিয়াহে তেওঁ গম পাইছিল যে সেইবিলাক আচলতে আগতেই আৱিষ্কাৰ হৈ গৈছিল। অৰ্থাৎ তেওঁ নিজেই নিজৰ গুৰু হৈ পৰিছিল। ১৯১৮ চনৰ ফেব্ৰুৱাৰী মাহত ৰামানুজন লণ্ডনৰ ৰয়েল ছ'ছাইটিৰ ফেলো নিৰ্বাচিত হ'ল। ১৯১৮ চনৰ অক্টোবৰ মাহত ট্ৰিনিটি কলেজেও ৰামানুজনক ফেলো হিচাপে নিৰ্বাচিত কৰে।

ইংলেণ্ডলৈ যোৱাৰ ঠিক পাঁচ বছৰৰ পিছত ১৯১৯ চনৰ মাৰ্চ মাহৰ ১৩ তাৰিখে ৰামানুজনে এছ. এছ. নগ'য়া নামৰ জাহাজখনেৰে ভাৰতলৈ বুলি প্ৰত্যাৱৰ্ত্তন কৰিলে। চৈধ্য দিনৰ পিছত ২৭ মাৰ্চ তাৰিখে তেওঁ বোম্বাইত উপস্থিত হ'ল আৰু তাৰ পৰা বেলেৰে আহি মাদ্ৰাজ পালেহি। তেতিয়া তেওঁৰ শৰীৰত মাত্ৰ ছাল আৰু হাঁড়বোৰহে আছিল। মাজে মাজে তেওঁ বিষ হোৱা বুলি কৈছিল। কিন্তু তথাপিও তেওঁ গণিতৰ মাজত বুৰ গৈ থাকিছিল।

১৯২০ চনৰ আৰম্ভণিৰে পৰা ৰামানুজনৰ শৰীৰৰ অৱস্থা অধিক শোচনীয় হৈ পৰে। অৱশেষত তেওঁৰ পত্নীৰ একনিষ্ঠ শুশ্ৰূষা আৰু চিকিৎসকসকলৰ অহোপুৰুষাৰ্থ স্বত্বেও ১৯২০ চনৰ ২৬ এপ্ৰিল তাৰিখে নিচেই পুৱা ৰামানুজনৰ মৃত্যু ঘটিল। মৃত্যুৰ স' য়ত তেওঁৰ বয়স আছিল মাত্ৰ ৩৩ বছৰ ৪ মাহ।

ৰামান নৰ টোকা বহীবোৰ গণিতজ্ঞসকলে 'ৰত্নভাণ্ডাৰ' আখ্যা দিয়ে ান লাভৰ প্ৰবল ইচ্ছা যদি থাকে তেন্তে কোনো বাধাই মানুহক বাধা দি ৰাখিব নোৱাৰে। যদি কোনো কাম শুদ্ধ মনে ভগৱানৰ আশিস লৈ কৰা হয়, সফলতা আহিবই। 'ৰামানুজন', হে' জ্ঞানৰ মনিষী আপোনাক হেৰুৱাই ভাৰতে হেৰুৱালে এক উজ্জ্বল জ্যোতিষ্ক। যিয়ে পোহৰাই ৰাখিছিল গণিতৰ ভাণ্ডাৰ। শেষত হে চিৰ নমস্য আপোনাক সহস্ৰ প্ৰণাম।

বিহুৰ পঞ্চবাদ্য

দিম্পী সোনোৱাল
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

বৰ্তমান সময়ত বিহুগীত সমূহৰ লগত মঞ্চত বা কেছেট, চিডিত বিভিন্ন প্ৰকাৰৰ আধুনিক বাদ্যযন্ত্ৰ বাজোৱা হয় যদিও প্ৰকৃততে বিহুগীতৰ সৈতে পাঁচবিধ বাদ্যযন্ত্ৰকহে বিশেষভাবে প্ৰাধান্য দিয়া হয় আৰু যাক কোৱা হয় পঞ্চবাদ্য। সেয়া হ'ল— ঢোল, পেঁপা, গগনা, সুতুলি, আৰু টকা।

ঢোলৰ উৎপত্তি সম্পৰ্কে কথিত আছে যে সত্যযুগত শ্ৰীকৃষ্ণই গকুলৰ পৰা এটা গছৰ গুটি আনি ব্ৰহ্মাৰ হাতত দিলে। ব্ৰহ্মাই আকৌ নাৰদক দিলে। নাৰদে গুটিটো পচোৱাত তাৰ পৰা এজোপা চাম গছ গজি উঠিল। গছজোপা ডাঙৰ হোৱাত বিশ্বকৰ্মাই কাটি আনিলে আৰু তেওঁৰ নিৰ্দেশতে শুকমল নামৰ বাঢ়ৈয়ে ঢোলটি সাজিলে। ঢোলৰ মূল শব্দ চাৰিটা। ঘিন্, খিট্, দ,ও আৰু ৰগৰ।

অতীতৰে পৰা পেঁপাই এক বিশেষ স্থান গ্ৰহণ কৰি আহিছে। পেঁপাৰ খোলাটোৰ বাবে প্ৰয়োজনীয় ম'হৰ শিংটো ঢেউৰী ম'হৰ হ'লে ভাল বুলি কয়। ক'লা ম'হৰ শিঙেৰে সজা পেঁপাৰ মাত অধিক শুৱলা বুলি বিহুগীততেই পোৱা যায়। ম'হৰ শিঙৰ পেঁপাটিৰ চাৰিটা ভাগ আছে। খোলা বা গোলা, নলিচা, থুৰি আৰু চুপহি।

গগনা প্ৰায় এবেগেত মান দীঘল সৰু অথচ সাজিবলৈ বৰ জটিল শ্ৰেণীৰ বাদ্য। বহল চাই জাতি বা বিজুলী বাঁহৰ আগ অংশৰ বাঁহ এচটাৰ পৰা খুব সাৱধানেৰে কাটি গগনা সজা হয়। গগনা দুবিধ। লাহৰি গগনা আৰু ৰামধন গগনা। লাহৰি গগনা ৰামধন গগনীতকৈ সৰু। লাহৰি গগনা বিহুৱতীয়ে বজায় আৰু ৰামধন গগনা বিহুৱাই বজায়।

সুতুলি মাটিৰে গঢ়া বাদ্য। আগতে সুতুলি গৰখীয়া ল'ৰাৰ বাদ্য আছিল যদিও পিছলৈ ই বিহুগীতত স্থান পায়। সুতুলি তিনিভাগত ভগোৱা হয়। বটল সুতুলি, সুতুলি পিঠা আৰু পক্ষী সুতুলি। কেঁকোৰা গাঁতৰ মাটি সুতুলি সাজিবলৈ ভাল। উই হাঁফলুৰ কোমল মাটিৰ লগত আলতীয়া মাটি মিহলায়ো সুতুলি সাজে।

টকা হ'ল বাঁহৰ পৰা সজা এবিধ বাদ্য। অসমত বাস কৰা প্ৰায় সকলো জনগোষ্ঠীৰ মাজত টকা চলে। জাতি, ভলুকা বাঁহৰ দুই মূৰে গাঁঠি থকা বাঁহ এপাব লৈ তাৰ মাজৰছোৱা কাটি এৰুৱাই টকা সজা হয়। গাঁঠি বৈ যোৱা ফালত ধৰি ফলা অংশটো কোবালে টক্‌টক্ শব্দ ওলাই বাবেই ইয়াৰ নাম টকা। টকা দুবিধ। হাত টকা আৰু মাটি টকা। হাতেৰে বজোৱাটোক হাত টকা বোলে। মাটিত পেলাই বজোৱাটো মাটি টকা বোলে। হাত টকা চুটি আৰু মাটি টকা দীঘল। জেং বিহু, গাভৰু বিহুত টকা মুখ্য বাদ্য।

বৰ্তমান যুগত যদিও বিহুগীতৰ লগত কিছুমান আধুনিক বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰা হয়, তথাপি পঞ্চবাদ্যৰ প্ৰাধান্য বিহুগীতত সদায় থাকিব। ▶▶

অন্তহীন অপেক্ষা...

চিমি কোঁৱৰ
স্নাতক তৃতীয় ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

মৰমৰ মা,

পোনপ্ৰথমেই মোৰ মৰম আৰু শ্ৰদ্ধাবোৰ সহৃদয়তাৰে গ্ৰহণ কৰিবা। কলেজত সঘনাই পৰীক্ষাবোৰ হৈ থকাৰ বাবে তোমালৈ কেইবাদিনো চিঠি লিখা হোৱাই নাই। জানাইতো, এইবাৰ কলেজসমূহত ছেমিষ্টাৰ পদ্ধতি প্ৰচলন কৰাৰ পৰা একেবাৰে সময় নাই হাতত। আনকি কেতিয়াবা প্ৰয়োজনীয় কামবোৰ কৰিবলৈকে সময়ৰ অভাৱ হয়। যেনে ধৰা আজি কিমান দিন হ'ল তুমি পঠোৱা চিঠিখনৰ উত্তৰ লিখোতেই ইমান পলম হৈ গ'ল।

মা, তুমি সুধিছিলা মই পাঠ্যক্ৰমৰ বাহিৰেও আজিকালি অন্যান্য কিতাপ পঢ়োনে নাই, যিদৰে আগতে তুমি আমাক পঢ়িবলৈ বাহিৰা কিতাপ আনি দিছিলা.......। তুমি হয়তো জানি সুখী হ'বা মা, মই আগৰ দৰেই সময় মিলাই পাঠ্যক্ৰমৰ বাহিৰেও আন কিতাপ পঢ়ো। এটা কথা কি জানা, আমাৰ কলেজৰ পুথিভঁৰালটোত বহুত বাহিৰা কিতাপ আছে যিবোৰ পঢ়ি পঢ়িও শেষ কৰিব নোৱাৰি। তদুপৰি হোষ্টেলৰ পুথিভঁৰালতো পাঠ্যক্ৰমৰ বাহিৰেও অসংখ্য বাহিৰা কিতাপ আছে আৰু সময় পালেই মই সেইবোৰ কিতাপ পঢ়ি পেলাও। মা, মোক যে লগৰ কেইজনীয়ে তেনেকৈ বাহিৰা কিতাপ পঢ়ি থাকিলে কিতাপৰ পোক বুলি হাঁহে জানা? কিন্তু মই কি কৰিম মোৰ আদৰৰ মা? কাৰণ, তুমিয়ে জানো মোক হোষ্টেললৈ অহাৰ আগতে অযথা সময় নষ্ট নকৰিবলৈ কোৱা নাছিলা....?? মই তোমাৰ কথা শুনিব খোজো মা, মোক লৈ দেখা তোমাৰ প্ৰতিটো সপোনক এটা এটাকৈ বাস্তৱ কৰিব খোজো। মই ভালদৰেই জানো মা, এদিন দেউতাৰ দৰে তুমিও মই এজন চিকিৎসক হ'ম বুলি আশা কৰিছিলা। তোমালোকৰ এই সপোন মই বাস্তৱত পৰিণত কৰিবলৈ চেষ্টা নকৰাকৈ থকা নাছিলো। কিন্তু তুমিটো জানাই, ভগৱান পৃথিৱীৰ শ্ৰেষ্ঠ ষড়যন্ত্ৰকাৰী। মই অৱশ্যে ভগৱানক দোষ দিব খোজা নাই। তুমি আকৌ মোক ভুল নুবুজিবা। পেংক্ৰিয়েটাইটিছ নামৰ বেমাৰটোৰ বাবে মই যেতিয়া বিজ্ঞান শাখাত পঢ়ি থাকোতে বছৰটোত কেইবাবাৰো হস্পিটালত ভৰ্তি হ'ব লগা হৈছিল আৰু ডাক্তৰে যেতিয়া মোক বেড্ৰেষ্টৰ প্ৰয়োজনৰ কথা কোৱাৰ লগতে ভৱিষ্যতেও যে এই বেমাৰ হ'ব পাৰে বুলি কৈছিল তেতিয়া জানো তুমি নিজেই কোৱা নাছিলা মোক তই চিকিৎসক নহ'লেও হ'ব, মাথো পঢ়ি-শুনি ভাল মানুহ হ'লেই হ'ব বুলি। তেতিয়াই মা, এৰা তেতিয়াই তোমাৰ মাতৃ হৃদয়ৰ মমতা মই তন্ন তন্নকৈ বুজি উঠিছিলো। যি কি নহওক, সেইবোৰ কথা লিখি আৰু সময় নষ্ট নকৰো। তুমি বাৰু প্ৰেচাৰৰ টেবলেট নিয়মীয়াকৈ খাই আছা নে? আৰুদেউতা....? কেনে আছে তেওঁ? আছেনে কুশলে? তেওঁক মোৰ হৃদয়ভৰা মৰমবোৰ তুমি দিবা আকৌ। নহ'লে তেওঁ মনত বৰ দুখ পাব।

মা, এইকেইদিন তোমালৈ বৰকৈ মনত পৰিছে। তোমাৰ কোলাত মূৰ থৈ সেই তেজীমলাৰ সাধু শুনিবৰ মন গৈছে? কিন্তু কি কৰিবা? মোৰ যে সময়ৰ ইমান অভাৱ!! অঃ মই পাহৰিবিছিলোৱেই, কালিলৈ পুৱা ৮.৪৫ বজাৰ পৰা ক্লাচ আছে। ৰাতি বহুত হ'ল। মই এতিয়া শুব লাগিব। গতিকে আজিলৈ আৰু একোকে নিলিখো। পুনৰ বাৰ তোমালৈ মোৰ মৰম জনাই আজিলৈ সামৰিছো।

ঠিকনা
ৰশ্মিৰেখা কোঁৱৰ
পোঃঅঃ কোঁৱৰপুৰ
পিন- ৭৮৫৬৬৭, শিৱসাগৰ

ইতি
তোমাৰ মৰমৰ
চিমি

হোষ্টেলত ভূত

কৃষ্ণা ভূঞা
স্নাতক পঞ্চম ষাণ্মাসিক, অসমীয়া বিভাগ

ভূত! এক অশৰীৰী আত্মা। ভূত বুলি ক'লে হয়তো সকলোৰে মনত এটা ভয় ভাৱৰ সৃষ্টি হয়। পৃথিৱীত এনেকুৱা বহুতো মানুহ আছে যিয়ে ভূত দেখিছে বা ভূত আছে বুলি বিশ্বাস কৰে। কিন্তু কোনো কোনোৱে এই ক্ষেত্ৰত সম্পূৰ্ণ বিপৰীত মন্তব্য দিয়াহে দেখা যায়। সাধাৰণতে, সকলো মানুহৰে ভূত সম্পৰ্কে ধাৰণাবোৰ বেলেগ বেলেগ হয়। মই হোষ্টেলত থকাৰ পৰাই মোৰো ভূত সম্পৰ্কে এটা ধাৰণা হ'ল আৰু তেতিয়াৰ পৰাই গম পালো যে প্ৰকৃততে ভূত কি?

২০১১ চন। তেতিয়া মই হায়াৰ ছেকেণ্ডৰী পাছ কৰি ঐতিহ্যমণ্ডিত শিৱসাগৰ নগৰৰ মাজমজিয়াত অৱস্থিত শিৱসাগৰ ছোৱালী কলেজত নামভৰ্ত্তি কৰিলো। যিহেতু মোৰ ঘৰ নাজিৰাত, সেয়ে গাড়ীৰ অসুবিধাৰ বাবে সদায় ঘৰৰ পৰা অহা-যোৱা কৰাও সম্ভৱ নাছিল। সেয়েহে শিৱসাগৰ নগৰৰ মাজমজিয়াতে এটা হোষ্টেল বিচাৰিবলৈ ধৰিলো। অৱশেষত শিৱসাগৰৰ কে.পি. চাৰিআলিত এটা হোষ্টেল বিচাৰি পালো। যিহেতু প্ৰায়বোৰ হোষ্টেলত ছোৱালী প্ৰায় ভৰ্ত্তিয়ে হৈছিল সেয়েহে কলেজৰ পৰা অলপ দূৰ হ'লেও সেই হোষ্টেলটোতে থকাৰ ব্যৱস্থা কৰিলো।

২০১১ চনৰ জুলাই মাহৰ পৰা যিহেতু কলেজত ক্লাছ আৰম্ভ হোৱাৰ কথা। গতিকে, কলেজ খোলাৰ কেইদিনমান আগতেই হোষ্টেলটোলৈ গ'লো। আগতে হোষ্টেলত থাকি পোৱা নাছিলো বাবে হোষ্টেলত থকাৰ হেঁপাহৰ লগতে ঘৰৰ পৰা আঁতৰি থকাৰ শোকে মোৰ মনটো খুন্দা মাৰি ধৰিছিল। যি কি নহঁওক, হোষ্টেলত লগৰ ছোৱালীবোৰক লগ পাই থাকি ভাল পাইছিলো। কলেজতো ক্লাছ আৰম্ভ হ'ল আৰু হোষ্টেলত প্ৰথম ছয়মাহ হাঁহি-ধেমালিৰেই পাৰ কৰিলো।

প্ৰথম ষান্মাসিক পাৰ হৈ দ্বিতীয় ষান্মাসিক আৰম্ভ হ'ল। দ্বিতীয় যান্মাসিক পঢ়ি থাকোতে হোষ্টেলত কিছুমান ঘটনা ঘটিবলৈ ধৰিলে। হোষ্টেলত সদায় ৰাতি মন কৰিছিলো যে আমি শোৱাৰ পিছত ছাদৰ ওপৰত কিহবাই ধমধমাই ফুৰিছিল। লাহে লাহে কথাটো ছোৱালীবোৰৰ মাজত বাগৰি গ'ল। কথাটো হোষ্টেলৰ বৰমাৰ কাণ চোৱালে। বৰমাই ক'লে যে, তেওঁলোকৰ মৰমৰ কুকুৰটোৱে ৰাতি ছাদৰ ওপৰত ঘূৰি ফুৰে। কথাটো আমাৰ অলপ হজম নহ'ল। কিয়নো, গধূলি হ'লেই বৰমাইঁতৰ ঘৰৰ ভিতৰেদি ছাদৰ গেটত তলা লগাই দিয়া হয় আৰু ছোৱালীবোৰ উঠাৰ ফালে কুকুৰটো যাব নোৱাৰে। সি যদি উঠিবলৈ চেষ্টা কৰে তেন্তে চিৰিটোৰ ফাঁকেদি সোমাই সি তলত পৰিবগৈ। তেতিয়া আমি মনতে ভাৱিলো যে ৰাতি হয়তো ভূতে ছাদৰ ওপৰত ঘূৰি ফুৰে। লাহে লাহে ভূতটোৰ উপদ্ৰৱ বাঢ়ি গ'ল। ভূত আহি ছোৱালীবোৰৰ ৰুম পালেহি। আমাৰ কাষৰ ৰুমটোৰ ছোৱালী এজনীয়ে ভূতৰ ভয়তে হোষ্টেল এৰি গুচি গ'ল। এদিন অন্য এটাৰ ৰুমৰ ছোৱালী এজনীয়ে আমাৰ ৰুমত ক'লেহি যে তাই দিনতে ভূতজনী দেখিলে। কথাটো শুনি আমাৰ অলপ ভয় লাগিল। কিন্তু হঠাতে ভয়টো ভাগিল। কাৰণ, ভূত দিনত ওলাই বুলি কেতিয়াও শুনা নাছিলো। লাহে লাহে ৰুমবোৰৰ খিৰিকিবোৰত ভূতে গধূলি হ'লেই টুকৰ মাৰিবলৈ ধৰিলে। আমিও ভূতৰ ভয়ত থাকিব নোৱাৰা হ'লো। কথাটো বৰমাইঁতকো ক'ব নোৱাৰা হ'লো। কাৰণ, বৰমাক ক'লেই বৰমাই আমাকহে গালি দিয়ে। ভাৱিলো বৰমাইঁতেও ভূত আছে বুলি জানে। কিন্তু আমাক ক'ব বিচৰা নাই। সেয়েহে আমি ঘৰৰ পৰা যিয়ে

যেনেকৈ পাৰে বস্তু নি ৰুমৰ সন্মুখত, খিৰিকিত আঁৰি দিলো। গধূলি হ'লেই ৰুমৰ ছোৱালীবোৰ পকাত বহি লৈ 'নাৰায়ণ কৱচ' পঢ়িব ধৰিলো আৰু সৰিয়হ পুৰি পুৰি পকাখন ইতিমধ্যেই ক'লা কৰিলো।

এদিন ৰাতি ভাত খাই উঠি গেটখন বন্ধ কৰিবলৈ পাহৰিলো। সেয়েহে ৰাতি দেৰীকৈ হ'লেও ভন্টী এজনী আৰু মই গেটখন বন্ধ কৰিবলৈ গ'লো। মই গেটখন বন্ধ কৰিবলৈ লওঁতেই আমাৰ পিছফালে কোনোবাই চেন্দেল চুঁচৰাই যোৱা শুনিলো। মই ভাৱিলো যে নিশ্চয় ভূতটোৱে আহিছে। সেয়েহে তলা-ছাবি আৰু ভন্টীক তাতে এৰি মই ৰুমলৈ ভিৰাই লৰ দিলো। ভয়তে মোৰ উশাহ-নিশাহ প্ৰায়ে বন্ধ হোৱা যেনেই লাগিছিল। পিছতহে মন কৰিলো যে ভন্টীজনীও মোৰ পিছে পিছে আহি ৰুম পাইছিলহি। ৰুমত লগৰবোৰক কোৱাত আমি গোটেই কেইজনীয়ে একেলগে গেটত তলা লগালোগৈ। সেইদিনাৰ পৰা মোৰ ভয় আৰু বেছিহে বাঢ়িল। দুটা ৰুমৰ মাজত থকা দৰ্জাখন খুলি থ'বলৈ ল'লো। আকৌ এদিন ৰাতি প্ৰায় এঘাৰ মান বজাত মই আৰু লগৰ ছোৱালী এজনী বাহিৰলৈ গৈছিলো। লগৰ জনীয়ে মুখ-হাত ধুই থাকোঁতে মই মন কৰিলো যে, চিৰিটোৰ কিনাৰত কিবা এটাই মোলৈ চাই হাঁহি আছে। মই আকৌ লগৰজনীক তাতে এৰি ৰুম পালোগৈ। পিছতহে ৰুমত লগৰজনীয়ে কৈছিল যে তাইয়ো কিবা এটা দেখিছিল। পিছদিনা কথাটো হোষ্টেলৰ প্ৰত্যেকটো ৰুম পালেগৈ। ছোৱালীবোৰে আহি মোক ভূত দেখাৰ কথা শুধিবলৈ ধৰিলে আৰু মইয়ো বৰ্ণনা দি গ'লো।

এইদৰে ভয়ে ভয়ে আমি দিন পাৰ কৰিবলৈ ধৰিলো। এদিন গধূলি মোৰ লগৰ এজনীয়ে কাষৰ ৰুমটোত গৈ কথা পাতি আছিল। তেতিয়া অন্য এটা ৰুমত থকা ভন্টী এজনীয়ে আহি ক'লেহি যে তাইৰ ৰুমত খিৰিকিত কিহবাই টুকুৰিয়াইছে। বাকী ছোৱালীবোৰে ক'লে যে মেকুৰীয়ে কৰিছে। সেয়েহে ভন্টীজনীয়েও নিজৰ ৰুমলৈ গুচি গ'ল। কিন্তু তাৰ অলপ পাছতে লগৰজনীয়ে কথা পাতি থকা ৰুমটোৰ খিৰিকিতো কিহবাই টুকুৰিয়ালে। মোৰ লগৰজনীয়ে ভয়ে ভয়ে ৰুমলৈ আহি আমাক ক'লে যে ভূত ওলাইছে। আমি ৰুমৰ আটাইকেইজনীয়ে ভয়তে চিঞৰিবলৈ ধৰিলো। আমাৰ চিঞৰ শুনি বৰতা ওলাই আহিল আৰু আমি তেওঁকে ভূত বুলি ভাবি আৰু বেছিকৈ চিঞৰ-বাখৰ কৰি ৰুমৰ দৰ্জা বন্ধ কৰি দিলো। বৰতাই আমাক গালি-শপনি পাৰি পুনৰ নিজৰ ৰুমলৈ সোমাই গ'ল। তেনেকুৱাতে মোৰ বিছনাৰ ওচৰত থকা খিৰিকিখনত কিহবাই টুকুৰিয়াবলৈ ধৰিলে। এইবাৰ আমাৰ ভয়ত অৱস্থা বেয়া হ'ল। এইবাৰো ভয়তে চিঞৰি দৰ্জাখন খুলি তললৈ নামি যাবলৈ ল'লো। ঠিক তেনেতে দিনতে ভূত দেখা আৰু তাইৰ ৰুমৰ খিৰিকিত টোকৰ মৰা বুলি কোৱা ভন্টীজনীক হাতত দীঘল লাঠি এডাল লৈ আমাৰ ৰুমৰ কাষেদি ওলাই অহা দেখিলো। তাই আমাক দেখি থত্মত্ খালে আৰু আমিও তাইক দেখি আচৰিত হ'লো। তাই লাঠি লৈ কি কৰিছে বুলি সোধাত তাই ক'লে যে, খিৰিকিত কিহেনো টুকুৰিয়াই তাকেহে চাবলৈ তাইয়ো টুকুৰিয়াই ফুৰিছিল। আমি তাইক গালি পাৰি আগলৈ তেনেকুৱা নকৰিবলৈ ক'লো আৰু আমি ৰুমত সোমালো। তেতিয়া গম পালো যে ইমান দিনে যে আমাক ভয় খুৱাই আছিল সেয়া প্ৰকৃততে কোন। কথাটো আমাৰ মাজতে সীমাবদ্ধ ৰাখিলো। বৰমাকো নক'লো কাৰণ বৰমাই তাইয়ে ভয় খুৱাই বুলি গম পোৱা হ'লে তাইক হোষ্টেলৰ পৰা উলিয়াই দিলেহেঁতেন। আমি লক্ষ্য কৰিলো যে সেইদিনাৰ পৰা হোষ্টেলত ভূতৰ উপদ্ৰৱ নাইকিয়া হ'ল আৰু আমিও শান্তিৰে থাকিব পৰা হ'লো।

হোষ্টেলত হোৱা ভূতৰ অভিজ্ঞতাৰ পৰা গম পালো যে প্ৰকৃততে ভূত বুলি কোনো বস্তু নাই। মানুহৰ মনৰ ভয়েই হৈছে ভূত। হেষ্টেলত ভূত ভূত কৰোতে ভূতে মনত এনেদৰে সাঁচ বহুৱাইছিল যে ৰাতি চিৰিটোৰ কাষৰ ৰুমৰ পোহৰটোকে ভূত দেখিছিলো আৰু তেতিয়া গম পাইছিলো যে প্ৰকৃততে তলৰ ৰুমবোৰত দৰ্জা খুলিলে বা বন্ধ কৰিলে শব্দ হৈছিল আৰু আমাৰ ওপৰৰ ৰুমবোৰত শুনিবলৈ পাইছিলো আৰু তাকে আমি ছাদৰ ওপৰত ভূতে ঘূৰি ফুৰিছিল বুলি ভাবিছিলো। যি কি নহওঁক, তেতিয়াৰ পৰা ভূত বোলা বস্তুটো মনৰ পৰা আঁতৰিল আৰু এতিয়া কোনোবাই ভূত দেখাৰ কথা কলেও বিশ্বাস নোহোৱা হ'ল। আৰু সেই এবছৰ হোষ্টেলত থাকিয়েই ভূতৰ অভিজ্ঞতা লৈ মই হোষ্টেলৰ পৰা গুচি আহিলো।

নিৰাশা

শতাব্দী দত্ত
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

জোনাকবোৰে তোলপাৰ লগাইছে
মোৰ উকা হৃদয়খনৰ মাজলৈ
থেলি-হেঁচি সোমাবলৈ,
মোৰ ভয় হয়, কিজানিবা....!
কিজানিবা ময়েই হেৰাই যাওঁ
জোনাক চুমিবলৈ গৈ
উকুখা মুধচৰ সিপাৰে থকা
জিক্‌মিক্ তৰাবোৰে
মোক চাই ৰং পাইছে। হয়তো হাঁহিছে!
"সৌৱা চোৱা, সৌৱা এটি ভিকহু পৰিয়ালৰ পঁজা
সিহঁতৰ একোৱেই নাই।"
নাই! আজি মোৰ একো নাই।
দৰিদ্ৰতাৰ মাজত হাহাকাৰ কৰিছোঁ মই,
অকণমান সহায় বিচাৰি শূন্য মোৰ হৃদয়,
মাথোঁ ক্ষুধাৰ তাড়না...!
আইৰ দুচকুৰ উজ্জ্বল চকুলোবোৰে
মোক নিৰাশ কৰি তোলে,
পিতাইৰ কংকালসাৰ শৰীৰ যেতিয়া
পথাৰৰ মাজত উত্তাপিত হয়,
এনে লাগে, 'যেন এক জলন্ত অগ্নিত আত্মজাহ যাম।'
কিন্তু মোৰ উকুখা পঁজাত অগ্নিৰো অভাৱ।
সপ্তাহত দুদিন জ্বলা এটি টিপচাকি,
কেতিয়াবা কাচিৎ দুবেলা দুসাঁজ,
উৰলিবলৈ ধৰা মলিয়ন সাজ-পাৰ,
বৰষুণ সৰা উকুঙা চাল.... এয়াই আমাৰ সম্পত্তি।
অভাৱ মাথোঁ অভাৱ
পিতাইক নিৰাশ কৰি আমিয়েই কলংক ৰচিলো,
'চাৰিজনীকৈ গাভৰু ছোৱালী'।
যদি আমি ল'ৰা হ'লোহেঁতেন,



হয়তো আই, পিতাইৰ জীৱন
ইমান দুৰ্বিসহ নহ'লহেঁতেন
ইচ্ছা-আশাক বিসৰ্জন দিলো,
শিক্ষাৰ পবিত্ৰ ৰেঙণি
আমাৰ দৰে ভিকহুৰ পঁজাত
কেতিয়াও বিচ্ছুৰিত নহয়।
আই, পিতায়ে ইমানদিনে
আমাৰ জীৱন দি
কলংকিত অধ্যায়ৰ পাতনি মেলিছিল,
নাই আৰু নহ'ব....!
এতিয়াৰে পৰা মই লিখি যাম
মোৰ জীৱনৰ কলংকৰ প্ৰতিটো পৃষ্ঠা
সলনি হ'ব আমাৰ পৃথিৱী,
সলনি কৰিম মই।
আজি মই ৰুদ্ধ... নহয় মুক্ত!
মুক্ত আজি মই
জোনাক বিধৌত সুৰত
বিলীন আজি মই।
মোৰ জীৱনৰ অন্ধকাৰেৰে
আই-পিতাই আৰু ভনীহঁতৰ জীৱন
সুৰুযৰ প্ৰথম কিৰণেৰে
মই আজি উদ্ভাসিত কৰিব পাৰিছো।
আউসীৰ অন্ধকাৰ চুমি
উকুখা পঁজাত মই
আশাৰ ৰেঙণি বিলাইছো।
আজি মই সুখী কাৰণ,
মোৰ জীৱনৰ সীমাহীন নিৰাশাৰে
পিতাইৰ বুকুত এমুঠি আশাৰ ফুল গুজিব পাৰিছো।।

স্মৃতিৰ বেটুপাতত সুধাকণ্ঠৰ প্ৰতিচ্ছবি

(ড° ভূপেন হাজৰিকাদেৱৰ স্মৃতিত)

জেবিন আখতাৰ ৰহমান
স্নাতক চতুৰ্থ ষান্মাসিক, অৰ্থনীতি বিভাগ

হে মহান,
সুৰ সাধক
সংগীতৰ পূজাৰী
তোমাৰ যে চিৰবিদায়
এক শাশ্বত সত্য
তুমি যে সঁচাকৈয়ে
গ'লাগৈ আৰু
নহাৰ প্ৰতিশ্ৰুতি দি....
গীতবোৰক মাউৰা কৰি
গীতৰ জগতখনক উকা কৰি
গানেৰে কঁঠীয়া সিঁচি সিঁচি
সুৰৰ ৰাগিনীৰে মালা গাঁঠি
সময় হোৱাৰ আগতেই হেৰাই গ'লা তুমি
মৃত্যু গহ্বৰৰ কোনোবা এটি প্ৰান্তত
দিনবোৰ শেষ হ'ল
নিশাবোৰ শেষ হ'ল
শিৰৰ টুপিটিৰ সুগন্ধি
নৌ মাৰ যাওঁতেই
যৱনিকা পৰিল এটি বৰ্ষৰ
কিন্তু তোমাৰ যে কাহানিও
শেষ নাই...
তুমিটো পাৰ নেদেখা
এটি দীঘলীয়া সমুদ্ৰৰ পৃষ্ঠা
গীতৰ বৰষুণত বসুন্ধৰাক জীপাল কৰিবলৈ
তুমি আৰু নাহা কোনোদিনে
তথাপিও থাকিবা তুমি
আমাৰ জীৱনৰ কোঁহে কোঁহে তুমি
আমাৰ প্ৰতি উশাহ নিশাহত তুমি
এটি সুৰৰ গুণগুণনি হৈ....

এটা সপোনৰ ভাৱনাত

বিপাশা চুতীয়া
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

মোৰ ভৱিষ্যতৰ এটা সোণোৱালী
সপোনৰ যাত্ৰা
প্ৰতিটো বসন্তৰ অন্তত মোৰ জীৱনলৈ
নামি আহিব সুখৰ নিজৰা।
হয়তো আহিব হাঁহি আৰু মৰম
নতুবা নিজৰাৰ কল কল শব্দৰ দৰে
বহুতো আশাভৰা মৰমৰ আলিংগন
সুখৰ হাঁহিৰে ভৰি পৰিব মোৰ
শূন্য হৃদয়।
মানুহৰ পৰা প্ৰকৃতিলৈ বিয়পিব এই মৰম।
মই জানো এই সপোনৰ ভাৱনাৰ সিপাৰত
দিঠকৰ কঠিন মায়াজাল আৰু নিষ্ঠুৰতা
তেতিয়া হয়তো মই চিঞৰিম দুখত।
মোৰ জীৱনৰ সেই এৰা বাটৰ সুৰৰ দৰে
এটা প্ৰাণ বিহীন দুখময় দেহৰ
আউলী বাউলী মায়াজালৰ
এটা সপোনৰ ভাৱনা..।।

মোৰ নঙলামুখ

তুলুমণি গগৈ
স্নাতক তৃতীয় ষান্মাসিক, অসমীয়া বিভাগ

সময় পালে আহিবাচোন
আমাৰ গাঁৱৰ লুঙলুঙীয়া আলিটোৰে
খুব আপোন লাগিব তোমাৰ ঠাইখন
আলিটোৰ দুয়োকাষে সৰু ডাঙৰ
বহুতো গছ আছে
তাৰ মাজে মাজে নাম জনা নজনা
বহুতো ফুল আছে...
ব'হাগৰ উৰুকাৰ দিনা
আমি যে তাত কপৌ কেতেকী
বিচাৰিছিলো জানা।
সহজ সৰল গাঁৱৰ মানুহবোৰে
তোমাক পালে হয়তো
প্ৰাণভৰি মৰম কৰিব... অকৃত্ৰিমতাৰে
তাত আগতে হেনো এখন নৈ আছিল
আমি দেখা নাই, আইতাৰ মুখত শুনিছো।
সেউজীয়াত বিলীন হৈ থকা
মোৰ গাঁওখন আজিও যান্ত্ৰিক হোৱা নাই..
বিশ্বাস নাই হোৱা যদি
সঁচাকৈয়ে আহি চাই যাবা
আপোন আপোন লগা মোৰ ঠাইখন
মোৰ প্ৰাণতকৈও চঞ্চল মোৰ গাঁওখন...
আহিবাচোন এদিন....
চাই যাবা মোৰ দুবৰি বনেৰে ভৰপুৰ
ঘৰৰ সন্মুখ...
মোৰ নঙলামুখ...
য'ত আজিও আছে দুজোপা দেৱদাৰু।।

আকাশ

লিপি হাজৰিকা
স্নাতক পঞ্চম ষান্মাসিক, অসমীয়া বিভাগ

আকাশৰ কোনো ৰং নাই
তথাপিও নীলা দেখো
দিগন্তৰ কোনো সীমা নাই
যদিও পৰিধি দেখো,
ভৱিষ্যতৰ কোনো ভৰসা নাই,
তথাপিও আশা কৰো,
কিজানিবা মই সপোন দেখো।।

ফাগুণ

প্ৰীতিৰেখা বৰুৱা
স্নাতক দ্বিতীয় ষাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

তুমি ফাগুণ, উন্মাদিত কৰি তোলা
হৃদয়ৰ ফুলিব খোজা আশাবোৰ,
দুখৰ ৰাগীত সুৰৰ বাঁহী বজাই
তুমি ফাগুণ, মতলীয়া কৰা
ইতিহাস খোদিত হৃদয়ৰ অজন্ত-ধলোৰা গুহা
তোমাৰ এছাটি মলয়াই শিহঁৰিত কৰে
মোৰ জোনাক গলা নিশাৰ নিস্তব্ধতা
সাৰ পাই উঠে অজানিতে
নষ্টালজিয়াৰ আধৰুৱা পৃষ্ঠা।
তোমাৰ আগমণত সেউজী ধৰণীত
সৌন্দৰ্যতাৰ ফাল্গুনী ধাৰা..........

ফাগুণ ! অন্য এক অনুভূতি

প্ৰীতিৰেখা বৰুৱা
স্নাতক দ্বিতীয় ষাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

কুঁৱলী ফালি আগমন ঘটিল ফাগুণ
লগত লৈ আহিল ফাগুণৰ পছোৱা জাক
দেহ মন শাত পেলাই গ'ল
ফাগুণৰ পছোৱাই
যেন হঠাতে আহি মনত সাঁচ পেলাই
যোৱা এজাক ধুমুহা
আকৌ আহিবনে বাৰু সেই ফাগুণ।
ফাগুণ, নাম শুনিলেই মনত ভাহি উঠে
এক অজান পুলক অনুভূতি।
ফাগুণৰ শীতৰ জুইৰ উত্তাপ লৈ
মনত পৰে সেই আন্ধাৰ অমানিশালৈ।
কটাইছিলো এটা নিৰ্মম নিশা।
যাক ৰাখি থম কেৱল স্মৃতিৰ মণিকোঠাত।
সচাই ফাগুণ কি যে তোমাৰ আগমন।
গছৰ পাতখিলাইও যে ক'ব তোমাৰ কথা
হাঁহি হাঁহি থকা ফুলবোৰে কয়
ফাগুণ, আকৌ আহিবা তুমি
নাচিম তোমাৰ আগমনৰ উল্লাসত।
কেতিয়াও নিদো তোমাক বিদায়
উভতি আহিবা, আদৰি ল'ম
হৃদয়ৰ সহস্ৰ দুখক নেওচি।

নিঠৰুৱা মন

গীতাশ্ৰী ওজা
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

শীতৰ কুঁৱলীত শব্দবোৰ উৰি উৰি
বতাহত মিলি গ'ল শূন্য হৈ
ভাষাবোৰ হেৰাই গ'ল কচুপাতৰ
পানীৰ দৰে
দিনবোৰ হেৰাই গ'ল
এদিন দুদিনকৈ
প্ৰস্তুতিবোৰো শেষ হ'ল...
সেইদিনা আহিছিলা এখোজ দুখোজ কৰি
এতিয়া গুছি গ'লা
মোৰ অন্তৰত একুৰা তুঁহ জুই ধৰি
এতিয়াও তোমাৰ মৰম লগা
মাতটো বাজি থাকে মোৰ কাণত
কোনে মাতিব মোক 'সোণ' বুলি
আৰু যে নাহা কেতিয়াও.....।।



ফাগুন আহিছে মোৰ বুকুলৈ...

ৰ'দালি চেতিয়া
স্নাতক চতুৰ্থ ষান্মাসিক, অসমীয়া বিভাগ

কইনা খোজেৰে
মোৰ বুকুলৈ আহিছে ফাগুন
হৃদয়ৰ নীলা আকাশত মোৰ এতিয়া
ৰঙা মদাৰৰ বোল।

আহিবাচোন তুমি...
সৰাপাতৰ দলিচা গচকি।
ধূলিয়ৰি বতাহজাকে উৰুৱাই নিয়া
মোৰ বুকুৰ আঁচলৰ ফাঁকেৰে
এবাৰ জুমি চাবাহি
পলাশৰ ৰঙে ৰঙাই তোলা
মোৰ পলাশী হিয়া...।

আহিবা তুমি এদিন আবেলি
চাই যাবাহি মোৰ বুকুৰ অৰণ্যত...
শীতত লঠঙা হোৱা গছবোৰে
ফাগুনক আদৰাৰ ৰঙীণ আয়োজন।

এৰা, এআকাশ আশাৰ বতৰা লৈ
মোৰ বুকুলৈও আহিছে ফাগুন...
শুনাচোন কাণ পাতি...
কলিজাত মোৰ সপোনৰ
এজাক ভোমোৰাৰ গুণগুণ....।।।

একাঁজলি শীতৰ আবেশেৰে.....

যামিনী মহন্ত
স্নাতক দ্বিতীয় ষান্মাসিক, ভূগোল বিভাগ

এৰী কাপোৰখনে আৰু
শৰীৰটোক উম দিব নোৱৰা হৈছে
আয়েও ৰঙা, সেউজীয়া, হালধীয়া
উলৰ বলবোৰ হাতত তুলি লৈছে-
শুকান মনবোৰো যে উৰুঙা উৰুঙা লগা হৈছে!
সেউজীয়া হৈ থকা বিৰিখৰ
ডালবোৰো ক্ৰমশঃ শূন্য হৈ পৰিব ধৰিছে
লঠঙা বিৰিখৰ খহটা ডালত
সদায় গানগোৱা চৰাইজনী
আনদিনাতকৈ ধুনীয়াকৈ দেখাপোৱা গৈছে...
কাহিলী পুৱাতে উমাল নিহালীখন
গাৰ পৰা আঁতৰাবৰ মন নোযোৱা হ'ল
সকলোবোৰচোন সলনি হৈছে!
লাহে.... লাহে.....
সেউজীয়া পথাৰবোৰ সোণোৱালী হৈছে
সোণগুটিবোৰ ঠাহ খাই পৰিছে
এডালি এডালিকৈ থকা ধানৰ গুছিবোৰ...
কোনোবা অখ্যাত কবিয়ে নিজৰ সেউতীক বিচাৰিছে
সোণোৱালী শইচৰ মাজে মাজে—
কুঁৱলীৰ আঁচল ঠেলি সেউতীয়েও
লাজ সনা চাৱনীৰে মূৰ তুলি চাইছে
প্ৰিয়তমলৈ বুলি
বুকুখনচোন দুৰুদুৰুকৈ কঁপিছে!
ধৰালৈ শীত নামি আহিছে...
অ'
কথাবোৰ ভাবি থাকোতেই দেখোন
আইৰ হাতৰ উলবোৰেও
চুৱেটাৰৰ আকাৰ ললে—
লঠঙা ডালবোৰো আগতকৈ বেছি
গহীন হৈ থিয় হৈ ৰৈছে ধৰাৰ বুকুত
যেন!
মই শীতৰ এক নিবিড় স্বাক্ষৰ!

তোমাৰ বাবেই মোৰ দুহাতত কৃষ্ণচূড়া ফুলে ফাগুন...

চিমি কোঁৱৰ
াতক দ্বিতীয় ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

এহাত দীঘল ওৰণি টানি লাজ লাজকৈ তুমি
মোৰ বুকুত এদিন পাৰি দিছিলা কৃষ্ণচূড়াৰ চাদৰ,
তেতিয়াৰ পৰা মই শিকিছিলো আকাশলৈ
মূৰ তুলি চাবলৈ...
বিষাদগ্ৰস্ত মোৰ উকা দুহাতত ৰুণুৱাই বাজি
উঠিছিল ফাগুনৰ এটি মিঠা সুৰ্থৰি...
ক্ৰমশঃ তোমাৰ প্ৰেমত মাতাল হৈছিলো মই
হৈ উঠিছিলো তোমাৰ আজন্ম প্ৰেয়সী...
তোমাৰ বাবেই উদযাপন কৰিছিলো উকা
আকাশৰ শূন্যতা, অথবা তোমাৰ বাবেই মই
বুটলি লৈছিলো সৰাপাতৰ মৌনতা
উদং পথাৰত তোমাৰ বাবেই বিচাৰিছিলো
সীমাহীন সেউজীয়া...
তোমাৰ বাবেই আজিও মোৰ দুহাতত
ফুলি উঠে কৃষ্ণচূড়া
তুমি উতলা ফাগুন, মাতাল ফাগুন
প্ৰেমিক ফাগুন, লাজুক ফাগুন আৰু মই তোমাৰ
মাতাল প্ৰেয়সী....
তুমিয়ে মোৰ বুকুৰ চুবুৰীত সাজিলা
প্ৰেমৰ আলফুলীয়া তাজমহল...
তোমাৰ বাবে সেয়ে মোৰ দুহাতত প্ৰতিদিনে
কৃষ্ণচূড়া ফুল ফাগুন....।

বিদায় বেলাত

নিভা পেগু
স্নাতক পঞ্চম ষান্মাসিক, শিক্ষা বিভাগ

তুমি গ'লাগৈ
বেলি লহিওৱাৰ পৰত
মইতো ভৰাই নাছিলো
তুমি যাবাগৈ
বহু দূৰণিলৈ।

ক'লা কুঁৱলীয়ে আৱৰি ধৰিলে
তোমাৰ ছাঁয়া
স্পন্দনৰ ধপধপনি
জীৱনৰ ধুৱলী কুঁৱলী
সাগৰৰ উৰ্মিমালা থেলনি।
নিবেদন, নিয়তিৰ বিননি
অশ্ৰুহীন হৃদয়ৰ
গভীৰ উচুপনী।

তুমি ওচৰত থাকোতে
মলয়াৰ বা
কোমল জোনাকৰ
শীতল পৰশ
তুমি গ'লাগৈ
বহু দূৰলৈ।

আশাৰ নিমগ্নতা
হৃদয় ভাগৰুৱা
নাইকিয়া হৈ গ'ল
জিৱণিৰ বাটচ'ৰা।।

জোনাক বিহীন অশান্ত নিশাবোৰ

কাবেৰী বাইলুং
স্নাতক প্ৰথম ষান্মাসিক, অসমীয়া বিভাগ

ইমান দিনে বুকুৰ মাজত
নিঃশব্দে শুই আছিল
বেদনাসিক্ত কলিজটো মোৰ
কিন্তু আজি হঠাৎ সাৰ পাই
চকুৰ পানীৰে নিজকে তিয়াই
সোঁৱৰিব ধৰিছে স্মৃতি ধূসৰিত
জোনাকবিহীন অশান্ত নিশাবোৰ।

মই ক'ব নোৱাৰাকৈয়ে কটাইছিলো
সি নিদ্ৰাহীন ৰাতিবোৰ আৰু
খুকি খুকি সোমাই আহিছিল
মোৰ বুকুৰ মাজলৈ সি
হয়তো কিবা এটা পাবলৈ।
কিন্তু মই তাক নিৰাশ কৰিছিলো
তাক দিবলৈ একোৱেই নাছিল মোৰ ওচৰত
মৌন হৈ ৰৈছিলো মই তাৰ সন্মুখত
সেয়ে আজিও নিৰৱে ভাবোঁ
কিয় আহিছিল বাৰু সেই
জোনাকবিহীন অশান্ত নিশাবোৰ.........।

যাত্ৰা

ৰাণী দাস
স্নাতক তৃতীয় ষান্মাসিক, অসমীয়া বিভাগ

জীৱন নামৰ দ্ৰুত গতিৰ ৰেলখনত
ক্ৰমে আগবাঢ়ি গৈছো
এই চিৰিৰ শেষৰটো ষ্টেচনত।

নিজেই গৰাকী নিজেই চলাওঁ
অথচ ৰওঁ বুলি ভাৱিলেও
ৰৈ থাকিব নোৱাৰো চিৰদিন।

সৰু বৰ সকলো ষ্টেচনত
ক্ষন্তেকৰ কাৰণে ৰৈ যাওঁ
কোনোবা যাত্ৰী পাওঁ বুলি।

সংকেত পালেই যাত্ৰা আৰম্ভ হয় পুনঃ
লক্ষ্য অভিমুখী যাত্ৰা।

প্ৰতিটো খালী ডবাত
যাত্ৰী নোপোৱাৰ আক্ষেপ
মোৰ বিফলতাৰ কাহিনীবোৰকে
এটা এটাকৈ সুমুৱাই দি যাওঁ
সহযাত্ৰী কৰো নিজৰ একাকী যাত্ৰাত।।

সপোনৰ হাঁহি

জোনালী গগৈ
স্নাতক তৃতীয় ষান্মাসিক, শিক্ষা বিভাগ

সোণাৰুৰ হালধীয়াৰে
পলাশৰ ৰঙেৰে
মোৰ বুকুত ফুলে
হেজাৰ সপোনৰ ফুল
বুকু ভৰি।

কেতিয়াবা ফুলবোৰ এজাৰ ফুলৰ দৰে
বেজাৰ হৈ সৰি পৰে
টোপ টোপ চকুলো হৈ
কেতিয়াবা চম্পা হৈ
জিলিকি উঠে
এবুকু হাঁহি।

কেতিয়াবা শীতৰ হেঁচাত
গছবোৰ লঠঙা হয়
বাট চাও মই আকৌ আহিব
বসন্ত মোৰ তোমাৰ স'তে।

মোৰ হৃদয়ৰ প্ৰথম বাৰিষাৰ এজাক বৰষুণৰ পাছত......

গীতিষ্ণা গগৈ
অৰ্থনীতি বিভাগ

'হেমন্ত' ঋতুতেই আহিছিল তাই
'কুসুম' কোমল কৰি পেলাইছিল
মোৰ কঠিন হৃদয়
অপৰূপ 'ভাস্কৰ'ৰ দৰে স্থান লৈছিল
মোৰ কলিজাত
তাইৰ 'কাকলি'ৰ প্ৰতিটো শব্দই
মাতৃত্বৰ মৰমবোৰ তীব্ৰ কৰি পেলাইছিল
মোৰ সোণৰ চকুজুৰি, নাকটো আছিল
'অজন্তা'ৰ বিখ্যাত শিল্পৰ চানেকি
অন্ধকাৰৰ জুপুৰিটো
'দীপশিখা'ৰ দৰে উজ্বলি উঠিছিল
তাই অহাৰ পাছত, 'ছবিতা' আয়ে মোক কৈছিল
'কি নাম থোৱা হ'ব তাইৰ'??
কণমানি 'আলফিকা'ই কৈ উঠিল,
তাইৰ জ্ঞানৰ 'বোধিন'তাৰে
থোৱা যাওক এনে নাম,
যি 'ৰঞ্জিত' কৰিব পাৰে সকলোৰে হৃদয়।
তাৰপিছত 'শিৱপ্ৰসাদে' 'মহান' সেই গলগলীয়া মাতেৰে
কৈছিল, "ছালমা" থোৱা হওক তাইৰ নাম।"
আনন্দৰ চকুলো বৈ আহিছিল মোৰ
হৃদয়খনত বিশাল 'উৎপলা'ৰ সৃষ্টি হৈছিল
মই থৈছিলো তাইৰ নাম 'দীপ-জোনালী'।
দেউতাকে তাইক মৰমতে 'ৰাজশ্ৰী' বুলি মাতিছিল।
তাৰ পিছত তাই স্কুললৈ যাব পৰা হ'ল
'লীলা মহন্ত' বাইদেৱে
নামটো সলাই দিলে 'দেৱিকা'লৈ,
তাইৰ লগৰ 'নিবেদিতা', 'গৌৰিকা' আৰু 'অনু'ৰ লগত
সেউজীয়াবোৰ বুটলি ল'ব পৰা হ'ল
'প্ৰতিভা'বোৰ জিলিকি উঠিল 'তৃপ্তি- মল্লিকা'ৰে
হঠাতে এজাক আচহুৱা বতাহৰ 'ৰশ্মি'য়ে চুই গ'ল তাইক
'মুকুতা' যেন চকু কেইটা শেঁতা পৰি গ'ল
'বিউটি' 'বিউটি' বুলি জোকাই থকা 'হামিদে'
তাইলৈ নোচোৱা হ'ল,
মোৰ সাহসবোৰ হেৰাই গ'ল
এদিন 'সংগীতা' আহিল দিথৈ গ'ল এবুকু 'সান্ত্বনা'
মই দেখিছিলো তাইৰ দুচকুৰে বৈ আহিছিল
এটি বেদনাৰ 'জুৰি'
"চিত্ৰলেখা'ৰ দৰে হাতৰ 'প্ৰতিভা' নিমিষতে হেৰাই গ'ল
তাইক বোলে বাটত 'কিশোৰ'বোৰেও
ফিচিঙা ফিচিং কৰে,
তাইৰ মনৰ 'মেদিনী'য়ে সহিব পৰা নাছিল
দুখৰ ভৰ, 'দুগ্ধ'ৰ দৰে গাৰ বৰণ কজলা মেঘৰ
দৰে হৈ পৰিছিল।
তাইৰ দেহৰ সেউজীয়াবোৰ শুহি নিয়াৰ পাছত
শুকাই ককৰীয়া মাৰিছিল
'প্ৰবীণ' সমাজৰ মানুহবোৰে আন্দোলন কৰিলে
তাইৰ বাবে, এদিন সেইবোৰো শেষ হ'ল
বিষাদময় তাইৰ বিবৰ্ণ মনৰ সাঁচিপাতত
ৰৈ গ'ল এটাই প্ৰতিশ্ৰুতি,
তাই ন্যায় পাব, সেইটোও নহ'ল
তাই প্ৰতিজ্ঞাৱদ্ধ হ'ল, তাই জয় কৰিব এই পৃথিৱী
মই আগবঢ়াই দিলো তাইলৈ এবুকু 'কৃতাঞ্জলী'।
এজাক বৰষুণে তাইৰ মনৰ আঘাত ধুই ধুই
নিকা কৰি পেলালে
এদল পিশাচৰ বাবে ৰচিবলৈ ল'লে
এক জটিল বৈতৰণী
মই বুজিলো মোৰ সোণ ডাঙৰ হ'ল!!

ফাগুন

গীতিমণি বৰুৱা
স্নাতক চতুৰ্থ যান্মাসিক, অসমীয়া বিভাগ

শীতৰ সেমেকা কুঁৱলী ফালি
বসন্তক লগত লৈ
এয়া, ফাগুন পালেহি
আঘোণৰ নঙঠা পথাৰখনৰ মাজৰ
সৰু সৰু আলিয়েদি আহিল
ধূলিয়ৰি ফাগুন...।

ফাগুন তই আহিবি
লগত লৈ আহিবি চ'তৰ ৰিঙা ৰিঙা লগা
উৰুঙা মন।

তই আহিবি বুলিয়েই মোৰ পদূলিৰ নঙলা খুলি
থৈছো.....
চ'ৰাঘৰতে বহিবি তই
মই কথা পাতিম তোৰ সতে
য'ত থাকিব কেৱল আন্তৰিকতা....।

তোৰ স'তে অহা পছোৱাজাকক ক'বি
বৰ খৰখেদা নকৰিবলৈ,
নহলে পিতায়ে সজোৱা ঘৰখন
ভাঙি থানবান হ'ব আৰু..
তই হ'বি আমাৰ চকুলো.।

ফাগুন,
তই আহিবি বুলিয়েই লাহেকৈ
গাৰ পৰা নিহালীখন আঁতৰাইছো
পথাৰৰ মাজেৰে নৰাতখোজ পেলাই
আগবাঢ়িছো তোক আদৰিবলৈ
পাতল ধূসৰিত কুঁৱলী ফালি।

ফাগুন,
তই ইমান বেগাবেগিকৈ নাহিবি
এনেয়ে মোৰ লঠঙা গা,
তাতে তই আহিলে মোৰ হৃদয়খনো
বৰ উৰুঙা হৈ পৰে।

আৰু, পছোৱাজাককো ক'বিচোন
ধুমুহাৰ ৰূপ নল'বলৈ।
আহোতে বসন্তক ৰিঙিয়াই
থৈ আহিবি;
আৰু কবি সেউজীয়াবোৰৰ আভৰণ
পিন্ধি আহিবলৈ।

লগতে মোৰ হৃদয়খনি ৰঙীণ কৰি
তুলিবলৈ
য'ত থাকিব পছোৱাৰ বা।
সেই পছোৱাজাকৰ সুৰসুৰণিত
মই শুনিবলৈ পাম তই অহাৰ শব্দ।

এইয়াইটো জীৱন

হিমাক্ষী কলিতা
স্নাতক পঞ্চম ষান্মাসিক, শিক্ষা বিভাগ

অলপ সুখ আৰু অলপ দুখ,
এয়াইটো জীৱনৰ সীমা।
তাত আছে হাঁহি কান্দোন আৰু
প্ৰেমৰ ঝংকাৰ।
এখিলা উকা কাগজত
ৰং তুলিকাৰে উজ্জ্বল কৰাৰ দৰে
কোনোৱে জীৱনটোও সজাই তুলিছে;
কোনোৱে আকৌ চকুলো টুকি টুকি,
জীৱনত সুখৰ বাট বিচাৰি;
হাবাথুৰি খাইছে।
এইয়াইটো জীৱন।
যিটো হৈছে এটা নিমিলা অংক।..

বাৰিষাৰ পথাৰ

সংগীতা গগৈ
স্নাতক পঞ্চম ষান্মাসিক, অসমীয়া বিভাগ

ক'লা যা, বগা যা
শব্দৰে মুখৰিত এখনি
সুন্দৰ বাৰিষাৰ পথাৰ
বোকা পানীৰে লুতুৰি পুতুৰি
এমোকোৰা হাঁহিৰে
কঠিয়া সিঁচা
ৰোৱনীৰ মূৰ ওপৰলৈ
তুলিবলৈ সময় নোপোৱা
হাঁহিৰ খিলখিল শব্দৰে
লিহিৰি লিহিৰি হাতেৰে
ৰোপন কৰে কঠীয়া
নওঠা পথাৰখনে ৰূপ লয়
সুন্দৰ সেউজীয়ালৈ।...

তোমাক ভালপাওঁ বাবেই বুজিপাওঁ তোমাৰ বুকুৰ সেউজীয়াবোৰ

ৰাখী গগৈ
স্নাতক তৃতীয় ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

নীল নয়না কি ভাবিছা......?
তোমাৰ অতীতক নে.... বৰ্তমানক।
জানা নয়না বৰ্তমানক ভাবিলে
তোমাৰ অতীতে মোক বৰকৈ আমনি কৰে।
দুচকুত ধৰা দিয়ে তোমাৰ সেই
সোণাৰু ফুলীয়া হাঁহিটোৱে
নীল নয়না হয়তো তুমি জানিছিলাই
তোমাৰ হাঁহিৰ চাকনৈয়াত
ৰাস্তাৰ ৰ'মিঅ'বোৰেও যে
জাহ যাব খুজিছিল,
সঁচা ভালপোৱাৰ এমুঠি জোনাকত.... আৰু ....
হয়তো তুমি বুজিছিলাও নয়না
জিৰণীয়া মৌৰ স'তে ৰাস্তাৰ ৰ'মিঅ'ৰোৰৰ সাদৃশ্যতা,
যাৰ বাবে তোমাৰ হৃদয়ে কাকো প্ৰশ্ৰয় নিদিলে
ভাল কৰিলা নয়না... মোৰ বুকুৰ পৰী
তোমাৰ আজন্ম প্ৰেমিকৰ বাবে যে
নিখুঁতকৈ সজাই থ'লা তোমাৰ বুকুৰ উদংঘৰ...আৰু
এয়া চোৰা তোমাৰ জোনৰ দৰে
একলা একলাকৈ বাঢ়ি অহা
তোমাৰ প্ৰতি মোৰ বুকুৰ উমাল ভালপোৱা নয়না।
জানো মই ভালদৰেই জানো
তুমি জানিবলৈ নিদিলেও তোমাৰ বুকুৰ
বাঢ়ি অহা সেউজীয়াবোৰৰ কথা আৰু
তুমি শুনিবলৈ নিদিলেও শুনি পাওঁ
তোমাৰ বুকুত বজা হাজাৰটা চিফুঙৰ সুৰ।
নয়না কিয় কষ্ট দিছা নিজকে?
কৈ দিয়া না
তুমিও যে মোক ভালপোৱা সেইকথা!!

অস্তিত্বৰ প্ৰশ্ন

মিঠু বৰুৱা
স্নাতক প্ৰথম ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

পুৰতি তৰাৰ মালা গাঁঠি গাঁঠি
ক্ৰমশঃ আগুৱাই আহিছে
এৰাতি শব্দহীন শব্দৰ হাহাকাৰ
নৈঃশব্দৰ আচ্ছাদন ফালি
উচুপি উঠিছে আন্ধাৰে
পোহৰৰ বিচ্ছেদত।
খৰিকাজাঁইৰ সুবাসত আজি
মাতাল নহয় কোনো অনুভৱ।
মাতাল মাথো গোন্ধহীন পলাশৰ স্বাদত।
শূন্য হৈ পৰা হৃদয়বোৰ আজি
পণ্য হৈগেছে বন্য উল্লাসত।
ছলনাৰ জুৱাত উটি গৈছে
মন- আশা - সপোন - সকলোবোৰ....
দেওধনিৰ বলিশালত শিৰ পাতিবলৈ
পৰুৱাৰ লানি লাগিছে।
টকাৰ মন্থনত বিস্ফোৰিত হৈছে
ক্ষমতাৰ দাবানল।
প্ৰতিপত্তিৰ তপস্যাত
উঁই হাফলু হৈছে সিংহবোৰ।
আৰু....বিভীষিকাৰ উদ্দাম নৃত্যত
নিনাদিত হৈছে
স্বপ্নাতুৰ মনৰ কিছুমান আতুৰ হিল্লোল
অস্তিত্ব ক'ত? অস্তিত্ব ক'ত??

অপ্ৰাপ্তি

মধুস্মিতা শেনছোৱা
স্নাতক তৃতীয় ষান্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ

মৰীচিকা বিচাৰি উদ্ভ্ৰান্ত হোৱাৰ দিনত
হৈ পৰিছিলো দিক্‌বিদিক্ হেৰুওৱা পক্ষী
এটি মাথোঁ অস্তিত্বৰ সন্ধানত..!!
অনুভৱ কৰিব নোৱাৰিছিলো
আচলতে মই কি বিচাৰিছিলো মৰুভূমিৰ বক্ষত??
প্ৰাণহীন নিৰস মৰুভূমিয়ে
ক্ৰমশঃ মোক তপতে গ্ৰাস কৰি নিছিল
মূল সুঁতি এৰি আন বাটেৰে
সময়ৰ ঢৌৱে লৈ গৈছিল
মোক এটা নিস্প্ৰাণ সুঁতিলৈ
যি সুঁতিত মোৰ জীৱনৰ সাতোৰঙী ৰামধেনুৱে
বাট বুলিছিল অমাৱশ্যাৰ আন্ধাৰলৈ!!

সপোনৰ এটি চৰাই

বনশ্ৰী দত্ত
স্নাতক প্ৰথম ষান্মাসিক

আঁক বাঁক সপোন
ওৰেতো নিশা
চকুৰ আন্ধাৰত
ঘুমুটিয়াই ফুৰে।

কেতিয়াবা নদী,
কেতিয়াবা আকাশ,
কেতিয়াবা তামবৰণীয়া আবেলিত
আৰু কেতিয়াবা বৰষুণৰ বুকুত
ঢপলিয়ায় মোৰ সপোনৰ এটি চৰাই!!

হৃদয়ৰ দস্তাবেজ

লিপিকা দত্ত
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

বিশৃংখল হৃদয়ৰ দস্তাবেজ খুলি লিখিছো
তোমালৈ বুলি....
তোমাৰ বিচ্ছেদত হৃদয়ৰ কাঞ্চনজংঘাই আজি
বাৰে বাৰে চিঞৰি চিঞৰি আছে আৰু
ভাগৰি পৰিছে।
তোমাৰ নাম নৈ
উমাল বুকুৰ মাজত জাতিংগা ফুলিছে,
তোমাৰ নামত তৰাবোৰ সৰি সৰি পৰিছে
সিহঁতকো ৰাখিছো ধৰি সযতনে, কেৱল তোমাৰ বাবে।
তুমি এদিন আহিবা,
তোমালৈ আছো ৰৈ,
হৃদয়ৰ দস্তাবেজ খুলি....
বিশৃংখল বুকুৰ আজন্ম
তোমাৰ প্ৰেমিক।
ভগ্ন হৃদয় ৰুদ্ধ দুৱাৰ খুলি
ৰৈ আছো তোমালৈ
জাতিংগা আৰু কাঞ্চনজংঘাৰ সিপাৰে
মোৰ উমাল বুকুত তৰাবোৰে নতুনকৈ গজালি মেলিছে
তোমাৰ বাবে বিচ্ছেদৰ শীতলতাই
একণা একণাকৈ আজি হিমালয়ৰ উচ্চতা
অতিক্ৰম কৰিছে।
ৰুদ্ধ হৃদয়ৰ দস্তাবেজ খুলি
বাট চাঁইছো তোমালৈ
যৌৱন কিম্বা মৃত্যুৰ সিপাৰত......

মহাবিদ্যালয়খনি আৰু ইয়াৰ চৌপাশ

নিভা পেগু
স্নাতক পঞ্চম ষান্মাসিক, শিক্ষা বিভাগ

শুকান গহ্বৰ
জীপাল শক্তি তুমি
বিহংগীনিৰ জিৰণি চ'ৰা
ন-পুৰণি সমাদৃত সমুদ্ৰ ধাৰা
স্মৃতিৰ তৰপে তৰপে ভৰপুৰ
জ্ঞানময় গুণৰ প্ৰবাহ
জাগ্ৰত জীৱনৰ
কল্পিত প্ৰভাৱ।
আধ্যাত্মিক নিমগ্ন
কীৰ্তি চিহ্ন পৰিবেশ
নিৰূপম নৱ প্ৰপঞ্চিৰ
শক্তিৰ অলেখ।
নিতমা আশাৰ সন্তান আমি
হেঁপাহৰ শেৱালী ফুল।
চিৰ চেনেহী প্ৰভাতী পৰশ
জানি দিয়া জীৱনৰ মূল।

অনুভৱ

ভাগ্যশ্ৰী নেওগ
স্নাতক তৃতীয় ষান্মাসিক, অৰ্থনীতি বিভাগ

ক'ত যে হেৰাই গ'ল সোণোৱালী অতীত
সোণোৱালী অতীতৰ সোণচেঁকুৰা বিচাৰি
তচ্‌নচ্ কৰিলেও জীৱনৰ চৌপাশ
এতিয়া ঘূৰাই পোৱাৰ আশা নাই
সেই মধুময় দিন
চৌদিশে মাথো সীমাহীন অশান্তি আৰু ক্ষোভ
পুৱাৰ পখীৰ কাকলি, দুপৰৰ বৰ্ণহীন ব'দালি
এতিয়া মাথো এক স্বপ্ন
প্ৰতি মুহূৰ্ততে এতিয়া জীৱনৰ শংকা
চৌদিশে মাথো অৱক্ষয়ৰ জয়গান
সমাজৰ কাঠামোত ঘূণে ধৰিছে
সমাজৰ চিয়াৰত আউল লাগিছে
বাটে পথে সৰ্বত্ৰে মাথো
নৰপিশাচৰ ৰাজত্ব
মানুহৰূপী পিশাচৰ হাতত
নাৰীৰ মহত্ব ভূলুণ্ঠিত
ঘৰৰ পৰা ওলালেই সকলোৰে মনত
এক অজান আশংকা
কোনে জানে? ক'ত, কেতিয়া, কেনেকৈ
হেৰুৱাবলগীয়া হয় সতীত্ব!
বিনাশকাৰী জুইৰ স্ফুলিঙ্গ
ডাৱৰে আৱৰা আকাশৰ মাজেদি এদিন
নিশ্চয় সুৰুজে মিচিকিয়াই হাঁহিব।

মৌনতাৰ ভাষা

ডিম্পী বেজবৰুৱা
স্নাতক পঞ্চম ষান্মাসিক, অসমীয়া বিভাগ

মৌনতাৰ জীৱনত
উজলিল একাঁজলি পোহৰ
য'ত আছিল
কেৱল অন্ধকাৰ
সেয়াও হৈ পৰিল
এদিন পূৰ্ণিমাৰ দৰে ফটফটীয়া জোনাক।
জীৱনৰ বাটত
সাতুৰি নাদুৰি ভাগৰি পৰা মনটো
যেন কাৰোবাৰ এষাৰ মাতত
পুনৰ প্ৰাণ পাই উঠে
কৈ যায় সৌৱা চোৱা....
সৌৱা চোৱা মোৰ জীৱনটো
পুনৰ আলোকিত হৈ উঠিছে।
জোনাকীৰ সতে
হাতত হাত ধৰি
মই আগুৱাই গ'লো
গ'লো মই সেই আলোকময় দেশলৈ
য'ত মোৰ মৌনতা অন্ধকাৰৰ স্থান নাই
আছে মাথো মোৰ কেৱল বাস্তৱ....
কেৱল বাস্তৱ।
মনৰ কিছুমান আশা
যাৰ কোনো অন্ত নাই
সেই আশাবোৰ
মই হাতত তুলি ধৰিলো
ক'তা! ক'ত আছে সেই মৌনতা, সেই অন্ধকাৰ
ক'ত হেৰাল সেই মৌনতাভৰা জীৱন?
নিশাৰ জোনাকত
যিদৰে ঘাঁহনিডৰা জিক্‌মিকাই উঠে
জীৱনটো যদি এনেকুৱা হ'লহেতেঁন....
সেই জোনাকত
হেৰাই যাব বিচাৰো
ধ্ৰুৱ তৰাৰ দৰে আকাশৰ বিশালতাত........

আপোনাৰ বাবেই হেৰাই গৈছে মোৰ সেউজীয়াবোৰ...

চিমি কোঁৱৰ

স্নাতক দ্বিতীয় ষাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

এতিয়াই যদি ডিঙিত বান্ধি দিওঁ
এডাল শূন্যতাৰ ৰছী
তাৰ বাবে দায়ী আপুনি
কাৰণ আপোনাৰ বাবেইতো
মোৰ হৃদয়ৰ পৰা ক্ৰমশঃ
হেৰাই গৈছে বুকুৰ সেউজীয়াবোৰ...

কিমান দিন যে হ'ল আকাশ নোচোৱা
কিমান দিন হ'ল বাৰু
জোনাকৰ বৰষুণত নিতিতা...
কেৱল আপোনাৰ সন্তুষ্টিৰ বাবেইতো
জলাঞ্জলি দিবলৈ শিকিছোঁ
মোৰ বুকুৰ এফাল,
ফুল, নদী আৰু জোনাকৰ গান...।

বহুদিন মই ৰামধেনুৰ ছবি অঁকা নাই
গুণগুণোৱা নাই জোনাকৰ সুৰ
বহুদিন বহু ৰাতি মই কটাইছো উজাগৰী নিশা।
আজি কিমান দিন হ'ল,
ভালদৰে খাব পৰা নাই সুখৰ এসাঁজ
ভাবি চাওক
আপোনাক সুখী কৰিবলৈকেতো
মোৰ এই উদাসীনতা,
আপোনাৰ ওঁঠৰ এটা হাঁহিৰ বাবেইতো
মোৰ এই শূন্যতা...

বাৰু কওকচোন
পৃথিৱীৰ কোনোবা প্ৰান্তত শিপা হেৰুওৱা বৃক্ষবোৰ দেখি
এবাৰো নুটুকেনে আপুনি হৃদয়ৰ চকুপানী....
আত্মহত্যাৰ বাসনা কঢ়িয়াই ফুৰা সেই মানুহবোৰৰ
বাবে এবাৰো নাভাবেনে আপুনি?
হাতত বন্দুক তুলি লোৱা প্ৰতিজন প্ৰেমিকক
এবাৰ সুধিবৰ মন নাযায়নে
কাৰ বাবে এই উদাসীনতা, এই হতাশা
এই শূন্যতা জীৱনৰ প্ৰতি...

আপুনিতো কেৱল তেজৰ সম্বন্ধ চিনি পোৱা
ভীষণ স্বাৰ্থপৰ মানুহ
কাৰোবাৰ সতে হৃদয় বিনিময় কৰিবলৈকো
আপুনি জাত-কুল বিচাৰি বিচাৰি
থমকি ৰয়...
আপোনাৰ তেজ থকা প্ৰতিটো আত্মাক
বাধা দিয়ে আপুনি আত্মাৰ মিলনত
আপোনাৰ আঘাতত
আত্মাটোৱে ছটফটাই থাকে উচুপি উচুপি
বিষাদৰ অৰণ্যত...।

আপোনাৰ সুখৰ বাবেইতো ডিঙিত বান্ধিব খোজো
মই শূন্যতাৰ শিকলি
তাৰ বাবে দায়ী আপুনি, কাৰণ
আপোনাৰ বাবেই হেৰাই গৈছে ক্ৰমশঃ
মোৰ হৃদয়ৰ সেউজীয়াবোৰ....।

নীলা খামৰ চিঠি

গীতিমণি বৰুৱা
স্নাতক পঞ্চম ষান্মাসিক, অসমীয়া বিভাগ

তৌলৈ বুলি,
নীলা খামৰ মাজত ভৰাই
প্ৰেৰণ কৰো নীলবৰণীয়া আমেজ....
অভিধানৰ শব্দ বিচাৰে
হেমকোষৰ পাত লুটিয়াই সাজোঁ
শব্দৰ মায়াজাল
অনুভৱৰ পাৰাপাৰহীন সাগৰত সাঁতুৰি নাদুৰি
অজস্ৰ শব্দৰে ভৰাই তুলিব খোজো
বগা কাগজৰ উকা পৃষ্ঠা।
হৃদয়ত গুজৰি গুমৰি থকা প্ৰতিটো কথাই.
ধৰা দিয়েহি মোৰ কলমৰ আগত
আখৰবোৰ বেয়া হৈছে
শব্দ কাটোতে কাটোতে
টেবুলৰ তলখন ভৰি যায় কাগজৰ থোপাৰে
নিলিখাকৈয়ো নোৱাৰো কিছুমান কথা
তইযে বাট চাই ৰব
মোৰ চিঠিখনলৈ.....
কথাবোৰে অগাদেৰা কৰে
কোনটো লিখো কোনটো নিলিখো...
কল্পনাৰ তাগিদাত..
জোনাকৰ লগত পতা কথাবোৰ
হেঁপাহৰ বৰষুণ জাকত তিতি
জুৰুলি জুপুৰি হোৱা মিঠা অনুভূতিবোৰ
তোক জনাবলৈ মন যায়।
মই কি বিচাৰো... কি পাওঁ।
দুখবোৰৰ মাজত,
সুখবোৰৰ ফাঁকত,
মৃত্যুমুখী আবেলিবোৰৰ ভৰত,
নাইবা আই পিতাইৰ বুকুৰ মাজত।
কিন্তু, জিৰ জিৰকৈ বৈ থকা
অভিমানৰ
নৈখন,
আব্দাৰবোৰ, মৰমবোৰ
এখন কাগজত কেনেকৈ আবদ্ধ কৰো...।
তয়ো লিখিবিচোন মৌলৈ
মোৰ ঠিকনাটো বিচাৰি
এখন দীঘলীয়া চিঠি।
মই কাণ পাতি ৰ'ম ডাকোৱালৰ টিলিঙাৰ শব্দলৈ
দৌৰি যাম পদূলিলৈ
য'ৰে কাম ত'তে পেলাই
আঙুলিৰ এফাল ছিঙি উজুতিত....।
(সকলো বান্ধৱীৰ হাতত মৰমেৰে)

আঘোণত সোণগুটিৰ সোণালী হাঁহি

মুনিয়া য়াছমিন
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

াঁওখন আমোলমোলাইছে
াথাৰৰ সিমূৰৰ পৰা
াতাহত উৰি আহিছে
াছাটি কোমল সোণোৱালী গোন্ধ,
মাৰ বুকুৰ ভিতৰৰ ৰোহঘৰলৈ সোমাই আহিছে আঘোণ
াজি থৈ যাব যেন এটি সপোনৰ ঘৰ
াটে বাট বুলি আহে আঘোণ
সাণালী ধানৰ থোক শাওনৰ সপোন
খতিয়কৰ লুণীয়া ঘামবোৰ বীজ হ'ল
াজবোৰ আশা হ'ল
াশাবোৰ সোণ হ'ল আৰু সোণবোৰ হাঁহি হ'ল
াৰু সেই হাঁহি আঘোণ হ'ল
াতিয়া যেন মুখবোৰত সাহসৰ চিন হ'ল।



কোঠা

ৰিম্পী কোঁৱৰ
স্নাতক প্ৰথম ষান্মাসিক

এটা আন্ধাৰ কোঠা
য'ত আছে মোৰ
পুৰণি স্মৃতিৰ ভাবনা।
কোঠাটোত প্ৰতিটো কোণত
বাজি আছে তোমাৰ মোৰ মাজত হোৱা আলাপৰ শব্দ
কোঠাটোলৈ যেতিয়া জোনাক নামে
তেতিয়া সেই শব্দবোৰে
ক'ৰবাৰ অলপমান আন্ধাৰ বিচাৰি
খুকি খুকি সোমাই পৰে
আৰু আন্ধাৰৰ গভীৰতা বঢ়াৰ লগে লগেই
মোৰ আগত আকৌ ধৰা দিয়ে।
আন্ধাৰ কোঠাটোৰ পৰাও
টোপাল টোপাল চকুলোৰ উমান পাওঁ।
তথাপি আন্ধাৰ কোঠাটোত
মই পাওঁ এক স্বস্তিৰ নিশ্বাস
আৰু নিজকে বিলীন কৰি দিওঁ
আন্ধাৰ কোঠাটোৰ মাজত
পুৰণি স্মৃতিৰ সেই আলাপৰ মাজত।।

সপোন নেদেখো আজিকালি!!

ৰ'দালি চেতিয়া
স্নাতক চতুৰ্থ যান্মাসিক, অসমীয়া বিভাগ

পাখিভগা সপোন কঢ়িয়াই
ক্লান্ত মোৰ জীৱন
সপোন দেখিবলৈ এৰিলে
সেইদিনাই.....
যিদিনা বুজি পালে
সপোন দেখাটোৱে অপৰাধ
হৃদয়ৰ বিৰুদ্ধে!!
কাৰণ...
স্বপ্নভঙ্গৰ যন্ত্ৰণাত
পংগু মাথোঁ
'হৃদয়'!!
(যদিওবা সাৰে থাকে অযুত সপোন তন্দ্ৰালু দুচকুত....
সপোনবোৰ ভাঙি যোৱাৰ পিছতো)

(মৌলিক কবিতাৰ প্ৰতিযোগিতাত পুৰস্কাৰপ্ৰাপ্ত)

ঠিকনাবিহীন প্ৰেমিকা মই

বৰ্ণালী শইকীয়া
স্নাতক পঞ্চম যান্মাসিক, ভূগোল বিভাগ

মোৰ মন যায় কেতিয়াবা
সপোনবোৰ আঁজুৰি আনিবলৈ...
অসীমৰ সীমা বিচাৰি আজি মই
ঠিকনাবিহীন...
এপলক চাৱনিত সৰা
সুৰা পান কৰি...
আজি মাতাল মই...
মোৰ হৃদয়ত
মিঠা গুণগুণনি....
আজি সঁচাকৈয়ে মন গৈছে সপোনবোৰ
আঁজুৰি আনিবলৈ...

দুটা গাঁথা

হিমাদ্ৰী ফুলকোঁৱৰ
স্নাতক প্ৰথম ষাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

স্তবক : ১

দিক্ বিদিক্ হেৰুৱাই এক নক্ষত্ৰ সৰিছিল...
নিয়ৰৰ মুকুতাবোৰ গলিছিল...
গতিপথ হেৰুওৱা নক্ষত্ৰৰ বেদনাবোৰ ছাগে
নিয়ৰেও বুজিছিল...
সোমাইছিল ৰহস্যত
সেই যে নক্ষত্ৰৰ দিকহাৰা সাধুটো...
কাণ উনাই শুনি শুনি...।
নিয়ৰৰ অশ্ৰুটোপাল পৰিছিল..।।
আস!!!
বিদ্যমান নিষ্ঠুৰতা...
প্ৰবহমান সময়...।।
সেই যে ....,
সংকল্পবদ্ধ জীৱনৰ যুঁজ আধাতে
ঠুনুকা হৈ পৰিছিল,
চনকা কাঁচ ভগিছিল...
বিগলিত হৈছিল মাথোঁ তাৰ অস্তিত্ব।।
সেই সাধু.....,
শ্বাপদৰ সিৰা উপসিৰাৰ জলন কাহিনীত
এটি মাত্ৰ উৰি ফুৰা ছগা...
আতুৰতাইও ঢুকি নোপোৱা...,
এক নিষিদ্ধ মালিতা...
সেই সাধু...,
অপবিত্ৰ ভাওনাৰ নগ্ন ছায়া...
পাপপুষ্ট চিন্তাৰ নষ্ট মায়া
মৰীচিকা খেদাৰ অপূৰ্ণ আশা...।।
কিন্তু...,
বৰ্তমান সেই সাধু...
অস্তিত্ব হৈৰুৱাই...
সমগ্ৰ হেৰুৱাই
সত্বা বিলোপতাত মুখ লুকুৱাই
ঘূৰি ফুৰা এক অতৃপ্ত আত্মা।।

স্তবক :

আ....স....স!!
পাৰাপাৰহীন যন্ত্ৰণাৰ এক চিএৰ...!!
আমিবোৰ ছাগে তেতিয়া গভীৰ টোপনিত...
ব্ৰজনলী হাতোৰাই যেতিয়া নিৰ্মম আঘাত হানিছিল,
তেতিয়া...
তাইৰ সাধুকথাৰ পৰীয়ে খুব ছটফটাইছিল
নিদ্ৰাভগ্নতাৰ দুখত!!
সাধু শুনা, পৰীৰ প্ৰেমত পৰা তায়ো যে...
ইমান ক্ষীপ্ৰ হৈছিল, অ-কল্পনীয়!!
সবল মুখত জিলিকিছিল...
বিদ্ৰোহৰ স্ফুলিঙ্গ
মুক্ত কৰাৰ মানসিকতাৰ....।।
পৰীজনীয়ে অভিমান কৰিছিল...
তাই যে ব্যস্ত আছিল স্পষ্টতাৰ মায়াত,
স্বাধীনতাৰ তৰংগায়িত জোৱাৰ ভাটাত
সবাক হোৱাৰ প্ৰচ্ছায়াত....
স্বপ্নছায়াৰ আলোকিত অগ্নিশিখাত।।
কিন্তু, বৰ্তমান...
তাই যে অশান্ত পখিলা....
এধান পাখি মেলি উৰি ফুৰা ৰঙীন বহ্নিশিখা।।

নিষ্ঠুৰতাৰ, কলুষতাৰ, অন্ধতাৰ বলি হোৱা হাজাৰজনী ডামিনী আৰু মালালাৰ হাতত....।।

তোমাৰ ঠিকনাৰে এপিটাফ

অজন্তা দাস
স্নাতক তৃতীয় ষাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

দুখেৰে পিষ্ট হৃদয়ত
নৱজাবা আৰু বেদনাৰ বীণা
মোক উৰিব দিয়ানা
আকাশৰ দিশে
আলোকিত কৰিব দিয়া
সুখৰ পৃথিৱীক
মোৰ দুখৰ তেজেৰে।
বুকুতচোন শব্দৰ
দোকোলটোকা বান
দুখবোৰ উজাই ডিঙি পাইছেহি
দিয়াচোন এপিয়লা সুখৰ মৌ
গিলি থওঁ দুখৰ ঢৌ।

বুকুত তোমাৰ এপিটাফ লৈ ফুৰিছো
তুমি নজনাকৈয়ে
সাগৰৰ পাৰত অকলে শুনিছো
মৌপিয়া চৰাইৰ গীত
তোমাৰ দৰে ঢাকিব পাৰিছো
হৃদয়ৰ ঘাঁ বগা চোলাৰে
তথাপি জিলিকি উঠে
ৰঙা ঘাঁবোৰ।



আহিবাচোন এদিন
সুখৰ বীণখনি লৈ
মোৰ সাম্ৰাজ্যলৈ।
মোৰ দেশৰ গৰাকী মই
যেনেদৰে তুমি গৰাকী তোমাৰ দেশৰ
'বিনা অনুমতিত প্ৰবেশ নিষেধ'
কেতিয়া আহিবা
আগতিয়াকৈ জনাবা
ফোনত বা চিঠিত নালাগে ক'ব
আকাশক ক'বা
ডাৱৰক ক'বা নতুবা
বতাহক ক'লেও গম পাম
তুমি অহাৰ বতৰা।

কেতিয়াবা মন যায়
শব্দৰে এপিয়লা চাহ
তোমাক দিবলৈ
তুমি বিচৰাৰ দৰে।
খৰিকাজাঁই মৰহি গ'ল
গোলাপৰ পাহি সৰিল
তুমিচোন নাহিলা
অহাৰ প্ৰতিশ্ৰুতি দি
মোৰ বুকুৰ অট'গ্ৰাফ ল'বলৈ।।

অভিযাত্ৰী মই জীৱনৰ

অনিন্দিতা কটকী
স্নাতক প্ৰথম ষান্মাসিক, ইংৰাজী বিভাগ

ৰৌদ্ৰোজ্বল পুৱাৰ আমেজসনা হাঁহি
জীৱনৰ অনুপম ক্ষণ, কলেজীয়া জাৱনৰ পাতনি
দুচকুত কত স্বপ্নৰ চিকমিকনি
আগবাঢ়ো সেউজীয়া-হালধীয়া দলিচা অতিক্ৰম কৰি।
"শিৱসাগৰ ছোৱালী কলেজ' তোৰ দেশলৈ আগবাঢ়ো
সৰাপাতৰ খচ্‌মচনি শুনি
মেক্সিম' অথবা মেজিকত অহা-যোৱা চলে
পঁচিশ টকাৰে আৰম্ভণি।
সেউজীয়া সপোনবোৰ 'দোপাত্তা' হৈ উৰে
আৰু জ্ঞান, প্ৰগতিৰ জয়গান বাঢ়ে,
শিৱদৌল, বিষ্ণুদৌল অথবা দেৱীদৌলৰ
মন্ত্ৰৰ ধ্বনি শুনি জ্ঞানৰ স্পৃহা জাগে।
অ'ই 'শিৱসাগৰ ছোৱালী কলেজৰ' ছোৱালীবোৰ........
ৰিজাল্টবোৰ ভালহোৱাৰ গোপন কথাটো বা কি?
শাওনৰ সোমবাৰে জ্বলোৱা চাকিটোৰ মাহাত্ম্যনে
অন্য কিবা, আমাকো ক'বি।
আহঁতৰ ছাঁলৈ এখন্তেক অৱসৰ, হৃদয়ৰ
'না' বলে শিৱসাগৰৰ বিশাল পুখুৰীৰ।

ইংৰাজী সাহিত্যৰ মাধুৰ্য্য পাণ কৰি
Elezabeth, Choucer অথবা Dryden. Pope ৰ
মাজত কটাব বিচাৰো
এন্ধাৰ নোহোৱা পৰ্যন্ত প্ৰত্যেক আবেলি।
Mixture, আলুমুড়ি অথবা কেণ্টিনৰ পুৰি-ঘুগুনিৰ
তৃপ্তি লৈ আড্ডা মৰা দুপৰীয়া,
আৰু শ্ৰেণীকোঠাৰ কোলাহল এৰি
লাইব্ৰেৰীৰ মৌন সান্নিধ্যৰ মাজত বুৰ যোৱা,
অ'ই 'শিৱসাগৰ ছোৱালী কলেজ' সুগন্ধত মতলীয়া
ভোমোৰাজাকৰ চটফটনি তই দেখিছনে নাই?
বাইকৰ তীব্ৰতাই তোলপাৰ লগোৱা
তোৰ পদূলিৰ চঞ্চল গছবোৰৰ জিৰজিৰণি শুনিছনে নাই?
অ'ই 'শিৱসাগৰ ছোৱালী কলেজ'
ডুব যাব খোজো তোৰ সৌন্দৰ্য্যৰ মাজত এখন্তেক,
পান কৰিব বিচাৰো তোৰ বুকুৰ অমৃত
তোৰ কোলাত জিৰাবলৈ আহিলো
'অভিযাত্ৰী' মই জীৱনৰ।
'অভিযাত্ৰী' মই জীৱনৰ।।

অনুভৱৰ বঁকিয়াত জীৱন

প্ৰণিতা গগৈ
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

সপোনবোৰ আজিকালি বাঢ়ি আহিছে
জীয়াই থাকিবলৈ হৃদয়ত হেপাঁহবোৰো
বাঢ়ি আহিছে ক্ৰমশঃ
সেউজীয়াবোৰে যেন আঁকোৱালি লৈছে
বেদনাৰ প্ৰহাৰত থানবান হোৱা
মোৰ সমগ্ৰ সত্তা।
অনুভৱবোৰে মনাকাশত
নকৈ বাহ সাজিছে
সপোনবোৰ বাঢ়ি আহিছে
এটা এটাকৈ ক্ৰমশঃ
কিয় জানো আকৌ পোখা মেলিছে?

দুঃসময়

মিচ লোনা বৰুৱা
স্নাতক প্ৰথম ষাণ্মাসিক, গাৰ্হস্থ্য বিজ্ঞান বিভাগ

অগ্নিৰ অনল শিখাত দগ্ধ
জীৱন আজি বহুতৰে।
শুকান মৰুৰ বালিত তপ্ত
জীৱন আজি,
মৰনৈৰ মৰা সুঁতিত লাগি ভাগি
থমকি ৰয় জীৱন
বহুতৰে এনেকৈ।
সেউজীয়া ধৰণীত
ৰক্তিম হাঁহিৰ কিৰিলি
সপোন আৰু হেপাঁহবোৰ,
বতাহে লৈ যাব খোজে এনেকৈয়ে
দুঃসময়ৰ বাটে-পথে।

হয়তো এদিন বেলিটিয়ে ভূমুকি মাৰিব

জুমি ভূঞা
স্নাতক পঞ্চম ষান্মাসিক, অসমীয়া বিভাগ

নৈপৰীয়া সেই জুপুৰি ঘৰটিত
আছে মাথোঁ নৰাৰ চালি
আছে মাথোঁ গোবৰ মাটি লেপনৰ বেৰ
নৰাৰ চালি গুচি এদিন হ'ব টিঙৰ চালি
গোবৰ মাটি লেপনৰ বেৰ গুচি
এদিন হ'ব পকী দেৱাল
ইয়াতো এদিন বেলিটিয়ে ভূমুকি মাৰিব
ইয়াতো এদিন বেলিটিয়ে ভূমুকি মাৰিব।।

চাকিৰ পোহৰ গুচি
লাইটৰ পোহৰে তিৰবিৰাই থাকিব
দিন গৈ ৰাতি হলেও
জ্ঞানৰ সাগৰখন উন্মুক্ত হ'ব
বেলিটিয়ে অকৃপণ হাতেৰে ঢালি দিয়া দিপ্তীত
জাগি উঠিব প্ৰাণ
মনত জাগিব অদম্য শক্তি
জিলিকি উঠিব আশাৰ প্ৰতিচ্ছবি
ইয়াতো এদিন বেলিটিয়ে ভূমুকি মাৰিব
ইয়াতো এদিন বেলিটিয়ে ভূমুকি মাৰিব।।

বিশাল আকাশৰ গভীৰতাত
নদীৰ বৈ অহা পানীৰ কুলু কুলু শব্দত
বিহংগিনীৰ মধুৰ কণ্ঠত
সেউজীয়া বিৰিখৰ সজীৱতাত
বাজি উঠিব গান
স্থবিৰ পাহাৰে দিব সাহসিকতাৰ সন্ধান
ইয়াতো এদিন বেলিটিয়ে ভূমুকি মাৰিব
ইয়াতোএদিন বেলিটিয়ে ভূমুকি মাৰিব।।

আশীস দিয়া

ধৰিত্ৰী গগৈ
স্নাতক প্ৰথম ষান্মাসিক, শিক্ষা বিভাগ

কবিতা! কোৱা শুনিছো
কবিতা হেনো হৃদয়ৰ ভাষা
তথাপিও মই দেখোন
আঁকিব পৰা নাই!
শব্দবোৰ আঁতৰি গৈছে,
ভাষাবোৰ শীতল হৈছে।
চাৰিওফালে দেখো
হাহাকাৰ, হত্যা, ধৰ্ষণ, আৰু অনিশ্চয়তা
এতিয়া মাথো অন্ধকাৰ
আঘোণৰ পথাৰত
সোণালী শস্যৰ উৰুঙা উৰুঙা মন,
দাৱনীৰ মুখত নাই জীপাল হাঁহি
হায় কিযে হ'ল!
প্ৰেম, মানৱতা, বিশ্বাস, আন্তৰিকতা
সকলো হেৰাল নিষ্ঠুৰতাৰ কৱলত
য'ত মানুহেই মানুহক ঘৃণা কৰে
অট্টহাস্য কৰে।
হে মহান পুৰুষ, আশীস দিয়া
আমি আগুৱাই যাওঁ
সত্যম্ শিৱম সুন্দৰমৰ পথেদি...

শীতৰ মাজত তুমি আৰু মই

ৰিংকিমণি বৰা
অৰ্থনীতি বিজ্ঞান বিভাগ

গা শিৰশিৰাই যোৱা
মলয়া বতাহ,
বুকু কঁপাই তোলা
ঝংকাৰৰ শিহৰণ

শীতৰ সেমেকা অমানিশাত
নামি আহে তোমাৰ গানৰ
গুণগুণনি...............

আহ...... কি এই আবেগ
প্ৰতিটো স্পৰ্শত তোমাৰ
আঙুলিৰ মিঠা সেই মৰমৰ সুৰ

মনত পৰে আজি..........
বিৰিণাৰ তলে তলে
কুঁৱলীৰ ফাঁকে ফাঁকে
দুবৰিৰ তিতা নিয়ৰত
হাতত হাত ধৰি
গৈছিলো আমি
মৰম নদীৰ সিপাৰলে.........

তোমাৰ মনত পৰেনে বাৰু??......

ফাগুণ-স্মৃতিৰ এখিলা পাত

মিঠু বৰুৱা
স্নাতক দ্বিতীয় ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

ফাগুণ আকৌ আহিল
মোৰ জীৱনলৈ
মনে মনে সংগোপনে.........
যিদৰে আছিলা তুমিও
নিৰবে নিশব্দে
মোৰ হৃদয়লে..........
ফাগুণৰ গোন্ধহীন পলাশৰ
ৰঙা সাগৰত সাঁতুৰিছিলো দুয়ো
এজাৰ ৰঙী সপোনবোৰে আশা কৰিছিল
এজাক বৃষ্টি অনাৰ...........
মদাৰ ৰঙী বৃষ্টি.........কেৱল তোমাৰ বাবে।
ফাগুণৰ দুষ্ট পছোৱাৰ আঁচল ধৰি
আমিও উৰা মাৰিছিলো
কোনোবা সপোন দেশলৈ.........।
আজি ফাগুণ নাই।
তুমিও নাই।
কিন্তু ফাগুণ আকৌ আহিব
আগৰ দৰেই, মাথো নাথাকিবা তুমি।
আৰু তুমি???
তুমি হৈ পৰিবা ফাগুণৰ ধুলিসনা
এটি মধুৰ অথচ তিক্ত অতীত......।

"কাম্বৌ ফুলিল"

ৰাজশ্ৰী বৰা
অসমীয়া বিভাগ
স্নাতক চতুৰ্থ ষান্মাসিক

অকস্মাতে,
কিয় জানো? আজি আঘোণৰ
উঠন বুকুৰ মাজত উকমুকাই
উঠিছে মোৰ এটি পুৰণি সপোনে.........
এপলক থমকি ৰৈ ঘূৰি চাই দেখিছো,
নাই আজি সেই নিয়ৰ সিক্ত
হিমনা পুঁৱা বিয়পি পৰিছে চৌদিশে মাথো মৰিচিকাৰ ছাঁয়া নাই পথাৰত
সোণজিৰা মাহীৰ কাঁচিৰ উমালে উম,
নাই বকিয়াৰ মাজৰ লেচেৰি বুটলা সোণ।
জাঙৰিৰ উভতনি বেলাত বেলিটিয়েও
বাট বুলিলে, কানি মুণি পৰত লখিমী ঘৰ সোমালে.......
উকা পথাৰৰ বুকুত মেজিৰ জুই
আকৌ এবাৰ চঞ্চল কৰিলে
সেউতীবাইৰ আঁচল,
দিচাং ঘাটৰ কাংকান নগৰত
কাম্বৌ ফুলিল।

ফাগুন

পৰিস্মীতা ভূএগ
ভূগোল বিভাগ

ফাগুনৰ বতাহে
যেন উৰুৱাই লৈ গৈছে
মোৰ হৃদয়ৰ মৰম কণাক......
বতাহৰ ঢৌৱে ঢৌৱে
নাচিব লাগিছে পাতহীন
বৃক্ষৰ দৰে মোৰ
অচল দেহতো।
জানো! পাৰিব মোৰ এই মৰম কণাক
ফাগুণে কঢ়িয়াই নি
আনৰ হৃদয়ৰ মণিকোঠাত
স্থাপন কৰিব।
নাই! কেতিয়াও নোৱাৰে
ফাগুনৰ শুকান বতাহে,
জীপাল কৰি তুলিব
মোৰ প্ৰেমৰ সাগৰখনিক।
ফাগুণে পাৰে মাথো
পলাস গছক জগাই তুলিব,
মৰম দিব পাৰে, দুখ সুখৰ সোৱাদ ল'ব পাৰে
পলাস ফুলৰ কুঁহে কুঁহে।

জয়পুৰ

লিপি ফুকন
প্ৰাক্তন ছাত্ৰী



হাজাৰ হাজাৰ সাধু বুকুত সামৰি
তুমি ৰৈ থাকা
দিনৰ পিছত দিন,
ৰাতিৰ পাছত ৰাতিহঁ
ৰজাৰ প্ৰসাদত যেন এতিয়াও
ঘুমৰৰ আখৰা কৰে
প্ৰাচীন ছবিৰ কোনোবা বাই চাই......
হাতত তৰোৱাল লৈ ছবিত জিলিকি ৰয়
অনেক সাহসী 'বান্না'।
তুমি ৰৈ থাকা
আমেৰৰ সুউচ্চ দুৰ্গক
নতুন জীৱন দি;
আৰাৱলী পৰ্বতক
জল মহলৰ পৰা ৰিঙিয়াই মাতিছঁ
তুমি হাৱামহলত ৰাজপুত সাম্ৰাজ্যৰ দুৱাৰ খুলি দিয়া
সমগ্ৰ পৃথিৱীৰ প্ৰতি।
নাহৰ গড়ৰ পৰা
জোনাকীৰ জাক যেন লগা ঘৰবোৰ
দেখুৱাই দিয়া সকলোকে, প্ৰতি ৰাতি।
ৰৈ ৰৈ বাজি থাকে ক'ৰবাত
ধ্ৰুপদী সংগীত..........
তোমাৰ দেশৰ গহণাৰ পোহৰত
জিলিকি উঠে হাজাৰ জনৰ মুখহঁ
জোনাক নিশা ৰাজপথত
ৰাজপুত ৰাজকুমাৰৰ স'তে
জোনবাই চাই আপোন পাহৰা হয়
কোনোবা দুৰ দেশৰ গাভৰু।
লাভ লগা অথবা ভালপোৱাৰ
নতুন সাধুকথা এটা বুকুত সামৰি
তুমি তেতিয়াও ৰৈ থাকা।
কোনে জানো নাম থলে তোমাৰ
গুলপীয়া নগৰহঁ
সেয়ে চাগে
গুলপীয়া তোমাৰ বুকুৰ প্ৰতিটো সন্ধিয়া;
গুলপীয়া প্ৰতিটো প্ৰহৰ।
হাজাৰ যুগৰ গুলপীয়া সাধু বুকুত সামৰি
তুমি ৰৈ থাকা.........
সময়েও ধূসৰ কৰিব নোৱাৰে
তোমাৰ ইতিহাস;
হয়তো তোমাৰ পৃথিৱীত
গুলপীয়া ৰং প্ৰতিখন হৃদয়ৰ......
গুলপীয়া ৰং প্ৰেমৰহুঁহু

টোকা ঃ-
ঘুমৰ ঃ ৰাজপুত সকলৰ পৰম্পৰাগত নৃত্য।
বাইচা ঃ ৰাজপুত মহিলা সকলৰ বাবে ব্যৱহাৰ কৰা সম্বোধন।
বান্না ঃ ৰাজপুত পুৰুষ সকলৰ বাবে ব্যৱহাৰ কৰা সম্বোধন।

উপলব্ধি

সংগীতা দাস বৰুৱা
গ্ৰন্থাগাৰ সহায়িকা

"মৃত্যু জানো শিল্প হব পাৰে
মৃত্যু জানো গান-কবিতা হ'ব পাৰে
জন্মতে লৈ আছে নেকি মৃত্যুৰ সীমাৰেখা
উশাহটোৱে যদি নাথাকে
ই কেনেকৈ জীৱনৰ নতুন দিগন্ত
উন্মোচিত কৰিব পাৰে
ভৱিষ্যত প্ৰজন্মলৈ অকল থৈ যোৱা
জ্ঞান-ধৰ্ম্ম, কৰ্ম্ম, নিষ্ঠা-সাহস, বাণীবোৰেই নে.........
——মৃত্যুৱে কাঢ়ি নিয়াৰ পিছত
ই ভাল-বেয়া, শুদ্ধ-অশুদ্ধ
কেনেকৈ বিচাৰ কৰিব পাৰে.........
হিন্দু ধৰ্ম্মত মৃত্যুৰ পিছত অস্থি হিচাপে
ৰৈ যোৱা শৰীৰে বহুত আমনি কৰে মনত
বহু যুগীয়া সজীৱ-গভীৰ সম্বন্ধ গঢ়াৰ পিছত
হঠাতে ফটোৰ ফুলৰ মালাৰে আঁৰি দি
স্মৃতিলৈ ৰূপান্তৰ কৰা বৰ টান
শৰীৰৰ মৃত্যু হলেও আত্মাই
নতুনকৈ ঘৰ বান্ধি থিতাপিলৈ
এই পৃথিৱীতে নিশ্চয় থাকে
মৃত্যুৱে দিয়ে জীৱনক অপাৰ শান্তি
গোটেই জীৱনলৈ..........
এই শান্তি বৰ দীঘলীয়া
শুনা যায় মৃত্যুৰ আগতকৈ

মৃত্যুৰ পিছৰ জীৱনহে হেনো বেছি দীঘলীয়া
জীৱই মৃত্যুৰ পিছত অচিন নদীত
নাও-মেলি-মেলি ক'ৰবাত থিতাপি লয়গৈ
মৃত্যুৰ পিছত, শ্ৰাদ্ধ-পিণ্ডৰ বাদে
অইন একো নাথাকে কৰিবলৈ
স্মৃতিৰ বাবে, চকুপানী-উচুপনিৰ বাদে
নিৰ্জনতাত চকুৰ পতাবোৰ পানীৰে উপচি থাকে
কিয় হেৰাই যায় বাৰে-বাৰে সকলোকে
অকল "পাষাণ-মৃত্যুৰ' শব্দটোৰ বাবেই নে......?

ফাগুণ - এটি অনুভৱ

অৰ্চনা কাকতি
স্নাতক দ্বিতীয় ষান্মাসিক, ৰসায়ন বিজ্ঞান বিভাগ

ফাগুণ, এটি মিঠা নাম
কিয় আহা?
শীতৰ কুঁৱলী ফাঁলি নামি আহা তুমি
মোৰ স্বপ্নাতুৰ বুকুলৈ।
সেই যে তোমাৰ পছোৱা বতাহ জাক,
মোক বধীৰ কৰি তোলা কিয়.......?
সেমেকা শীতৰ গতি গাম নেকি,
তোমাক আদৰিবলৈ
ৰাঙলী সুৰুযৰ শেষান্তত, তোমালৈ মনত পৰে।
ধূলিয়ৰী বাটেৰে, পথাৰৰ আলিৰেছোন
যাবই নোৱাৰি .... তোমাৰ স্পৰ্শত।
মদাৰ জোপা আকৌ ফুলিছে, ৰঙাকৈ.......
সেয়া তোমাৰেই আগমনৰ বাতৰি..........
মোৰ সেউজীয়া বুকুত ভাঁহি ফুৰে,
ফাগুণৰ মিঠা অনুভূতি।
মদাৰ জোপাৰ ফুলবোৰ ছিঙিবই নোৱাৰি
কাঁইটেৰে মোক বিন্ধিলে।
বৰ দুখ পালো সঁচা দুখতো পামেই
মোৰ বুকুতো যে আছে ক'ত দুখ
ঠিক তোমাৰ দৰেই,
কিমান কান্দিম আৰু অকলে
নোপোৱাৰ বেদনাত......।
ফাগুণ, তুমি আহিলেই মোৰ বুকুত জ্বলে
বেদনাৰ জুই.........।
তুমি বৈ যোৱা ফাগুণ
আকৌ তোমাৰ বুকুত কান্দিবলৈ।
অকলে, সংগোপনে..........।

ছাঁৰ ছাঁ

কিশোৰ কুমাৰ দেউৰী

কিমান জোপা গছৰ দূৰত্বত বৈ আছা তুমি
হৈ এটি লাজুকী চৰাই
যিমান বেছি গছ সিমান বেছি বিশ্বাস

এই গছবোৰে ছাঁ দিয়ে
এই গছবোৰে দিলে সেউজীয়া বিশ্বাস
লতা আৰু শিপাই দিয়ে
আলিংগনৰ দীক্ষা

সেইবাবে
সকলো প্ৰেমিকেই এবাৰ হ'লেও
গছ হ'ব লাগে
ঠিক সেইদৰে
যিদৰে মই এতিয়া এজোপা গছ!

প্ৰেমিক হ'বলৈ ছাঁ হ'ম
ছাঁ হ'বলৈ হ'ম গছ
তুমি হ'বা মোৰ ছাঁৰ ছাঁ!

সাকোঁ

প্ৰতিভা দেৱী
সহঃ আধ্যাপিকা, কম্পিউটাৰ বিভাগ

এখন সুন্দৰ ছবি
মানস পটত প্ৰায়ে ভাঁহি থাকে
গছ-গছনিৰে পৰিপূৰ্ণ
প্ৰাণ পাই উঠা
এটা নিৰ্মল পৰিবেশ।
সময়ৰ সোঁতত
নতুন ৰূপত গঢ় লৈ
উঠিছে ছবিখনে
ৰামধেনুৰ দৰে
প্ৰতিফলিত হৈছে
ভিন্ন শিল্পীৰ পৰশত।
আকৰ্ষিত হৈছে আগতকৈ
তথাপি ম্লান হোৱা নাই
পুৰণি চিহ্নবোৰ
প্ৰদূষণক নেওঁচি
জীপাল কৰি তুলিছে
প্ৰতিটো দিশ
প্ৰতিটো ৰূপ
সুন্দৰকৈ।
অনুভৱ হয়
নিঃসঙ্গতাক ঠাই নিদিব
হয়তো
মেঘৰ প্ৰচণ্ড গাজনি
আহিলেও,
ছাঁ দি ধৰি ৰাখিব
প্ৰাণ পাই উঠা
পৰিবেশটোৰে
এন্ধাৰৰ ভেটা ভাঙি
তৰা বোৰেও
পোহৰ বিলাইছে ৰাতিৰ আকাশত।
ঠন ধৰি উঠিছে
গছ-লতিকা বোৰও
নেৰা-নেপেৰা বৰষুণ জাকত
অথবা তীক্ষ্ণ ৰ'দত
ধূলিৰে ধূসৰিত
যান্ত্ৰিকতাৰ মাজত
অনুভৱৰ সাকোঁডাল
সবল হওঁক
উজ্জ্বলি উঠক
সোণালী আখৰেৰে
মনত সাঁচ বহুৱাকৈ।

শিৱসাগৰ ছোৱালী কলেজত অভিজ্ঞতা

জুমি ভূঞা
স্নাতক পঞ্চম ষান্মাসিক
অসমীয়া বিভাগ

ঐতিহ্যমণ্ডিত শিৱসাগৰ নগৰৰ মাজ মাজমজিয়াত অৱস্থিত নাৰীৰ অগ্ৰণী শিক্ষানুষ্ঠান শিৱসাগৰ ছোৱালী কলেজত ২০১১ চনৰ জুন মাহৰ কোনোবা এটা দিনত মই কলেজীয়া জীৱনৰ পাতনি মেলিছিলো। এই কলেজৰ বিষয়ে গম পোৱাৰে পৰা মই মনত এটা আশা পুহি ৰাখিছিলো যে এদিন মই এই কলেজৰ ছাত্ৰী হ'ম আৰু সেই আশা মোৰ বাস্তৱত পৰিণত হ'ল এই বৰ্ষটোতে। প্ৰথম দিনা কলেজলৈ যোৱা দিনটোৰ কথা পাহৰিব নোৱাৰো। সেইদিনা মনটো বৰ আনন্দৰে ভৰি পৰিছিল কাৰণ প্ৰথম কলেজৰ শ্ৰেণী কোঠাত ক্লাচ কৰিম, ন-পুৰণি অগ্ৰজ অনুজ তথা বান্ধৱী সকলক লগ পাম, শিক্ষাগুৰু সকলৰ লগত চিনাকী হ'ম আৰু জীৱনৰ লক্ষ্যক বাস্তৱ ৰূপ দিবলৈ চেষ্টা কৰি যাম আদি বহু কথা ভাবি কলেজলৈ বুলি প্ৰথম যাত্ৰা কৰিছিলো। ভাল লাগিছিল কলেজৰ শিক্ষাগুৰু সকলৰ ব্যক্তিত্ব দেখি। কলেজত পঢ়াৰ ভাল পৰিৱেশ দেখি।

কলেজৰ চৌদিশে মাথোঁ সেউজৰ সমাহাৰ তথা শ্ৰেণীকোঠাত সেউজীয়া, পুথিভঁৰালত সেউজীয়া সকলোতে বিৰাজমান সেউজীয়া। এদিন দুদিন কৈ পাৰ হৈ গ'ল সময়বোৰ ব্যস্ততাবোৰ বাঢ়িল। কলেজীয়া জীৱন আৰম্ভ হৈছিলহে মাথো কিন্তু লাহে লাহে কলেজীয়া জীৱন সমাপ্তিৰ পথত আগবাঢ়িল।

পাহৰিব নোৱাৰো মোৰ অতি শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় ড° হেমন্ত কুমাৰ ফুকন ছাৰক। ছাৰৰ প্ৰচেষ্টাতে আমাৰ

কলেজখনে বহুখিনি উন্নতিৰ শিখৰত আৰোহণ কৰিব পাৰিছে। ছাত্ৰীসকলৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি ছাৰে পঢ়াৰ বাহিৰেও অন্যান্য বহু সুবিধা কৰি দিলে যিবোৰে ছাত্ৰী সকলক ভৱিষ্যতে সহায় কৰিব পাৰে। ছাৰে মোক ব্যক্তিগত ভাৱে কলেজীয়া জীৱনত ইমান এটা ডাঙৰ সহায় কৰিলে যিটো সহায়ৰ কথা মই মোৰ জীৱনত কেতিয়াও পাহৰিব নোৱাৰো। এই লেখাৰ জৰিয়তে ছাৰৰ ওচৰত কৃতজ্ঞতা জনাইছো আৰু ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছো যাতে ছাৰ সদায় সুস্বাস্থ্যৰ গৰাকী হয়।

পাহৰিব নোৱাৰো মোৰ শ্ৰদ্ধাৰ কুসুম ফুকন বাইদেউক। যি গৰাকীৰ পৰা মই আইৰ দৰে মৰম পাইছিলো। বাইদেউৰ মৰম লগা মিঠা হাঁহিটোৰে মোৰ দৰে সকলোৰে মন জয় কৰিব পাৰিছিল। ২০১৩ চনৰ ৩১ জুলাই দিনটো মোৰ বাবে আছিল দুখজনক কাৰণ এই দিনটোৱেই কুসুম বাইদেউৰ অৱসৰৰ দিন। মন দুখে বেজাৰে ভৰি পৰিছিল। দুচকুৰে নিগৰি আহিছিল চকুপানী। মই ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছো বাইদেউ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু জীৱনৰ গৰাকী হওঁক। বাইদেউৰ মিঠা কোমল হাঁহিটো সদায়ে অটুট থাকক আৰু গম পাইছো বাইদেউৰ বহু প্ৰতিভা আছে সেই প্ৰতিভা সমূহ যাতে বাইদেউৱে বিকাশ কৰিবলৈ চেষ্টা কৰে তাৰেই মই কামনা কৰিছো।

মোৰ শ্ৰদ্ধাৰ ৰশ্মিৰেখা বাইদেউ, উৎপলা বাইদেউ, মৌচুমী বাইদেউ, শান্তনা বাইদেউ, সংগীতা বাইদেউ, কাকলি বাইদেউ, ৰঞ্জিত তামুলী ছাৰ, অনু শৰ্মা বাইদেউ, অজন্তা বাইদেউ, প্ৰতিভা বাইদেউ, কৃতাঞ্জলী বাইদেউক মই মোৰ জীৱনত পাহৰিব নোৱাৰো।

পুথিভঁৰালৰ মোৰ শ্ৰদ্ধাৰ গ্ৰন্থাগাৰিক অভিজিত বৰপূজাৰী ছাৰ আৰু সংগীতা দাস বাইদেউক পাহৰিব নোৱাৰো। মোৰ প্ৰথম কলেজলৈ যোৱাৰ পৰা এটা অভ্যাস গঢ়ি তুলিছিলো সেইটো হ'ল অফ ক্লাচত পুথিভঁৰালত থকাতো। পুথিভঁৰালৰ প্ৰথম অৱস্থাত নিয়মসমূহ জনা নাছিলো যদিও বৰপূজাৰী ছাৰ আৰু সংগীতা বাইদেউৱে সুন্দৰকৈ পুথিভঁৰালৰ নিয়মবোৰ বুজাই দিছিল। যাৰ বাবে মোৰ লগতে আন আন ছাত্ৰী সকলৰো সুবিধা হৈছিল। প্ৰতিদিনে অফ ক্লাচত মই দৈনিক বাতৰি সমূহ পঢ়িবৰ বাবে, দৰকাৰ হ'লে কিতাপ পত্ৰ আনিবৰ বাবে বা অন্য দৰকাৰী কামত পুথিভঁৰাললৈ যাওঁ। কেতিয়াবা জেৰক্স কৰিব লগীয়া থাকিলে পুথিভঁৰাললৈ গ'লে বিপ্লৱ দায়ে কোনো দিনেই বিমুখ কৰা নাছিলে বৰঞ্চ সুন্দৰকৈ জেৰক্স কৰিহে দিছিল। এই পুথিভঁৰালৰ পৰাই মই মোৰ কলেজীয়া জীৱনত বহু কিতাপ পত্ৰৰ সহায় ল'লো।

দৰকাৰী কামত কেতিয়াবা অফিচলৈ যাব লগা হ'লে তথা কিবা কলেজৰ বিষয়ে সুধিব লগা থাকিলে শান্তনু দাৰ ওচৰলৈ গৈ সুধিলে শান্তনু দাই সুন্দৰকৈ বুজাই দিছিল। কোনোদিনে বিৰক্তি ভাৱ প্ৰকাশ নকৰাকৈ। প্ৰথম শান্তনু দাক পুথিভঁৰালত লগ পাওঁতে মই লাইব্ৰেৰী ক্লাচটোৰ বিষয়ে কিছু কথা সুধিছিলো তেতিয়া শান্তনু দাই ভালদৰে কথাবোৰ বুজাই দিছিল।

আমাৰ কলেজখনত ৰেগিঙৰ দৰে কোনো ব্যাধি নাই। সকলোৰে মাজত মিলাপ্ৰীতিৰ ভাৱে সদায় বিৰাজ কৰি থাকে। দিনৰ এক বজালৈকে কলেজৰ পৰা বাহিৰলৈ ছাত্ৰী সকলক ওলাবলৈ নিদিয়া বাধ্যতামূলক নিয়ম দেখি ভাল লাগিছিল। এই নিয়মৰ্ত কৈলাশ দত্ত বৰতাৰ কৰ্তব্য শলাগিবলগীয়া।

আমাৰ কলেজখন বৰ্তমান পঢ়াৰ লগতে অন্যান্য দিশত যেনেদৰে জিলিকি আছে আৰু অধিক জিলিকি উঠক। কলেজ পৰিয়ালৰ সকলোৰে যি প্ৰতিভা আছে সেই প্ৰতিভা সমূহ কলেজৰ মজিয়াৰ পৰাই বিকাশ হ'বলৈ আৰম্ভ কৰক। দেশৰ এখন নামজ্বলা আগশাৰীৰ নাৰীৰ শিক্ষানুষ্ঠান হিচাপে আমাৰ কলেজখন জিলিকি উঠক। শেষত কলেজ পৰিয়ালৰ সকলোৰে জীৱন সুখ আৰু শান্তিৰে ভৰি পৰক তাৰেই কামনাৰে-

'জয়তু শিৱসাগৰ ছোৱালী কলেজ'।

মোৰ শব্দৰ মাজেৰে 'মা'ৰ অনুভৱ

চেতনা চক্ৰধৰা
স্নাতক তৃতীয় ষান্মাসিক
শিক্ষা বিভাগ

মৰমৰ

'মাজনী'

তই কেনে আছ? তই ছাগে ভালে আছ নহয়। মোৰো ভালেই দে। তই যে দিছিলি চিঠিখন, আজি দুদিনৰ আগেয়েই পালো। পাছে, তোলৈ লিখিবলৈহে সময় পোৱা নাছিলো।........

তই ভাল দৰে পঢ়া-শুনা কৰিছনে? আই পঢ়, ভালকৈ পঢ়। তোৰ ওপৰতেই মোৰ আশা ভৰসা সকলো। তোৰ বাবেই মই জীয়াই আছো অ', আই। নহ'লেনো মোৰ কি!

এই কেইদিন মোৰ কঁকালৰ বিষটো আকৌ লাগিছে। এই অপদীয়া কঁকালৰ বিষটো মৰিবৰ কাললৈকে নাযাবযেন লাগিছে। তাতে আকৌ পথাৰলৈ গৈছো যে। অ', তোক কবলৈ পাহৰিছোয়েই, মই ধৰা উকীলৰ মাটি দুবিঘা হাজিৰা মাৰিম বুলি পইচা আনি, এতিয়া সেই দুবিঘাকে ৰুবলৈ গৈছো। তথাপি তই চিন্তা নকৰিবি, মোৰ একো নহয়। মই তোক যেনে-তেনে কৰি হ'লেও পঢ়াম, মানুহ কৰাম।

ভায়েৰৰ ছমহীয়া পৰীক্ষাৰ বহী দিছে। বৰ ভাল নম্বৰ পোৱা নাই, অ'। কি যে হ'ব তাক লৈ। মোৰ বৰ চিন্তা হয় অ'।......... অ' এইবাৰ ভাবিছো তোক সস্তীয়া চাই এটা ম'বাইলকে লৈ দিম। তই কি ভাব কৰিচোন আৰু পাৰিলে এপাক আহিবি।

এহ, নালাগে দে নহ'লে ক্লাচ খটি কৰি আহিবলে। একে বাৰে বন্ধতে আহিবি। ঘৰৰ কথা ভাবি, বাহিৰা কথাত মূৰ ঘমাই পঢ়া নষ্ট নকৰিবি। তয়েই মোৰ আশা, তয়েই মোৰ ভৰসা।

আজিলৈ হ'ব দে। চাকিটোত থকা তেলকণো শেষ হ'ব এতিয়া। কাইলৈ আকৌ ভায়েৰক পঢ়িবলৈ তেলকণ লাগিব নহয়। অ' এইবাৰ তোক মাত্ৰ দুশ টকাহে দিব পাৰিলো, বেয়া নাপাবি। দোকানৰ বাকী কেইটা মাৰি ল'লো এইবাৰ। কি কৰিবি, দুখ নকৰিবি। জীৱনৰ সৈতে যুঁজ দে......... দেখিবি জীৱনে নিজে নিজে হাৰ মানিছে.........নিজৰ ভাগ্যক নিজেই গঢ় দে। দেখিবি, তই এদিন পৃথিৱীৰ সকলোতকৈ সুখী হৈ গৈছ। মোৰ আশীৰ্বাদ তোৰ ওপৰত সদায়েই থাকিব আই......তই মাথো আগবাঢ়ি যা।

শেষত, বহুত বহুত অন্তৰ ভৰা আশীৰ্বাদেৰে..........

ইতি

তোৰ দুৰ্ভগীয়া

'মা'

R.C.N এক মিঠা অনুভূতি.........

ডিম্পল সোণোৱাল
স্নাতক পঞ্চম যান্মাসিক
অসমীয়া বিভাগ

মনৰ মাজত খোপনি পুতি লোৱা সেউজীয়া সপোনবোৰ বাস্তৱ কৰিবলৈ R.C.N নামৰ হৃদয় এখনত ঠাই ল'লোহি। বিচাৰি পালো অজস্ৰ মৰম, আৱেগ অনুভূতি, কিছুমান মিঠা শিহৰণ.......

আহিছিলোহে তোমাৰ বুকুলৈ। তুমি দেখোন মোক একেবাৰে নিজৰ কৰি ল'লা। তোমাৰ হৃদয়ৰ একোণত মোক চিৰদিন ৰাখিবা। নীলিম আকাশৰ সীমনাত বহি তোমাৰেই অনুৰণন কৰিম। মোক তুমি পাহৰি নাযাবা। অনুভৱ কৰিবা হৃদয়ৰ একোণত।

বৰষুণৰ টোপ টোপ শব্দত মোৰ মনতো জাগি উঠিব R.C.Nৰ কিছুমান

মৰমসনা স্মৃতি। য'ত বিচাৰি পাম জীৱনৰ কিছুমান ৰঙীণ ছবি। নিয়ৰৰ মুকুতাৰ দৰে তুমি সদায় জিলিকি থাকিবা আমাৰ মাজত। তুমি খন্তেকীয়া নহয় ধুমুহাৰ দৰে। আজীৱন বৈ থকা নদীৰ দৰে। মিঠা সুৰেৰে কুল কুলকৈ।

১৩ নং ৰূমত ৰিজু বা, হিমাক্ষী, স্বাগতাৰ লগত কৰা ধেমালীবোৰে মনটো দেখোন পোহৰাই তোলে। মনত পৰিলে এনে লাগে যেন পূৰ্ণিমাৰ জোনটো মোৰ একেবাৰে ওচৰত। জোনৰ পোহৰত মোৰ মন আৰু নাচি উঠে এক অচিন আৱেগত।

৪নং ৰূমত জয়শ্ৰী, নিলাক্ষী, বনশ্ৰী, কাব্যশ্ৰীৰ লগত কৰা ধেমালীবোৰ, আড্ডাবোৰ ৰঙীণ ফুলৰ দৰে। সদায় ফুলি থাকিব অন্তৰত ৰঙীণ ফুলবোৰ। ৰঙা, নীলা, হালধীয়া বহুৰঙী ফুলহে। থাকিব সুবাস বিলাই। জীৱনৰ বাটত ফুলবোৰে সুবাস বিলাব- প্ৰেৰণাৰ দৰে। মনটো নাচি উঠিব পখিলাৰ দৰে। মনতে যেন গুণগুণাম......... শৈশৱৰ সেই কবিতাটি...........

পখিলাই প্ৰাখি মেলি
উৰে উলাহত
ফুলবোৰে হালি জালি
নাচে বতাহত
....
ৰঙা, নীলা, হালধীয়া আৰু বেঙুনীয়া
ফুলবোৰ কিয় বাৰু
বাৰে বৰণীয়া।

৬ নং ৰূমত মিঠু, বন্তি, পূজা। পূজাৰ খোজত যেন একোজনী মৌপিয়াহে উৰে। তাইৰ কথা কি ধুনীয়া মিঠা সুৰ! সিহঁতৰ কথাতেই যেন পাওঁ আন্তৰিকতা আৰু বিচাৰো কিছুমান মৰমসনা সজীৱ স্মৃতি। প্ৰতিটো বসন্তৰ আগমণৰ দৰেই প্ৰতিদিনে স্মৃতিবোৰে টৌ খেলি থাকে। হৃদয়ৰ মৌনতাৰ পাখি ভাঙি বৈ যায় উত্তাল ঝংকাৰ।

সচাঁকৈ R.C.N তুমি তুলনাবিহীন। জীৱন বাটত তোমাক পাহৰাতো সপোনৰো অগোচৰ। মনৰ মাজত ঠাই ল'লা। চিৰজীৱনৰ বাবে। হৃদয়ৰ সমস্ত আৱেগ অনুভূতি তোমাৰ মাজতেই আজি। তোমাৰ মাজতে আজি সপোনৰ আবিৰ ভাঙি মোৰ মন হেৰায়। জোনাক কোমল গধূলিবোৰত তোমাৰ স্মৃতিবোৰে মোক কৰি তুলিব উন্মাদ। ফাগুণৰ পলাশৰ দৰে ৰঙীণ হৈ থাকিব মোৰ মন.......... তোমাক সুঁৱৰি।

বেদনাসিক্ত দুটি নয়নে
বিচাৰি ফুৰে
এখন প্ৰতিচ্ছবি
কিজানি সেই প্ৰতিচ্ছবি
তোমাৰেই?.............

দুইচেন

শৰ্মিষ্ঠা প্ৰীতম

পাহাৰৰ তলত বিস্তীৰ্ণ মালভূমিত গাওঁখন। শিলাময় পাহাৰৰ মাজেদি গাওঁখনৰ ফালে বৈ আহিছে সৰু সৰু নিজৰা। গাঁৱৰ তলতে বিশাল হালধীয়া উপত্যকা, সুবিস্তীৰ্ণ তৃণভূমি। সমতলৰ বুকু ভেদি পশ্চিম দিগন্তৰ ফালে ঢাপলি মেলিছে, ৰে'লপথৰ ক'লা চিৰি দুডাল।

গাঁৱৰ পিছফালৰ পাহাৰখনৰ ওপৰত দুজোপা ডাঙৰ গছ। যিফালৰ পৰাই গাওঁখনলৈ সোমোৱা নহওক, প্ৰথমে সেই গছ দুজোপাই চকুত পৰে, ছিগ্‌নেল প'ষ্টৰ লাইটৰ দৰে। এক বিশেষ ভংগিমা আৰু নিজস্ব সাংগীতিক প্ৰাণেৰে দিনে ৰাতিয়ে হালি-জালি থাকে গছ দুজোপা। সিহঁতৰ অবিৰাম মৰ মৰ জিৰ্ জিৰ্ শব্দত কেতিয়াবা এনে লাগে যেন জোৱাৰ ভাটাৰ ঢৌবোৰ পাৰৰ বালিত আছাৰ খাই পৰিছে, আকৌ এনে লাগে যেন ঠাল-ঠেঙুলিবোৰেদি চকুৰে মণিব নোৱৰা ফিৰিঙতি এটাৰ দৰে পাৰ হৈ গৈছে আৱেগপূৰ্ণ তপ্ত ফুচ্‌ফুচনি, নাইবা মুহূৰ্তৰ বাবে নিস্তব্ধ হৈ হঠাতে পাতবোৰ কঁপাই গছ দুজোপাই যেন কাৰোবাৰ বিৰহুত গভীৰ হুমুনিয়াহ কাঢ়ে।

গছু দুজোপাৰ জীৱনৰ গোপন কথা জনাৰ আপাহত ময়ো আগবাঢ়িলোঁ আৰু এনেকুৱা এখন জগতত প্ৰৱেশ কৰিলোঁ য'ৰ পৰা ওলাই আহিবলৈ মোক কিছু সময় লাগিছিল।

তেনে সজীৱ বৰ্ণনাৰে সেই গছ দুজোপাৰ কাহিনী কওঁতাজনৰ চকুত যাদুৰ দৰে ভাহি উঠা ব্যাপ্তি আৰু দীপ্তিৰ জগতখনে যেন মোৰ দৃষ্টিতো ধৰা দিছিল। সেইখন জগতৰ নৈসৰ্গিক সৌন্দৰ্য আৰু মানৱিক কৰ্তব্যৰ ছবিখনে মোক মুগ্ধ কৰিছিল।

সেইখন জগত মোৰ কল্পনা অথবা কোনোবা বোলছবিত দেখা জগত নহয়।

কিছুদিনৰ আগতে ডিটিপিৰ বাবে এখন কিতাপ দিয়া হৈছিল মোক। সাধাৰণতে কিতাপ এখন যেনে আকাৰৰ হয়, তাতকৈ বহু সৰু এখন কিতাপ। বেটুপাতত দুখন মুখ— এখন এজন পুৰুষৰ, তেওঁৰ দৃষ্টি অসীম অনন্তত, আৰু আনখন মুখ এজনী ১৩-১৪ বছৰীয়া ছোৱালীৰ, দৃষ্টিত দুখ আৰু দৃঢ়তাৰ মিশ্ৰণ।

এশ এক পৃষ্ঠাৰ এই কিতাপখন ছোভিয়েট গদ্য সাহিত্যৰ প্ৰতিভাশালী আৰু জনপ্ৰিয় আইৎমাতভৰ 'দুইচেন' (duishen) নামৰ উপন্যাসিকাখনৰ অসমীয়া অনুবাদ — 'প্ৰথম শিক্ষক'— অনুবাদ কৰিছে 'How the Steel was tempered'ৰ দৰে মহৎ কিতাপৰ অনুবাদক পোৱাল বৰুৱাই। ১৯৮৯ চনত কিতাপখন মস্কোৰ 'ৰাদুগা' প্ৰকাশনে উলিয়াইছিল।

কিতাপখন সন্মুখত লৈ যেতিয়া কী ব'ৰ্ডত আঙুলি বোলাওঁ, তেতিয়া তাত এজন শিল্পীয়ে তেওঁৰ আধা আঁকা ছবি এখনৰ কথাৰে এটা কাহিনী ক'বলৈ আৰম্ভ কৰিছে। কাহিনীটো একেবাৰতে পঢ়ি পেলোৱাৰ তাড়না ইমান প্ৰবল আছিল যে মই লেপ্‌টপ বন্ধ কৰি থ'বলৈ বাধ্য হ'লোঁ আৰু নিজকে চৌপাশৰ পৰা বিচ্ছিন্ন কৰি কিতাপত ডুব দিলোঁ।

(২)

পাহাৰৰ তলত বিস্তীৰ্ণ মালভূমিত অৱস্থিত সেই গাঁওখনৰ নাম কুৰকুৰ'। কিৰঘিজীয়াৰ এখন গাওঁ। কাহিনীকাৰৰ অভিনৱ কথনভংগীত গাঁওখনৰ মনোমোহা ভৌগলিক ৰূপটো এনেকুৱাকৈ প্ৰতিবিম্বিত হৈছে যে পঢ়ামাত্ৰকে পাঠকজনে মানসিকভাৱে তাত প্ৰৱেশ কৰিবগৈ। তাত বৰ্ণিত শৈশৱ... সংক্ষিপ্ত অথচ ইমান প্ৰাণস্পৰ্শী।

আৰু সেই গছ দুজোপা.......!!

পপ্‌লাৰ গছ কেনেকুৱা মই নাজানো। কিন্তু গছ দুজোপাৰ বৰ্ণনা ইমান সুন্দৰ আৰু শক্তিশালী যে সিহঁত দুজোপা মোৰ চকুৰ আগত থিয় দিয়া যেন লাগে।

পপ্‌লাৰ দুজোপা থকা পাহাৰটোক মানুহে 'দুইচেন স্কুল' বুলি কয়। তাৰ কাৰণ বিচাৰিয়ে আমি কাহিনীটোৰ ফালে গতি কৰোঁ।

কিৰঘিজীয়াত তেতিয়া ছোভিয়েট শাসন স্থাপন হৈছে। কুৰ্কুৰ'লৈ এজন আচহুৱা মানুহৰ আগমন ঘটিছে। তেওঁৰ নাম দুইচেন। তেওঁ কম্‌চমলৰ সভ্য। গাঁৱৰ মানুহবোৰে জনা নাছিল 'স্কুল' কি বস্তু। লিখা-পঢ়া শিকি পৰম্পৰাগত ভাৱধাৰা সলনি কৰাৰ কথা তেওঁলোকে ভাবিবই পৰা নাছিল। কিন্তু দুইচেনৰ আগমনৰ উদ্দেশ্য আছিল ছোভিয়েট চৰকাৰে বিচাৰৰ দৰে গাঁৱত

স্কুল পাতি ল'ৰা-ছোৱালীবোৰৰ জীৱনত শিক্ষাৰ পোহৰ পেলোৱা। দুইচেন কিন্তু বেছি শিক্ষিতও নাছিল।

গাঁৱৰ মানুহৰ অসহযোগিতা আৰু অনেক ঠাট্টা-বিদ্রুপৰ পিছতো এদিন দুইচেনৰ স্কুলখন হৈ উঠিল— পাহাৰৰ ওপৰত পৰিত্যক্ত আস্তাবল এটাত। দুইচেনে ঘৰে ঘৰে গৈ ল'ৰা-ছোৱালী গোটাই আনিলে। কেঁচুৱা কালৰে পৰা নিয়তিৰ নিষ্ঠুৰতাৰ লগতে খুৰীয়েকৰ গালি-শপনি আৰু কটুক্তিৰ বিন্ধন সহি অহা মাউৰা ছোৱালী আলতিনায়ো গ'ল স্কুললৈ, মনৰ দৃঢ়তা আৰু বিদ্রোহ কৰাৰ অদম্য বাসনাৰ গুণতে। নোটবুক, পেঞ্চিল, কাঠৰ ফলি আৰু লেনিনৰ ফটো দেখুৱাই দুইচেনে ল'ৰা-ছোৱালীবোৰক এটা সুন্দৰ ভৱিষ্যতৰ সপোন দেখুৱালে। আলতিনায়ো সপোনটোৰ পিঠিত খামুচি ধৰিলে।

সৎ কামৰ সন্মুখতো অনেক বাধা। দুইচেনো বহু ঘাত-প্ৰতিঘাতৰ সন্মুখীন হ'ল। সমাজৰ উন্নতিৰ বাবে দুইচেনে সকলো সহি গ'ল— বিপদ, কষ্ট, গঞ্জনা.. সকলো। দুইচেনৰ আশ্চৰ্য দৃঢ়তা আৰু অদ্ভুত একাগ্ৰতাই কাক অভিভূত নকৰাকৈ থাকিব পাৰে। আইৎমাতভৰ নায়ক-নায়িকাসকলৰ নৈতিক প্ৰকৃতি অতি শক্তিশালী।

দিনবোৰ তেনেকৈয়ে আগবাঢ়িল। আলতিনাইৰ জীৱনলৈও বসন্ত আহিল। জীয়াই থকাৰ আনন্দত আলতিনায়ো হাঁহিছিল। কিন্তু মানুহৰ নিষ্ঠুৰতাই হাঁহিবোৰ কাঢ়ি নিয়াৰ শংকাও আছিল। আলতিয়াইক শংকামুক্ত কৰি দুইচেনে তাইৰ হাতত পপ্‌লাৰৰ পুলি দুটা তুলি দি ভৱিষ্যবাণী কৰিলে— আলতিনাই এদিন বিদগ্ধ মনীষী হ'ব। পাহাৰৰ ওপৰত দুয়ো নিজ হাতে পুলি দুটা ৰুলে। নিজৰাৰ পৰা পানী আহিব পৰাকৈ পুলি দুটাৰ গুৰিলৈ দুটা লোৰ কাটিও দিলে। অন্তৰ উদ্ভাষিত কৰিব পৰা দুইচেনৰ স্বচ্ছ হাঁহিটোৱে আলতিনাইৰ অন্তৰত এক অভিনৱ আৰু অপৰিচিত অনুভূতিৰ সৃষ্টি কৰিলে।

পিছে সেই কথা কোৱা নহ'ল দুইচেনক।

আলতিনাইৰ জীৱনৰ বাটেদি এজাক ভয়ংকৰ ধুমুহা হৈ গ'ল। সপোনবোৰ তচ্‌নচ্ কৰিলে। দুইচেনে তাৰ পৰাও তেওঁক উদ্ধাৰ কৰিলে।

এইবোৰ দুইচেনে আলতিনাইক এক নতুন ঠিকনাৰ বাবে সাজু কৰিলে। আলতিনাই আকৌ নতুন আত্মবিশ্বাস, নতুন আশা আৰু নতুন পোহৰ অভিমুখী হ'ল। দুইচেনে যেন 'মন আকাশৰ পোহৰকণ'কে বিদায় দিলে।

নগৰত থাকি আলতিনায়ে শিক্ষাৰ চিৰিবোৰ এটা এটাকৈ বগাই গ'ল। কিন্তু নোকোৱা কথাৰ পীড়ন নকমিল। দুইচেনক বিচাৰি হাহাকাৰ কৰিলে তেওঁৰ মনে।

দেশত যুদ্ধ আৰম্ভ হ'ল। যুদ্ধৰ সময়ত আলতিনাই কুৰ্‌কুৰ্ পালেগৈ। দুইচেনক বিচাৰিলে। কিন্তু সময়ে সেয়া বিচৰা নাছিল। দুইচেন সেই সময়ত সৈনিক হৈ যুদ্ধলৈ গ'ল।

দুইচেনৰ ভৱিষ্যতবাণী সঁচা হ'ল। গভীৰ পৰিশ্ৰমৰ বলতে আলতিনায়ে বিদগ্ধা মনীষীৰূপে খ্যাতি আৰ্জিলে। আৰু দুইচেন.......? যুদ্ধৰ পিছত দুইচেন আকৌ কুৰ্‌কৰ'লৈকে ঘূৰি আহিল। বয়স বাঢ়িল, কিন্তু স্বভাৱ একেই থাকিল। একেই.......... কথা আৰু কামত তৎপৰ।

আলতিনায়ে নিজাকে সংসাৰ কৰিলে। কিন্তু দুইচেনৰ বিদায়পৰৰ চিঞৰটো আলতিনাইৰ কাণত আজীৱন ধ্বনিত হৈ থাকিল। দুইচেনক তেওঁ কাহানিও পাহৰিব নোৱাৰিলে। তেওঁ যি স্থানত অভিষিক্ত হ'ল, তাৰ বাবে সকলো সন্মান প্ৰাপ্য আছিল কেৱল দুইচেনৰ। পিছে দুইচেনক সন্মান দিয়াৰ কথা গাঁৱৰ কোনেও ভবা নাছিল। আলতিনায়ে নিজকে সুধিছে— সাধাৰণ মানুহক লেনিনে যেনেভাৱে শ্ৰদ্ধা কৰিছিল, তেনে শ্ৰদ্ধা কৰিবলৈ বাৰু আমি কেতিয়াৰ পৰা পাহৰিলোঁ? (পৃঃ ৯৭)

দংশিত বিবেকক সকাহ দিবৰ বাবেই এদিন কলম তুলি ল'লে আলতিনায়ে আৰু আমাক কাহিনী কওঁতা শিল্পীজনলৈ এখন চিঠি লিখিলে— 'যিমান বেছি লোকে এই কাহিনীটো পঢ়িব সিমানেই মোৰ বিবেক দংশন কমিব।' (পৃঃ ১৯)

গাঁৱৰ উঠি অহা ল'ৰা-ছোৱালীবোৰক নিজৰ গাওঁখনৰ প্ৰথম শিক্ষকজনৰ বিষয়ে জনোৱাৰ দায়িত্ব আলতিনায়ে তেওঁৰ কাহিনীটো সদৰী কৰিলে।

এদিন কুৰ্‌কুৰ'লৈ যাম, মোৰ শিক্ষাগুৰুক এবাৰ চাই আহিম— তেওঁৰ পকা দাড়িকেইডালত লিৰিকি বিদাৰি এটা চুমা যাচি দিমগৈ.....' এনে আশাৰেই আলতিনাই কাহিনীটো শেষ হৈছে। (পৃঃ ৯৮)

মই ভাবো— পাঠকসকল পোৱাল বৰুৱাৰ ওচৰত ঋণী হৈ থাকিব, এজন বীৰ যুঁজাৰুৰ জীৱনৰ জটিলতা আৰু মানৱীয় অনুভূতিৰ মহান মাত্ৰাৰে এনে এক যুগজয়ী কাহিনীক অসমীয়া ভাষাতো হৃদয়স্পৰ্শী কৰি তোলা বাবে।

সাহিত্য সভাৰ সভাপতি ইমৰাণ শ্বাহ ছাৰৰ সৈতে তেওঁৰ ব্যক্তিগত জীৱনৰ লগতে সাহিত্যিক জীৱনৰ কি দৰে অংকুৰণ ঘটি বৰ্তমানৰ পৰ্য্যায়ত উপনীত হ'ল। লগতে বৰ্তমানৰ কিছুমান চলিত সংস্কৃতি তথা পৰিস্থিতিয়ে কিদৰে আমাৰ সমাজ, সাহিত্যিক প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা আছে তাৰ বিষয়ে তেওঁৰ সৈতে কথোপকথন কৰা হৈছিল। এই কথোপকথনৰ সম্পাদিত ৰূপ আগবঢ়োৱা হ'ল–



১। ছাৰ নমস্কাৰ, আপোনাৰ ল'ৰালি কালৰ কিবা স্মৰণীয় ঘটনা আছেনে?

উঃ স্মৃতি সকলোৰে আছে। মোৰো আছে। তেনেকৈ বিশেষ বুলি নাই। পৰি দুখ পোৱা সেইবিলাক ঘটনাই আছে। অ' এবাৰ পেটৰ অপাৰেচন এটা হৈছিল। ডাক্তৰী কাৰবাৰ। আগতেতো ইমান সা-সুবিধা নাছিল। মই যথেষ্ট ভয় খাইছিলো অপাৰেচনটোৰ বাবে। মই সেই অপাৰেচনটোৰ বাবে এটা কথা অনুভৱ কৰো তেতিয়াৰ আৰু এতিয়া ডাক্তৰী ব্যৱস্থাৰ মাজত যথেষ্ট পাৰ্থক্য আছে। ডাক্তৰ আৰু নাৰ্চৰ চিন্তা ধাৰাত মানৱিয়তাৰ গুণে বেছি প্ৰভাৱ পেলাইছিল। আৰু মই ভাৱো মোৰ কিছুমান গল্পত প্ৰকাশ পোৱা ডাক্তৰী ছবি এই অপাৰেচনটোৰ কিছু প্ৰভাৱ আছে।

২। ছাৰ, আপোনাৰ সাহিত্যিক জীৱনৰ পাতনি কেতিয়া মেলিছিল?

উঃ মই Class IX ত পঢ়ি থাকোতে এটা প্ৰবন্ধ লিখিছিলো। প্ৰবন্ধটো ইংৰাজীত লিখিছিলো। নামটো ঠিক পাহৰিছো, কিন্তু এজন মহৎ লোকৰ জীৱনৰ ওপৰত ৰচনা লিখিছিলো। এই লেখনীটো আমাৰ স্কুলৰ আলোচনীত প্ৰকাশ পাইছিল।

৩। ছাৰ, আপোনাৰ প্ৰথম সাহিত্যিক কৃতি বুলি Class IXত লিখা প্ৰবন্ধটোৰ কথা ক'ব খোজে নে! অন্য বেলেগ পুথিক ইয়াৰ আসন দিব বিচাৰে?

উঃ মই যেতিয়া এই প্ৰবন্ধটো লিখিছিলো তেতিয়া সাহিত্যিক হ'ম বুলি ভবা নাছিলো। মই পঢ়াত ইমানো বেয়া নাছিলো ছাগে, সেয়ে হেড ছাৰে, মাতি নি মোক আলোচনীৰ বাবে লিখিবলৈ কৈছিল আৰু মই সাধাৰণ ভাৱেই লিখিছিলো। মই Class ixত কবিতা লিখি Class X ত এখন কবিতাপুথি উন্মোচন কৰিছিলো। কিন্তু হ'লেও মই ইংৰাজীত লিখা প্ৰবন্ধটোকে প্ৰথম সাহিত্যিক কৃতি বুলি ক'ব খোজো।

৪। শিৱসাগৰৰ বহুকেইজন সন্তানে পূৰ্বতেও সাহিত্য সভাৰ এই গুৰু ভাৰৰ দায়িত্ব গ্ৰহণ কৰিছিল। সেই ধাৰাবাহিকতা আজি আপুনিও ৰক্ষা কৰিছে। এই ক্ষেত্ৰত এই পূৰ্বজসকলৰ প্ৰভাৱ আপোনাৰ গাত পৰিছে বুলি ভাবেনে? এইক্ষেত্ৰত আপোনাৰ মতামত.........

উঃ নাই, আগৰ শিৱসাগৰৰ সাহিত্যিকৰ প্ৰভাৱ নাই। পদ্মধৰ চলিহা, যতীন দুৱৰা, বীৰেন বৰকটকী আদিক শিৱসাগৰ কলেজত চাকৰিসূত্ৰে লগ পাইছিলো যদিও ঘনিষ্ঠতা নাছিল।

৫। ছাৰ, বৰ্তমান সাহিত্য সভাৰ সভাপতি হিচাপে সুখীনে?

উঃ সুখী, অসুখী কথা নাহে। সকলোৱে জানেই যে মই এই দায়িত্ব ল'ব খোজা নাছিলো। কিন্তু মোক জোৰকৈ দিয়া হ'ল। মই ল'লো দায়িত্ব। মই ফুটবল খেলি ভাল পাইছিলো। খেলতো

সৰা-জিকা থাকেই। ভালদৰে খেলিলে সাৰিলেও বেয়া নালাগে। গতিকে নিষ্ঠাৰে মই কৰ্তব্য কৰি যাম কিমান সফল হ'ম সেয়া সময়ৰ হাতত।

৬ । ছাৰ, বৰ্তমানে অসম সাহিত্য সভাৰ কাম স্থবিৰ হৈ পৰিছে, সাহিত্য সভাই মূল সুঁতিৰ পৰা আঁতৰি আহিছে, ইত্যাদি ইত্যাদি বিভিন্ন প্ৰাসংগিক কথাৰ তীব্ৰ সমালোচনা বিভিন্ন মহলে কৰি তেওঁলোক যে সাহিত্য সভাৰ প্ৰতি সচেতন তাক প্ৰমাণ কৰি আহিছে বুলিয়ে ক'ব পাৰি। ছাৰ, প্ৰশ্ন হ'ল আমাৰ জনসাধাৰণে যিখিনি সহযোগীতা আৰু যি সচেতনতা থাকিব লাগে সাহিত্য সভাৰ প্ৰতি তাক আছে বুলি আপুনি ভাবেনে?

উঃ আগতে সাহিত্য সভাৰ নাম আছিল "অসম সাহিত্য সন্মিলনী" তেতিয়া বৰ অসম গঠিত হৈ আছিল। মই আগৰ কথা নাজানো কিন্তু এতিয়া মই মোৰ কাম ভালদৰে কৰি যাম। আগতে সাহিত্য সভা পতা হৈছিল ৩০০ টকাকৈ। কিন্তু এতিয়া অসমত মুঠ ৬টা কাৰ্য্যালয় আছে। ১৪০০ টা শাখা সাহিত্য সভা আছে। তাৰে ৯৪ খন শিৱসাগৰতে আছে। আমি সাহিত্য সভা বুলিলে অধিৱেশন খনৰ কথা বুজো নহয় জানো। কিন্তু ইয়াৰ উপৰিও এই কাৰ্য্যালয় সমূহৰ কথা যে মই ক'লো তাত বহুতো কৰ্মচাৰীয়ে বছৰটো কাম কৰি থাকে। তেওঁলোকক দৰমহা দিব লগা হয়। কেনেকৈ তাক দিব লগা হৈছে তাক ইয়াত জড়িত সকলেহে জানে। বহুত কষ্ট হয়। আমাৰ পইচা নোজোৰেগৈ। কথাবোৰ এনেকুৱাই আৰু।

৭ । আমি জানো যে, অসম সাহিত্য সভাই "সাহিত্য সভা পত্ৰিকা" আৰু শিশু আলোচনী 'কুঁহি' প্ৰকাশ কৰিছে। কিন্তু ইয়াৰ বাদেও অসম ভাষা সাহিত্য বিষয়ক অন্য কিবা আলোচনী প্ৰকাশৰ কথা চিন্তা কৰিছেনেকি?

উঃ বাৰ্তা নামৰ আলোচনী এখনত মাহৰ মূৰত প্ৰকাশ পায়। তাৰোপৰি বছৰি ২০০-২৫০ খন কিতাপ প্ৰকাশ কৰি আহিছে। এইবাৰ ২০১৩ চনত ২১৬খন উন্মোচন কৰা হৈছে।

৮। ছাৰ, নৱ প্ৰজন্মই বৰ্তমানে বাংক মৰা, মস্তি, টামাম, বে ইত্যাদি শব্দৰ ব্যৱহাৰ কৰা দেখা যায়। এই শব্দবোৰ অদুৰ ভৱিষ্যতে অভিধানৰ বুকুত স্থান পোৱাৰ সুযোগ আহিব নে? যদি আহে অসমীয়া ভাষা সাহিত্যৰ উন্নতি হ'বনে? এইক্ষেত্ৰত আপোনাৰ মতামত..........

উঃ অ' আমি কৈছিলো এনেকুৱা শব্দ আগতে। কথকী ছোৱালীক আমি চিলাই মেচিন বুলি কৈছিলো। বৰ্তমানে কিছুমান শব্দ সাহিত্যত সোমাইছে আৰু যিবোৰ শব্দৰ সাহিত্যিক অৰ্থ থাকিব সেইবোৰ অভিধানত অন্তৰ্ভূক্তি হ'ব। ইয়াৰ অসমীয়া ভাষা সাহিত্যৰ উন্নতি নিশ্চয় হ'ব।

৯ । ছাৰ, কথাৰ মাজলৈ নৱ প্ৰজন্ম আহোঁতে এটা প্ৰশ্ন সুধিব বিচাৰিছো, আমাৰ অসমীয়া সংস্কৃতি সমন্বয়ৰ সংস্কৃতি। লগতে সংস্কৃতি গতিশীল আৰু পৰিৱৰ্তনশীল। ছাৰ বৰ্তমানৰ প্ৰজন্মই যি সংস্কৃতিক চলমান অৱস্থাত ৰাখিছে সেয়া কেৱল অপসংস্কৃতিৰ মৰ্যদা পোৱাৰ যোগ্য নে? নে ইয়াক আমাৰ সমন্বিত সংস্কৃতিৰ যোগাত্মক দিশো বুলিব পাৰি।

উঃ সংস্কৃতিৰ আদান প্ৰদান হ'বই। নতুন আহিব, পুৰণি লগত মিহলি হ'ব। আমি সংস্কৃতিৰ দিশত এটা কথাই লক্ষ্য কৰিব লাগে যাতে সকলোবোৰ বস্তু নহয়। ভালবোৰ গ্ৰহণ কৰিলে নিশ্চয় এটা যোগাত্মক দিশেই হ'ব।

১০। ছাৰ, আপুনি এজন সাহিত্য সভাৰ সভাপতি হিচাপে নহয়, এজন বয়সস্থ আৰু অভিজ্ঞতাপুষ্ট ব্যক্তি হিচাপে নৱপ্ৰজন্মক কি পৰামৰ্শ দিব?

উত্তৰ ঃ- নৱপ্ৰজন্ম বুলি আচলতে কোনো বয়সৰ ল'ৰা-ছোৱালীক সীমাবদ্ধ কৰিব নোৱাৰি। এন ফ্ৰাংকৰ যিখন ডায়েৰী সেইখন ১৩ বছৰ বয়সত লিখিছিল। কিন্তু তাৰ কথাবোৰ যথেষ্ট গভীৰ আছিল। মই এটা কথাই কম তেওঁলোকে যাতে মানসিক আৰু শাৰীৰিক উৎকৰ্ষ সাধন কৰে আৰু মানসিক আৰু শাৰীৰিক ভাৱে সবল ব্যক্তিয়ে ভাল চিন্তা চৰ্চা কৰিব পাৰিব। যত্ন কৰা। সকলো কামতে সফল নিশ্চয় হ'বা।

ছাৰ আপোনাৰ ব্যস্ততাৰ মাজত অলপ সময় দিলে তাৰ বাবে ধন্যবাদ।▶▶

ৰঙা জিঁঞাৰ কবি মহিম বৰাৰ সৈতে এক্ষন্তেক



আপোনাৰ সাহিত্যিক জীৱনৰ আৰম্ভণি কেতিয়া কেনেদৰে হৈছিল সেই বিষয়ে অলপ কওকচোন।

মহিম বৰা ঃ সাহিত্যিক জীৱন বুলি কথা এটা নাই। মই সৰুৰে পৰা সাহিত্যৰ প্ৰতি অনুৰাগী আছিলো। কবিতা পঢ়ি ভাল পাইছিলো। মায়ে মৌখিক গীত, লোকগীত আদি গাই শুনাইছিল। তদুপৰি 'ভীম চৰিত্ৰ', 'শ্যামন্তক হৰণ' আদিও পঢ়ি শুনাইছিল। তেতিয়াৰ পৰাই মোৰ কবিতা লিখাৰ প্ৰতি ধাউতি বাঢ়ি যায় আৰু আগলৈ মই এনেকৈ কবিতা লিখি মোৰ নাম ছপা কৰিম বুলি ভাবিবলৈ ল'লো। এয়া মোৰ সাহিত্যিক জীৱন বুলি ক'ব পাৰি নে নাই নাজানো।

পাৰি পাৰি, নিশ্চয় পাৰি। বাৰু আপোনাৰ প্ৰথম সাহিত্য ৰচনা কি আছিল? কবিতা নে?

মহিম বৰা ঃ কবিতা, মানে পদ্য। নামবিলাক অৱশ্যে মনত নাই। এঘাৰ-বাৰ বছৰমান বয়সত লিখিছিলো। 'অকণ আৰু ভয়' মোৰ প্ৰথম ছপা হোৱা পদ্য।

আপোনাৰ সাহিত্য সাধনা কৰিবলৈ কোনে অনুপ্ৰেৰণা যোগাইছিল?

মহিম বৰা ঃ মা। মোৰ 'পাখি লগা দিন' খন পঢ়িলে এই বিষয়ে ভালদৰে গম পাব আপোনালোকে।

কবিতা, গল্প, উপন্যাস-সাহিত্যৰ এই সকলোবোৰ দিশতে আপুনি খোজ পেলাইছে। কিন্তু নিজকে আপুনি কি বুলি পৰিচয় দিবলৈ ভাল পায়?

মহিম বৰা ঃ মই ভাৰিছিলো সকলোৰে মোক কবি বুলি কওক। কিন্তু মানুহে মোৰ কবিতাতকৈ গল্প পঢ়িহে বেছি ভাল পালে। কোনোৱে মোক কবি, কোনোবাই আক' গল্পকাৰ বুলিহে কয়। মই হ'লো সাহিত্য বনৰ এজন বনুৱা। সাহিত্য জগতৰ এজন কৰ্মী। গতিকে যেয়ে যেনেকৈ কয়, যেনেকৈ ভাল পায়......।

আপোনাৰ সাহিত্যত অসমীয়া ভাষাৰ এটা বিশুদ্ধ ৰূপ ফুটি উঠে বুলি সমালোচক সকলে কয়। এই সন্দৰ্ভত আপুনি কি ক'ব খোজে?

মহিম বৰা ঃ বিশুদ্ধ অসমীয়া ঠিক বেজবৰুৱা, গোহাঞি বৰুৱা বা সূৰ্যকুমাৰ যি অসমীয়া, তেওঁলোকৰ যি সুন্দৰ ভাষা সেয়া মই আয়ত্ব কৰিব নোৱাৰিলো। যদি কোনোবাই মোৰ ভাষা ভাল পাইছে তেন্তে সেইটো বেজবৰুৱাৰ প্ৰভাৱ। আৰু অসমীয়া ভাষাৰ জতুৱা ঠাঁচে মোক বৰ আকৰ্ষণ কৰে। অসমীয়া ভাষাক সমৃদ্ধ কৰিছে এই জতুৱাৰ ব্যৱহাৰে। ভাষা সম্পদ হ'ল জতুৱা ঠাঁচ। আজিকালি ইয়াৰ ব্যৱহাৰ কমিছে। গতিকে এই ঠাঁচটো জীয়াই ৰাখিবলৈ চেষ্টা কৰিব লাগে।

আপুনি বহুকেইটা গল্প লিখিছে। কিন্তু তাৰ ভিতৰত গল্প আপোনি শ্ৰেষ্ঠ বুলি ভাৱে?

মহিম বৰা ঃ এই প্ৰশ্নটো মোক বহুতে সুধিছে। কিন্তু উত্তৰ দিয়া বৰ টান। মোৰ কাৰণে মোৰ সকলো ৰচনা সমান। তথাপি 'চক্ৰৱৎ'- এই গল্পটো মোৰ ভাল লাগে। 'চক্ৰৱৎ' হৈছে 'চকৰি', চকৰিৰ দৰেই ঘূৰি থাকে আমাৰ জীৱন।

আপোনাৰ কবিতাত গ্ৰাম্য সমাজ, গ্ৰাম্য সমাজৰ সৰলতা আদি দিশবোৰো সুন্দৰভাৱে প্ৰতিফলিত হৈছে। কিন্তু 'ৰঙা-

জিঁঞাৰ কবি, আপুনি বিশেষভাৱে পৰিচিত। বাকীবোৰ কবিতাৰ বিষয়ে আপোনাৰ মন্তব্য কি?

মহিম বৰা ঃ মোৰ কবিতা আচলতে ছটা মানহে। ড° হীৰেণ গোঁহাই, অধ্যাপক ভৱেন বৰুৱা, প্ৰভাত বৰা, হৰেকৃষ্ণ ডেকা- এইসকলৰ মতেও ছটামানহে মোৰ ভাল কবিতা। বাকীবোৰ পদ্য বুলিয়েই ধৰিব পাৰো। প্ৰভাত বৰাই কৈছে, সেই ছটা কবিতাই হেনো মোৰ শ্ৰেষ্ঠ কীৰ্তি। কোনোবা এজনে মোৰ 'ৰঙা-জিঁঞা' খনক চন্দ্ৰকুমাৰ আগৰৱালাৰ 'প্ৰতিমা'ৰ লগত তুলনা কৰিছে। বেজবৰুৱাই কোৱাৰ দৰে "প্ৰতিমাখন সৰু, কিন্তু নিভাঁজ সোণৰ'। মই নাজানো কোনে কেনেকৈ কয়। মোৰ কাৰণে কবিতা আৰু পদ্য যিয়েই হওঁক মোৰ ভাল লাগে। জ্ঞানানন্দ শৰ্মাৰ মতে মোৰ শ্ৰেষ্ঠ কবিতা 'বালিচৰ'। কিন্তু 'পুখুৰী' কবিতাটো মই নিজে বেছি ভাল পাওঁ। ইয়াৰ বিশ্বৰ চিন্তা সোমাই আছে। 'ৰঙা-জিঁঞা' আকৌ মোৰ ব্যক্তিগত ভাৱ-অনুভূতিৰে লিখা, মোৰ অন্তৰৰ কথা। গতিকে প্ৰত্যেকে মোৰ বেলেগ বেলেগ কবিতাবোৰ ভাল পায়।

'ৰঙা-জিঁঞাৰ কবি' বুলিলে ভাল লাগেনে?

মহিম বৰা ঃ অ' ভাল লাগে। গিৰীশ দাসে এদিন ক'লে, সৰু ল'ৰা-ছোৱালীবোৰে ৰঙা-জিঁঞা দেখিলে হেনো মোৰ কথা কয়। ভাল লাগে।

'হেৰোৱা দিগন্তৰ মায়া', 'এধানী মাহীৰ হাঁহি' এই দুখন উপন্যাস লিখাৰ পিছত আপুনি উপন্যাস জগতৰ পৰা আঁতৰি অহা যেন অনুভৱ হয়। আপুনি কি ক'ব খোজে?

মহিম বৰা ঃ মোৰ ছপা উপন্যাস চাৰিখন। আচলতে উপন্যাস লেখা বৰ টান কাম। বহুত কষ্ট কৰিব লাগে। তথাপি এতিয়া, বিশেষকৈ মহিলা সাহিত্যিক সকলে বৰ আচৰিত ধৰণে বৰ্তমানৰ অসমীয়া উপন্যাস সাহিত্যক টনকিয়াল কৰি পেলাইছে। পূৰবী বৰমুদৈ, ৰীতা চৌধুৰী, চন্দনা গোস্বামী, অনুৰাধা শৰ্মা পূজাৰী, জুৰি বৰা বৰগোহাঁই, মণিকুন্তলা ভট্টাচাৰ্য্য আদিৰ উপন্যাস আন ভাষাৰ উপন্যাসৰ লগত ফেৰ মাৰিব পৰা।

আপোনাৰ ভৱিষ্যৎ পৰিকল্পনা?

মহিম বৰা ঃ নাই, এতিয়া এই নব্বৈ বছৰ বয়সত মই চকুৰে নেদেখো, নিজে লিখিব-পঢ়িবও নোৱাৰো। গল্পৰ প্লট এটা মনলৈ আহি আছে, কিন্তু লিখিব পৰা নাই। ঠিক 'মুড' আহিলে লিখি দিবলৈ মানুহ নাথাকে, মানুহ থাকিলে মুডেই নাথাকে।

বৰ্তমান আপুনি কেনেদৰে ব্যস্ত থাকে?

মহিম বৰা ঃ গোঁসাই ঘৰত সোমাই থাকো। প্ৰাৰ্থনা কৰো। ঈশ্বৰ সন্তুষ্ট নহ'লেও মই নিয়মীয়া এটা কাম হিচাপেই কৰি থাকো। পঢ়িবও নোৱাৰো, লিখিবও নোৱাৰা অৱস্থা হ'ল। ডাক্তৰেও এঘন্টাতকৈ বেছি সময় কথা পাতিবলৈ মানা কৰিছে। কথা পাতিবলৈ মানুহো নাই। দিনত সকলো ব্যস্ত থাকে। সেয়ে গোঁসাই ঘৰতে সোমাই থাকো। মনলৈ শান্তি আহে।

বৰ্তমান সমাজখনৰ অথবা অসমৰ সাম্প্ৰতিক অৱস্থা সন্দৰ্ভত আপুনি কি ক'ব খোজে?

মহিম বৰা ঃ ভয়ংকৰ অৱস্থা! দেশৰ অৱস্থা, পৃথিৱীৰ অৱস্থা, অসমৰ জাতীয় জীৱনৰ সংকট, ভাষাৰ সংকট, দুৰ্নীতি, হত্যা, আত্মহত্যা, নাৰীৰ ওপৰত অত্যাচাৰ- এইবিলাক শাস্ত্ৰত যি পাইছো, কলি যুগত যিবোৰ হ'ব লাগে সেইবোৰ ঘটি আছে। অৱশ্যে কথাটো সেইটো নহয়; পৃথিৱীত যুগে যুগে এনেবোৰ ঘটনা ঘটে। ৰামায়ণ- মহাভাৰততো আমি এই কথা পাওঁ। সৎ আৰু অসতৰ দ্বন্দ সদায় থাকিবই। কথা হ'ল- শুভ শক্তিক জয়ী কৰিবলৈ শুভ চিন্তাৰ লোকসকল এক হ'ব লাগিব।

নতুনকৈ সাহিত্য-চৰ্চা কৰিবলৈ আগবাঢ়ি অহাসকলক কি ক'ব বিচাৰিব?

মহিম বৰা ঃ প্ৰথম কথা হ'ল, যিটো ভাষাত লিখে সেই ভাষাটো আয়ত্ব কৰা, তাৰ ভিতৰলৈ যোৱা। অসমীয়া ভাষাত লিখিব বিচৰাসকলে বিশুদ্ধ অসমীয়া লিখিব লাগিব। দ্বিতীয় কথা, অভিজ্ঞতা। আমাৰ অভিজ্ঞতা বৰ কম। আজিকালি প্ৰায়বোৰ ৰচনাই 'ড্ৰয়িং ৰুম লিটেৰেছাৰ' হৈ পৰিছে। হাতে-কামে লাগি অভিজ্ঞতা আহৰণ কৰাৰ সুবিধা আমি বহুতেই লোৱা নাই। ন ন অভিজ্ঞতাক সাহিত্য সৃষ্টিৰ সমল হিচাপে ল'ব লাগে। সন্ত্ৰাসবাদ, পৰ্বতাৰোহণ, খেতিয়কৰ জীৱন, দৈনিক হাজিৰা কৰি খোৱা মানুহৰ জীৱনৰ আশা-আকাংক্ষা, সপোনবোৰৰ মাজতো গল্প-উপন্যাস লিখাৰ সমল আছে।

ব্যক্তিগত জীৱনটোক লৈ আপুনি সুখীনে? আপোনাৰ এই নব্বৈ বছৰীয়া জীৱনটোত আপুনি কি পালে, কি নাপালে তাক লৈ সন্তুষ্টি বা অসন্তুষ্টি আছেনে?

মহিম বৰা ঃ মানুহ কেতিয়াও সুখী হ'ব নোৱাৰে। অজিত মল্ল বৰুৱাৰ কবিতাৰ এটা শাৰীয়ে মোক বৰ আকৰ্ষণ

কৰে- “যি বাটে নগ’লো সেয়েতো আছিলো ভাল।” প্ৰত্যেক এবাৰ হ’লেও ভাৱে, এনেকৈ নকৰি তেনেকৈ কৰা হ’লেই ভাল আছিল। আচলতে মানুহৰ সুখ অনুভূতিটো অন্তৰৰ। নিজৰ, অসুখ-বিসুখ, পাৰিবাৰিক সমস্যা আদিবোৰটো সকলোৰে থাকেই। তথাপি কওঁ, মোৰ জীৱনত দুখ-যন্ত্ৰণাই বেছি। কিন্তু আনন্দ হয় যে, উঠি অহা দলটোৰ মাজত, মোৰ নাতি-নাতিনীহঁতৰ মাজত আশাৰ সঞ্চাৰ হোৱা দেখিবলৈ পাইছো।

শেষত, আপুনি আমাক কি ক’ব বিচাৰিব? নতুন প্ৰজন্মলৈ কিবা বাৰ্তা.........?

মহিম বৰা ঃ গুণীৰ গুণ বুজিব পৰাটো জীয়া জাতিৰ লক্ষণ। জীয়া জাতিৰ লক্ষণ মই দেখিবলৈ পাইছো শেহতীয়াকৈ ভূপেন হাজৰিকাৰ মৃত্যুৰ পিছত তেওঁক জীয়াই ৰাখিবলৈ অসমীয়া মানুহৰ আগ্ৰহ আৰু প্ৰচেষ্টাৰ মাজত। এয়া শুভ লক্ষণ। যদিও সমাজখনত ‘বেয়া’ বহুত আছে তথাপি শুভ শক্তিৰে জয় হ’ব। মানুহ জয়ী হ’বই লাগিব। তাৰ বাবে যুদ্ধ কৰিব লাগিব। ৰত্ন বৰাইও কৈছে, পৃথিৱীত মানুহ কেৱল তিষ্ঠি থাকিলেই নহ’ব, জয়ী হ’ব লাগিব। জয়ী হ’বৰ কাৰণে গোটেই পৃথিৱীৰ মানুহে সামাজিক, সাংস্কৃতি, ৰাজনৈতিক আদি দিশবোৰ শক্তিশালী কৰি তুলিব লাগিব। পৃথিৱীৰ কেন্দ্ৰক মাথো এখন চৰকাৰ হ’ব লাগিব। শেষত, নতুন প্ৰজন্মক কওঁ বেজবৰুৱাই কোৱাৰ দৰে “নতুন প্ৰাণৰ ন-চকুযুৰি। দীপিতি ঢালি দে তাত। পুৰণি পৃথিৱী ন-কৈ চাই লওঁ। হে বীণ এবাৰি মাত।” —বেজবৰুৱাৰ এই আশাবাদ মই নতুন চামৰ মাজত দেখিবলৈ পাইছো। গতিকে তেওঁলোকে নতুন চকুৰে পুৰণি পৃথিৱীখন চাই পুৰণি ভুল-ভ্ৰান্তিবোৰ আঁতৰাব লাগিব আৰু ক’ত আমি হাৰিলো, ক’ত আমি জিকিলো সেয়া বিচাৰ কৰি নতুন পৃথিৱী পোহৰাব লাগিব।

সাক্ষাৎকাৰ যুগুতালে —
কংকনা বৰগোহাঁই

You want to speak English

▸ *Shiva Prasad Mili*

The importance of English has been discussed and talked about in schools, colleges and seminars. But what is sarcastic is how is how many students have realized this very notion of importance in our life. Whether it is in the field of education, outside academics., fluency in English can never be ignored. In this write-up, my purpose is not to discuss the importance of fluency in the language but help you with some ideas to speak- if you want to speak (in) English?

Roshmi Gogoi (4th sem)
Munmun Sharmal (4th sem)
Kajal Devi (2nd sem)

11. KABADDI

Winner - Popy Sonawal (2nd sem)
Karabi Borah (4th sem)
Dipamoni Handique (3rd sem)
Rikumoni Gogoi (4th sem)
Muetafize Rohman (4th sem)
Tasmin Ara Ahmed (4th sem)
Jabin Rahman (4th sem)
Jhornali Dutta (4th sem)
Priyanka Maute (4th sem)
Pomi Sorma (4th sem)
Shilpa Borah (2nd sem)

Runner up - Pragyamoyee Hazarika (3ed year)
Priyanka Borah (2nd sem)
Ajanta Das (2nd sem)
Kabyashri Chutia (2nd sem)
Rakhi Gogoi (2nd sem)
Roshmi Chetia (H.S 1st year)
Dimpi Sonawal (H.S 1st year)
Rakhi Gogoi (H.S 1st Year)
Mamta Gogoi (H.S 1st year)
Mousumi Gharphalia (H.S. 1st year)
Anita Phukon (H.S. 1st Year)

12. TAG OF WAR :

Winner : Jumi Dutta (2nd sem.)
Tasmin Alam (2nd sem.)
Monali Changmai (2nd sem.)
Trishna Bhuyan (2nd Sem.)
Rinku Gogoi (2nd Sem.)
Popy Boruah (2nd Sem.)
Simpee Begum (2nd Sem.)
Farhana Zaman (2nd Sem.)
Mitali Kalita (2nd Sem.)
Sumi Gogoi (2nd Sem.)
Khadiza Begum (2nd Sem.)

Runners up : Pragyamoyee Hazarika (3rd year)

Priyanka Borah (2nd Sem.)
Ajanta Das (2nd Sem)
Kabyashri Chutia (2nd Sem)
Rakhi Gogoi (2nd Sem)
Roshmi Chetia (H.S. 1st Year)
Dimpi Sunuwal (H.S. 1st Year)
Rakhi Gogoi (H.S. 1st Year)
Mamata Gogoi (H.S. 1st Year)
Mousumi Gharphalia (H.S. 1st Year)
Anita Phukan (H.S. 1st Year)

Best Bawler : Pompi Gogoi (4th Sem.)
Best Bast woman : Jumi Dutta (2nd Sem.)
Best Punner : Simpee Begum (2nd sem)
Best thrower : Riku moni Gogoi (4th Sem)
Best player of the year : Jumi Dutta (2nd Sem.)
Home Science Deptt. (major)

MARCH- PASS :

1st : Education Deptt.
2nd : Economics Deptt.
3rd : Political Science Deptt.

As a member of the union, I had been present in the meeting, and gatherings of the college and we all worked unitedly through out the year.

I also like to give my sincere thanks to our respected Principal Sir, respected Tamuli Sir for encouraging and guiding me so much. Also I want to pay special thanks to Santanu Sir. and the fourth grade members for helping me in all possible way during my tenure.

At last but not the least I would like to give my special thanks to all my dear friends, my lovely sisters and all the students for helping and supporting me so much.

Thanking you

Miss Sumi Boruah
Secretary for Sport
(2012-2013)
T.D.C. 2nd Semester (Home Science)

ক্ৰীড়া বিভাগৰ সহকাৰী সম্পাদিকা প্ৰতিবেদন

উজনি অসম বুৰঞ্জী প্ৰসিদ্ধ নগৰ শিৱসাগৰ। এই শিৱসাগৰৰ মাজমজিয়াতে আছে শিৱসাগৰ পুখুৰী আৰু শিৱদৌল। এই শিৱদৌলৰ নিচেই কাষত অৱস্থিত অসমৰ এখন আগশাৰীৰ আৰু আমি গৌৰৱবোধ কৰিব পৰা মহিলা শিক্ষানুষ্ঠান, অসমৰ শিক্ষাজগত খনৰ লগতে আন আন দিশতো নিজৰ নাম আৰু গৌৰৱ উজ্বলাবলৈ সক্ষম হৈ অহা এইখনি শিক্ষানুষ্ঠানেই হৈছে আমাৰ সকলোৰে আদৰৰ আৰু অতি মৰমৰ ঐতিহ্যমণ্ডিত "শিৱসাগৰ ছোৱালী কলেজ"। এইখনি মহান মহাবিদ্যালয়ৰে এক গুৰুত্বপূৰ্ণ অংগ "ছাত্ৰী একতা সভাৰ" ২০১২-১৩ বৰ্ষৰ খেল বিভাগৰ সহকাৰী সম্পাদিকা হিচাপে মোক নিৰ্বাচিত কৰাৰ বাবে মই মোৰ অনুজ, অগ্ৰজ তথা সতীৰ্থ সমূহ ছাত্ৰীলৈকে আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জনাইছো।

২০১২-১৩ বৰ্ষৰ খেল বিভাগৰ প্ৰতিবেদন লিখাৰ প্ৰাক্-মুহূৰ্তত এই মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়া শ্ৰদ্ধাৰ শিক্ষাগুৰু সকল, সমূহ কৰ্মচাৰী তথা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰীলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো আৰু আদৰণি জনাইছো।

২০১২-২০১৩ বৰ্ষৰ খেল বিভাগৰ প্ৰতিবেদন লিখাৰ প্ৰাক্-মুহূৰ্তত এই মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষা মহোদয়া, শ্ৰদ্ধাৰ শিক্ষাগুৰু সকল, সমূহ কৰ্মচাৰী তথা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰীলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো আৰু আদৰণি জনাইছো। বুকুত ৰঙীন সপোন বান্ধি আমাৰ মহাবিদ্যালয়লৈ শিক্ষা লাভৰ বাবে অহা নৱাগতা ছাত্ৰীসকলক লগতে সেই সকল মহান ব্যক্তিক সশ্ৰদ্ধা প্ৰণাম জনাইছো। যিসকলৰ আপ্ৰাণ চেষ্টা আৰু নিঃস্বাৰ্থ ত্যাগৰ ফলত এই "শিৱসাগৰ ছোৱালী মহাবিদ্যালয়খনিয়ে প্ৰতিষ্ঠা লাভ কৰিলে।

ক্ৰীড়া ....হুহু ক্ৰীড়া হৈছে সকলোৰে জীৱনৰ লগত জড়িত এক ৰঙীন অধ্যায়। ই হৈছে আমাৰ ব্যস্ততাৰে ভৰা জীৱনৰ অৱসাদ বিনোদন তথা মনোৰঞ্জনৰ এক প্ৰধান আহিলা। আমাৰ শৰীৰ, মন সুস্থ সবল কৰি ৰাখিবলৈ খেল ধেমালিৰ খুবেই প্ৰয়োজন। ছাত্ৰ-ছাত্ৰীৰ মানসিক আৰু বৌদ্ধিক বিকাশ কেৱল অধ্যয়নৰ দ্বাৰাই সম্ভৱ নহয়। দেশ তথা জাতিৰ পৰিচয় প্ৰদানৰ ক্ষেত্ৰত ঐক্য, শান্তি, প্ৰগতিৰ বাহক, তথা মানৱ জাতিৰ অঙ্গাঙ্গী ক্ৰীড়া প্ৰত্যেকৰে বাবে আৱশ্যক। ই আমাক শৃংখলাবদ্ধতা, মিলা-প্ৰীতি, সচেতনতা, কৰ্তব্যবোধ, দায়িত্ববোধ আদিৰ জ্ঞান উপলব্ধি কৰোৱাৰ উপৰিও সমাজ এখনক প্ৰগতিৰ দিশত আগুৱাই যাবলৈ কিছুমান গুণ প্ৰদান কৰে। সেয়েহে ক্ৰীড়াক আমাৰ ব্যস্ত জীৱনত অগ্ৰাধিকাৰ দিয়া উচিত।

এতিয়া আহোঁ ২০১২-১৩ বৰ্ষৰ "ছাত্ৰী একতা সভা"ৰ কাৰ্যকাললৈ। কাৰ্যভাৰ গ্ৰহণ কৰিয়েই আমাৰ সন্মুখত আহি পৰিছিল বছৰটোৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কাৰ্য। শিৱসাগৰ ছোৱালী কলেজৰ "বাৰ্ষিক ক্ৰীড়া সপ্তাহ।" যাৰ বাবে ছাত্ৰীসকলে অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি থাকে। প্ৰতিবাৰৰ দৰে এইবাৰো অতি উৎসাহেৰে ২০১২ আৰু ২০১৩ বৰ্ষৰ ৪ ফেব্ৰুৱাৰীৰ পৰা ৮ ফেব্ৰুৱাৰীলৈকে "কলেজ সপ্তাহ"ৰ আয়োজন কৰা হৈছিল। যাতে কোনো ভুল-ত্ৰুটি থাকি নাযায় তাৰ বাবেও যথেষ্ট চেষ্টা কৰা হৈছিল।

খেল বিভাগৰ সহকাৰী সম্পাদিকাৰ গধুৰ দায়িত্ব লৈ "কলেজ সপ্তাহ"ত মোৰ বিভাগৰ কাম-কাজবোৰ আগবঢ়াই নিছিলো। খেল বিভাগৰ সম্পাদিকা চুমী বৰুৱা মোৰ সহপাঠী, উপদেষ্টাদ্বয় প্ৰবীন শৰ্মা চাৰ আৰু প্ৰাঞ্জল ৰাজখোৱা ছাৰৰ

সহযোগত আৰু এই ক্ষেত্ৰত প্ৰিঞ্চিপাল ছাৰৰ আমাৰ লগত পূৰ্ণ সহযোগিতাৰ বাবে। আমি কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন হব লগা হোৱা নাছিল। খেল-ধেমালিৰ আৰম্ভ হোৱাৰ দুদিন আগৰে পৰা চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী লোকসকলে আমাক যথেষ্ট সহায় কৰিছিল।

এই সুযোগতে মই এওঁলোক সকলোলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা আৰু অশেষ ধন্যবাদ জনাইছো। দুদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা খেল শিতানৰ প্ৰতিযোগিতা সমূহৰ আৰম্ভণি হৈছিল মাৰ্চ-পাচ আৰু আমাৰ বিশেষ আয়োজন ছাৰ সকলৰ ১০০ মিটাৰ দৌৰ প্ৰতিযোগিতা আৰু বাইদেউহঁতৰ ৫০ মিটাৰ দৌৰ প্ৰতিযোগিতাৰে। এইবাৰৰ, প্ৰতিযোগিতা সমূহ আছিল এনেধৰণৰ।

মাৰ্চ-পাচ প্ৰতিযোগিতা, দৌৰ প্ৰতিযোগিতা, (১০০ মিঃ, ২০০ মিঃ) শ্বট্-পুট, ডিচ্‌কাচ থ্ৰু, জেভেলিন থ্ৰু, লং জাম্প, হাই জাম্প, ৰছী টনা, কাবাডী আৰু ক্ৰিকেট, ইয়াৰ লগতে আমি আয়োজন কৰিব বিচৰা আন কেইবিধ প্ৰয়োজন প্ৰতিযোগিতা আছিল (৪০০ মিঃ আৰু ৪X১০০ মিঃ ৰীলে) কিন্তু বিশেষ অসুবিধাৰ বাবে আমি কক ফাইট আৰু অনুষ্ঠিত কৰিবলৈ সক্ষম নহ'লো। তাৰ বাবে মই ছাত্ৰীসকলৰ ওচৰত ক্ষমা বিচাৰিছো।

মোৰ কাৰ্যকালতে মহাবিদ্যালয়ৰ সকলোৰে হেপাহৰ "বাৰ্ষিক ক্ৰীড়া সপ্তাহ"টি সুকলমে পাৰ হৈ যায় এই ক্ৰীড়া সপ্তাহত মই মোৰ বিভাগৰ প্ৰতিটো প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ যথেষ্ট চেষ্টা কৰিলো।

"২০১২-২০১৩" বৰ্ষৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ প্ৰতিটো খেলতে মই নিজেও যোগদান কৰিলো আৰু মই প্ৰতিটো খেলতে কৃতকাৰ্যতা লাভ কৰিলো। এইবাৰ মই অতিশয় সুখী কাৰণ মই ২০১২-২০১৩ বৰ্ষৰ মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ খেলুৱৈৰ খিতাপ লাভ কৰিলো। এইখিনিতে এটা কথা উল্লেখ কৰিব লাগেযে এই বছৰৰ প্ৰতিযোগী ছাত্ৰী সংখ্যা আগৰ কেইবাটাও বৰ্ষৰ তুলনাত যথেষ্ট বেছি আৰু যাৰ বাবে প্ৰতিযোগিতাৰ মানদণ্ড যথেষ্ট উন্নত হৈছিল। মোৰ কাৰ্যকালতেই বিভিন্ন ধৰণৰ অনুষ্ঠান অনুষ্ঠিত কৰা হয়।

উদাহৰণ স্বৰূপে সৰস্বতী পূজাৰ কথা কব পাৰি। আমি সকলোৰে আগদিনাৰে পৰা অধিক উৎসাহেৰে সকলো কাম সম্পাদন কৰিছিলো। এই সকলোবোৰ অনুষ্ঠান অনুষ্ঠিত কৰোতে আমাৰ ছাত্ৰী একতা সভাৰ সদস্যাবৃন্দাৰ লগতে সকলো ছাত্ৰীৰ সহায় সহযোগিতা আছিল অতুলনীয়। এই অনুষ্ঠানসমূহ সুকলমে অনুষ্ঠিত কৰিবলৈ দিহা পৰামৰ্শৰে সততে অনুপ্ৰাণিত কৰা মহাবিদ্যালয়ৰ প্ৰতিজনা শিক্ষাগুৰুলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

সদৌ শেষত অজানিতে হৈ যোৱা ভুল-ক্ৰটিৰ বাবে পুনৰবাৰ ক্ষমা খুজি "শিৱসাগৰ ছোৱালী কলেজ"ৰ সৰ্বাংগীন উন্নতি আৰু উজ্জ্বল ভৱিষ্যতৰ কামনা কৰি মোৰ এবছৰীয়া কাৰ্যকালৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"জয়তু শিৱসাগৰ ছোৱালী কলেজ"
"জয়তু ছাত্ৰী একতা সভা"
"জয়তু প্ৰৱাহিনী"

শ্ৰীমতী জুমি দত্ত
ক্ৰীড়া বিভাগৰ সহকাৰী সম্পাদিকা
গাৰ্হস্থ্য বিজ্ঞান বিভাগ

ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ বছৰেকীয়া প্ৰতিবেদন

শিৱসাগৰ ছোৱালী কলেজৰ বিগত ২০১২-১৩ বৰ্ষৰ ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ বছৰেকীয়া প্ৰতিবেদন লিখাৰ আগমুহূৰ্তত্ব মই সেইসকল মহানুভৱী ব্যক্তিলৈ মোৰ সশ্ৰদ্ধ প্ৰণিপাত জনাইছো, যি সকল ব্যক্তিয়ে অশেষ কষ্ট স্বীকাৰ কৰি এই মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠা কৰি আজিৰ অৱস্থাত উপনীত কৰিলেহি। মহাবিদ্যালয়খনৰ মাননীয় অধ্যক্ষ মহোদয়কে প্ৰমুখ্যৰ কৰি মহাবিদ্যালয়খনৰ শিক্ষাগুৰু বৃন্দলৈ। কৰ্মচাৰীবৃন্দ তথা ইয়াৰ আগত জড়িত প্ৰত্যেকগৰাকী ব্যক্তিলৈ আন্তৰিক জ্ঞাপন কৰিছো।

ইতিহাসে গৰকা বুৰঞ্জী প্ৰসিদ্ধ শিৱসাগৰ নগৰৰ মাজমজিয়াত অৱস্থিত স্ত্ৰী শিক্ষাৰ উচ্চ শিক্ষানুষ্ঠান শিৱসাগৰ ছোৱালী কলেজ। শিৱসাগৰ ছোৱালী কলেজ আমাৰ পবিত্ৰ জ্ঞানৰ মন্দিৰ। প্ৰথমেই শিৱসাগৰ ছোৱালী কলেজৰ এগৰাকী ছাত্ৰী হিচাপে গৌৰৱ অনুভৱ কৰাৰ আগতে এই কলেজৰ ছাত্ৰী একতা সভাৰ এগৰাকী সদস্যা হ'বলৈ পাই নিজকে সৌভাগ্যৱান বুলি ভাবিছো।

শিৱসাগৰ ছোৱালী কলেজৰ 'ছাত্ৰী একতা সভা' ছাত্ৰী জিৰণী কোঠা বিভাগৰ সম্পাদিকা ৰূপে মোক সৰ্বোচ্চ ভোট দি নিৰ্বাচন কৰাৰ বাবে সমূহ মহাবিদ্যালয়ৰ ছাত্ৰীকে এই সুযোগতে ধন্যবাদ জ্ঞাপন কৰিলো। ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা ৰূপে অধিষ্ঠিত হোৱাৰ পাছৰ পৰাই নিজৰ দায়িত্ব পালন কৰাৰ বাবে অগ্ৰসৰ হৈছিলো। প্ৰথম কাৰ্য্যভাৰ হাতত লৈয়ে মই ছাত্ৰী জিৰণী কোঠাটো পৰিস্কাৰ পৰিছন্ন কৰি চকী মেজসমূহ ছাত্ৰী সকলে বহিবৰ সুবিধাৰ বাবে সজাই ৰখাৰ ব্যৱস্থা কৰিছিলো। এই শৃংখলাবদ্ধতা বৰ্তি থাকিবলৈ ছাত্ৰী জিৰণী কোঠাটো পৰিস্কাৰ কৰি ৰাখিবৰ বাবে জাননীও দিয়াৰ ব্যৱস্থা কৰিছিলো। ছাত্ৰী জিৰণী কোঠাত আজৰি সময়ত খেলিব পৰাকৈ কেৰম বৰ্ড আদি বিভিন্ন খেলসমূহ উলিয়াই দিয়াৰ ব্যৱস্থা কৰিছিলো।

মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ বাবে অতি উৎসাহ আৰু অধীৰ আগ্ৰহেৰে বাট চাই থকা কাৰ্য্যসূচী হ'ল বাৰ্ষিক ক্ৰীড়া সপ্তাহে সকলোৰে লগতে মোৰ কৰ্তব্যক দুগুণে বঢ়াই তুলিলে। ই কাৰ্য্যকালৰ অন্যতম পদক্ষেপ। ক্ৰীড়া সপ্তাহৰ লগত সংগতি ৰাখি মোৰ বিভাগৰ খেলসমূহ শৃংখলাবদ্ধ ভাৱে আয়োজন কৰা হ'ল। মোৰ বিভাগত অৰ্ন্তভূক্ত খেলসমূহ এনেধৰণৰ বেডমিন্টন, লুডু, চাইনিজ, চেকাৰ, কেৰম, দবা, মেহেন্দী, কেশসজ্জা, পুডিং, হালোৱা, পৰম্পৰাগত সাজ-পাৰ প্ৰতিযোগিতা আৰু ইয়াৰ লগতে এই বছৰ ইনষ্টলেচন, ট'য় মেকিং, পষ্টাৰ মেকিং, কলাজ আদি প্ৰতিযোগীতা সমূহ মোৰ দায়িত্বত পৰিছিল। প্ৰতিযোগিতা সমূহত ভাগ লোৱা প্ৰতিযোগিতাৰ সংখ্যাত বৃদ্ধি পাইছিল। এই প্ৰতিযোগিতাসমূহ সুচাৰুৰূপে সম্পন্ন হৈছিল আৰু সকলো ছাত্ৰীয়ে সুন্দৰভাৱে অংশ গ্ৰহণ কৰিছিল। এই আপাহতে প্ৰতিযোগীসকললৈ ধন্যবাদ জনাইছো।

ছাত্ৰী জিৰণী কোঠাৰ অন্তৰ্গত প্ৰতিযোগিতাৰ ফলাফল ঃ

১। কেৰম প্ৰতিযোগিতাত (একক শাখা) ঃ

পম্পী গগৈ - চেম্পিয়ন

মঞ্জু আৰা বেগম, দ্বিতীয়

দ্বৈত শাখা ঃ

কংকনা বৰগোহাঁই, পম্পী গগৈ (চেম্পিয়ন)

কৰবী বৰুৱা, উপাসনা মহন্ত (ৰাণাৰ্চ আপ)

চাইনিজ চেকাৰ ঃ

বৰ্ণালী শইকীয়া, প্ৰথম

যোগমায়া গগৈ, দ্বিতীয়

মাদিজা বেগম, তৃতীয়

বেডমিণ্টন (একক শাখা)

তাছমিন আলম, প্ৰথম

বিস্মিতা কাকতি, দ্বিতীয়

দ্বৈত শাখা

তাছমিন আলম, জুমি দত্ত (প্ৰথম)
নিতু দত্ত, প্ৰিয়ংকা চুতীয়া (দ্বিতীয়)

লুডু ঃ

ৰুবী বৰুৱা, প্ৰথম
ৰাজিদা আৰা ৰহমান, দ্বিতীয়
ছেহনাজ চুলতানা ৰহমান, তৃতীয় স্থান

পুতলা সজোৱা প্ৰতিযোগিতা

প্ৰথম ঃ যামিনী মহন্ত
দ্বিতীয় ঃ নিকিতা গগৈ

ৰংগোলী প্ৰতিযোগিতা

প্ৰথম ঃ স্নেহা চাহু
দ্বিতীয় ঃ ৰাজশ্ৰী বৰা
তৃতীয় ঃ পুষ্পা গগৈ

মেহেন্দী প্ৰতিযোগিতা

প্ৰথম ঃ চনু শৰ্মা
দ্বিতীয় ঃ সীমা বেগম
তৃতীয় ঃ পূজা পাৰিষ, ৰাফিয়া বেগম।

পৰম্পৰাগত সাজ-পাৰ প্ৰতিযোগিতা

প্ৰথম ঃ বিশিষ্টা পাংগিং
দ্বিতীয় ঃ দৰথী বৰুৱা
তৃতীয় ঃ প্ৰিয়ংকা ৰেইন, জেছমিন দেউৰী

কেশ সজ্জা প্ৰতিযোগিতাৰ ফলাফল

প্ৰথম ঃ ভূপালী বৰুৱা
দ্বিতীয় ঃ শিখামণি দত্ত
বিয়াঙ্কী ৰাজকুমাৰী
তৃতীয় ঃ নিভাশ্ৰী নেওগ, দৰথী বৰুৱা

ক্লে মডেলিং প্ৰতিযোগিতা

প্ৰথম ঃ ৰাজশ্ৰী বৰা, যামিনী মহন্ত
দ্বিতীয় ঃ হিমাক্ষী দাস
তৃতীয় ঃ পিংকী বৰা

বিশেষ পুৰস্কাৰ ঃ নিকিতা গগৈ

ইনষ্টলেচন প্ৰতিযোগিতা

প্ৰথম ঃ ৰিংকিমণি বৰা
দ্বিতীয় ঃ ৰাজশ্ৰী বৰা, পিংকী বৰা
তৃতীয় ঃ যামিনী মহন্ত, নিকিতা গগৈ

পোষ্টাৰ মেকিং

প্ৰথম ঃ যামিনী মহন্ত
দ্বিতীয় ঃ নিকিতা গগৈ
তৃতীয় ঃ ৰিংকিমণি বৰা

কলাজ প্ৰতিযোগিতা

প্ৰথম ঃ যামিনী মহন্ত
দ্বিতীয় ঃ নিকিতা গগৈ
তৃতীয় ঃ ৰিংকিমণি বৰা

পুডিং প্ৰতিযোগিতা

প্ৰথম ঃ ছাজিদা ৰাজিদা আৰা ৰহমান
দ্বিতীয় ঃ পিংকি বৰা

হালোৱা প্ৰতিযোগিতা

প্ৰথম ঃ চনু শৰ্মা
দ্বিতীয় ঃ পিংকি বৰা
তৃতীয় ঃ ৰিংকিমণি বৰা।

বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ পিছতেই সৰস্বতী পূজাও সকলোৰে সহযোগত আমি উদ্‌যাপন কৰিছিলো। আমাৰ কাৰ্য্যকালত আমি ২ অক্টোবৰত 'গান্ধী জয়ন্তী' পালন কৰিছিলো। আমাৰ ছাত্ৰী একতা সভাৰ বিষয়ববীয়াসকলে সকলো দায়িত্ব সুচাৰুৰূপে চলাই নিয়াৰ চেষ্টা কৰিছিলো।

মোৰ কাৰ্য্যকালত মোক সকলো সময়তে সহায় কৰা মোৰ বিভাগীয় উপদেষ্টাদ্বয় ড° চালমা নাছৰিণ বাইদেউ, শ্ৰীযুতা মৌচুমী বাইদেউলৈ আন্তৰিক ধন্যবাদ আৰু শ্ৰদ্ধা জ্ঞাপন কৰিছো। বিভাগীয় বিভিন্ন কামত সহায় আগবঢ়োৱা বাবে সমূহ ছাত্ৰী একতা সভাৰ সদস্যাবৃন্দা তথা বান্ধৱী আৰু ভন্টীলৈও ধন্যবাদ জনাইছো। এই কাৰ্য্যকালত কাৰ্য্যসমূহ সুচাৰুৰূপে সম্পন্ন কৰিছিলো যদিও কিমানদূৰ সফল হ'ব পাৰিলো সেয়া বিচাৰ্য্য বিষয়। অজানিতে যদি কিবা ভুল ত্ৰুটি ৰৈ গৈছে তাৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছো।

নাৰী শিক্ষাৰ কেন্দ্ৰৰূপে প্ৰতিষ্ঠিত 'শিৱসাগৰ ছোৱালী কলেজ' দোপত দোপে আগবাঢ়ি যাওক আৰু চিৰকাল এই কলেজৰ গৌৰৱ মৰ্য্যদা অটুত থাকক তাৰেই কামনাৰেই মোৰ প্ৰতিবেদন সামৰণি মাৰিলো।

"জয়তু শিৱসাগৰ ছোৱালী কলেজ"
"জয়তু ছাত্ৰী একতা সভা"

শ্ৰীমতী সংগীতা গগৈ
ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা

সংগীত বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

"মহা মহা পুৰুষৰ চানেকিৰে জীৱনৰ"
"আমিও কৰিব পাৰো জীৱন গঢ়িব,"
"অভিনয় শেষ হ'লে আয়ু বেলি মাৰ গ'লে"
"থই যাব পাৰো খোজ সময় বালিত"

শিৱসাগৰ ছোৱালী কলেজৰ ২০১২-১৩ বৰ্ষৰ সংগীত বিভাগৰ সম্পাদিকাৰ বছৰেকীয়া প্ৰতিবেদন লিখাৰ প্ৰাক্ বুলনিতে সেইসকল ব্যক্তিলৈ সশ্ৰদ্ধ প্ৰণাম নিবেদিছো, যি সকলৰ অক্লান্ত প্ৰচেষ্টা আৰু ত্যাগৰ বিনিময়ত ঐতিহ্যমণ্ডিত শিৱসাগৰ জিলাৰ মাজমজিয়াত নাৰী শিক্ষাৰ উচ্চ প্ৰতিষ্ঠান "শিৱসাগৰ ছোৱালী কলেজ" প্ৰতিষ্ঠা হৈছিল। লগতে মাননীয় অধ্যক্ষ মহোদয়, মাননীয়া উপধ্যক্ষা মহোদয়া তথা মোৰ চিৰপূজ্য শিক্ষাগুৰু সকললৈ মই মোৰ শ্ৰদ্ধা জ্ঞাপন কৰিছো।

সংগীত বিভাগৰ সম্পাদিকাৰ দৰে এটি পদৰ গুৰু দায়িত্ব লাভ কৰি মই ইয়াত কিমান সফলতা লাভ কৰিলো, সেয়া আপোনালোকৰ বিচাৰৰ তুলাচনীত জুখিবলৈ এৰি দিলো।

নিৰ্বাচন আৰু কাৰ্য্যভাৰ গ্ৰহণ ঃ

২০১২-১৩ বৰ্ষৰ বাবে শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰী একতা সভাৰ সাধাৰণ নিৰ্বাচন ছেপ্তেম্বৰ মাহৰ ১৫ তাৰিখে অনুষ্ঠিত হৈছিল। উক্ত নিৰ্বাচনত মই সংগীত বিভাগৰ সম্পাদিকা হিচাপে বিজয়ী হৈছিলো। উক্ত নিৰ্বাচনৰ পদত ২৪।৯।২০১২ তাৰিখে কলেজৰ প্ৰচলিত অনুসৰি মহাবিদ্যালয় অধ্যক্ষ আৰু উপাধ্যক্ষা মহোদয়ায়ে আমাৰ হাতত দায়িত্ব ভাৰ অৰ্পণ কৰে আৰু আনুষ্ঠানিকভাৱে আমি দায়িত্বভাৰ গ্ৰহণ কৰো।

কাৰ্য্যকালৰ খতিয়ান ঃ

আমাৰ কাৰ্য্যকালৰ আৰম্ভণিতেই মহামানৱ মহাত্মা গান্ধীৰ জন্ম তিথি ২ অক্টোবৰ তাৰিখত উদযাপিত "গান্ধী জয়ন্তী" পোন প্ৰথমবাৰৰ বাবে আমাৰ মহাবিদ্যালয়ত অতি আটক ধুনীয়াকৈ আৰু উলহ-মালহেৰে উদযাপিত কৰা হয়। এইটো আমাৰ ছাত্ৰী একতা সভাৰ সমূহ সদস্যাৰ বাবে অতি গৌৰৱৰ তথা সৌভাগ্যৰ কথা।

মোৰ কাৰ্য্যকালতেই অসম মাতৃৰ সুযোগ্য সন্তান সুধাকণ্ঠ ড° ভূপেন হাজৰীকা, সেই একেটা বছৰতে ইহলীলা সম্বৰণ কৰা অসমৰ আগশাৰীৰ সাহিত্যিক হীৰেণ ভট্টাচাৰ্য্য আৰু ড° মামণি ৰয়ছম গোস্বামী বাইদেউৰ সশ্ৰদ্ধ প্ৰণাম জনাই সুধাকণ্ঠ ড° ভূপেন হাজৰীকাৰ মৃত্যু তিথিত অৰ্থাৎ ৫ চেপ্তেম্বৰ তাৰিখটোত আন্তঃ শিৱসাগৰ জিলাৰ ভিত্তিত "গীতেৰে কবিতাৰে শাৰদী এদিন ...." নামেৰে এখনি সুন্দৰ অনুষ্ঠান আয়োজন কৰা হৈছিল। উক্ত অনুষ্ঠানটিত বিভিন্ন কলেজৰ পৰা অহা ছাত্ৰ-ছাত্ৰীয়ে গীত পৰিৱেশন, কবিতা, বক্তৃতা আদি আবৃত্তি কৰিছিল।

মোৰ কাৰ্য্যকালৰ আন এটি গুৰুত্বপূৰ্ণ তথা স্মৰণীয় কাৰ্য্য আছিল ২২ জানুৱাৰী ২০১৩ৰ লৈকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা "আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ"। এই মহোৎসৱত আমাৰ মহাবিদ্যালয়ৰ প্ৰায় ২২ জনীয়া এটা দলে সংগীত, নৃত্যকে আদি কৰি মহোৎসৱৰ বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিছিল।

ইয়াৰ পদতেই আহি পৰে সকলো ছাত্ৰীৰ আকাংশিত কলেজৰ "বাৰ্ষিক কলেজ সপ্তাহ"। অৱশ্যে বিভিন্ন অসুবিধাৰ বাবে ২০১২-১৩ বৰ্ষৰ বাৰ্ষিক কলেজ সপ্তাহ অনুষ্ঠিত কৰা কিছু পলম হৈছিল। এইবাৰ বাৰ্ষিক কলেজ সপ্তাহ ৪।২।২০১৩ তাৰিখৰ পৰা ৮।২।২০১৩লৈকে অনুষ্ঠিত কৰা হৈছিল। বাৰ্ষিক কলেজ সপ্তাহটোৰ দ্বিতীয় আৰু তৃতীয় দিনটোত সংগীত বিভাগৰ অৰ্ন্তঘাত প্ৰতিযোগীতাসমূহ অনুষ্ঠিত কৰা হৈছিল। এই

প্ৰতিযোগিতাখনিৰ সৰ্বমুঠ ১২টা বিভিন্ন সংগীত প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল আৰু মোৰ কাৰ্য্যকালতেই মই "জয়ন্ত সংগীত" প্ৰতিযোগিতাটি সংগীত প্ৰতিযোগিতাৰ অৰ্ন্তভুক্ত কৰা হয়। যথেষ্ট সংখ্যক ছাত্ৰীয়ে প্ৰতিযোগিতা সমূহত অংশ গ্ৰহণ কৰি ইয়াৰ সফল হোৱাত আমাক সহায় কৰিছিল। প্ৰতিযোগিতা সমূহৰ বিচাৰকৰ দায়িত্ব আছিল শিৱসাগৰৰ দুজন চিনাকী সংগীতজ্ঞ ৰাতুল কাকতী আৰু জয়ন্ত দত্ত দেৱ।

সংগীতৰ দৰে এজন যাদুকৰী, সুন্দৰ আৰু বিশাল জগতত আৰোহণ কৰাতো যথেষ্ট গৌৰৱৰ কথা। এখন মহাবিদ্যালয়ৰ সংগীত সম্পাদিকাৰ দৰে এটা গুৰু দায়িত্ব বহণ কৰি নিজৰ সামৰ্থ অনুসাৰে কাৰ্য্য সম্পন্ন কৰিবলৈ, যত্ন কৰিছিলো। কিমান সফল হ'লো সেয়া আপোনালোকৰ বিচাৰ্য দায়িত্ব..........।

কৃতজ্ঞতা স্বীকাৰ ঃ

কৃতজ্ঞতা। যি মোক সাহসেৰে উদগনি দিলে, যিসকলে মোক বিভিন্ন দিহা-পৰামৰ্শ দি সহায় কৰিলে, সেই সকলোৰে ওচৰত মই চিৰকৃতজ্ঞ।

সৰ্বপ্ৰথমে মই কৃতজ্ঞতা জ্ঞাপন কৰিছো। অধ্যক্ষ ড০ হেমন্ত কুমাৰ ফুকনদেৱ আৰু উপধ্যক্ষা কুসুম ফুকন বাইদেউলৈ। কৃতজ্ঞতা জ্ঞাপন কৰিছো সংগীত বিভাগৰ বিভাগীয় উপদেষ্টা ৰীতা বৰকটকী আৰু চৰিফা বাইদেউলৈ। মোৰ কাৰ্য্যকালৰ বিভিন্ন ক্ষেত্ৰত মোক সহায় সহযোগ তথা উদগনি যোগোৱা অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ৰঞ্জিত ৰঞ্জন তামুলী ছাৰলৈ মই মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছো। আমাৰ কাৰ্য্যকালত মোক আৰু সকলোকে বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়োৱা কলেজৰ সন্মানীয় শিক্ষাগুৰু সকল, কলেজৰ কৰ্মচাৰী তথা চতুৰ্থবৰ্গৰ সমূহ কৰ্মচাৰীলৈকে মই মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো। ইয়াৰ লগতে মোক মোৰ কাৰ্য্যকালত সকলো ক্ষেত্ৰতে সহায় কৰা মোৰ সতীৰ্থ সকলোলৈকে মোৰ কৃতজ্ঞতা তথা ধন্যবাদ জ্ঞাপন কৰিছো।

সামৰণি ঃ

১৯৬৪ চনতেই স্থাপন হোৱা বুৰঞ্জী প্ৰসিদ্ধ শিৱসাগৰ জিলাৰ নাৰী শিক্ষাৰ অগ্ৰনী প্ৰতিষ্ঠান শিৱসাগৰ ছোৱালী কলেজ। এই কলেজৰ এগৰাকী শিক্ষাৰ্থী হিচাপে তথা ছাত্ৰী একতা সভাৰ এগৰাকী সদস্যা হিচাপে মই যথেষ্ট গৌৰৱ অনুভৱ কৰো। ইয়াৰ ফলস্বৰূপেই আজি আমি এই জ্ঞান মন্দিৰটিত এগছি বন্তি জ্বলাই আমাৰ জীৱনটো সুচাৰুৰূপে চলাই যোৱাৰ মানসেৰে সেৱা আগবঢ়াইছো।

সদৌ শেষত প্ৰতিবেদনৰ সামৰণিত মোৰ কাৰ্য্যকালত জ্ঞাতে-অজ্ঞাতে হোৱা ভুল-ক্ৰটিৰ বাবে মহাবিদ্যালয়ৰ সকলোৰে ওচৰত মই ক্ষমা বিচাৰিছো।

"জয়তু শিৱসাগৰ ছোৱালী কলেজ"
"জয়তু ছাত্ৰী একতা সভা"
"জয়তু প্ৰৱাহিনী"
"জয় আই অসম"

ৰাছিয়া ৰহমান
সংগীত বিভাগৰ সম্পাদিকা

২০১২-১৩ বৰ্ষৰ বাৰ্ষিক কলেজ সপ্তাহৰ "সংগীত বিভাগৰ" অন্তৰ্গত প্ৰতিযোগিতা সমূহৰ ফলাফলৰ তালিকা ঃ

১। আধুনিক গীত ঃ
প্ৰথম - প্ৰীতিশিখা বৰুৱা
দ্বিতীয় - তৃষ্ণা শৰ্মা
তৃতীয় - পল্লৱী বৰুৱা, কল্যাণী কোঁৱৰ, (যুটীয়াভাৱে)

২। লোকগীত ঃ
প্ৰথম - তৃষ্ণা শৰ্মা
দ্বিতীয় - জুমলী গগৈ
তৃতীয় - প্ৰীতিশিখা বৰুৱা

৩। খেয়াল ঃ
প্ৰথম - তৃষ্ণা শৰ্মা
দ্বিতীয় - প্ৰীতিশিখা বৰুৱা
তৃতীয় - পল্লৱী বৰুৱা

৪। গজল ঃ
প্ৰথম - তৃষ্ণা শৰ্মা

দ্বিতীয় - দীপা ৰাজখোৱা
তৃতীয় -পল্লৱী বৰুৱা

৫। ভজন ঃ
প্ৰথম - তৃষ্ণা শৰ্মা
দ্বিতীয় - প্ৰীতিশিখা বৰুৱা
তৃতীয় - দীপা ৰাজখোৱা

৬। বৰগীত ঃ
প্ৰথম - প্ৰীতিশিখা বৰুৱা
দ্বিতীয় - পল্লৱী বৰুৱা
তৃতীয় - প্ৰেৰণা দত্ত

৭। পাৰ্বতী সংগীত ঃ
প্ৰথম - প্ৰীতিশিখা বৰুৱা
দ্বিতীয় - তৃষ্ণা শৰ্মা
তৃতীয় - পল্লৱী বৰুৱা

৮। ভূপেন্দ্ৰ সংগীত ঃ
প্ৰথম - প্ৰীতিশিখা বৰুৱা
দ্বিতীয় - তৃষ্ণা শৰ্মা
তৃতীয় - পল্লৱী বৰুৱা, দীপা ৰাজখোৱা

৯। ৰাভা সংগীত ঃ
প্ৰথম - প্ৰীতিশিখা বৰুৱা
দ্বিতীয় - তৃষ্ণা শৰ্মা
তৃতীয় - দীপা ৰাজখোৱা

১০। জ্যোতি সংগীত ঃ
প্ৰথম - তৃষ্ণা শৰ্মা
দ্বিতীয় - প্ৰীতিশিখা বৰুৱা
তৃতীয় - দেৱশ্ৰী দেৱী, পল্লৱী বৰুৱা

১১। জয়ন্ত সংগীত ঃ
প্ৰথম - তৃষ্ণা শৰ্মা
দ্বিতীয় - পল্লৱী বৰুৱা
তৃতীয় - প্ৰীতিশিখা বৰুৱা

১২। কোৰাছ ঃ
প্ৰথম - পল্লৱী বৰুৱাৰ দল
দ্বিতীয় - আই অসমী দল
তৃতীয় - ডিম্পী ফুকনৰ দল

শ্ৰেষ্ঠ গায়িকা ২০১২-১৩ বৰ্ষ ঃ
তৃষ্ণা শৰ্মা, স্নাতক দ্বিতীয় ষান্মাসিক, অৰ্থনীতি বিভাগ

সংগীত বিভাগৰ সহঃ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে ২০১২-২০১৩ বৰ্ষৰ সংগীত বিভাগৰ সহঃ সম্পাদিকা হিচাপে বছেৰেকীয়া প্ৰতিবেদন লিখাৰ প্ৰাক্ মুহূৰ্তত যিসকল মহান ব্যক্তিৰ অশেষ প্ৰচেষ্টাত এই জ্ঞানৰ মন্দিৰটি প্ৰতিষ্ঠা কৰিছিল সেইসকল ব্যক্তিলৈ সশ্ৰদ্ধ প্ৰণাম জনাইছো। মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতিৰ বাবে সকলো ক্ষেত্ৰতে দিহা-পৰামৰ্শ আগবঢ়োৱা মাননীয় অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি মহাবিদ্যালয়ৰ সকলো শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ তথা ইয়াৰ লগত জড়িত ছাত্ৰী-বান্ধৱী সকললৈ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

উজনি অসমৰ বুৰঞ্জীয়ে পৰশা নগৰ শিৱসাগৰ মাজমজিয়াত আছে শিৱসাগৰ পুখুৰী আৰু শিৱদৌল। এই শিৱদ'লৰ নিচেই কাষতে অৱস্থিত উজনি অসমৰ প্ৰথমখন মহিলা শিক্ষানুষ্ঠান "শিৱসাগৰ ছোৱালী কলেজ"।

প্ৰথম মহাবিদ্যালয়খনত ভৰি দিয়াৰ দিনাৰে পৰাই মহাবিদ্যালয়খনক লৈ মই কি কৰিব পাৰো ভাবিছিলো। মই ভাবিলো প্ৰথমে এই কলেজখনৰ অন্যতম সদস্য হ'ব লাগিব আৰু তেতিয়াহে মই মোৰ সপোনবোৰ বাস্তৱত ৰূপায়িত কৰিব পাৰিম। অৱশেষত মই মোৰ সপোন বাস্তৱত পৰিণত কৰিবলৈ সুবিধা পাইছিলো। মোৰ বান্ধৱী ৰাজশ্ৰী, পল্লৱী, পিংকী আৰু কেইগৰাকীমান বান্ধৱীৰ অনুৰোধত আৰু লগতে মোৰ মা-দেউতাৰ অনুপ্ৰেৰণা পাই মই প্ৰতিদ্বন্দিতা আগবঢ়ালো। মই যিসকল অগ্ৰজ-অনুজ আৰু সহপাঠী বান্ধৱীৰ প্ৰচেষ্টাত সংগীত বিভাগৰ সহঃ সম্পাদিকা হিচাপে নিৰ্বাচিত হৈছিলো, সেই সকলোলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

২০১২-২০১৩ বৰ্ষৰ সংগীত বিভাগৰ সহঃ সম্পাদিকা হিচাপে মহাবিদ্যালয়খনলৈ যি মোৰ পৰিকল্পনা আছিল সেইবোৰ মই বাস্তৱত ৰূপায়িত কৰিবলৈ সম্পূৰ্ণৰূপে সফল নহ'লেও মই মোৰ দায়িত্বসমূহ সুচাৰুৰূপে কৰিবলৈ যত্ন কৰিছিলো। এনে এখন আগশাৰী শিক্ষানুষ্ঠানৰ ছাত্ৰী একতা সভাৰ সংগীত বিভাগৰ সম্পাদিকা পদত নিৰ্বাচিত হৈ মনত যথেষ্ট সাহস পালো। কলেজৰ সকলো আগ্ৰহী ছাত্ৰীয়ে যাতে নিজৰ প্ৰতিভাৰ বিকাশ কৰিবলৈ সুবিধা পায় তাৰ বাবে পাৰ্যমানে চেষ্টা কৰিছিলো। শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ত প্ৰথমবাৰৰ বাবে ছাত্ৰী একতা সভাৰ সহযোগত গান্ধী জয়ন্তী উলহ মালহেৰে উদ্‌যাপন কৰা হ'ল। ইয়াৰ পিছতেই সুধাকণ্ঠৰ প্ৰথম মৃত্যুবাৰ্ষিকীৰ লগত সংগতি ৰাখি মামণি ৰয়ছম গোস্বামী আৰু হীৰেন ভট্টাচাৰ্য লৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ উদ্দেশ্যেৰে গীত আৰু কবিতাৰে শাৰদী এদিন নামেৰে এটি ব্যতিক্ৰমী অনুষ্ঠান অনুষ্ঠিত কৰা হয়। অনুষ্ঠানটি সুকলমে পাৰ হৈ যোৱাত সহযোগিতা কৰা সমূহ ছাৰ-বাইদেউ আৰু ছাত্ৰীলৈ এই ছেগতে মই কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলো।

"শিৱসাগৰ ছোৱালী কলেজ"ৰ ছাত্ৰী একতা সভাৰ আটাইতকৈ ব্যস্ত হৈ পৰা আৰু আশাৰে বাট চাই থকা আকৰ্ষণীয় অনুষ্ঠানটি আছিল বাৰ্ষিক কলেজ সপ্তাহ। ২০১২-২০১৩ বৰ্ষৰ কলেজ সপ্তাহ অনুষ্ঠিত কৰা হৈছিল

২০১৩ বৰ্ষৰ ৪ ফেব্ৰুৱাৰীৰ পৰা। বাৰ্ষিক কলেজ সপ্তাহৰ সংগীতানুষ্ঠান সমূহত অংশগ্ৰহণকাৰীৰ সংখ্যা অধিক হোৱাৰ লগতে অতি সুন্দৰ আৰু শৃংখলাবদ্ধ হৈছিল। লগতে মই নিজেও অংশগ্ৰহণ কৰিছিলো।

মোৰ কাৰ্যকালত প্ৰতিটো কামতে দিহা পৰামৰ্শ দি মোক সকলো প্ৰকাৰে সহায় কৰা মোৰ বিভাগীয় উপদেষ্টা ৰীতা বৰকাকতী আৰু চৰিফা বেগম বাইদেউলৈ আন্তৰিক ধন্যবাদ আৰু শ্ৰদ্ধা জ্ঞাপন কৰিছো। বিভাগীয় বিভিন্ন কামত সহায় আগবঢ়োৱাৰ সমূহ ছাত্ৰী একতা সভাৰ সদস্যাবৃন্দা তথা বান্ধৱী পল্লৱী, ৰাজশ্ৰী, কংকনা, সংগীতা, পিংকী, গীতিমণি, দেৱযানী বা ৰিতুপৰ্ণা তথা ৰংপুৰ ছাত্ৰী নিবাসৰ ছাত্ৰীসকলৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰ'ম।

মোৰ কাৰ্যকালত হোৱা প্ৰতিযোগিতাসমূহ ঃ-

বৰগীত, আধুনিক গীত, লোকগীত, পাৰ্বতী সংগীত, গজল, ভজন, খেয়াল, জয়ন্ত সংগীত, ভূপেন্দ্ৰ সংগীত, ৰাভা সংগীত, কোৰাছ, জ্যোতি সংগীত।

আমাৰ কাৰ্যকালত যদি অজানিতে ক'ৰবাত ভুল-ত্ৰুটি ৰৈ গৈছে তেন্তে আমি প্ৰতিবেদনৰ যোগেদিয়েই ত্ৰুটি মাৰ্জনা কৰিবলৈ প্ৰাৰ্থনা কৰিছো। সৰ্বশেষত শিৱসাগৰ ছোৱালী কলেজৰ সৰ্বাংগীন উন্নতি তথা উজ্জ্বল ভৱিষ্যত কামনা কৰিলো।

"জয়তু শিৱসাগৰ ছোৱালী কলেজ"

"জয়তু ছাত্ৰী একতা সভা"

ধন্যবাদেৰে—

ডিম্পী বেজবৰুৱা

সংগীত বিভাগৰ সহকাৰী সম্পাদিকা

তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

তৰ্ক বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদনৰ আৰম্ভণিতে শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ শিক্ষা গ্ৰহণ কৰিবলৈ অহা সতীৰ্থ বৃন্দলৈ শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰী একতা সভাৰ তৰফৰ পৰা আন্তৰিক সম্ভাষণ জনাইছো।

১০১২ চনৰ ১৫ ছেপ্তেম্বৰত অগ্ৰজ আৰু অনুজ সকলৰ সমৰ্থনৰ দ্বাৰা তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদিকা ৰূপে নিৰ্বাচিত হৈছিলো। এই সুবিধা দিয়াৰ বাবে মহাবিদ্যালয়ৰ শিক্ষাগুৰু তথা সমূহ ছাত্ৰী আৰু ৰংপুৰ ছাত্ৰী নিবাসৰ আবাসী সকলৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই মোৰ বিভাগৰ অধীনত বছৰটোৰ বাবে বহুত পৰিকল্পনা কৰিছিলো। অৱশ্যে কিমানদূৰ সফল হ'ব পাৰিলো সেইয়া আপোনালোকৰ বিচাৰ্য্যৰ বিষয়।

এগৰাকী ব্যক্তিক দেশৰ সুনাগৰিক ৰূপে গঢ়ি তুলিবলৈ হ'লে কেৱল পুথিগত জ্ঞানেই যথেষ্ট নহয়। প্ৰকৃত মানৱ সম্পদ হিচাপে গঢ়ি তুলিবলৈ হ'লে কিতাপৰ জ্ঞানৰ লগতে অন্যান্য দিশসমূহৰ চৰ্চা সমান্তৰালকৈ আগবঢ়াই নিয়াটো অত্যন্ত প্ৰয়োজনীয়। তৰ্ক হৈছে বাক্ পটুতাৰ পৰিচয়। ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক আৰু মানসিক বিকাশৰ বাবে অধ্যয়নৰ লগতে তৰ্ক, কুইজ, বক্তৃতা, আলোচনা চক্ৰ আদিৰ গুৰুত্ব অপৰিহাৰ্য্য। তদুপৰি এনে দিশ সমূহৰ অনুশীলনে ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যতে জীৱনৰ বাবে আত্ম প্ৰতিষ্ঠিত কৰণতো যথেষ্ট সহায় আগবঢ়ায়।

বাৰ্ষিক কলেজ সপ্তাহ হৈছে একমাত্ৰ মাধ্যম যাৰ জৰিয়তে মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ প্ৰতিভা বিকাশ হয়। ২০১২-১৩ বৰ্ষৰ বাৰ্ষিক কলেজ সপ্তাহ ৪-৮ ফ্ৰেব্ৰুৱাৰী তাৰিখলৈকে অনুষ্ঠিত হয় (হৈছিল)

বাৰ্ষিক কলেজ সপ্তাহত মোৰ বিভাগৰ অন্তৰ্গত প্ৰতিযোগিতা সমূহ হ'ল-

১। তৰ্ক প্ৰতিযোগিতা

২। কুইজ প্ৰতিযোগিতা আৰু

৩। আকস্মিক বক্তৃতাৰ প্ৰতিযোগিতা

২০১২-১৩ বৰ্ষৰ "আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ" ডিব্ৰুগড় বিশ্ববিদ্যালয়ত ২২-২৫ জানুৱাৰীত অনুষ্ঠিত হয়। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী মেঘালী বৰুৱাই তৰ্ক প্ৰতিযোগিতাত প্ৰথম স্থান পাই মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে।

২১-২২ ছেপ্তেম্বৰত মৰাণ কলেজত অনুষ্ঠিত সাংবাদিকতা কৰ্মশালা আৰু কুইজ প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী সকলে অংশগ্ৰহণ কৰে।

কৃতজ্ঞতা ঃ- এই এবছৰীয়া কাৰ্য্যকালত মোৰ বিভাগীয় কাম-কাজ পৰিচালনা কৰোতে নানা সমস্যাৰ সমাধান আৰু সুস্থ নিৰ্দ্দেশনা তথা পৰিচালনাৰে মোক সহায় কৰি অহা মোৰ বিভাগীয় উপদেষ্টা শ্ৰীযুত মেদিনী হাজৰিকা ছাৰ আৰু শ্ৰীযুতা সংগীতা হাজৰিকা বাইদেউৰ ওচৰত মই চিৰ কৃতজ্ঞ হৈ ৰ'ম। লগতে আমাৰ মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ড° হেমন্ত কুমাৰ ফুকন ছাৰ আৰু উপাধ্যক্ষা শ্ৰীযুতা কুসুম ফুকন বাইদেউলৈ তথা মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰুলৈ কৃতজ্ঞতা জনাইছো। লগতে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীবৃন্দক কৃতজ্ঞতা জনালো।

সকলো সময়তে সহায়ৰ হাত আগবঢ়োৱা মোৰ বান্ধৱী বৰ্ণালী, মৃদুস্মিতা, ইন্দ্ৰাণী, কৰবী, মুনমী, প্ৰেৰণা, গায়ত্ৰী, আদৰ্শী আৰু ৰিংকুলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মোৰ কাৰ্য্যকালত, যদি অজানিতে কৰবাত কিবা ভুল-ত্ৰুটি ৰৈ গৈছে তেন্তে এই প্ৰতিবেদনৰ যোগেদিয়েই ত্ৰুটি মাৰ্জনা কৰিবলৈ প্ৰাৰ্থনা কৰিছো। সৰ্বশেষত শিৱসাগৰ ছোৱালী কলেজৰ সৰ্ব্বাংগীণ উন্নতি তথা উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলো।

"জয়তু শিৱসাগৰ ছোৱালী কলেজ"

"জয়তু ছাত্ৰী একতা সভা"

"জয়তু প্ৰবাহিনী"

ধন্যবাদেৰে

শ্ৰীমতী যোগমায়া গগৈ
সম্পাদিকা
তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ

সাংস্কৃতিক বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

শিৱসাগৰ ছোৱালী কলেজৰ সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদন আগবঢ়োৱাৰ এই শুভ মূহুৰ্তত যিসকল ব্যক্তিৰ অপ্ৰাণ চেষ্টা, সাধনা আৰু ত্যাগেৰে এই ছোৱালী কলেজখন প্ৰতিষ্ঠা কৰিবলৈ তেখেতসকলক মোৰ শ্ৰদ্ধা নিবেদিছো।

শিৱসাগৰ ছোৱালী কলেজৰ ২০১২-১৩ বৰ্ষৰ ছাত্ৰী একতা সভাৰ সাধাৰণ নিৰ্বাচন সাংস্কৃতিক সম্পাদিকা হিচাপে কলেজৰ বাবে সেৱা কৰিবলৈ মোক যিসকল মোৰ অগ্ৰজ, সতীৰ্থ, অনুজ সকলে সুবিধা প্ৰদান কৰিলে সেই সকলৰ ওচৰত মই চিৰকৃতজ্ঞ। মোৰ কাৰ্য্যকালৰ প্ৰতিটো কামতে দিহা-পৰামৰ্শ আগবঢ়োৱা অধ্যক্ষ মহোদয় ড° হেমন্ত কুমাৰ ফুকন ছাৰ, তত্বাবধায়ক ৰঞ্জিত তামুলী ছাৰ, শিৱপ্ৰসাদ মিলি ছাৰ, প্ৰতিভা দেৱী বাইদেউ, গীতিমণি বাইদেউ, মৌচুমী দত্ত বাইদেউকে প্ৰমূখ্য কৰি মোৰ চিৰপূজ্য শিক্ষাগুৰু সকলক এই প্ৰতিবেদনৰ জৰিয়তে কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সংস্কৃতি পৰিদৃশ্যমান বস্তুৰ সন্মিলন (চাল-চলন), ভাৱ (বিশ্বাস, জ্ঞান) আবেগ, কলা, নৈতিকতা, খাদ্যভাস ৰীতি-নীতি আদিৰ ওপৰতেই নিৰ্ভৰ কৰে। সংস্কৃতি এটা জাতিৰ জাতীয় জীৱনৰ বোৱতী সুঁতি। ই নিৰবিছিন্ন গতিৰে বৈ থাকে। এই সংস্কৃতিৰ পৰাই সাংস্কৃতিকৰ জন্ম হয়। সংস্কৃতিক বিকাশ কৰবালৈকে সাংস্কৃতিক অনুষ্ঠান আয়োজন কৰা হয়। শিৱসাগৰ ছোৱালী কলেজত ইয়াৰ ব্যক্তিক্ৰম নহয়। সংস্কৃতিৰ বিকশিত কৰিবলৈ গীত-মাত, নৃত্যৰ কাৰ্যসূচী হাতত লয় কলেজ পৰিয়ালে।

শিৱসাগৰ ছোৱালী কলেজৰ সাংস্কৃতিক সম্পাদিকা পদৰ দায়িত্ব গ্ৰহণ কৰি পূৰ্বৰ পৰম্পৰা অনুসৰি এই বিভাগৰ অন্তৰ্গত কামসমূহ সফলতাৰে ৰূপায়ন কৰিবলৈ যৎপৰোনস্তি চেষ্টা চলাইছিলো। আশা কৰিছিলো আমাৰ কলেজৰ কাৰণে কিবা এটা কৰিম। নাজানো কিমান দূৰ সফল হ'লো।

মোৰ কাৰ্য্যকালৰ প্ৰথম দিন তথা শপত গ্ৰহণৰ দিনাই শিৱসাগৰ শিংকৰ মন্দিৰত অনুষ্ঠিত হোৱা জন্মোসৱত সত্ৰীয়া নৃত্য আৰু দিহানাম প্ৰতিযোগীতাত অংশ গ্ৰহণ কৰি ছাত্ৰীসকলে দুয়োটাতে দ্বিতীয় স্থান অধিকাৰ কৰে। ইয়াৰ পাছতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত ইঞ্জিনীয়াৰিং বিভাগে আয়োজন কৰা Auxise ২০১২ ত অংশ গ্ৰহণ কৰি বিহুৰে দ্বিতীয় আৰু সত্ৰীয়া নৃত্যই বিচাৰকৰ বিশেষ বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল।

২ অক্টোবৰ জাতিৰ পিতা মহাত্মা গান্ধীৰ জন্মদিন গান্ধী জয়ন্তী আমাৰ কলেজত প্ৰথম বাৰৰ বাবে অনুষ্ঠিত কৰিছিলো।

৫ নৱেম্বৰ দিনা ড° ভূপেন হাজৰিকাৰ মৃত্যু দিন উপলক্ষে সাংস্কৃতিক বিভাগৰ তৰফৰ পৰা শিৱসাগৰ জিলাৰ কলেজসমূহ নিমন্ত্ৰণ জনোৱা হয়। গীত, কবিতা আবৃতি আৰু নৃত্য পৰিবেশন কলেজসমূহৰ প্ৰতিনিধি সমূহে অনুষ্ঠানটো জীপাল কৰি তোলে।

শিৱসাগৰ কলেজত অনুষ্ঠিত হোৱা আন্তঃ ৰাষ্ট্ৰীয় আলোচনা চক্ৰত আমাৰ কলেজৰ সাংস্কৃতিক বিভাগৰ পৰা অসমৰ আপুৰুগীয়া সম্পদ সমূহেই - জৰিয়তে প্ৰদৰ্শনীৰ তত্বাবধায়ক আছিল ৰঞ্জিত তামুলী ছাৰ।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ 'যুৱ মহোৎসৱ' ২১ জানুৱাৰীৰ পৰা আৰম্ভ হয়। ইয়াত আমাৰ কলেজে অংশ গ্ৰহণ কৰি কেইবাটাও পুৰস্কাৰ পাবলৈ সক্ষম হয়।

শিৱসাগৰ ছোৱালী কলেজে বিগত বৰ্ষৰ দৰে এই বছৰো ফ্ৰেব্ৰুৱাৰী মাহৰ ৪ তাৰিখৰ পৰা 'কলেজ সপ্তাহ' আৰম্ভ হয়। সকলো

ছাত্ৰীয়ে কলেজ সপ্তাহ কাৰণে অধীৰ অগ্ৰহেৰে বাট চাই থাকে। সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতা সমূহত পাৰ্যমানে অংশ গ্ৰহণ কৰিবলৈ ছাত্ৰীসমূহক দিছিলো। এই বিভাগৰ অন্তৰ্গত প্ৰতিযোগিতাসমূহ হৈছে- শাস্ত্ৰীয় নৃত্য, আধুনিক নৃত্য, দলীয় নৃত্য, বিহু নৃত্য, হুঁচৰি, একক অভিনয়, ভেশচন প্ৰতিযোগিতা, একাধিক নাট, দিহানাম, দৰা-কইনা প্ৰতিযোগিতা, বিয়ানাম। এইবাৰ কলেজ সপ্তাহত শোভাযাত্ৰাত প্ৰতিটো বিভাগৰ ছাত্ৰীৰ অংশগ্ৰহণ বাধ্যতামূলক কৰি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰতিটো প্ৰতিযোগিতাতে ছাত্ৰীসকলে অংশ গ্ৰহণ কৰি সফল কৰি তোলে।

সাংস্কৃতিক বিভাগৰ এটা গুৰুত্বপূৰ্ণ অনুষ্ঠান "শ্ৰীশ্ৰী সৰস্বতী পূজা"। ১৫ ফ্ৰেব্ৰুৱাৰী শুক্ৰবাৰে শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰী একতা সভাৰ সৌজন্যত ছাৰ বাইদেউৰ সহযোগত বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ চৰণত পুষ্পাঞ্জলি অপৰ্ণ কৰি অনুষ্ঠানটি উলহ-মালহেৰে পালন কৰা হয়।

অৰাগত ছাত্ৰীসকলক আদৰণি জনোৱাৰ উদ্দেশ্য "নৱাগতা আদৰণি সভা"খন আনুষ্ঠানিকভাৱে অনুষ্ঠিত কৰা হয় ৩০ জুলাই মঙ্গলবাৰে। এই সভাত কলেজৰ যথেষ্ট সংখ্যক ছাত্ৰীৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠানৰ প্ৰদৰ্শন হয়।

৫ ছেপ্তেম্বৰত সৰ্বপল্লী ৰাধাকৃষ্ণণৰ পবিত্ৰ জন্মদিনত চিৰপূজ্য শিক্ষাগুৰু সকলক শ্ৰদ্ধা জনোৱাৰ উদ্দেশ্য বিজ্ঞান শাখাৰ লগত লগ হৈ ছাত্ৰী একতা সভাই 'শিক্ষক দিৱস' উদযাপন কৰিলো।

মোৰ এই এবছৰীয়া কাৰ্য্যকালত কিমান দূৰ সফল হ'ব পাৰিলো সেয়া আপোনালোকৰ বিচাৰ্য বিষয়, তথাপি সাংস্কৃতিক সম্পাদিকা পদত অধিষ্ঠিত হৈ সাধ্যনুসাৰে মোৰ সেৱা আগবঢ়াবলৈ চেষ্টা কৰিছিলো। অনিচ্ছাকৃতভাৱে কৰা ভুল বা কাৰোবাক অজানিতে যদি টানকৈ কৈছিলো তেন্তে বিদায়ৰ সময়ত প্ৰতিবেদনৰ জৰিয়তে ক্ষমা বিচাৰিছো।

মোৰ কাৰ্য্যকালৰ প্ৰতিটো কামতে প্ৰতিটো খোজতে সহায় আগবঢ়োৱা চিত্ৰলেখা বাইদেউ, গীতাঞ্জলি বাইদেউ, অংকুৰ দা, কনচেং দা, শান্তনু দা, বিপ্লৱ দা, ব্ৰজেন দা, ৰুবুল দাকে আদি কৰি মোৰ বান্ধৱী দীপশিখা, বৃষ্টি, পিংকী, প্ৰাৰিতা, অনামিকা, পাপৰি, পিকু আদি কৰি সকলোলৈকে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

শেষত শিৱসাগৰ ছোৱালী কলেজ উন্নতিৰ শিখৰলৈ আগুৱাই যাওঁক সেই আশাৰে সাংস্কৃতিক বিভাগৰ প্ৰতিবেদন সামৰিছো।

"জয়তু শিৱসাগৰ ছোৱালী কলেজ"
"জয়তু ছাত্ৰী একতা সভা"

অদিতি মহন্ত
সাংস্কৃতিক বিভাগৰ সম্পাদিকা

সাংস্কৃতিক বিভাগৰ ফলাফল

সত্ৰীয়া নৃত্যৰ ফলাফল

প্ৰথম ঃ লাকীমণি গগৈ
দ্বিতীয় ঃ অৰুন্ধতী বৰুৱা
তৃতীয় স্থান ঃ প্ৰিয়াক্ষী মহন্ত

সৃষ্টিশীল নৃত্যৰ ফলাফল

প্ৰথম ঃ পল্লৱীকা গগৈ
দ্বিতীয় ঃ ভায়োলিনা চাংমাই
তৃতীয় ঃ সুকন্যা ফুকন

দলীয় নৃত্য ফলাফল

প্ৰথম ঃ জীতামণি চেতিয়া দলে
দ্বিতীয় ঃ সুৰভী গগৈ দল
তৃতীয় ঃ গায়ত্ৰী গগৈৰ দল
জেচমিন দেউৰী দল

জেং বিহু প্ৰতিযোগিতাৰ ফলাফল

দুটাহে দল হোৱাৰ বাবে বিচাৰকৰ সিদ্ধান্ত অনুসৰি এটা দলকে বিচাৰকৰ বিশেষ বঁটাৰ বাবে বিবেচিত হ'ল।
বিবেচিত দল - মুন গগৈৰ দল।

ভেশচন প্ৰতিযোগিতাৰ ফলাফল

প্ৰথম ঃ নিকিতা গগৈ
ৰাফিয়া বেগম
দ্বিতীয় ঃ মুস্তাফিজা ৰহমান দল
তৃতীয় ঃ সংঘমিত্ৰা সন্দিকৈ
প্ৰেৰণা দত্ত

উদ্‌গনিমুলক বঁটা ঃ

লাকিমণি গগৈ, পল্লৱী বৰা

দৰা-কইনা প্ৰতিযোগিতাৰ ফলাফল

প্ৰথম দল ঃ যামিনী মহন্ত
দ্বিতীয় দল ঃ কৰবী বৰুৱা
তৃতীয় দল ঃ এন্দমিতা
পল্লৱী বৰা

দিহানাম প্ৰতিযোগিতাৰ ফলাফল

প্ৰথম ঃ গীতিমণি বৰুৱাৰ দল
দ্বিতীয় ঃ মেঘালী বৰুৱাৰ দল
তৃতীয় ঃ পল্লৱী বৰুৱাৰ দল, ৰুবী বৰুৱাৰ দল

বিয়ানাম প্ৰতিযোগিতাৰ ফলাফল ঃ

প্ৰথম ঃ লীনাশ্ৰী গগৈৰ দল
দ্বিতীয় ঃ পল্লৱী বৰুৱাৰ দল
তৃতীয় ঃ এনাজৰী দল

বিহুনাচ প্ৰতিযোগিতাৰ ফলাফল ঃ

প্ৰথম ঃ সুৰভী গগৈ
দ্বিতীয় ঃ প্ৰিয়াক্ষী মহন
তৃতীয় ঃ সংঘমিত্ৰা সন্দিকৈ, সুকন্যা ফুকন

Results of Cultural Procession Competition

1st : Department of Geography
2nd : Department of Education
3rd : Department of History
4th : Department of Economics
5th : Department of Home Science

Judges Special Award :

1. Distance Education
2. Sanskriti Play School

নাটকৰ ফলাফল ঃ

শ্ৰেষ্ঠ দল ঃ 'লাজ' নাটকৰ দল
দ্বিতীয় শ্ৰেষ্ঠ দল ঃ 'শান্তিপক্ষী' নাটকৰ দল

অভিনেত্ৰী ঃ

শ্ৰেষ্ঠা অভিনেত্ৰী ঃ দৰোথী বৰুৱা (নাটক - লাজ)
দ্বিতীয় শ্ৰেষ্ঠা অভিনেত্ৰী ঃ মৃদুস্মিতা ফুকন (নাটক - আৱৰ্জনা)
মেঘালী বৰুৱা (নাটক - শান্তিপক্ষী)
তৃতীয় শ্ৰেষ্ঠা অভিনেত্ৰী ঃ মানসী বৰুৱা (নাটক - শান্তিপক্ষী)

পৰিচালক ঃ

শ্ৰেষ্ঠা পৰিচালিকা ঃ যামিনী মহন্ত
দ্বিতীয় পৰিচালিকা ঃ মেঘালী বৰুৱা

PRINCIPALS OF THE S.G.C.

Name	From	To
1. Tokheswar Dutta	08.07.64	24.05.69
2. Muhiram Saikia	16.08.69	23.11.70
3. Nilima Borooah (I/C)	24.11.70	30.06.71
4. Biren Borkotoky	01.07.71	28.02.98
5. Md. Hafizur Rahman	01.03.85	02.02.98
6. Birendra Kr. Talukdar	03.02.98	28.02.01
7. Sahabuddin Ahemd (I/C)	01.03.01	31.08.01
8. Sonaram Baruah (I/C)	01.09.01	30.06.03
9. Jamuna Borgohain (I/C)	01.07.03	31.01.04
10. Dilip Kr. Chakravarty (I/C)	01.02.04	17.09.04
11. Dr. Hemanta Kr. Phukon	17.09.04	....

RETIRED TEACHERS SIBSAGAR GIRLS' COLLEGE

1. Sri Satyabhusan Baruah — Rtd. HOD. -Economics
2. Ms. Giribala Gogoi — Rtd. Demonstrator-Home Science
3. Sri Samarpati Sanyal — Rtd. HOD.-English
4. Sri Dronakanta Kalita — Rtd. HOD.-Assamese
5. Sri Birendra Kumar Talukdar — Rtd. Principal
6. Md.S.U. Ahmed — Rtd. Principal
7. Sri Sonaram Baruah — Rtd. Principal(I/C)
8. Ms. Jamuna Borgohain — Rtd. Principal(I/C)
9. Sri Sirish Kumar Bhattacharjya — Rtd. HOD.-English
10. Sri Arun Chandra Bairagi — Rtd.HOD-Geography
11. Sri Dilip Kumar Chakravarty — Rtd. Principal(I/C)
12. Ms. Monuara Begum — Rtd.HOD-Assamese
13. Ms. Kiran Baruah — Rtd. HOD.-Geography-V.P.
14. Dr. M.B. Chakravarty — Rtd. HOD.-Home Science
15. Kusum Phukan — Rtd. Vice Principal

SIBSAGAR GIRLS' COLLEGE

Teacher's list

1.	Dr.(Mrs.) L.M.Borchetia, *Vice Principal*	Deptt. of Eng.
2.	Ms. T.M. Boruah,	Deptt. of Eco.
3.	Mrs. Anu Sharma, Head	Deptt. of Edu.
4.	Mrs. Nazrin Ahmed, Head	Deptt. of H.Sc.
5.	Sri Dugdha Sharma	Deptt. of Geog.
6.	Sri Buddhin Misra, Head	Deptt. of Eco.
7.	Mrs. S.B.Doullah	Deptt. of Eco
8.	Mrs. M.D.Borkakoty	Deptt. of Hist.
9.	Sri Phanin Ch. Mout, Head	Deptt. of Geog.
10.	Sri Ranjit Ranjan Tamuli	Deptt. of As.
11.	Sri Abdul Hamid, Head	Deptt. of Eng.
12.	Mrs. Rita Borkatoky	Deptt. of H.Sc.
13.	Mrs. Utpala Gohain Chamua, Head	Deptt. of Hist.
14.	Mrs. Gairika Devi	Deptt. of Edu.
15.	Mrs. Ajanta Borah	Deptt. of Eco.
16.	Dr.(Mrs.)Rashmi Rekha Gogoi, Head	Deptt. of As.
17	Mrs D.J.Bhuyan	Deptt. of Hist.
18.	Mrs. Sangeeta Hazarika	Deptt. of As
19.	Sri Kishore Kr. Deuri,	Deptt. of P.Sc.
20.	Dr.(Mrs). Jimli Borah, Head	Deptt. of P.Sc.
21.	Mr. Sanjoy Das.	Deptt. of Geog.
22.	Dr.(Mrs).Salma Nasreen	Deptt. of P.Sc.
23.	Mrs. Kritanjali Konwar.	Deptt. of Eng.
24.	Sri Shiva Prasad Mili	Deptt. of Eng.
25.	Ms. K.Sonowal	Deptt. of As.
26.	Dr. Rantu Gohain	Deptt. of Edu.
28.	Sri Bhaskar Dutta, Head	Deptt. of Phy.
29.	Dr. Bimal Dutta, Head	Deptt. of Bot.
30.	Ms. D.D.Bhuyan, Head	Deptt. of Zoo.
31.	Ms. M. Begum, Head	Deptt. of Ch.
32.	Sri S.J.Choudhury, Head	Deptt. of Maths
33.	Sri Bidyut Baruah	Deptt. of Maths.
34.	Sri Inamul Hussain	Deptt. of Bot.
35.	Sri Pranab Jyoti Bharali	Deptt. of Ch.
36.	Sri Pranjal Rajkhowa	Deptt. of Ch.
37.	Sri Zakir Hussain	Deptt. of Zoo.
38.	Ms. Nibedita Baruah	Deptt. of Bot.
39.	Mr. P. P. Baruah	Deptt. of Physics.

40. Sri Probin Sarmah	Deptt. of Hist... ....
41. Ms. Chitralekha Gogoi	Deptt. of Zool.. ....
42. Sri Ranjan Das	Deptt. of Maths......................
43. Ms. Gayatri Mohan	Deptt. of Physics.. ....
44. Ms. Santana Dowarh Handique	Deptt. of As..........................
45. Sri Madine Hazarika	Deptt. of Geog. ....
46. Dr. (Ms). Rajashree Phukon	Deptt. of H.Sc... ....
47. Ms. Devika Phukan	Deptt. of Edu... ....
48. Mr. Mahan Ranjan Dutta	Deptt. of Pol. Sc... ....
49. Ms. Moushumi Dutta	Deptt. of As........................
50. Ms. Utpala Devi	Deptt. of As ....
51. Ms. Papumoni Dutta	Deptt. of Geo...... ....
52. Ms. Daisy Kameng Baruah	Deptt. of H.Sc........... ....
53. Ms. Sabiha Nahid	Deptt. of Eng. ....
54. Ms. Prativa Devi	Deptt. of Comp. Sc.. ....
55. Ms. Pami Dey	Deptt. of Comp. Sc.................
56. Ms. Raiashree Dutta	Deptt. of Eng. ....
57. Dr. Beauty Gogoi	Deptt. of Assamese.. ....
58. Ms. Kakoli Boruah	Deptt. of Sociology.. ....
59. Ms. Nibedita Hazarika	Deptt. of English.. ....
60. Ms. Alfiqua F. Rahman	Deptt. of Econimics.. ....
61. Ms. Geetimoni Borthakur	Deptt. of Pol.Science.. ....

Library Staff

1. Sri Abhijit Borpujari	Librarian
2. Mrs Sangita Das Baruah	Library Asstt.

Employees List :: Official Staff

1. Sri Promod Gogoi, S.A.
2. Sri Gagan Ch. Kakoty, UDA
3. Ms. Chitralekha S. Neog, UDA
4. Ms. Gitanjali Borthakur, LDA
5. Sri Biren Gogoi, LDA
6. Rajkumar Sree Koncheng, LDA
7. Sri Ankur Hazarika, LDA
8. Sri Achinta Borah, LDA
9. Sri Santanu Dutta, LDA
10. Sri Bhaskar Borah, LDA

MONTESSORI TRAINING CENTRE (Education Deptt.)
1. Minakshi Borgohain, Trainner

BEAUTICIAN AND GROOMING CENTRE (History Deptt.)
1. Shymoli Saikia, Beautician
2. Rashmirekha Bhuyan, Helper

CUTTING AND KNITTING (Economics Deptt.)
1. Hema Chetia, Instructor

SANSKRITI PLAY SCHOOL (Home Sc. Deptt.)
1. Parismita Gogoi, Teacher

DISTANCE MODE (P.G & Graduate under D.U.)
1. Tejoshri Boruah, Asstt. Co-ordinator

P.G.D.R.D.
1. Jugita Konwar, Teacher

NCC
1. Arfa Begum,Instructor

IV GRADE STAFF
1. Sri Tulon Bordoloi, Lab. Bearer
2. Sri Sonpowal Kalita, IV Grade
3. Sri Kailash Dutta, IV Grade
4. Sri Debajyoti Kalita, IV Grade
5. Sri Srikanta Boruah, IV Grade
6. Sri Pranab Phukan, IV Grade
7. Sri Prasanta Saikia, IV Grade
8. Ms. Amiya Konwer, Lib. Bearer
9. Sri Paramananda Konwar, IV Grade
10. Sri Bubu Borah, IV Grade
11. Sri Biplab Dutta, Lib. Bearer
12. Sri Brojen Dutta, IV Grade
13. Sri Hemanta Borah, IV Grade
14. Sri Rajesh Chetia, Lab. Bearer
15. Sri Amrit Konwar, Lab. Bearer
16. Sri Putul Saikia, Lab. Bearer
17. Sri Pranjal Saikia, Lab. Bearer
18. Sri Bitupan Das, Lab. Bearer

OTHER STAFF INCLUDING HOSTEL
1. Bikash Saikia, Night Chowikidar (hostel)
2. Babul Saikia, Night Chowikidar
3. Puspa Borah, Cook (hostel)
4. Anil Khanikar, Cook(hostel)
5. Rina Borah, Helper (hostel)
6. Bharati Tanti, Helper (hostel)
7. Moni Gogoi, Helper, (hostel)
8. Arun Das, Night Chowikidar

CANTEEN
1. Rubul Pathak (Manager)
2. Juri Pathak
3. Sushil Das, helper
4. Bitu Satnami, helper

SWEEPING/CLEANING STAFF
1. Ms. Tuni Das, Sweeper
2. Ms. Halima Begum, Sweeper
3. Sri Rajesh Basfor, Sweeper

Executive Body- 2012-13 :

President :
Dr. H.K. Phukan, ***Principal***
Mrs. Kusum Phukan, ***Vice-Principal***

General Secretary :
Ms. Rubi Baruah

Asstt. General Secretary :
Ms. Christina Youah

Secy. for Cultural Affairs
Ms. Aditi Mahanta

Secy. for Music :
Ms. Washiya Rahman

Asstt. Secy. for Music :
Ms. Dimpee Bezboruah

Secy. for Sport :
Ms. Sumi Boruah

Asstt. Secy. for Sport :
Ms. Jumi Dutta

Secy. for Magazine :
Ms. Kankana Borgohain

Secy. for Debating :
Ms. Jugamaya Gogoi

Secy. for Social Service :
Ms. Pori Borah

Secy. for Common Room
Ms. Sangita Gogoi

Editors of Probahini

1966-67	-	Rita Sharma
		Jyoti Thakur
		Bonti Bezboruah
		Nashiban Begum
1970-71	-	Karabi Hazarika
1972	-	Monuma Gogoi
1973-74	-	Jyotimoni Sen
1976	-	Niraja Boruah
1977	-	Anurupa Duwarah
1978-79	-	Indira Saikia
1984-85	-	Dipalee Boruah
1986-87	-	Salcha Sultana Rahman
1989-90	-	Ayesa Begum
1995-96	-	Pranoti Baetia
1996-97	-	Jitamoni Bora
1997-98	-	Deepjyoti Saikia
1998-99	-	Purnima Dutta
1999-2000	-	Meghalee Chutia Phukon
2001-02	-	Asisang Chetia
2003-04	-	Chandnama Gogoi
		Pallabi Gogoi
2005-06	-	Mousumi Konwar
2006-08	-	Akashjyoti Das
		Binita Chetia
2008-09	-	Bonti Phukon
2009-10	-	Bobita Dutta
2010-11	-	Nirmali Daring
2011-12	-	Nayana Das
		Susmita Gogoi
2012-13	-	Kankona Borgohain

Executive Body 2012-13:

President :
Dr. H.K. Phukan, Principal
Ms. ... Phukan, Vice-Principal

General Secretary :
Ms. Rubi Baruah

Asstt. General Secretary :
Ms. Chandine Wahengbam

Secy. for Cultural Affairs :
Ms. Aditi Mahanta

Secy. for Music :
Ms. Warbina Hallorah

Asstt. Secy. for Music :
Ms. Dimpee Rajbongshi

Secy. for Sport :
Ms. Sumi Borgohain

Asstt. Secy. for Sports :
Ms. Sumi Dutta

Secy. for Magazine :
Ms. Kankana Borgohain

Secy. for Debating :
Ms. Jagamaya Gogoi

Secy. for Social Service :
Ms. Pori Boni Borah

Secy. for Common Room :
Ms. Sangita Gogoi

মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসত সমবেত হোৱা অৱসৰপ্ৰাপ্ত আৰু কৰ্মৰত শিক্ষকসকলৰ একাংশ

মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস আৰু নৱাগতা আদৰণি সভাত অসম সাহিত্য সভাৰ সভাপতি ইমৰান শ্বাহদেৱ



ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালাত ভাষণৰত
ড° সুনীল কুমাৰ শইকীয়া

মহাবিদ্যালয়ৰ ডিজিটেল শ্ৰেণী কোঠা

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত অনুষ্ঠিত আন্তঃমহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীৰ দলটো

মহাবিদ্যালয়ৰ শীত-তাপ নিয়ন্ত্ৰিত গ্ৰন্থাগাৰ

সৌৰ শক্তি চালিত ফাউণ্টেইন

দূৰ সংবেদন প্ৰযুক্তিৰ লগত
ব্যস্ত কেইগৰাকীমান ছাত্ৰী



ইণ্টাৰনেট কক্ষ



গান্ধী জয়ন্তী উদ্‌যাপন, গান্ধীৰ প্ৰতিচ্ছবিত
পুষ্পাঞ্জলি আগবঢ়াইছে শিক্ষাবিদ ফনী চেতিয়াই

ৰামৰজা সিংহ স্মাৰক বক্তৃতানুষ্ঠানত বক্তৃতা প্ৰদান কৰিছে
শিৱসাগৰ জিলা সাহিত্য সভাৰ সভাপতি প্ৰদীপ হাজৰিকাই

শিক্ষক দিৱস উদ্‌যাপনৰ কিয়দংশ, বক্তৃতা প্ৰদান
কৰিছে সাধাৰণ সম্পাদিকা ৰুবী বৰুৱাই

ৰাষ্ট্ৰীয় আলোচনাচক্ৰৰ আঁত ধৰিছে অসমীয়া বিভাগৰ
অধ্যাপক ৰঞ্জিত ৰঞ্জন তামুলীয়ে

সেউজ শিৱসাগৰ অভিযানত শিৱসাগৰ ছোৱালী কলেজৰ
অংশ গ্ৰহণকাৰী ছাত্ৰীৰ একাংশ

শংকৰদেৱ অধ্যয়ন কেন্দ্ৰৰ উদ্যোগত অনুষ্ঠিত
খোল-তাল, মৃদঙ্গৰ প্ৰশিক্ষণ অনুষ্ঠান

আমাৰ গৌৰৱ

মৃদুস্মিতা ফুকন
আন্তৰ্বিশ্ববিদ্যালয় বেডমিণ্টন প্ৰতিযোগিতাত একক শাখাত ৰাণাৰ্চ আপ। ৰাঁচীত অনুষ্ঠিত আন্ত বিশ্ববিদ্যালয় বেডমিণ্টন প্ৰতিযোগিতা ২০১৩ৰ বাবে নিৰ্বাচিত

পম্পী গগৈ
শ্ৰেষ্ঠ বলাৰ (ক্ৰিকেট)

তৃষ্ণা শৰ্মা
শ্ৰেষ্ঠ গায়িকা

টিমি কোঁৱৰ
শ্ৰেষ্ঠ সাহিত্যিক

যামিনী মহন্ত
শ্ৰেষ্ঠ নাট্যপৰিচালক

চিম্পী বেগম
শ্ৰেষ্ঠ দৌৰবিদ

দৰথী বৰুৱা
শ্ৰেষ্ঠ অভিনেত্ৰী

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত অনুষ্ঠিত আন্ত মহাবিদ্যালয় শিক্ষক-কৰ্মচাৰীৰ ক্ৰিকেট প্ৰতিযোগিতাৰ চূড়ান্ত খেলৰ মহাবিদ্যালয়ৰ বিজয়ী দলটো

আন্ত মহাবিদ্যালয় যুৱ মহোৎসৱত অংশ গ্ৰহণ কৰাসকলৰ একাংশ

সোণালী জয়ন্তী উপলক্ষে উলিওৱা বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাৰ কেইটিমান মুহূৰ্ত